
সোণাৰি মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে
প্ৰাক্তন সতীৰ্থ সন্মিলনৰ

স্মৃতি গ্ৰন্থ

# স্বৰ্ণিম স্বৰ



সম্পাদকত্ৰয় ঃ
দিলীপ ৰঞ্জন বৰুৱা,
জুৰি দেৱী, কল্পনা বৰুৱা

# মহাবিদ্যালয়ৰ গৌৰৱৰ

## কেইটিমান চিত্ৰ



কমল শইকীয়া
মহাবিদ্যালয়ৰ পৰা প্ৰথম ষ্টেণ্ড কৰা
(দশম স্থান) ছাত্ৰ
১৯৮৪ চন



ৰাহুল গগৈ
উচ্চতৰ মাধ্যমিক পৰীক্ষাত
২০০৫ দশম স্থানপ্ৰাপ্ত



মধুচন্দা শইকীয়া
মহাবিদ্যালয়ৰ চাৰিবছৰ
শ্ৰেষ্ঠ গায়িকা, দুবছৰ শ্ৰেষ্ঠ
সাহিত্যিক, কেৰম আৰু দবা
খেলৰ চেম্পিয়ন




জ্যোতি প্ৰসাদ বৰুৱা
মহাবিদ্যালয়ৰ
'মিষ্টাৰ ষ্ট্ৰংমেন'



তিলো গগৈ
মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী
ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ খেলুৱৈ



মদন ৰয়
মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ
বৰ্তমান নৌ সেনাৰ
চুবেদাৰ মেজৰ




[illegible]
ৰাষ্ট্ৰীয় [illegible]
[illegible]



[illegible] কোঁৱৰ
ৰাষ্ট্ৰীয় [illegible] খেলুৱৈ

# স্বৰ্ণাক্ষৰ

## সোণাৰি মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে
## প্ৰাক্তন সতীৰ্থ সন্মিলনৰ

# স্মৃতিগ্ৰন্থ

প্ৰতি

মাননীয়/মাননীয়া ............................................................ লৈ

আন্তৰিক শ্ৰদ্ধাৰে আগবঢ়ালো।

সম্পাদনা সমিতি

**"স্বৰ্ণাক্ষৰ"** সোণাৰি মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে প্ৰকাশিত প্ৰাক্তন সতীৰ্থ সন্মিলনৰ স্মৃতি গ্ৰন্থ। প্ৰকাশক সোণালী জয়ন্তী উদ্‌যাপন সমিতি, সোণাৰি মহাবিদ্যালয়, ৯, ১০ আৰু ১১ ছেপ্তেম্বৰ, ২০২২ বৰ্ষ।

## ঃঃ সম্পাদনা সমিতি ঃঃ

| | |
|---|---|
| উপদেষ্টামণ্ডলী ঃ | শ্ৰীযুত তপন কুমাৰ গগৈ<br>শ্ৰীযুত ধৰ্মেশ্বৰ কোঁৱৰ<br>ড° বিমল চন্দ্ৰ গগৈ<br>শ্ৰীযুত ননী বৰুৱা<br>শ্ৰীযুত টংকেশ্বৰ লাহন<br>শ্ৰীযুত সুশীল চুড়ী<br>শ্ৰীযুতা তিলোত্তমা গগৈ<br>শ্ৰীযুত ৰাতুল চেতিয়া ফুকন |
| সম্পাদক ঃ | শ্ৰী দিলীপ ৰঞ্জন বৰুৱা<br>শ্ৰী জুৰি দেৱী<br>শ্ৰী কল্পনা বৰুৱা |
| সহযোগী সম্পাদক ঃ | শ্ৰী কবিতা গগৈ<br>শ্ৰী মিণ্টু তাঁতী |
| সদস্য ঃ | শ্ৰী স্বপন কৰ<br>শ্ৰী থানু মহন<br>শ্ৰী ডিম্বেশ্বৰ কোঁৱৰ<br>শ্ৰী লেখক গগৈ<br>শ্ৰী চন্দন লাহন<br>শ্ৰী সুনীতা মহন |
| সমন্বয়ক ঃ | শ্ৰী বিনোদ ৰাজখনিকৰ<br>শ্ৰী দিব্যজ্যোতি কোঁৱৰ |
| বেটুপাত ঃ | শ্ৰী অৰুণ বৈৰাগী |
| প্ৰকাশ কাল ঃ | ৯ ছেপ্তেম্বৰ, ২০২২ |
| মুদ্ৰণ ঃ | [illegible] |

# উচৰ্গা

যিসকল জ্ঞাত-অজ্ঞাত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে এই জ্ঞান-মন্দিৰৰ পৰা শিক্ষাগ্ৰহণ কৰি জীৱনটোক নতুন ৰূপত গঢ়ি তুলিলে আৰু বাটে বাটে পোহৰৰ ফুল সিঁচি ইহ সংসাৰ ত্যাগ কৰিলে স্বৰ্ণ জয়ন্তীৰ সতীৰ্থ সন্মিলনৰ এই শুভক্ষণত তেওঁলোকক স্মৰণ কৰিছো আৰু সশ্ৰদ্ধ প্ৰণিপাত জনাই স্মাৰক গ্ৰন্থ "স্বৰ্ণাক্ষৰ" তেওঁলোকৰ পৱিত্ৰ চৰণত আৰু সোণাৰি মহাবিদ্যালয়ক নিজৰ ছাত্ৰ জীৱনেৰে প্ৰণোচ্ছল কৰি তোলা সমূহ প্ৰাক্তন সতীৰ্থৰ কৰ কমলত "স্বৰ্ণাক্ষৰ" উচৰ্গা কৰা হ'ল।

সম্পাদনা সমিতি

# অশ্ৰু অঞ্জলি

“মই যেতিয়া এই জীৱনৰ
মায়া এৰি গুছি যাম
আশাকৰোঁ মোৰ চিতাৰ কাষত
তোমাৰ সঁহাৰি পাম।”

— ভুপেন দা

সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠালগ্নৰে পৰা জড়িত যি সকল শুভাকাংক্ষী, শিক্ষাগুৰু, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে এই পৃথিৱীৰ পৰা মেলানি মাগিলে তেখেতসকললৈ অশ্ৰু অঞ্জলি যাচিলোঁ।

উদ্‌যাপন সমিতি

# শ্ৰদ্ধাৰ্ঘ

১) যিসকল স্বৰ্গগামী ব্যক্তিৰ দূৰদৰ্শিতা, অক্লান্ত পৰিশ্ৰমৰ মাজেৰে আমাৰ সোণাৰি মহাবিদ্যালয়ৰ ভেটি প্ৰতিষ্ঠা হ'ল।

২) যিসকল মহতোমহীয়ান ব্যক্তিৰ অতুলনীয় চিন্তাদৰ্শৰে, ত্যাগ আৰু মহানুভৱতাৰে আমাৰ মহাবিদ্যালয়ৰ বীজ ৰোপন হ'ল।

৩) যিসকল মহান শিক্ষাগুৰুৰ শিক্ষাদানে প্ৰতিষ্ঠাকালৰ পৰাই আমাৰ আলোকসন্ধানী ছাত্ৰ-ছাত্ৰীক জ্ঞানৰ জ্যোতিৰে জিলিকাই তুলিলে।

৪) যিসকল সন্মানীয় কৰ্মচাৰীৰ সহযোগিতাই সোণাৰি মহাবিদ্যালয়ৰ উত্তৰণত বৰঙণি যোগালে।

৫) যিসকল পৰিচালনা সমিতিৰ সন্মানীয় বিষয়ববীয়া, সদস্য, সদস্যাই তেওঁলোকৰ সুদক্ষ পৰিচালনাৰে মহাবিদ্যালয়খন ঠন ধৰি উঠাত অৱদান যোগালে।


৬) যিসকল ছাত্ৰ-ছাত্ৰীয়ে আমাৰ জ্ঞান-মন্দিৰক বিশ্বদৰবাৰত উজ্বলাই তুলিলে, সেইসকল জ্ঞাত-অজ্ঞাত ছাত্ৰ-ছাত্ৰীলৈ যাঁচিছো আমাৰ অন্তৰভৰা শ্ৰদ্ধাৰ্ঘ।

সম্পাদনা সমিতি।



## ঃঃ কৃতজ্ঞতাৰ গুৱাপাণ ঃঃ

- সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ লগত জড়িত নমস্য ব্যক্তিসকল।
- মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা যোৰহাট লোকসভা সমষ্টিৰ সাংসদ শ্ৰীযুত তপন কুমাৰ গগৈদেৱ।
- যাৰ অফুৰন্ত উৎসাহ আৰু সহযোগিতাৰে সোণালী জয়ন্তীৰ বাট বুলিছে।
- শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰি আমাক ধন্য কৰা প্ৰতিষ্ঠাপক অধ্যক্ষ মাননীয় শ্ৰীযুত গোলাপ বৰগোহাঁইদেৱ, প্ৰতিষ্ঠাপক সম্পাদক শ্ৰীযুত ডিম্বেশ্বৰ গগৈদেৱ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ, স্বৰ্ণ জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি শ্ৰীযুত তপন কুমাৰ গগৈদেৱ, প্ৰাক্তন চাত্ৰ, বিশিষ্ট সমাজকৰ্মী, সোণাৰি বিধানসভা সমষ্টিৰ বিধায়ক শ্ৰীযুত ধৰ্মেশ্বৰ কোঁৱৰ দেৱ।
- মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ কৰ্ণধাৰ সমিতিৰ বিষয়ববীসকল আৰু সতীৰ্থ সন্মিলনৰ উপসমিতিৰ বিষয়ববীয়াসকল।
- যিসকল প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লেখনিয়ে "স্বৰ্ণাক্ষৰ"ক সমৃদ্ধ কৰি প্ৰাণ প্ৰতিষ্ঠা কৰিলে সেইসকল লেখক-লেখিকা।
- বেটুপাত অংকন কৰা প্ৰাক্তন ছাত্ৰ অৰুণ বৈৰাগীদেৱ।
- প্ৰচাৰ মাধ্যমৰ সন্মানী সাংবাদিক বন্ধুসকল।
- সোণাৰিবাসী ৰাইজ, যাৰ অকুণ্ঠ সহায়-সহযোগিতাৰে ধন্য হৈছে সোণাৰি মহাবিদ্যালয়।
- বহু যত্নৰে স্মৃতি সাঁচি ৰখা আলোকচিত্ৰ যোগান ধৰোঁতাসকল।
- মহাবিদ্যালয় মাননীয় অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ।
- আমাৰ সমন্বয়কদ্বয় বিনোদ ৰাজখনিকৰ আৰু দিব্যজ্যোতি কোঁৱৰ।
- ৰংপুৰ চাপাশালাৰ (প্ৰিণ্ট হাউচ)আমগুৰিৰ স্বত্বাধিকাৰী আৰু কৰ্মচাৰীবৃন্দ।



## ঃঃ ক্ষমা প্ৰাৰ্থনা ঃঃ

"স্বৰ্ণাক্ষৰ"ৰ লেখনি সমূহ শেষ মুহূৰ্তলৈকে আহি থকাত সম্পাদনাৰ ক্ষেত্ৰত অনিচ্ছাকৃতভাৱে বহু ভুল-ভ্ৰান্তি ৰৈ গৈছে। অনিবাৰ্য কাৰণবশতঃ পঞ্চাশ বছৰীয়া ইতিহাসৰ সকলো প্ৰাক্তনৰ সতে যোগাযোগ সম্ভৱ নহ'ল। ব্যস্ততাপূৰ্ণ জীৱনৰ বাবে সম্পাদনা সমিতিয়েও কামসমূহ একেৰাহে কৰিব পৰা নাই। সেয়েহে সকলোকে সামৰি এখনি সৰ্বাংগ সুন্দৰ গ্ৰন্থ প্ৰকাশ কৰাত আমি হয়তো সফল হ'ব পৰা নাই।

যিখিনি লেখা, ফটো আমাৰ হাতত পৰিল তাকেই আমি সোণাৰি কলেজৰ সোণালী ইতিহাসৰ কিছু স্মৃতি, কিছু মুহূৰ্তক মহামূল্যবান সম্পদৰূপে গ্ৰহণ কৰিলোঁ। এই ইতিহাস স্মৃতিগ্ৰন্থৰ পাতত "স্বৰ্ণাক্ষৰ" হৈ উজ্বলি থাকক।

সকলোখিনি অনিচ্ছাকৃত ভুলৰ বাবে সদাশয় ৰাইজৰ কাষত উদ্‌যাপন সমিতিৰ সৈতে সম্পাদনা সমিতি ক্ষমাপ্ৰাৰ্থী হৈ ৰলোঁ।

বিঃদ্ৰঃ— "স্বৰ্ণাক্ষৰ"ৰ বাবে শ্ৰদ্ধাৰ প্ৰাক্তন সকলে আগবঢ়োৱা লেখনিত সম্পাদনা সমিতিয়ে বৰ্ণাশুদ্ধি আৰু সামান্য সাল-সলনিৰ বাদে হাত ফুৰোৱা নাই। তেখেত সকলৰ আবেগ জড়িত স্মৃতিকথাক সন্মান জনাই আমি কোনো ধৰণৰ সম্পাদনা কৰা নাই। স্মৃতি গ্ৰন্থত প্ৰকাশিত সমূহ লেখনি আৰু সংগৃহীত আলোক চিত্ৰৰ বাবে উদ্‌যাপন সমিতি, সম্পাদনা সমিতি আৰু মুদ্ৰণ কৰ্তৃপক্ষ কোনো ধৰণে দায়ী নহয়।

## ঃঃ শুভেচ্ছাবাণী ঃঃ

১/০৯/২০২২

অবিভক্ত শিৱসাগৰ জিলাৰ সোণাৰিৰ বুকুত ১৯৭০ চনৰ ৫ আগষ্টত প্ৰাণ প্ৰতিষ্ঠা লাভ কৰা সোণাৰি মহাবিদ্যালয়ে সময়ৰ সোপানেৰে আগবাঢ়ি সোণালী জয়ন্তী বৰ্ষত খোজ থলে।

এই মাহেন্দ্ৰক্ষণত সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰ দিহা কৰিছে বুলি জানি সুখী হ'লো। আশাকৰো তেওঁলোকৰ লেখনিৰ মাজেৰে সোণাৰি মহাবিদ্যালয়ৰ বহু ইতিহাসে ভুমুকি মাৰিব। সকলোৰে প্ৰতি এই শুভক্ষণত শুভেচ্ছা আৰু আশীৰ্বাদ যাচিলোঁ।

(শ্ৰী গোলাপ বৰগোহাঁই)
প্ৰতিষ্ঠাপক অধ্যক্ষ
সোণাৰি মহাবিদ্যালয়।

## শুভেচ্ছা বাণী

২/০৯/২০২২

অবিভক্ত শিৱসাগৰ জিলা আৰু বৰ্তমান চৰাইদেউ জিলাৰ সোণাৰিৰ মাজ মজিয়াত ১৯৭০ চনৰ ৫ আগষ্টত প্ৰতিষ্ঠা লাভ কৰা সেই সময়ৰ সোণাৰিৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান সোণাৰি মহাবিদ্যালয়ে নিজ ঐতিহ্য আৰু গৰিমাৰে আগুৱাই আহি সোণালী জয়ন্তী বৰ্ষত পদাৰ্পণ কৰিলে।

এই পৱিত্ৰক্ষণত সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ অনুভৱ, অভিজ্ঞতা, স্মৃতি কথাৰে এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিবলৈ লৈছে বুলি জানি সুখী আৰু আনন্দিত হৈছো। মই আশাবাদী যে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ লেখনিৰ মাজেৰে মহাবিদ্যালয়খনৰ ইতিহাস আৰু শৈক্ষিক দিশ সুন্দৰভাৱে উপস্থাপন হ'ব। এই শুভক্ষণত সকলোৰে প্ৰতি শুভেচ্ছা আৰু আশীৰ্বাদ কামনা কৰি মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

(শ্ৰী ডিম্বেশ্বৰ গগৈ)
প্ৰতিষ্ঠাপক সম্পাদক
সোণাৰি মহাবিদ্যালয় পৰিচালনা সমিতি।

**Topon Kumar Gogoi**
MEMBER OF PARLIAMENT
(LOK SABHA)
12 No. Jorhat HPC, Assam
Member
Standing Committee on
Petroleum and Natural Gas
Member
Consultative Committee
For Ministry of Power,
New & Renewable Energy

সত্যমেৱ জয়তে

Off. Add: 127-129
South Avenue
New Delhi-110001
Ph. 01123012123
Mob. 9435012570

Re: শুভেচ্ছাবাণী/৭৯/২০২২

Date ০২/০৯/২০২২



## শুভেচ্ছা বাৰ্তা

সোণাৰি মহাবিদ্যালয়ৰ গৌৰৱোজ্বল সোণালী জয়ন্তী সামৰণি অনুষ্ঠানৰ এই শুভক্ষণত মহাবিদ্যালয়ৰ সমূহ অগ্ৰজ আৰু অনুজ প্ৰাক্তন ছাত্ৰ -ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। এজন প্ৰাক্তন ছাত্ৰ হিচাপে এই মহাবিদ্যালয়খনৰ পৰাই মই শৈক্ষিক, সামাজিক আৰু ৰাজনৈতিক জীৱনৰ বহু কথা আৰু অভিজ্ঞতা সঞ্চয় কৰিছিলো যিয়ে মোক, মোৰ এই পৰ্যায় পোৱাত বিশেষভাৱে সহায় কৰিছে; যাৰ বাবে মই এই মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু, অগ্ৰজ আৰু অনুজ সকলৰ ওচৰত সদায় কৃতজ্ঞ।

সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানৰ এই উপলক্ষ্যত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ উদ্যোগত "স্বৰ্ণাক্ষৰ" নামেৰে এখনি স্মাৰকগ্ৰন্থ প্ৰকাশ কৰিবলৈ লোৱাটো অতিকে আদৰণীয় হৈছে। স্মাৰকগ্ৰন্থখনিলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো। শেষত স্মাৰকগ্ৰন্থখনিত মহাবিদ্যালয়খনিৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সোণোৱালী অতীতৰ সোণসেৰীয়া দস্তাবেজবোৰ উপস্থাপন হোৱাৰ লগতে স্মাৰকগ্ৰন্থখনি সকলোৰে বাবে মনোগ্ৰাহী হ'ব বুলি আশা কৰিলোঁ।

বিনীত

(তপন কুমাৰ গগৈ)
সাংসদ
১২ নং যোৰহাট লোকসভা সমষ্টি

**Dharmeswar Konwar,** MLA
106 No. Sonari LAC
Phone: 8822191621
Email ID: dharmeswarkonwar25@gmail.com

সত্যমেৱ জয়তে

Old MLA Hostel, Block- D(4)
Dispur, Guwahati-781006
Sukafa Nagar, Charaideo (Assam)
Pin- 785689

Ref No: Sonari/MLA/20/SB/2021-22/034

Date: 13th Aug, 2022



## শুভেচ্ছা বাণী

**"শিক্ষা হৈছে এটা জাতিৰ মেৰুদণ্ড । যি মেৰুদণ্ড ভাঙিলে অৱৰুদ্ধ হৈ পৰে উন্নতিৰ সকলো পথ"** – ৰাজা ৰামমোহন ৰায়ৰ এই বিখ্যাত উক্তিকে সাৰোগত কৰি আমি প্ৰত্যেক গৰাকী লোকেই আনুষ্ঠানিক শিক্ষা লাভৰ উদ্দেশ্যে একো একোখন শিক্ষানুষ্ঠানৰ সৈতে জড়িত হৈ পৰো । সেই উদ্দেশ্যে আগত ৰাখিয়ে এদিন মইও উচ্চ শিক্ষা লাভৰ অৰ্থে ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ত নাম ভৰ্তি কৰিছিলো । য'ত মই পাৰ কৰিছিলো জীৱনৰ বহুকেইটা গুৰুত্বপূৰ্ণ বসন্ত । জীৱনৰ মূল্যৱান এই সময়ছোৱাত শিক্ষানুষ্ঠান খনক মই কি দিব পাৰিলো নাজানো কিন্তু সোণাৰি মহাবিদ্যালয়ে মোক দিলে আজীৱন নিজৰ বুলিব পৰাকৈ জ্ঞানৰ টোপোলা, অলেখ স্মৃতি । অজ্ঞানতাৰ তমসা আঁতৰাই জীৱনৰ বাটত আগবাঢ়ি যাব পৰাকৈ এটা পোহৰৰ বাট । যি বাটেৰে আগুৱাই আহি এদিন নিজেও বহু অনুজক সঞ্চিত জ্ঞানেৰে আগবঢ়ায় নিয়া শিক্ষকতাৰ দৰে পবিত্ৰ বৃত্তিত জড়িত হৈ পৰিছিলো ।

মোৰ/আমাৰ দৰে বহুতৰ জীৱনৰ এচোৱা মধুৰ সময়ক বুকুত কঢ়িয়াই সোণাৰি মহাবিদ্যালয়ে অতি সংগোপনে ৫০ টাকৈ বৰ্ষ অতিক্ৰম কৰিলে । বিভিন্ন ঘটনা পৰিঘটনাক বুকুত বান্ধি মহাবিদ্যালয় খনে জ্ঞানৰ পোহৰেৰে শিক্ষিত কৰি তুলিলে সত সহস্ৰজন জ্ঞান পিপাসুক । এই ছেগতে সেই সকল নমস্যক প্ৰণাম জনাইছো, যাৰ অশেষ ত্যাগ কষ্টৰ বিনিময়ত আজি সোণাৰি মাবিদ্যালয়ে স-গৌৰৱে এটা দীঘলীয়া যাত্ৰা অতিক্ৰম কৰি সোণালী জয়ন্তীৰ ক্ষণত উপনীত হৈছে । এই শুভ ক্ষণত মোৰ অন্তৰৰ নিভৃত কোণৰ পৰা মহাবিদ্যালয় খনলৈ অভিনন্দনৰ লগতে প্ৰণাম জনালোঁ ।

সমুখত আৰু বহু দূৰ বাট । একাগ্ৰতা অধ্যৱসায় আৰু পৰিশ্ৰমী শিক্ষাৰ্থী সকলক ত্ৰিবেণী সঙ্গমত স্নান কৰাই অপ্ৰতিৰোধ্য হৈ উজলি উঠক সোণাৰি মহাবিদ্যালয়। আন্ধাৰৰ ভেটা ভাঙি যোগ যোগান্তৰলৈ সভ্যতাৰ ধাৰা বাহক হৈ ৰওক ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখন ।

"কোনে কাক বিদায় জনাব পাৰে,
বুকুত যাৰ খোদিত হ'ল সঠিক ঠিকনা"

মহাবিদ্যালয়খনৰ এনে সোণালী ক্ষণত পুৰণি স্মৃতিক পুনৰ জীপাল কৰি তোলাৰ বাবে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলে স্মৃতিগ্ৰন্থ প্ৰকাশৰ দৰে যি এক সোণোৱালী কাম হাতত ললে এইয়া সচাঁই এক বুজাব নোৱাৰা অনুভূতি । যাৰ পাতত লিপিবদ্ধ হ'ব স্মৃতিৰ পেৰাত সোমাই থকা অতীতৰ বহু কথা । স্মৃতি গ্ৰন্থখন প্ৰকাশৰ বাবে উদ্যোগ লোৱা প্ৰতি গৰাকী প্ৰাক্তন সতীৰ্থ, অগ্ৰজ, অনুজলৈ এই ছেগতে আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিলো । প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লিখনিৰে প্ৰকাশ পাব লগা এই স্মৃতি গ্ৰন্থখন সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ হৈ মহাবিদ্যালয়ৰ ইতিহাসৰ পাতত সন্নিবিষ্ট হওক তাৰে কামনা কৰিলোঁ ।

"জয়তু সোণাৰি মহাবিদ্যালয়"

(ধৰ্মেশ্বৰ কোঁৱৰ)
বিধায়ক, ১০৬ নং সোণাৰি বিধানসভা সমষ্টি, অসম

# অধ্যক্ষৰ মেজৰ পৰা একাষাৰ......

ড° বিমল চন্দ্ৰ গগৈ
অধ্যক্ষ
সোণাৰি মহাবিদ্যালয়

সোণাৰি মহাবিদ্যালয়ত অধ্যক্ষৰূপে যোগদান কৰাৰ দিনৰে পৰা মহাবিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সান্নিধ্যত কৰ্তব্য পালনৰ ক্ষেত্ৰত অনুপ্ৰাণিত হৈ আহিছো। তেখেতসকলৰ সহায়-সহযোগিতাৰ বাবেই বাঢ়িছে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা। নিজে পঢ়া কলেজখনত নিজৰ ল'ৰা-ছোৱালীৰ উপৰিও নাতি-নাতিনী সকলোকে নামভৰ্তি কৰিবলৈ লৈ অহা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলক দেখিলে মনটো ভাল লাগে। তেখেতসকলৰ কলেজখনৰ প্ৰতি থকা মৰম আৰু হেঁপাহ, অনুষ্ঠানটিৰ কাৰণে কিবা এটা কৰাৰ ইচ্ছাৰ পৰিণতি স্বৰূপে গাঁঠিৰ ধন ভাঙি "প্ৰাক্তন ছাত্ৰ-ছাত্ৰী ভৱন"টো নিৰ্মাণ কৰি উলিয়াইছে।

এখন শিক্ষানুষ্ঠানৰ বাবে প্ৰাক্তন শিক্ষাৰ্থীসকলৰ গুৰুত্ব অসীম। আনকি NAAC ৰ মূল্যায়নৰ ক্ষেত্ৰটো প্ৰাক্তন শিক্ষাৰ্থীসকলৰ বিশেষ ভূমিকা আছে। NAAC ত ভাল Grade পাবলৈ হ'লে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সংস্থাৰ পঞ্জীয়ন, তেখেতসকলৰ ফালৰ পৰা মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থীসকলে নিজৰ বৰ্তমানৰ ঠিকনা, পদবী, কৰ্মস্থান, জীৱিকা আদি উল্লেখ কৰি নাম পঞ্জীয়ন কৰি ৰাখিলেহে NAAC ত দেখুৱাবলৈ সুবিধা হয়। মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিবেশ ৰক্ষা, কায়িক উন্নতি আৰু সুনাম অক্ষুন্ন ৰখাৰ ক্ষেত্ৰত প্ৰাক্তন শিক্ষাৰ্থীসকলৰ বিশেষ সহযোগিতাৰ প্ৰয়োজন।

সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ আৰম্ভণীৰে পৰা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে অতি উৎসাহেৰে বিভিন্ন কাম-কাজত কৰ্তৃপক্ষক সৰ্বতো প্ৰকাৰে সহায় আগবঢ়াইছে। তেখেত সকলে সাধ্য অনুসাৰে আৰ্থিক অনুদান, বৰঙণি আগবঢ়াই অনুষ্ঠানটো সাফল্য মণ্ডিত কৰাত বিশেষভাৱে অৰিহণা যোগাইছে। সামৰণি অনুষ্ঠানৰ বাবে পুঁজি সংগ্ৰহৰ ক্ষেত্ৰত প্ৰাক্তন শিক্ষাৰ্থীসকলৰ ভালেকেইজনে বিভিন্নজনৰ ঘৰে ঘৰে গৈ প্ৰয়োজনীয় ধনৰাশি সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। এইক্ষেত্ৰত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে মুক্ত হস্তে দান-বৰঙণি আগবঢ়োৱাটো প্ৰসংশনীয়।

সামৰণি অনুষ্ঠানৰ প্ৰতিখন উপসমিতিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে সদস্যৰূপে অংশগ্ৰহণ কৰি প্ৰতিটো কাৰ্যসূচীৰ সফল ৰূপায়নত অৱদান আগবঢ়াইছে। তাৰোপৰি সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ বিভিন্ন বিষয়বাবত থাকি নিজৰ দায়িত্ব সুন্দৰভাৱে পালন কৰি অনুষ্ঠানটিৰ সফল সামৰণিৰ বাবে প্ৰাক্তন শিক্ষাৰ্থীসকলে সৰ্বস্ব উজাৰি দিছে। এই আপাহতে সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো। মহাবিদ্যালয়খনৰ প্ৰতি শ্ৰদ্ধাশীল, শুভাকাংক্ষী প্ৰাক্তন শিক্ষাৰ্থীসকলৰ সক্ৰিয় সহযোগিতাই সোণাৰি মহাবিদ্যালয়ক এদিন উৎকৃষ্ট শিক্ষানুষ্ঠানত পৰিণত কৰিব। শেষত স্মাৰক সম্পাদক সহিতে সকলো কৰ্মকৰ্তালৈ শ্ৰদ্ধা জনাই অধ্যক্ষৰ একলম সামৰিলো।

জয়তু সোণাৰি মহাবিদ্যালয়।

জয়তু সোণাৰি মহাবিদ্যালয় প্ৰাক্তন ছাত্ৰ সংস্থা।

৪৪৪৪

# সম্পাদকীয়

"তোৰে মোৰে আলোকৰে যাত্ৰা
অব্যৰ্থ
আমি পালো জীৱনৰ
অৰ্থ অভিনৱ
স্বাগত স্বাগত সতীৰ্থ"

(জ্যোতি প্ৰসাদ আগৰৱালা)

সৃষ্টিকামী, সদা সচেতন, বিকশিত মনৰ ব্যক্তি সকলে কেৱল নিজৰ কাৰণে জীয়াই থাকিব নিবিচাৰে। সামাজিক চেতনা সম্পন্ন লোক সকলে সমাজখনক আলোকিত পথৰ সন্ধান দিব বিচাৰে। ব্ৰতী হয় শুভ কৰ্মৰ সন্ধানত। যাৰ পৰিণতিত সম্পাদিত মহৎ কাৰ্যই সমাজক চিৰসুন্দৰৰ সাধনা কৰিবলৈ অনুপ্ৰাণিত কৰে, যুগজয়ী কৃতিৰ গঢ় দিয়ে, সমাজৰ উত্তৰণ ঘটায়। ১৯৬০ ৰ দশকৰ শেষৰ ফালে এনে এচাম জ্ঞানান্বেষী, দুৰদৰ্শী লোকৰ গঠনমুলক চিন্তাৰ ফলত এটি বীজ অঙ্কুৰিত হয় যি বীজে ১৯৭০ চনৰ ৫ আগষ্টত এজোপা জ্ঞানবৃক্ষৰ ৰূপ লয়। নাম লয় 'সোণাৰি মহাবিদ্যালয়'। এই জ্ঞানবৃক্ষই আজি পঞ্চাশ বছৰ অতিক্ৰমী মহীৰূহৰ আকাৰ ধাৰণ কৰি নিজৰ মহিমা আৰু গৰিমাৰে মহিমামণ্ডিত হৈছে।

সময় গতিশীল। মানুহৰ জীৱনো গতিশীল। এই গতিশীলতাই সলনি কৰে ইতিহাসৰ পট। এখিলা এখিলাকৈ সযতনে লিপিবদ্ধ হয় সময় নামৰ ইতিহাসৰ বুকুত। সেই সময়েই সমৃদ্ধ কৰে মানুহৰ জীৱন, সমৃদ্ধ হয় ইতিহাস। সোঁৱৰণিৰ বলুকাত প্ৰতিবিম্বিত হয় এটি এটিকৈ। চিৰজ্যোতিষ্মান আভাৰে আলোকিত হয় ইতিহাসৰ সেই বৰ্ণিল পৃষ্ঠাবোৰ। অম্লান ৰূপত চিত্ৰিত হয় অতীতৰ সোঁৱৰণীবোৰ বৰ্তমানৰ বুকুত। জীৱন্ত হৈ বিচৰণ কৰে এৰি অহা দিনৰ মধুৰ সোঁৱৰণীয়ে। বুকুৰ মাজত বৈ যায় অন্তঃসলিলা নদীৰ দৰে নীৰৱে-নিতালে। উচ্ছাস আহে জীৱনলৈ। মুকুতাৰ ৰঙ যেন এটি এটি ক্ষণ অতীতৰ বুকুত বিচাৰি আমি উন্মনা হওঁ। উভতি বিচাৰি যাওঁ জীৱনৰ সেই সুদৃঢ় ভেটি। যি ভেটিটোৈই থিয় হৈ আমি লৈছিলো জীৱনক মহাজীৱনলৈ ৰূপান্তৰ কৰাৰ দৃঢ় পণ।

সোণাৰি মহাবিদ্যালয়। প্ৰজ্ঞাৰ আলয়। যিসকলে এদিন এই আলয়ৰ বুকুত জীৱন গঢ়াৰ সপোন দেখিছিল, জীৱনৰ মানিক-মুকুতা বুটলিছিল, শিক্ষাৰ সন্ধানত ঢাপলি মেলি আহি প্ৰজ্ঞাৰ মৌ-কোঁহেৰে পূৰ্ণ হৈছিল সেইসকলে কেতিয়াও পাহৰিব নোৱাৰে সেই স্বৰ্ণখচিত স্মৃতি। বুকুৰ আপোন সোণাৰি মহাবিদ্যালয়ৰ পৰা আহৰণ কৰা শিক্ষা, জ্ঞান আৰু প্ৰজ্ঞাৰ সোণচেকুৰাৰে যিসকল উজ্জীৱিত হৈ পৰিছিল, যি পাৰিজাতৰ সৌৰভ বিলাইছিল কোনেও পাহৰিব নোৱাৰে সেই জ্ঞান মন্দিৰক। মাত্ৰ ৯৬ গৰাকী ছাত্ৰ-ছাত্ৰীক লৈ কেৱল কলা শাখাৰে আৰম্ভ কৰা এই মহাবিদ্যালয় আজি কলা আৰু বিজ্ঞানৰ ১১ টা বিভাগেৰে আৰু প্ৰায় ২০০০ ছাত্ৰ-ছাত্ৰীৰে উচ্চ শিক্ষাৰ এক অগ্ৰণী অনুষ্ঠানত পৰিণত হৈছে।

নল মৰে গজালি মেলে। তেনেকৈয়ে এচাম ছাত্ৰ-ছাত্ৰীয়ে এই জ্ঞান মন্দিৰত

শিক্ষা সমাপ্ত কৰি ওলাই গৈছে আৰু আন এচামে জ্ঞানৰ সন্ধানত প্ৰৱেশ কৰিছে। এই অবিৰত প্ৰক্ৰিয়াত বহুহাজাৰ শিক্ষাৰ্থীয়ে নমস্য শিক্ষাগুৰু সকলৰ দিক্‌দৰ্শন আৰু জ্ঞানৰ আলোকেৰে আলোকিত হৈ বিভিন্ন কৰ্মক্ষেত্ৰত নিয়োজিত হ'বলৈ সক্ষম হৈছে। গৌৰৱান্বিত কৰিছে এই জ্ঞান মন্দিৰক, আজুৰি আনিছে সমাজ তথা দেশলৈ অলেখ কৃতিত্ব, অলেখ খ্যাতি। ব্যস্ততাপূৰ্ণ আৰু সমস্যাবহুল জীৱনৰ মাজত থাকিও যেন এই সকল প্ৰাক্তন শিক্ষাৰ্থীয়ে পাহৰিব পৰা নাই এই মহাবিদ্যালয়ৰ স্মৃতি। আমিও পাহৰিব নোৱাৰো কেতিয়াও কোনো কালে। যি আমাক জীৱন দিলে, দিলে জীৱনৰ অমোঘ বাণী। আমাৰ মনৰ কোঁহে কোঁহে কলিজাৰ ৰন্ধ্ৰে ৰন্ধ্ৰে সঞ্চিত হৈ আছে মহাবিদ্যালয়ৰ দিনবোৰৰ প্ৰতিটো পল-অনুপল, প্ৰতিটো ঘটনা-অনুঘটনা আৰু মহাবিদ্যালয়ৰ সুগন্ধি সুঘ্ৰাণ। তাৰেই প্ৰকাশ যেন আজিৰ এই মহামিলন।

যিসকলে সুচিন্তাৰে, দূৰদৰ্শীতাৰে অশেষ ত্যাগ আৰু কষ্টৰে ৰূলে এই জ্ঞান বৃক্ষৰ পুলি, যাৰ ছায়াৰে, আদৰে-যত্নৰে পুলিটি আজি ভৰুণ বৃক্ষ হ'ল — পত্ৰে-পুষ্পে বিকশিত হ'ল সেইসকল মহতোমহীয়ানে আকৌ এবাৰ উলটি চাব খুজিছে অতীতৰ সেই পৃষ্ঠাবোৰ। যিসকলৰ মহানুভৱতাত, বদান্যতাত চৌদিশে বিয়পিল জ্ঞান বৃক্ষৰ সুৰভি, কৰিলে সুবাসিত সেইসকল মহানে আকৌ এবাৰ বজাব খুজিছে সেই বিনন্দীয়া অমিয়া সুৰ, জুৰাব খুজিছে হেৰুৱা আঁত — যাৰ বাবেই আয়োজন সোণালী জয়ন্তীৰ মহামিলন।

এই মহামিলনৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ এটি সামান্য প্ৰয়াস হিচাপে সোণাৰি মহাবিদ্যালয় সোণালী জয়ন্তী উদ্‌যাপন সমিতিয়ে গঠন কৰি দিয়া 'প্ৰাক্তন সতীৰ্থ সন্মিলনীৰ উপসমিতি'য়ে সিদ্ধান্ত লৈছিল প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ লেখাৰে সমৃদ্ধ এখন গ্ৰন্থ প্ৰস্তুত কৰাৰ। সমগ্ৰ বিশ্বব্যাপী উদ্ভৱ হোৱা ক'ভিড মহামাৰীয়ে যথাসময়ত সোণালী জয়ন্তী অনুষ্ঠান উদ্‌যাপন কৰাত বাধাৰ সৃষ্টি কৰিলে । যাৰ ফলস্বৰূপে কেৱল আমাৰ ৰাজ্যখনতে নহয় ভাৰতৰ বিভিন্ন ৰাজ্য তথা বিদেশত সিঁচৰতি হৈ থকা এই মহাবিদ্যালয়ৰ খ্যাতিমন্ত, কৃতী প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ লগত সংযোগ কৰি এনে এখন গ্ৰন্থ প্ৰস্তুত কৰা অসম্ভৱ হৈ পৰিল। তাৰ লগতে অৰ্থকৰী দিশটো আছেই। সেয়ে, গ্ৰন্থখনি প্ৰস্তুত তথা প্ৰকাশৰ চিন্তা তল পৰিল। কিন্তু, অনুষ্ঠানটোৰ লগত সঘনে যোগাযোগ হৈ থকা কিছুসংখ্যক প্ৰাক্তন শিক্ষাৰ্থীৰ আগ্ৰহ আৰু সৱল প্ৰচেষ্টাৰ পৰিপ্ৰেক্ষিতত আয়োজক সমিতিয়ে সেউজ সংকেত দিলে।

প্ৰাক্তন সতীৰ্থ সন্মিলনীৰ উপসমিতিয়ে এখন সম্পাদনা সমিতি গঠন কৰি দিয়ে। কিন্তু, অতি কম সময়ৰ ভিতৰত প্ৰস্তুত কৰিব লগীয়া হোৱাত সকলোৰে লগত যোগাযোগ কৰা সম্ভৱ নহ'ল। সীমিত সংখ্যক লেখাৰে গ্ৰন্থখনি প্ৰস্তুতৰ প্ৰয়াস কৰা হৈছে। আশা ৰাখিছোঁ এই লেখা সমূহ আৰু স্মৃতিৰ কিছু মুহূৰ্ত ধৰি ৰখা আলোকচিত্ৰ সমূহৰ পৰা প্ৰাক্তন সতীৰ্থ সকলৰ মহাবিদ্যালয় জীৱনৰ স্মৃতিৰ ৰেঙণি ভাঁহি আহিব। সম্পাদনা চ'ৰাৰ পৰা কেৱল ভাষাগত শুদ্ধতাহে চাবলৈ প্ৰয়াস কৰা হৈছে। লেখক সকলৰ লেখনিৰ মৌলিকতাত হস্তক্ষেপ কৰা হোৱা নাই।

আমাৰ অতিকে আপোন সোণাৰি মহাবিদ্যালয়ৰ এই সোনালী জয়ন্তী সামৰণি অনুষ্ঠানৰ মুহূৰ্তত এই জ্ঞান মন্দিৰৰ সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীলৈ যাচিছোঁ আমাৰ হিয়াভৰা ওলগ আৰু সম্ভাষণ। বৌদ্ধিক বিকাশত সোণাৰি মহাবিদ্যালয়ৰ জয়যাত্ৰা অটুত থাকক।

'জয়তু সোণাৰি মহাবিদ্যালয়'

সম্পাদনা সমিতিৰ হৈ—
দিলীপ ৰঞ্জন বৰুৱা
জুৰি দেৱী
কল্পনা বৰুৱা

তাং ৬ ছেপ্তেম্বৰ, ২০২২ চন

## —ঃঃ অনুক্ৰমণিকা ঃঃ—


| | |
|---|---|
| প্ৰতিষ্ঠাপক সম্পাদক শ্ৰীযুত ডিম্বেশ্বৰ গগৈদেৱৰ লগত হোৱা কথোপকথনৰ সম্পাদিত ৰূপ— | সম্পাদনা সমিতি/ ১৯ |
| স্মৃতি ৰোমন্থন— | মিনু কুমাৰী বৰগোহাঁই/২৩ |
| বিদ্যা নিকেতন সোণাৰি কলেজ— | খুসীমাই প্ৰামাণিক/২৭ |
| সোণাৰি কলেজৰ কিছু সোঁৱৰণি— | গুণকান্ত খাখলাৰী/২৯ |
| স্মৃতিৰ পৃষ্ঠা লুটিয়াই— | ভবেশ বৰুৱা/৩৪ |
| মিঠা অনুভৱ— | নাৰায়ণ শইকীয়া/৩৫ |
| অৰ্ধ শতিকাৰ কিছু ধূসৰ ছবি — | পূৰ্ণেশ্বৰ দিহিঙ্গীয়া/৩৭ |
| সোণাৰি কলেজৰ সোণোৱালী দিনবোৰ— | হেমলতা বৰগোহাঁই বৰা/৩৯ |
| সোঁৱৰণীৰ জলঙাৰে সোণাৰি কলেজ— | অজিত কুমাৰ ফুকন/৪২ |
| এটা মিঠা সোঁৱৰণি— | হেমী ফুকন গগৈ/৪৪ |
| হেৰুৱা স্মৃতিৰ মায়া— | ভূপেন দেউঘৰীয়া/৪৬ |
| সোণাৰিৰ শিক্ষাজীৱনৰ—সোণোৱালী দিনবোৰৰ সোঁৱৰণত— | অজয় কুমাৰ বৰগোহাঞিং/৪৯ |
| সোণাৰি কলেজৰ সোণালী স্মৃতি ঃ এক নষ্টালজিয়া— | বিভাৰাণী বৰগোহাঞিং/৫২ |
| এৰি অহা দিনৰ এটি মিঠা অনুভূতি— | কুঞ্জ বৰুৱা/৫৫ |
| সোণাৰি কলেজৰ সোণোৱালী দিনৰ— | দময়ন্তী গগৈ/৫৭ |
| সোঁৱৰণী কুঁৱলীৰ ফাঁকেৰে এভুমুকি— | তিলোতমা গগৈ/৬৫ |
| সোণাৰি কলেজৰ সোণালী ইতিহাসৰ কেইখিলামান......— | ৰুমী কোঁৱৰ/৬৮ |
| মোৰ অনুভৱত সোণাৰি মহাবিদ্যালয়— | ড° কনকলতা কোঁৱৰ/৭২ |
| সোণাৰি মহাবিদ্যালয় আৰু মই— | দিলীপ ৰঞ্জন বৰুৱা/৭৪ |
| স্মৃতিৰ সুবাস— | ৰমা কোঁৱৰ/৭৯ |
| সোণাৰি মহাবিদ্যালয়ৰ পৰা ৰাষ্ট্ৰপতিৰ.....— | হেমলতা বৰুৱা দত্ত/৮২ |
| হাঁহি-ধেমালীৰ ঘটনাৰ ৰেঙনিবোৰ— | স্বপন কৰ/৮৪ |
| আবেলিৰ ৰং— | অমিয়া গগৈ সোনোৱাল/৮৮ |
| সৰাপাতে ৰিঙিয়াই সুৰ— | অৰ্চনা গগৈ/৯১ |
| অনুভৱৰ জলঙাইদি একলম— | মাখনী গোস্বামী/৯৩ |
| সোণাৰি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ হিচাপে.....— | মঃ আলফ্ৰেড ৰহমান/৯৭ |
| সোণাৰি মহাবিদ্যালয়ৰ অতীত ৰোমন্থন— | ধৈৰ্য্য প্ৰসাদ বৰগোহাঞিং/৯৮ |
| সোঁৱৰণীৰ কুঁৱলী ফালি— | ললিত চাবুকধৰা/১০০ |
| স্মৃতিৰ বোকোচাত সোণাৰি মহাবিদ্যালয়— | ড° মানজিৎ গগৈ/১০৩ |

## —ঃঃ অনুক্ৰমণিকা ঃঃ—


| | |
|---|---|
| স্মৃতিৰ মণিকোঠাত সোণাৰি মহাবিদ্যালয়— | ড° স্মৃতিৰেখা গগৈ গায়ন/১০৬ |
| স্মৃতিৰ পাপৰি— | গীতা বৰা/১০৮ |
| স্মৃতিৰ দুলনিত সোণাৰিৰ সুদিন— | কৰবী গগৈ কোঁৱৰ/১১০ |
| স্মৃতিৰ ৰেঙণি— | কবিতা গগৈ চাবুকধৰা/১১২ |
| স্মৃতি মঞ্জুৰি— | ডিম্বেশ্বৰ কোঁৱৰ/১১৬ |
| সোণাৰি মহাবিদ্যালয়ৰ সোণালী .....— | স্বৰ্ণ দিহিঙ্গীয়া/১২০ |
| স্মৃতি ৰোমন্থনৰ লেছেৰি বুটলি— | দীচেন গগৈ/১২৪ |
| সোণাৰি মহাবিদ্যালয়ৰ স্মৃতিবোৰ— | মিনু গগৈ/১২৭ |
| ছাঁ স্মৃতিৰ অনুৰণন্— | বিনোদ ৰাজখনিকৰ/১২৯ |
| স্মৃতিৰ মণিকোঠাত সোণাৰি মহাবিদ্যালয়— | ৰূপালী গগৈ/১৩৪ |
| স্মৃতিৰ পাতত মোৰ কলেজীয়া জীৱন— | মুহিলা বৰুৱা/১৩৮ |
| স্মৃতিৰ এখিলা পাত— | দুলুমণি বুঢ়াগোহাঁই (বৰুৱা)/১৪১ |
| হৃদয়ৰ বাখৰুৱা কলাজ— | কল্পনা বৰুৱা/১৪৩ |
| অনুভৱ— | থানু মহন/১৪৯ |
| সোণাৰি মহাবিদ্যালয় ঃ আমাৰ সোণসেৰীয়া.....— | অমলা গগৈ/১৫০ |
| স্মৃতিৰ একলম— | ৰিলেশ্বৰ চেতিয়া/১৫২ |
| আজিও মনত পৰে কলেজত পঢ়ি থকা দিনবোৰলৈ— | প্ৰশান্ত শৰ্মা/১৫৫ |
| সোণাৰি মহাবিদ্যালয়ত মই আৰু মোৰ অনুভৱ— | ৰেখামনি গগৈ/১৫৬ |
| হেৰাই যোৱা সোণালী দিনবোৰ সুঁৱৰি— | সুৰেশ ফুকন/১৬০ |
| সোণাৰি মহাবিদ্যালয়ৰ এটি অনুভৱ— | মামণি কোঁৱৰ/১৬২ |
| সোণোৱালী সময়ৰ পম খেদি— | সুনীতা মহন/১৬৩ |
| তামুলী ছাৰ আৰু মোবাইল ফোন— | প্ৰাপ্তিময়ী দত্ত/১৬৫ |
| সোঁৱৰণিৰ একলম— | বনশ্ৰী গগৈ/১৬৬ |
| স্মৃতিৰ পাতত জিলিকি ৰোৱা সোণাৰি মহাবিদ্যালয়ৰ— | বৰ্ণালী আৰন্ধৰা গগৈ/১৬৭ |
| সোণাৰি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী হিচাপে— | আমিনুৰ ৰহমান, অঞ্জুমা বেগম/১৬৯ |
| প্ৰাচীন ভাৰতৰ শিক্ষা ব্যৱস্থা— | স্বৰ্ণ বৰগোহাঁই বৰবৰুৱা/১৭১ |
| তাই আহোম ৰাজবংশৰ ৰাজধানী, চৰাইদেউ— | অমল ৰাজ কোঁৱৰ/১৭৩ |
| **INFLUENCE OF L1 AND .......—** | **PONGKHI KONWAR/১৭৫** |
| Egyptian Pyramid | Uddipti Mohan/১৭৯ |
| **"Capsula Mundi"The biodegradable........** | Chow Hansang Konwar/১৮১ |


## —ঃঃ অনুক্ৰমণিকা ঃঃ—


| | |
|---|---|
| দ্বিতীয় বিবাহ— | বিভাৰাণী দত্ত/১৮৪ |
| অনুগল্প'ৰ ৰূপত সমাজলৈ তিনিটা বাৰ্তা— | সুনিতা ৰায়/১৮৬ |
| গৌৰৱ সোণোৱালী মুকুট— | মধুছন্দা শইকীয়া বৈশ্য/১৮৭ |
| জ্ঞানৰ আলয়— | গীতালি গগৈ/১৮৭ |
| সোণাৰি কলেজৰ নীলাঞ্জনা— | ৰাতুল চেতিয়া ফুকন/১৮৮ |
| জয়তু সোণাৰি মহাবিদ্যালয়— | বীণা বাউৰী/১৮৯ |
| কণ্টকাকীৰ্ণ পথৰ সংগীহীন যাত্ৰী মই— | উমা আচাৰ্য্য/১৮৯ |
| মুক্তিৰ গান— | ধৰ্মজ্যোতি বৰুৱা/১৯০ |
| সেই সময়— | মিনাক্ষী কটকী/১৯১ |
| আটক ধুনীয়া জিমখানা ক্লাবৰ সেউজীয়া হাঁহি— | সীমা ভাদুড়ী/১৯২ |
| এই বাটে হোনো উৰাজাহাজ নামিব— | মিণ্টু তাঁতী/১৯৩ |
| স্মৃতিৰ কুঠৰীত— | চন্দ্ৰিকা কোঁৱৰ/১৯৫ |
| উৰুখা পঁজা মোৰ— | অনন্ত বৰগোহাঁই/১৯৫ |
| অৰুন্ধতী, কেনে আছা তুমি— | ঋজুমনি গগৈ/১৯৬ |
| খাম জখলা— | উজ্বল স্মৰণ দত্ত/১৯৬ |
| শুভ প্ৰাৰ্থনাৰে— | পূৰবী শইকীয়া বৰুৱা/১৯৭ |
| সোণাৰি— | জোনমনি ফুকন/১৯৮ |
| আহিবাচোন বন্ধু আকৌ লগ হ'ম— | মুনমী কোঁৱৰ/১৯৯ |
| যুগ্মতাৰ দৰ্শন— | মানসী ৰাজখোৱা শইকীয়া/২০০ |
| জয়তু সোণাৰি মহাবিদ্যালয়— | জয়িতা চক্ৰবৰ্তী/২০১ |
| আহ ঐ আহ— | পাঙ্কি কোঁৱৰ/২০২ |
| আকৌ এবাৰ উভতি চাওঁ— | ৰাজশ্ৰী বৰগোহাঁই/২০৩ |
| সোণাৰি মহাবিদ্যালয়— | প্ৰিয়া বাঘ/২০৪ |
| সোণাৰি কলেজৰ মই অৰুন্ধতী— | জুৰি দেৱী ফুকন/২০৫ |
| সোণাৰি কলেজ— | তৰু গগৈ/২০৭ |
| স্বৰ্ণ জয়ন্তীৰ গীত (সোণাৰি মহাবিদ্যালয়)— | কথাঃ কবিতা গগৈ চাবুকধৰা/২০৮ |
| প্ৰাক্তন সতীৰ্থ সন্মিলনৰ সাংস্কৃতিক সন্ধ্যাৰ আৰম্ভণী গীত— | কথা - ডিম্বেশ্বৰ কোঁৱৰ/২০৯ |
| সতীৰ্থ সন্মিলনৰ আৰম্ভণী গীত— | গীতৰ কথা ঃ কল্পনা বৰুৱা/২১১ |
| প্ৰাক্তন ছাত্ৰ সংস্থাৰ বিষয়ববীয়াসকল— | ২১৩ |
| সতীৰ্থ সন্মিলন উপসমিতি— | ২১৪ |

# প্ৰতিষ্ঠাপক সম্পাদক শ্ৰীযুত ডিম্বেশ্বৰ গগৈদেৱৰ লগত হোৱা কথোপকথনৰ সম্পাদিত ৰূপ

সম্পাদনা সমিতি

সত্তৰৰ দশকৰ চাৰিজন অতি উদ্যমী ব্যক্তি যথাক্ৰমে সোণাৰিৰ ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক শ্ৰীযুত ডিম্বেশ্বৰ গগৈ, প্ৰয়াত শ্ৰীযুত বাণেশ্বৰ দত্ত, কাৰ্যালয়ৰ সহায়ক (টিয়ক ৰজাবাৰীৰ) প্ৰয়াত আব্দুল হান্নান, চাৰিওজনে প্ৰায়েই এটা অতি সুন্দৰ পদক্ষেপৰ বিষয়ে আলোচনা কৰিছিল। এক মহান উদ্দেশ্য সিদ্ধিৰ সপোন দেখিছিল তেওঁলোকে। আলোচনাৰ বিষয়বস্তু আছিল সোণাৰিত এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ চিন্তাচৰ্চা। সেয়া আছিল ১৯৬৯ চনৰ কথা। দৃঢ়মনা ব্যক্তিকেইজনে এনে এটা সুন্দৰ চিন্তা চৰ্চা কৰি নিজাববীয়াকৈয়ে সিদ্ধান্ত লৈ, সংকল্পবদ্ধ হৈ জ্ঞানপিপাসু মন এটা লৈ বহু আশাৰে উপস্থিত হৈছিলগৈ সোণাৰিৰে অতি গণ্যমান্য ব্যক্তি তথা অভয়পুৰ মৌজাৰ মৌজাদাৰ, আৰু চাহ খেতিয়ক প্ৰয়াত কামাখ্যা প্ৰসাদ বৰুৱাৰ বঙলাসদৃশ বাসভৱনত।

উক্ত ব্যক্তিকেইজনে তেওঁলোকৰ মহান উদ্দেশ্যৰ কথা তেখেতৰ আগত ব্যক্ত কৰে আৰু এইক্ষেত্ৰত উদ্যোগ তথা নেতৃত্ব ল'বলৈ আহ্বান জনায়। কিন্তু তেখেতে পোনচাতেই আচৰিত হোৱাৰ লগতে সেইসময়ত সোণাৰিত কোনো স্থানীয় উচ্চশিক্ষিত বা ডিগ্ৰীধাৰী ব্যক্তি নথকাৰ অজুহাতত তেখেত সকলৰ মহৎ উদ্দেশ্যক প্ৰত্যাখান কৰিলে। কিয়নো তেনে কৰিলে অন্য ঠাইৰ যুৱকেহে ইয়াত স্থান পাব হেনো। যিকি নহওঁক তেখেতৰ এনে ঋণাত্মক ব্যৱহাৰত উক্ত ব্যক্তিকেইজনে ভিতৰি ক্ষুন্ন হোৱাৰ লগতে অপমানবোধ কৰিলেও কিন্তু হতাশ নহৈ দৃঢ় প্ৰতিজ্ঞহে হ'ল। দুগুণ উৎসাহেৰে মহাবিদ্যালয় পতাৰ সিদ্ধান্ত লৈ প্ৰায় দুশ (২০০) মান হাতেলিখা চিঠিৰে বৰহাট, মথুৰাপুৰ, নামতোলা, মাহমৰা আদিকে ধৰি সোণাৰিৰ চাৰিওদিশ সামৰি বিশিষ্ট গণ্যমান্য ব্যক্তি আৰু উক্ত অঞ্চল বিদ্যালয়সমূহৰ প্ৰধানসকলকো নিমন্ত্ৰণ জনায়। এটা নিৰ্দিষ্ট দিনত প্ৰায় ১০০ জনমান ব্যক্তিৰ উপস্থিতিৰে সোণাৰিৰ জিমখানা ফিল্ডত সভাখন অনুষ্ঠিত হয়। সভাত উপস্থিত সকলোৱে দুগুণ উৎসাহেৰে সোণাৰিত কলেজ পতাৰ পোষকতা কৰে। উক্ত সভাতে শ্ৰীযুত ডিম্বেশ্বৰ গগৈ আৰু পদ্মকুমাৰী বালিকা বিদ্যালয়ৰ শিক্ষক (পিছলৈ অধ্যক্ষ) প্ৰয়াত কনক বৰুৱাক যুটীয়া সম্পাদক প্ৰয়াত হৰনাথ শৰ্মাক সভাপতি আৰু উপস্থিত অনান্য বিশিষ্ট গণমান্য, সমাজকৰ্মী ব্যক্তিক লৈ কলেজ প্ৰতিষ্ঠাৰ প্ৰস্তুতি সমিতি বা এখন কাৰ্যকৰী সমিতি গঠন কৰা হয়।

এই সমিতিখনক কাৰ্যক্ষেত্ৰত আগবাঢ়ি যাবলৈ সকলোপ্ৰকাৰে সহায় কৰা চিৰনমস্য ব্যক্তিসকল হৈছে সেইসময়ৰ ভগৱতী প্ৰসাদ বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয় শিক্ষকবৃন্দ ক্ৰমে সৰ্বশ্ৰী সুৰেশ দাস, প্ৰণৱকুমাৰ খাউণ্ড, অৱসৰপ্ৰাপ্ত আই এচ বিষয়া অজিৎ কুমাৰ লাহন, প্ৰয়াত গদাধৰ চুতীয়া, বিপিন দত্ত, যোগ শইকীয়া, আব্দুল হান্নান, ৰবীন গগৈ, সোণাৰি নগৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰিয়নাথ শৰ্মা, আলতাব হুচেইন, সোণাৰিৰ প্ৰতিষ্ঠিত ব্যৱসায়ী শান্তালাল আগৰৱালা, চৰাই অঞ্চলৰ সমাজকৰ্মী প্ৰয়াত প্ৰদ্যুৎ কুমাৰ

সিংহ, সাপেখাটী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰয়াত সুকুমাৰ বৰুৱা, বৰহাট উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰয়াত শশীধৰ ফুকনকে ধৰি আৰু ভালেমান মহানুভৱী ব্যক্তিয়ে এইক্ষেত্ৰত সহযোগিতা আগবঢ়াইছিল।

এইখিনিতে উল্লেখযোগ্য কথাটো হ'ল সেই একে সময়তে সমিতিখনে (কাৰ্যকৰী) অতি তৎপৰতাৰে কলেজ প্ৰতিষ্ঠা কৰা সন্দৰ্ভত অনুমতি বিচাৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ লগতো যোগাযোগ কৰে। সেইসময়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰীডাৰ আছিল শিৱসাগৰৰ পৰাগধৰ চলিহা। বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই চলিহাদেৱকে সোণাৰিত কলেজ পতাৰ পৰিৱেশ সম্পৰ্কে অনুসন্ধান কৰিবলৈ পঠিয়ায়। সেইমৰ্মে চলিহাদেৱে সোণাৰিলৈ আহি প্ৰয়োজনীয় তথ্য অনুসন্ধানৰ অন্তত সকলোফালৰ পৰা উপযুক্ত বাতাবৰণ দেখি অতিশয় সন্তুষ্ট হৈ সুৰেশ দাসক কৈছিল 'হেৰা ডেকাল'ৰা মই ইয়াত কেৱল কলেজেই নহয় এখন বিশ্ববিদ্যালয় পাতিলোহেঁতেন। ইয়াৰ পিছৰ পৰ্যায়ত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই কলেজ প্ৰতিষ্ঠাত অনুমতি প্ৰদান কৰিবলৈ নীতি অনুযায়ী ১০,০০০ (দহ হাজাৰ) টকা জমা দিবলৈ পৰিচালনা সমিতিক অৱগত কৰে।

ইয়াৰ পিছত এইবোৰ বিশদভাৱে আলোচনা কৰিবলৈ ১৯৬৯ চনতে সোণাৰি নগৰ প্ৰাথমিক বিদ্যালয়ত পুনৰ এখন সভাৰ আয়োজন কৰি কামাখ্যা প্ৰসাদ বৰুৱাক নিমন্ত্ৰণ কৰে। তেখেত অহাত সভাৰ ৰাইজে তেওঁকেই নতুনকৈ পতা সমিতিখনৰ নতুন সভাপতি নিৰ্বাচন কৰে। কিন্তু তেখেতে সেই পদ গ্ৰহণ কৰিব নোৱাৰে বুলি সভা স্থলী ত্যাগ কৰে। এইবাৰো সমূহ ৰাইজ তেওঁৰ ব্যৱহাৰত অসন্তুষ্ট হয় আৰু সোণাৰিত কলেজ প্ৰতিষ্ঠা কৰিবলৈ দৃঢ় সংকল্পবদ্ধ হয়।

সেই সময়তে সুন্দৰপুৰ চাহ বাগিছাৰ স্বত্বাধিকাৰী শ্ৰী প্ৰফুল্ল কুমাৰ বৰুৱাই অসম বিধান সভালৈ সোণাৰি সমষ্টিৰ পৰা প্ৰাৰ্থী হিচাপে থিয় দিয়াৰ কথাটো সভাত উপস্থিত থকা প্ৰফুল্ল বৰুৱাৰ ঘনিষ্ঠ বন্ধু শান্তালাল আগৰৱালাই ৰাইজক জনায় আৰু তেওঁকে সভাপতি নিৰ্বাচন কৰাটো সমীচীন হ'ব বুলি মত ব্যক্ত কৰে। সেইমৰ্মে সভাইও তেখেতকে সভাপতি নিৰ্বাচন কৰে আৰু শেষত সেইদিনাই সন্ধিয়া ৬ মান বজাত আগৰৱালাদেৱৰ সৈতে যুটীয়া সম্পাদকদ্বয় ডিম্বেশ্বৰ গগৈ আৰু কনক বৰুৱা, সদস্য ৰবীন গগৈ, সুৰেশ দাস আদি কেইজনমানে প্ৰফুল্ল কুমাৰ বৰুৱাৰ বাসগৃহত উপস্থিত হয়গৈ। উক্ত সময়ত আঘাতপ্ৰাপ্ত হৈ শয্যাগত হৈ থকা প্ৰফুল্ল বৰুৱাই আটাইকে ওচৰলৈ মাতি নি অহাৰ উদ্দেশ্য সুধিলে। তেখেতসকলেও উদ্দেশ্যৰ কথা সমস্ত কথা ব্যক্ত কৰে। লগতে অনুমতিৰ বাবে প্ৰয়োজন হোৱা ১০,০০০ টকাৰ অনুদান এটা আগবঢ়াবলৈ তেওঁক অনুৰোধ জনায়। বৰুৱাদেৱেও প্ৰস্তাৱ মানি লৈ ঘনিষ্ঠ বন্ধু শান্তালাল আগৰৱালাক তেওঁৰ হৈ উক্ত টকাখিনি দিবলৈ কয় আৰু তাৰ পিছদিনাই যুটীয়া সম্পাদক কনক বৰুৱাই আন দুজনমানক লগত লৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত টকা জমা দি আহেগৈ।

ইয়াৰ কিছুদিনৰ পিছতে সেই সুখবৰটো আহে। বিশ্ববিদ্যালয়ে কলেজ প্ৰতিষ্ঠাৰ অনুমতি প্ৰদানৰ বাতৰিটো পাই সোণাৰীবাসীৰ লগতে অহোপুৰুষাৰ্থ কৰা প্ৰত্যেকেই উৎফুল্লিত হয়।

অৱশেষত ১৯৭০ চনৰ ৫ আগষ্ট তাৰিখে সোণাৰি মহাবিদ্যালয় উদ্বোধন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। লগে লগে পূৰ্বৰ কাৰ্যকৰী সমিতি ভঙ্গ কৰি নতুন পৰিচালনা সমিতি গঠন কৰে। সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱা, উপসভাপতি টংকেশ্বৰ বৰুৱা, কাৰ্যকৰী সভাপতি হৰনাথ শৰ্মা, সম্পাদক গোলাপ বৰগোহাঁই, যুটীয়া সহঃ সম্পাদক ডিম্বেশ্বৰ গগৈ আৰু বিপিন দত্ত। এই সমিতিয়েই কলেজ পৰিচালনা কৰাৰ লগতে



শিক্ষক নিযুক্তিৰ ক্ষেত্ৰতো ব্যৱস্থা গ্ৰহণ কৰে।

সেইসময়ত সোণাৰিৰ পৰা প্ৰায় ১০ কিঃমিঃ নিলগৰ চক্ৰাই অঞ্চলৰ প্ৰয়াত সুৰেশ দাস, ভঃ প্ৰঃ বঃ সোঃ উচ্চ মাঃ বিদ্যালয়ৰ বিষয় শিক্ষক হিচাপে জৰিত হৈ আছিল। প্ৰথমাবস্থাত তেখেতক আমন্ত্ৰণ জনোৱাত আহিবলৈ অমান্তি হৈছিল। কিন্তু সকলোৰে অনুৰোধত আৰু ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ উচ্চ শিক্ষাৰ স্বাৰ্থত শকত অংকৰ দৰমহাৰ চাকৰিৰ পদ ইস্তফা দি সোণাৰি মহাবিদ্যালয়লৈ আহে। তেখেতৰ এই মহানুভৱতা আৰু ত্যাগৰ কথা অকপটে স্বীকাৰ কৰিব লাগিব। একে সময়তে সোণাৰিৰ পৰা প্ৰায় ১০ কিঃমিঃ আঁতৰৰ সৰুপথাৰ গাঁৱৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী গোলাপ বৰগোহাঁই তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ উপাধ্যক্ষ পদত নিযুক্ত হৈ আছিল, মাহমৰা অঞ্চলৰ শ্ৰীৰবীন চন্দ্ৰ কোঁৱৰ দিচাংপানী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক হৈ আছিল।

এই তিনিওজন ব্যক্তিকে নৱগঠিত সোণাৰি মহাবিদ্যালয়ত গোলাপ বৰগোহাঁইক অধ্যক্ষ আৰু আন দুজনক প্ৰবক্তা হিচাবে যোগদান কৰিবলৈ ৰাইজে অনুৰোধ কৰে। তেওঁলোকেও উচ্চ শিক্ষাৰ দিশত সোণাৰিক আগবঢ়াই নিবলৈ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ উচ্চ শিক্ষাৰ কথা চিন্তা কৰি, একোটা শকত অংকৰ দৰমহাৰ চাকৰিৰ পদ ইস্তফা দি সোণাৰি মহাবিদ্যালয়ৰ গুৰি ধৰিবলৈ মান্তি হয়। তেওঁলোকৰ লগতে মাৰ্ঘেৰিটাৰ পৰা শ্ৰমিক নেতা দীলেশ্বৰ তাঁতী, ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক প্ৰয়াত গদাধৰ চুতীয়া, বিষয় শিক্ষক অজিৎ কুমাৰ লাহন, প্ৰণৱ কুমাৰ খাউণ্ড (অৱসৰপ্ৰাপ্ত আই, এ, এচ, বিষয়া) আৰু যোৰহাট কাকজানৰ শ্ৰীযুতা সোণমাই বৰা আদিয়ে মহাবিদ্যালয়খনত শিক্ষাদান দিবলৈ আগবাঢ়ি আহে।

উল্লেখযোগ্য যে মহাবিদ্যালয়খন প্ৰতিষ্ঠা হোৱাৰ ৭ মাহৰ পাছত ১৯৭১ চনৰ মাৰ্চ মাহত এটা অনুদান বিচাৰি অসম চৰকাৰৰ শিক্ষা বিভাগৰ মুৰব্বী ডি.পি.আই. কাশীনাথ শৰ্মাৰ লগত কৰ্তৃপক্ষই যোগাযোগ কৰিছিল। কিন্তু এনেধৰণৰ নতুনকৈ স্থাপন হোৱা অনুষ্ঠানক চৰকাৰৰ তৰফৰপৰা কোনো অনুদান দিয়া নহয় বুলি তেওঁ মহাবিদ্যালয় কৰ্তৃপক্ষই নাজিৰা বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচিত হৈ যোৱা বিধায়ক হিতেশ্বৰ শইকীয়াৰ লগত যোগাযোগ কৰে।

সেইসময়ত শইকীয়াদেৱ অসম মন্ত্ৰীসভাৰ শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী হৈ আছিল। মন্ত্ৰী শইকীয়াই ডি.পি.আই কাশীনাথ শৰ্মাক সোণাৰি মহাবিদ্যালয়ক এটা অনুদান দিবৰ বাবে পৰামৰ্শ দিয়ে আৰু মহাবিদ্যালয় কৰ্তৃপক্ষকো ১৯৭১ চনৰ ৩১ মাৰ্চৰ ভিতৰত সেই সময়ৰ অসমৰ ৰাজধানী ছিলঙৰ ডি.পি.আইৰ কাৰ্যালয়লৈ গৈ তেখেতক লগ ধৰাৰ পৰামৰ্শ দিয়ে।

সেইমতেই সোণাৰি মহাবিদ্যালয়ৰ হৈ অধ্যক্ষ গোলাপ বৰগোহাঁই, যুটীয়া সহঃ সম্পাদক ডিম্বেশ্বৰ গগৈ আৰু প্ৰয়াত বিপিন দত্ত চিলঙলৈ যায় আৰু উক্ত দহ হেজাৰ টকাৰ অনুদানটো লাভ কৰিবলৈ সক্ষম হয়। এনেদৰেই এচাম উদাৰ আৰু মহানুভৱ ব্যক্তিৰ আপ্ৰাণ চেষ্টাত মহাবিদ্যালয়খনি দোপতদোপে উন্নতিৰ দিশত আগবাঢ়ি পূৰ্ণতাপ্ৰাপ্ত হৈ এক মহিমামণ্ডিত অনুষ্ঠানত পৰিণত হয়। এইখিনিয়েই সোণাৰিত মহাবিদ্যালয় প্ৰতিষ্ঠাৰ প্ৰাৰম্ভিক জন্ম বৃত্তান্ত।

পিছত সেই সময়ৰ চৰকাৰ আৰু বিশ্ববিদ্যালয়ৰ অনুমোদন ক্ৰমে সোণাৰি মহাবিদ্যালয় পৰিচালনা সমিতি (গভৰ্ণিং বডি ) গঠন হয়। সেই সমিতিৰ সভাপতি হয় কামাখ্যা প্ৰসাদ বৰুৱা, উপ-সভাপতি টংকেশ্বৰ

বৰুৱা আৰু সম্পাদক গোলাপ বৰগোহাঁই (অধ্যক্ষ, সোণাৰি মহাবিদ্যালয়)। পূৰ্বৰ পৰিচালনা সমিতিয়ে এই সমিতিক সম্পূৰ্ণ অৰ্পণ কৰে।

বৰ্তমান সোণাৰি মহাবিদ্যালয় চৰাইদেউ জিলাৰ ভিতৰতে এখন সু-প্ৰতিষ্ঠিত আৰু আগশাৰীৰ মহাবিদ্যালয়। আৰম্ভণিৰেপৰা বৰ্তমানলৈকে এই মহাবিদ্যালয়ৰপৰা বহু প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰী সু-শিক্ষাৰে শিক্ষিত হৈ ওলাই গৈছে আৰু নিজৰ ঠাই, নিজৰ দেশৰ লগতে দেশৰ বাহিৰতো বিভিন্ন বৃত্তিত জড়িত আৰু নিয়োজিত হৈ সুচাৰুৰূপে জীৱন-নিৰ্বাহ কৰি আছে।

এই বৃত্তিবিলাকৰ ভিতৰত বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ শিক্ষক বিভিন্ন অনুষ্ঠান- প্ৰতিষ্ঠানৰ সন্মানীয় পদবীধাৰী ৰাজনৈতিক নেতা, চিকিৎসক, লেখক, সংগীত শিল্পী, অন্যান্য সাংস্কৃতিক দিশৰ কৰ্মী, কাৰিকৰী প্ৰতিষ্ঠানৰ গুৰি ধৰোতা, বিভিন্ন ব্যৱসায় আদি বিশেষভাৱে উল্লেখযোগ্য।

আমি আশাবাদী। সেয়ে আশা কৰিম ভৱিষ্যতেও এনেদৰে এই মহাবিদ্যালয়ৰ পৰা শিক্ষাৰ্থী ওলাই গৈ নিজৰ ঠাইৰ লগতে দেশৰো সুনাম অক্ষুন্ন ৰাখি সকলোকে গৌৰৱান্বিত কৰিব। আমাৰ কামনা, সোণাৰি মহাবিদ্যালয় উত্তৰোত্তৰ উন্নতিৰ দিশত আৰু আগবাঢ়ি যাব।

ꣲꣲꣲꣲ



# স্মৃতি ৰোমন্থন

মিনু কুমাৰী বৰগোহাঁই
প্ৰাক্তন ছাত্ৰী- ১৯৭০

লিখনিৰ আৰম্ভণিতেই সেইসকল চিৰ নমস্য ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ যিসকল গুণী, জ্ঞানী আৰু দূৰদৰ্শী ব্যক্তিয়ে মানৱ সম্পদ গঢ়া সোণাৰি মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ কথা চিন্তা কৰিছিল। উচ্চ শিক্ষাৰ সুবিধা নথকাৰ বাবেই এই মহাবিদ্যালয়খন গঢ় লৈ উঠিছিল। তেখেতসকলৰ প্ৰচেষ্টাতেই আৰম্ভণিৰ পৰা বৰ্তমানলৈকে কিমান মানৱ সম্পদ গঢ় লৈ মহাবিদ্যালয়ৰ পৰা ওলাই গ'ল তাৰ সীমা সংখ্যা নাই। অতি দুখৰ কথা সেইসকল ব্যক্তিৰ মাজৰ পৰা ভালে কেইজনে ইহ সংসাৰৰ পৰা চিৰবিদায় মাগিলে। তেখেতসকলৰ আত্মাৰ সদগতি আৰু চিৰশান্তি কামনা কৰিলো।

সোণাৰি মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সামৰণি বৰ্ষৰ লগত সংগতি ৰাখি প্ৰাক্তন ছাত্ৰৰ সতীৰ্থ সন্মিলনৰ মাধ্যমেৰে প্ৰকাশ হ'ব লগা স্মৃতি গ্ৰন্থখন প্ৰকাশ কৰি উলিয়াবলৈ চেষ্টা কৰাটো সঁচাকৈ অতি গৌৰৱৰ কথা। একাৱন্ন বছৰত বহু ছাত্ৰ-ছাত্ৰী মহাবিদ্যালয়ৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ ওলাই গৈছে। সেইসকলৰ মাজৰ পৰা সন্মানীয় সাংসদ, বিধায়ক, শিক্ষক, সাংবাদিক, গায়ক বিভিন্ন বিভাগৰ চাকৰি বা ব্যৱসায় বাণিজ্যত আত্মনিয়োগ কৰিছে। আমাৰ প্ৰথম বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকল প্ৰায়েই শিক্ষকতা কৰিছিল। কেইজনমানে ভাল চাকৰিও কৰিছিল। বহুত অনুজ, ভাই ভনী বন্ধুৱে হয়তু সুন্দৰ অনুভৱেৰে মহাবিদ্যালয়ৰ স্মৃতি সুঁৱৰি সুন্দৰকৈ লিখিব। কিন্তু সুদীৰ্ঘ একাৱন বছৰৰ পিছত আমাৰ কাৰণে মহাবিদ্যালয় জীৱনৰ অতীত হৈ যোৱা স্মৃতিবোৰ সুঁৱৰি লিখাটো বহুতেই জটিল হৈছে। তথাপিও জনা-নজনাকৈ দু-আষাৰ লিখিবলৈ প্ৰয়াস কৰিছো।

১৯৭০ চনৰ ৫ আগষ্ট তাৰিখটোৱেই আছিল মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ দিন। প্ৰথম মহাবিদ্যালয় প্ৰতিষ্ঠা কৰোতে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছিল। বিশেষকৈ ছাত্ৰ-ছাত্ৰী আৰু গৃহ। পুৰণি বৃটিছৰ দিনৰ জীমখানা ফিল্ডৰ উত্তৰফালে থকা ক্লাব ঘৰটোৱেই আছিল আমাৰ মহাবিদ্যালয়। প্ৰয়াত গদা চুতীয়া চাৰকে প্ৰমুখ্য কৰি বহুতো জ্ঞানী-গুণী ব্যক্তিয়ে ছাত্ৰ-ছাত্ৰী বিচাৰি মানুহৰ ঘৰে ঘৰে যাব লগা হৈছিল। প্ৰথম বৰ্ষত প্ৰায় ৯০ (নব্বৈ) জন মানে নামভৰ্ত্তি কৰিছিল যদিও পিছলৈ ৮২ (বিৰাশী)জন মানহে থাকিল। ক্লাব ঘৰটো বৰ ধুনীয়া আৰু তাত সৰু বৰ বহুতো কোঠা আছিল য'ত নেকি আমাৰ বিভিন্ন বিষয়ৰ পাঠদান কৰা হৈছিল। প্ৰতিষ্ঠা হোৱাৰ পিছৰ পৰাই আমাৰ পাঠদান আৰম্ভ হৈছিল। প্ৰথম অৱস্থাত আমাৰ শ্ৰেণীবিলাক প্ৰায় ৰাতিপুৱা হৈছিল। ঠাণ্ডা দিনত ৰাতিপুৱা কুঁৱলী ফালি শ্ৰেণীৰ পাঠদান কৰিবলৈ যোৱাটো বৰ মজা আছিল। তেতিয়া P.V. (Pree University) এবছৰীয়া আৰু Degree তিনিবছৰীয়া আছিল। Part I - Part II আমি ইংৰাজী মাধ্যমত পঢ়িব লগা হৈছিল। আমাৰ Final (চুড়ান্ত) পৰীক্ষাবিলাক গড়গাঁও মহাবিদ্যালয়ৰ অধীনত দিব লগা হৈছিল। আমি পঢ়ি থকা সময়তো ছাত্ৰ একতা সভা গঠন হৈছিল আৰু বৃত্তিও (Scholarship) পাইছিলো। খেল ধেমালী খেলা আৰু বনভোজ খোৱা আদি মুহূৰ্তবোৰ বৰ স্মৰণীয়।

বিভিন্ন ধৰণৰ খেল-ধেমালি হৈছিল। Indoor আৰু Outdoor দুয়োটা খেলেই হৈছিল। ছাত্ৰ-ছাত্ৰীসকলে খেলাত যথেষ্ট পাৰদৰ্শিতা দেখুৱাইছিল। মইও দৌৰ প্ৰতিযোগিতা আৰু বেডমিণ্টনত পুৰস্কৃত হৈছিলো। চাৰ বাইদেউহঁতে ছাত্ৰ-ছাত্ৰীসকলক খেলাত উৎসাহ দিছিল।

আটাইতকৈ আনন্দৰ মুহূৰ্তবোৰ আছিল বনভোজ খোৱা। এবাৰ নাহৰকটীয়া জয়পুৰৰ পৰা সীতাকুণ্ডলৈ বনভোজলৈ গৈছিলো। জয়পুৰৰ পৰা বুঢ়ীদিহিং নদীৰ বুকুৰেদি নাঁৱেৰে প্ৰায় ২ কিলোমিটাৰ যাত্ৰা কৰিছিলো। নদীৰ দুয়োপাৰে অটব্য অৰণ্য। অতি নিৰ্জন কেৱল চৰাই চিৰিকতিৰ মাতৰ বাহিৰে অন্য একো শব্দ শুনা নাছিলো। নাঁৱত গৈ থাকোতে এনেকুৱা লাগিছিল আমি ক'লৈ যাত্ৰা কৰিছো। এক ভাবিব নোৱাৰা পৰিৱেশ। সীতাকুণ্ড গৈ পোৱাৰ পিছতো তাত একেই পৰিৱেশ গহীন, গম্ভীৰ অতি নিৰ্জন ঠাই। ওচৰত মানুহৰ গাঁও বা ঘৰ দুৱাৰ নেদেখিছিলো। তালৈ কেৱল বনভোজ খাবলৈহে মানুহ যায়। ডিগবৈ চহৰখন ৰিণিকি ৰিণিকি দেখিবলৈ পাইছিলো। নদীখনত এটা ডুবি আছিল। আমি যোৱা আগদিনা নদীত পৰি মানুহ মৰিছিল। তাত সীতাদেৱীৰ তাঁতশালৰ খুটাকেইটাৰ চিন দেখিবলৈ পোৱা গৈছিল (শুনামতে)। বৰ আনন্দ ফুৰ্তিৰে মাজেৰে বনভোজ চলিছিল। এবাৰ সোণাৰিৰ থুকুবিল সত্ৰলৈ সকলো খোজ কাঢ়ি বনভোজ খাবলৈ গৈছিলো। ৰং ধেমালিৰ মাজেদি কেনেকৈনো থুকুবিল পাইছিলো ক'ব পৰা নাছিলো। সকলোৱে মিলিজুলি ৰান্ধি বাঢ়ি খোৱা আনন্দই আছিল সুকীয়া।

মহাবিদ্যালয়ৰ সমান্তৰালকৈ বাহেঁৰে এটি ছবিঘৰো নিৰ্মাণ কৰিছিল। তেতিয়াৰ দিনত 'তৰামাই', 'যোগ বিয়োগ', 'বৰুৱাৰ সংসাৰ', ডঃ বেজবৰুৱা আদি অসমীয়া ছবিবোৰ খুউব চলিছিল। আমি সকলোৱে মিলিজুলি আনন্দ ফুৰ্তিৰ মাজেৰে ৰেহাই মূল্যত ছবিবোৰ উপভোগ কৰিছিলো। মাজে সময়ে হিন্দী ছবিও আনিছিল। আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সম্প্ৰীতিৰ এনাজৰীডাল বৰ কট্‌কটীয়া আছিল।

মহাবিদ্যালয়খন প্ৰতিষ্ঠা হোৱাৰ পিছত আৰ্থিকভাৱে যথেষ্ট সমস্যাৰ সন্মূখীন হ'ব লগা হৈছিল। বিভিন্ন দান বৰঙণিয়ে মহাবিদ্যালয়ৰ যাৱতীয় খা-খৰছবিলাক চম্ভালিব লগা হৈছিল। এতিয়াও মনত আছে মহাবিদ্যালয়ৰ সাহাৰ্য্যাৰ্থে কেইজনমান গায়ক-গায়িকা ৰিদিপ দত্ত, জয়ন্ত হাজৰিকা, মালবিকা বৰা আৰু খুউব সম্ভৱ ইন্দ্ৰ বনিয়াক নিমন্ত্ৰণ কৰি আনিছিল। মহাবিদ্যালয়ত এটি পুথিভঁৰালো আছিল। আমাৰ প্ৰয়োজনীয় কিতাপ পত্ৰ পঢ়াৰ সুবিধা পাইছিলো।

আমাৰ প্ৰথম বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বৰ মিলাপ্ৰীতি আৰু সদভাৱ আছিল। অকল আমাৰ মাজতেই নহয় পিছৰ বৰ্ষকেইটাৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতো মধূৰ সম্পৰ্ক আছিল। আমাৰ প্ৰথমবৰ্ষৰ মনত থকা কেইজনমান বন্ধু-বান্ধৱীৰ নাম উল্লেখ কৰিলো — খুচী প্ৰামাণিক, হাছনাআৰা বেগম, মিনু কুমাৰী বৰগোহাঁই, ৰাবেয়া খাতুন, ভাৰতী চেতিয়া ফুকন, চেনেহী গগৈ, কুসুম গগৈ, চম্পা গগৈ, বিভা বৰা, বিনু বৰা, অনু বৰা, মৌধন নিচা, ৰানু পাল, সাবিত্ৰী কোঁৱৰ, দময়ন্তী গগৈ (বেকা দলং), দময়ন্তী গগৈ (শালকাঠনি), ভানু দেৱী, বিপিন শৰ্মা, গুণ খাকলাৰী, ভীম গগৈ, লিয়াকত আলি, মুহী গগৈ, থুলেন দুৱৰা, ডিম্বেশ্বৰ বৰগোহাঁই, ৰাহিদুৰ ৰহমান, গণেশ কোঁৱৰ, ৰবি ঘোষ, বুদ্ধেশ্বৰ হাজৰিকা, প্ৰিয়তোষ চাক্‌মা, অনিল গগৈ, হেম বৰা, হেমন্ত বুঢ়াগোহাঁই, মহেন্দ্ৰ গোস্বামী, ৰুকুন আহমেদ, নন্দলাল নেৱাৰ, বিবেকানন্দ ভট্টাচায।

স্নাতক বৰ্ষত আৰু কেইজনমান অতি প্ৰিয় বন্ধু-বান্ধৱীক লগ পাইছিলো। তেওঁলোক হ'ল প্ৰয়াত লাৱণ্য বৰগোহাঁই আৰু প্ৰয়াত বানেশ্বৰ বসুমতাৰী, মুহী বৰগোহাঁই। ভিয়েনা চেতিয়াও কিছুদিনৰ বাবে



আছিল। আমাৰ মাজৰ পৰা কেইবাগৰাকী বন্ধু-বান্ধৱীয়ে ইহ সংসাৰৰ পৰা চিৰবিদায় মাগিলে। তেওঁলোক য'তেই আছে শান্তিৰে থাকক এয়েই ভগৱানৰ ওচৰত প্ৰাৰ্থনা।

আমাৰ শ্ৰদ্ধাৰ ছাৰ বাইদেউসকল আছিল — শ্ৰদ্ধাৰ অধ্যক্ষ শ্ৰীযুত গোলাপ বৰ গোহাঁই, গদা চেতীয়া, ৰবীন কোঁৱৰ, বিনন্দ মহন, সুৰেশ দাস, বিমলা ফুকন, জীৱন শইকীয়া, প্ৰণৱ খাউণ্ড, দিলেশ্বৰ তাঁতী, মানিক বৰুৱা, গিৰিণ ফুকন, কীৰ্তি বৰুৱা, সোণমাই বৰা, ৰতি গগৈ, কমলাৱতী দাস। বিষ্ণু বসুমতাৰী আমাৰ কেৰাণী ছাৰ আছিল। তেখেত বৰ গহীন গম্ভীৰ আৰু শান্ত আছিল। কোনোদিন কাকো এষাৰো টান কথা কোৱা নাছিল। এইসকলৰ মাজৰ পৰা কেইবাজনো ছাৰ-বাইদেউ স্বৰ্গগামী হয়। তেখেতসকলৰ আত্মাৰ সদ্‌গতি আৰু চিৰশান্তিৰ বাবে প্ৰাৰ্থনা জনাইছো।

আমাক ছাৰ বাইদেউসকলে বৰ ভাল পাইছিল আৰু মৰম কৰিছিল। পঢ়া-শুনাত আমাক যথেষ্ট সহায় কৰিছিল আৰু শ্ৰদ্ধা কৰিছিলো। চাৰ বাইদেউসকল বৰ সহজ-সৰল আৰু মৰমিয়াল আছিল। বাইদেউহঁতে প্ৰায় ঘৰত বোৱা মেখেলা চাদৰ পিন্ধিছিল। আমিও মহাবিদ্যালয়ত মেখেলা চাদৰ পিন্ধি ঘৰুৱাভাৱে কটাইছিলো। ছাৰ বাইদেউহঁতৰ লগত বেডমিণ্টন খেলিছিলো। আমাৰ ছাৰ বাইদেউ বা বন্ধু-বান্ধৱীৰ লগত যোগাযোগ কৰাৰ ব্যৱস্থা নাছিল কাৰণ সেইসময়ত মোবাইল নাছিল। মহাবিদ্যালয়ৰ জীৱনৰ স্মৃতিবোৰ কেৱল অটগ্ৰাফৰ পাততে থাকি গ'ল। মহাবিদ্যালয়ৰ সন্মুখৰ আৰতি কৰৰ ঘৰখনো বৰ আপোন আছিল। মোৰ জীৱনৰ আটাইতকৈ স্মৰণীয় মুহূৰ্ত হ'ল — মহাবিদ্যালয় ৰূপালী জয়ন্তী আৰু সোণালী জয়ন্তী দুয়োটা অনুষ্ঠানতে যোগদান কৰিব পৰাটো। মনত অদম্য হেঁপাহ আৰু মহাবিদ্যালয়খনৰ প্ৰতি থকা অকৃত্ৰিম ভালপোৱাৰ বাবেই দুয়োটা অনুষ্ঠানলৈ কাজিৰঙাৰ পৰা ঢাপলি মেলি গৈছিলো। ৰূপালী জয়ন্তীত নিমন্ত্ৰণ পোৱা নাছিলো যদিও বাতৰি কাকতৰ যোগেদি নিমন্ত্ৰণ পাই অনুষ্ঠানত যোগদান কৰি উৎফুল্লিত হৈ পৰিছিলো। দুয়োটা অনুষ্ঠানতে খুউব কম সংখ্যক বন্ধু-বান্ধৱীক হে লগ পাইছিলো।

সোণালী জয়ন্তী শুভাৰম্ভ অনুষ্ঠানলৈ আগতীয়াকৈ নিমন্ত্ৰণ পাইছিলো। সেই অনুষ্ঠানৰ ৫০ (পঞ্চাশ) জন বিশিষ্ট ব্যক্তিৰ লগতে ময়ো প্ৰাক্তন ছাত্ৰী হিচাপে এখন পতাকা উত্তোলন কৰিবলৈ সুযোগ পোৱাটো মোৰ বাবে অতি সৌভাগ্যৰ কথা আছিল। সেই অনুষ্ঠানতেই শ্ৰদ্ধাৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁই ছাৰ, শ্ৰীযুত ৰবীন কোঁৱৰ ছাৰ আৰু শ্ৰীযুতা সোনমাই বৰা বাইদেউক লগ পাইছিলো। বাকীসকল ছাৰক লগ নাপাই মনতো বেয়া লাগিছিল। আটাইতকৈ আনন্দৰ কথা হৈছে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল মিলিত হৈ ২০১৯ চনৰ ৫ আগষ্টত এটি গৃহ নিমাৰ্ণৰ আধাৰশিলা স্থাপন কৰা হৈছিল। বৰ্তমান নিৰ্মাণ কাৰ্য চলি আছে বুলি জানিব পাৰিছো। এইটো পৰম সৌভাগ্যৰ কথা যে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ দান বৰঙণিয়ে এটা গৃহ নিৰ্মাণ কৰাটো। ময়ো প্ৰথম বৰ্ষৰ ছাত্ৰী হিচাপে গৌৰৱ অনুভৱ কৰিছো আৰু সামান্য বৰঙণি আগবঢ়াইছো, সোণালী জয়ন্তী সামৰণি অনুষ্ঠানতে বহু বছৰৰ অন্তত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল মিলন হোৱাৰ সুবৰ্ণ সুযোগ।

এইখিনিতে এষাৰ কথা লিখিব খুজিছো যে মোৰ প্ৰথম বৰ্ষৰ বন্ধু-বান্ধৱীসকলৰ লগত মৰা কেইকপিমান ফটো সযতনে সংৰক্ষণ কৰি ৰাখিছিলো। সুদীৰ্ঘ বাৱন্ন বছৰৰ পিছত অস্পষ্ট হৈছে যদিও শ্ৰীযুতা কল্পনা বৰুৱা আৰু ড° পৰানন কোঁৱৰ ছাৰলৈ প্ৰেৰণ কৰিছো।

চমুকৈ মোৰ পৰিচয়টো দাঙি ধৰিছো। মোৰ জন্মস্থান মাহমৰা কোঁৱৰ গাঁৱত। মই মাহমৰা উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষাগ্ৰহণ কৰো আৰু তাৰপৰাই ১৯৭০ চনত মেট্ৰিক পাছ কৰিছিলো। মোৰ বিয়া

হৈছিল গোলাঘাট জিলাৰ কমাৰগাঁৱৰ ওচৰৰ গেলেকীয়াল গাঁৱলৈ। মোৰ স্বামী প্ৰয়াত গোলাপ বৰাই কাজিৰঙা উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা বাবে কাজিৰঙাত স্থায়ীভাৱে থাকিবলৈ ললো। মইও কাজিৰঙাৰ গেলেকী মধ্য ইংৰাজী বিদ্যালয়ত সহকাৰী শিক্ষয়িত্ৰী হিচাপে চাকৰি কৰি ২০১৩ চনত অৱসৰ গ্ৰহণ কৰো।

সদৌ শেষত  যিসকল প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে বহু কষ্ট কৰি প্ৰাক্তন ছাত্ৰ-সতীৰ্থ সন্মিলনৰ মাধ্যমেৰে প্ৰকাশ হব লগা স্মৃতিগ্ৰন্থখন উলিয়াবলৈ যত্ন কৰিছে তেওঁলোকলৈ মোৰ অশেষ মৰম আৰু শুভকামনা যাঁচিলো। মই লিখা মেলাত অপৈণত যদিও স্মৃতি গ্ৰন্থখনত দু-আষাৰ লিখিবলৈ সুযোগ দিয়াৰ বাবে ভগ্নী কল্পনা বৰুৱাৰ লগতে সম্পাদনা সমিতিৰ বিষয়-ববীয়াসকলক ধন্যবাদ জ্ঞাপন কৰিছো। শেষত সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সতীৰ্থ সকলৰ দীৰ্ঘায়ু কামনা কৰিছো আৰু সু-স্বাস্থ্যৰ ভৱিষ্যত জীৱনত আগুৱাই যাওঁক তাকে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

ঃঃঃঃ



# বিদ্যা নিকেতন সোণাৰি কলেজ

খুসীমাই প্ৰামাণিক
প্ৰাক্তন ছাত্ৰী-১৯৭০

জয় জয়তে সোণাৰি কলেজৰ সোণালী জয়ন্তী উৎসৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা তথা শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

১৯৭০ চনত স্থানীয় কিছু সংখ্যক জ্ঞানান্বেষীৰ কষ্টলব্ধ সাধনাৰ ফলস্বৰূপে সোনাৰিৰ বুকুত জন্ম হ'ল সোণাৰি মহাবিদ্যালয়। বহু দুখ, কষ্ট নেওচি, বাধাৰ প্ৰাচীৰ ভাঙি সুদীৰ্ঘ পঞ্চাশটা বছৰ জ্ঞানৰ জ্যোতি বিলাই আজি এই ২০২২ চনত সোণালী জয়ন্তী উৎসৱৰ আলোড়ন। যিসকল পুণ্যাত্মাই আমাৰ ভৱিষ্যতৰ ভেটি নিৰ্মাণৰ বাবে অহৰ্নিশে অহোপুৰুষাৰ্থ কৰিছিল যাৰ ত্যাগ আৰু দূৰদৰ্শিতাৰ বাবে বহুতো ছাত্ৰ-ছাত্ৰীয়ে আজি খ্যাতি অৰ্জন কৰি প্ৰতিভাৰ গৌৰৱ কঢ়িয়াই আনি সোণাৰি নগৰৰ সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে।

আজি এই সোণালী জয়ন্তীৰ প্ৰাক্‌ক্ষণত মই সুঁৱৰিছো — সেই সকল মহান লোকক যাৰ অক্লান্ত শ্ৰমত আমাৰ এই বিদ্যাৰ মন্দিৰখনি ফলে ফুলে জাতিষ্কাৰ হৈ উঠিছে। সেইসকল স্বনামধন্য ব্যক্তিৰ নাম নল'লে ভুল কৰা হ'ব। ইয়াৰে প্ৰধান উদ্যোক্তা আছিল ˚ বিপিন দত্ত চাৰ। তেখেতৰ লগত আছিল গোলাপ বৰগোহাঁই, সুৰেশ দাস, বিষ্ণু দত্ত, ৰবীন কোঁৱৰ, গদা চুতীয়া, প্ৰণৱ খাউণ্ড চাৰ আৰু বহুতো। তেখেতসকললৈ যাচিছো মোৰ শত শত শ্ৰদ্ধাৰ অঞ্জলি।

১৯৭০ চনটো আছিল মোৰ বাবে অতি আনন্দৰ আৰু হেঁপাহৰ বছৰ। কাৰণ মই অধীৰ আগ্ৰহেৰে সেই দিনটোলৈ অপেক্ষা কৰি আছিলো। যিহেতু মই দূৰণিবটীয়া ঠাইলৈ গৈ পঢ়িবলৈ অক্ষম আছিলো। সেয়েহে সোণাৰিত কলেজ স্থাপন হোৱাত নামভৰ্ত্তিৰ দিন আহিল। মই লগে লগে গৈ দুই নম্বৰত নামভৰ্ত্তি কৰিলো।

এক নম্বৰত আছিল মোৰ প্ৰিয় বন্ধু প্ৰিয়তোষ চাক্‌মা। তাৰপাছত বহুদিনলৈ কোনো ছাত্ৰ-ছাত্ৰী ভৰ্ত্তি নোহোৱাত চাৰসকলে মানুহৰ ঘৰে ঘৰে গৈ বহু অনুনয় বিনয় কৰি ছাত্ৰ গোটাবলৈ ধৰিলে। শেষত গৈ গৈ ৯৬ জন ছাত্ৰ-ছাত্ৰী হ'লগৈ। আমাৰ সৌভাগ্যৰ বিষয় যে কলেজ বুলিবলৈ কোনো ঘৰ নাছিল যদিও আছিল মাথোন তাহানিৰ ব্ৰিটিছ আমোলৰ পৰিত্যক্ত এটা ক্লাব ঘৰ। যত আমাক শিক্ষা দিয়া হৈছিল। আমি কোনো অসুবিধাৰ সন্মুখীন হোৱা নাছিলো।

আজিৰ এই শুভক্ষণত মোৰ বহু কথাই মনলৈ আহিছে। প্ৰথম দিনা কলেজলৈ ক্লাচ কৰিবলৈ গৈ কিযে আনন্দ উপভোগ কৰিছিলো তাক ভাষাৰে বৰ্ণাব নোৱাৰো। তেতিয়া অধ্যক্ষ মহোদয় আছিল গোলাপ বৰগোহাঁই ছাৰে। ছাৰে সকলো ছাত্ৰ-ছাত্ৰীকে একেলগে মাতি আনি ক্লাৱ ঘৰৰ এটা কোঠাত বহুৱাই বহুতো উপদেশ দিলে। তাৰপাছত সুৰেশ দাস চাৰে আমাৰ Political Science ৰ ক্লাচ ল'লে আৰু বহুতো জ্ঞান গৰ্ভৰ উপদেশ দি আমাক বুজালে।

সদৌ শেষত কওঁ যে স্থানীয় অঞ্চলৰ জ্ঞান পিপাসু লোকৰ অশেষ কষ্ট, ত্যাগ আৰু অদমনীয় প্ৰচেষ্টাৰ ফলত এই ক্ষুদ্ৰ জ্ঞানবৃক্ষৰ পুলিটো এতিয়া বিশাল বটবৃক্ষত পৰিণত হ'ল। সোণাৰি কলেজ এতিয়া কলা শাখাত ক্ষান্ত হৈ নাথাকি বিজ্ঞান শাখাৰেও বিস্তাৰ লাভ কৰি জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিছে।

সামৰণিত জনাওঁ সোণালী জয়ন্তী উৎসৱৰ লগত জড়িত সকলো উদ্যোক্তা লৈ মোৰ আন্তৰিক শুভেচ্ছা লগতে উক্ত উৎসৱ সফল হোৱাৰ কামনা কৰিলো।

ঃঃঃঃ



# সোণাৰি কলেজৰ কিছু সোঁৱৰণি

গুণকান্ত খাখলাৰী
প্ৰাক্তন ছাত্ৰ-১৯৭০

চোলা-পেণ্ট কেইটা ভালদৰে জাপিলো। বিচনাৰ গাৰুৰ তলত ৰাখি শুব লাগিব। ইষ্ট্ৰি হৈ যাব। দাঁতকেইটা এঙাৰেৰে মাজি বগা চিক্‌চিকীয়া কৰি থৈছো। শাওণ ভাদৰ দিন। পকা কঠাল খাই গাটো এনেয়েও গোন্ধায়ে আছে। গাধোৱাৰ আগেয়ে হালোৱা গৰু দুটা আৰু গাইজনী এৰাল দিব লাগিব। গাইজনী মোৰ অতি মৰমিয়াল। গোটেই গাটো চেলেকি দিলে, ঘাম মলি একো নাই। পুখুৰীৰ পাৰত কাপোৰ ধোৱা চাবোনেৰে গাটো ধুই পেলালো। নিজকে বৰ চফা চফা লাগিল। চুলিত মিঠাতেল, চিক্ চিক্‌কৈ ঠৰঙা চুলিকেইডাল জিলিকি উঠিল। সন্ধিয়াতো পাৰ কৰিলো। ৰাতিপুৱাল।

গৰৈ মাছ দুটামান জুইতে পুৰি বইল আলু এটা জলকীয়াৰে পিটিকি গৰম ভাত কেইটামানেৰে পেট ভৰাই সাপেখাটী চাৰিআলি। ৰঙা বাছ গঁড় থকা। আমাৰ ঘৰৰ ওচৰত বাছখন কেতিয়াবা ৰখায়, কেতিয়াবা নৰখায়। ওলমি ওলমি যাত্ৰীবিলাকে অহা-যোৱা কৰে। চাৰিআলিলৈ আহিলে এখন নহয় এখন বাছ পামেই, এখন নামৰূপৰ আৰু ইখন বৰহাটৰ পৰা সদৰ ঠাই শিৱসাগৰলৈ।

মোৰ লক্ষ্য সোণাৰি কলেজ ১৯৭০ চন। অজস্ৰ ল'ৰা-ছোৱালীয়ে কলেজলৈ পঢ়িবলৈ আহিছে। বিষয় কি কি পঢ়িব, চিনাকী পৰ্ব্বকেনেকুৱা হ'ব আমাৰ ভিতৰতে আলোচনা হ'ল। সোণাৰি কলেজ 1st batch, Arts দুজনমান Royal Subjects শিকি আহিছিল, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু বুৰঞ্জী। শিক্ষাতত্ব কি, কোনোবাই ক'লে একদম উজু। মোৰ সম্যক জ্ঞান একো নাই।

আৰম্ভণিৰে পৰা আমি Politics, Economics, History, Education, English অসমীয়াতো আছেই, সৱ শ্ৰেণীতে পঢ়িবলৈ যত্ন কৰিলো। মাননীয় অধ্যক্ষ ছাৰৰ History, কোঁৱৰ ছাৰৰ ইংলিছ, দাস ছাৰৰ Politics বড়া বাইদেউৰ অসমীয়া, দাস বাইদেউৰ শিক্ষাতত্ব। উজনি অসমৰ পৰা শ্ৰীযুত দিলেশ্বৰ তাঁতি ছাৰেও অৰ্থনীতি পঢ়াইছিল আৰু লাহে লাহে শ্ৰীযুত বিমলা ফুকন, ৰতি বাইদেউ, শ্ৰীযুত প্ৰণৱ খাউণ্ড, শ্ৰীযুত মানিক বৰুৱা এইসকলেই গাঁৱৰ ল'ৰা-ছোৱালীহঁতক পোহৰ দেখুওৱা নমস্য ব্যক্তি। আজিও এইসকল মহান ব্যক্তিলৈ মোৰ শ্ৰদ্ধা আছে।

এগালমান ল'ৰা-ছোৱালীৰে উদুলি মুদুলি সোণাৰি কলেজ। মোৰ কলেজলৈ অহা-যোৱা একমাত্ৰ পুৰণা চাইকেলখন বা যিকোনো এখন বাছ নহলে খোজকঢ়া। অহা-যোৱা ২৬/২৭ কিলোমিটাৰ মান হয়গৈ। মনৰ উদ্যম বেছি; কবিতা কবিতা গল্প গল্প লগা সেই দিনবোৰ। ধোদৰ আলিহে তেতিয়া আজিকালি বাটপথৰ দৰে মসৃণ নহয়চোন দিয়ক। প্ৰায়েই চাইকেল বেয়া হোৱা, চকাৰ পাংচাৰ ইবোৰ নৈমিত্তিক ঘটনা।

জিমখানা। আহল-বহল ডাঙৰ ডাঙৰ দুৱাৰ থকা ওখ ভেঁটিৰে মাজে মাজে Partition লগাই শ্ৰেণীকক্ষবোৰ তৈয়াৰ কৰি আমাৰ বিভিন্ন ক্লাচবোৰ হ'বলৈ ধৰিলে। মাজে-মাজে Gap। জিমখানাৰ ওখ

ওখ বাৰান্দাত বহি বহি আলাপ, আলোচনা, হাঁহি ধেমালিৰে দিনবোৰ পাৰ হ'ল। Co-Education হোৱা বাবেই নেকি আমাৰ ক্লাচ কৰাৰ দুৰ্বাৰ হেঁপাহ। আকৰ্ষণ, মাথো আকৰ্ষণ। ক্লাচত ছোৱালী নাথাকিলে পঢ়াৰ মজাই নাথাকে। লগত আছিল বেগম, মিনুকুমাৰী, অনুবিন্দু আৰু লেংলেংকৈ ওখ খুছী প্ৰামাণিক। খাউন্দ ছাৰৰ ক্লাচ কৰোতে এজনী হাঁড়ত ছাল লগা ছোৱালী আমাৰ ৰাবেয়া খাতুন। ছাৰে ক্লাচলৈ আহিয়েই ৰাবেয়াক মাতিছিল, "কিবা বুজিছানে নাই?" ছাৰে আমাক History পঢ়াইছিল আৰু কোনোবা এটা দিনত ছাৰ ভাল সুবিধা পাই গুচি গৈছিল। History ক্লাচ কৰা এটা মজাৰ বস্তু। Principal ছাৰে যিখিনি পঢ়াই শুনি থাকিব লগা। গুৰু গম্ভীৰ ভাষণ যেন। আকবৰৰ চৰিত্ৰটোৱে মোক আমনি দিয়ে — ইমান গুণ আছিল — English শব্দবোৰ ইমান টান টান; ইমান গুণৰ অধিকাৰী সেই আকবৰ।

সময়বোৰ এদিন এদিনকৈ পাৰ হৈ গ'ল। আমাৰ Pre-university ৰ ফাইনেল পৰীক্ষাৰ সময় হৈ আহিল। আমাৰ কলেজত পৰীক্ষাৰ চেণ্টাৰ নাই। গড়গাঁও কলেজত দিব লাগিবগৈ। চাউল আৰু শাক-পাচলিৰ টোপোলা লৈ গড়গাঁওৰ বালিঘাট পালোগৈ। তাতেই এঘৰ মানুহৰ ঘৰত মোৰ থকাৰ বন্দবস্ত। পৰীক্ষা দিলো, শেষ নহ'ল প্ৰশ্নবোলে লিক্ হ'ল মানে কোনোবা কোনোবাই পৰীক্ষাৰ প্ৰশ্ন আগতীয়াকৈ পালেই।

সৰগ ভাগি মূৰতে পৰিল। Re-examination আকৌ পৰীক্ষা দিব লাগিব। সময়বোৰ গৈ আছে ৩/৪ বাৰমান একেখিনি বিষয়ৰ পৰীক্ষা দি আছো। পিছলৈ আমাৰ পৰীক্ষাবোৰ বেয়া হ'লগৈ। ধৈৰ্য্যবোৰ হেৰাই গ'ল।

যেই হওঁক আমি কিছু সদাশয়ে P.U পাছ কৰি BA 1st year ত নামভৰ্তি কৰিলো সেই সোণাৰি কলেজতে। কিছুমান পৰীক্ষা হৈ যোৱা বিষয়ত আমি পৰীক্ষা নিদিয়া হ'লেও হ'লহেঁতেন, কিন্তু তাকেই কোনে বুজায়, আকৌ সকলো বিষয়ৰ পৰীক্ষা দিব লগা হলহেঁতেন।

স্নাতক মহলাৰ প্ৰথম বছৰটো আৰু ৰোমান্তিক হৈ পৰিল। কলেজলৈ নতুন নতুন ল'ৰা-ছোৱালী আহিল। আমি চিনিয়ৰ। চাইকেলত কলেজলৈ যাওঁতে এগালমান ল'ৰা-ছোৱালীৰে অহা-যোৱা কৰা, বাটে-বাটে আড্ডামৰা কিমান ভাললগা। থৌকি বাথৌ মন। ক্লাচ খটি কৰিব নোৱাৰি। কিন্তু ক্লাচবোৰ Regular নাছিল। শিক্ষা গুৰুসকল সকলোৱে সোণাৰিতে ঘৰ লোৱা নাছিল।

ইতিমধ্যে সোণাৰি কলেজলৈ ˚ বানেশ্বৰ বসুমতাৰী আৰু ˚ লাবন্য বৰগোহাঁই মোৰ সহপাঠী হ'লহি। গতিকে আমাৰ যাত্ৰীৰ সংখ্যা বাঢ়িল।

সোণাৰি কলেজ চালুকীয়া। কলেজ ফাণ্ডৰ বাবে আমি এইবাৰ গাঁৱলৈ ধানৰ ডাঙৰী কঢ়িয়াবলৈ গ'লো। নিৰ্দিষ্ট কৰি থোৱা মানুহৰ ঘৰলৈ গৈ আমি কেইজনমান ছাত্ৰই পৰম হেঁপাহত কামবোৰ কৰিছিলো। সন্ধিয়াপৰত সেই সেই শুভকাংক্ষী মানুহৰ ঘৰতে পৰম হেপাহৰ জলপান খোৱা এইবোৰ মোৰ মনত কেতিয়াবা দোলা দি যায়। নিশা আকৌ ৫/৬ কিলোমিটাৰ চাইকেলেৰে ঘৰলৈ নহলে বামপথাৰৰ ˚ কনকেশ্বৰৰ ঘৰত ৰাতি যাপন।

পিছত অন্য অধ্যায়। আজিকালি সোণাৰি কলেজৰ ছোৱালী হোষ্টেলৰ কাষতে কাঠ/বাঁহেৰে সজা চিনেমা হল। আমাৰ কলেজৰ সাহাৰ্যৰ বাবে ˚ জয়ন্ত হাজৰিকা, ˚ ৰিদিপ দত্ত, ইন্দ্ৰবনিয়া আৰু মালবিকা বৰা আহিল। ইতিমধ্যে ˚ লক্ষ্মীনাথ পাংগিং নামৰ এজন অফুৰন্ত উদ্যমী ছাত্ৰ আমাৰ কলেজলৈ আহিল। বহুত কথা জানে — ক'ত ক'ত পঢ়িলে নাজানো — আমাৰ লগৰীয়া হ'লহি। এই সুৰ সন্ধিয়া উপভোগ কৰিবলৈ



আমি কেইজনমানে পইচা কলেক্ট কৰিবলৈ বিশেষ বিশেষ মানুহৰ ঘৰলৈ গ'লো। পইচা কলেক্ট কৰা আমাৰ কাম নহয়। বহুত মানুহৰ ঘৰলৈ গ'লো চিনাকী হ'লো। সময়ত সুৰ সন্ধিয়া আৰম্ভ হ'ল। আমাৰ গাত তত নাইকিয়া হলঘৰটি অজস্ৰ মানুহেৰে ভৰি পৰিল আৰু আমাৰ কেইজনৰ ঠাই হ'ল দুৱাৰৰ কাষত। শিল্পী সকলে গান পৰিৱেশন কৰিলে আৰু মাজে মাজে ইন্দ্ৰ বনিয়াদেৱে যিবোৰ ফুচুৰিৰে হ'লঘৰ তাল-ফাল লগাই আমাক মাথো হুঁহুৱালে। এমাহমানলৈ আমাৰ অন্য কথা নাই, মাথো সেই মুহূৰ্তবোৰ।

তাৰপিছত চিনেমা। অসমীয়া যোগ-বিয়োগ। গাঁৱে-ভূয়ে সন্ধিয়াৰে পৰা চিনেমা চোৱাৰ প্ৰৱণতা। একেদিনাই তিনিটা শ্ব চোৱা মোৰ মনত পৰে। চিনেমাৰ গানকেইটা মুখস্থই হৈ গৈছিল। এনেয়েও অসমীয়া মানুহে চিনেমা গান ভাল পায় তাতেই সোণাৰিতে।

সোণাৰি কলেজ, তিনিআলি। গছজোপাৰ তলতেই তামোল পাণৰ ঘুমটি। সকলো ল'ৰা প্ৰথম তাতেই লগ লাগে। চেহিদুৰ, চক্ৰাই ফালৰ পৰা ওৱাহিদুৰ, গনেশ কোঁৱৰ, নন্দলাল নেৱাৰ, বৰাহী ফালৰ মুহিধৰ গগৈ আৰু সাপেখাটী চাৰিআলিৰ বিবেকা বানে, প্ৰিয়তোষ চাকমা আৰু অজস্ৰ ল'ৰাৰ আড্ডাৰ থলী। পাটৰ ছোৱালী সাৰি যাব নোৱাৰে। মঃ লিয়াকৎৰ খুনা খুনা মুখৰ কথা-বাকী সকলোৰেতো থাকেই। পিছলৈ শব্দ বিভ্ৰাট, বাক্য বিভ্ৰাট হৈছিল ছাগৈ। কথাবোৰ অধ্যক্ষ ছাৰৰ কাণত পৰিছিলগৈ।

এদিন এইসকল আড্ডাৰসিকক চাৰে ক্লাচলৈ মাতি বহুৱালে। ধূৰ্তকেইজনে পিছ বেঞ্চত বহিব খুজিছিল কিন্তু চাৰে আগত বহিবলৈ কৈ যিবোৰ কথা কলে লাজত আমি নাকটো কাটি পেলোৱাৰ উপক্ৰম হৈছিল।

সোণাৰি কলেজ যদিহে নহলহেঁতেন, মই কোনোদিনে আজিৰ এই অৱস্থাত নাথাকিলোহেঁতেন। অতি শ্ৰদ্ধেয় প্ৰিঞ্চিপাল ছাৰৰ ঘৰৰ পৰা মোৰ ঘৰলৈ তিনি কিলোমিটাৰমান দূৰৈত। মোৰ চাইকেলেৰে কলেজলৈ অহা-যোৱা কৰাও বৰ অসুবিধা হৈছিল আৰু বাছেৰে ঘৰ পাওঁতেই সন্ধিয়া হৈছিলগৈ। বাছত আমি কোনোদিনেই বহিবলৈ চিট নাপাইছিলো। অন্যান্য গাড়ী খুউব কম চলিছিল। ছাৰৰ এখন এম্বেচাদৰ গাড়ী আছিল আৰু তেখেতে নিজে চলাইছিল।

মাজে সময়ে তেখেতৰ লগতে কলেজলৈ অহাযোৱা কৰিছিলো। আজিও মোৰ এই কথাবোৰ মনত পৰিলে কিবা কিবা লাগে। ইমান নিঃস্ব মই। সোঁৱৰণীত Vice Principal ˚ সুৰেশ দাস, শ্ৰীযুত ৰবীন কোঁৱৰ, ˚ বিনন্দ মহন, ৰতি বাইদেউ, শ্ৰীযুক্তা সোণমাই বড়া বাইদেউ ˚ কমলা দাস এই প্ৰথম লগ পোৱা ছাত্ৰসকলক মই আজিও মনত পেলাওঁ। লগতে ˚ বিষ্ণু বসুমতাৰী, Head Asstt. College library টো আমাৰ দৰেই দুখীয়া আছিল। কোনো ভদ্ৰলোকে আমাৰ এই পুথিভঁৰাললৈ আগবঢ়োৱা এই কিতাপবোৰ আৰু কিতাপবোৰকেই আমি ˚ বসুমতাৰী দদাইদেউক কৈ পঢ়িছিলো।

আজিৰ সোণাৰি কলেজ আৰু তাহানিৰ ১৯৭০ চনৰ সোণাৰি কলেজৰ বহুত পাৰ্থক্য। মানুহৰ ঘৰে ঘৰে, পথাৰে পথাৰে ধানৰ ডাঙৰী গাড়ীত উঠোৱা, .... মানুহৰ ঘৰে ঘৰে গৈ .... কৰা বাহঃ, কি গৌৰৱৰ কথা হ'ব পাৰে। কি খাইছো কেনেকৈ ঘৰ পাইছো এইবোৰ মাথো গৌণ, মানে আমাৰ কলেজখন উন্নতি হ'ব লাগে। অজানিতে বা জানিও আমি বহুত কিবাকিবি ভুল কৰিছিলো ছাগৈ।

জিমখানা আগতে ইংৰাজৰ দিনত ঘোঁৰাবোৰক চানা/ঘাঁহ খুউৱা আৰু চিপাহী চন্তৰী থকা এটা বিল্ডিং, বাৰান্দাখন ওখ ভৰি তললৈ নমাই কাষতে বহিব পাৰি, কথা পাতিব পাৰি, হাঁহি থাকিব পাৰি।

সেইয়াই আমাৰ জিৰণী চ'ৰা। কমন ৰুম, বাহিৰৰ ৰাষ্টালৈ চাই থাকিব পাৰি, মুক্ত বায়ুৰ চলাচল। এনেতে এদিন ঘটনা এটি ঘটিল। আমাৰ লগৰে হেমকান্ত বড়াই বোলে হাত চাই ভূত-ভৱিষ্যত ক'ব পাৰে। সমুদ্ৰ, বিহান, হস্তৰেখা। হাতত থকা মগজ ৰেখা, হৃদয় ৰেখা, আয়ুস ৰেখা, ধনৰেখা, ঘৰ-দুৱাৰ, চাকৰি, জীৱনসংগী, বাহঃ কোনে পায়। জ্যোতিষীয়ে প্ৰায়ে তামোল খাই থাকে — তামোল পাণৰ গোন্ধ থাকেই। বহুতে হাত দেখুৱালে। এবাৰ হাসনা আৰু বেগমৰ পাল; জ্যোতিষীয়ে কি ক'লে নাজানো — আমি নিজৰ মাজতে বিভোৰ, হুৱা দুৱা লাগিল — জ্যোতিষীৰ পিঠি বখলা-বখল নহ'লগৈ। বচগেয়া চালা।

কলেজ উইক বোৰ খুউব জমিছিল, মাথো চিঞৰ বাখৰ কৰি উৎসাহ যোগোৱা। কলেজ ফিল্ডত ফুটবল প্ৰতিযোগিতাবোৰ হৈছিল। আমি মাথো সোণাৰি দলটোহে জিকাবলৈ চিঞৰিছিলো — "চৰাইদেউ চৰাইদেউ"। এটা সময়ত শিৱসাগৰ জিলাখন ফালি চৰাইদেউ জিলা হ'লহি।

TDC 3rd Year Session 73-74 final পৰীক্ষা পালেহি। চাইকেল বাহুত অহাযোৱা কৰি পঢ়া নহ'ব। ইতিমধ্যে সোণাৰি কলেজৰ লৰা-ছোৱালীৰ বাবে হোষ্টেল গঢ়ি উঠিল। টাওকাক নদীৰ পাৰত ছাত্ৰাবাসটো চুপাৰ নাথাকে। মেইন টাউনলৈ যোৱা ৰাষ্টাৰ কাযত ছাত্ৰীনিবাস। গধূলি পৰত ছুপাৰ শ্ৰীযুক্তা সোনমাই বড়াৰ তত্বাৱধানত ছাত্ৰীসকলে ফুৰিবলৈ যায়। কোনোবা তেৰি মেৰি কৰা বাহিৰা লৰাই যদি আমাৰ ফুলকুমলীয়া হঁতক জোকায় ওচৰতে থকা ছাত্ৰবাসৰ ল'ৰাই সহ্য কৰিবনে?

যেই হওঁক ছাত্ৰাবাসত ˚বানেশ্বৰ বসুমতাৰী উপস্থিত হ'ল, পিছৰ বেষ্টৰ ল'ৰাগালটো আছেই মুঠতে ২০ জনমান হ'ব পাৰে। মই অকলশৰীয়া হ'লো। মোকো লগতে ল'লে No Permission, No registraion কিন্তু Entry। টেবুলত সৰুজাকে ধুনীয়াকৈ কিতাপবোৰ সজাই থৈছে। কিতাপৰ আকাল অনুভৱ নহয় — মাথো পঢ়িবহে লাগে। খাদ্যৰ নামত মাছ মাংস থাকিবই কিনিব নালাগে। দম, মাছৰ বেপাৰীক দম বা কিবাকৈ হ'লেও। ˚উপেন কোঁৱৰ নামৰ নাজিৰা ফালৰ কলেজৰে ছাত্ৰ এজনো দক্ষিণ সোণাৰিতে ভাঁড়াঘৰত থাকে। খেলিমেলি । পুৱাতেই কোনোবা মাছ বেপাৰীৰ পিঠিত এচাৰিৰ কোব পৰেই। আহি গ'ল এখৰাহী মাছ। এইখন হোষ্টেলতে চৰু কেৰাহী কুকুৰে চেলেকী চফা কৰা পাত্ৰত ভাত দাইল বনাই খোৱা কাহিনীও আছে।

হিন্দুস্থান হোটেল আৰু সেইসময়ৰ ছাত্ৰৰ মাজত নিবিড় সম্পৰ্ক। ক্লাচৰ শেষত হোটেলখনত মাথো চিংৰা চাহ খোৱাৰ পৰ্ব। চিংৰা খাই শেষ নহয়েই প্লেটত চুলি পালেই নহয়। কি কৰিব নতুন চিংৰা আহি গ'ল। এই কাৰ্য্য মালিকে গম পায় — কিন্তু কিমান দিন সহ্য কৰিব। আকৌ চাহ খাই বাহিৰলৈ পোনচাটেই যাবগৈ পইচা-পইচা পিছৰজনে দিব। মৰ চালা। পইচা থাকিলেতো দিব নহ'লে। যেই হওঁক বচাবতো লাগিব — ৰজাপুখুৰীৰ গোপী কলিতাই পইচা ভৰি মৰে।

এটা সময়ত আমি আকৌ গড়গাঁও কলেজলৈ কলেজৰ চূড়ান্ত পৰীক্ষা দিবলৈ গ'লো। ঘৰৰ চাউল, লাম লাকটু লৈ বালিঘাট তিনিআলি পালোগৈ। সেই গড়গাঁও কলেজৰে ছাত্ৰজনে (কৰ্মাচ বিভাগ)ৰ মোক তেওঁলোকৰ ঘৰলৈ লৈ গ'লহি। তেওঁলোকৰ বন্ধুসকলে লগ লাগি আলোচনা কৰে। মোৰ লগতো চিনাকী হ'ল আৰু নিশা ভাত খোৱাৰ পিছতেই তেওঁৰ টোপনি আহেই। টোপনিত লালকাল, নাকৰ বিকট শব্দ, ক'ত যাওঁ কি কৰো মই। এটা উপায় ওলাল। আমাৰ কলেজৰ ˚বানেশ্বৰ বসুমতাৰীয়ে এই কলেজৰে ছাত্ৰ আছিল পিছত আমাৰ সোণাৰি কলেজৰ সহপাঠী হ'ল। সেই সময়ত ˚ভদ্ৰেশ্বৰ বুঢ়াগোহাঁই গড়গাঁও কলেজৰ



সহপাঠী হ'ল। সেই সময়ত ˚ভদ্ৰেশ্বৰ বুঢ়াগোহাঁই গড়গাঁও কলেজৰ প্ৰফেচাৰ, বাণেশ্বৰৰ গতিকে প্ৰিয় আৰু আবেলি দুয়োজনে দিখৌ দলঙৰ ফালে ফুৰিবলৈ যায়। সেইজন বুঢ়াগোহাঁই চাৰ এটা সময়ত বিধান সভাৰ উপাধ্যক্ষ হৈছিলগৈ। যেই হওঁক গড়গাঁও কলেজ হোষ্টেলত মোৰ থকা মেলাৰ সুবিধা এটি হ'ল।

গড়গাঁওৰ ছাত্ৰবাসত প্ৰায়েই খালী। সন্ধিয়া ৰান্ধনিয়ে ভাত-দাইল বনাবলৈ ঠিক-ঠাক কৰোতে এজনে ধূতি পাঞ্জাবী পিন্ধা মানুহ ৰান্ধনিশালত লগ পালো। প্ৰাইভেট কৈ ফাইনেল দিব। Condence Milk খটেমা এটাত লোকেল মুৰ্গীৰ কণী বইল কৰিলেহি আৰু মোক ক'লে এনেকৈ কণী খালেহে মগজ হব আৰু বহুত ভাল ভাল উপদেশ।

নক'লেও নহয় আৰু এজন বিশেষ ছাত্ৰ সেই ছাত্ৰবাসতে দেখিছিলো; ভৰি এটা খোৰা। গলগলীয়া মাত, বাৰান্দাত খোজকাঢ়ি গ'লে গানৰ কলি এটি থাকেই। হিন্দি গীতৰ কলি — চাহে ৰহে তু চাহে ৰহলা, শুনলো মগৰ এক বাত, তুম ইস গলী মেঁ ওস গলি — সেই ধাৰ্ম্মদ্ৰতনুজৰ কি মনভৰা গান। মানুহজন নাহৰকটীয়া কলিয়াপানী সত্ৰৰ শ্ৰী জগন্নাথ মহন্ত। মানুহজনে পুৱা হোষ্টেলৰ ছুপাৰ যেতিয়া বাৰ্থৰুমলৈ যায়, ঠিক এইখিনি সময়তে এই গীতটি গাই গাই ছুপাৰৰ ৰুমত প্ৰৱেশ। মাথো এটি চিগাৰেট। পিছত শুনিছিলো এইদৰে সদায় এটা এটা চিগাৰেট থৈয়েই দিছিল।

দিন গ'ল, সময় বাগৰিল চাৰিটাকৈ বছৰ। কলেজ পঢ়া শেষ হ'ল। সোণাৰি মহাবিদ্যালয়ৰ আমি কেইজনমান গেজুৱেট হ'লো, সোণাৰি কলেজৰ 1st batch graduate, simple division । এই চাৰিবছৰ কলেজলৈ যাওঁতে সোণাৰিৰ চাৰিওফালে আমি এটা বিস্তীৰ্ণ এলেকা দেখিলো — বহুত ল'ৰা-ছোৱালীৰ গাঁওবোৰ জানিলো, গ'লো, চিনাকী হ'লো। ইমানদিনে আমি কলেজখনৰ নামৰ পুখুৰীটোত গোট খাই আছিলো — ৰিজাল্ট নামৰ শিলগুটিটোৱে পুখুৰীৰ মাজত পৰি আমাক চেদেলি-ভেদেলি কৰি দিলে। ঘৰৰ ল'ৰা ঘৰলৈ গুচি আহিলো। এতিয়া আমি আকৌ কলেজলৈ যাব নেলাগে। মনটোত বৰ কষ্ট অনুভৱ হৈছিল। আমাৰ অতি মৰমৰ বন্ধুকেইজনমানে উত্তীৰ্ণ নহ'ল আৰু মনত পৰিছিল গড়গাঁও কলেজত কণী খোৱা সেইজন শিক্ষক আৰু 'চাহে ৰহতু'ৰ গায়কজনলৈ।

আজিৰে পৰা ৪৮ বছৰৰ আগতেই সোণাৰি কলেজ এৰি থৈ আহিলো। কেতিয়াবা কেতিয়াবা মনত পৰে। আজিকালিৰ সোণাৰি মহাবিদ্যালয় নতুন সাজেৰে পৰিবেষ্টিত। সোণালী জয়ন্তীৰ আৰম্ভণী অনুষ্ঠানত যাওঁতে বুকুখন আনন্দত ফুলি গৈছিল, ভাল লাগিছিল। সোণসেৰীয়া সেই পুৰণি দিনৰ স্মৃতি। জয়তু সোণাৰি মহাবিদ্যালয়।

# স্মৃতিৰ পৃষ্ঠা লুটিয়াই

ভবেশ বৰুৱা
প্ৰাক্তন ছাত্ৰ- ১৯৭১-৭৪

শিৱসাগৰ জিলাৰ পূৱ দিশত বৰ্তমান সোণাৰি মহাবিদ্যালয়ৰ খেলপথাৰৰ গাতে লাগি আছিল বৃটিছ ৰাজত্বকালতে প্ৰতিষ্ঠা হোৱা এটি ক্লাৱঘৰ। ক্লাৱঘৰটোৰ মজিয়াৰ মাজ অংশ আছিল কাঠৰ। বাৰাণ্ডাৰ সৈতে থকা এই ক্লাৱ ঘৰটোতেই পাতনি মেলিছিলোঁ আমাৰ কলেজীয়া জীৱনৰ প্ৰথম দিনটো।

১৯৭১ চনত দিচাংপানী হাইস্কুলৰ পৰা (বৰ্তমানৰ উচ্চতৰ মাধ্যমিক) হাইস্কুল শিক্ষান্তৰ দেওনা পাৰ কৰিছিলো। হাইস্কুলত শিক্ষাগুৰু হিচাপে সান্নিধ্য লাভ কৰা শ্ৰীযুত ৰবীন কোঁৱৰ, ° সুৰেশ দাস ছাৰ আমাৰ জজলীহাবিৰ বাসগৃহত পদাৰ্পণ কৰিছিলহি। উদ্দেশ্য এটাই, তেখেতসকলে সোণাৰিত এখন মহাবিদ্যালয় স্থাপন কৰিছে আৰু মই তাতে পঢ়িবগৈ লাগে। মোৰ পিতৃ ° কনকেশ্বৰ বৰুৱাদেৱেও তেখেতৰ ছাত্ৰ সকলৰ এই মহান উদ্দেশ্যত সঁহাৰি জনাই মোক সোণাৰি মহাবিদ্যালয়ত পঢ়িবলৈ অনুমতি দিয়ে। ময়ো গড়গাঁও মহাবিদ্যালয়ত অধ্যয়ন কৰাৰ আশা এৰি সোণাৰি মহাবিদ্যালয়তে পঢ়িবলৈ মনস্থ কৰিলোঁ। আজিও মনত সজীৱ হৈ আছে, তেতিয়া Pre university এক বছৰীয়া আছিল। যতীন গগৈ, দুলু ৰাজখোৱা, বিজয় শইকীয়া, তিলো কোঁৱৰ, সোণাৰিৰ ননী বৰুৱা, অতুল বৰুৱা, দিব্য বৰুৱা, বানেশ্বৰ বসুমতাৰী, দণ্ডেশ্বৰ গগৈ, তিলক খাকলাৰী, ভীম গগৈ, পূৰ্ণানন্দ দিহিঙ্গীয়া, ° লিলি কোঁৱৰ, ° চেঁনেহী গগৈ, পূৰ্ণিমা দিহিঙ্গীয়া, ভজো বাঁহবাৰীৰ দুৰ্গেশ্বৰ কোঁৱৰ আমি আটায়ে সহপাঠী আছিলোঁ। অতুল কোঁৱৰ, ভানু বৰুৱা, হেম বসুমতাৰী — উচ্চবৰ্গ সহায়ক, ফনী চকিদাৰ, স্বনামধন্য শ্ৰীযুত গোলাপ বৰগোহাঁই দেৱে মহাবিদ্যালয়খনিৰ অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰিছিল; লগতে প্ৰণৱ খাউণ্ড দেৱে (বুৰঞ্জী), ৰবীন কোঁৱৰ দেৱে (ইংৰাজী), সোণমাই বৰা, ৰতিপ্ৰভা গগৈ বাইদেউৱে (অসমীয়া), কমলাৰতী শইকীয়া বাইদেউৱে শিক্ষা, জীৱন শইকীয়া ছাৰে অৰ্থনীতি, বেণুধৰ ৰাজখোৱা দেৱে অৰ্থনীতি বিষয়ৰ পাঠদান দি আমাক জীৱনৰ নতুন পথেদি আগবঢ়াই দিছিল।

ব্যক্তিগতভাৱে চাকৰি জীৱনৰ অৱসৰৰৰ পিছতো বন্ধু বৰ্গৰ স্মৃতিয়ে আৰু এৰি অহা কলেজীয়া দিনবোৰে মনতো জীপাল কৰি ৰাখে। সেই সময়ত খেলপথাৰৰ কাষতে লাগি থকা বাঁহৰ এটা হ'ল আছিল। ডঃ ভূপেন হাজৰিকা, জয়ন্ত হাজৰিকা, ৰিদিপ দত্তক গীত পৰিৱেশনৰ বাবে নিমন্ত্ৰণ জনোৱা হৈছিল। ইয়াৰ যোগেদি শিল্পী সকলক ওচৰতে লগপোৱাৰ সৌভাগ্য হৈছিল আৰু মহাবিদ্যালয়খনিৰ পুঁজি সংগ্ৰহো সামান্য হৈছিল।

বেঙেনাবাৰী অঞ্চলটোত ধানখেতিত প্ৰচুৰ পৰিমাণৰ উৎপাদন হৈছিল। এই অঞ্চলৰ পৰা ছাত্ৰসকল গৈ ধাননি পথাৰৰ পৰা ধান সংগ্ৰহ কৰি আনি ক্লাৱঘৰটোৰ কাষত থকা বাৰাণ্ডাত জমা কৰিছিলো।

সীমিত সা-সুবিধাৰ মাজেৰে আমি তিনি বছৰীয়া B.A ডিগ্ৰী পাইছিলো। সোণাৰি মহাবিদ্যালয়ৰে ৰূপালী জয়ন্তী সমাৰোহ আৰু বৰ্তমান সোণালী জয়ন্তী সমাৰোহত অংশগ্ৰহণ কৰিবলৈ পায় গৌৰৱবোধ কৰিছো। সোণাৰি মহাবিদ্যালয় অসমৰ শৈক্ষিক জগতত ভোটা তৰাৰ দৰে সদায়েই জিলিকি থাকক। জয়তু সোণাৰি মহাবিদ্যালয়। ৪৪৪৪



# মিঠা অনুভৱ

নাৰায়ণ শইকীয়া
প্ৰাক্তন ছাত্ৰ - ১৯৭১

চৰাইদেউ জিলাৰ উচ্চ শিক্ষাৰ বাটকটীয়া তথা বৰ্তমানৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান ১৯৭০ চনৰ ৫ আগষ্ট তাৰিখে প্ৰতিষ্ঠিত সোণাৰি মহাবিদ্যালয়ৰ জন্মলগ্নৰ পৰা এজন প্ৰাক্তন ছাত্ৰ হিচাপে গৌৰৱ অনুভৱ কৰিছো যে এই মহাবিদ্যালয়ৰ ক্ৰমবিকাশে আজি ৫০ টি বছৰ অতিক্ৰম কৰিলে। মহাবিদ্যালয়ৰ অধ্যাপক/অধ্যাপিকা, পৰিচালনা সমিতি, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, মহাবিদ্যালয়ৰ শুভাকাংক্ষী, সচেতন ৰাইজ মিলি উলহ-মালহেৰে কিছু পলমকৈ হ'লেও সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান পালন কৰিব বিচৰা শুভ বাৰ্তাটি পাই বেচ সুখ আৰু আনন্দ পাইছো। এই মহাবিদ্যালয়ৰ জন্মলগ্নৰ ছাত্ৰ হিচাপে মহাবিদ্যালয়ৰ উত্তৰণত আমাৰ যি ত্যাগ, কষ্ট আছিল, যি তিক্ত মিঠা অভিজ্ঞতা জড়িত হৈ আছে সেই দিনবোৰ, সেই কথাবোৰ আজি সুঁৱৰি জীৱনটোৰ কৰবাত কিছু হ'লেও সাৰ্থকতা অনুভৱ কৰোঁ। যিসকল সমাজ সচেতন, শিক্ষানুৰাগী ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাত মহাবিদ্যালয়খনি প্ৰতিষ্ঠা লাভ কৰিছিল সেইসকল মহান ব্যক্তিক আন্তৰিক শ্ৰদ্ধা জনাইছো। ব্ৰিটিছৰ ক্লাৱ গৃহত দুই তিনিটা বিভাগেৰে আৰম্ভ কৰা মহাবিদ্যালয়খনত আগৰ দিনত ছাত্ৰ-ছাত্ৰী তথা শিক্ষাৰ্থীসকলে মন পচন্দমতে তেওঁলোক অধ্যয়নৰ বাবে নানা শৈক্ষিক বিভাগ উপলব্ধ বুলি জানি গৌৰৱবোধ কৰিছো। জানিব পাৰিছো এই মহাবিদ্যালয়ত কেৱল উচ্চতৰ আৰু স্নাতক পাঠ্যক্ৰমে নহয়। স্নাতকোত্তৰ আৰু নানা বৃত্তিমূলক পাঠ্যক্ৰমৰ ব্যৱস্থাও কৰিছে। এয়া চৰাইদেউবাসী শিক্ষানুৰাগী ৰাইজৰ বাবে সু-খবৰ। এনে মহান পদক্ষেপে আমাৰ সকলোকে উপকৃত কৰিব। বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে আগবাঢ়ি আজি জাকত জিলিকা শৈক্ষিক অনুষ্ঠানত পৰিণত হোৱা এই মহাবিদ্যালয়ত অধ্যয়ন কৰা ভালেমান কৃতী ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বিভিন্ন ক্ষেত্ৰত সু-কৰ্মৰে সুনাম কঢ়িয়াই অসমৰ সৰ্ব পৰিচিত ব্যক্তি হিচাপে নিজকে গঢ়িছে। এয়া আমাৰ চৰাইদেউৰ বাবে গৌৰৱ। মোৰ জ্ঞাত প্ৰাক্তন মন্ত্ৰী, এম.এল.এ. , বৰ্তমানৰ যোৰহাট লোকসভাৰ সাংসদ, সদৌ অসম ছাত্ৰ সন্থাৰ এসময়ৰ জনপ্ৰিয় সম্পাদক শ্ৰীযুত তপন কুমাৰ গগৈ এই মহাবিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰ। অসমৰ লোক-সংস্কৃতি, লোক-সংগীতৰ সাধক, বিহু সম্ৰাট, জনপ্ৰিয় গায়ক, শিল্পী শ্ৰীযুত খগেন গগৈ এই মহাবিদ্যালয়ৰে ছাত্ৰ আছিল। এনেকৈ ভালেকেইগৰাকী অসমৰ সু-সন্তান, অমূল্য সম্পদস্বৰূপ সফল ব্যক্তি এই মহাবিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰ। তদুপৰি অনেক প্ৰাক্তন শিক্ষাৰ্থীয়ে শৈক্ষিক, সাংস্কৃতিক, ৰাজনৈতিক, সামাজিক, ক্ৰীড়া আদি ক্ষেত্ৰত নিজকে সু-প্ৰতিষ্ঠিত হৈ নিজৰ লগতে সমাজৰ উপকাৰ সাধিছে। এয়াই হ'ল মহাবিদ্যালয়খনৰ উত্তৰণ যাত্ৰাৰ সাৰ্থক আৰু যোগাত্মক ভূমিকা। এই অভাজনেও নিজৰ লগতে মোৰ পৰিয়ালটিক যৎসামান্য সু-প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হ'লো, সমগ্ৰ সাপেখাটী, চৰাইদেউ অঞ্চলৰ ক্ৰীড়াক্ষেত্ৰখনৰ উত্তৰণৰ বাবে যি কৰিব পাৰিলো তাৰ বিনিময়ত ৰাইজৰ যি মৰম-চেনেহ লাভ কৰিলো। মোৰ এই সামগ্ৰিক ব্যক্তিত্বৰ ভেঁটি গঢ়াত এই মহাবিদ্যালয়ৰ প্ৰাক্তন

ছাত্ৰ হিচাপে মহাবিদ্যালয়ৰ অৰিহণা যে যথেষ্ট আছিল যাক স্বীকাৰ নকৰি নোৱাৰো। এই সুযোগতে ন-পুৰণি সকলো অধ্যাপক-অধ্যাপিকালৈ মোৰ আন্তৰিক সশ্ৰদ্ধ প্ৰণিপাত জনালোঁ।

মহাবিদ্যালয়খনে সেন্দুৰীয়া পথেৰে আগবাঢ়ি এদিন বিশ্ববিদ্যালয় পৰ্যায়লৈ যাওক। কেৱল সাধাৰণ শিক্ষাৰে উত্তম স্থলি নহৈ কাৰিকৰী, বৃত্তিমূলককে ধৰি বিশেষ বিশেষ পাঠ্যক্ৰম অধ্যয়নৰ ক্ষেত্ৰ হৈ অসমৰ নহৈ ভাৰতবৰ্ষৰ ভিতৰতে এক অনন্য উচ্চশিক্ষাৰ অনুষ্ঠান হৈ উঠক। এই মহাবিদ্যালয়ৰ ছাত্ৰসকলে জগত জিলিকাওক। গৱেষণা আৰু সৃষ্টিৰ উত্তম স্থান হওক আৰু গৌৰৱোজ্জ্বল সোণালী জয়ন্তী সামৰণি অনুষ্ঠান সফল সমাপ্তিৰ লগতে মহাবিদ্যালয়খনৰ নতুন পুৰণা ছাত্ৰ-ছাত্ৰীৰ সমন্বয়ৰে সৃষ্টিৰ বাট মোকলাওক। এই মিঠা অনুভূতিৰে জয়তু সোণাৰি মহাবিদ্যালয়।

ঃঃঃঃ



# অৰ্ধ শতিকাৰ কিছু ধূসৰ ছবি — সোণাৰি কলেজৰ

পূৰ্ণেশ্বৰ দিহিঙীয়া
প্ৰাক্তন ছাত্ৰ - ১৯৭২

১৯৭২ চন সদ্যঘোষিত মেট্ৰিক পৰীক্ষাত মাহমৰা ডিপ্লিং হাইস্কুলৰ পৰা উত্তীৰ্ণ হ'লো। যদিও শংকাত ভুগিছিলো, কাৰণ পৰীক্ষা সময়তে বসন্ত (আই) ওলোৱাত মূল পৰীক্ষা হলৰ পৰিৰ্বতে ল'ৰা হোষ্টেলৰ এটা কোঠাত মোৰ বাবে এখন টেবুল আৰু বিচনাত বহি বহিয়ে বহু কষ্টৰে পৰীক্ষা দিব লগা হ'ল। যেই কি নহওঁক উত্তীৰ্ণ হোৱাৰ পাছত নৱ প্ৰতিষ্ঠিত সোণাৰি কলেজত পঢ়িবলৈ মা-দেউতাই সুবিধা কৰি দিলে। কাৰণ ঘৰৰ পৰা বাই-চাইকেলেৰে অহা-যোৱা কৰিব পৰা যাব। প্ৰথমাৱস্থাত ঘৰৰ পৰা অহা-যোৱা কৰিছিলো যদিও ককাইদেউ শ্ৰীযুত পূৰ্ণানন্দৰ লগহৈ চেনীগুদামৰ টাওকাক নদীৰ পাৰতে এটি ভাড়াঘৰত থাকিবলৈ ল'লো। পৰম সৌভাগ্য হ'ল আমাৰ দিনৰে পৰা কলেজত মাধ্যম অসমীয়া হোৱা বাবে দুটা বছৰ প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণী ৰূপে গণ্য কৰিলে। আমাৰ শ্ৰেণীত ৮১/৮২ জন শিক্ষাৰ্থী আছিল। ইয়াৰে বহু সংখ্যক হাইস্কুলীয়া সহপাঠীও।

নতুন কলেজ, পূৰ্বৰে বিট্ৰিছৰ দিনৰ বাগিছাৰ চাহাবৰ ক্লাব ঘৰটোকে কৰ্তৃপক্ষই বাছি ল'লে। সোণাৰিৰ পাক বজাৰলৈ যাওঁতে দেখা ঘৰটো সেই সময়ত কৌতুহলেৰে চাওঁ আৰু আমাৰ উচ্চ শিক্ষাৰ থলি। মূল ঘৰটো মানে কাঠেৰে সজা ডেক্সফ্লৰত জপিয়াই নাচ কেইটা মান দি চাওঁ চাহাব, চাহাবনীয়ে নচাৰ কল্পনাৰ ছবিখন মনলৈ আনি। শ্ৰদ্ধাৰ শিক্ষাগুৰুবৃন্দই অতি আগ্ৰহেৰে নতুন মধ্যমত শিক্ষা দান কৰাত কোনো কৃপণালি কৰা নাছিল। ইংৰাজীৰ পৰা অসমীয়ালৈ অনুবাদ কৰি পাঠ্যপুথি জ্ঞান আগবঢ়াবলৈ যত্নপৰ হৈছিল।

এসময়ত কলেজৰ প্ৰায়বোৰ ক্ষেত্ৰতে সেৱা আগবঢ়াবলৈ যত্নপৰ হৈ সাহিত্য ক্ষেত্ৰত কিছু ঠাই দখল কৰা বাবে প্ৰাক্ বিশ্ববিদ্যালয়ত থাকোতে প্ৰথমজন আলোচনী সম্পাদক হোৱাৰ সৌভাগ্য ঘটিল। দুবছৰ পাছত স্নাতক মহলালৈ উত্তীৰ্ণ হোৱাত নতুন নতুন সহপাঠীৰ শুভাগমনত সোণাৰি কলেজৰ সৌষ্ঠৱ এমাৎ বৃদ্ধি পালে। সেই সময়ত আৰ্থিকভাৱে সৱল হোৱাৰ পৰিকল্পনাৰে সুধাকণ্ঠ ভূপেন হাজৰিকা দেৱক আমন্ত্ৰণ জনায় লগতে ভালে কেইগৰাকী নামজ্বলা সংগীত শিল্পীৰ সহযোগত এটি ৰঙীণ সন্ধিয়া অনুষ্ঠিত হৈছিল।

ইতিমধ্যে ১৯৭৫ চনত এই অভাজনৰ সোণাৰি কলেজত আয়ুস সমাপ্ত হ'ল। সহযোগী হৈছিল দিলীপ বৰা। স্থানীয় যুৱ এচামৰ অবাঞ্চনীয় হস্তক্ষেপ দৃঢ়তাৰে প্ৰতিহত কৰিবলৈ গৈ এজন শিক্ষাগুৰুক সাঙোৰা বাবে সৃষ্টি হৈছিল অবাঞ্চিত পৰিস্থিতিৰ। যাৰ ফলস্বৰূপে শ্ৰী দিলীপ বৰাৰ লগত আমাকো কলেজৰ পৰা

তৎকালীন বলবৎ হোৱাকৈ বিতাড়িত কৰিলে। কলেজ কৰ্তৃপক্ষৰ এই অনুশাসনীয় কাৰ্য্যই আমাৰ দুয়োজনক মৰাণ কলেজৰ পৰা স্নাতক হোৱাৰ গৌৰৱৰ অধিকাৰী কৰিছিল। সেইবুলি আৰম্ভণিৰ পৰা অধ্যয়ন কৰা সোণাৰি কলেজৰ প্ৰতি শ্ৰদ্ধা কোনোদিন কম হোৱা নাছিল। আত্মগৌৰৱেৰে আজিও কম সোণাৰি কলেজেহে জীৱন গঢ়াত এক সুদূৰপ্ৰসাৰী প্ৰভাৱ জীৱনত পেলাইছিল।

উচ্চ শিক্ষাৰ পাতনি এই অভাজনৰ লগতে মোৰ পুত্ৰ আৰু পুত্ৰীও একে খনৰ পৰা স্নাতক হোৱাৰ সৌভাগ্য হ'ল। মোৰ জীৱন সঙ্গী গৰাকী হ'ল একে সহপাঠী। শ্ৰীমতী গুণেশ্বৰী চাংমাই অৰ্ধ শতিকাৰ আগতে একে শ্ৰেণীত পঢ়িছিলো আৰু আজি ৪২ বছৰ গাৰ্হস্থ্য জীৱন পালি আছো। এইয়া সোণাৰি মহাবিদ্যালয়ৰ অমূল্য উপহাৰ।

৹৹৹৹



# সোণাৰি কলেজৰ সোণোৱালী দিনবোৰ

হেমলতা বৰগোহাঁই বৰা
প্ৰাক্তন ছাত্ৰী - ১৯৭৪-৭৬

আজিৰ পৰা পাঁচটা দশকৰ আগতে কেইজনমান সমাজ সচেতন আৰু দুৰদৰ্শীলোকে বহুত কষ্ট কৰি পিচপৰি থকা সোণাৰিত এখন কলেজ পাতি গোটেই সোণাৰি অঞ্চলৰ ওচৰে-পাজৰে থকা ছাত্ৰ-ছাত্ৰীসকলক সকলো ক্ষেত্ৰতে আগবঢ়াই লৈ বৰ্তমানৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষত উপনীত হৈছেহি।

ঊনৈশ সত্তৰ চনত আমি তেতিয়া ভগৱতী প্ৰসাদ বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নৱম শ্ৰেণীৰ ছাত্ৰী আছিলোঁ। আমাৰ বিদ্যালয়খন উচ্চতৰ মাধ্যমিকৰ হোৱা কেইবছৰমান হৈছিল। সেইসময়ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অষ্টম শ্ৰেণী পোৱাৰ লগে-লগে ছাত্ৰ-ছাত্ৰীয়ে কলা, বিজ্ঞান, বাণিজ্য এই তিনিটা বিভাগৰ যিকোনো এটা শাখাত পঢ়িব পাৰিছিল। আমাৰ বিদ্যালয়ত দুটা শাখা আছিল কলা শাখা আৰু বিজ্ঞান শাখা। মই কলা শাখাৰ ছাত্ৰী আছিলোঁ। কলা শাখাত পঢ়োতেই বুৰঞ্জী বিভাগৰ শ্ৰদ্ধাৰ শ্ৰীযুত প্ৰণৱ খাউণ্ড আৰু প্ৰয়াত সুৰেশ দাস চাৰক পাইছিলোঁ। পিছত কলেজতো এই দুয়োজন চাৰে আমাক পঢ়াইছিল। পিছলৈ প্ৰণৱ খাউণ্ড চাৰ এ,চি,এছ পাই বেলেগ ঠাইলৈ গৈছিল।

প্ৰয়াত শ্ৰদ্ধাৰ সুৰেশ দাস চাৰে আমাক সেই সময়ত বিদ্যালয়ত কলা শাখাত পৌৰ বিজ্ঞান আৰু অৰ্থ বিজ্ঞান (Civies)পঢ়াইছিল। এদিন পঢ়াৰ মাজতে চাৰে কোৱা মনত আছে, সোণাৰিত এখন কলেজ হ'ল নহয়, তহঁতি ভালকৈ পঢ়। কলেজত পঢ়িব লাগিব। সেই সময়ত আমাৰ এটা ধাৰণা আছিল যে কেৱল টকা ল'ৰা-ছোৱালী বিলাকেহে কলেজত পঢ়ে আমাৰ নিচিনা মধ্যমীয়া ছাত্ৰ-ছাত্ৰীয়েও যে পঢ়িব পাৰে ভবা নাছিলো। কাৰণ সেই সময়ত আমাৰ ওচৰে-পাজৰে যদিও কলেজত পঢ়া ল'ৰা-ছোৱালী আছিল, সেয়া দূৰে-দুৰে আৰু সীমিত।

কলেজৰ প্ৰথম আৰম্ভণি বৰ্ষতেই মোৰ বৰদেউতাৰ ছোৱালী শ্ৰীমতী মিনু বৰগোহাঁই বাইদেউৱে কলেজৰ প্ৰি-ইউনিভাৰচিটিত নামভৰ্ত্তি কৰিলেহি। আমাৰ ঘৰত চাৰি বছৰ দিন থাকি বি.এ. পাছ কৰি গৈছিল। তাৰপিছটো আমাৰ ঘৰত থাকি আমাৰ পৰিয়ালৰ কেইবাগৰাকী বাইদেউ আৰু ভণ্টিয়ে এই কলেজৰ পৰাই ডিগ্ৰী লাভ কৰিছিল। সেই সময়ত ভাৰাঘৰ বা হোষ্টেল সৃষ্টি হোৱাই নাছিল। পিছলৈ দক্ষিণ সোণাৰিত ছোৱালী থকা হোষ্টেল হৈছিল।

বাইদেউৰ লগৰ বন্ধু-বান্ধৱী সকলৰ ভিতৰত খুচী বাইদেউ, বেগম বাইদেউ, শিখা বাইদেউ, বানেশ্বৰ বসুমতাৰী, বিপিন শৰ্মা, গুণ খাখলাৰী দাদাসকল আমাৰ ঘৰলৈ অহাৰ বাবেই মনত এটা বৰ উৎসাহ পাইছিলোঁ আৰু কলেজত পঢ়িব পাৰিম বুলি এটা আত্মবিশ্বাস গঢ়ি উঠিছিল।

সোণাৰি কলেজ বুলি কলে বহু স্মৃতিয়ে আমাৰ মনত দোলা দি যায়। আমাৰ বৰুৱা আলি ঘৰৰ পৰা থকা ৰাস্তাই দি মানে টিয়ক বাগিছাৰ পৰা এটা ৰাস্তা পুৰণি পদ্মা চিনেমা হলৰ ওচৰেদি বেঁকাকৈ সোমাই অথবা এটা ৰাস্টাই দি কলেজলৈ আহিব পাৰি।

বৰ্তমান বিমলা প্ৰসাদ চলিহা পথ নামে জনাজাত। আমি কিন্তু বহুদিনলৈকে বেকা ৰাস্তা বুলিয়ে জানিছিলোঁ।

বৃটিছৰ দিনৰ এটা কাঠৰ মজিয়াৰ ডাঙৰ বঙলা টাইপৰ ঘৰ। পিচফালে এটা হলঘৰ তাৰ কাষতে এটা ঘৰ, এটা কোঠাত প্ৰিন্সিপাল চাৰৰ কোঠা আৰু এটা কলেজৰ অফিচৰ সহায়তে সকলো কাম কৰে। তাৰ কাষতে এটা কোঠা আছিল সেইটো চাৰ সকলৰ জিৰণি কোঠা আছিল। খট-খটিয়েদি অলপ তললৈ নামি যোৱা এটা দিঘলীয়া কোঠাত আমাৰ ছাত্ৰীসকলৰ জিৰণী কোঠা আছিল।

আমি প্ৰাইমেৰী স্কুলত পঢ়ি থাকোতেই বহল এখন খেল পথাৰ আছিল। এই পথাৰখনক আমি, খেলমাটি ফিল্ড, পল গ্ৰাউণ্ড বুলি জানিছিলো। আৰু এই ঘৰটোক জিমখানা ক্লাব বুলি শুনিছিলো। তাত ওচৰৰ বাগিচাবিলাকৰ (জৰকা, চক্ৰাই, নাফুক, টিয়ক) পৰা চাহাব বিলাকে প'ল খেলিছিল আৰু ফিল্ডত ঘোঁৰা দৌৰাইছিল। আমাৰ লগৰ মঞ্জু খাউণ্ড, মিণ্টি, ছেলি, বেলি (তেওঁলোক টিয়ক বাগিছাৰ বৰমহৰীৰ জীয়েক আছিল) হতঁৰ লগত সেই সময়ত দেওবাৰৰ দিনটোত মনে মনে ঘৰত নোকোৱাকৈ আবেলিৰ দিনাটো খেলিবলৈ যাওঁ বুলি কৈ খেলমাটি ফিল্ড পাইছিলোগৈ। কাৰণ মঞ্জুহঁতৰ ফিল্ডত চৰ্দাৰ, চাপ্ৰাচী বিলাকৰ লগত চিনাকী আছিল। মোৰ মাত্ৰ এটাই আশা আছিল কেনেবাকৈ বগা চাহাব মেম বিলাক দেখো নেকি?

পাচত শুনিছিলো চাহাব মেমবিলাকে আমাৰ দেশ এৰি প্ৰায়ভাগ নিজৰ দেশলৈ গৈছিলগৈ। ইয়াৰ পিচটো এই জিমখানা ক্লাবটোত সোণাৰিলৈ থিয়েটাৰ আহিলে নাটকৰ অভিনেতা, অভিনেত্ৰী বিলাক এই ঘৰটোতে আছিল। পিচলৈ এইঘৰটোতেই আমাৰ কলেজীয়া শিক্ষা আৰম্ভ হৈছিল। আমাক কিন্তু এই ঘৰটোত ভূত আছে বুলি কৈ বৰ ভয় খুৱাইছিল।

আমাৰ সময়ত বি,এ ডিগ্ৰীটো দুবছৰ আৰু প্ৰি-ডিগ্ৰী বা উচ্চতৰ মাধ্যমিক দুবছৰ পঢ়িব লাগিছিল। আমি উচ্চতৰ মাধ্যমিক পাছ কৰি বি,এ দুবছৰ পঢ়িছিলোঁ। এই দুবছৰতেই শ্ৰদ্ধাৰ চাৰ বাইদেউ সকলৰ পৰা যিখিনি মৰম-চেনেহ আন্তৰিকতা পাইছিলোঁ মনত পৰিলে এতিয়াও মনটো আনন্দৰে ভৰি পৰে।

সেই সময়ত কেইবাজনো চাৰ-বাইদেউৱে নিজৰ স্থায়ী চৰকাৰী চাকৰি এৰি অবৈতনিকভাৱে সোণাৰি অঞ্চলৰ বাবে কলেজ এখন পাতি বহুতো ত্যাগ স্বীকাৰ কৰি গৈছে। তেখেতসকলৰ ত্যাগৰ বলতেই আজি গৌৰৱোজ্জ্বল সোণালী জয়ন্তী পাতিব পৰা হৈছে।

শ্ৰদ্ধাৰ শ্ৰীযুত গোলাপ বৰগোহাঁই চাৰ সেই সময়ত অধ্যক্ষ মহোদয় আছিল। তেখেতে আমাক বুৰঞ্জী পঢ়াইছিল। তেখেতে ইংলেণ্ডৰ বুৰঞ্জী পঢ়োৱাৰ পদ্ধতি আৰু স্পষ্ট ভাষাত সুৰ আজিও কানত বাজি থাকে। তাৰোপৰি আমাক শিক্ষাদান কৰা শ্ৰীযুত ৰবীন কোঁৱৰ, প্ৰয়াত বিনন্দ মহন, বিমলা ফুকন প্ৰয়াত সুৰেশ দাস, জীৱন শইকীয়া, সোনমাই বৰা, ৰতিপ্ৰভা গগৈ, গিৰিণ গগৈ, মানিক গগৈ প্ৰয়াত যাদৱ দত্ত আদি চাৰ, বাইদেউ সকললৈ মোৰ লিখনিৰ 'সেৱা' শব্দটোৰেই তেখেতসকলৰ চৰণ চুই অন্তৰ ভৰা প্ৰণাম যাচিছোঁ। শ্ৰীযুত মাণিক বৰুৱা প্ৰয়াত কমলাবতী শইকীয়া আদি চাৰ-বাইদেউ সকলৰ বিষয় নপঢ়িলেও আমাৰ লগত থকা সেই অকৃত্ৰিম মৰম, চেনেহৰ এটা বৰ আন্তৰিকতাৰ সম্পৰ্ক আছিল।

বিভিন্ন ক্লাছ কৰিবৰ বাবে আমি কোঠা সলনি কৰিবলগীয়া হৈছিল। বাৰান্দাই দি ক্লাছ কৰিবলৈ যাওঁতে আমাতকৈ ওপৰ ক্লাছত পঢ়া ডিগ্ৰী দ্বিতীয় আৰু তৃতীয় বৰ্ষত পঢ়া ভজোৰ লিয়াকত আলি, ননী



...দাদাইঁতে ঠাট্টা আৰু জোকোৱা সেই নিৰ্দোষ ধেমালিবোৰ মনত পৰিলে আজিও বৰ হাঁহি উঠে। ...হয়তো তেনে ধেমালি কৰিলে আইনৰ আওতালৈ গৈ কি হব ঠিক নাই। বৰ মধুৰ আছিল সেইদিন ...কোনো বেয়া মনোভাৱ, বেয়া কথা বা অশ্লীলতা নাছিল। আছিল মাত্ৰ মৰম চেনেহৰ ককাই-ভনীৰ ...থকা ধেমেলীয়া মাদকতা।

সোণাৰি কলেজখন স্থাপন হোৱাৰ বাবে সোণাৰি অঞ্চলত আৰ্থিক দুৰ্বলতাৰ বাবে মেট্ৰিক পাছ ...এহি থকা বহুতো ল'ৰা-ছোৱালীয়ে ইয়াত শিক্ষা লাভ কৰিলে। কলেজপতাৰ গম পাই মোৰো মনত ...এটা আত্মবিশ্বাস আহিলে। নহলে হয়তো দূৰ-দূৰণিত পঢ়াৰ কিছু আৰ্থিকবাৱে অসুবিধাৰ সৃষ্টি হ'লহেতেন। ...সময়ত আমাৰ লগৰ ডিপলিং, কাকতি বাৰী, ভজো, মাহমৰা, দিছাংপানী, বকঠা, বৰহাট, সাপেখাটি, ...তিয়া, বৰুৱা নগৰ আদিৰ পৰা ছাত্ৰ-ছাত্ৰী আহি ইয়াত শিক্ষাগ্ৰহণ কৰিছিল। সোণাৰি কলেজেই এই ...এলেকাৰ একমাত্ৰ উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান আছিল। আমাৰ লগৰ তৰু, নীলিমা, হেমী, মীৰাদেৱী, ...দিহিঙ্গীয়া, কাশীনাথ ৰয়, পীতাম্বৰ গগৈ, সোণবৰ গগৈ, দিলীপ বৰা আদি বহুতে এই শিক্ষানুষ্ঠানৰ পৰা ...লৈয়ে বিভিন্ন বিভাগৰ কৰ্মচাৰী হৈ অৱসৰ গ্ৰহণ কৰিছে।

আমাৰ লগৰ শ্ৰী অমূল্য প্ৰসাদ শইকীয়াই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ডিষ্টিংচন সহ ১৯৭৬ চনত ...এ পাছ কৰি প্ৰথম কলেজখনলৈ গৌৰৱ কঢ়িয়াই আনিছিল। পিছলৈ আমি একেখন বিদ্যালয়তে সহকৰ্মী ...ৱে কাম কৰিবলৈ পাইছিলোঁ। মহাবিদ্যালয়খনত উচ্চ আৰু নিম্নবৰ্গৰ সহায়ক হিচাবে কাম কৰা বসুমতাৰী ...প্ৰয়াত ভব বৰুৱা চাৰ আদিৰ লগত সেই সময়ত ছাত্ৰ-ছাত্ৰী বিলাকৰ এটা বৰ ভাল সম্পৰ্ক আছিল। ...পৰি চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী কাঞ্চাদা, কমল দা, ফণী দা আদিৰ কৰ্মখিনি কেতিয়াওঁ পাহৰিব নোৱাৰোঁ।

আমি পঢ়ি থকা সময়তেই যত দূৰ সম্ভৱ ১৯৭৫ চনতেই হব নিশ্চয় স্বনামধন্য শিল্পী কিংবদন্তী ...সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱ আমাৰ কলেজলৈ এদিন পুৱা চাৰে ন মান বজাত আহিছিল। ...খেত গীতি কবি পাৰ্ৱতী প্ৰসাদ বৰুৱাদেৱৰ ঘৰলৈ আহিছিল। তেতিয়া আমাৰ কলেজৰ দাস চাৰ, শইকীয়া ...গোহাঁই চাৰহতে কথাটো গম পাই গীতিকবিৰ জ্যেষ্ঠ পুত্ৰ প্ৰয়াত প্ৰণৱীৰাম বৰুৱা দাদা লগত আমাৰ ...লেজলৈ সেই বিশ্ববৰেণ্য শিল্পীজনক আনিছিল। কলেজৰ কিন্তু বহুতে সেই শিল্পীজনক দেখা নাপালে ...নো আমাৰো পুৱা ন বজাত ক্লাছ থকাৰ বাবেহে দেখিবলৈ পালো কাৰণ তেখেত বেছি সময় থকা ...ছিল।

সেয়েহে আজি সোণালী জয়ন্তী উদ্‌যাপনৰ পবিত্ৰক্ষণত যিকেইজন শ্ৰদ্ধাৰ শিক্ষাগুৰু এই পৃথিৱীৰ ...সৰগলৈ মেলানি মাগিলে, আৰু বৰ্তমান সুন্দৰ স্বাস্থ্যৰে সৈতে জীয়াই থকা সকলো চাৰ-বাইদেউলৈ ...ৰিক সেৱা আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। তেখেত সকলৰ শিক্ষা আৰু আশীৰ্বাদৰ বাবেই নিজকে চিনাকী ... পাৰিছোঁ। মোৰ অতি মৰমৰ সোণাৰি কলেজৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষত কিছু সোঁৱৰণ ...ৰিবলৈ পাই ধন্য মানিছোঁ। আমাৰ এই সোণাৰি কলেজখন সৰ্বতো প্ৰকাৰে সদায় সকলোৰে গৌৰৱৰ স্থান ...ৰওঁক। বিভিন্ন দিশৰ প্ৰতিভা প্ৰদৰ্শনেৰে আগুৱাই যাওঁক তাৰেই কামনা কৰিলোঁ।

সদৌ শেষত মই পঢ়োৱা মোৰ মৰমৰ ছাত্ৰী শ্ৰীমতী কল্পনা বৰুৱা, কবিতা চাবুকধৰা, জুৰি দেৱী ...কন আদিৰ পৰা লিখিবলৈ, মৰমৰ তাগিদা নোপোৱা হ'লে হয়তো এই স্মৃতি ৰোমন্থন কেতিয়াও কৰিব ...ৱাৰিলোঁহেতেন। তেওঁলোক আটাই কেইগৰাকীলৈ মোৰ মৰম আৰু আশীৰ্বাদ থাকিল।

# "সোঁৱৰণীৰ জলঙাৰে সোণাৰি কলেজ"

অজিত কুমাৰ ফুকন
প্ৰাক্তন ছাত্ৰ - ১৯৭৪-৭৬

সোণাৰিৰে বাসিন্দা সকলোৰে পৰিচিত স্বপন কৰ ডাঙৰীয়াই আজি কিছুদিনৰ আগতে মোক ফোন কৰি কৈছিল সোণাৰি কলেজৰ স্মৃতি সুঁৱৰি কিবা এটা লিখক। এই কথাষাৰৰ আঁত ধৰিয়ে আজি সুদীৰ্ঘ ৪৭ বছৰৰ পিচত সোণাৰি কলেজৰ সোঁৱৰণীৰ আৱৰণখন মেলি ধৰিছো। ভাবিছো ক'ৰপৰা আৰম্ভ কৰো ইমানযে সংখ্যাৰ টুকুৰা-টুকুৰ মিঠা স্মৃতি। সেইয়া আছিল ১৯৭৪ চনৰ ছেপ্তেম্বৰ মাহৰ কোনোবা এটা দিন। সেই সময়ৰ সোণাৰি কলেজৰ উপাধ্যক্ষ তথা মোৰ স্কুলীয়া জীৱনৰ শিক্ষাগুৰু শ্ৰদ্ধাৰ সুৰেশ দাস ছাৰক লগ কৰিছিলো, কাৰণ তেতিয়ালৈকে বিশেষ অসুবিধাৰ বাবে মোৰ নামভৰ্তি হোৱা নাছিল। তেখেতক সকলোখিনি বিৱৰি কোৱাত মোক ক'লে যে 'তই পৰহিলৈ আহি নামভৰ্তি কৰি ল'বিহি' আৰু সেইদিনাৰ পৰাই শ্ৰেণীত যোগদান কৰিবি, কাৰণ ইতিমধ্যে পাঠ্যক্ৰম বহুত আগবাঢ়ি গৈছিল। সেইয়াই আছিল সোণাৰি কলেজত মোৰ প্ৰথম পদাৰ্পণ।

তাৰ পিছত দুটা বছৰ যে কেনেকৈ পাৰ হৈ গ'ল গমকে নাপালো। বি.এ. ফাইনেল পৰীক্ষা হৈ গ'ল আৰু সেইবাৰ আমি পৰীক্ষা দিছিলো মুঠ ৩১ জন ছাত্ৰ-ছাত্ৰীয়ে। সেইবছৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰতে আমাৰ কলেজৰ ৰিজাল্ট আছিল শ্ৰেষ্ঠ। বোধহয় ৮২.০৭ শতাংশ। ইয়াৰ পিছত বাস্তৱৰ কাল ধুমুহাত পৰি কেনিযে উৰি গলো, কি কৰিলো গমকে নাপালো। কৰ্মজীৱন আৰম্ভ কৰিলো, অৱসৰ ল'লো আৰু আজি সুদীৰ্ঘ ৪৭ বছৰৰ অন্তত সোণাৰি কলেজৰ সোঁৱৰণীৰ দলিচাখন মেলি ধৰিবলৈ চেষ্টা কৰিছো।

কলেজত আহিয়েই লগ পাইছিলো মোৰ স্কুলীয়া জীৱনৰ দুজন শিক্ষাগুৰু-শ্ৰদ্ধাৰ সুৰেশ দাস ছাৰ আৰু ৰবীন কোঁৱৰ ছাৰক। লগ পাইছিলো অধ্যক্ষ গোলাপ বৰগোহাঁই ছাৰ, গিৰিণ ফুকন ছাৰ, ৰতি বাইদেউ, সোনমাই বাইদেউ, কমলা বাইদেউ, জীৱন শইকীয়া ছাৰ, বিমলা ফুকন ছাৰ, মানিক বৰুৱা ছাৰ, প্ৰণৱজ্যোতি খাউণ্ড ছাৰ আৰু বিনন্দ মহন ছাৰক। ইংৰাজৰ দিনৰ সেই ক্লাৱ ঘৰটোতে আমাৰ শ্ৰেণীসমূহ চলিছিল। তেতিয়া কলেজত মুঠতে তিনিশমান ছাত্ৰ-ছাত্ৰী আছিল যদিও কোনো অসুবিধা নোহোৱাকৈ শ্ৰেণীসমূহ চলি গৈছিল। আজিকালি সেই ক্লাৱ ঘৰটো বোলে নাই, ভাঙি পেলালে হেনো। আজিও শয়নে সপোনে সেই ক্লাৱ ঘৰটোতে ক্লাচ কৰা দেখা পাওঁ। কিযে আনন্দৰ দিন আছিল সেইবোৰ। এইখিনিতে এটা কথা কওঁ মই সোণাৰি কলেজত পঢ়িবলৈ অহাৰ আগেয়ে গড়গাঁও কলেজত পঢ়িছিলো। কিন্তু সোণাৰি কলেজৰ স্মৃতিয়ে আজি মোক যিমান আমনি কৰে গড়গাঁও কলেজৰ স্মৃতিয়ে নকৰে দেখোন। সোণাৰি কলেজক মনে-প্ৰাণে ভাল পাইছিলো, অন্তৰত বান্ধি ৰাখিছিলো হয়তো সেইবাবেই। সেই সময়ৰ আমাৰ বন্ধু-বান্ধৱীবোৰ আছিল —ইমৰাণ হুছেইন, টবিবুৰ ৰহমান, সুনীল বৰা, সুৰেশ বৰুৱা, অনিল কোঁৱৰ, সোনবৰ গগৈ, পূৰ্ণেশ্বৰ দিহিঙীয়া, পীতাম্বৰ গগৈ, কাশীনাথ তাঁতী, হেমলতা বৰগোহাঁই, হেমী ফুকন, আৰতি বৰা, তৰুলতা-নীলিমা চাংমাই (নাহি-ভনী) গুণ চাংমাই, বেলা দেৱী, স্বৰূপা বৰুৱা, বিনন্দ বৰা আৰু হেম গোঁহাই।

বাকীবিলাকৰ নাম মনলৈ অহা নাই তাৰ বাবে ক্ষমা বিচাৰিছো। কলেজৰ বাকী ছাত্ৰ-ছাত্ৰীবোৰৰো নামবোৰ মনত পৰিছে। জোনালী গগৈ, ইন্দ্ৰানী (মিনু) কোঁৱৰ, অনিমা কটকী, অনিমা চেতিয়া, দীপালি …তিয়া ফুকন, চন্দ্ৰা আগ্ৰৱালা, চন্দ্ৰা কোঁৱৰ, দেৱ বৰুৱা, প্ৰফুল্ল গগৈ, দেৱেন গোহাঁই, মুহি গোহাঁই, শৰৎ চাংমাই, খগেন গগৈ, হৰেণ গগৈ, ফুনু কাকতি, কামনা ডেকা, প্ৰণতি চাকমা, ৰেণু দৈমাৰী, ৰীনা গোহাঁই, …মণি গগৈ, সুনীতি শইকীয়া, লাৱণ্য ফুকন, দ্বীপেন কাকতি, লেখন শ্যাম, প্ৰফুল্ল শ্যাম আৰু যে কিমান নাম।

জীৱনৰ আটাইতকৈ ৰঙীণ ভাললগা দিনবোৰ পাৰ কৰিলো সোণাৰি কলেজত। কলেজ সপ্তাহত নিচে আনন্দ কৰিছিলো। মইতো ১৯৭৪-৭৫ বৰ্ষত মাৰাথন দৌৰত প্ৰথম আৰু ১৯৭৫-৭৬ বৰ্ষত তৃতীয় স্থান দখল কৰিছিলো। তাৰোপৰি ১৯৭৫-৭৬ বৰ্ষত মোৰ স্বৰচিত নাট "ধ্বংসমুখী ৰ'ড ভিউ" প্ৰদৰ্শন কৰি দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা আৰু দ্বিতীয় শ্ৰেষ্ঠ পৰিচালক হ'বলৈ সক্ষম হৈছিলো। এইয়াই আছিল কলেজ সপ্তাহৰ মিঠা সোঁৱৰণী। কলেজ সপ্তাহৰ অন্তত সকলো ছাত্ৰ-ছাত্ৰী, অধ্যক্ষ গোহাঁই ছাৰ আৰু বাকী ছাৰ বাইদেউ সকলো লগ হৈ প্ৰথমবাৰ দিচাংমুখৰ বালিচাপৰিত নৈসৰ্গিক সৌন্দৰ্য্যৰ মাজত বনভোজ খাবলৈ গৈছিলো। দ্বিতীয়বাৰ গৈছিলো সুদূৰ অৰুণাচল প্ৰদেশৰ পাদদেশৰ টিৰাপ নদীৰ বুকুলৈ সেউজীয়া প্ৰাকৃতিক সৌন্দৰ্য্যৰ মাজেৰে। ৰাতি ১ বজাত সোণাৰিৰ পৰা যাত্ৰা আৰম্ভ কৰিছিলো আৰু গোটেই বাটছোৱা কিযে স্ফুৰ্তি কৰি গৈছিলো আজিও সকলো মনত আছে। ঠিক তেনেদৰে সৰস্বতী পূজাতো বহুত ফূৰ্তি কৰিছিলো। কলেজৰ পৰা পদব্ৰজে চহৰৰ এমূৰৰ টাওকাক নদীৰ দলঙৰ তলত প্ৰতিমা বিসৰ্জন দিছিলো। সেই সময়ৰ ছাৰ বাইদেউ সকলৰ প্ৰতি আমাৰ আছিল অসীম শ্ৰদ্ধা-ভক্তি। বাকী ছাত্ৰ-ছাত্ৰীসকলৰো লগত এক মধুৰ সম্পৰ্ক আছিল। আজি সকলোলৈকে মনত পৰিছে। শুনিছো অহা ৯,১০,১১ ছেপ্তেম্বৰত কলেজৰ সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান আছে। যাবতো লাগিবই কাৰণ জীৱনটো জানো দুবাৰ পাম! জীয়াই থাকোতেই লগ পোৱা সকলোকে এযাৰ মাত লগাই আহিম। নাজানো কাক কাক লগ পাম? কিন্তু যাকেই লগ নাপাওঁ লগতেই আশীৰ্বাদ বিচাৰিম যেন জীৱনৰ শেষ দিনটোলৈকে হাঁহিভৰা এটা মনলৈ জীয়াই থাকিব পাৰো।

"সোণাৰি কলেজ দীৰ্ঘজীৱি হওক
জয়তু সোণাৰি কলেজ"

ঃঃঃঃঃঃ

# এটা মিঠা সোৱৰণি

হেমী ফুকন গগৈ
প্ৰাক্তন ছাত্ৰী-১৯৭৪-৭৬

সোণাৰি মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে স্মৃতিগ্ৰন্থখনলৈ প্ৰাক্তন ছাত্ৰী হিচাবে লেখা এটা দিব লাগে — ভণ্টি কবিতা চাবুকধৰাই ফোনেৰে ক'লে। হঠাতে মনটো উৰি গ'ল — সময়ৰ ব্যস্ততাৰ মাজত এৰি অহা আৰু হেৰাই যোৱা বহুতো মধুৰ মধুৰ স্মৃতিৰ মাজলৈ খন্তেকতে যেন ১৯৭৪ চনৰ কলেজীয়া গাভৰুজনী হৈ পৰিলোঁ। বহুতো কথাই আহি মনৰ দুৱাৰ খুলি ভুমুকি মাৰিলেহি। অথচ ক'ৰপৰা লিখিম ক'ৰপৰা আৰম্ভ কৰিম ভাবি পোৱা নাই। ১৯৭০ চনত প্ৰতিষ্ঠা হোৱা মহাবিদ্যালয়খনে পঞ্চম বছৰ অতিক্ৰম কৰি সোণালী জয়ন্তী বৰ্ষত ভৰি দিলেহি। সৌ সিদিনা যেন লাগি থকা সময়বোৰ কেতিয়া যে দুৰ্বাৰ গতিত বাগৰি গ'ল গমেই নাপালো। মই ১৯৭৪ চনত হায়াৰ চেকেণ্ডৰী পাছ কৰি এই মহাবিদ্যালয়তে ডিগ্ৰীৰ দুবছৰীয়া পাঠ্যক্ৰমত ভৰ্ত্তি হৈ মাত্ৰ দুবছৰহে পঢ়াৰ সৌভাগ্য লাভ কৰিছিলো। আমাৰ কলেজখন সেইসময়ত অস্থায়ীভাৱে বৃটিছৰ দিনৰে জিমখানা ক্লাবত আৰম্ভ কৰিছিল। সেই সময়ত কলেজৰ অধ্যক্ষ আছিল অতিকৈ শ্ৰদ্ধাৰ শ্ৰীযুত গোলাপ বৰগোহাঁই চাৰ। বাকী অধ্যাপক অধ্যাপিকা সকল আছিল — স্বৰ্গীয় সুৰেশ দাস, স্বৰ্গীয় বিনন্দ মহন, স্বৰ্গীয় কমলাৱতী শইকীয়া, শ্ৰীযুত জীৱন শইকীয়া, শ্ৰীযুত বিমলা ফুকন, শ্ৰীযুত মাণিক গগৈ, শ্ৰীযুত গিৰিণ গগৈ, শ্ৰীযুত গিৰিণ ফুকন, প্ৰয়াত তুলসী গগৈ, শ্ৰীযুত ৰবীন কোঁৱৰ, শ্ৰীযুত কীৰ্তি বৰুৱা, শ্ৰীযুত যাদৱ দত্ত, শ্ৰীযুত মাণিক বৰুৱা, শ্ৰীযুতা সোণমাই বৰা, শ্ৰীযুত প্ৰণৱ খাউণ্ড, শ্ৰীযুতা ৰতিপ্ৰভা গগৈ, কেৰেণী আছিল স্বৰ্গীয় ভৱ বৰুৱা, শ্ৰী বিষ্ণু বসুমতাৰী, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী শ্ৰী ফণী দত্ত আৰু কমল।

আমাৰ বেষ্টটোত প্ৰায় সাতত্ৰিশ জনমান ছাত্ৰ-ছাত্ৰী আছিলোঁ। তাৰে কিছুসংখ্যক বন্ধু-বান্ধৱীৰ লগত যোগাযোগ আছে যদিয়ো বাকীসকলক সময়ে সান্নিধ্যৰ পৰা আঁতৰাই নিলে। হয়তো তেওঁলোকে নিজৰ পৰিয়াল, নিজৰ চাকৰি আৰু নিজৰ জীৱন লৈ ব্যস্ত আছে। যিসকলৰ নাম মনত আছে উল্লেখ কৰিলো — বান্ধৱী ˝ নীলিমা চাংমাই, নীলিমা গগৈ, তৰুলতা গগৈ, হেমলতা বৰগোহাঁই, স্বৰূপা বৰুৱা, মীৰা শৰ্মা, আৰতি গগৈ, গুণ চাংমাই, কল্যাণী দে, হিৰণ্য বড়া, বন্ধু — সুমন্ত সন্দিকৈ, সুনীল বৰা, ৰবীন গগৈ, তবিবুৰ ৰহমান, অৰূপ বৰুৱা, ˝ পীতাম্বৰ গগৈ, পুষ্প বৰা, বিনন্দ বৰা, আনন্দ বৰা, অমূল্য শইকীয়া, অজিত ফুকন, জোনাৰাম ফুকন, হেম বুঢ়াগোহাঁই, হেম গগৈ, কিৰণ শৰ্মা, কিৰণ শৰ্মা, ˝ হৰেণ গগৈ, সুৰেশ ফুকন, সোণবৰ গগৈ, পুৰ্ণেশ্বৰ দিহিঙ্গীয়া, কাশীনাথ ৰয় আৰু কেতেকেশ্বৰ ক্ষেত্ৰপাল। কেইজনমানৰ নাম পাহৰি গৈছো। তাৰ বাবে কোনেও তাতে বেয়া নাপায়।



কেইজনমান মান বিশিষ্ট ব্যক্তি আৰু আমাৰ কেইজন মান শিক্ষাগুৰুৰ অপৰিসীম চেষ্টা আৰু [illegible] কষ্টৰ ফলত এই মহাবিদ্যালয়খনে গঢ় লৈ উঠিছিল। তেওঁলোকে গাঁৱে-ভূঞে ঘূৰি ঘূৰি যিয়ে যেনেকৈ [illegible] ধান, চাউল, টকা-পইচা সংগ্ৰহ কৰিছিল। তেখেত সকলৰ কলেজখন গঢ়ি তোলাত যি নিস্বাৰ্থ [illegible] তাক আমি সকলোৱে সন্মান জনাব লাগিব। পিছপৰা অঞ্চল সোণাৰিৰ ল'ৰা-ছোৱালীবোৰে আগতে [illegible] হায়াৰ চেকেণ্ডাৰী পাছ কৰা পিছত গড়গাওঁ, জয়সাগৰ, যোৰহাট, তিনিচুকীয়া, ডিব্ৰুগড়ত থকা [illegible]বিলাকত পঢ়িবলৈ ঢাপলি মেলিব লগা হৈছিল। কলেজখন স্থাপনৰ লগে-লগে সোণাৰিৰ লগতে পাশে পাশে থকা অঞ্চলবিলাকৰ বহুদিনীয়া এটা অতি প্ৰয়োজনীয় অভাৱ দূৰ হ'ল।

কলেজখন যদিও সৰু আছিল, আমি প্ৰয়োজনীয় সকলো সা-সুবিধাই লাভ কৰিছিলো। কলেজৰ অধ্যাপক সকলৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি অশেষ স্নেহ আছিল। শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত যথেষ্ট বুজাপৰা আছিল। প্ৰতিজন গুৰুৱে নিজ-নিজ বিষয়সমূহ যথেষ্ট কষ্ট আৰু ধৈৰ্য্যৰে পাঠদান কৰিছিল। আমি অসমীয়া [illegible] প্ৰথম বেষ্ট আছিলোঁ। গতিকে কিতাপ-পত্ৰৰ বহুতো অসুবিধা হৈছিল। মই বুৰঞ্জী বিষয় লৈ পঢ়িছিলো। [illegible] অসুবিধা হোৱা স্বত্বেও আমাক এই বিষয়ৰ অধ্যাপক শ্ৰীযুত মাণিক গগৈ আৰু শ্ৰীযুত গিৰিণ গগৈ [illegible] উপলব্ধি হ'বলৈ দিয়া নাছিল। তেখেতসকলে যথেষ্ট কষ্টেৰে আমাক ইংৰাজী মাধ্যমৰ পৰা অসমীয়া ভাষালৈ অনুবাদ কৰি লিখাই দিছিল।

তেখেতকসকলৰ আন্তৰিকতাপূৰ্ণ নিস্বাৰ্থ সেৱাৰ বাবে মই চিৰঋণী হৈ ৰ'ম। আন বিষয়সমূহো [illegible] শিক্ষাগুৰুৱে বৰ সুন্দৰকৈ বুজাইছিল। পঢ়াৰ লগতে খেলা-ধূলা, গান-বাজনা সকলো কৰিবলৈ আমাক সুবিধা প্ৰদান কৰিছিল।

সৰ্বশেষত মোৰ প্ৰিয় অনুষ্ঠানটোৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ। কলেজখন সৰ্বাঙ্গ সুন্দৰ [illegible]। ভাৰতবৰ্ষৰ তথা পৃথিৱীৰ আগশাৰীৰ কলেজবিলাকৰ ভিতৰত এখন হওঁক। এইয়ে মোৰ হাবিয়াস।

ঃঃঃঃ

# 'হেৰুৱা স্মৃতিৰ মায়া'

ভূপেন দেউঘৰীয়া
প্ৰাক্তন ছাত্ৰ-১৯৭৫

১৯৭৫-৭৬ চনটো মোৰ বাবে দুটা অবিস্মৰণীয় বৰ্ষ। ১৯৭৪ চনত মই ডিপ্লিং উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ সোণাৰি মহাবিদ্যালয়ত নামভৰ্তি কৰো। বহুত আশা আকাংক্ষা লৈ এটা নতুন জীৱনৰ পাতনি। এতিয়া সোণাৰি নগৰ আৰু সেই সময়ৰ সোণাৰি নগৰৰ মাজত আকাশ পাতাল পাৰ্থক্য। তেতিয়া আমাৰ গাঁৱৰ মানুহৰ মুখত টুটামুৰীয়া দোকানৰ (বৰ্তমান হাজী ষ্টৰ) নাম বিশেষ ভাৱে শুনিবলৈ পাওঁ। সেইখনেই সোণাৰিৰ অতি পুৰণি দোকান। আৰু দুখন মান হ'ল দোকান হ'ল দাস ব্ৰাদাচ্, ডি.এল লাইব্ৰেৰী, উষা হোটেল, ৰঞ্জিত হোটেল, ফেঞ্চি ষ্টৰ ইত্যাদি। হাইস্কুলত পঢ়ি থকা অৱস্থাত সোণাৰি নগৰখন ভালধৰণে দেখাই নাছিলো। আলি পদূলিৰ অৱস্থা ভাল নাছিল। কেতিয়াবা সোণাৰি বজাৰলৈ যাব লগা হ'লে ঘৰৰ পৰা ভজোলৈকে খোজকাঢ়ি 'চফিউলৰ ভেনেটত' উঠি সোণাৰিলৈ যাব লগা হৈছিল। আজিকালি ভেনেট কি বস্তু নতুন চামে বুজি নাপায়।

প্ৰথম দিনটোৰ লগৰ দুজন মানৰ লগত আনন্দমনে মনত দুৰ্বাৰ আশা লৈ কলেজলৈ গলো। ভাল লাগিল প্ৰথম কলেজলৈ গৈ। ঘৰত কোৱাধৰণে প্ৰথমে ওলগ এটা লৈ প্ৰৱেশ কৰো। তাহানিৰ বৃটিছৰ চাং বঙলা (জিমখানা)। মজিয়াখন কাঠৰ তক্তাৰে সজা খোজ কাঢ়িলে অলপ শব্দ কৰিলেও খোজ কাঢ়ি ভাল লাগে। ১৯৭০ চনত প্ৰতিষ্ঠা হোৱা মহাবিদ্যালয়খনৰ আৰম্ভণি বৰ্ষৰ দাদা বাইদেউসকলক লগ পোৱাৰ সৌভাগ্য ঘটিছিল। প্ৰথমে চিনি পোৱা নাছিলো। শ্ৰেণীকোঠাত তেওঁলোকে প্ৰৱেশ কৰিলে আমি কলেজৰ প্ৰফেচাৰ বুলি ঠিয় হৈ নমস্কাৰ জনাইছিলো শেষত গম পাই নিজৰে লাজ লাগিছিল। জ্যেষ্ঠ সকলক বহুত সন্মান কৰিছিলো। ৰেগিং বোলা কোনো কথাই নাছিল। জ্যেষ্ঠ দাদা সকলে কেৱল ভালকৈ পঢ়াৰ উপদেশহে দিছিল। বিশেষকৈ মোৰ মনত পৰা, বিপিন শৰ্মা, ননী বৰুৱা, বানেশ্বৰ বসুমতাৰী, দণ্ডেশ্বৰ গগৈ, ভৱেশ বৰুৱা, যতীন গগৈ, পূৰ্ণানন্দ দিহিঙ্গিয়া, লক্ষী পাংগিং আদি সকলক শ্ৰদ্ধাৰে স্মৰণ কৰিছো। মই ১৯৭৫-৭৬ চনৰ দুটা বছৰহে এইখন মহাবিদ্যালয়ত অধ্যয়ন কৰিছিলো ৭৬ চনৰ শেষৰ ভাগত মই যোৰহাট নৰ্মাল স্কুললৈ পঢ়িবলৈ যাওঁ।

মোৰ স্মৃতিত এটা হাঁহি উঠা কথা আজিও মনত পৰে। স্কলাৰশ্বিপৰ বাবে ফৰ্ম সংগ্ৰহ কৰিবলৈ সকলোৱে ব্যস্ত হৈ পৰিল, মইও ফৰ্ম এখন পালো। পিছদিনা ফৰ্মখন পূৰ্ণ কৰি অধ্যক্ষ মহোদয়ৰ কোঠাত প্ৰৱেশ কৰিলো। ছাৰে ফৰ্মখন চাই দেখিলে, ফৰ্ম খনৰ এঠাইত Nill আৰু এঠাইত ভুলবশত Nill লিখা হ'ল। ছাৰে ধমকিৰ সুৰত ক'লে তুমি যে এঠাইত কেৱল এটা L দিছা সেইটো মানে অলপ অলপ আছে আৰু LL দিয়াটোত একেবাৰেই নাই। লাজে ভয়ে জঠৰ হৈ পৰিলো। একো নামাতি ফৰ্মখন পুনৰ শুধৰণি কৰি জমা দিলো। এই আপাহতে ছাৰলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। আন এদিনৰ কথা, ইক'নমিক্সৰ পিৰিয়ডৰ এটা স্মৰণীয় ঘটনা। বিমলা ফুকন ছাৰে ঠাট্টা মাৰি কথা কোৱাতো এটা অভ্যাস। অৱশ্যে ছাত্ৰ-ছাত্ৰীৰ ভালৰ



[illegible]নেহে। মই কিবা এটা কথা ভালকৈ বুজি পোৱা নাছিলো। সেই সূত্ৰটো বুজাই থাকোতে মই ছাৰৰ মুখলৈ চাই আছিলো। ছাৰে মোলৈ চাই ক'লে তুমি মোৰ মুখলৈ ইমানকৈ কি চাই আছা, মোৰ মুখখন আন কাৰোবাৰ [illegible] দৰে দেখিছা নেকি। শ্ৰেণীৰ সকলোৱে মোলৈ চালে। লাজতে তলমূৰ কৰি থাকিলো। ছাৰলৈ মোৰ শ্ৰদ্ধা থাকিল।

ৰবীন কোঁৱৰ ছাৰ ইংৰাজীত বহু জ্ঞান থকা। ইংৰাজীত তেওঁ বিদগ্ধ পণ্ডিত বুলি ক'লেও বঢ়াই কোৱা নহয়। তেওঁ নিজে যিমান জানে আনকো জনা বুলিয়েই ভাবে। পাঠটো পঢ়োৱাৰ পাছত তেখেতৰ [illegible] কথা — 'এ পাৰিবা তোমালোকে', ছাৰ এজন বৰ সহজ-সৰল ব্যক্তি। মানুহক খং কৰিবও নাজানে [illegible] টান কথাও ক'ব নোৱাৰে। কোঁৱৰ ছাৰে এদিনো নকল ধৰিব নোৱাৰে বুলি অধ্যাপকৰ জিৰণি কোঠাত [illegible] আলোচনা হ'ল। ছাৰে কথাষাৰৰ গম পাই দম্ভ মাৰি পৰীক্ষা কক্ষলৈ গ'ল। ছাত্ৰ-ছাত্ৰীসকল লিখাত [illegible]। প্ৰত্যেকলৈ নিৰীক্ষণ কৰিলে। এজন ছাত্ৰৰ পৰীক্ষা বহীৰ তলত এখন কাগজ পাই নকল বুলি নোচোৱাকৈ [illegible]ৱৈয়াকৈ লৈ গ'ল। সহকৰ্মীসকলক গৌৰৱেৰে কলে আজি মই নকল ধৰিলো। প্ৰত্যেকে চালে সেইখন [illegible] কাৰ্ডহে আছিল। সকলোকে হাঁহিৰ খুৰাক দিলে। ছাৰলৈ মোৰ অজস্ৰ প্ৰণাম।

মহাবিদ্যালয়খনত পঢ়ি থকা সময়ত প্ৰতিষ্ঠাপক অধ্যক্ষ গোলাপ বৰগোহাঁই ছাৰকে প্ৰমুখ্যে কৰি সহযোগী অধ্যাপক সুৰেশ দাস, ৰবীন কোঁৱৰ, জীৱন শইকীয়া বিনন্দ মহন্ত, বিমলা ফুকন, ৰতিপ্ৰভা গগৈ, [illegible]মাই বৰা, কমলাৰতী শইকীয়া, মানিক বৰুৱা, মানিক গগৈ, গিৰিণ গগৈ আদি। ইয়াৰ ভিতৰত যিসকল প্ৰয়াত হ'ল তেওঁলোকৰ আত্মাৰ চিৰশান্তি কামনা কৰিছো। ১৯৭৬ চনত আমি প্ৰাক স্নাতকৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰ। প্ৰথম বৰ্ষত আমি মহাবিদ্যালয়খন প্ৰতিষ্ঠাকালৰপৰা (১৯৭০ চন) পাতনি মেলা ছাত্ৰ-ছাত্ৰীসকলক বিদায় সম্ভাষণ জনাইছিল। গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা প্ৰথম বৰ্ষৰ শিক্ষাৰ্থীলৈ অন্তৰৰ হিয়াভৰা শ্ৰদ্ধা নিবেদন কৰিছোঁ।

বাৰ্ষিক ক্ৰীড়া সপ্তাহত প্ৰতিটো বিভাগতে অংশগ্ৰহণ কৰাটো মোৰ এটা বিশেষ ৰাপ আছিল। সেই অনুপাতে পুৰস্কাৰো পাইছিলো। ১৯৭৬ চনত মই দ্বিতীয় শ্ৰেষ্ঠ খেলুৱৈ আছিলো। প্ৰথম আছিল আনন্দ বৰা কলেজীয়া জীৱনৰ এটি স্মৃতিৰ কথা আজিও মনত পৰে বাৰ্ষিক কলেজ সপ্তাহত ভেশচন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ আমাৰ 'শান্তিপুৰ' মেচৰ লগৰ সকলে মোক জোৰ কৰিলে। এজন লেঙেৰা ভিক্ষাৰী। গাত এখন ফটা কম্বল দি ইমান ধুনীয়াকৈ সজাই দিলে যে কোনেও মোক চিনিব নোৱাৰে, হাতত এডাল লাখুটি আৰু এটা চিলভাৰৰ বাতি লৈ গোটেই বাটটো ভিক্ষা কৰি যাওঁতে যথেষ্ট পলম হ'ল। আগতীয়াকৈ লগৰ এজনে গৈ আৰু এজন প্ৰতিযোগী আহি আছে বুলি খবৰ দিলে। খুচুৰা পইচা বৰ এখিনি পালো। গৈ [illegible]ৰ লগে লগে সোধ পোচ কৰিলে। বাগানীয়া ভাষাত কথাবোৰ ক'লো বিচাৰকে হাঁহিলে। মই দ্বিতীয় হ'লোঁ।

নৱাগত আদৰণি সভাত এবাৰ এখন একাংকিকা নাটক কৰা মনত পৰে। নাটকখনৰ নাম আছিল "এটা নতুন সূৰ্য"। ইমৰাণ হুছেইনৰ পৰিচালনাত নাটখনত অংশগ্ৰহণ কৰিছিল বীৰেণ বৰুৱা, পূৰ্ণ গগৈ, দীপেন কাকতি পৰিচালক নিজে আৰু মই। দিপালী চেতিয়াফুকনৰ নেতৃত্বত এটা কোৰাচ গোৱা মনত পৰে। এই স্মৃতি বিলাকে এতিয়াও মনৰ দুলনিত বিজড়িত হৈ আছে।

মহাবিদ্যালয়খনৰ সাহাৰ্যৰ কাৰণে সংগীত ৰত্ন ভূপেন হাজৰিকা, জয়ন্ত হাজৰিকা, মালবিকা বৰা

আৰু ইন্দ্ৰ বনিয়াক মহাবিদ্যালয় কতৃপক্ষই নিমন্ত্ৰণ জনাইছিল। এই অনুষ্ঠানটি সোণাৰি চিনেমা হলত অনুষ্ঠিত কৰিছিল। সেই সময়ত আমি স্বেচ্ছাসেৱকৰ দায়িত্বত আছিলো। ছোৱালী ছাত্ৰী নিবাসৰ কাৰণে বাঁহেৰে এটা দীঘল ঘৰ সজাই দিছিল। ভেঁটি উঠাবৰ কাৰণে আমি ছাত্ৰ-ছাত্ৰীসকলেই মাটিৰ কাম কৰিছিলোঁ। সমাজসেৱা বুলি কৈ শ্ৰেষ্ঠ সমাজসেৱক নিৰ্বাচন কৰিছিল। চেনেহী গগৈ নামৰ এগৰাকী ছাত্ৰীয়ে শ্ৰেষ্ঠ সমাজসেৱিকা সন্মান পাইছিল।

বহুৰ বাগৰি অহাৰ লগে লগে ১৯৭০ চনতে ৰোপণ কৰা এই পুলিটোৱে আজি পাতে ফুলে গন্ধে জাতিস্কাৰ হৈ পূৰ্ণাঙ্গ বটবৃক্ষত পৰিণত হৈ পৰিল। হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে এইখন মহাবিদ্যালয়তে অধ্যয়ন কৰি নিজৰ কৰ্মসংস্থাপনৰ উপৰিও সমাজৰ এজন শিক্ষিত ব্যক্তি ৰূপে চিনাকি দিব পাৰিছে। ঐতিহাসিক চৰাইদেউ জিলাত এইখনেই সেই সময়ৰ একমাত্ৰ উচ্চশিক্ষাৰ থলী। আহি আহি আজি গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষত পদাৰ্পণ কৰিলে। মহাবিদ্যালয়খনৰ গৌৰৱ অক্ষুন্ন ৰাখিবলৈ সমাজ, শিক্ষক, চৰকাৰ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ একক প্ৰচেষ্টা লাগিব।

মোৰ অনুভৱ সোণাৰি মহাবিদ্যালয়খনে অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয়ত পৰিণত হৈ জিলাখনলৈ আৰু গৌৰৱ কঢ়িয়াই আনিব। তাৰেই কামনা কৰি মোৰ স্মৃতিৰ মণিকোঠাত সাঁচি ৰখা অভিজ্ঞতাখিনি সামৰণি মাৰিলোঁ।

'জয়তু সোণাৰি মহাবিদ্যালয়'

ঃঃঃঃঃ



# সোণাৰিৰ শিক্ষাজীৱনৰ সোণোৱালী দিনবোৰৰ সোঁৱৰণত

**অজয় কুমাৰ বৰগোহাঞি**
প্ৰাক্তন ছাত্ৰ - ১৯৭৭-৭৯

গীতিকবি পাৰ্বতিপ্ৰসাদ বৰুৱা আৰু কবিতা কোঁৱৰ অম্বেশ্বৰ চেতিয়াফুকনৰ স্মৃতিবিজড়িত সোণাৰি নাম ল'লেই স্বাভাৱিকতেই এক শিহৰণ অনুভূত হয়। ঐতিহাসিক ধোদৰ আলিৰ দাঁতিত, কমেও ষাঠিৰো [illegible] চাহবাগিচাৰে পৰিবেষ্টিত সোণাৰি নগৰখনৰ বাসিন্দাসকলো 'বৈচিত্ৰতাৰ মাজত ঐক্যতা' নীতি [illegible] ৰাখি মিলাপ্ৰীতিৰে দীৰ্ঘদিন বসবাস কৰি আহিছে।

ঐতিহাসিক সোণাৰি এতিয়া আগৰ সোণাৰি হৈ থকা নাই। ব্যস্ততা বাঢ়িল। মানুহো বাঢ়িল। সোণাৰি ইতিমধ্যে চৰাইদেউ জিলাৰ সদৰ হিচাবে স্বীকৃত হ'ল। নগৰখন সম্প্ৰসাৰণ হ'ল। গাড়ী-মটৰো দিনে দিনে বাঢ়ি গ'ল।

সত্তৰ দশকত, ১৯৭০ চনতে সোণাৰি মহাবিদ্যালয়ৰ জয়যাত্ৰা আৰম্ভ হৈছিল। সেই সময়ৰ যি কেইজন শিক্ষাপ্ৰেমী, সমাজকৰ্মীৰ আশাসুধীয়া প্ৰচেষ্টাত মহাবিদ্যালয়খন গঢ় লৈ উঠিছিল, সেইসকল ভৱিষ্যতদ্ৰষ্টা, মহান ব্যক্তিলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। জ্ঞানবৃক্ষৰ সেই পুলিটোৱে আজি সোণালী জয়ন্তী অতিক্ৰম কৰিলে। বিগত পাঁচটা দশকত সোণাৰি মহাবিদ্যালয়ে সমাজলৈ বহুবোৰ মানৱ সম্পদ উপহাৰ দিলে। এতিয়াও মহাবিদ্যালয়খনৰ শৈক্ষিক উত্তৰণৰ বিভিন্ন দিশ চকুত পৰিলে এজন প্ৰাক্তন ছাত্ৰ হিচাবে গৌৰৱ অনুভৱ কৰো।

টাউকাক-টিয়ক-দিচাং নদীয়েদি বহু পানী বাগৰিলে। মোৰ দুবছৰীয়া সোণাৰি মহাবিদ্যালয়ৰ শৈক্ষিক জীৱনলৈ উভতি চালে অলেখ খণ্ড চিত্ৰই স্মৃতিৰ মানসপটত অগা-দেৱা কৰে। ভগ্নীস্বৰূপা কল্পনাৰ (কল্পনা বৰুৱা) আবদাৰত তাৰে কিছু কথা ইয়াতে উল্লেখ কৰিলো। ব্যক্তিগত কিছু কথা প্ৰাসংগিকভাৱে আহি পৰিলেও সহৃদয় পঢ়ুৱৈয়ে যাতে সহজভাৱে গ্ৰহণ কৰে।

মাহমৰা ডিপ্লিং হাইস্কুলৰ (এতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়) শিক্ষা সাং কৰি সোণাৰি ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একাদশ-দ্বাদশ শ্ৰেণীৰ শিক্ষাগ্ৰহণৰ কালছোৱাত সোণাৰিৰ শৈক্ষিক, সামাজিক আৰু সাংস্কৃতিক জীৱনৰ বৈচিত্ৰতাৰ অমৃত ৰস পান কৰাৰ সৌভাগ্য হৈছিল। শিক্ষানুষ্ঠানখনৰ সেই সময়ৰ অধ্যক্ষ প্ৰয়াত পৰনাথ শৰ্মা যিহেতু মোৰ দেউতাৰ বন্ধু আছিল (এসময়ৰ নাজিৰা হাইস্কুলৰ সহপাঠী), সেয়ে চাৰৰ প্ৰত্যক্ষ নিৰ্দেশ আৰু উপাধ্যক্ষ খগেন দত্ত, বিষ্ণু দত্ত, দুলাল বৰগোহাঞি, বিপিন দত্ত, ডিম্ব বৰা প্ৰমুখ্যে চাৰহঁতৰ সহযোগত শিক্ষানুষ্ঠানখনৰ বহুবোৰ কামত আগভাগ

ল'বলগা হৈছিল। যিহেতু নিৰ্বাচিত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকজন পৰীক্ষাত অনুত্তীৰ্ণ হৈ বিদ্যালয়লৈ অহা নাছিল, সেইবাবে মই 'অঘোষিত সাধাৰণ সম্পাদক'ৰ দৰে বহুবোৰ কাম যথা— শোকসভা পতা, সাধাৰণ সভাৰ জাননী দিয়া, বিদ্যালয় সপ্তাহ, সৰস্বতী পূজা অনুষ্ঠিত কৰা আদিবোৰ নিয়াৰিকৈ কৰাৰ চেষ্টা কৰিছিলো। ১৯৭৭ চনতে মই সোণাৰি আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত হৈ দায়িত্ব ল'বলগা হৈছিল। সদৌ অসম ছাত্ৰ সন্থাৰ ১৪ দফীয়া দাবীচনদৰ খাদ্য আন্দোলনৰ সমান্তৰালকৈ সোণাৰি মহকুমা গঠনৰ আন্দোলনত আমি সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিলো। তেতিয়াই সততে সোণাৰি মহাবিদ্যালয়লৈ অহা-যোৱা আৰম্ভ হৈছিল। উক্ত আন্দোলনত মোৰ অগণিত ছাত্ৰ-ছাত্ৰী বন্ধুবৰ্গৰ লগতে মহকুমা গঠন কৰ্ম পৰিষদৰ নেতৃত্বত থকা প্ৰয়াত নেতাসকল— হেম বসুমতাৰী, ৰবীন গগৈ, বিষ্ণু তাঁতি, হৰেণ চাচা আদিৰ উপৰিও শ্ৰদ্ধেয় বিপিন শৰ্মা, চন্দন গগৈ, প্ৰয়াত ডাঃ ৰাজেন গগৈ, নিকুণ চেতিয়া, নৃপেন দুৱৰা, বীৰেণ চেতিয়া, মদন তাঁতি, ৰঞ্জিত বুঢ়াগোহাঞি, ভাৰত দুৱৰা, শম্ভু ভূমিজ, ৰীণা খাউণ্ড, অণিমা কটকী, ৰেণু ফুকন, নৰজ্যোতি ভূঞা, সাধন সিং, বিদ্যা বৰগোহাঞি, প্ৰেম গগৈ, ভূপেন গগৈ, সহদেৱ শইকীয়া, মুহি বৰগোহাঞি, ভজোৰ শ্ৰদ্ধেয় ডিম্বেশ্বৰ গগৈ চাৰ, ফুলেশ্বৰ বৰুৱা চাৰহঁতৰ স্নেহসুলভ মৰম-পৰামৰ্শ-আশীৰ্বাদে মোৰ সামাজিক জীৱনৰ গতিশীলতা বঢ়াই তুলিছিল।

সোণাৰি কলেজত ১৯৭৭-৭৮ আৰু ১৯৭৮-৭৯ দুটা বৰ্ষত মই দুবছৰীয়া স্নাতক বৰ্ষৰ (Two Years' Degree Course, TDC) শিক্ষাগ্ৰহণ কৰাৰ সৌভাগ্য হৈছিল। আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব পালনৰ বাবে মই কলেজত নিয়মীয়াকৈ শিক্ষাগ্ৰহণ কৰিব পৰা নাছিলো। তদুপৰি পিছলৈ অবৈধ বিদেশী বহিষ্কাৰ আন্দোলনক এক গণ-আন্দোলনলৈ ৰূপান্তৰ কৰাৰ বাবে আমি সঘনে বৰহাট, বৰুৱানগৰ, সাপেখাতী, মথুৰাপুৰ, দিচাংপানী, কাকতিবাৰী অঞ্চললৈ গৈ সভা-সমিতিত জড়িত থাকিবলগা হৈছিল। কাৰণ আঞ্চলিক ছাত্ৰ সন্থাৰ পৰিসৰত এই অঞ্চলবোৰ অন্তৰ্ভুক্ত আছিল। তাৰ মাজেদি কলেজৰ যিখিনি ক্লাছ কৰিছিলো, সেইখিনি আছিল মোৰ বাবে অমৃতসুধা পান কৰাৰ দৰে।

গুৰু-গম্ভীৰ খোজেৰে অধ্যক্ষ গোলাপ বৰগোহাঞি চাৰে কলেজৰ বাৰাণ্ডাত পায়চাৰি কৰা দেখিলেই আমাৰ বুকু ধপ্ধপাই গৈছিল। তাতে কলেজখনো কেনেকুৱা আছিল? বৃটিছৰ দিনতে চাহবাগিচাৰ মেনেজাৰসকলৰ সাপ্তাহিক অৱসৰ বিনোদনৰ কেন্দ্ৰৰূপে থকা পুৰণি জিমখানা ক্লাবতে আমাৰ ক্লাছবোৰ হৈছিল। কাঠৰ ফ্ল'ৰত চাৰ-বাইদেউহঁতৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ জোতা-হাইহিলৰ খোজৰ শব্দই কিযে এক নান্দনিক ছবিৰ সৃষ্টি কৰিছিল সেয়া এতিয়াও ভাবিলেই ভাল লাগে। তাতে বিল্ডিংটোত তলাতলঘৰৰ দৰে কেইটামান সৰু সৰু কোঠাও আছিল, য'ত কমসংখ্যক ছাত্ৰ-ছাত্ৰীৰ ক্লাছবোৰ হৈছিল। ইংৰাজী বিষয়ত শ্ৰদ্ধেয় ৰবীন কোঁৱৰ আৰু শ্ৰদ্ধেয় যাদৱ দত্ত চাৰ, অৰ্থনীতি বিষয়ত শ্ৰদ্ধেয় জীৱন শইকীয়া আৰু শ্ৰদ্ধেয় বিমলা প্ৰসাদ ফুকন চাৰ, ৰাজনীতি বিজ্ঞান বিভাগত শ্ৰদ্ধাৰ তুলসী গগৈ আৰু উপাধ্যক্ষ সুৰেশ দাস চাৰ, অসমীয়া বিভাগত শ্ৰদ্ধেয়া বাইদেউদ্বয় ৰতিপ্ৰভা গগৈ আৰু সোণমাই বৰা, বুৰঞ্জী বিভাগত শ্ৰদ্ধেয় গিৰীণ গগৈ আৰু মাণিক গগৈ চাৰ, শিক্ষা বিভাগত শ্ৰদ্ধেয়া কমলাৱতী শইকীয়া আৰু মলয়া ৰাজখোৱা বাইদেউ, পিছলৈ অৰ্থনীতি বিভাগত অৰ্পণ দত্ত চাৰক মোৰ শিক্ষাগ্ৰহণৰ শেষৰ ভাগলৈ পোৱাৰ কথা এতিয়াও মনত



আছে। ইয়াৰে মলয়া ৰাজখোৱা বাইদেউৰ সৈতে আমাৰ 'দুষ্টামি' এটা কথা উল্লেখ কৰিব খুজিছো। ডাঠ ক'লা চশ্মা পৰিহিত ওখ-পাখ সুন্দৰী মলয়া বাইদেউৱে মহাবিদ্যালয়লৈ অহাৰ লগে লগে আমাৰ মনবোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল। 'গুৱাহাটীৰ পৰা আহিছে', 'বাইদেৱে ভাল নাটক কৰে' আদি ছাত্ৰ-ছাত্ৰীসকলৰ মুখ বাগৰা খবৰবোৰে আমাৰ আগ্ৰহ দুগুণে বঢ়াই তুলিছিল। আমাৰ কেইজনমান বন্ধুৰ দুষ্টামি বুধি এটা মনলৈ আহিল। শিক্ষা (Education) বিষয়টো নোলোৱা সত্বেও আমি বাইদেউৰ ক্লাছত বহি থাকো। বাইদেউৰ পঢ়ুৱা ধৰণ-কৰণ, বক্তৃতা আমি উপভোগ কৰি থাকো। কেইদিনমান পিছত লগৰ এগৰাকী ছাত্ৰীয়ে বাইদেউক কথাটো দৃষ্টিগোচৰ কৰাত আমাৰ অৱস্থা 'ফাঁট মেলা বসুমতী, পাতালে লুকাওঁ' যেন হ'ল। অৱশ্যে পিছলৈ বাইদেউৰ সৈতে সহজভাৱে আমাৰ গুৰু-শিষ্যৰ সম্বন্ধ গঢ়ি উঠিছিল। এইক্ষেত্ৰত মহাবিদ্যালয়ৰ সাহায্যাৰ্থে পোন-প্ৰথমবাৰৰ বাবে অনা (১৯৭৮ চনত) 'কহিনুৰ থিয়েটাৰ'ৰ আয়োজন [illegible] হৈ আমাৰ সৈতে মলয়া বাইদেৱে যথেষ্ট আন্তৰিকতাৰে কামবোৰ কৰিছিল। সেই মলয়া বাইদেউ প্ৰয়াত অভিযন্তা দিলীপ গোস্বামীৰ সৈতে বিবাহপাশত আবদ্ধ হৈ সোণাৰি কলেজৰ পৰা আঁতৰি জাগীৰোড কলেজৰ প্ৰবক্তা হ'লগৈ। অন্যহাতেদি অসমীয়া বোলছবিত অভিনয় কৰি শ্ৰেষ্ঠ অভিনেত্ৰীৰ ৰাষ্ট্ৰীয় বঁটা কাঢ়ি আনিবলৈ সক্ষম হ'ল। আজিৰ প্ৰজন্মই বাইদেউক মোহময়ী অভিনেত্ৰী নিশিতা গোস্বামীৰ মাতৃ মলয়া গোস্বামী বুলি ক'লেহে চিনি পাব।

মানৱ সম্পদ গঢ়াত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা সেই সময়ৰ বহুবোৰ শিক্ষাগুৰু, চাৰ-বাইদেউ, ছাত্ৰ-ছাত্ৰী আজি আমাৰ মাজত নাই। তেওঁলোকৰ অপৰিসীম ত্যাগ আৰু বৰ্তমানৰ প্ৰবক্তা, ছাত্ৰ-ছাত্ৰী-পৰিচালনা সমিতিৰ সমন্বিত প্ৰচেষ্টাই সোণাৰি মহাবিদ্যালয়ক ভৱিষ্যতে প্ৰজ্ঞাৰ এক সৰ্বোৎকৃষ্ট শিক্ষানুষ্ঠানৰূপে গঢ় লৈ উঠিব, সোণালী জয়ন্তীৰ পৰা হীৰক জয়ন্তী হৈ শতবৰ্ষ গৰকিব, — এই আশা আৰু বিশ্বাসেৰে সকলোলৈকে প্ৰীতি আৰু শুভেচ্ছা জ্ঞাপন কৰিলো। জয়তু সোণাৰি মহাবিদ্যালয়!

(প্ৰাক্তন ছাত্ৰ অজয় কুমাৰ বৰগোহাঞি বৰ্তমান গুৱাহাটী নিবাসী। বিভিন্ন সামাজিক-সাংস্কৃতিক সংস্থাৰ ভালেমান দায়িত্ব পালন কৰি আছে। ভ্ৰাম্যভাষ ঃ ৯৮৬৪০ ১৩৯৮৫)

ঃঃঃঃ

# সোণাৰি কলেজৰ সোণালী স্মৃতি ঃ এক নষ্টালজিয়া

বিভাৰাণী বৰগোহাঞি
প্ৰাক্তন ছাত্ৰী - ১৯৭৭

১৯৭৭ চনৰ জুলাই মাহৰ কোনো বা এটা দিনত সোণাৰি মহাবিদ্যালয়ত নামভৰ্তি কৰিবলৈ গৈ কিছু ভয় আৰু শংকাৰে বৃটিচৰ দিনৰ এটা ওখ ক্লাৱঘৰত উপস্থিত হৈছিলোগৈ। ১৯৭০ চনত স্থাপিত হোৱা কলেজখনত সোণাৰি নগৰৰ কাষৰীয়া বিভিন্ন গাঁও আৰু চাহ বাগিছাৰ পৰা বহুত ছাত্ৰ-ছাত্ৰীৰ সমবেত হৈছিল। মুঠতে মই প্ৰথমেই কলেজখনত এটা গাঁৱলীয়া পৰিৱেশ প্ৰত্যক্ষ কৰিছিলো। য'ত নাছিল কোনো নগৰীয়া কৃত্ৰিমতা। প্ৰাকস্নাতক ১ ম বাৰ্ষিকৰ পৰা স্নাতক পৰ্য্যায়লৈকে মোৰ এইখন কলেজতে পঢ়াৰ সৌভাগ্য হৈছিল। সোঁৱৰণীৰ কুঁৱলী ফালি আজি ৪৫ বছৰৰ পিছত পাহৰণিৰ গৰ্ভত কিছু সজীৱ হৈ থকা মোৰ ব্যক্তিগত অনুভৱ আগবঢ়ালো।

প্ৰথম বাৰ্ষিকৰ ৩ মাহ মান মই কলেজৰ ছাত্ৰী নিবাসৰ আবাসী আছিলো। কিছুদিনৰ পিছত শ্ৰদ্ধাৰ শ্ৰীযুতা সোণমাই বড়া বাইদেউৰ "সোণালী ছাত্ৰী নিবাস"ত থাকিবলৈ লৈছিলো। আমাৰ দিনত কলেজখনত ডাঙৰ ডাঙৰ হল (hall) তিনিটা আৰু কেইটামান সৰু সৰু কোঠাও সংলগ্ন হৈ আছিল। কলেজৰ কেইবাখলপীয়া চিৰি পাৰ হৈ এখন ডাঙৰ বাৰান্দা আছিল। বাৰান্দাখনত কাঠৰ ৰেলিং আছিল। মূল আলিবাটৰ সমান্তৰালকৈ পুৰণি ভৱনটো আছিল। বাৰান্দাৰ পোনে পোনে যিটো হল আছিল তাত দুখন দুৱাৰ আছিল আৰু স্নাতক ২য় বৰ্ষৰ শ্ৰেণী তাত হৈছিল। বাৰান্দাৰ বাওঁহাতে চুকটোত যিটো হলঘৰ আছিল, তাত আমি প্ৰাক স্নাতক প্ৰথম বাৰ্ষিকৰ ক্লাচ কৰিছিলো। কলেজ চৌহদত প্ৰৱেশ কৰিয়েই সোঁহাতে ঘূৰি গৈ আন এটা ডাঙৰ হলঘৰ আছিল। ইয়াৰে দুটা হলঘৰৰ floor খন কাঠৰ আছিল। আমাৰ প্ৰাক স্নাতক ১ম বাৰ্ষিকৰ ক্লাচৰুমৰ গাতে লাগি তিনিটা কোঠা আছিল, যি কেইটা এটা অফিচ ঘৰ, এটা অধ্যক্ষৰ কোঠা আৰু আনটো কলেজৰ পুথিভঁৰাল। কলেজৰ অফিচ ঘৰটোৰ মুখামুখিকৈ কিছু আঁতৰত সুকীয়াকৈ এটা দীঘল ঘৰ আছিল — যিটো আমাৰ ছাৰ-বাইদেউ সকলৰ জিৰণীকোঠা। অফিচঘৰটোৰ পিছফালে এটা ছাত্ৰী জিৰণীকোঠা আছিল। যিটো কোঠালৈ আমি কেইবাজনী ছোৱালী একেলগ হৈহে গৈছিলো কাৰণ শুনিছিলো তাত হেনো ৰাতি ভূত ওলায়। কলেজৰ বিল্ডিংবোৰ পকা আৰু চালখন asbestos আছিল। ছাত্ৰী নিবাসটো বাঁহ-খেৰেৰে নিৰ্মিত এটা ডাঙৰ ঘৰ আছিল। কলেজ বন্ধ থাকিলে আমি ছাত্ৰীসকলে কলেজৰ চৌহদৰ ভিতৰতে পিচফালে থকা কুঁৱাৰ পানীৰে কাপোৰ ধুই লোৱাৰ কথাও মনত পৰিছে।

শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় শ্ৰীযুত গোলাপ বৰগোহাঁই ছাৰলৈ মনত পৰিলে মোৰ আজিও শ্ৰদ্ধা-ভক্তিত মূৰ দোঁখাই পৰে। আশাকৰো ছাৰে সুস্থ শৰীৰে শতবৰ্ষ অতিক্ৰম কৰিবলৈ সক্ষম হ'ব। আমাৰ সময়ৰ উপাধ্যক্ষ আছিল ৰাজনীতি বিজ্ঞানৰ পূজনীয় শিক্ষাগুৰু ˚ সুৰেশ দাস ছাৰ। যিজনৰ ক্লাচত আমি কেতিয়ানো বেল পৰে — ক'বই নোৱাৰিছিলো। এই বিষয়ৰ আন এজন শিক্ষাগুৰু আছিল শ্ৰদ্ধেয় ˚ তুলসী গগৈ ছাৰ। তেখেতৰ শ্ৰেণীকোঠাত আমি দেশৰ সাম্প্ৰতিক ৰাজনীতিৰ বহু বতৰা পাইছিলো। স্মৃতিৰ সঁফুৰা মেলি আজি মনত পৰিছে প্ৰাক স্নাতক ১ ম বাৰ্ষিকৰ ১ম ক্লাচটো কৰিবলৈ আহিছিল শ্ৰদ্ধেয় শিক্ষাগুৰু শ্ৰীযুত ৰবীন কোঁৱৰ ছাৰে। তেখেতৰ বুজোৰা পদ্ধতিটোত আমি আকৃষ্ট হৈছিলো। ইংৰাজীৰ আন এগৰাকী শ্ৰদ্ধেয়া বাইদেউ আছিল শ্ৰীযুতা [illegible] মহন্ত। বাইদেউক আমি কেইজনীমনে এটা কবিতা 'dilight in disorder' ৰ লগত সাদৃশ্য থকা বুলি আলোচনা কৰি আনন্দ পাইছিলো। বাইদেউৰ সৰলতাই আমাক মুগ্ধ কৰিছিল।



অৰ্থবিজ্ঞানৰ শিক্ষাগুৰু মাননীয় জীবেন্দ্ৰ শইকীয়া ছাৰৰ লগত ক্লাচত আমি খুব alert হৈ থাকিব লগা হৈছিল। কাৰণ ছাৰে ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰত সুতীক্ষ্ণ দৃষ্টি ৰাখিছিল। কেতিয়াবা কোনোবা ছাত্ৰই ঘুমতি মাৰিলে duster টো দলিয়াই দিয়াৰ কথাও মনত পৰিছে। অৰ্থবিজ্ঞানৰ আন এজন সন্মানীয় শিক্ষাগুৰু আছিল শ্ৰীযুত [illegible] ফুকন। অতি সহজ-সৰল ভাৱে এই বিষয়টো বুজাই দিয়াত আমি অতি সহজেই আয়ত্ব কৰি লৈছিলো। [illegible] শ্ৰীযুত অৰ্পন বৰুৱা ছাৰক আমি অতি কম সময়ৰ বাবেহে পাইছিলো। ইতিহাসৰ শ্ৰদ্ধেয় শ্ৰীযুত গিৰিণ [illegible] আৰু শ্ৰদ্ধেয় শ্ৰীযুত মাণিক গগৈ — দুয়োজনৰ সৰলতাত আমি আপ্লুত হৈছিলো। যাৰ বাবে বিষয়বস্তু [illegible] আমাৰ সহজ হৈছিল।

শিক্ষা বিভাগৰ ক্লাচ আমাক শ্ৰদ্ধেয়া ˚ কমলাৱতী শইকীয়া বাইদেউ আৰু শ্ৰদ্ধেয় শ্ৰীযুত মাণিক বৰুৱা [illegible] লৈছিল। শিক্ষাৰ বিশেষকৈ মনোবিজ্ঞান ভাগটোৱে মোক খুব আকৰ্ষণ কৰিছিল। শ্ৰদ্ধেয়া শ্ৰীযুতা ৰাণু মহন্ত বাইদেউৱে অতি সুন্দৰকৈ বুজাইছিল। আমি প্ৰাক স্নাতক ১ম বৰ্ষত পঢ়োতে শিক্ষা বিভাগৰ শ্ৰদ্ধেয়া শ্ৰীযুতা [illegible] খাজখোৱা বাইদেৱে প্ৰায় ৬ মাহ মান ক্লাচ কৰিছিল। তেখেত পাছলৈ এগৰাকী অসমীয়া বোলছবি জগতৰ [illegible] অভিনেত্ৰী হৈছিল। অতি সুন্দৰী বাইদেউৰ ব্যক্তিত্বই আমাৰ সকলোকে আকৰ্ষণ কৰিছিল। অসমীয়া [illegible] দুগৰাকী শিক্ষাগুৰু বাইদেউক আমি সকলোৱে অতি শ্ৰদ্ধা ভক্তি কৰিছিলো। তেখেতসকল হ'ল মাতৃস্থানীয় শ্ৰীযুতা সোণমাই বড়া আৰু শ্ৰীযুতা ৰতিপ্ৰভা গগৈ বাইদেউ। দুয়োগৰাকী আছিল সুকীয়া ব্যক্তিত্ব সম্পন্না আৰু [illegible] স্বভাৱৰ — যাৰ বাবে আমি বিভিন্ন কাৰণত কাষ চাপি যাবলৈ সংকোচ কৰা নাছিলো। অসমীয়াৰ আন [illegible] শিক্ষাগুৰু শ্ৰদ্ধেয় ˚ বিনন্দ মহন্ত। তেখেতৰ কবিতা বুজোৰা পদ্ধতিটো কিছু সুকীয়া আছিল। আজি মনত [illegible] পুথিভঁৰালৰ বাইদেউ শ্ৰীযুতা বাণী দেৱী দাস বাইদেউলৈ আৰু কাৰ্য্যালয়ৰ সহায়ক শ্ৰদ্ধেয় বসুমতাৰী দা [illegible] ˚ বৰুৱা দালৈ। চতুৰ্থ বৰ্গৰ শ্ৰদ্ধেয় শ্ৰীযুত কমলদা, ˚ দাজুদা আৰু মিনেশ্বৰলৈ।

আজি সোণাৰি কলেজৰ সোণালী স্মৃতিৰ সুবাস বিচাৰি মনত পেলাইছো মোৰ মৰমৰ সহপাঠীসকলক [illegible]মী, বীণা, ৰুণু, অঞ্জনা বা, দুলু, শশী, বিজয়া, শান্তি, লাৱণ্য, ৰঞ্জু, নিভা, চায়েৰা, শেৱালী, ৰীতা, মীৰা, [illegible], মেৰীচ, ঘনকান্ত, ৰুণুকান্ত, ৰুবুল, ইনামুল, দিলীপ ইত্যাদি। বৰ্তমান বেচি ভাগ সহপাঠীৰ লগত মোৰ কোনো যোগাযোগ নাই। তেওঁলোকে যদি কোনোবাই চাকৰি কৰিছিল — তেওঁলোকেও হয়তো অৱসৰ জীৱন [illegible]ছে। আশাকৰো সকলোৱে সুখে-সন্তোষে গৃহস্থী জীৱন যাপন কৰি সুস্থ শৰীৰে জীয়াই আছে।

আজি এটা কথা আমাৰ চাম বন্ধু-বান্ধৱীয়ে উপলব্ধি কৰিছো যে আমাৰ দিনৰ কলেজখনত নিৰ্ভেজাল, [illegible]কতাপূৰ্ণ, সহজ-সৰল, ঘৰুৱা পৰিৱেশৰ, প্ৰকৃত মৰম-চেনেহৰ পৰিপূৰ্ণ এটা ডাঙৰ পৰিয়াল যেনহে [illegible]। তাত Wifi, internet, computer, mobile phone আদি আধুনিকতাৰ কৃত্ৰিম পৰশ পৰা নাছিল। [illegible] পিৰিয়ডত গৈ বাসুদাৰ হোটেলৰ চাহ, ঘুগুনি, চিংৰাৰ সোৱাদ কেতিয়াও পাহৰিব নোৱাৰো। ষ্টুডিঅ' [illegible]ত আমি ফটো উঠিবলৈ কিমান যে আগ্ৰহী আছিলো। ভাবিলে আজিও হাঁহি উঠে। কলেজ সপ্তাহ, [illegible] আদৰণি সভা আৰু সৰস্বতী পূজা — আমি অতি উলহ-মালহেৰে উদ্‌যাপন কৰিছিলো। তাৰ বহু [illegible] আজিও আমনি কৰে। আজিৰ কলেজৰ ডাঙৰ ডাঙৰ পকী ঘৰ বিলাক নিৰ্মাণ হোৱা দেখি তাহানিৰ

পুৰণি বৃটিছৰ দিনৰ ক্লাব ঘৰত ক্লাচ কৰা দিন বিলাককৈলৈ মনত পৰে। বিজ্ঞান শাখা খুলিল — ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িল — কলেজৰ শিক্ষাগুৰুৰ সংখ্যা বাঢ়িল — বিভিন্ন সা-সুবিধা ছাত্ৰ-ছাত্ৰীসকলে লাভ কৰিলে। এক নতুনত্বৰ পৰশ পৰি আজিৰ কলেজখন এই বিশ্বায়নৰ যুগত প্ৰগতিৰ পথত ধাৱমান হ'ল। উন্নতিৰ উচ্চ শিখৰত বহুজনে স্থান পাইছে। এনেধৰণৰ বা-বাতৰি পালে আমিও সন্তোষ পাওঁ। সোণাৰি কলেজে বাতৰিৰ শিৰোনাম দখল কৰিলে, কেতিয়াবা দুখৰ, কেতিয়াবা সুখৰ চকুপানীৰে দুচকু ভৰি পৰে। ছাত্ৰ-ছাত্ৰীসকলৰ ভাল ফলাফলৰ বাতৰি দেখিলে আমিও আত্মসন্তুষ্টি লাভ কৰো। কাৰণ এইখন তো মোৰেই মৰমৰ কলেজ য'ৰ পৰা মই জীৱনত সুন্দৰভাৱে জীয়াই থাকিবলৈ, জীৱন যুদ্ধ কৰি হাজাৰ ঘাত-প্ৰতিঘাত অতিক্ৰমি মানুহ ৰূপে নিজৰ ভৰিত থিয় হ'বলৈ শিকিছিলো। এতিয়াও কলেজখনৰ কাষলৈ গ'লে মই হয়তো বিচাৰি ফুৰিম মোৰ তাহানিৰ কলেজৰ ক্লাচ ৰূমবোৰ, ওখ কাঠৰ মজিয়া (য'ত খোজ কাঢ়িলে শব্দ হৈছিল) কলেজৰ হ'ল তিনিটাত থকা চিমনি কেইটা বাৰান্দাৰ কাঠৰ ৰেলিং (য'ত আউজি আমি আড্ডা দিছিলো)।

পুৰণিক বিদায় দি নতুনক আদৰা পৰম্পৰা সকলোতে আছে। নিজৰ কলেজৰ প্ৰতি আন্তৰিকতা, মৰম, শ্ৰদ্ধা আমাৰ আজীৱন থাকিব।

শেষত সোণাৰি মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰে উন্নতি কামনা কৰিলো —

'জয়তু সোণাৰি মহাবিদ্যালয়।'

৪৪৪৪



# এৰি অহা দিনৰ এটি মিঠা অনুভূতি

কুঞ্জ বৰুৱা
প্ৰাক্তন ছাত্ৰী - ১৯৭৮

সময় গতিশীল। ই কাৰো বাবে কেতিয়াও ৰৈ নাথাকে। পাখি লগা কাঁড়ৰ দৰে গতি কৰে। এনে গতিশীল [illegible] বুকুতে কিছুমান স্মৃতি স্থায়ীভাৱে মন দাপোণত চিৰদিন থাকি যায়। যিবিলাক স্মৃতি মনলৈ আহিলে মনটোক [illegible] আগলৈ লৈ যায় আৰু মন পুলকিত কৰি তোলে।

মই ক'ব খুজিছো সোণোৱালী জীৱনৰ বৰ্ণিল দিনবোৰৰ কথা। অতীত হৈ যোৱা সেই দিনবোৰ [illegible] বাবে আজিও মানস পটত সজীৱ। কাহানিও পাহৰণিৰ গহ্বৰত বিলীন নোহোৱা কিছু কথা, কিছু ঘটনা।

১৯৭৮ চনত পাটসাঁকো উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ মই সোণাৰি মহাবিদ্যালয়ত প্ৰাক্-স্নাতক বৰ্ষৰ কলা শাখাত নামভৰ্ত্তি কৰো। মনত অলেখ হেপাহ, জীৱনৰ উন্নতিৰ [illegible] বগাবলৈ। সেই সময়ত সোণাৰি মহা-বিদ্যালয়ৰ পাঠদান বৃটিছৰ দিনৰ প'ল ক্লাৱত (জিমখানা [illegible]) চলি আছিল। কাষতে বাঁহ-কাঠেৰে সজা কেইটামান ঘৰো আছিল। সেইখিনিতে কাৰ্য্যালয়, শ্ৰেণীকোঠা, [illegible] ভঁৰাল সকলোবোৰ চলি আছিল। মহাবিদ্যালয়ৰ খেলপথাৰখনৰ কাষে কাষে অধ্যাপক-অধ্যাপিকাসকল [illegible] বাবে গৃহ নিৰ্মাণ কৰি দিছিল। বহু দূৰ-দূৰণিৰ পৰা ছাত্ৰ-ছাত্ৰীসকল আহি মহাবিদ্যালয়ত অধ্যয়ন কৰিছিল। ছাত্ৰসকল থাকিবৰ বাবে এটি ছাত্ৰাবাসো আছিল। ছাত্ৰীসকলৰ বাবে ছাত্ৰী নিবাসো আছিল।

সেই সময়ত মহাবিদ্যালয়ৰ অধ্যক্ষ আছিল চিৰনমস্য শিক্ষাগুৰু শ্ৰীযুত গোলাপ বৰগোহাঁই ছাৰ। [illegible] বিষয়ৰ দুজন বা তিনিজন সহকাৰী অধ্যাপক আছিল। যেনে অসমীয়া বিভাগত প্ৰাক্তন অধ্যক্ষা শ্ৰীযুতা ৰতিপ্ৰভা গগৈ, শ্ৰীযুতা সোনমাই বৰা আৰু প্ৰয়াত বিনন্দ মহনদেৱ। ইংৰাজী বিভাগত প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত ৰবিন কোঁৱৰ, প্ৰয়াত যাদৱ দত্ত ছাৰ আৰু শ্ৰীযুতা জুনু মহন্ত বাইদেউ আছিল। বুৰঞ্জী বিভাগত শ্ৰীযুত [illegible] গগৈ ছাৰ আৰু শ্ৰীযুত মাণিক গগৈ ছাৰ আছিল। শিক্ষা বিভাগত শ্ৰীযুত মাণিক বৰুৱা ছাৰ, প্ৰয়াত কমলাৱতী শইকীয়া আৰু শ্ৰীযুতা ৰাণু মহন বাইদেউ আছিল।

অৰ্থনীতি বিভাগত শ্ৰীযুত জীৱন চন্দ্ৰ শইকীয়া, শ্ৰীযুত বিমলা ফুকন ছাৰ আৰু প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত অৰ্পন বৰুৱা ছাৰ আছিল। ৰাজনীতি বিভাগত প্ৰয়াত সুৰেশ দাস আৰু শ্ৰীযুতা স্মৃতিৰেখা মহন বাইদেউ আছিল। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিকা আছিল বাণী দেৱী বাইদেউ। কাৰ্যালয় সহায়ক আছিল প্ৰয়াত [illegible] বৰা আৰু দৈমাৰী উপাধিৰ এজন ব্যক্তি আছিল। চতুৰ্থ বৰ্গৰ কেইবাজনো ব্যক্তি আছিল; কিন্তু তাৰ ভিতৰতে শ্ৰীযুত মিনেশ্বৰ লাহন আমাৰ দাঁতি কাষৰীয়া।

কলেজীয়া জীৱনৰ মধুময় দিনবোৰ মনলৈ আহিলে মোৰ চিৰনমস্য শিক্ষাগুৰু সকলৰ কথা সততে মনলৈ আহে। কিছুসংখ্যক এতিয়া জীৱিত অৱস্থাত নাই। যেতিয়া কলেজীয়া জীৱনৰ স্মৃতিৰ জোলোঙা খুলি সেই সময়ৰ জীৱনৰ মধুৰতম মুহূৰ্তবোৰ চাওঁ, তেতিয়া চকুৰ আগত স্বনামধন্য সেইসকল শিক্ষাগুৰুৰ মুখ [illegible] ভাঁহি উঠে। তেখেত সকললৈ মই শতকোটি প্ৰণিপাত জনাইছো। তেখেত সকলৰ সু-স্বাস্থ্য আৰু

দীৰ্ঘায়ু কামনা কৰিলো। যিসকল বৰ্ত্তমান আমাৰ মাজত নাই তেখেত সকলৰ আত্মাই চিৰশান্তি লাভ কৰক ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো।

সোণাৰি মহাবিদ্যালয়ত প্ৰাক্-স্নাতক প্ৰথম বৰ্ষত নামভৰ্ত্তি কৰোতে বহু ছাত্ৰ-ছাত্ৰী লগ পাইছিলো। আমিবোৰ সকলোৱে এটা পৰিয়ালৰ দৰে আছিলো। সকৰুৱে ডাঙৰক সন্মান কৰা আৰু ডাঙৰে সৰুক মৰম কৰিছিল।

আমি সকলোৱে বৰ মিলাপ্ৰীতিৰে আছিলো। একেলগতে পঢ়া বহুখিনি মাজে মাজে লগ পাওঁ। সেইসকলৰ ভিতৰত কবিতা, ৰিণু, লাৱণ্য, মঞ্জু, কিৰণ, পদ্ম, দৌলৎ, মীৰা, কৰুণাক লগ পাওঁ। কেতিয়াবা সৌভাগ্য হ'লে মিতালী ভূঞা, কবিতা বৰা, হিৰণ্য দিহিঙ্গীয়া, ৰেণু বকলিয়াল, প্ৰতিমা গগৈ, দুৰ্গী গগৈক লগ পাওঁ। কেতিয়াবা বিণু গগৈ, দীপ্তি বৰুৱা, নলিনী কোঁৱৰক লগ পাওঁ। ভগৱানে সকলোকে যেন ভালে-কুশলে ৰাখক। তাৰেই কামনা কৰিলো।

অতি দুখৰ কথা প্ৰাক্-স্নাতক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছতে মোৰ বিবাহিত জীৱন আৰম্ভ হয়। বিভিন্ন অসুবিধাৰ বাবে স্নাতক শ্ৰেণীত উত্তীৰ্ণ হ'ব নোৱাৰিলো। কেইবছৰ মানৰ পিছত পুনৰ তিনি বছৰীয়া স্নাতক পাঠ্যক্ৰমত নাম লগাই লওঁ। মনত পুহি ৰখা আশা এদিন পূৰণ হ'ল। ইমানতে পঢ়াও সামৰণি। পুনৰ বহুদিন বিৰতিৰ পিছত আমাৰ ছোৱালী দুজনীৰ অভিভাৱক হিচাপে থাকিবলৈ পাই ভাল লাগিছিল। এদিন সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰী, পুনৰ অভিভাৱক হিচাপে আৰু এগৰাকী অৱসৰ প্ৰাপ্ত শিক্ষয়িত্ৰী হৈ সোণালী জয়ন্তী বৰ্ষত খোজ দিবলৈ পাই নিজকে ধন্য মানিছো।

শেষত যিসকল স্বনামধন্য, শিক্ষানুৰাগী, জ্ঞান পিপাসু ব্যক্তিৰ প্ৰচেষ্টাত আজি সোণাৰি মহাবিদ্যালয়ে "সোণালী জয়ন্তী" বৰ্ষত ভৰি দিলেহি সেই সকলক আমি ধন্য মানিছো। ধন্য মোৰ সোণাৰি মহাবিদ্যালয়।

::::



# "সোণাৰি কলেজৰ সোণোৱালী দিনৰ" সোঁৱৰণ (প্ৰয়াত বিনন্দ মহন চাৰৰ স্মৃতিত)

দময়ন্তী গগৈ
প্ৰাক্তন ছাত্ৰী

এদিন ৰাতি ফ'নত ভাঁহি আহিল এটি চিনাকি সুমধুৰ কণ্ঠস্বৰ, সেই কণ্ঠস্বৰ আছিল জুৰি দেৱী [illegible]। ফ'নতেই তেওঁ ক'লে সোণাৰি কলেজৰ সোণালী জয়ন্তী উৎসৱত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে মিলি [illegible] এখন মেগাজিন প্ৰকাশ কৰিবলৈ লৈছে, সেই মেগাজিনত মই এটা লেখা দিব লাগে।

ফ'নত সেই কথাষাৰ শুনাৰ পিছত মনত কলেজত পঢ়া দিনৰ সময়ছোৱাৰ অজস্ৰ স্মৃতি অগা দেৱা [illegible] ধৰিলে। সেই স্মৃতিৰ সাগৰত ৰাতিৰ ৰাতিটো মই সাঁতুৰিছিলো, বুৰ মাৰিছিলো, স্মৃতিৰ অটল [illegible] খেপিয়াই চাইছিলো, ক্ৰমাৎ পাহৰণি নামৰ ৰাক্ষসিনীৰ কবলত পৰি বিস্মৃতিৰ অটল তলিত বিলীন [illegible] ধৰা কথাবোৰ বুটলি। বুটলি আনিবলৈ চেষ্টা কৰিছিলো, ভাবিবলৈ ধৰিলো স্মৃতিৰে উপচি থকা [illegible] কথাবোৰ বাৰু কিদৰে লিখিম।

না এনেকৈ নহ'ব, উহো নকৈয়ো ভাল নালাগিব, হা এনেকৈয়ে চোন লিখিব পাৰো সোণসেৰীয়া [illegible] কথাবোৰ।

মই তেতিয়া বি পি বি স্কুলৰ ছাত্ৰী। সেই সময়ত পূজা নে বিহু সংখ্যা আলোচনীত পঢ়িবলৈ [illegible] এখন সুন্দৰ কেম্পাচৰ উপন্যাস নাম 'কটন কলেজ', লিখক নবীন বৰুৱা। উপন্যাসখন পঢ়ি ভাল [illegible], সেই সময়ৰ কটন কলেজৰ ছাত্ৰ ছাত্ৰী সকলৰ এক সুন্দৰ সাৰ্থক প্ৰতিচ্ছবি উপন্যাসখনত প্ৰতিফলিত [illegible]। উপন্যাসখন পঢ়ি ইমানেই ভাল লাগিছিল যে সেইখন কলেজত পঢ়াৰ দুৰ্ব্বাৰ হেঁপাহ জন্মিছিল। [illegible]সখনত আছিল এফাঁকি কথা, কথাফাঁকি হ'ল —

কটন কলেজ এইয়া কটন কলেজ
ডিগ্ৰী লাগেনে তোমাক লাগেনে নলেজ
এই যে কলেজৰ ইমান যে দাম
ডিগ্ৰী পোৱা হে বৰ টান কাম।

এই নামী দামী কলেজখনৰ ডিগ্ৰী পোৱা কিয় টান কাম সেই সময়ত এই কথাষাৰ ভালদৰে বুজি [illegible] নাছিলো। এদিন আমিয়ো ˚ ভগৱতী প্ৰসাদ সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা দ্বিতীয় [illegible]গত উত্তীৰ্ণ হৈ কলেজীয়া জীৱনত ভৰি দিয়াৰ উপক্ৰম হ'ল। সোণাৰি কলেজত নামভৰ্তি কৰিলো, [illegible] পঢ়াৰ সপোন - সপোন হৈয়ে ৰৈ গ'ল। কাৰণ আমাৰ দৰে নিম্ন মধ্যবিত্ত মানুহৰ এখন ঘৰ, যিখন ঘৰে [illegible]ৰি কলেজতে পঢ়াবলৈ অক্ষম তেনে ঘৰৰ ল'ৰা বা ছোৱালীয়ে কটনত পঢ়িবলৈ ইচ্ছা কৰা মানে

বাওনা হৈ চন্দ্ৰলৈ হাত মেলাৰ দৰে কথা। বাস্তৱ জীৱনত এই কথা ভালদৰেই হৃদয়ঙ্গম কৰিলো। সপোন দেখা সহজ তাক বাস্তৱত ৰূপায়িত কৰা বৰ কঠিন। কলেজত নামভৰ্ত্তি কৰি মনটো ভাল লাগিছিল কাৰণ কলেজীয়া ছাত্ৰী হ'ম। কাৰণ সেই সময়ত আমি কলেজত পঢ়া ছাত্ৰ-ছাত্ৰী সকলক বিদ্যাৰ জাহাজ বুলি ভাবিছিলো, আৰু ভাবিছিলো কিমান সুখী তেওঁলোক, ঘৰৰ পৰা কাপোৰ কানি লৈ হোষ্টেলত থাকিবলৈ যায়, ঘৰলৈ আহিলে সকলোৱে আদৰ-সাদৰ কৰে। কিন্তু মনটো বেয়াও লাগিছিল কাৰণ মোৰ সেইটো জীৱন নহ'ব কাৰণ মই খোজ কাঢ়ি কলেজলৈ যাব লাগিব। ইতিমধ্যে সোণাৰি হায়াৰ ছেকেণ্ডাৰী লৈ খোজ কাঢ়ি আহি আমনি লাগিছিল, কিন্তু যাবই যে লাগিব 'চৰৈৱতী চৰৈৱতী'। লগৰ - শিৱানী ভট্টাচাৰ্য্য আৰু কল্পনা দাসগুপ্তই হাত দাঙিলে। সিহঁতে কলেজত খোজ কাঢ়ি পঢ়িব নোৱাৰে, ডিগ্ৰী নলয়, মই কিন্তু নাচোৰবান্দা। কলেজত পঢ়িম মই যিমানেই কষ্ট নহওক লাগিলে। অৱশেষত সোণাৰি কলেজত নাম লগালো। সোণাৰি কলেজ সোণাৰিৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান। এইখন কলেজ ১৯৭০ চনত সোণাৰিৰ শুভাকাংক্ষী ৰাইজ আৰু কেইজন মান নিস্বাৰ্থ উদ্যোগী যুৱকৰ প্ৰচেষ্টাত চাহাবে এৰি থৈ যোৱা ক্লাব এটাতে শুভাৰম্ভ হয়। প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁই আৰু প্ৰতিষ্ঠাপক উপাধ্যক্ষ আছিল ঁ সুৰেশ দাস চাৰ। শ্ৰীযুক্ত গোলাপ বৰগোহাঁই চাৰে তিতাবৰৰ চৰকাৰী কলেজৰ অধ্যাপকৰ পদ এৰি এই কলেজত অবৈতনিক ভাৱে অধ্যক্ষ পদ গ্ৰহণ কৰিছিল। ঁ সুৰেশ দাস চাৰে বি.পি.বি হায়াৰ ছেকেণ্ডাৰী স্কুলৰ চৰকাৰী চাকৰি এৰি নতুনকৈ প্ৰতিষ্ঠা হোৱা সোণাৰি কলেজত অবৈতনিক ভাবে উপাধ্যক্ষ পদ গ্ৰহণ কৰিছিল। এওঁলোকৰ ত্যাগ, নিস্বাৰ্থ আন্তৰিকতা আৰু সকলোৱে সহায় সহযোগ আৰু চেষ্টাৰ ফল স্বৰূপে অৱশেষত গঢ় লৈ উঠিছিল বৰ্ত্তমানৰ চৰাইদেউৰ সদৰ সোণাৰিত একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান সোণাৰি কলেজ।

এইখন কলেজত এই প্ৰবন্ধৰ লেখিকা যেতিয়া নামভৰ্ত্তি কৰিছিল সেই সময়ত কলেজখনৰ একেবাৰে চালুকীয়া অৱস্থা। ৰাইজৰ দান বৰঙণিৰে একলা দুকলাকৈ কলেজখন সেই সময়ত গঢ় লৈ উঠিছিল।

প্ৰথম দিনাখন দুৰু দুৰু বক্ষৰে কলেজত ক্লাচ কৰোতে শিক্ষক হিচাবে প্ৰথম শিক্ষাদান কৰা শিক্ষক কেইজন হ'ল ঁ সুৰেশ দাস চাৰ, শ্ৰীযুক্ত প্ৰণৱ খাউণ্ড ছাৰ, সোণমাই বৰা বাইদেউ আৰু কীৰ্ত্তি বৰুৱা চাৰ। ঁ সুৰেশ দাস ছাৰ, আৰু শ্ৰী প্ৰণৱ খাউণ্ড ছাৰক সোণাৰি হায়াৰ ছেকেণ্ডাৰীত শিক্ষক হিচাবে লগ পাইছিলো। গতিকে তেওঁলোক দুয়ো আমাৰ চিনাকি আছিল। কলেজখন প্ৰতিষ্ঠা কৰা ক্ষেত্ৰত ঁ সুৰেশ দাস ছাৰৰ অৱদান আছিল অতুলনীয়। কাৰণ তেওঁ সেই দলটোৰ অন্তৰ্ভুক্ত আছিল। যিটো দলে চান্দা তোলাৰ পৰা আৰম্ভ কৰি ধানৰ ডাঙৰী সংগ্ৰহ কৰালৈকে সকলোবোৰ কাম কৰিছিল। শ্ৰীযুক্ত প্ৰণৱ খাউণ্ড ছাৰে ছাৰৰ স্মৃতি ৰোমন্থন কৰি লিখিছে যে তেওঁলোকে এদিন এইদৰে চান্দা তুলি থাকোতে ৰাতি হ'ল। ঁ সুৰেশ দাস চাৰ ঘৰলৈ যাবই লাগে, সোণাৰিত থাকিব নোৱাৰে মাকে চিন্তা কৰি থাকিব। সেই সময়ত আকৌ চাৰ যোৱা পথ ছোৱাত বাঘ উলাইছিল, চাৰে তেওঁৰ বাই চাইকেলখন লৈ (স্কুটাৰ নহয়) ঘৰলৈ উভতিছিল, বাঘ ওলোৱা ঠাইডোখৰত তেওঁ যিমান হিন্দী চিনেমাৰ গান জানে এই সকলোবোৰ চিঞৰি চিঞৰি গাই তেওঁৰ হিন্দী গীতৰ ভাণ্ডাৰ উজাৰ কৰি দিছিল। অৱশেষত ঘৰ পাইহে তেওঁ শান্তিৰে উশাহ লৈছিল।

প্ৰয়াত সুৰেশ দাস চাৰৰ পৰিয়ালৰটোৰ প্ৰতি দায়িত্ব আছিল, লগতে ভাই-ভনীৰ প্ৰতি আছিল অফুৰন্ত মৰম চেনেহ। শ্ৰীযুক্ত প্ৰণৱ খাউণ্ড চাৰে তেওঁৰ চাৰৰ স্মৃতি চাৰণ কৰি লিখিছে এদিন তেওঁ কমন ৰূপত প্ৰয়াত চাৰক সুধিছিল তুমি যদি এতিয়া আন ঠাইত চাকৰি পোৱা যাবানে? চাৰে একে উশাহে উত্তৰ



[illegible] নাই নাযাওঁ, কাৰণ দেউতা ঢুকাল ভাইটো সৰু হৈ আছে গোটেই ঘৰখনৰ দায়িত্ব মোৰ ওপৰতে। [illegible] থাকে তেওঁ সকলোৰে প্ৰতি দায়িত্ব অনুভৱ কৰে কেনেকৈ? সেই কথা অলপ পিছলৈ থৈছো।

এইদৰে ক্লাচ কৰি থাকোতে নবাগত আদৰণি সভা এদিন অনুষ্ঠিত হ'ল। আমি জীৱনৰ এক নতুন [illegible] অৰ্জন কৰিলো। এই সভাৰ পিছত ন পুৰণি সকলো এক হৈ পৰিল। ইতিমধ্যে কলেজ সপ্তাহ [illegible] হ'ল, আমি প্ৰাক স্নাতক কলা শাখাৰ ছাত্ৰ-ছাত্ৰীসকলে ঠিৰাং কৰিলো কলেজ সপ্তাহত আমি এখন [illegible] কৰিম, নাটকখন লিখাৰ দায়িত্ব মোৰ ওপৰতেই পৰিল। কথা মতেই কাম মই মোৰ জীৱনৰ প্ৰথম [illegible] লিখিলো, নাটকখনৰ নামাকৰণ কৰিলো 'উপলব্ধি'। সেই নাটকখন আমি মঞ্চায়িত কৰিলো, দৰ্শক, [illegible] সকলোৱে ভূয়সী প্ৰশংসা কৰিলে। মই ভবাই নাছিলো নাটকখনে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিব। [illegible] ফুকন চাৰে আমাক পুৰস্কাৰ এটা দিয়াৰ কথা ঘোষণা কৰিলে। অৱশ্যে বিচাৰক সকলে ক'লে মই [illegible] একেবাৰেই অভিনয় কৰিব নাজানিলো।

কলেজ সপ্তাহৰ অন্ত পৰিল, পুনৰ ক্লাচ আৰম্ভ হ'ল। এইখিনিতে মোৰ আমাক প্ৰাক স্নাতক শ্ৰেণীত [illegible] দ্ৰুত পাঠ পঢ়োৱা কীৰ্ত্তি বৰুৱা চাৰলৈ মনত পৰিছে। এইখিনিতে ঁ লক্ষ্মীনাথ ফুকনৰ 'মহাত্মাৰ পৰা [illegible] কৌঁৰলৈ" নামৰ সাহিত্য একাডেমী পুৰস্কাৰ প্ৰাপ্ত জীৱনীখনৰ কথালৈ মনত পৰিছে, ঁ লক্ষ্মীনাথ [illegible] শিলংলৈ গ'লে শ্বিলংৰ সুন্দৰী খাছিয়া যুৱতী সকলৰ ৰূপত মুগ্ধ হয় ঠিক এনেধৰণৰ কথা এযাৰ [illegible] পৰা লিখিছো হীন ডেৰি হ'ব পাৰে) লিখি জৱহৰলাল নেহৰু, মহাত্মা গান্ধী, আৰু এজনলৈ (নামটো [illegible]) পঠালে, দুয়োজনে তেওঁৰ কথা সমৰ্থন কৰিলে, কিন্তু মহাত্মা গান্ধীয়ে কিন্তু সাংঘাটিক কথা [illegible] লিখি লিখকক একেবাৰে ঘাইল কৰি পেলালে, তেওঁ লিখিলে যে "এনেধৰণৰ কথা বেমাৰী মানুহৰ [illegible] পৰা হে ওলাব পাৰে।" ঠিক সেইদৰে ভাল নাটক এখন লিখিলো বুলি মইয়ো ভাবিছিলো, কীৰ্ত্তি [illegible] চাৰে কিন্তু সাংঘাটিক কথা এযাৰ কলে, কাৰণ মই লিখা নাটকখনত নায়িকাৰ ককাইয়েক ক'লে [illegible]বাদী যুৱক এজনৰ সংলাপ এটা আছিল "এই ছোৱালীবোৰৰ নামত যে ইমান ৰোমাঞ্চ" চাৰে এই [illegible]লাপটোৰ বিষয়ে এইদৰে কলে 'তুমি নাটকখনত মাক্সবাদী যুৱকে ছোৱালীৰ নামত ৰোমাঞ্চ বিচাৰি [illegible] কথা কৈছা, প্ৰকৃত মাক্সবাদীয়ে ছোৱালীৰ নামত ৰোমাঞ্চ বিচাৰি নাযায়। হয় চাৰে এজন প্ৰকৃত [illegible]লোচকৰ দৰে সঁচা কথাই কৈছিল, কাৰণ প্ৰকৃত মাক্সবাদীয়ে ছোৱালীৰ নামত কেতিয়াও ৰোমাঞ্চ নিবিচাৰে, [illegible] তেওঁলোকৰ জীৱনৰ আদৰ্শ থাকে, লক্ষ্য থাকে, আৰু থাকে লক্ষ্যত উপনীত হ'বৰ বাবে অৰ্জ্জুনৰ [illegible] কৰ্মত একাগ্ৰতা, সেই সকলে ছোৱালীৰ নামত ৰোমাঞ্চ বিচাৰি কিয় যাব? তদুপৰি এদিন পাঠ্যপুথিৰ [illegible] এটা চাই ছাৰে মোক কৈছিল ৰঙ ব্যৱহাৰ কৰিলেই নহব ৰঙৰ ব্যৱহাৰো জানিব লাগিব। হয় ৰঙ ব্যৱহাৰ [illegible] নজনা মানুহে কেতিয়াও সুন্দৰ চিত্ৰ অংকন কৰিব নোৱাৰে। চাৰ বাহিৰত হে অলপ কঠুৱা বিধৰ [illegible] ভিতৰখন কিন্তু ৰসেৰে পৰিপূৰ্ণ আছিল ঠিক নাৰিকলৰ দৰে। এই লিখনিটো পঢ়িবলৈ ছাৰ আজি এই [illegible] ধৰণীত নাই, তেওঁ এই পৃথিৱীৰ পৰা বিদায় ল'লে। দ্বিতীয় বাৰ আৰু লগ নাপালো। বাতৰি কাকতত [illegible] মৃত্যুৰ খবৰটো পালো। মোৰ পাতি লোৱা ভাইটি এজনে কৈছিল তাক লগ পালেই ছাৰে মোৰ কথা [illegible]। ছাৰৰ আত্মাই চিৰ শান্তি পাওক ভগৱানৰ ওচৰত তাৰ বাবে প্ৰাৰ্থনা জনালো। এইখন কলেজতে [illegible] পাইছিলো বৰ্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা ৰাজনীতি বিজ্ঞান বিষয়ত অৱসৰ গ্ৰহণ কৰা মুৰব্বী [illegible]পক ড° গিৰিণ ফুকন চাৰক। ছাৰে বৰ সুন্দৰ কৈ ৰাজনীতি বিজ্ঞান বিষয়টো পঢ়াইছিল, ছাৰৰ ক্লাচ কৰি

ভাল লাগিছিল। ছাৰৰ লগত ঈশ্বৰৰ অস্তিত্ব লৈ তৰ্ক হৈছিল, মোৰ সেই সময়ত বয়স একেবাৰে কম, আৰু সঁচা কথা কʼবলৈ গʼলে অল্প বিদ্যা ভয়ঙ্কৰী বিধৰ, empty vessel sounds much ৰ দৰে, কিবা বোলেনে পানী নথকা পাত্ৰৰ টিং টিঙনিয়েই সাৰ। ছাৰে মোৰ নাম দিছিল ঈশ্বৰ। ছাৰে মোক ৰঙা ৰঙা ৰং আৰু মেস্কীম গৰ্কীৰ 'মা' কিতাপখন পঢ়িবলৈ দিছিল। ছাৰ পিছে সোণাৰি কলেজত জিৰণীয়া মৌ হে আছিল, নিজৰ উজ্জ্বল ভৱিষ্যতৰ বাবে সোণালী জাহাজত উঠি জীৱন নামৰ সাগৰখনত গুচি গʼল তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ।

এইখিনিতে অসমীয়া ক্লাচৰ ছাৰ কেইজনৰ বিষয়ে অলপ কʼবলৈ লৈছো। কাৰণ কলেজখনত Assamese 2nd languageৰ ছাত্ৰী কেৱল মইহে আছিলো। গতিকেই ক্লাচবোৰ একেবাৰে ঘৰুৱা আছিল। তদুপৰি তেওঁলোকে আমাৰ Compulsory অসমীয়া ক্লাচৰো শিক্ষক আছিল। সোণমাই বাইদেউয়ে প্ৰাচীন অসমীয়া, সাতসৰী অসম বুৰঞ্জী পঢ়াইছিল। বাইদেউ মৰমীয়াল বিধৰ আছিল। তেওঁক বৰ ভয়ো কৰা নাছিলো। কেতিয়াবা ক্লাচত টোপনিয়াইছিলো। বিনন্দ মহন ছাৰে কবিতাৰ ক্লাচসমূহ কৰিছিল। তেওঁ বৰ সুন্দৰ তৰ্ক কবিতাৰ ক্লাচবোৰ কৰিছিল। এইখিনিতে ৰতিপ্ৰভা গগৈ বাইদেউৰ ক্লাচলৈ মনত পৰিছে। বাইদেউৰে পঢ়োৱা 'কাঠনিবাৰী ঘাট' নামৰ মহিম বৰাই লিখা গল্পটোলৈ মনত পৰে। এই গল্পটো পঢ়োৱাৰ দৃশ্যটো চিনেমাৰ স্ক্ৰেচবেকত ভাঁহি উঠাৰ দৰে বাহি উঠে। মনত পৰাৰ লগে লগে মই যেন ২০২২ চনত নাই, মই সেই ১৯৭৭ চনতেই অসমীয়া ক্লাচত বহি আছো। এইয়া বাইদেউডে কাঠনিবাৰী ঘাট পঢ়াইছে, কৰবাত লুইতৰ বুকুত মাছ এটাই বুৰ মাৰিলে টুপুং, সৰু চেলকনা মাছবোৰ বেলিটোৰ ৰঙা ৰং বোৰ ভাগ কৰি লৈ টপা টপ গুচি গʼল। বাইদেউৰ পঢ়োৱাৰ ধৰণ, অনুপম। সেই গল্পটোৰ আকৰ্ষণীয়তা, গল্পটোৰ বৈচিত্ৰ্যপূৰ্ণ কথনভঙ্গীয়ে ক্লাচটোলৈকে নতুনত্ব কঢ়িয়াই লৈ আহিছিল। কোনোবা মুহূৰ্তত বাইদেউকে গল্পটোৰ নায়িকা যেন লাগি গৈছিল। কাৰণ বাইদেউৰ কপালৰ ৰঙা ফোটটো উজ্জ্বল হৈ জিলিকি উঠিছিল। অসমীয়া সৰ্ব্বশ্ৰেষ্ঠ দহটা চুটি গল্পৰ ভিতৰত অন্যতম কাঠনিবাৰী ঘাট, যিটো গল্প পঢ়ি বিচাৰক সকলে চেকভৰ নকল বুলি ভাবিছিল আৰু আচৰিত ভাৱে সেই প্ৰতিযোগিতাটোত প্ৰথম দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ নাছিল। এটাই পুৰস্কাৰ দিছিল সেইয়া আছিল নিচুকনি বঁটা। এই গল্পটোৰ কথা এতিয়া মনত পৰিলেই মই সেই সময়ৰ সেই পৰিৱেশলৈ সেই দৃশ্যলৈ মুহূৰ্ততে গুচি যাওঁ।

এইদৰে অসমীয়া ক্লাচৰ ছাৰ সকলৰ কথা লিখিবলৈ লৈ ˚বিনন্দ মহন ছাৰলৈ বৰকৈ মনত পৰিছে। মোৰ শুভাকাংক্ষী ছাৰৰ ভিতৰত তেওঁ আছিল অন্যতম। ছাৰে প্ৰায়ে Assamese 2nd language ৰ ক্লাচ লৈছিল বাবে ঘনিষ্ঠতা অলপ বেছি হৈছিল। প্ৰায়ে তেওঁ ওপৰঞ্চি পাঠ্যপুথিৰ সহযোগী কিতাপ কলেজৰ পুথিভঁৰালতেই হওঁক নতুবা ছাৰৰ ঘৰৰ পৰাই মোক পঢ়িবলৈ বুলি আনি দিছিল। ছাৰৰ এই সক্ৰিয় সহায়-সহযোগৰ বাবেই মই Assamese 2nd languageত বৰ ভাল নম্বৰ লৈ বি. এ পাছ কৰিছিলো। ছাৰ আমাৰ ঘৰলৈকো গৈছিল। লৈ গৈছিল এটা কিতাপৰ টোপোলা, মোৰ হাতত দি কৈছিল ঘূৰাই দিবা দেই। ছাৰ যেতিয়া অসুস্থ হৈ শৰ্য্যাশায়ী হৈ আছিল সেই সময়তো মই তেওঁৰ খবৰ কৰিবলৈ গৈছিলো। ছাৰে অসুস্থ দেহাৰেই মোক তেওঁ লিখা "লতি অত্ৰ" নামৰ কিতাপখন চাবলৈ দিছিল। মই তেওঁক ফুলেশ্বৰী কুঁৱৰীৰ বিষয়ে প্ৰশ্ন কৰোতে তেওঁ মোক আন এখন কিতাপৰ নাম কʼলে— কিতাপখনৰ নাম "স্বৰ্গদেউ ৰুদ্ৰসিংহৰ নাতি পুতি সকল", তেওঁ কৈছিল মই আমাৰ মহন দেওধাই সকলে লিখা সকলোবোৰ কিতাপ পঢ়ালো।



ফুলেশ্বৰী কুঁৱৰীৰ বিষয়ে কʼতো নাপালো। আচলতে এই পণ্ডিত সকল এই কুঁৱৰী গৰাকীৰ কাৰ্যকলাপত ...নেই ৰুষ্ট হৈছিল যে তেওঁলোকে এই গৰাকী কুঁৱৰীক স্বৰ্গদেউ ৰুদ্ৰসিংহৰ বোৱাৰী বুলি স্বীকৃতিয়েই ...দিলে। কবিতা প্ৰিয়, প্ৰচুৰ অধ্যয়নশীল চাৰে জীৱনৰ প্ৰথম ভাগত ত্যাগ স্বীকাৰ কৰি গঢ়ি থৈ যোৱা কলেজখনৰ সোণালী জয়ন্তী উদ্‌যাপন কৰিবলৈ নাপালে, এই কথাষাৰেহে মনত কষ্ট দিছে।

শ্ৰীযুত মানিক বৰুৱা ছাৰ আৰু ˚কমলাৱতী বাইদেউৰে আমাক education পঢ়াইছিল। বাইদেউ অলপ খঙাল বিধৰ আছিল। অৰ্থনীতি বিষয়টো যদিও মোৰ নাছিল, এই বিষয়ত শ্ৰীযুত বিমলা ফুকন ছাৰৰ লগতো সু সম্পৰ্ক আছিল।

বুৰঞ্জী বিষয়টো প্ৰাক স্নাতক শ্ৰেণীত পঢ়াইছিল শ্ৰীযুত প্ৰণৱ খাউণ্ড ছাৰে আৰু পিছলৈ এই বিষয়টো ...কৈ অহা দুজন ছাৰে পঢ়াইছিল। তেওঁলোক হʼল শ্ৰীযুত গিৰিন গগৈ ছাৰে, আৰু শ্ৰীযুত মানিক গগৈ ছাৰে। এই দুয়োজন ছাৰ মোৰ প্ৰতি বৰ আন্তৰিকতা পূৰ্ণ আছিল। মানিক গগৈ ছাৰে মোক ˚বিনন্দ মোহন ছাৰৰ দৰে প্ৰায়ে কিতাপ পত্ৰ দি সহায় কৰিছিল। এতিয়া ভাবো নিজৰ ভনীয়েকৰ দৰে ছাৰে মোৰ উজ্জ্বল ভৱিষ্যতৰ কামনা কৰিছিল।

প্ৰয়াত সুৰেশ দাস চাৰৰ বিষয়ে কিছু কথা পিছলৈ থৈছিলো, এতিয়া তাকেই লিখিবলৈ লৈছো। ...সময়ত এই প্ৰবন্ধৰ লেখিকা প্ৰাক স্নাতক শ্ৰেণীৰ ছাত্ৰী, সেই সময়ত আমাৰ কলেজখনৰ ওচৰতে এটা চিনেমা হʼল আছিল, কেতিয়াবা কেতিয়াবা অসমীয়া চিনেমা আহিছিল। এবাৰ এখন অসমীয়া চিনেমা আহিছিল নামটো আছিল 'পুতলা ঘৰ'। নায়িকা আছিল কাশ্মীৰি শইকীয়া। মইয়েই প্ৰথমে প্ৰস্তাৱটো বান্ধৱী ...ৰাকীমানক দিছিলো। আমি কেইজনীমান লগ লাগি ক্লাচ কৰিবলৈ বাদ দি চিনেমা ঘৰত সোমালো। আমি চিনেমা হলত সোমাই চিনেমা চাবলৈ ধৰিলো কলেজীয়া জীৱনৰ আজাদী লৈ।

আমি চিনেমা হলত সোমাই চিনেমা চাই থাকোতেই প্ৰয়াত সুৰেশ দাস চাৰ আহিল, ছাৰে আমাক ...দেখি আমি নো কʼলৈ গʼলো ক্লাচত কিয় অনুপস্থিত, উপস্থিত থকা ছাত্ৰসকলক প্ৰয়াত সুৰেশ দাস ছাৰে ...কৰিলে, তেওঁলোকে আমি চিনেমা হলত চিনেমা চাবলৈ যোৱাৰ কথা কʼলে।

পিছদিনাখন কলেজলৈ আহিলো আগদিনাখনৰ চিনেমা চোৱাৰ মধুৰ সোঁৱৰণী লৈ। ঠিক দ্বিতীয় ...পিৰিয়ডৰ সময়ত আমাৰ ডাক পৰিল দাস ছাৰৰ অৰ্থাৎ উপাধ্যক্ষৰ ৰুমলৈ। আগদিনা খনৰ কথা মনত পৰি ...ধাতু উৰি গʼল, কঁপি কঁপি ছাৰৰ ৰুমত প্ৰৱেশ কৰিলো। ছাৰে আটাইকেইজনীক ভালকৈ এজাউৰি ...লে, শেষত কʼলে-চা কলেজত শিক্ষকে ছাত্ৰ-ছাত্ৰীক বেত দিয়াৰ নিয়ম নাই, নহʼলে মই তহঁতক আজি ...বাই দিলোহেঁতেন পিটন কি বস্তু, কলেজত আজাদী পাইছ নহয় ক্লাচ ক্ষতি কৰি চিনেমা চাইছ, যা ক্লাচ ...গৈ, আজিৰ পৰা এনে নকৰিবি। আটাই কেইজনীয়ে বেঙে মুতা গৰুৰ দৰে কঁপি কঁপি ক্লাচলৈ সোমাই ...গʼলো। আমাৰ চিনেমা চোৱাৰ পৰ্ব্ব সিমানতে সামৰণি পৰিল। সেই বাবেই কৈছো দায়িত্ব যাৰ থাকে তাৰ সকলোৰে প্ৰতি থাকে।

এইজন ছাৰ চৌখিন আছিল। ছাৰ ক্লাচলৈ সোমাই আহিলে প্ৰথমেই আমি গোন্ধ পাওঁ দামী চেণ্টৰ ...চেণ্টৰ গোন্ধ পালেই গম পাই যাওঁ কোনজন ছাৰ আমাৰ ক্লাচলৈ আহিছে। শ্ৰীযুক্ত ৰবীন কোঁৱৰ ছাৰ ...যাদৱ দত্ত ছাৰে আমাক ইংৰাজী পঢ়াইছিল, পিছলৈ দত্ত ছাৰে তেওঁ কলেজ এৰি গুচি গʼল।

আজি প্ৰয়াত দাস ছাৰৰ কথা ভাবি এইবাবেই বেয়া লাগিছে যে কলেজখনৰ বাবে দেহে কেহে

খটা, নিস্বাৰ্থ ভাৱে সেৱা আগবঢ়োৱা ˚ সুৰেশ দাস চাৰে সোণালী জয়ন্তী উদ্‌যাপন কৰিবলৈ নাপালে।

এইবাৰ আহিছো কলেজ আৰু স্কুলৰ মোৰ প্ৰিয় এজন শিক্ষকৰ বিষয়ে। তেওঁ হৈছে প্ৰাক্তন আই এ এছ বিষয়া শ্ৰীযুক্ত প্ৰণৱ খাউণ্ড ছাৰ। ছাৰৰ বিষয়ে লিখিবলগীয়া আছে বহুত গতিকেই তেওঁৰ কথা পিছলৈ থৈছিলো। এইজন শিক্ষক আছিল মোৰ কলেজ আৰু স্কুলৰ শিক্ষক। দীৰ্ঘ সময়ৰ বাবে তেওঁক লগ পাইছিলো।

খাউণ্ড ছাৰৰ কথা ভাবিলে ভালো লাগে খংয়ো উঠে কাৰণ ইমান মেধাবী ব্যক্তি জন মোৰ ছাৰ আছিল, খং উঠে এইবাবেই যে নিজৰ মেধা, জ্ঞান বিলাবলৈ তেওঁ বাৰু কোনোবা চৰকাৰী কলেজলৈ নগৈ প্ৰশাসনিক বিষয়া হ'ল কিয়? ছাৰৰ কথা মনত পৰিলেই মই বৰ্তমানত নাথাকো, উভতি যাওঁ মোৰ সেই কিশোৰী কালৰ দিনবোৰলৈ। সেই যে শিঙৰাজান চাহ বাগিচাৰ পৰা মই আৰু বান্ধৱী শিৱানী ভট্টাচাৰ্য্যই খৰালি কালত 'পকা ধানৰ মাজে মাজে সৰু সৰু আলি ঐ' সেই সৰু সৰু আলিয়েদি হালি-জালি থকা পকা ধানবোৰৰ লগত কথা পাতি পাতি স্কুললৈ আহিছিলো। খৰালি কালত আকৌ 'ধন বাৰিষা পিছল বাট খোজ লাহেকৈ দিবা তাত' এই আখৰা কৰি আহি থাকোতে প্ৰায়ে স্কুললৈ পলম হয়। গতিকে খৰ ধৰকৈ আহি স্কুল পাওঁ মানে শ্ৰেণীৰ পাঠদান আৰম্ভ হৈ যায়। ছাৰে ৰোল কল কৰিবলৈ লৈ বাটলৈ চাই, সেই সময়ত আমাৰ ক্লাচৰ পৰা বাটলৈ চাই দিলে সম্পূৰ্ণ দেখা পাই আৰু মোক ৰাস্তাত দেখা পালে উপস্থিতি টো লাহেকৈ দিয়ে। এদিন চাৰৰ খং উঠিল তদুপৰি তেওঁৰো ওপৰৱালা আছিল। গতিকে সেই সময়ৰ অধ্যক্ষ ˚ পৱনাথ চাৰৰ ওচৰলৈ পঠাই দিলে। ছাৰ নিজেও দৰিদ্ৰ পৰিয়ালৰ সন্তান আছিল। মেধাবী আদৰ্শবাদী ছাৰে জীৱনৰ নানান ঘাট প্ৰতিঘাট অতিক্ৰম কৰিব লগা হৈছিল গতিকে আমাক ক'লৈ যা ক্লাচ কৰগৈ আজিৰ পৰা আৰু পলম নকৰিবি, আমিয়ো বিজয়ীৰ বেশে ক্লাচত প্ৰৱেশ কৰিলো। সেই সময়ত মই সপ্তম শ্ৰেণীত পঢ়িছিলো আৰু সেই বছৰটিত আমাৰ পিতৃ পুষ্পৰাম গগৈৰ মৃত্যু হৈছিল।

দেউতাৰ মৃত্যুৱে আমাক দিছিল এক দৰিদ্ৰ জীৱন। কাৰণ এখন চাহ বাগিচাৰ বৰ কেৰাণী হ'লেও দেউতাই সঞ্চয় কৰিব নাজানিছিল, নিজৰ বংশ পৰিয়াল সকলোকে সহায় কৰিছিল। দুখন হাতেৰে উপাৰ্জ্জন কৰি চাৰিখন হাতেৰে খৰছ কৰিছিল। গতিকে আমাক শৰীৰ টোৰ বাহিৰে একোৱেই দি থৈ যাব নোৱাৰিলে। অ লিখিছিলো খাউণ্ড ছাৰৰ কথা, প্ৰসঙ্গ ক্ৰমে ওলাল গৈ ঘৰৰ কথা। পাঠক সকল ক্ষমা কৰিব। খাউণ্ড ছাৰৰ পাঠদান আছিল অপূৰ্ব্ব, একেবাৰে মালা গঁঠাৰ দৰে মনৰ মাজত গাঠি দিয়ে, কি ইংৰাজী, অসমীয়া, সংস্কৃত বুৰঞ্জী এনে বিষয় নাছিল যিটো বিষয়ত চাৰে সাৱলীল ভাৱে পাঠদান কৰিব পৰা নাছিল। প্ৰতিটো ক্লাচ নিষ্ঠা তথা আন্তৰিকতাৰে কৰিছিল। মই নিজে সমগ্ৰ জীৱন শিক্ষকেই কৰিলো কেতিয়াবা পঢ়োৱাৰ মুড নাথাকিলে ফাঁকি যে মৰা নাছিলো তাক ন দি ক'ব নোৱাৰো, কেতিয়াবা ফাঁকি মাৰিছিলো অপ্ৰিয় হ'লেও এই কথা সত্য। ছাৰক কিন্তু সদায়েই দেখিলো প্ৰতিটো ক্লাচ কি নিষ্ঠা তথা আন্তৰিকতাৰে তেওঁ কৰিছিল, কামত কোনো ফাঁকি নাছিল। পঢ়াইছিল যেনেকৈ সকলোবোৰ খুতি নাতি মাৰি ঠিক তেনেকৈ ছাত্ৰ-ছাত্ৰী সকলৰ বহীবোৰো বৰ খুতি নাটি মাৰি নিয়াৰিকৈ চাইছিল। এইজন মেধাবী বিদ্যানুৰাগী ছাৰক বৰ বেছি দিন কলেজত লগ নাপালো, নিজৰ উজ্জ্বল ভৱিষ্যতৰ বাবে প্ৰশাসনিক বিষয়া হ'বলৈ গুচি গ'ল। ছাৰে অনিশ্চিত অন্ধকাৰ পথেদি খোজ কাঢ়িবলৈ মন নকৰিলে, খোজ দিলে 'আলো ঝলমল' পথত।

এতিয়াও ˚ ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আগেদি গ'লে মই স্কুলখনলৈ



চাওঁ। শ্ৰদ্ধাৰ প্ৰণৱ খাউণ্ড চাৰে ক্লাচ লোৱা ক্লাচটোলৈ চাওঁ। যত সঞ্চিত হৈ অজস্ৰ মধুৰ স্মৃতি। এই ক্ষেত্ৰত মনত পৰে ˚ হেম বৰুৱা দেৱৰ এটি কবিতালৈ। কবিয়ে এদিন দেখিছিল এগৰাকী আলৰ বৃদ্ধাই খুপি খুপি খোজ কাঢ়ি গৈ থকা, কবিয়ে এই দৃশ্য দেখি বৃদ্ধাক প্ৰশ্ন কৰিছে এইদৰে —

আইতা তুমি কি বিচাৰিছা
মই কি বিছাৰিছো তুমি নুবুজিবা সোণ
মই বিচাৰিছো জীৱনৰ সেই
কুৰিটা বসন্ত
বাটৰ কাষত কিজানিবা আছে পৰি।

মইয়ো এতিয়া বি.পি.বি লৈ বা দূৰৰ পৰাই স্কুলখন দেখিলে মোৰ জীৱনৰ প্ৰথম বসন্তৰ সেই যোল্লটা বছৰ বিচাৰিবলৈ যত্ন কৰো। সেইখন স্কুলত পঢ়া কিমান বছৰ হৈ গ'ল কিন্তু সেই সময়ৰ স্কুলখনৰ স্মৃতি এতিয়াও মনত সজীৱ হৈ আছে।

এইখিনিতে এষাৰ কথা কওঁ, কলেজত পঢ়া বান্ধৱী সকলৰ বিষয়ে নিলিখিলে লিখনি অসমাপ্ত হৈ ৰ'ব। সেই সময়ৰ স্মৃতি ৰোমন্থন কৰিবলৈ গৈ মনত পৰিছে বান্ধৱী অৰূপা বৰুৱা, কামনা ডেকা, ৰেণু দৈমাৰী, হিৰণ্য গগৈ, ইভা শৰ্ম্মা, নিবেদিতা বৰুৱা এই সকলোৰে কথা, স্নিগ্ধ সৌন্দৰ্য্যৰ অধিকাৰী শ্ৰীমতী নিজৰা দোলাকাষৰীয়াৰ কথা।

ভজোৰ ˚ পৰীমাই বেগম আৰু মই প্ৰাক স্নাতকত একেলগে পঢ়িছিলো, যদিও তেওঁ মোতকৈ বয়সত কেইবছৰ মান ডাঙৰ আছিল, সেই সময়ত সোণাৰিত কলেজ নথকাত কলেজখন প্ৰতিষ্ঠা হোৱাৰ পিছত নাম লগাই লৈছিল। তেওঁ আছিল বৰ ওখ পাখ সু-স্বাস্থ্যৰ যুৱতী, তেওঁৰ তুলনাত মই একেবাৰে সৰু ফুটীয়া আছিলো। দুয়োজনী ঘৰলৈ খোজকাঢ়ি গৈছিলো, পিছলৈ তেওঁ অৱশ্যে চাইকেল ল'লে, কলেজলৈ খোজকাঢ়ি অহাৰ ক্ষেত্ৰত মই একেবাৰে অকলশৰীয়া হৈ পৰিলো। বৰ্তমান ঠিক ভজোলৈ যোৱা সোণাৰিৰ পি.ডব্লিউ অফিচ পোৱাৰ আগতে যিবোৰ বাঁহগছ আছে তাৰ কাষতে এঘৰ বিহাৰী মানুহৰ ঘৰ আছিল, বৰ্তমানো আছে। এদিন দুয়োজনী সেইফালে খোজকাঢ়ি গৈ থাকোতে সেই বিহাৰী মানুহ ঘৰৰ ল'ৰা এটাই আমাৰ ফালে চাই ক'বলৈ ধৰিলে "ভজোৱাকে ৰেল গাড়ী চলে যায় সোণাৰি" তাই তাৰ ফালে চাই চাই গালি পাৰিবলৈ ধৰিলে, মই সিনো কি কৈছে মন কৰা নাছিলো, সুধিলো কি হ'লনো তাক গালি পাৰিছে যে। তাই কৈছিল শুনা নাই কি কৈছে "ভজোৱাকে ৰেলগাড়ী চলে যায় সোণাৰি"। মোৰ মনে মনে হাঁহি উঠিছিল একো নামাতিলো। তাই বৰ ওখ ডাঙৰ আছিল মই খীন মিন একেবাৰে সৰু ফুটীয়া আছিলো লগৰ বন্ধুবোৰে জোকাইছিল চিনেমা গাড়ীৰ লগত যোৱা ট্ৰেইলৰ বুলি।

সেই পৰিমাই বেগম এতিয়া এই পৃথিৱীত নাই। নামৰ আগত চন্দ্ৰ বিন্দু লাগিল, বৰ্তমান তেওঁ এই দুনীয়া এৰিবেহেস্তৰ অধিবাসী হ'ল।

অৰূপা বৰুৱা আছিল ওপৰত গহীন নিজে নাহাঁহে, কিন্তু আনক হহুৱাই, হাঁহিৰ যেন থুনপাক। কেতিয়াবা ক্লাচত ছাৰে বুজাই থাকিলে পিছফালৰ পৰা কবিতা এটা লিখি মোলৈ পঠাই দিয়ে, কবিতাটো পঢ়ি মই কোনো মতেহে হাঁহি সামৰিব পাৰো। কেতিয়াবা হাঁহি সামৰিব নোৱাৰিলে ছাৰৰ গালি খাওঁ। সেই সময়ত কলেজ হোষ্টেলৰ আবাসীৰূপে আছিল আমাৰ বাইদেউৰ ননদ শ্ৰীমতী দুলেশ্বৰী ৰাজখোৱা। কেতিয়াবা

অসুবিধা হ'লে মই বাইদেউৰ লগত হোষ্টেলতে থাকো। বাইদেউ বি.এ. পাছ কৰি ওলাই অহাৰ পিছত বান্ধৱী দুই এগৰাকীৰ লগত থাকিছিলো। এটা কথা মনত পৰিলে হাঁহিয়ো উঠে বেয়াও লাগে, কাৰণ এই লিখনিৰ প্ৰথমফালে লিখা কীৰ্ত্তি বৰুৱা ছাৰৰ কথা, সেইজন ছাৰে আমাৰ ইংৰাজী ক্লাচৰ Jungle Book নামৰ দ্ৰুত পাঠ্য পুথিখন পঢ়াই আছিল। আমি গম পাইছিলো ছাৰ নাজিৰা হায়াৰ ছেকেণ্ডাৰীলৈ যাবগৈ, ছাৰে ভুলতো অসমীয়া নকৈছিল। ছাৰ ক্লাচৰ পৰা যোৱাৰ পিছত বান্ধৱী এগৰাকীয়ে কৈছিল ছাৰ যাবগৈ নহয় সেইবাবে আজি আমাৰ পৰা বিদায় লৈছে। আচলতে শ্ৰেণীত যি অখণ্ড মনোযোগ লাগে সেইয়া আমাৰ নাছিল গতিকেই ছাৰৰ কথা বুজি পোৱা নাছিলো।

প্ৰাক স্নাতকৰ পৰা স্নাতক শ্ৰেমীলৈ ভালদৰেই উত্তীৰ্ণ হ'লো। মই আগতেই লিখিছো পঢ়া-শুনাৰ ক্ষেত্ৰত ঘৰৰ পৰা মোক একেবাৰেই সহায় কৰিব পৰা নাছিল। কলেজৰ পৰা আহি টিউশ্যন কৰিছিলো, সেই সময়ত পোৱা স্কলাৰ শ্বিপৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছিল। ঘৰতো খেতি বাতিৰ পৰা আৰম্ভ কৰি সকলো কাম কৰিব লগা হৈছিল। মোৰ শৰীৰে এই অত্যধিক শাৰীৰিক আৰু মানসিক পৰিশ্ৰম সহ্য কৰিব পৰা নাছিল, গতিকেই অসুখ-বিসুখ হ'বলৈ ধৰে, স্নাতক চূড়ান্ত বৰ্ষত ভালদৰে ক্লাচেই কৰিব নোৱাৰিলো। সেই বি.এ. ফাইনেলত বৰ ভাল ফল নহ'ল ডিষ্টিংচনলৈ কেইা নম্বৰ মান কম হ'ল। এইদৰেই ইতি পৰিল কলেজীয়া দিনবোৰ। কলেজীয়া জীৱন মোৰ বাবে ৰঙীণ নাছিল, আছিল সংগ্ৰামেৰে পৰিপূৰ্ণ। কিছু পৰিমানে একেঘেয়ামিৰে পূৰ্ণ।

কবিয়ে কৈছে —

"অতীত মৰহি গ'ল তাৰ কথা অন্ত হ'ল
মনৰ পৰাই তাক দিয়া বিসৰ্জ্জন"

কিন্তু পাহৰিব পাৰি জানো অতীতক! অতীতে আমাক হাত বাউল দি মাতি থাকে। পাৰ হৈ যোৱা দিনবোৰক সুঁৱৰি আমি যে অতীততেই বিচৰণ কৰি থাকো। গতিকেই আজি সোণাৰি কলেজৰ তাহানিৰ সেই দিনবোৰ চিৰ সেউজ হৈ আছে আৰু তাকেই পাঠক সমাজলৈ আগবঢ়ালো।

ះះះះ



# "সোঁৱৰণী কুঁৱলীৰ ফাঁকেৰে এভুমুকি"

তিলোতমা গগৈ
প্ৰাক্তন ছাত্ৰী

আজিৰ পৰা প্ৰায় দুকুৰি বছৰৰ আগতে এটা শুভ দিনত "ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক" বিদ্যালয়ৰ পৰা দ্বাদশ শ্ৰেণীত উত্তীৰ্ণ হৈ "সোণাৰি মহাবিদ্যালয়"ত নামভৰ্তি কৰিছিলোঁ। এই বিদ্যালয়ত নামভৰ্ত্তি কৰিবলৈ যোৱা প্ৰথম গৰাকী ছাত্ৰী আছিলো বাবে ভয় শংকা আৰু অনভিজ্ঞতাৰ মাজেৰে মহাবিদ্যালয়ত প্ৰৱেশ কৰিছিলোঁ। একাদশ আৰু দ্বাদশ শ্ৰেণীত পঢ়ি থকা সময়ত চাইকেলেৰে ঘৰৰ পৰা ৭ কিলোমিটাৰ দূৰত্বত থকা সোণাৰিৰ "ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ প্ৰতিদিনে মুঠ ১৪ কিলোমিটাৰ চাইকেল চলাইছিলো। সেই সময়ত ৰাস্তা-ঘাটৰ অৱস্থা শোচনীয় আছিল। শিলগুটি দিয়া ৰাস্তাৰে আমাৰ অঞ্চলৰ লগতে 'টিঙালীবাম' বাগিছাৰ পৰাও ছাত্ৰ-ছাত্ৰী অধ্যয়নৰ বাবে আহিছিল 'সোণাৰি মহাবিদ্যালয়'ত নামভৰ্তি কৰি চাইকেল চলোৱাৰ ইচ্ছা সমূলি বাদ দিলো। মোৰ পিছৰ দুইগৰাকী ভণ্টি উক্ত বিদ্যালয়তে বিজ্ঞান শাখাত পঢ়ি আছিল। গতিকে সিহঁত দুইগৰাকী চাইকেলেৰে অহা যোৱা কৰে। ছোৱালী হোষ্টেলৰ চিট প্ৰথম বছৰ মই পোৱা নাছিলো। ১৯৮২ চনত এই মহাবিদ্যালয়ৰ পৰাই স্নাতক ডিগ্ৰী লাভ কৰোঁ। এইখিনিতে মই মহাবিদ্যালয়ত নামভৰ্তি কৰা দিনটোৰ আৰু পিছৰো বিশেষ কিছুমান দিন পাহৰিব নোৱাৰাকৈ মনত আছে। মহাবিদ্যালয়ত নামভৰ্তি কৰা দিনটোত মোৰ দেউতা "মিনেশ্বৰ গগৈ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ কোঠাত প্ৰৱেশ কৰাৰ লগে লগে অধ্যক্ষ মহোদয়ে ককাইদেউ বুলি সম্বোধন কৰি আসন আগবঢ়াই দি ভাল-বেয়া খবৰ সুধি ঘৰুৱা কথা পাতিলে, সেই সময়ত মই কাষতে থিয় হৈ আছিলোঁ। মোক দদাইদেউ অৰ্থাৎ মহাবিদ্যালয় অধ্যক্ষ মহোদয়ে শ্ৰদ্ধাৰ শ্ৰীযুত গোলাপ বৰগোহাঁইদেৱে সেইদিনাৰ পৰা সন্মুখত পালেই দেউতা আৰু দদাইদেউহঁতৰ ভাল-বেয়া খবৰ লয়। আজিলৈকেও দদাইদেউ অৰ্থাৎ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে আমাৰ খবৰ-বাতৰি ৰাখি আহিছে।

মহাবিদ্যালয়খনে আজি আহি আহি "সোণালী জয়ন্তী" বৰ্ষত ভৰি দি সামৰণিৰ দিশে আগবাঢ়িছে এক সুদূৰ প্ৰসাৰী চিন্তা কৰ্মেৰে অধ্যক্ষ মহোদয় শ্ৰদ্ধাৰ গোলাপ গোহাঁইদেৱে তেখেতৰ কৰ্মৰাজিৰে নিজৰ গুণ-গৰিমা, ত্যাগ, দেশপ্ৰেম, সমাজপ্ৰেম, জাতিপ্ৰেম তথা সাহিত্য, কলা, শিক্ষা, সংস্কৃতি আদিৰ জৰিয়তে এটা বৃহৎ অঞ্জল উন্নয়নৰ বাবে ব্ৰতী হৈ সমাজৰ বৰেণ্য ব্যক্তি হিচাবে পৰিগণিত হৈ পৰিল। আমাৰ দেউতাক অধ্যক্ষ মহোদয়ে বহুত শ্ৰদ্ধা আৰু সন্মান কৰিছিল। ইয়াৰ মূলকাৰণ আছিল সেই সময়ত এটা বৃহৎ অঞ্চল প্ৰাথমিক পৰ্য্যায়ত জ্ঞানৰ পোহৰ বিলোৱা এজন ব্যক্তি আছিল দেউতা। তেখেতসকলৰ আদৰ্শ আৰু প্ৰেৰণা, প্ৰেক্ষাপট, সাধনা, সান্নিধ্য, ব্যক্তিত্ব, অনুভৱ, অভিব্যক্তি আৰু অৱদানে অধ্যক্ষ মহোদয়ক হয়তো উৎসাহ আৰু অনুপ্ৰাণিত নকৰাকৈ থকা নাছিল।

এনে বহু ব্যক্তিৰ সান্নিধ্য আৰু প্ৰেৰণাই হয়তো অধ্যক্ষ মহোদয়ক এনে মহৎ কাম হাতত লোৱাৰ বাবে উদ্‌গণি যোগাইছিল আৰু এনে এটা ডাঙৰ আৰু মহৎ কাম সাধন হৈছিল।

সঁচাকৈ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ অসম ৰাজ্যৰ অন্তৰ্গত তেতিয়াৰ চৰাইদেউ মহকুমাৰ বুৰঞ্জী প্ৰসিদ্ধ

সোণাৰি অঞ্চলৰ (বৰ্তমান চৰাইদেউ জিলাৰ) প্ৰাণকেন্দ্ৰত অৱস্থিত "সোণাৰি মহাবিদ্যালয়"ৰ প্ৰতিষ্ঠাপক তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষ স্বনামধন্য শিক্ষাবিদ, সমাজকৰ্মী, সংস্কৃতিপ্ৰেমী, সুবক্তা শ্ৰী গোলাপ বৰগোহাঁইদেৱৰ অভূতপূৰ্ব ত্যাগ স্বীকাৰ কৰি গজালি মেলা অৱস্থাৰে পৰা "সোণাৰি মহাবিদ্যালয়"খনিক এজোপা বটবৃক্ষত পৰিণত কৰি সোণাৰি অঞ্চলৰ আশে-পাশে থকা ঠাই সমূহৰ ছাত্ৰ-ছাত্ৰীক লৈ সহকৰ্মীৰ আৰু ঠাই সমূহৰ ছাত্ৰ-ছাত্ৰীক লৈ সহকৰ্মীৰ আৰু সমাজ সচেতন ব্যক্তিৰ সহযোগত এক বৃহৎ অঞ্চলৰ শিক্ষা জগতৰ বাবে এক উল্লেখনীয় অৱদান আগবঢ়ালে। অধ্যক্ষ মহোদয়ে শিক্ষাৰ প্ৰতি থকা সচেতনতা আৰু উচ্চ-চিন্তাৰ বাবে অৱসৰৰ পিছতো এখন কনিষ্ঠ মহাবিদ্যালয়ৰ অবৈতনিক ভাৱে দায়িত্ব গ্ৰহণ কৰি আছে।

বিভিন্ন উৎসৰ পৰা জানিব পৰামতে ১৯৬৯ চন মানলৈকে বৰ্তমানৰ চৰাইদেউ জিলাত উচ্চ শিক্ষাৰ বাবে কোনো মহাবিদ্যালয় নাছিল। কেৱল মাত্ৰ ১৯৬৮ চনত সোণাৰি নাছিল। কেৱল মাত্ৰ ১৯৬৮ চনত সোণাৰি ˚ ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী বিদ্যালয়খন উচ্চতৰ মাধ্যমিকলৈ উন্নীত হৈছিল।

গতিকে কলেজীয়া শিক্ষা গ্ৰহণ হেতু ছাত্ৰ-ছাত্ৰীসকল নাজিৰা, শিৱসাগৰ, গড়গাওঁ, যোৰহাট, ডিব্ৰুগড় আদিলৈ যাব লগা হৈছিল। ১৯৭০ চনৰ আৰম্ভণিতে সোণাৰি মহাবিদ্যালয় স্থাপনৰ বাবে অনুমোদন লাভ কৰিলে। ১৯৭০ চনৰ ৫ আগষ্ট তাৰিখে কলেজৰ আৰম্ভণি তথা উদ্বোধন দিন ধাৰ্য্য কৰা হৈছিল। কিন্তু কলেজৰ অধ্যক্ষ পদৰ বাবে আৰু শিক্ষক (প্ৰবক্তা) পদৰ বাবে দায়িত্ব ল'বলৈ সেই সময়ত সোণাৰি এলেকাত কোনো স্নাতকোত্তৰ ডিগ্ৰীধাৰী লোক নাছিল। গতিকে যিকেইজনৰ ওপৰত আশা কৰি কলেজ পতাৰ সিদ্ধান্ত লোৱা হৈছিল বুলি জনা যায় তেওঁলোক আছিল সোণাৰি আৰু সাপেখাটীৰ মাজৰ সৰুপথাৰ গাঁৱৰ শ্ৰীযুত গোলাপ বৰগোহাঁই, তিতাবৰ কলেজৰ উপাধ্যক্ষ পদত কৰ্মৰত। মাহমৰাৰ শ্ৰী ৰবীন কোঁৱৰ, দিচাংপানী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক, ইংৰাজী বিষয়ত স্নাতকোত্তৰ। চফ্ৰাইৰ ˚ সুৰেশ দাস, ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী বিদ্যালয়ৰ শিক্ষক, সমাজ বিজ্ঞান বিগাৰ স্নাতকোত্তৰ। প্ৰথমতে তেখেতলোকে মান্তি হোৱা নাছিল যদিও বৃহত্তৰ স্বাৰ্থত আগৰ পদত্যাগ কৰি আহি ১০ বছৰৰ অভিজ্ঞতা পুষ্ট শ্ৰীযুত গোলাপ বৰগোহাঁইক অধ্যক্ষৰ পদত বহুৱাই কাম আৰম্ভ কৰা হৈছিল। অধ্যক্ষ গোহাঁইদেৱ আছিল বুৰঞ্জী বিষয়ত স্নাতকোত্তৰ। অসমীয়া বিষয়ত বিষয় শিক্ষকৰ বাবে যোৰহাট কাকজানৰ শ্ৰীযুতা সোণমাই বৰা, ৰহাৰ কমলাৱৰী (প্ৰয়াত) শইকীয়া, ডুমডুমাৰ পৰা দিলেশ্বৰ তাঁতী আদিক প্ৰবক্তা ৰূপে নিযুক্তি প্ৰদান কৰিছিল।

কলেজ উদ্বোধনৰ পিছত প্ৰফুল্ল বৰুৱাক সভাপতি আৰু অধ্যক্ষ গোলাপ বৰগোহাঁইদেৱক সম্পাদক ৰূপে লৈ নীতি অনুযায়ী "মহাবিদ্যালয় পৰিচালনাৰ "গভৰ্ণিং বডি" গঠন কৰি মহাবিদ্যালয় পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰা হয়।

অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁই (দদাইদেউ) দেৱে তিতাৱৰৰ "নন্দনাথ শইকীয়া' মহাবিদ্যালয়ত ১১ বছৰৰ অভিজ্ঞতাৰে সোণাৰিবাসীয়ে ৰোপণ কৰা "সোণাৰি মহাবিদ্যালয়" খনিক পূৰ্ণতা প্ৰদান কৰি ২৬ বছৰ কাল সুখ্যাতিৰে বিদ্যালয় পৰিচালনা তথা শিক্ষা দানত ব্ৰতী হৈ ১৯৯৬ চনত ৩১ অক্টোবৰত অৱসৰ গ্ৰহণ কৰে। এক কথাত শ্ৰদ্ধাৰ শ্ৰীযুত গোলাপ বৰগোহাঁই এজন সুপ্ৰশাসক আৰু সু-পৰিচালক তথা সময়ানুৱৰ্তী আৰু নিয়মানুৱৰ্তী ব্যক্তি। সেয়ে "সোণাৰি মহাবিদ্যালয়"ৰ দায়িত্ব গ্ৰহণ কৰাৰ দিনৰ পৰা অৱসৰ গ্ৰহণ কৰা দিনালৈকে ২৬ বছৰ সুন্দৰভাৱে মহাবিদ্যালয়খনক চৰাইদেউ জিলাৰ ভিতৰতে এখন উল্লেখযোগ্য কলেজ ৰূপে গঢ় দিবলৈ সক্ষম হ'ল। আজি সোণাৰি মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ সামৰণিৰ সময়ত অতীতলৈ ঘূৰি চাই নষ্টালজিক



হৈ পৰিছোঁ। মনত পৰিছে আমাৰ শ্ৰেণী কোঠা হিচাবে ব্যৱহাৰ হোৱা জিমখানা ক্লাব ঘৰটো, ক্লাচ কৰা (মেজৰ ক্লাচ) সৰু ৰুমটো বহল বাৰাণ্ডাখন মসৃন সেউজীয়া, আমাৰ বাঁহৰ অথচ মৰমৰ হোষ্টেলখন, শ্ৰদ্ধাৰ ৰতিপ্ৰভা বাইদেউৰ সতে কটোৱা এটা বছৰ, য'ত বাইদেউৰ পৰা শিকিছিলোঁ জীৱনত প্ৰয়োজন হোৱা সাহস আৰু ধৈৰ্য্য, পৰিস্থিতিৰ সতে মোকামিলা কৰাৰ অফুৰন্ত অনুপ্ৰেৰণা। অমায়িক, ভদ্ৰ আৰু নম্ৰ বাইদেউক মোৰ দেউতাই নিজৰ জীয়েক বুলি জ্ঞান কৰিছিল। বাইদেউৰ দুখ আৰু কষ্ট দেখি দেউতাই মোক বাইদেউৰ কথা কৈ বাইদেউৰ সতে থকাৰ ব্যৱস্থা কৰি দিছিল। শ্ৰদ্ধাৰ জীৱন শইকীয়া ছাৰৰ পৰা হোষ্টেল চুপাৰ হিচাপে পাওঁতে শিকিছিলোঁ প্ৰশাসনিক জ্ঞান আৰু মৰম তথা তত্বাৱধান। বাইদেউ ˚ কমলাৱতী অন্তৰৰ পৰা বহুত কোমল আৰু শাসনৰ ক্ষেত্ৰত কঠোৰ হৈ নিজৰ ছোৱালীৰ দৰে কৰা অনুশাসন আজিও পাহৰা নাই। শিক্ষাগুৰু সকলৰ মৰম কৰি দিয়া পাঠদানে জীৱনটোক আগবঢ়াই নিয়াত সহায়ক হ'ল। কাঞ্চা আৰু দাজুৰ পৰিয়ালক কি দৰে পাহৰোঁ।

চম্পা আৰু তাইৰ ভায়েক ভনীয়েক আৰু মাকৰ মৰমক হোষ্টেলৰ কোনো ছোৱালীয়ে পাহৰিব নোৱাৰে। ছাত্ৰ-ছাত্ৰী সকলৰ মাজত মৰম-চেনেহ, সৰুৱে ডাঙৰ সকলক কৰা শ্ৰদ্ধা-ভক্তি, ডাঙৰে সৰুক কৰা মৰম-চেনেহ, মহাবিদ্যালয়তে শিকিছিলোঁ। ৮০ চনে বহু কথাই শিকাই থৈ গ'ল।

অৱশেষত 'সোণাৰি মহাবিদ্যালয়'ৰ সোণালী জয়ন্তীৰ শেষত মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰিছো। সময় গতিশীল। চামে চামে ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী আহিব আৰু যাব, কিন্তু 'সোণাৰি মহাবিদ্যালয়' এই বিশাল অনুষ্ঠানটি দিনক দিনে বৃহত্তৰ পৰা বৃহত্তৰলৈ, উন্নতৰ পৰা উন্নতলৈ গতি কৰক, তাৰে কামনা কৰিছোঁ।

ধন্যবাদ।

ঃঃঃঃ

# সোণাৰি কলেজৰ সোণালী ইতিহাসৰ কেইখিলামান ধূসৰিত পৃষ্ঠাঃ মোৰ অভিজ্ঞতা আৰু অনুভৱেৰে

ৰুমী কোঁৱৰ
প্ৰাক্তন ছাত্ৰী- ১৯৭৭-৮০

কিছুমান অনুষ্ঠানে নিজস্ব-স্বকীয়তাৰে এডোখৰ ঠাই বা একোটা অঞ্চলৰ চৌপাশৰ ঠাইৰ নাম বা সমগ্ৰ ৰাজ্যবাসীৰ সন্মুখতে দাঙি ধৰে। একেদৰে আমাৰ সোণাৰি কলেজখন মানেই যেন সৰু নগৰখনৰ 'ঘৰৰ ঘাইখুটা' সদৃশ।

আজিৰ পৰা পঞ্চাছ বছৰৰ আগতে ১৯৭০ চনৰ ৫ আগষ্ট তাৰিখে সোণাৰি নগৰৰ মাজমজিয়াত এই সোণাৰি কলেজ অনুষ্ঠানভাগৰ শুভাৰম্ভ হৈছিল। যিসকল বিদ্যানুৰাগী, শিক্ষাবিদ, শুভাকাংক্ষী, শিক্ষক তথা সেইসময়ত কিছু ছাত্ৰৰ সন্মিলনৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলস্বৰূপে কলেজখনে জন্মলাভ কৰি আজিৰ পূৰ্ণপৰ্য্যায় পালেহি, সেইসকললৈ জয়জয়তে প্ৰণিপাত জনাইছো। লগতে সোণালী জয়ন্তী উদ্‌যাপনৰ আপাহতে কলেজৰ সতে জড়িত কিছুমান অনুভৱৰ ভাগ-বটোৱাৰ কিঞ্চিত প্ৰয়াস কৰিছো।

প্ৰথমেই এই সোণালী জয়ন্তী উদ্‌যাপনৰ দৰে এটি গুৰু দায়িত্ব পালন কৰি কলেজখনিক উদ্ভাসিত কৰাৰ প্ৰয়াস কৰা সমস্ত কৰ্মকৰ্তালৈ শ্ৰদ্ধা আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো — এগৰাকী প্ৰাক্তন ছাত্ৰী হিচাবে।

সুঁৱৰিব খোজা সময়খিনি বোধকৰো ১৯৭০-৭১-৭২ মানৰ কথা। তেতিয়া কলেজখনৰ জন্মৰ উকমুকনি আৰু তাৰ পাছৰ মহা আয়োজনৰ কথা। মাহমৰাস্থিত আমাৰ জন্মঘৰখনলৈ তেতিয়া সোণাৰি কলেজৰ ১ম, ২য়, ৩য় বৰ্ষৰ ছাত্ৰসকলৰ আগমন হৈছিল। বানেশ্বৰ বসুমতাৰী, তিলক খাখলাৰী, লিয়াকত আলি, পূৰ্ণানন্দ দিহিঙ্গীয়া, বীৰেন চেতিয়া আদি ভালেসংখ্যক ছাত্ৰই আমাৰ ককাইদেউক লগত লৈ গাঁৱে গাঁৱে কলেজ প্ৰতিষ্ঠাৰ বাবে খেতিয়কৰ পথাৰৰ ধান সংগ্ৰহ কৰিছিল। অৱশেষত শ্ৰদ্ধাৰ শ্ৰীযুত গোলাপ গোঁহাই ছাৰক অধ্যক্ষ হিচাবে লৈ সোণাৰি কলেজৰ শুভাৰম্ভ হ'ল।

বয়সত সৰু আছিলো যদিও কিছু কথাৰ উমান পাইছিলো। আমাৰ ককাইদেউ শ্ৰীযুত ৰবীন কোঁৱৰ যিহেতু কলেজৰ প্ৰতিষ্ঠাপকসকলৰ এজন আছিল সেয়ে মোৰ এই অভিজ্ঞতা হৈছিল। সেই সময়ছোৱাত আমাৰ মা-দেউতা, বাই-ভনী তিনিজনীৰে সৈতে বাইদেউ আৰু ভতিজাৰে এটা পৰিয়ালৰ সকলোটিয়ে একমাত্ৰ উপাৰ্জনৰ উৎস ককাইদেউৰ মুখলৈ বাট চাব লগা হৈছিল। সোণাৰি মহাবিদ্যালয় প্ৰতিষ্ঠাৰ স্বাৰ্থত বেলেগ চৰকাৰী চাকৰি পাইও এৰি দিছিল। নিমিত্ত মাত্ৰ পাৰিশ্ৰমিক লৈ আমাৰ নিম্ন মধ্যবিত্ত সংসাৰখন অৱৰ্ণনীয় কষ্টেৰে পুজনীয় ককাইদেউৰে চলাই নিয়াটো সঁচাকৈয়ে এক তীব্ৰ প্ৰত্যাহ্বান আছিল। নেপথ্যৰ এই সংগ্ৰামখনৰ আঁচেৰে আমাৰ জীৱনতো জীয়া ইতিহাস হৈ ৰ'ব।



আজিৰ এই পবিত্ৰ সোণালী ক্ষণত মৰমৰ কলেজখনৰ বাবে পৰোক্ষভাৱে হ'লেও আমাৰ পৰিয়ালৰো কিবা এটা ত্যাগ যে আছিল তাকে ভাবি সন্তোষ অনুভৱ কৰিছোঁ।

মহাবিদ্যালয়ৰ ২য় বৰ্ষত মোৰ সৰু বাইদেউ শ্ৰীযুতা তিলোত্তমা কোঁৱৰে মেট্ৰিক পাছ কৰি ইয়াতে নামভৰ্ত্তি কৰে। সুখ্যাতিৰে বি.এ. পাছ কৰে। বৰ্তমান নগাঁৱৰ 'কিৰণময়ী হাইস্কুল'ৰ প্ৰধান শিক্ষয়িত্ৰী হিচাবে অৱসৰ লৈ সৰু পুত্ৰৰ সৈতে দিল্লীত বাস কৰে।

১৯৭৭ চনত মইও H.S.L.C. পাছ কৰি সোণাৰি কলেজত নাম লগাওঁ। সোণাৰি কলেজত অধ্যয়ণৰত চাৰিটা বছৰ (Pre degree and degree 2+2) জীৱনৰ সোণালী অধ্যায় বুলি কবই লাগিব। ইতিমধ্যে কলেজখনে কৈশোৰত ভৰি দিছে। ছাৰ বাইদেউসকল আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত নিবিড় সম্পৰ্ক। জলজল-পটপটকৈ আজিও মনত আছে শ্ৰদ্ধাৰ বিমলা ফুকন ছাৰৰ জোৰ দি কোৱা অৰ্থনীতিৰ তত্ববোৰ। প্ৰয়াত কমলাৱতী বাইদেউ, সোণমাই বৰা বাইদেউ, প্ৰয়াত তুলসী গগৈ ছাৰ, কৰ্তৃত্বসুলভ সুৰেৰে শ্ৰীযুত জীৱন শইকীয়া ছাৰ, Jungle Book পঢ়োৱা যাদব দত্ত ছাৰ অতি মৰমৰ আৰু শ্ৰদ্ধাৰ জুনু মহন্ত বাইদেউৰ আঁখে ফুটা ইংৰাজী শিকণ পাহৰিব নোৱাৰোঁ। সুৰেশ দাস চাৰ, বাণী শৰ্মা বাইদেউলৈ (লাইব্ৰেৰীয়ান) মনত পৰে। বাইদেউৰ ভনীয়েক কাকুৰ লগত প্ৰায়ে তেওঁক লগ কৰিছিলো। শৈলেন ফুকন চাৰকো আমি ওচৰৰ পৰা পাইছিলো। শ্ৰীযুত গিৰিণ গগৈ আৰু শ্ৰীযুত মানিক গগৈ ছাৰ দুয়োজনে বৰ মৰম কৰিছিল। অসমীয়া ভাষা-সাহিত্যৰ ৰসাল পৰ্য্যালোচনা শ্ৰীযুতা ৰতি গগৈ বাইদেউৰ কথাৰে কিমান মোহনীয় তেওঁৰ পাঠ গ্ৰহণ কৰাসকলে জানেই।

শিক্ষাগুৰু মানিক বৰুৱা ছাৰৰ কলেজ কেম্পাচত থকা ঘৰটোত পুৱা আঠ বজাতে অনাৰ্চৰ ক্লাচ কৰিবলৈ আহি মাংস ভাতৰ জুতি লোৱা মনত পৰে। মৰমৰ শ্ৰদ্ধাৰ ৰাণু মহন বাইদেউৰ পৰা 'শিক্ষা' বিষয়ৰ অঙ্কভাগ enjoy কৰি কৰি শিকিছিলো। প্ৰয়াত বিনন্দ মহন ছাৰৰ 'মমতাৰ চিঠি'ৰ দৰে কবিতাৰ ৰহস্য ভাঙি কি সুন্দৰ পাঠদান! ধুনীয়াকৈ মৰমলগা মলয়া গোস্বামী বাইদেউৰে আমাক কিছুদিন ইংৰাজী শিকাইছিল। তেখেত বৰ্তমান অসমীয়া চলচিত্ৰ জগতৰ জ্যেষ্ঠ সফল অভিনেত্ৰী। ৰাষ্ট্ৰীয় শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মানেৰে বিভূষিত 'অগ্নিস্নান'ৰ বহু আৰ্টচিনেমাৰ নায়িকা মলয়া বাইদেউৰ সান্নিধ্য মনত থাকিব। এই সকলোটি শিক্ষাগুৰুলৈ এই শুভক্ষণত সেৱা যাচিছোঁ।

কলেজৰ আনসকল কৰ্মচাৰী প্ৰয়াত ভৱ বৰুৱা, বিষ্ণু বসুমতাৰী. ফণী আৰু কমল ককাইদেউ আটাইকে আমি সন্মান কৰি চলিছিলো। ভাতৃ প্ৰতীম মিনেশ্বৰো আমাৰ মৰমৰ আছিল। কেম্পাচত থকা ৰান্ধনী দাজুদাই আমাক যথেষ্ট মৰম কৰিছিল। এনেকুৱাই আছিল আমাৰ দিনৰ কলেজৰ পৰিবেশ।

সঁচাকৈ এই মুহূৰ্তত চেলুলয়দৰ পৰ্দাৰ দৰে স্পষ্টকৈ মানস পটত কলেজৰ সোঁফালে থকা কেঁচা ছোৱালী হোষ্টেলটো ভাঁহি আহিছে। আহঃ কি মধুৰ স্মৃতি। সেইবাবে মানুহে কয়, হোষ্টেলত থকাৰ অভিজ্ঞতা নেথাকিলে শিক্ষাগ্ৰহণ সম্পূৰ্ণ নহয়। কিমান সঁচা কথাষাৰ — সেয়া মৰ্মে উপলব্ধি কৰোঁ।

একেটা পৰিয়ালৰ দৰে সমুহীয়া চাকাই খানা। সন্ধিয়া সমস্বৰে প্ৰাৰ্থনা গাই পঢ়াত বহা এই শৃঙ্খলাবদ্ধ ৰুটিন চলিছিল শ্ৰীযুত জীৱন শইকীয়া ছাৰৰ তত্বাৱধানত। উচ্চল হাঁহি-আনন্দ আৰু সমান্তৰালভাৱে অধ্যয়ন — এই সকলোবোৰৰ মাজত প্ৰথমবাৰলৈ ঘৰ এৰি অহাৰ শংকা আৰু দুখ আমি আটায়ে পাহৰি পেলাইছিলো। বাঁহৰ বেৰাৰ মাজত সম্পূৰ্ণ কেঁচা ঘৰটোত আমি কেতিয়াও নিৰাপত্তাৰ অভাৱ অনুভৱ কৰা নাছিলো

আজিকালিৰ দৰে। সেইবাবে আমি জীৱনৰ সেই সোণালী সময়খিনি বুকু ভৰি যাপন কৰিছিলো। বহুত লগৰীয়া অলেখ কাহিনী, বাইদেউ-ভণ্টিবোৰৰ মুখে আজি স্মৃতিৰ পটত অগা-দেৱা কৰিছে। নেহেৰু বাইদেউ, আৰ্যমা কটকী বাইদেউ, স্বৰ্ণ বাইদেউ, লাৱণ্য, নীৰু, দিপালী গগৈ, বুলু গগৈ, চম্পা-অকণি, তিলো বাইদেউ, হিৰণ্যা এইসকলক হোষ্টেল আৱাসী হিচাবে পাইছিলো। হোষ্টেলৰ বাহিৰতো কামনা ডেকা, ইন্দ্ৰানী কোঁৱৰ, অঞ্জলি গোস্বামী, নিবেদিতা ফুকন, জোনালী গগৈ আৰু বহুতো বাইদেউক মনত আছে।

হোষ্টেলৰ এটা কথা ভাবি আজিও ৰোমাঞ্চিত হওঁ । সেই যে কলেজৰ এমহীয়া পূজা বন্ধত হোষ্টেল খালী কৰি ঘৰমুখী হৈছিলো, ইজনীয়ে সিজনীক সাৱটি হুৱাওৱাৰে কান্দিছিলো — দীঘলীয়াকৈ আঁতৰি থকাটো বৰ দুঃসহ হৈছিল। তাতে তেতিয়াৰ দিনত ম'বাইল ফোনৰ ব্যৱস্থাও নাছিল। কিমান নিভাঁজ সেই মৰমবোৰ। আকৌ মনত পৰিছে 'ৰেগিং'ৰ স্মৃতিমধুৰ সন্ধিয়াটোৰ কথা। সততে আজিকালি নিষিদ্ধ আৰু অবাঞ্ছিত বোলা ৰেগিঙৰ কথাযাৰ তেতিয়া মুঠেও প্ৰযোজ্য নাছিল। ন' কইনাৰ দৰে হোষ্টেলৰ নতুন পৰিয়ালৰ এজন হ'বলৈ যাওঁতে হোৱা চিনা পৰিচয় মাত্ৰ। তাৰ পাছতেই পাৰভঙা উলাহেৰে নবাগত আদৰণিত আমি কলেজৰ ষ্টেজত একেলগে বিহু নাচিছিলো। অৱশ্যে এই কথাও সত্য যে হাইস্কুল পৰ্য্যায়ৰ পৰা বহল পৰিসৰৰ শিক্ষানুষ্ঠান এটিত পঢ়িবলৈ আহোঁতে "ডাঙৰ সৰুক কেনে আচৰণ কৰা উচিত" তেনে বহুত জীৱনৰ লাগতিয়াল কথা ছাত্ৰ-ছাত্ৰীৰে মিলা-মিচাত শিকা হয়। মনৰ অহংভাব নাইকীয়া হয়। মানসিকতা উদাৰ আৰু বহল হোৱাৰ এনে সুবিধা পাঠ্যপুথিত পোৱা নেযায়।

জীৱনত বিশেষভাৱে প্ৰতিষ্ঠিত হ'ব নোৱাৰিলেও B.T. পাছ কৰি প্ৰথমে মধ্য ইংৰাজী আৰু তাৰ পাছত ভজো হাইস্কুলৰ পৰা যোৱা ২০২২ চনৰ মাৰ্চ মাহত অৱসৰ গ্ৰহণ কৰো। আমি অধ্যয়ন কৰি থকা সময়ছোৱাত যথেষ্ট মেধাবী ছাত্ৰ-ছাত্ৰীক লগ পাইছিলো। অপূৰ্ব শইকীয়া ককাইদেৱে অৰ্থনীতিত ভাল ৰিজাল্ট কৰি শেষত এজন ডাঙৰ চৰকাৰী বিষয়া হৈছিল। অঞ্জলি বা আৰু নিবেদিতাবাই বোধকৰো প্ৰথমবাৰৰ বাবে সোণাৰি কলেজৰ পৰা ডিষ্টিংছন লৈ বি.এ. পাছ কৰিছিল। বুলু বা, জোনালী গগৈ বা আৰু বহুজনে উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠানত শিক্ষকতা কৰিছিল। অসমৰ নামজ্বলা বিহু শিল্পী খগেন গগৈ ককাইদেউ সোণাৰি কলেজৰ ছাত্ৰ আছিল।

অসমীয়া লোকগীতৰ ওপৰত গৱেষণা কৰি ড° ডালিমী কোঁৱৰ বাইদেউৱে ৰাজ্যবাসীৰ মাজত এগৰাকী হিচাবে উজ্বলি উঠিছে। তেওঁও এইখন কলেজৰে ছাত্ৰী। শ্ৰীমান তপন গগৈয়ে ৰাজনীতিৰ ক্ষেত্ৰখনৰ বিধায়ক, সাংসদ হোৱাৰ আখৰাশাল সোণাৰি কলেজেই। তাৰোপৰি চৌদিশে সিঁচৰিত হৈ থকা ভালেসংখ্যক গায়ক, শিক্ষক, কবি-সাহিত্যিক, জননেতা, দক্ষ বিচাৰক এই কলেজৰ ফচল। প্ৰথমৰে পৰাই ছাত্ৰ-ছাত্ৰীসকলে ভাল ফলাফলেৰে আৰম্ভ কৰা জয়যাত্ৰাত বহুত সন্মান আৰু গৌৰৱ বুটলিছে। আমাৰ সময়ৰ মধুচন্দ্ৰা শইকীয়া শাৰীৰিক দুৰৱস্থা নেওচিও এগৰাকী ভাল লেখিকা, গায়িকা আৰু খেলুৱৈও আছিল। সহপাঠী শ্ৰী দিলীপৰঞ্জনে নিজে পঢ়া সোণাৰি কলেজৰ উপাধ্যক্ষ হিচাবে অৱসৰ লোৱাটো কম গৌৰৱৰ কথা নহয়। আৰু বহুত স্মৃতিয়ে মনটো এই সময়ত দোলা দিছেহি। শ্ৰদ্ধাৰ মানিক গগৈ চাৰৰ নেতৃত্বত আমি এবাৰ বৰহাট অঞ্চলত প্ৰায় এসপ্তাহৰ এটি আৰ্থসামাজিক জৰীপ কৰিছিলো। সন্ধিয়া সুন্দৰ ফাংচন হৈছিল। কলেজৰ ফাংচনবোৰত অনাতাঁৰ শিল্পী বৈকুণ্ঠনাথ গগৈদেৱৰ সোঁশৰীৰে গীত উপভোগ কৰিবলৈ পোৱাৰ সৌভাগ্য ঘটিছিল। জীৱনৰ প্ৰথম বনভোজৰ অনন্য অভিজ্ঞতা হৈছিল কাজিৰঙাৰ বাগৰিলৈ গৈ।



নষ্টালজিক ভাব এটাই আবেগিক কৰা বাবে হয়তো প্ৰকাশ কৰোঁতে ছন্দ হেৰুৱাইছোঁ; তথাপি সতীৰ্থৰ ভাৱত সেই সৰলমনৰ মানুহবোৰক মই আজি এবাৰ সুঁৱৰিবলৈ ভাল পাম। দুলু ফুকন, ৰূপালী ৰাজকুমাৰী, মীৰা দেৱী, চাহেৰা বেগম, ৰঞ্জু দত্ত, নিভা গগৈ, ঘন চেতিয়া ফুকন, দিলীপ গোঁহাই, ৰীণা গোহাঁই, শান্তি শ্যাম, ইমতিয়াজ, ভাৰত, অঞ্জনা গগৈ বাইদেউ, ডালিমী কোঁৱৰ, নিভা-বিভা বৰগোহাঁই, শশী গগৈ, ৰেখা বৰা, ৰূপামণি বৰগোহাঁই আৰু অলেখজনক আজি মনত পেলাইছো। প্ৰায় চাৰিটা দশকৰ আগতে এৰি অহা সকলোটিকে আমাৰ কলেজখনৰ সোণালী জয়ন্তীৰ এই পবিত্ৰ ক্ষণত হৃদয়েৰে স্মৰণ কৰিছো। মান্যানুসাৰে মৰম-শ্ৰদ্ধা নিবেদিছো তেওঁলোক যতেই আছে।

আমাৰ দিনৰ চালুকীয়া অৱস্থাৰ পৰা সোণাৰি কলেজ এতিয়া পূৰ্ণপৰ্য্যায়ৰ পূৰ্ণাঙ্গ জাকত-জিলিকা মহাবিদ্যালয়লৈ ৰূপান্তৰ হ'ল। এসময়ত বৰহাট, বিমলাপুৰ, টিমন, লংপতীয়া, মথুৰাপুৰ, বৰচহকী, চক্ৰাই, মাহমৰা, ভজো, কাকতিবাৰী আদি বৃহত্তৰ এলেকাৰ ছাত্ৰ-ছাত্ৰীৰ একমাত্ৰ ভৰসাৰ থলি আছিল এই সোণাৰি কলেজ। অন্যথা সেইসকলৰ উচ্চ শিক্ষা কেতিয়াও সম্ভৱ নহ'লহেঁতেন।

সদৌ শেষত সোণাৰি কলেজৰ ভৱিষ্যতৰ সম্ভাৱনাখিনিৰ বাবে আমাৰ শুভেচ্ছা জনাইছোঁ। প্ৰাক্তন ছাত্ৰী হিচাবে একাষাৰ স্মৃতিচাৰণৰ সুবিধা দিয়া বাবে সোণাৰি মহাবিদ্যালয়ৰ 'সোণালী জয়ন্তী' উদ্‌যাপন সমিতিৰ সমূহ বিষয়ববীয়ালৈ কৃতজ্ঞতাৰে ওলগ জনালোঁ।

'জয়তো সোণাৰি মহাবিদ্যালয়।

००००

# মোৰ অনুভৱত সোণাৰি মহাবিদ্যালয়

ড° কনকলতা কোঁৱৰ
প্ৰাক্তন ছাত্ৰী

চৰাইদেউ জিলাৰ অন্তৰ্গত সোণাৰি নগৰৰ মাজ মজিয়াত ১৯৭০ চনতে কেইগৰাকীমান মহান হৃদয়ৰ ব্যক্তিৰ প্ৰচেষ্টাত আৰু বাইজৰ দান বৰঙণিৰে প্ৰতিষ্ঠা লাভ কৰা সোণাৰি মহাবিদ্যালয়খনিয়ে আজি সোণালী জয়ন্তী বৰ্যত ভৰি দিলেহি। এই মহাবিদ্যালয়খনিয়ে খুউব কম সময়ৰ ভিতৰতে চৰকাৰীকৰণ হৈ উঠিছিল। এই মহাবিদ্যালয়ৰ এগৰাকী প্ৰাক্তন ছাত্ৰী হিচাপে মোৰ মনৰ অনুভৱ কেইশাৰীমান প্ৰকাশ কৰিবলৈ লৈছো।

১৯৮০-৮১ চনতে মই এগৰাকী প্ৰি-ডিগ্ৰী কৰ্চৰ ছাত্ৰী আছিলো। সেই সময়ত মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল ক্ৰমে প্ৰিন্সিপাল গোলাপ বৰগোহাঁই ছাৰ, ভাইচ প্ৰিন্সিপাল ° সুৰেশ দাস ছাৰ, ° কমলাৱতী বাইদেউ, জীৱন শইকীয়া ছাৰ, ° তুলসী গগৈ ছাৰ, ৰতিপ্ৰভা বাইদেউ, সোণমাই বৰা বাইদেউ, ৰবিন কোঁৱৰ ছাৰ, মানিক বৰুৱা ছাৰ আৰু অৰ্পন বৰুৱা ছাৰ। অফিছৰ কৰ্মচাৰী কাকতি দা, কমল দা, মিনেশ্বৰক লগ পাইছিলো। লাইব্ৰেৰীয়ান হিচাপে বাণী দেৱী বাইদেউকো লগ পাইছিলো।

সেই সময়ত মহাবিদ্যালয়খনত নিজাকৈ কোনো শ্ৰেণীকোঠা নাছিল। এটি ব্ৰিটিছৰ দিনৰ ক্লাৱৰ ঘৰতে আমি পাঠগ্ৰহণ কৰিছিলো। সেই ক্লাৱঘৰটোত সকলোবিলাক শ্ৰেণীৰ পাঠদান কৰিবলৈ বৰ সুচল নাছিল যদিও তাতে অধ্যয়ন কৰি ভাল লাগিছিল। ওচৰতে আমি ত্ৰিশগৰাকী মান ছাত্ৰীয়ে বাঁহৰ বেৰৰ কেঁচা মাটিৰ ঘৰ গাৰ্লছ হোষ্টেল এটাত থাকি অধ্যয়ন কৰিছিলো। ৱাৰ্ডেন হিচাপে ° কমলাৱতী বাইদেউ আৰু জীৱন শইকীয়া ছাৰ আছিল। ওচৰতে এটা ঘৰত ৰতি প্ৰভা বাইদেউৰ পৰিয়ালটি আছিল। আমি সেই সময়ত ছাৰ, বাইদেউসকলৰ নিৰ্দেশ পালন কৰি চলিছিলো। তেখেতসকলে আমাক বহুত মৰম কৰিছিল মই পঢ়া-শুনাত বৰ চোকা বিধৰ নাছিলো। মধ্যমীয়াহে আছিলো। মহাবিদ্যালয়ৰ অধ্যক্ষ গোহাঁই ছাৰৰ ব্যক্তিত্বই বেলেগ আছিল। তেখেতলৈ মই বৰ ভয় কৰিছিলো। সেই কাৰণে তেখেতক মই আজিও ভয় আৰু শ্ৰদ্ধা কৰোঁ।

ৰাজনীতি বিজ্ঞানৰ বিষয়টো আমাক ° সুৰেশ দাস ছাৰে পঢ়াইছিল। তেখেতৰ পাঠদান মই ভালদৰেই গ্ৰহণ কৰিছিলো। তেখেতৰ শিক্ষণ প্ৰণালী বৰ সহজ আছিল। তেখেতক কেতিয়াও পাহৰিব নোৱাৰো। সেয়েহে মই ৰাজনীতি বিজ্ঞানতে মেজৰ লৈ বি.এ. পঢ়িলো অন্য এখন মহাবিদ্যালয়ত। শ্ৰীযুক্তা ৰতিপ্ৰভা বাইদেউক আজি শ্ৰদ্ধা নিবেদিছো। সহজ-সৰল, মৰমিয়াল হাঁহিৰে ভৰা অসমীয়া বিভাগৰ বাইদেউগৰাকীক আজিও পাহৰিব পৰা নাই। জীৱন শইকীয়া ছাৰ আৰু অৰ্পন বৰুৱা ছাৰে আমাক ইকনমিক্স পঢ়াইছিল। তেওঁলোকলৈও মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছো। ° কমলাৱতী বাইদেউ আৰু মানিক বৰুৱা ছাৰে আমাক এডুকেশ্যন পঢ়াইছিল। তেওঁলোককো এই ছেগতে আন্তৰিক শ্ৰদ্ধা নিবেদিলো। শ্ৰদ্ধাৰ শিক্ষাগুৰু ৰবিন কোঁৱৰ ছাৰে আমাক ইংৰাজী পঢ়াইছিল। তেখেতলৈও মোৰ হিয়াভৰা ওলগ থাকিল। বাৰু যেইকি নহওক সেই ১৯৮০-৮১ চনৰ মহাবিদ্যালয়খনিৰ আন্তঃগাঠনি আৰু বৰ্তমানৰ আন্তঃগাঁঠনিৰ মাজত আকাশ-পাতাল পাৰ্থক্য দেখা গৈছে। এতিয়া মহাবিদ্যালয়খনত নতুন নতুন বিল্ডিং, অডিটৰিয়াম, ক্লাচ ৰুম, লাইব্ৰেৰী, ফিছাৰী, ফ্লাৱাৰ গাৰ্ডেন, বয়জ



কমন ৰুম, গাৰ্লছ কমন ৰুম, ভি.পি.ৰুম, প্ৰেক্টিকেল ৰুম, কম্পিউটাৰ ৰুম আদিৰে ভৰপূৰ এখন পূৰ্ণাঙ্গ পৰ্য্যায়ৰ বৃন্দাবন সদৃশ মহাবিদ্যালয়লৈ পৰিৱৰ্তন হ'ল। সেয়েহে বৰ্তমানৰ মহাবিদ্যালয়খনিত শ শ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰিবলৈ সুবিধা পাইছে। এগৰাকী প্ৰাক্তন ছাত্ৰী হিচাপে এই মহাবিদ্যালয়খনিলৈ, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকললৈ মোৰ আন্তৰিক শুভেচ্ছা সদায়ে থাকিব।

কিন্তু মোৰ হৃদয়ৰ কোনোবাখিনিত দুখ থাকিল এই মহাবিদ্যালয়খনিৰ ওচৰত যিটো মই প্ৰকাশ নকৰি নোৱাৰিলো। ১৯৯১ চনতে মই এই মহাবিদ্যালয় খনিত ৰাজনীতি বিজ্ঞানৰ প্ৰৱক্তাৰ বাবে আবেদন কৰিছিলো। মোৰ উপযুক্ত অৰ্হতা আছিল যদিও মোতকৈ কম নম্বৰ পোৱা এজনক নিযুক্তি দিয়াৰ বাবে মই অন্তৰত বৰ আঘাত পাইছিলো আজিও সেই কথা মনলৈ আহি থাকে। অৱশ্যে মোৰ এটা সামান্য শব্দৰ ভুলৰ বাবে মোক নিযুক্তি নিদিলে বুলি ভাবি ল'লো। চাকৰিৰ পৰা বঞ্চিত হৈ মই অন্তৰত এবুকু আঘাত লৈ নিজাববীয়াকৈ এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিবলৈ বুলি দৃঢ় প্ৰতিজ্ঞ হ'লো। সেয়েহে হতাশ নহৈ আগুৱাই গৈ থাকিলো আৰু এদিন সাফল্যৰ জখলাত ভৰি দি আন দহ জনক নিজ হাতেৰে চাকৰি দিব পৰা হ'লো। লাহে লাহে একলা-দুকলাকৈ ল'ৰা-ছোৱালী কেইটাই বি.এ., এম.এ. আৰু বি.এড. পাচ কৰি ওলাই আহিল। মইও নিজৰ অধ্যৱসায়ৰ ফলত নিজাকৈ এখন শিক্ষানুষ্ঠান খুলি প্ৰাদেশীকৃত পৰ্যায়লৈ অধ্যক্ষাৰ পদত থাকি ২০২১ চনত অৱসৰ গ্ৰহণ কৰিলো।

সকলোৰে জীৱনত ঘাত-প্ৰতিঘাত নাথাকিবও পাৰে। মোৰ জীৱনত কিন্তু ঘাত-প্ৰতিঘাত পাৰ হৈ গ'ল। বৰ্তমান সময়ত মানুহ ইমান স্বাৰ্থপৰ হৈ পৰিছে যে শিক্ষিত সমাজত মৰম-স্নেহ, দয়া-মমতা একেবাৰে নোহোৱা হৈ পৰিছে। মোৰ কৰ্মময় জীৱন বাটত লগ পোৱা বন্ধু কেইজন মানৰ কথা আজি মই ক'ব বিচাৰিছো।

এজনে কয় — 'মই কিবা আপোনাৰ ঠিকা লৈ থৈছো নেকি বাইদেউ — এইবিলাক কাম চাবলৈ।" কেৱল কেৰম খেলি ভাল পোৱা সেই ব্যক্তিজন।

আন এজনে আকৌ ১১ বজাত আহি attendence ত চহী কৰি ১২-৩০ বজাত লাহেকৈ ঘৰলৈ ওলাই যায় — আবেলি ৩-৩০ চকীদাৰৰ পৰা চাবি কাঠি লৈ পুনৰ punching machine ত চহী কৰেহি। আন এজনে ৯ বজাতেই আহি চহী কৰি ওলাই যায়, পুনৰ ৩-৩০ ত চহী কৰি নিজকে ফাঁকি দিয়ে। সেইজনৰ আকৌ কিবা ব্যৱসায় আছে সেইবাবে পাল মাৰি চাকৰিটো বচাব খোজে। কোনোবা এজনে আকৌ accident ত ভৰিত দুখ পালো বুলি মাহ মাহ ধৰি শিক্ষানুষ্ঠানলৈ নাহে আৰু কিছুদিনৰ পিছত ph. D degree লৈ গপত গংগাটোপ হৈ পৰে।

আন এগৰাকীয়ে আকৌ ১২ বজাত আহি ১২-৩০ বজাত লাহেকৈ চাহ খোৱাৰ চলেৰে অনুষ্ঠানৰ পৰা ওলাই যায় আৰু পুনৰ ৩-৩০ মিনিটত চহী কৰেহি। কোনোবা এজনে আকৌ নিজৰ বৃত্তিটোৰ বাবে উপযুক্ত অৰ্হতা লাভৰ বাবে বহুবাৰকৈ previous আৰু Final দি নিজকে সফল কৰি তুলিলে। এই মহান ব্যক্তিসকলে আজি সমাজত দপদপাই ফুৰিছে। বেছিকৈ আপোন বুলি ভবা মানুহবিলাকে আজি বিশ্বাসঘাটকতা কৰিলে।

বৰ্তমান যুগত সত্য আৰু ন্যায়ত থাকি যিসকল ব্যক্তিয়ে নিস্বাৰ্থভাৱে আনক সদায় উপকাৰ কৰি যায় সেইসকল ব্যক্তিয়ে খোজে প্ৰতি বিপদৰ সন্মুখীন হোৱা দেখা যায়। বৰ্তমান যুগত সততা আৰু ন্যায়ত থকা ব্যক্তি সমাজত পাবলৈ টান। মিছা কথা সজাই-পৰাই ক'ব পৰা জনেহে সমাজত বাঃবাঃ পোৱা দেখা যায়। শেষত সোণাৰি মহাবিদ্যালয়খনিৰ সৰ্বতো প্ৰকাৰৰ উন্নতি কামনা কৰি সামৰিলো।

০০০০

# সোণাৰি মহাবিদ্যালয় আৰু মই

দিলীপ ৰঞ্জন বৰুৱা
প্ৰাক্তন ছাত্ৰ- ১৯৭৯-৮২

১৯৭৯ চনৰ জুলাই মাহৰ মাজভাগৰ কথা । দিনটো সঠিককৈ মনত নাই । কিন্তু, সেইদিনটোৰ অভিজ্ঞতা মোৰ মনত আজিও সজীৱ হৈ আছে । সেইদিনা সোণাৰি মহাবিদ্যালয়ত পদাৰ্পণ কৰাৰ মোৰ দ্বিতীয় দিন আছিল । মহাবিদ্যালয়খনিত দুবছৰীয়া বি এ পাঠ্যক্ৰমৰ প্ৰথম বাৰ্ষিকত নামভৰ্তিৰ বাবে সাক্ষাৎ কাৰৰ দিন আছিল । প্ৰখৰ ৰ'দত সাপেখাটীৰ পৰা সোণাৰিলৈ চাইকেলেৰে বাট বুলিলোঁ । হাফ চোলা, দীঘল পেণ্ট আৰু ভৰিত হাৱাই চেন্দেল । ২৪ কিলোমিটাৰ চাইকেল চলাই বৃটিছৰ দিনৰ জিমখানা ক্লাৱত শিক্ষাদান কৰি থকা মহাবিদ্যালয়ৰ বাৰণ্ডাত উঠিলোঁ। বহিবলৈ স্থান নাই । বাৰণ্ডাৰ ষ্টেপ, ঘাঁহনি আদিত অ'ত ত'ত ল'ৰা-ছোৱালী বিলাক বহি আছে । মইও বাৰণ্ডাতে ইফাল সিফাল কৰি আছোঁ । এনেতে, চতুৰ্থ বৰ্গৰ কৰ্মচাৰী শ্ৰী মিনেশ্বৰ লাহনে নামটো মাতিলে । বাৰণ্ডাৰ কাষতে অধ্যক্ষৰ কোঠা । অনুমতি লৈ কোঠাত প্ৰৱেশ কৰি সন্মুখলৈ লক্ষ্য নকৰি অৰ্ধ চক্ৰাকাৰে অধ্যক্ষৰ কোঠাত বহি থকা ছাৰ-বাইদেউ সকলৰ প্ৰতি বাওঁফালৰ পৰা দৃষ্টি নিক্ষেপ কৰিলোঁ । মোৰ আচৰণ দেখি বাওঁফালে বহি থকা এজন ছাৰে সন্মুখত বহি থকা জনলৈ চাবলৈ ইঙ্গিত দিলে । মোৰ নিজৰ ওপৰতে ধিক্কাৰ উপজিল । সন্মুখৰ আসনত অধ্যক্ষ শ্ৰী যুত গোলাপ চন্দ্ৰ বৰগোহাঁই ছাৰ বহি আছে । তেখেতৰ দুয়োকাষে উপাধ্যক্ষ শ্ৰদ্ধাৰ সুৰেশ দাস ছাৰৰ উপৰিও ৰবিন চন্দ্ৰ কোঁৱৰ ছাৰ, কমলাৱতী দাস বাইদেউ, সোণমাই বৰা বাইদেউ, বিমলা প্ৰসাদ ফুকন ছাৰ, তুলসী গগৈ ছাৰ আৰু গিৰিণ গগৈ ছাৰ (নাম সমূহ পাছতহে গম পাইছিলোঁ) । অধ্যক্ষ বৰগোহাঁই ছাৰে সুধিলে Economics Honours লৈ পঢ়িব পাৰিবিনে ? মই পাৰিম বুলি কলোঁ । সোণমাই বৰা বাইদেৱে ক'লে চোলাৰ ওপৰৰ বুতামটো কিয় খুলি আহিছো বুলি সুধিলে । উৎকট গৰমত ঘামি থকাৰ বাবে ওপৰৰ বুতামটো খুলি থৈছিলোঁ । বাইদেউক উত্তৰটো দিবলৈহে পালোঁ, পুনৰ ক'লে --- গৰম উঠিলে বুলি কি গোটেই কাপোৰ খুলি আহিবা নেকি ? ফুকন ছাৰে সুধিলে ভাৰতত জনসংখ্যাৰ পিয়ল কিমান বছৰৰ ব্যৱধানত হয় ? যি কি নহওক, অৱশেষত Admission হ'ল । Economics ত Honours আৰু Political Science ক Pass Course হিচাপে লৈ কলেজীয়া শিক্ষা আৰম্ভ কৰিলোঁ । মোৰ দেউতা ৰুগীয়া হোৱাৰ বাবে আৰু মোৰ দাদা আৰু বাইদেৱে ক্ৰমে যোৰহাট চি.কে.বি. কমাৰ্চ কলেজ আৰু ডিগবৈ কলেজত Admission লোৱাৰ বাবে মোৰ ওপৰত ঘৰৰ দায়িত্বও কিছু পৰিমাণে আছিল । বাকী ভাই-ভনী কেইটা স্কুলত পঢ়ি আছিল । সাপেখাটী আৰু সোণাৰিৰ মাজত সেইসময়ত যোগাযোগৰ বাবে একমাত্ৰ ব্যৱস্থা আছিল সাপেখাটীৰ পৰা যোৰহাটলৈ চলা পৰিবহন নিগমৰ বাছখন যিখন পুৱা সাপখাটীৰ পৰা যাত্ৰা কৰি সন্ধিয়া ঘূৰি আহি পাইহি । গতিকে কলেজলৈ অহা যোৱাৰ মোৰ একমাত্ৰ অৱলম্বন আছিল চাইকেল । সাপেখাটীৰ পৰা ধোদৰ আলিয়েদি বেঙেনাবাৰী হৈ অথবা সাপেখাটীৰ পৰা লংপটীয়া হৈ অথবা সাপেখাটীৰ পৰা ৰহণ, ভজো হৈ নাহৰ আলিয়েদি সলনা-সলনিকৈ প্ৰায় ২২-২৪ কিলোমিটাৰ চাইকেল চলাই সোণাৰি কলেজলৈ যাওঁ । গ্ৰেভেল ৰোড, বোকা-পানীটো আছেই । চাইকেলৰো



অৱস্থা বেয়া হয় । পুৱা ৮ বজাৰ পৰা অনাৰ্চৰ ক্লাচ আৰম্ভ হয় । মোৰ হিচাপ হৈ গৈছিল --- যিটো ৰাস্তাৰে নাযাওঁ কিয়, চাইকেলেৰে ঘৰৰ পৰা কলেজলৈ ১ ঘণ্টা ৩০ মিনিটৰ পৰা ১ ঘণ্টা ৪০ মিনিট সময় লাগে । সেয়ে, পুৱা ৬.৩০ বজাৰ আগে আগে মায়ে খকা-মকাকৈ ৰান্ধি দিয়া ভাতমুঠি খাই কলেজলৈ ওলাওঁ । গৰম দিনত ঘামি-জামি ক্লাচত সোমাওঁ পুনৰ ২ মান বজাত প্ৰখৰ ৰ'দত উভতনি যাত্ৰা। ঠাণ্ডা দিনত কলেজ পাওঁতে চুলি কুঁৱলীত বগা হৈ পৰে । সেই সময়ত মোৰ পেহাৰ ল'ৰা দাদা সাপেখাটীৰ ˝ আদিত্য খাটনিয়াৰ সোণাৰিৰ SDC Office ৰ কেৰাণী আছিল । দাদাৰ সোণাৰিত অকণমান মাটি আছিল য'ত বাহেঁৰে চাৰিটা সৰু সৰু কোঠালী আছিল, ওপৰত টিং, চিলিংৰ ব্যৱস্থা নাই । পোহৰ বুলিবলৈ হাৰিকেন বা টেবুল লেম্প আৰু কেৰাচিন তেলৰ চাকি । দাদা চাকৰি সূত্ৰে গোলাঘাটলৈ বদলি হ'ল । মই কোৱাত তাৰে কোঠা এটা ল'ব পাৰিবি বুলি ক'লে । সেইমতে, এটা ৰুম বন্দোবস্থ কৰিলোঁ । সপ্তাহত দুদিনমান থাকোঁ । ঘৰুৱা অসুবিধাৰ বাবে বাকীকেইদিন ঘৰৰ পৰা অহা-যোৱা কৰোঁ । শেষলৈ চাইকেলৰ চকাৰ পাম্পচাৰ মাৰি ভাগৰি পৰাত ৰিক্সাৰ টায়াৰ লগাই ললোঁ । চাইকেল গেধেপা হ'ল । জীমখানা ক্লাৱৰ একেবাৰে দক্ষিণ-পূৱত বাৰণ্ডাৰ লগত সংলগ্ন ৮ বৰ্গফুটৰ এটি কোঠা । তিনিযোৰা ডেস্ক-বেঞ্চ, এযোৰ টেবুল-চকী, কাষতে এখন ব্লেক বৰ্ড । এইটোৱেই আছিল অনাৰ্চৰ ক্লাচ ৰুম। লৰা-ছোৱালী মাত্ৰ ৭ টা । পাছলৈ সংখ্যা কমি গ'ল । ঘনকান্ত চেতিয়াফুকন, তিলোত্তমা গগৈ, বন্দনা তামুলী আৰু মই ---- এই চাৰিজনেই বেছিকৈ ক্লাচত উপস্থিত আছিলোঁ । শ্ৰী যুত বিমলা প্ৰসাদ ফুকন ছাৰে Principles of Economics, History of Economic Thought আৰু Public Finance, শ্ৰী যুত জীৱেন্দ্ৰ কুমাৰ শইকীয়া ছাৰে Statistics আৰু North-East Economics, শ্ৰীযুত অৰ্পণ কুমাৰ বৰুৱা ছাৰে Money, Banking and International Trade, Public Finance আৰু Indian Economy, পঢ়াইছিল । কলেজৰ অধিকাংশ ল'ৰাৰ তুলনাত মই একেবাৰে সৰুফুটীয়া আছিলোঁ । B A 2nd Year টো বাদেই, Pre-degree 2nd Year ৰ ছাত্ৰ সকলকো মাতিবলৈ ভয় লাগে । কোনজন কোন ক্লাচৰ বুজিবলৈকে অসুবিধা হয় । গতিকে অলপ আঁতৰি আঁতৰি ফুৰোঁ । কিন্তু তাৰ মাজতে এদিন ফাকত পৰিলোঁ । কাষতে থকা বাঁহেৰে নিৰ্মিত কেণ্টিনত এদিন খাবলৈ যাওঁতে কেইজনমানৰ মুখামুখী হওঁ । 2nd Year ৰ ৰুমলৈ মাতি পঠালে । কেণ্টিনৰ পৰা বাহিৰে বাহিৰে নিৰ্দিষ্ট স্থানত উপস্থিত হওঁ । তাত কেইবাগৰাকী ছাত্ৰ-ছাত্ৰী বেচ গপচত বহি আছিল । নাম-ধাম সুধিলে । পঢ়াৰ বাদে আন কিবা জানো নেকি সুধিলে । স্কুলত থাকোঁতে নাটক কৰিছিলোঁ বুলি কলোঁ । ক'বলৈহে পালোঁ, নাটকৰ বচন মাতিব লাগে। অকণমান আওৰালো । উত্তৰ আহিল -- হ'ব, ভালকৈ পঢ়িবি । ইমান দিনে পুঁহি ৰখা ভয়-সংকোচ আঁতৰি গ'ল । এয়েই আছিল নেকি সেই সময়ৰ ৰেগিং । এনে ৰেগিংএ দেখোন আন্তৰিকতা বঢ়াই তোলে । কিন্তু, আজিকালি ৰেগিং এক মাৰাত্মক ব্যাধিত পৰিণত হৈছে । সেই দলটোত থকা সকলোৰে নাম আৰু চেহেৰা মনত নাই । তথাপি দুজনমানৰ চেহেৰা মনত ৰৈ গ'ল । সেই সকলৰ ভিতৰত আছিল প্ৰয়াত বিদ্যাধৰ বৰগোহাঁই (উক্ত বৰ্ষত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হয় ), শ্ৰী দ্বিজেন বৰঠাকুৰ, শ্ৰী ভুপেন গগৈ, শ্ৰী সহদেৱ শইকীয়া, প্ৰয়াত পুতুল গগৈ (শ্বহীদ পুতুল গগৈ), শ্ৰী মতী অঞ্জনা গগৈ । শ্ৰী সহদেৱ শইকীয়াক স্কুলতে পাইছিলোঁ । দ্বিজেন বৰঠাকুৰ আৰু অঞ্জনা গগৈ (মই অঞ্জনা বাইদেউ বুলি মাতোঁ) দুয়ো আমাৰ লগত একে লগে B A 1st Year ত পঢ়ি আছে । অথচ চিনিয়ৰ কিজনৰ লগহে মোক ৰেগিং কৰিলে । পাছলৈ দ্বিজেন বৰঠাকুৰ এনে বন্ধু হৈ পৰিল যে দুয়ো দুয়োকে তই সম্বোধন কৰিবলৈ ধৰিলোঁ । একে শ্ৰেণীতে পঢ়া আন কেইগৰাকীমান

ছাত্ৰ-ছাত্ৰীৰ লগত অধিক ঘনিষ্ঠ হৈ পৰিছিলোঁ । সেই সকলৰ ভিতৰত সমীৰ সেন, সুৱল দেৱ, ৰুমী কোঁৱৰ, ভাৰতী দেৱী, বাবুল সেনগুপ্তা, ৰত্না সেনগুপ্তা, অজিত বৰদলৈ আদিৰ নাম মনলৈ আহিছে ।

সেইসময়ত ছাৰসকলৰ পঢ়োৱা আজিও মনত সজীৱ হৈ আছে । Standard Deviation নিৰ্ণয় কৰোঁতে আমি কোনেও বৰ্গমূল উলিয়াব নাজানিছিলোঁ । জীৱন শইকীয়া ছাৰে লাজ দি ক'লে, স্কুলত ভাইটি-ভন্তী হঁত পঢ়ি আছে নহয়, সিহঁতক দেখুৱাই দিবলৈ ক'বা । অৰ্পন বৰুৱা ছাৰৰ ক্লাচ নিয়মিতভাৱে আছিল । দাস ছাৰৰ Political Science বুজোৱাৰ ধৰণ ইমান সুন্দৰ আছিল যে শুনি থাকিবৰ মন যায় । তেখেতে Comperative Constitution পঢ়ুৱাওতে ইংলেণ্ড, আমেৰিকা আৰু ভাৰতৰ সংবিধানৰ সাদৃশ্য আৰু বৈ-সাদৃশ্য ৰোৰ্ডত একেলগে তিনিটা ভাগ কৰি ইমান সুন্দৰকৈ বুজাইছিল যে পুনৰ কিতাপ মেলাৰ প্ৰয়োজন নাই । কোঁৱৰ ছাৰৰ ইংৰাজীৰ ক্লাচত কিছুমান ছাত্ৰ-ছাত্ৰীয়ে আমনি পোৱা যেন অনুমান হয় । ছাৰে বিশ্লেষণৰ বাবে উপমা-পটন্তৰ ব্যৱহাৰ কৰে, কোনোবা সময়ত সৰুকৈ কয় । মই আগবেঞ্চত বহি মনোযোগেৰে শুনো। সোণমাই বৰা বাইদেৱে পঢ়ুৱা বলিচলন, ৰতি বাইদেৱে পঢ়ুৱা কাঠনিবাৰীৰ ঘাট আজিও মনত আছে । বিনন্দ মহন ছাৰে 'তোমাৰ এই হিঁয়াখনি জেতুকা পাতৰ দৰে' বৰ্ণনা কৰোঁতে জেতুকা পাতৰ বাহ্যিক আৰু অন্তৰ্নিহিত ৰঙৰ সৈতে কবিয়ে উল্লেখ কৰা প্ৰেয়সীৰ হিঁয়াৰ তুলনা সুন্দৰ ভাৱে উপস্থাপন কৰিছিল । ৰাজনৈতিক তত্ত্বৰ কথাবোৰত থকা দাৰ্শনিক ধাৰণা বিলাক বুজিবলৈ সময় লাগিছিল । তুলসী গগৈ ছাৰৰ সহজ বিশ্লেষণ বিলাক মনোযোগেৰে শুনিছিলো । জুনু মহন্ত বাইদেউৰ ইংৰাজী ক্লাচ ভালো লাগিছিল ভয়ো লাগিছিল । বাইদেৱে মাজে মাজে প্ৰশ্ন সোধে । এদিন would ৰ ব্যৱহাৰ সম্পৰ্কে সোধাত সঠিক উত্তৰ দিব নোৱাৰাত লাজত পৰিব লগা হৈছিল । 2nd Year ৰ শেষলৈ শ্ৰী যুক্তা স্মৃতিৰেখা মহন বাইদেউ আহিছিল । আমাক Local Self Government অতি সুন্দৰকৈ পঢ়াইছিল ।

সেইসময়ত কিতাপ বুলিবলৈ হাতত বিশেষ নাছিল । দুই-এখন গোটাই লৈছিলোঁ । অধিকাংশ সমল ছাৰ-বাইদেউ সকলে ক্লাচত কোৱা কথাবিলাক যিবিলাক একেখন বহীতে খৰকৈ টুকি গৈছিলোঁ। লাইব্ৰেৰী কাৰ্ড এখন দিছিল । লাইব্ৰেৰী বুলিবলৈ বিশেষ নাছিলেই । সামান্য সংখ্যক কিতাপলৈ লাইব্ৰেৰীয়ান শ্ৰদ্ধাৰ বাণী বাইদেউ আৰু সহযোগী ফণী দত্ত থাকে । এই লাইব্ৰেৰীৰ প্ৰসঙ্গতে মোৰ কলেজীয়া জীৱনৰ আটাইতকৈ স্মৰণীয় ঘটনাটো ঘটিল । দ্বিতীয় বৰ্ষত ভাবিলোঁ লাইব্ৰেৰীৰ পৰা কিতাপ দুখনমান পঢ়িবলৈ আনোঁ । কিন্তু মোৰ লাইব্ৰেৰী কাৰ্ডখন বিচাৰি নাপালোঁ । গতিকে, এখন ডুপ্লিকেট (?) কাৰ্ড বিচাৰি অধ্যক্ষ মহোদয়ক এখন দৰ্খাস্ত দিয়াৰ কথা ভাবিলোঁ । মই কলেজত ইংৰাজী মাধ্যম গ্ৰহণ কৰিছিলোঁ । সেয়ে দৰ্খাস্তখন ইংৰাজীত লিখি অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁই ছাৰক দিবলৈ গলোঁ । ছাৰৰ ওচৰলৈ অকলে যাবলৈ ভয় কৰি সহপাঠী ঘনক লগ ধৰিলোঁ । ছাৰৰ অফিচৰ বাহিৰতে ঘন ৰৈ দিলে । মই সোমাই গলোঁ । ছাৰে কি হ'ল বুলি সুধিলে । মই লাইব্ৰেৰী কাৰ্ডখন হেৰুৱা বাবে এখন ডুপ্লিকেট কাৰ্ড বিছাৰিছো বুলি দৰ্খাস্তখন আগবঢ়াই দিলোঁ । ছাৰে কাগজখন হাতত লৈ জোৰেৰে টেবুলত থৈ মোক ধমক দিলে । এইখন দৰ্খাস্ত লিখিছ? এটা শব্দও শুদ্ধকৈ লিখিব পৰা নাই । অসমীয়াত লিখি আন । মই কিং কৰ্তব্য বিমোৰ হৈ পৰিলোঁ । ইফালে বাহিৰত ঘন ৰৈ আছে । মই যথেষ্ট লাজো পালোঁ। ঘনক ক'লোঁ মই আৰু ক্লাচ নকৰোঁ; ভাড়াঘৰৰ ৰুমলৈ গুচি আহিলোঁ। বিছনাত পৰি আকাশ-পাতাল ভাবিবলৈ ধৰিলোঁ। আবেলি কাষৰ ৰুমতে থকা SDC Office ৰ মহন দাদাক ঘটনাটো কলোঁ। প্ৰায় সিদ্ধান্তই লৈ পেলালোঁ, মই আৰু নপঢ়োঁ । নিজৰ ওপৰতে ধিক্কাৰ জন্মিল। ইমান দিনে কি শিকিলোঁ । ইংৰাজী মাধ্যমত অনাৰ্চত কেনেকৈ পৰীক্ষা দিম? সেই সময়ত ৰজাধাপত থকা আমাৰ আত্মীয় সভাপণ্ডিতৰ ঘৰৰ নিলমণি দাদাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ইংৰাজীত প্ৰিভিয়াচ পৰীক্ষা দি আহিছিল । চাইকেলখনলৈ তেখেতসকলৰ ঘৰ ওলালোগৈ । নিলমণি দাদাক দৰ্খাস্তখন দেখুৱাই ভুলখিনি চাই দিবলৈ কলোঁ । তেখেতে সৰ-সুৰা দুই এটা ভুল দেখুৱাই বিশেষ একো ভুল নাই বুলি কোৱাত কাহিনীটো ক'লো । তেখেতে কলে, আচলতে এইখন দৰ্খাস্ত হোৱা নাই । তুমি এইখন ৰচনা লিখিছা । ব্যস্ততাত থকা মানুহে এইখন পঢ়ি নাচায়। মই সাহস পালোঁ। নিজৰ ওপৰত কিছু পৰিমাণে বিশ্বাস ঘূৰি আহিল। এই ঘটনাটোক এক প্ৰত্যাহ্বান হিচাপে লৈ আগবাঢ়িলোঁ ।

B.A. Final পৰীক্ষাৰ আগত Test পৰীক্ষা এটা হৈছিল । সেই পৰীক্ষাৰ দিন চমু চাপি আহিল । কিন্তু, মোৰ preparation হোৱা নাই । সেইকাৰণে এদিন জীৱন শইকীয়া ছাৰক ক'লো , মই drop দিম বুলি ভাবিছোঁ । ছাৰে ধমক দিয়াৰ সুৰতে ক'লে —"drop দি কেইটাই ভাল ৰিজাল্ট কৰিছে ? সেইবোৰ ধাণ্ডা বাদ দিয়া ।" গতিকে উপায় নাই , অৱশেষত পৰীক্ষা দিলোঁ । সোণাৰি মহাবিদ্যালয়ত পঢ়ি থাকোতেই ছাত্ৰ আন্দোলনৰ লগত সাঙুৰ খাই পৰোঁ । ১৯৭৯ চন, মই তেতিয়া সাপেখাটী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰ । অসমলৈ বছৰ বছৰ ধৰি অবৈধভাৱে অনুপ্ৰৱেশ হৈ থকা বিদেশী নাগৰিকৰ (বিশেষকৈ বাংলাদেশ আৰু নেপালৰ পৰা) ফলস্বৰূপে অসমৰ ভাষা-সংস্কৃতি, অসমীয়া মানুহৰ অস্তিত্ব বিপদাপন্ন হৈছে বুলি অনুভৱ কৰি এই অনুপ্ৰৱেশৰ বিৰুদ্ধে সদৌ অসম ছাত্ৰ সন্থা গৰজি উঠিল । চৰকাৰৰ ওচৰত দাবী উত্থাপিত হ'ল — অবৈধ বিদেশী নাগৰিকক চিনাক্ত কৰি বহিস্কাৰ কৰিব লাগে । "অবৈধ বিদেশী নাগৰিক বহিস্কৰণ আন্দোলন (অসম আন্দোলন হিচাপে খ্যাত)" এই আন্দোলন ক্ৰমাৎ তীব্ৰতৰ হ'বলৈ ধৰে । সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান ক্ৰমে ৰাজ্যৰ বিভিন্ন স্তৰৰ মানুহৰ লগতে সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলেও আন্দোলনৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিল । সেই অনুসৰি প্ৰতিবাদী শোভাযাত্ৰা, SDC Office সন্মুখত ধৰ্ণা দিয়া আদি কাৰ্যসূচী সমূহত অংশ গ্ৰহণ কৰিছিলোঁ । সেই দিনবিলাকত ক্লাচ সমূহ খতি হৈছিল । দুবছৰীয়া পাঠ্যক্ৰম সম্পূৰ্ণ হোৱাৰ পাছত চুড়ান্ত পৰীক্ষা অনুষ্ঠিত হ'ব লাগিছিল; কিন্তু, ধাৰাবাহিকভাৱে চলি থকা আন্দোলনৰ কাৰ্যসূচীৰ বাবে যথাসময়ত পৰীক্ষা অনুষ্ঠিত নহ'ল । ১৯৮১ চনত অনুষ্ঠিত হ'ব লগা পৰীক্ষা ১৯৮২ চনত অনুষ্ঠিত হ'ল । যিকিনহওক, সোণাৰি মহাবিদ্যালয়ত ছাত্ৰ জীৱনৰ তিনিটা বছৰ পাৰ কৰি ১৯৮২ চনৰ চেপ্তেম্বৰ মাহত ইয়াৰ পৰা ওলাই যাওঁ । ১৯৮৫ চনত এম.এ পাছ কৰাৰ পাছত এদিন আপোন মহাবিদ্যালয় খনিলৈ আহি ছাৰ-বাইদেউ সকলৰ লগত সৌহাৰ্দ্যমূলক সাক্ষাৎ কৰিলোঁ । সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে সেই সময়ৰ ডুখৰীয়া স্মৃতি সততে মনলৈ ভাঁহি আহে ।

কোনোদিনে ভবা নাছিলোঁ যিসকল শিক্ষাগুৰুৰ শিক্ষা আৰু আশীষ লৈ উচ্চতৰ শিক্ষাৰ প্ৰথম খোজটো দিছিলোঁ, সেইসকল শ্ৰদ্ধাৰ শিক্ষাগুৰুৰ সৈতে একেখন মহাবিদ্যালয়ত সহকৰ্মী হিচাপে নিয়োজিত হ'ম । ১৯৮৫ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতিত এম.এ পাছ কৰাৰ দুটা মাহৰ পাছতে গোলাঘাট জিলাৰ কমাৰগাঁও মহাবিদ্যালয়ত প্ৰৱক্তা হিচাপে নিযুক্তিপত্ৰ লাভ কৰোঁ । উক্ত মহাবিদ্যলয়ত চাৰি বছৰৰ অধিক কাল শিক্ষকতা বৃত্তিত জড়িত হৈ ছাত্ৰ-ছাত্ৰী তথা অঞ্চলটোক আপোন কৰি লৈছিলোঁ । এনেতে বাতৰি কাকতত বিজ্ঞাপন দেখিলোঁ । সোণাৰি মহাবিদ্যালয়ত অৰ্থনীতি বিভাগত এটা পদৰ বাবে আবেদন পত্ৰ বিচাৰিছে । ভাবিলোঁ, ঘৰৰ পৰা ওচৰত হ'ব, গতিকে আবেদন কৰোঁ । কিন্তু, উক্ত মহাবিদ্যালয়ৰ সেইসময়ৰ সহকৰ্মী সকলে মোক এৰি

নিদিয়ে । সেয়ে, মই আবেদন কৰাৰ পৰা বিৰত থাকিলোঁ । কথাতে কয় নহয় যাৰ য'ত চাউল আছে তাতেহে হ'ব । পুনৰ বাতৰি কাকতত বিজ্ঞাপন প্ৰকাশ পালে, পূৰ্বৰ সাক্ষাৎকাৰ প্ৰক্ৰিয়া বাতিল কৰা হৈছে আৰু নতুনকৈ আবেদন পত্ৰ বিচাৰিছে । এইবাৰ মই নাচোৰবান্দা, মই আবেদন কৰিলোঁ । অৱশেষত ১৬ নৱেম্বৰ, ১৯৮৯ ত অৰ্থাৎ ৭ বছৰৰ মূৰত পুনৰ সোণাৰি মহাবিদ্যালয়ত প্ৰৱেশ কৰোঁ । মই শিক্ষা গ্ৰহণ কৰি থকা সময়ৰে পৰা পোৱা প্ৰতিস্থাপক অধ্যক্ষ শ্ৰী যুত গোলাপ বৰগোহাঁই ছাৰ, উপাধ্যক্ষ সুৰেশ দাস ছাৰ, শ্ৰীযুত ৰবিন চন্দ্ৰ কোঁৱৰ ছাৰ, শ্ৰীযুত বিমলা প্ৰসাদ ফুকন ছাৰ, শ্ৰীযুক্তা সোণমাই বৰা বাইদেউ, শ্ৰীযুত জীৱেন্দ্ৰ কুমাৰ শইকীয়া ছাৰ, কমলাৱতী দাস বাইদেউ, শ্ৰী যুত মানিক বৰুৱা ছাৰ, শ্ৰীযুক্তা ৰতিপ্ৰভা গগৈ বাইদেউ, বিনন্দ মহন ছাৰ, তুলসী গগৈ ছাৰ, শ্ৰীযুত মানিক গগৈ ছাৰ, শ্ৰীযুত গিৰিণ গগৈ ছাৰ আৰু শ্ৰীযুত অৰ্পন কুমাৰ বৰুৱা ছাৰৰ লগত একেলগে কাম কৰাৰ সৌভাগ্য ঘটিল । ক্ৰমাৎ মহাবিদ্যালয় খনৰ লগত মোৰ নিবিড় সম্পৰ্ক স্থাপন হ'ল । সম্পূৰ্ণ ৩২ বছৰ ৮ মাহ ১৫ দিন এই মহাবিদ্যালয়ত চাকৰি কৰাৰ অন্তত যোৱা ৩১ জুলাই, ২০২২ ত অৱসৰ গ্ৰহণ কৰোঁ ।

একালৰ ছাত্ৰ একেখন মহাবিদ্যালয়ত শিক্ষক হিচাপে নিযুক্ত হোৱাৰ পাছত মহাবিদ্যালয়ৰ প্ৰতিটো কামতে জড়িত হ'ব লগা হয় । মোৰ শিক্ষাগুৰু সকলৰ অনুৰোধ প্ৰত্যাখ্যান কৰিব নোৱাৰোঁ । শ্ৰীযুত গোলাপ বৰগোহাঁই ছাৰে বিভিন্ন কাৰ্যালয় সংক্ৰান্তীয় চিঠি প্ৰস্তুতৰ ক্ষেত্ৰত যেতিয়া কয় — 'দিলীপ, এই চিঠিখনৰ ড্ৰাফটো লিখি দিয়াছোন', মোৰ বৰ ভাল লাগিছিল । ছাৰৰ পাছত অধ্যক্ষ হিচাপে শ্ৰদ্ধাৰ সুৰেশ দাস ছাৰ, ৰবিন কোঁৱৰ ছাৰ, কমলাৱতী শইকীয়া বাইদেউ, ৰতি বাইদেউক পালোঁ । ইতিমধ্যে, এজন এজনকৈ মোৰ শিক্ষাগুৰু সকলে অৱসৰ গ্ৰ হণ কৰিলে আৰু নতুনৰ সংযোজন হ'ল । তাৰ পাছত শ্ৰদ্ধাৰ ৰাজেন তামুলী ছাৰে অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰে । কিয় নাজানো, তামুলী ছাৰৰ দিনতো ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰাৰ উপৰিও মোৰ দায়িত্ব নকমিল । এইবাৰ একেৰাহে ৭ বছৰ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সোণাৰি মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰৰ সমন্বয়কৰ দায়িত্ব পালন কৰিব লগা হ'ল য'ত শিক্ষাৰ এখন নতুন ক্ষেত্ৰৰ লগত নিজকে জড়িত কৰি যথেষ্ট আনন্দ অনুভৱ কৰিছিলোঁ। এই সময়ছোৱাত বিভিন্ন বয়সৰ, সমাজৰ বিভিন্ন ক্ষেত্ৰত বিভিন্ন দায়িত্ব পালন কৰি থকা বহু ব্যক্তিক সোণাৰি মহাবিদ্যালয়ৰ শিক্ষাৰ্থী হিচাপে পায় এক নতুন অভিজ্ঞতা লাভ কৰিলোঁ আৰু বহু নজনা কথা জানিবলৈ সুবিধা পালোঁ । তামুলী ছাৰৰ অৱসৰৰ পাছত শ্ৰদ্ধাৰ অৰ্পন বৰুৱা ছাৰক অধ্যক্ষ হিচাপে পালোঁ । শেহতীয়াকৈ বৰ্তমানৰ অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ ছাৰে মহাবিদ্যালয়ত যোগদান কৰাৰ পাছত বছৰৰ অধিক সময় উপাধ্যক্ষ হিচাপে নিয়োজিত হৈ কৰ্মক্ষেত্ৰৰ পৰা অৱসৰ গ্ৰহণ কৰোঁ ।

সোণাৰি মহাবিদ্যালয়ত পাৰ কৰা এই সুদীৰ্ঘ কৰ্মজীৱনত বহতো ছাত্ৰ-ছাত্ৰীক লগ পালোঁ । এই মহাবিদ্যালয়ৰ প্ৰায় তিনিটা দশকৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগত কেতিয়াবা বন্ধুত্বসুলভ ভাৱে, কেতিয়াবা কৰ্তৃত্বমূলক ভাৱে পাৰ কৰিছিলোঁ । বিশেষকৈ, উপাধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত বিভিন্ন সভা-সমিতি বিলাকত ছাত্ৰ-ছাত্ৰী সকলৰ আগত এই মহাবিদ্যালয়ৰ গৌৰৱউজ্জ্বল ইতিহাস আৰু এই মহাবিদ্যালয় খনৰ লগত মোৰ সম্পৰ্ক জনাবলৈ পাই সুখ অনুভৱ কৰিছিলোঁ । সঁচাঅৰ্থত, সোণাৰি মহাবিদ্যালয় হ'ল মোৰ শিক্ষাৰ স্থলী, মোৰ জীৱন-জীৱিকাৰ অৱলম্বন। ছাত্ৰজীৱন আৰু কৰ্মজীৱনৰ প্ৰায় ৩৫/৩৬ বছৰ ঘনিষ্ঠভাৱে জড়িত হৈ থকা এই মহাবিদ্যালয়খন মোৰ অতিকৈ আপোন। অনাগত দিনত এই মহাবিদ্যালয়ে উচ্চতৰ শিক্ষাৰ জগত খনত এক লেখত ল'বলগীয়া স্থান দখল কৰক। সেই শুভকামনাৰে —— জয়তু সোণাৰি মহাবিদ্যালয়।

ঃঃঃঃ



# স্মৃতিৰ সুবাস

ৰমা কোঁৱৰ
প্ৰাক্তন ছাত্ৰ - ১৯৮০

১৯৭০ চনৰ ৫ আগষ্টত প্ৰতিষ্ঠা লাভ কৰা গৌৰৱ উজ্জ্বল সোণাৰি মহাবিদ্যালয়ৰ সোণালী জয়ন্তী। আমি পঢ়ি অহা মহাবিদ্যালয়ত আজিৰ পৰা পাঁচ দশকৰ আগৰ সময়। সৰু চহৰ সোণাৰি। এই ঠাইত গঢ়ি উঠিছিল এক মাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান সোণাৰি মহাবিদ্যালয়। যিসকল শিক্ষানুৰাগী অগ্ৰণী ব্যক্তিয়ে শিক্ষা অনুষ্ঠানটি গঢ় দিয়াত আগভাগ লৈছিল, এই ক্ষণত সকলোকে আন্তৰিক শ্ৰদ্ধা জনাইছোঁ।

প্ৰাক্তন ছাত্ৰ হিচাবে মন দাপোনত বজ্ৰলেপৰ দৰে কিছু ঘটনা-পৰিঘটনাৰ, সুখানুভুতিৰ ৰোমন্থন হয়। কলেজীয়া জীৱনৰ পোৱা-নোপোৱাৰ সুখ-দুখৰ অনুভৱ শব্দৰে গাথি শেষ কৰিব নোৱাৰি। তথাপি মনত থকা স্বপ্ন, বাস্তৱ টুকুৰাৰে লেখাৰ ক্ষুদ্ৰ প্ৰয়াস। বহ ভিতৰুৱা গাঁৱত আমাৰ জন্ম। আমাৰ অঞ্চলটোৰ বাট পথ, আলি পদুলিবোৰ তেতিয়া জৰাজীৰ্ণ। যাতায়তৰ ব্যৱস্থা সুচল নাছিল। একমাত্ৰ যাত্ৰীবাহী ৰেলখনেই আমাৰ যোগাযোগৰ সম্বল। কলেজত পঢ়িব পৰাকৈ আমাৰ আৰ্থিক অৱস্থাত ভাল নাছিল। উচ্চ শিক্ষাৰ লাভৰ অদম্য ইচ্ছা আৰু আই, পিতাইৰ প্ৰেৰণাত সকলো বাধা অতিক্ৰম কৰি ১৯৮০ চনত স্নাতক মহলাত নামভৰ্তিৰে এই মহাবিদ্যালয়ত পঢ়াৰ সৌভাগ্য হৈছিল। কব নোৱাৰাকৈ কমদিনৰ ভিতৰতে কলেজৰ শিক্ষক কৰ্মচাৰী আৰু শিক্ষাৰ্থীৰ সংস্পৰ্শলৈ আহি ধন্য হৈছিলো। অভিভুত হৈ পৰিছিলো। এক প্ৰাণস্পন্দনশীল আদলুৱা অনুভূতিৰ। আশাৰ চাকি পোহৰৰ সন্ধানত পলে পলে আগুৱাই গৈছিলে, বাটকটীয়া বিচাৰি। মই নামভৰ্তি কৰা বৰ্যত ৰাজনীতি বিজ্ঞানৰ মেজৰ বিষয়টো প্ৰথম আৰম্ভ হৈছিল। নতুনকৈ আৰম্ভ হোৱা শ্ৰেণী। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম আছিল। মোৰ যিমানদুৰ মনত পৰে প্ৰথম বাৰত আমি দুজন ছাত্ৰহে ৰাজনীতি বিজ্ঞানৰ অনাৰ্চ সহ উত্তীৰ্ণ হৈছিলোঁ।

আমি পঢ়া সময়ৰ কথা। এটি সৰু খেৰ বাঁহেৰে নিৰ্মিত কাৰ্য্যালয়। কাষতে শিক্ষাগুৰুৰ বহা কোঠা। অধ্যক্ষৰ বাবেও সংলগ্ন কোঠা। আমাৰ বাবে শ্ৰেণী কোঠা বৃটিছৰ দিনৰ সেই পুৰণি ঘৰটো। জিমখানা ক্লাব। আধুনিকতাৰ ধামখুমীয়াত সেই ঘৰটো এতিয়া নাই। তাক ভাঙি পেলোৱা হ'ল। স্মৃতিৰ অনেক টুকুৰা হয়তু তাতেই পৰি থাকিল। ঘৰটোৰ বহু স্মৃতি অন্তৰৰ গভীৰতম কোণত সজীৱ আৰু স্পন্দনময় ৰূপত দোলা দি থাকে। কাৰণ শ্ৰেণী কোঠাৰ উমাল উত্তাপত চিন্তা আৰু সৃষ্টিৰ নতুন দিগন্তৰ বাট বিচাৰি পাইছিলো। হিয়া দিয়া নিয়া পোৱা-নোপোৱাৰ জীৱন যৌৱনৰ ঘটনা পৰিঘটনাবোৰ সজাবলৈ বাট বিচাৰি পাইছিলো।

পঢ়ি থকা সময়ছোৱাত শিক্ষাগুৰু আৰু সহপাঠীৰ সান্নিধ্যত চিন্তাবোৰ সজীৱ আৰু জীপাল হৈ পৰিছিল। শ্ৰেণীকোঠাত ৰাজনীতি বিজ্ঞানৰ মূৰব্বী অধ্যাপক প্ৰয়াত সুৰেশ দাস চাৰৰ সাৱলীল কণ্ঠৰ পাঠদানে আমাক আকৰ্ষিত কৰিছিল। তেখেত আছিল সুন্দৰ, সুঠাম, শব্দৰে সুগমতা আনিব পৰা ব্যক্তিত্বৰ গৰাকী। সহযোগী অধ্যাপক প্ৰয়াত তুলসী গগৈ চাৰক অতি ঘনিষ্টভাৱে লগ পাইছিলো। হাঁহিৰ খোৰাক দিব পৰা

তেখেত আছিল ভাল ৰাজনৈতিক বিশ্লেষক। এবাৰ শ্ৰেণী কোঠাত আমাৰ সহপাঠী এজন অন্যমনস্ক হৈ থকা দেখি এক আমোদ সৃষ্টিৰে কৈছিল - "এওঁ মানে চকুৰে দেখা নাই মনেৰেহে দেখিছে।" কেতিয়াবা কৈছিল — চেনী আৰু গুৰ দুয়োবিধ দ্ৰব্য মিঠা। কিন্তু কোনটোবা কেনেকুৱা মিঠা। তাৰপিছত নিজেই হাঁহে, আমাকো হুহঁৱাই। ৰাজনীতি বিজ্ঞানৰ শিক্ষক শৈলেন ফুকন ছাৰক কিছুদিনৰ বাবে এইখন মহাবিদ্যালয়তে লগ পোৱাৰ সুযোগ ঘটিছিল। অৰ্থনীতিৰ শিক্ষণত শিক্ষাগুৰু হিচাবে শ্ৰদ্ধেয় জীৱন শইকীয়া ছাৰ, বিমলা ফুকন ছাৰ আৰু অৰ্পন বৰুৱা ছাৰক সদায় স্মৰণ কৰিব লাগিব। ইংৰাজী বিষয়ত ৰবিন কোঁৱৰ ছাৰ। সহনশীলতা, কোনো কথা জটিল ভাৱে নোলোৱা ছাৰৰ মহৎ গুণ। তেখেত আমাৰ শ্ৰদ্ধাৰ আৰু আদৰৰ। অসমীয়া বিভাগৰ গুৰু দায়িত্বত বিনন্দমোহন ছাৰ, সোণমাই বাইদেউ আৰু ৰতি বাইদেউ আমাৰ বাবে সদায় আদৰণীয় আছিল। বুৰঞ্জী, শিক্ষাতত্ব মই বিষয় হিচাবে লোৱা নাছিলো যদিও সেই বিষয়ৰ শিক্ষাগুৰু সকলৰ সান্নিধ্য আৰু পৰামৰ্শ সদায় আমাৰ লগত আছিল। বুৰঞ্জী অধ্যাপক শ্ৰদ্ধাৰ গিৰিণ গগৈ ছাৰ আৰু মানিক গগৈ ছাৰক ঘৰুৱাভাৱে পাইছিলো। গিৰিণ গগৈ ছাৰৰ বাইদেউৰ স্মৃতি এই মুহূৰ্ত্তত সোঁৱৰিছো। তেখেত ছাত্ৰবাসৰ আবাসীৰ খা-খবৰ লবলৈ পাহঁৰা নাছিল। শিক্ষাতত্ব বিভাগৰ, অধ্যাপক শিক্ষাগুৰু মানিক বৰুৱা আৰু ৰাণু মহন্ত বাইদেউক ওচৰৰ পৰা পাইছিলো।

কলেজ চৌহদৰ ভিতৰত এটি সৰু ছাত্ৰবাস। খেৰ বাহৰ। আমি তাতে আছিলো। এতিয়া চাৰ চিন-চাব নাই। ছাত্ৰবাসৰ কাষতে গিৰিণ গগৈ ছাৰৰ আৱাসগৃহ। তেতিয়াদিনত ছাত্ৰ আৱাসৰ তেখেত অধ্যাপক। গুৰু গম্ভীৰ ছাৰক আমি সমীহ কৰি চলিছিলো। আৱাসৰ ইটো মূৰে বৰ্ত্তমানৰ কলেজ প্ৰেক্ষাগৃহৰ কাষতে ৰবিন কোঁৱৰ ছাৰ আৰু ৰতিবাইদেউৰ আৱাস গৃহ। দুয়োটা পৰিয়াল আমাৰ আপোন আৰু ঘনিষ্ঠ আছিল। হোষ্টেলৰ সমীপতে আৱাস গৃহ হোৱাত কোঁৱৰ ছাৰ আৰু ৰতি বাইদেউ পৰিয়ালৰ লগত আত্মীয়তা গঢ়ি উঠিছিল। ৰবিন কোঁৱৰ ছাৰৰ বাইদেউৱে আমাক বহুত মৰম কৰিছিল। বাইদেউ এগৰাকী আদৰ্শৱান গৃহিণী। তেখেতৰ আদৰণীয় কিছুমান কথা বাৰ্ত্তাত মই ব্যক্তিগতভাৱে অনুপ্ৰাণিত হৈছিলো। এনেবোৰ স্মৃতি সোঁৱৰি ভাল লাগে। আনন্দ পাওঁ।

জ্ঞান হবৰে দিন ধৰি সাম্প্ৰতিক সময়ৰলৈকে বহু গুণী জ্ঞানী আদৰ্শৱান পুৰোধা ব্যক্তিৰ সান্নিধ্যত হয়তু আমাৰ জীৱন ধন্য হৈছে। আন্ধাৰৰ পৰা পোহৰৰ বাট দেখা পাইছোঁ। বহুজনৰ মাজত অনন্য। জীৱনৰ বাটকটীয়া। মোৰ পুজনীয়। শিক্ষাগুৰু গোলাপ গোহাঁই ছাৰৰ বিষয়ে নিলিখিলে এই লেখা আধৰুৱা হৈ ৰব। ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন। চৌদিশে আন্দোলনৰ ঢৌ। আমি আন্দোলনত সক্ৰিয়ভাৱে জৰিত হৈ পৰিছিলো। মোৰ সেই সময়ত সহপাঠী প্ৰয়াত দুৰ্গেশ্বৰ বুঢ়াগোহাঁই আছিল মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সম্পাদক। মই নিজে উপ-সভাপতি। আমাৰ সংগ্ৰামী জীৱন। সকলোৱে আমাক আন্দোলনকাৰী হিচাবে চিনি পোৱা হৈছিল। আমি সেই সময়ত মহাবিদ্যালয়ৰ ছাত্ৰ, শিক্ষক সকলোৰে লগত সম্পৰ্ক ৰাখিছিলো। আন্দোলনত জৰিত হৈ দেশ, জাতিৰ স্বাৰ্থত মোৰ লগতে আমাৰ পৰিয়ালটো নিৰ্যাতনৰ বলি হৈছিল। মানসিক দণ্ড আৰু অস্থিৰ মন। পঢ়া-শুনাত ব্যাঘাট। ছাৰৰ পৰা উৎসাহ আৰু সাহস নোপোৱা হলে স্নাতক বৰ্ষৰ চূড়ান্ত পৰীক্ষা দিয়া নহলহেঁতেন। এক প্ৰকাৰে পৰীক্ষা নিদিয়াৰ সিদ্ধান্ত লৈ পেলাইছিলো।

পৰীক্ষাৰ প-প্ৰত্ৰ পূৰণৰ সময় উকলি যাবৰ হৈছিল। ছাৰে কাৰ্য্যালয়লৈ মতাই আনি প-প্ৰত্ৰ পূৰণ



কৰিবলৈ কোৱাত মই বিবুধিত পৰিছিলো। কাৰণ সেই সময়ত মোৰ হাতত মাচুলৰ বাবে ধন নাছিল। ছাৰে সকলোখিনি দায়িত্ব ললে আৰু পৰীক্ষাৰ বাবে সাজু হবলৈ কলে। গোহাঁই ছাৰৰ তৎপৰতাত পৰীক্ষা দিলো আৰু পৰীক্ষাত উত্তীৰ্ণ হলো। ছাৰৰ মৰমৰ তাগিদা, স্নেহৰ ধাৰ কোনো দিন সুজিব নোৱাৰিম। তেখেতক এইক্ষণত ভক্তিভৰা শ্ৰদ্ধাৰে সেৱা জনাইছো। স্মৃতিৰ মন্থনত হোষ্টেলৰ আৱাসী, সহপাঠী বন্ধু আৰু সম-সাময়িক অগ্ৰজ আৰু অনুজৰ ছবিবোৰ এটি এটিকৈ ভাহি আহে। অভিপ্ৰেত কথাবোৰ অভিব্যাপ্ত। সময় আৰু প্ৰকাশৰ সীমাবদ্ধতাৰে হেতু সকলোৰে নাম লৈ লিখাৰ প্ৰয়াস নকৰিলো। এই মহেন্দ্ৰক্ষণত প্ৰাক্তন সুহৃদলৈ নমস্কাৰ জনাইছোঁ। যি য'ত যেনেকৈ আছে ভালে থাকক। ঈশ্বৰে মঙ্গল কৰক।

ꞏꞏꞏꞏꞏꞏ

# সোণাৰি মহাবিদ্যালয়ৰ পৰা ৰাষ্ট্ৰপতিৰ পদক প্ৰাপ্তিলৈকে এক পৰিক্ৰমা

হেমলতা বৰুৱা দত্ত
প্ৰাক্তন ছাত্ৰী - ১৯৮৩

১৯৮৩ চন। সাপেখাতী উচ্চতৰ মাধ্যমিকৰ অন্তিম শ্ৰেণী সামৰি সোণাৰি মহাবিদ্যালয়ত দুবছৰীয়া স্নাতক প্ৰথম বৰ্ষত নামভৰ্তি কৰিলো। নতুন কলেজ, নতুন শিক্ষাগুৰু, নতুন সহপাঠী, নতুন পৰিবেশ, সাপেখাতীৰ পৰা সোণাৰিলৈ বাছত অহা-যোৱা কৰাৰ বিচিত্ৰ অভিজ্ঞতা। পুৱা ৭বজাত সাপেখাটী শিৱসাগৰ ট্ৰেন্সপটত উঠি সোণাৰিত ৯ বজাৰ ক্লাচ। পিছবেলা ২ বজাৰ অৰ্থনীতিৰ পাঠ নোলোৱাকৈ (উক্ত শ্ৰেণীটো প্ৰায়ে নহৈছিল) ১.৩০ বজাৰ হাঁলৈদাৰ — 'হেই নামা আছে', বোলা চিএৰটোৰ সৈতে সনাসনি হৈ 'সোণাৰি নামৰূপ' ট্ৰেন্সপৰ্টত ওভতনি যাত্ৰা। তাৰ পিছত সাপেখাতী চাৰিআলিৰ পৰা ঘৰলৈ বাকী ৩ কি.মি. খোজকঢ়া। সেইখন বাছত নগলে গধূলি ৬ বজাত সাপেখাতী ট্ৰেন্সপটখনৰ বাদে বিকল্প আৰু নেথাকে। কেতিয়াবা দুপৰীয়াৰ বাছ নেথাকে, কেতিয়াবা গধুলিৰ খনো। ঠাণ্ডা দিনত ৰাতিহৈ যায়। নিশা ঘৰ সোমাই ৰন্ধা-বঢ়া কৰো, পুৱা সোনকালে উঠি পুনৰ ৰন্ধা-বঢ়া। মাৰ বয়স হৈছে।

বাৰিষা সাপেখাতীৰ পৰা বাছ যাব নোৱাৰে। দ দ গাত, একাঠু বোকা। বাছ চাৰিআলিত বৈ থাকে। ৭ বজাত যায়েই। গতিকে ৬ বজাতে ঘৰৰ পৰা খোজকাঢ়ি বোকাই বোকাই গৈ গাড়ীত উঠো। ঘূৰি আহি ঘৰ পাওঁতে লেবেজান হওঁ। বন্ধ পালে খেতিত লাগো, তাঁত লগাওঁ। আকৌ কলেজ লৈ যাওঁ। ৰসাল দিন, ৰসাল জীৱন চৰ্যা। অসমীয়া বিভাগৰ শ্ৰদ্ধেয়া ৰতিপ্ৰভা বাইদেউৰ বিৰক্তিহীন লালিত্যময় মধুৰ পাঠদান, হাঁহিভৰা ৰঙা বগা মুখৰ ৰবীন কোঁৱৰ চাৰৰ ইংৰাজীৰ পাঠদান, সুৰেশ দাস, তুলসী গগৈ, বিমলা ফুকনৰ পাঠদান, অধ্যক্ষ গোলাপ গোহাঁই চাৰৰ তীব্ৰ চাৱনিত ভয় লগা অৱস্থা, শ্লিভলেচ ব্লাউজ পিন্ধা, হোষ্টেল চুপাৰ এডুকেচনৰ ৰাংঢালী ৰাণু বাইদেউৰ সুন্দৰ চেহেৰা, নতুনকৈ অহা ইংৰাজীৰ নীলা বাইদেউৰ ধুনীয়া চকুদুটাকলৈ ছাত্ৰ-ছাত্ৰীৰ নানা কৌতুহল ভৰা কাহিনী, ক্লাছমেট মাহমৰাৰ ক্ষেত্ৰ মহন, লক্ষী, ললিত, দিপালী, তৰুলতা, স্থানীয় সহপাঠী অজন্তা, অঞ্জনা, আৰতি, আখটাৰ, শান্তা, প্ৰদীপ, দেৱজিত, অজয়, সাপেখাতী দিশৰ তৰুণ, চন্দন, দিলীপ, সুৰেখা, কুসুম এতিয়া অনেকৰ নাম পাহৰিলো।

বছৰৰ আৰম্ভতে বাৰ্ষিক ক্ৰীড়া সপ্তাহ। নৃত্য, সাহিত্য বিভাগৰ সেই দুটা বছৰে মই লাভ কৰা পুৰস্কাৰৰ চাৰ্টিফিকেটসমূহ এতিয়াও মোৰ ফাইলত সংৰক্ষিত হৈ আছে। তিতা কেঁহা অভিজ্ঞতাও আছিল কিছু। তথাপি কিমান মধুৰ, কিমান মিঠা সেইদিন নজহা নপমা। ঠিক যেন কালিৰহে কথা। জীৱনক নতুনকৈ বুজিলো, নতুনকৈ সজালো।

সেই সময় অতিক্ৰমী আমিবোৰ চিটিকি পৰিলো ভিন্ন কক্ষপথত। ঠিক নিৰ্দ্দিষ্ট ৰেল আহি পোৱাৰ পিছত ভিন্ন যাত্ৰী গন্তব্যস্থানলৈ ৰেলত চিটিকি পৰাৰ দৰে। তাৰপিছত অফুৰন্ত সময়। সাপেখাতীত বহু



সামাজিক নাটকত মঞ্চাভিনয় কৰিলো, ৰাস কৰিলো। ১৯৮০ত যদু দদাইদেউ, দুলৰ্ভ চাৰ, পদ্মা বৰুৱা আদিৰ সৈতে সহযোগ কৰি গঢ়ি তোলা সাপেখাতীৰ জ্যোতিকলা সাহিত্য সমাজৰ ভিন্ন কাৰ্যসূচীত জড়িত হৈ পৰিলোঁ।

১৯৯২ চনত মোৰ শৈক্ষিক জীৱনৰ চৰম প্ৰাপ্তি ৰূপে সাপেখাতী চাৰিআলি এম.ভি স্কুলত যোগদান কৰিলো। জ্যেষ্ঠ সকলৰ মৰমেৰে ধন্য হ'লো। ছাত্ৰ-ছাত্ৰীক পৰাখিনি দিয়াৰ যত্ন কৰিলো। ১৯৯৮ চনত বৈবাহিক সূত্ৰে বদলি হ'লো শিমলুগুৰিৰ মিঠাপুখুৰীৰ মধ্য অসমীয়া বিদ্যালয়লৈ। এজাক অনগ্ৰসৰ কৈৱী আৰু মণিপুৰী অনা অসমীয়া শিশুৰে পৰিপূৰ্ণ। বিদ্যালয়খনলৈ আহি আন্তৰিকতাৰে অনেক দায়িত্ব কান্ধ পাতি ললো। কাম বাঢ়িল। সাহিত্য, গীত, নৃত্য, নাটক মুকাভিনয়, কুচ-কাৱাজ, ব্যায়াম, বিজ্ঞান প্ৰকল্প আৰু ক'ত যে কি শিশুহতঁৰ বিকাশ ঘটিল। যিবোৰ পূৰ্বতে হোৱাই নাছিল বিদ্যালয়ত গঢ়ি তোলা হ'ল 'জিক্মিক্ মইনা পাৰিজাত'। সদৌ অসম মইনা পাৰিজাতৰ অন্তভূৰ্ক্ত হৈ 'জাক জাক মইনাক ভিন ভিন প্ৰতিযোগিতাৰ বাবে প্ৰস্তুত কৰি লৈ ফুৰিলো বিভিন্ন অনুষ্ঠানত। তেওঁলোকে বুটলিবলৈ সক্ষম হ'ল বহু পুৰস্কাৰ। সকলো বাহুল্য নকৰো।

২০০৬ চন। শিক্ষক দিৱস। খণ্ড পৰ্যায়ত মোক জনোৱা হ'ল কৃতী শিক্ষকৰ সন্মন। মোৰ দায়িত্ব বাঢ়ি গ'ল। ২০০৯ চনত অনাকাঙ্খিত ভাৱে লাভ কৰিলো জিলা কৃতী শিক্ষকৰ পুৰস্কাৰ। তাৰ পিছত ২০১৩ সেইবাৰ অসমৰ শিক্ষামন্ত্ৰী মাননীয় ড° হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈ। গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত শিক্ষামন্ত্ৰী ডাঙৰীয়াই প্ৰদান কৰিলে গামোছা শৰাই, মানপত্ৰ আৰু মাননিৰে ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা। আৰু ২০১৬ বৰ্ষত লাভ কৰিলো তেতিয়াৰ মাননীয় ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীদেৱৰ পৰা ৰাষ্ট্ৰীয় কৃতী শিক্ষকৰ বঁটা। আমাক থাকিবৰ বাবে ব্যৱস্থা কৰা অশোকা হোটেলৰ মনোৰম অভিজ্ঞতাই মোৰ হৃদয় আছন্ন কৰি ৰাখিব চিৰদিন। মনত থাকিব পুৰস্কাৰ গ্ৰহণৰ বিৰল মুহূৰ্তৰ কথা, মনত থাকিব ৰাষ্ট্ৰপতি ভৱনৰ প্ৰীতি চাহমেলৰ কথা। সেয়াও সুকীয়া অধ্যায়।

গছৰ গুটি যিমান খালেও শিপাক পাহৰা নেযায়। সোণাৰিৰ সৈতে আত্মিক সম্বন্ধ, আত্মিক টান চলি থাকিল বিভিন্ন কামৰ তাগিদাত সোণাৰিলৈ আহিলে কলেজখনৰ প্ৰতি এক হেঁপাহে আমনি নকৰাকৈ নেথাকে। সাপেখাতী আৰু শিমলুগুৰিত লেখিকা সন্থা গঠন কৰাৰ পৰিপ্ৰেক্ষিততে সদৌ অসম লেখিকা সন্থাৰ সভানেত্ৰী শ্ৰদ্ধাৰ ৰতিপ্ৰভা বাইদেউৰ সৈতেও সম্পৰ্ক এটা বৰ্তি থাকিল। গুৰুসকলৰ আশীৰ্বাদত মোৰ আৰু অকন উন্নতি ঘটিল। লিখাৰ কাম চলাই আছিলো কাকতে-পত্ৰই। কিতাপ কেইখন মানেও প্ৰকাশৰ মুখ দেখিলে। যোৱা শিশু দিৱসত সৰুসজাইত "সদৌ অসম মইনা পাৰিজাত" প্ৰদান কৰিলে ২০২১ বৰ্ষৰ 'পাৰিজাত ৰত্ন ত্ৰৈলোক্য নাথ শৰ্মা সোঁৱৰণী শিশু সাহিত্যিক বঁটা।' বঁটা গ্ৰহণ কৰি গুৰুসকলক শ্ৰদ্ধাৰে সুঁৱৰিলো।

সোণাৰি মহাবিদ্যালয়ৰ স্বৰ্ণজয়ন্তী সমাৰোহৰ সামৰণি অনুষ্ঠান। প্ৰাক্তন ছাত্ৰী হিচাপে গৌৰৱ অনুভৱ কৰিছো। নিজকে ঘূৰি পকি বিচাৰিবলৈ গৈ অনেক কথা এৰি ভুৰুকাত হাতী ভৰাই কিছু কথা লিখিলো। নিজৰ কথা কোৱাৰ বাবে সকলোৰে ওচৰত ক্ষমা মাৰ্জনা বিচাৰিলো। সময় এনেকুৱাই। গৈ থাকিব। আমিও যামগৈ। পিছৰ প্ৰজন্মক ঠাই এৰি দি। সেয়া সময়ৰ আহ্বান এক বুজাপৰা।

oooo

# হাঁহি-ধেমালীৰ ঘটনাৰ ৰেঙনিবোৰ

স্বপন কৰ
প্ৰাক্তন ছাত্ৰ-১৯৯৮-২০০১

সেউজীয়া দলিচাৰে পৰশ দিয়া চাৰিওফালে চাহ-বাগিছাৰে আগুৰি থকা সোণাৰিৰ মাজ-মজিয়াত ১৯৭০ চনৰ ৫ আগষ্টত সোণাৰি মহাবিদ্যালয় স্থাপন কৰে কিছু জ্ঞান পিপাসু ব্যক্তি সমষ্টিয়ে। এই উচ্চ শিক্ষানুষ্ঠান সোনাৰি মহাবিদ্যালয়ত দাতিকাষৰীয়া মথুৰাপুৰ, মাইবেলা, মাহমৰা, মৰাণ, নাফুক, চক্ৰাই, ভজো, তাওকাক, বেঙেনাবাৰী, সাপেখাতি, বৰহাট, দিচাংপানী, লংপতীয়া আদি কৰি বহু অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ণ কৰিবলৈ সুবিধা পাইছিল। মই নিজেও এই চিনাকী দি গৌৰৱ অনুভৱ কৰিছো।

মহাবিদ্যালয়ত অতি মনোযোগেৰে শিক্ষা প্ৰদান কৰা শ্ৰদ্ধাৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁই ছাৰ, ৰবীন কোঁৱৰ ছাৰ, তুলসী গগৈ ছাৰ, ৰতিপ্ৰভা গগৈ বাইদেউ, সোণমাই বৰা বাইদেউ, জুনু মহন্ত বাইদেউ, কমলাৱতী দাস বাইদেউ, ৰাণু মহন্ত বাইদেউ, গিৰীণ গগৈ ছাৰ, মানিক বৰুৱা ছাৰ, মানিক গগৈ ছাৰ, শৈলেন ফুকন ছাৰ, গণেশ বৰুৱা ছাৰ, অৰ্পন বৰুৱা ছাৰ, বিমলা ফুকন ছাৰ, অপূৰ্ব প্ৰসাদ শইকীয়া ছাৰ, বিনন্দ মহন্ত ছাৰ, সুৰেশ দাস ছাৰ, কংকণা নাথ বাইদেউ বৰ্তমানৰ অধ্যক্ষ ড° বিমল চন্দ্ৰ গগৈ ছাৰকে আদি কৰি সকলো ছাৰ বাইদেউক প্ৰণাম জনাইছো। মোক শিক্ষাদান কৰা ছাৰ বাইদেউ সকলৰ লগত বিভিন্ন কাৰণত মোৰ লগতে অন্যান্য ছাত্ৰ-ছাত্ৰী সকলৰ লগত খুব ওচৰ ও ভাল সম্পৰ্ক আছিল। পূৰ্ব্বৰ ছাত্ৰ-ছাত্ৰী সকল বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ কিছু সংখ্যকৰ দৰে ইমান উশৃংখল নাছিল, সৰু ডাঙৰ জ্ঞান তথা ভক্তিভাব আছিল।

সোণাৰি মহাবিদ্যালয়ত এজন ছাত্ৰ হিচাপে প্ৰথম প্ৰৱেশ কৰিয়েই 'ৰেগিঙৰ" মুখামুখি হলো। দীঘলকৈ থকা খেৰ বাহৰ একেবাৰে চুকৰ কোঠালৈ নি ওপৰৰ শ্ৰেণী তথা মোতকৈ ডাঙৰ ৫/৭ জন ছাত্ৰই তোমাৰ নাম কি, ঘৰ ক'ত, ঘৰত কোন কোন আছে, কোন স্কুলৰ পৰা আহিছো ইত্যাদি বহু প্ৰশ্ন কৰিছিল আৰু মইয়ো তৎক্ষণাত উত্তৰ দিছিলো, তাৰে দুজনে (প্ৰয়াত দুৰ্গেশ্বৰ বুঢ়াগোহাঁই, দেবেন চেতিয়া) ডাঙৰৰ লগত লাহে-লাহে কথা কবলৈ কয় উপস্থিত এজনে মোক আমনি নকৰিবলৈ আৰু মহাবিদ্যালয়ৰ ওচৰৰ লৰা বুলি কৈ যাবলৈ দিয়ে। পাছৰ পৰ্য্যায়ত ওপৰ শ্ৰেণীৰ সকলোৱে আমাক বিভিন্ন পৰামৰ্শ দি জীৱন গঢ়াত এজন অভিভাৱকৰ দায়িত্ব পালন কৰিছিল।

আমি পঢ়া Pre University class ত সদায় বহা আসন সলনা-সলনি কৰি বহিছিলো, যদিও এগৰাকী স্বাস্থ্যবান, বাংঢালী, ছোৱালীয়ে নিজে কিছুমান নীতি-নিয়ম নামানি বহু ছাত্ৰ-ছাত্ৰীক সেইবোৰ নিয়ম মানিবলৈ বাধ্য কৰাইছিল, মোকো তাইৰ মতে চলাব বিচৰাত মই তাইৰ কথা নুশুনি বহু তৰ্ক-বিতৰ্ক হৈছিল আৰু মোৰ লগত ভালদৰে ব্যৱহাৰ কৰিবলৈ সৰ্তক কৰি দিছিলো যদিও তাইৰ স্বভাৱ সলনি নোহোৱাত এদিন তাইৰ পিঠিত মই গৰু লিখি তাৰৰ দ্বাৰা লগাই দিলো। অন্য দিনৰ দৰে সেইদিনাও চিএৰ-বাখৰ কৰি আনন্দ মনেৰে যতে ততে ঘূৰি ফুৰাত আৰু যিয়ে দেখে হাহিব ধৰাত এটা সময়ত তাই জানিব পাৰি শিক্ষাগুৰু



তুলসী গগৈ ছাৰক লগাই দিয়াত (ছাৰৰ সম্পৰ্কীয় আছিল) পাছদিনা মোক, লক্ষীনাথ বাইলুং, ফুলশ্বৰ গগৈ, ললিত বৰুৱা, প্ৰবীন টাইক মাতি এই কাম কোনে কৰিলে বুলি প্ৰশ্ন কৰাত (মই অঘাইতং আছিলো এই কথা ছাৰে জানিছিল) মই কৰিছো আৰু কিয় কৰিছো ছাৰক জনাই দিলো, ছাৰেও তাইক বুজাই দিম বুলি কলে আৰু মোক কোনো শাস্তি প্ৰদান নকৰি এজন সু-অভিভাৱকৰ পৰিচয় দিছিল ছাৰে। ছোৱালীজনীয়েও মোক অনাগত দিনত কোনো আমনি নিদি সান্ত-শিষ্ট হৈ মোৰ লগত হাঁহি-ধেমালীৰে ভাল ব্যৱহাৰ কৰিছিল। (মনত দুখ পাব বুলি নাম উল্লেখ নকৰিলো) মই শ্ৰেণীত প্ৰায় বন্ধু-বান্ধৱীৰ পিঠিত 'I Love You', '420' 'মই এটা চুৰ' আদি লিখি পিঠিত লগাই দিছিলো।

খেল-ধেমালীত মোৰ বিশেষ আগ্ৰহ আছিল মহাবিদ্যালয়ত প্ৰৱেশ কৰিয়েই ১মঃ বৰ্ষত "মহাবিদ্যালয় বাৰ্ষিক ক্ৰীড়া সপ্তাহ"ত যোগদান কৰিছিলো। ১০০, ২০০, ৪০০, ৮০০ মিটাৰ দৌৰত অংশ লৈ কোনো স্থান নোপোৱাত খেলৰ দায়িত্বত থকা শিক্ষাগুৰু শ্ৰীযুত গিৰিণ গগৈ ছাৰে মোক চুটি-চাপৰ একেবাৰে খীন-মীন দেখি পিঠিত হাত বুলাই কৈছিল "স্বপন তুমি দৌৰিব নালাগে মই তোমাক এটি নিচুকণি পুৰস্কাৰ দিম মই কথাযাৰ শুনি একো নকলো। ইয়াৰ পাছতেই ৩০০০ মিঃ দৌৰত অংশ লৈ প্ৰথম হৈছিলো। পাছত জানিব পাৰিলো অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁই ছাৰে গিৰীণ গগৈ ছাৰক কৈছিল "এই লৰাজনে বৰ ভাল দৌৰিব পাৰে" (উল্লেখযোগ্য ১৯৮১ চনতেই অবিভক্ত শিৱসাগৰ জিলা ভিত্তিত অনুষ্ঠিত হোৱা ১২ ঘণ্টীয়া দৌৰ প্ৰতিযোগিতাত (সোণাৰি ৰাজহুৱা খেলপথাৰত হৈছিল) অংশগ্ৰহণ কৰা ৯৩ জন খেলুৱৈৰ ভিতৰত একমাত্ৰ মইয়েই সম্পূৰ্ণ কৰিছিলো (এই ক্ষেত্ৰত প্ৰয়াত ডাঃ ৰাজেন গগৈ প্ৰয়াত ডাঃ প্ৰদীপ শ্যাম, শ্ৰীযুত প্ৰবীৰ (পৰিমল) সেন আদি কৰি বহুতেই মোৰ শাৰীৰিক অৱস্থাৰ ক্ষেত্ৰত বহুত সহায় কৰিছিল এই ক্ষেত্ৰত তেখেতসকললৈ কৃতজ্ঞতা জনাইছো)। এইবিষয়ে ছাৰে জানিছিল যিহেতু ছাৰৰ অস্থায়ী ঘৰ খেলপথাৰৰ গাতে লাগি আছিল।

যিমান দুৰ ১৯৮৭ চনৰ কথা বাৰ্ষিক ক্ৰীড়া সপ্তাহত সকলো ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল যদিও শিক্ষাগুৰুসকলে বিভিন্ন দিশ পৰিচালনাৰ বাহিৰে কোনো খেল খেলিবলৈ সুবিধা পোৱা নাছিল। মই সকলো ছাৰক মনত পৰা বিশেষকৈ ড° বুদ্ধিন গগৈ ছাৰ, ড° ৰাণা কোঁৱৰ ছাৰ, পল্টু পাল ছাৰ, ৰঞ্জিত বুঢ়াগোহাঁই ছাৰকে আদি কৰি সকলোকে ১০০ মিঃ দৌৰ মাৰিবলৈ মাতি আনিলো, সকলোৱে আনন্দমনেৰে ওলাই আহিল অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁই ছাৰকে মাতিবলৈ যোৱাত 'এৰা মই দৌৰ নামাৰো নহয়' বুলি কোৱাত মই ছাৰক দৌৰ মাৰিব নালাগে হুইছেল বজাব চাৰ বুলি কোৱাত ছাৰ ওলাই আহি যথাসময়ত হুইছেল বজাই খেল আৰম্ভ কৰিলে জানুৱাৰী মাহৰ ঠাণ্ডাৰ লগতে খেলপথাৰৰ শুকান চুটি চুটি ঘাঁহ থকাৰ বাবে ছাৰ সকলে হাত ভৰিৰ লংপেণ্ট চাট কোচাই দৌৰ মৰাত বহুতেই আধাতেই হামখুৰি খাই পৰি হাতভৰিৰ কেইবাঠাইৰ ছাল ছিগিল, কিছুৰ তেজো বিৰিঙি ওলাল, ছাৰসকলে "স্বপনৰ কাৰণে আমাৰ এই দশা হ'ল বুলি" কোৱাত অধ্যক্ষ ছাৰে স্বপনে সকলোকে পুৰস্কাৰ দিব বুলি ঘোযনা কৰি দিলে।

এবাৰ মহাবিদ্যালয়ৰ সাহাৰ্যাৰ্থে এখন থিয়েটাৰ অনা হৈছিল, থিযেটাৰ শেষ হোৱাৰ পাছত খেলপথাৰখন চানা-বাদাম খোৱা পেলনীয়া কাগজ পত্ৰবোৰে লেতেৰা হৈছিল অধ্যক্ষ বৰগোহাঁই ছাৰ, জীবেন্দ্ৰ কুঃ শইকীয়া ছাৰ, গিৰীণ গগৈ ছাৰৰ লগত আলোচনা কৰি শ্ৰেণীৰ এটা পিৰিয়ড অফ কৰি ছাত্ৰ-ছাত্ৰী সকলক উলিয়াই আনি কাগজ-পত্ৰ পৰিস্কাৰ কৰি এবছৰ আগতে মহাবিদ্যালৰ পূব ফালে ৰূপন কৰা

গছপুলিবোৰৰ চাৰিওফালে জমা কৰিলো, সেই সময়ত অধ্যক্ষ ছাৰ কিবা কাৰণত মহাবিদ্যালয়ৰ পৰা ওলাই যোৱাত কাগজবোৰত জুই লগাই দিছিলো, জুই জ্বলী থকা অৱস্থাত অধ্যক্ষ ছাৰ মহাবিদ্যালয়ত পুনৰ ঘূৰি অহাত হুৱা-দুৱা লাগে জুই জ্বলী থকা দেখি আৰু তৎপৰতাৰে জুই নোমোৱা হয় যদিও বহু গছপুলি নষ্ট হৈ যায — (সেই খেল পথাৰৰ কাষতে গছ-পুলিবোৰ ৰূপন কৰাত খেলপথাৰৰ পৰিসৰ সৰু হৈ যোৱাৰ বাবে এই কাম কৰিছিলো।)

বৰ্তমান ছাত্ৰী নিবাস আৰু সোণাৰি কৰ্মাচ কলেজৰ ওচৰত (ৰাজহুৱা খেলপথাৰৰ উত্তৰফালে) দীঘল খেৰৰ ঘৰত চিনেমা হল হিচাপে ব্যৱহাৰ কৰা হৈছিল পাছত ছাত্ৰী নিবাস হিচাপে ব্যৱহাৰ কৰা হয়, এদিন ধুমুহা বৰষুণত ঘৰটো সম্পূৰ্ণৰূপে ভাগি পৰাত উক্ত ঘৰটি পুনৰ নিৰ্ম্মাণ কৰিবলৈ আমি কেইজনমান লগ হৈ অধ্যক্ষ বৰগোহাঁই ছাৰ, জীবেন্দ্ৰ কুমাৰ শইকীয়া ছাৰ, গিৰিণ গগৈ ছাৰ, কমলাৱতী দাস বাইদেউ ৰতি বাইদেউ আদি কৰি কেইবাজনৰ লগত আলোচনাত মিলিত হৈ আমি ছাত্ৰসকলে ওচৰে পাজৰে বাগিচাৰ মেনেজাৰৰ লগত কথা পাতি টকা-পইচা সংগ্ৰহৰ কথা কোৱাত (মই সেই সময়ত ছাত্ৰ একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদকৰ দায়িত্বত আছিলো) অধ্যক্ষ ছাৰে তৎক্ষণাত হস্তক্ষেপ কৰি কৈছিল 'তোমালোকে যাব নালাগে তোমালোক গৈ মেনেজাৰৰ পৰা জোৰ-জোলোম কৰি টকা-পইচা আনিবা তাৰ সলনি আমি কেইজনমানে তেওঁলোকৰ ওচৰত গৈ সহায় বিচাৰিম কথা মতে কাম, চাৰসকলে সেইদৰে বাগিচাই বাগিচাই ঘূৰি মেলি ঘৰটো পুনৰ নিৰ্ম্মাণ কৰিলে।

অসম আন্দোলনৰ সময়ৰ কথা, মোৰ লগতে অন্য বহুতো ছাত্ৰ-ছাত্ৰীয়ে "সদৌ অসম ছাত্ৰ সন্থা"ৰ দ্বাৰা প্ৰেৰণ কৰা নীতি-নিৰ্দেশনা মতে আন্দোলনৰ কাৰ্য্যসূচী সমূহ "সোণাৰি আঞ্চলিক ছাত্ৰ সন্থা"য়ো ৰূপায়ণ কৰিছিল। এদিনাখন "শ্ৰেণী বৰ্জন" কাৰ্য্যসূচী ৰূপায়ণ কৰিবলৈ অধ্যক্ষ ছাৰৰ কোঠাত মই আলোচনা কৰি থকা অৱস্থাত এজন আন্দোলনৰ কৰ্মকৰ্তা বিনা অনুমতিত অধ্যক্ষ ছাৰৰ কোঠাত প্ৰৱেশ কৰি চকীত বহি ছাৰৰ লগত আন্দোলন সম্পৰ্কে কথা পাতিবলৈ ধৰাত মই তৎক্ষণাত সেইজনক (মহাবিদ্যালয়ৰ ছাত্ৰ নাছিল) অধ্যক্ষ ছাৰৰ কোঠাত বিনাঅনুমতিত সোমাই চকীত বহি কিয় কথা পাতিব কৈ তেওঁক ওলাই যাবলৈ কওঁ, কিন্তু ছাৰে মোৰ কথাত হস্তক্ষেপ কৰি তেওঁৰ কথা কৈ যাবলৈ কয়। পৰবৰ্তী সময়ত কৰ্মকৰ্তাজনৰ লগত বহু তৰ্ক-বিতৰ্ক হয় আৰু আন্দোলন কৰাৰ আগতে সৰু-ডাঙৰ আদিৰ লগত কেনেদৰে ব্যৱহাৰ কৰিব লাগে জানি লব লাগে বুলি কওঁ। উক্ত বিষয়ত সেই সময়ৰ ছাত্ৰনেতা দুৰ্গেশ্বৰ বুঢ়াগোহাঁই দেৱে জানি তেখেতৰ হস্তক্ষেপত বিষয়টি সমাপ্তি হয়। অসম আন্দোলনৰ সময়ত আমাৰ কিছু শিক্ষাগুৰুৰ লগত আৰু কিছু ছাত্ৰ-ছাত্ৰীৰ মাজত মতৰ অমিল হৈছিল যদিও আলোচনাৰ মাধ্যমত সেইবোৰ সমাধান হৈছিল।

স্বৰস্বতী পূজা হৈ যোৱাৰ পাছত মুৰ্ত্তীটো দীঘলকৈ থকা খেৰ-বাহৰ ঘৰটোৰ প্ৰথম কোঠাত ৰখা হৈছিল, কিছুদিনৰ পিছত মুৰ্ত্তীৰ মুৰটো অলপ হালি পৰাত, মই মুৰটো চিঙি আনি হাততেই লগাই দিও সেই কাৰ্য্য শ্ৰদ্ধাৰ শিক্ষাগুৰু সুৰেশ দাস ছাৰে দেখা পাই মোক কৈছিল — স্বপন কামটো বৰ ভাল নকৰিলা নেকি? মই লগে লগে ভূল স্বীকাৰ কৰি মুৰটো যথাস্থানত লগাই দিও ইমান ক্ষমাৰ অযোগ্য কাম কৰাৰ পাছতো মোৰ ওপৰত কোনো শাস্তিমূলক ব্যৱস্থা নলৈ অভিভাৱকৰ দায়িত্ব পালন কৰিছিল ছাৰে।

শ্ৰেণীত পূৰ্ব্বে প্ৰতিটো পিৰিয়ডত উপস্থিতি লৈছিল, শ্ৰদ্ধাৰ শিক্ষাগুৰু তুলসী গগৈ চাৰৰ শ্ৰেণীত



উপস্থিতি লৈছিল যদিও মোৰ ওচৰত বহা বন্ধু কেইজনৰ নম্বৰ অহাৰ লগে ঠেলা মাৰি দিও নহলে পিঠিত জোৰকে মাৰি দিয়াৰ ফলত তেওঁলোকে উপস্থিতি দিব নোৱাৰে। এদিন এইদৰে ছাৰৰ ক্লাচ চলি থকাত এইদৰে কিছুৰ উপস্থিতি থাকি যোৱাত লগৰ কিটাক কাগজ দিবলৈ কও (পূৰ্ব্বেও বহুতৰ উপস্থিতি এইদৰে কাগজত নম্বৰ লিখি চাৰ বাইদেউক জমা দিলে উপস্থিতি দি দিছিল) এজনে 'নম্বৰ টেন চিগাৰেটৰ পেকেটৰ' এটা টুকুৰা দিয়াত তাতেই নম্বৰ কেইটা লিখি দিওঁ, চাৰেও মনোযোগেৰে টুকুৰাটোত উল্লেখিত নম্বৰত উপস্থিতি দিলে যদিও নম্বৰটেন চিগাৰেটৰ টুকুৰা ছাত্ৰ-ছাত্ৰীসকলে দেখি হাহিবলৈ ধৰাত ছাৰে সুধিলে কি হ'ল, কোনোবা এজনে চিগাৰেটৰ পেকেটৰ কথা কোৱাত ঘূৰাই দেখি চিগাৰেট আৰু আন ৰাগিয়াল বস্তু খালে শৰীৰৰ বিভিন্ন ক্ষতি হোৱাৰ লগতে এইবোৰৰ পৰা আতৰি থাকিবলৈ ধুনিয়াকৈ আমাক বুজাই দিলে যদিও কোনো শাস্তিমূলক ব্যৱস্থা নলৈ আমাক জীৱনটো ভালকৈ ৰাখিবলৈ সুস্থভাৱে ৰাখিবলৈ এজন অভিভাৱকৰ দায়িত্ব পালন কৰিছিল।

বৰ্তমান মহাবিদ্যালয়ৰ আন্তঃগাথনি খেৰ-বাহৰ ঘৰৰ সলনি চাৰিওফালে পকা ধুনিয়াকৈ সজাই ৰখা শ্ৰেণীকোঠাবোৰ চাই বৰ ভাল লাগে যদিও আন্তঃগাথনি উন্নয়ণৰ নামত প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁই ছাৰৰ অধ্যক্ষৰ কোঠাটো ভাঙি নতুনকৈ পকা ঘৰ বনাই দিয়া হ'ল, যিটো প্ৰাক্তন চাত্ৰ-ছাত্ৰীৰ বহু স্মৃতি জৰিত হৈ আছিল, সেই কোঠাটো নাভাঙি সংৰক্ষণ কৰিব পৰা গলহেতেন। সেই কামটোৱে মনত বৰ দুখ দিলে মোক।

যিয়েই নহওঁক সেই সময়ক পোৱা অধ্যক্ষ, উপাধ্যাক্ষ অন্যান্য ছাৰ বাইদেউ সকল, কৰ্মচাৰী, ফনী দত্ত, কমল দত্ত, মনু মাছাৰী আদি কৰি সকলোৰে সহযোগ তথা সু-শাসন, মৰম চেনেহৰ কথা জীয়াই থকালৈকে শ্ৰদ্ধাৰে স্মৰণ কৰিম, সমাজত আজি সত্যৰ লগত সাহসেৰে আগবাঢ়ি যোৱাত মহাবিদ্যালয়, হাইস্কুল প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাগুৰু সকলৰ আৰ্শীবাদ আছে। ৫০ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ বাবে প্ৰকাশ পাবলগীয়া আলোচনীৰ বাবে এই লেখনি দিলো।

শেষত সোণাৰি মহাবিদ্যালয়ৰ উন্নতি কামনা কৰিলো। জয় সোণাৰি মহাবিদ্যালয়ৰ জয় জয় সোণাৰি মহাবিদ্যালয়ৰ জয়।

০০০০

# আৰেলিৰ ৰং

অমিয়া গগৈ সোনোৱাল
বৰহাট

মেঘাচ্ছন্ন গগনৰ আঁৰে-আঁৰে, ডাৱৰৰ ফাঁকে-ফাঁকে যেতিয়া দুন্দুভি বজাই দূৰণিৰ দেশলৈ উৰা মাৰে, তেতিয়া নীল-আকাশখন উজ্বলাই ভৰি পৰে তৰাৰ মেল। জীৱনৰ আধা বাট বোলোতেই কিবা এটা কাণফলা চিঞৰে বুকুভেদি পাৰ হৈ গ'ল। সেয়া আছিল ১৯৮১-৮২ চনৰ কথা। মোৰ একালৰ সহপাঠী শ্ৰীযুত স্বপন কৰ। ক্ৰীড়া সংগঠক, Red Cross কৰ্মী।, চৰাইদেউ জিলাৰ সাহিত্য-সভাৰ প্ৰচাৰ সম্পাদক, সোণাৰি কলেজৰ প্ৰাক্তন ছাত্ৰ-নেতা স্বপন কৰ। তেওঁৰ নেৰা-নেপেৰা মৰমৰ দাবীত লিখিনিটো লিখিবলৈ ল'লো। পিছে কিনো লিখিম কলমৰ নিপেদি যলৈকে বয়। বিশেষকৈ লিখা-মেলাত পাকৈত নহয়। মাত্ৰ ভাল লাগিছে — আমি পঢ়া কলেজত সোণাৰি কলেজৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তীৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ হ'ব।

সোণসেৰীয়া কথাষাৰ ভাবি ভাবি ভাল লাগিছে। কত যে বন্ধু-বান্ধবী আহিব? লগ পাম-মনৰ কথা পাতিম। কিমান যে দিন হ'ল, মনতে নপৰে দুনাই। মোৰ লগৰ কলেজলৈ বাটকুৰি বাই যোৱা সেই সোণতৰা, নিভাকো একেবাৰে লগ পোৱা নাই। পাম নেকি বাৰু লগ সিহঁতক? বৰকৈ মনত পৰে দেখোন — আৰু যে কত বন্ধু-বান্ধৱী? গীতাঞ্জলী, অৰ্চনা, সুৰেখা, জেউতি, কুসুম, নিজু, ঘন, মঞ্জু, নীলা, দীপ্তি, ৰূনালী, উষা, দিগন্ত, লক্ষী বাইলুং, অমিয়া, মিনু, ৰুবী, ক্ষেত্ৰ মহন, বসন্ত ফুকন, ইমতিয়াজ উদ্দিন, পুলিন বড়া, পুষ্পধৰ গগৈ, যোগেশ গগৈ, দিপ্তী দেৱী.... ? হয়তু আহিব সকলোৱে একেখন কলেজৰ চোতালত, নীলা আকাশৰ তলত। বহু দূৰ-দূৰণিৰ পৰা আহিব। মনত লৈ আহিব নিজৰ সোণত সোৱগা চ'ৰা দিনবোৰৰ কিছু স্মৃতিক ৰোমন্থন কৰিবলৈ। জ্ঞান বিলোৱা গুৰু শ্ৰদ্ধাৰ ছাৰ-বাইদেউক লগ পোৱাৰ যি হেঁপাহ সকলোৱে হয়তু এবুকু হাঁহি ভৰা মৰম লৈ আহিব।

মই শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক ভক্তিভৰা একাঁজলি সেৱা জনাইছো। তেওঁলোকৰ হৃদয় বৰ মহান। যুগে যুগে কত জ্ঞান পিপাসু ছাত্ৰ-ছাত্ৰীয়ে এই কলেজত অধ্যয়ন কৰিব।

আমিও ১৯৮১-৮২ চনতে এই মহাবিদ্যালয়ত পঢ়িছিলো। আমি বিদেশী বহিষ্কাৰ আন্দোলনৰ মাজতে পৰীক্ষা দিছিলো। মাজে মাজে পিকেংটি কৰিব লগা হৈছিল। মা-দেউতা অবিহনে প্ৰথম বান্ধবীকেইজনীৰ লগত সোণাৰি কলেজলৈ আহিছিলো। ভয় লাগিছিল — জীৱনৰ প্ৰথম খোজ সোণাৰিত। শ্ৰদ্ধাৰ ছাৰ-বাইদেউ সকলে বৰ মৰমেৰে পঢ়াইছিল। ইংৰাজী চাৰ মানে শ্ৰদ্ধাৰ ৰবিন কোঁৱৰ চাৰ। বৰ খৰকৈ পঢ়াইছিল। মাত্ৰ মনোযোগেৰে শুনিছিলো। বুজি নাপাইছিলো। ছাৰে কৈ যোৱাৰ লগে লগে লিখি গৈছিলো। শেষত অভ্যাস হৈছিল খৰকৈ লিখাৰ। চাৰক দুই, এখন মিটিংত লগ পাঁও, ছাৰ মৰমীয়াল, হিয়া উজাৰি কথা পাতো, গৌৰৱ অনুভৱ কৰোঁ।



শ্ৰদ্ধাৰ গোলাপ বৰগোঁহাই ছাৰ। প্ৰতিষ্ঠাপক অধ্যক্ষ। তেওঁৰ সোণাৰি মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল কলেজ প্ৰতিষ্ঠা কৰি যুগে যুগে খ্যাতি ৰাখি থৈ গ'ল। তেওঁৰ এতিয়া বয়স হৈছে। দুই এবাৰ মিটিংত লগ পাইছিলো। ছাৰ, আপোনাৰ জীৱন ধন্য। যুগে-যুগে অমৰ হৈ ৰ'ব। আপুনি চৰাইদেউৰ বাবে অহোপুৰুষাৰ্থ কষ্ট কৰি যি কৰিলে, সেইয়া চৰাইদেউৰ গৌৰৱ। হে মহান শিক্ষাগুৰু — চিৰজ্যোতিস্মান হৈ প্লাবিত হওঁক সোণাৰি মহাবিদ্যালয়, সোণাৰিৰ গৌৰৱ। সোণালী সূঁতাৰ আখৰেৰে যাৰ নাম লিখা আছে — "সোণাৰি মহাবিদ্যালয়"। স্থাপিত - ১৯৭০ চনৰ ৫ আগষ্ট।

শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক লিখনিৰ যোগেদিয়েই প্ৰণাম জনাইছো। আমি শিক্ষাগ্ৰহণ কৰা মুহূৰ্তত থকা ছাৰ-বাইদেউ সকলৰ নাম ইয়াতে লিপিবদ্ধ কৰিছো।

১) শ্ৰদ্ধাৰ গোলাপ বৰগোহাঁই, প্ৰতিষ্ঠাপক অধ্যক্ষ
২) শ্ৰীযুত ৰবিন কোঁৱৰ
৩) শ্ৰীযুতা ৰতিপ্ৰভা গগৈ
৪) শ্ৰীযুতা সোণমাই বড়া
৫) শ্ৰীযুত গিৰিণ গগৈ
৬) শ্ৰীযুত মাণিক গগৈ
৭) শ্ৰীযুত মাণিক বৰুৱা
৮) শ্ৰীযুত অৰ্পণ বৰুৱা
৯) শ্ৰীযুত জীৱেন্দ্ৰ শইকীয়া
১০) শ্ৰীযুতা ৰাণু মহন
১১) শ্ৰীযুতা স্মৃতি মহন
১২) শ্ৰীযুতা বাণী দাস

শিক্ষাৰ জ্যোতি বিলাই এই সংসাৰৰ পৰা বিদায় লোৱা শ্ৰদ্ধাৰ ছাৰ-বাইদেউৰ নামো লিপিবদ্ধ কৰিছো। তেওঁলোকৰ স্মৃতিৰ পাপৰিক শ্ৰদ্ধাঞ্জলি জনাইছো। বৈকুণ্ঠত ধ্ৰুৱতৰাৰ দৰে জিলিকি থাকক। সেইসকল ছাৰ-বাইদেউৰ নাম হৈছে —

১) প্ৰয়াত সুৰেশ দাস
২) প্ৰয়াত তুলসী গগৈ
৩) প্ৰয়াত কমলা শইকীয়া
৪) প্ৰয়াত বিনন্দ মহন
৫) প্ৰয়াত শৈলেন ফুকন

আমাৰ শিক্ষা গুৰুসকল সকলোৱে অৱসৰ গ্ৰহণ কৰিছে। সকলোৱে সামাজিকভাৱে দায়বদ্ধ হৈ সমাজৰ হকে কাম কৰি বিভিন্ন প্ৰকাৰে সন্মান অৰ্জন কৰি দেশ আৰু দহৰ উপকাৰ সাধন কৰিছে। তেনে এগৰাকী চিৰনমস্য মহান শিক্ষাগুৰুৰ অধীনত আমি শিক্ষাগ্ৰহণ কৰিছিলো। সেই শিক্ষাগুৰু গৰাকীৰ এতিয়া এগৰাকী অসমৰ সুলেখিকা, কবি। সেই মহান লেখিকাগৰাকীৰ নাম হৈছে — শ্ৰদ্ধাৰ ৰতিপ্ৰভা গগৈ।

১৯৫০ চনত জন্মগ্ৰহণ কৰে বৰহাট বৰপথাৰ গাঁওত। ২০০৪-২০০৫-২০১০ চনলৈকে সোণাৰি

মহাবিদ্যালয়ত উপাধ্যক্ষা হৈ চাকৰি জীৱনৰ পৰা অৱসৰ লয়। ২০০৪ চনৰ পৰাই অসম লেখিকা সংস্থাৰ সভানেত্ৰী পদত অলংকৃত হৈ বৰ্তমানেও তেওঁ উপদেষ্টা হৈ আছে। তেওঁ প্ৰকাশিত কেইখনমান পুথি হৈছে — বন্ধকোঠালি, আঠগৰাকী বৰেণ্য অসমীয়া নাৰী, চৰাইদেউ মহকুমাৰ নৃ-গোষ্ঠীগত উপভাষা, এজাক বৰষুণৰ প্ৰতীক্ষাত। তেওঁ চৰাইদেউ জিলাৰ সাহিত্য-সভাৰ প্ৰতিষ্ঠাপক সভানেত্ৰী আছিল। বৰ্তমান চৰাইদেউ জিলা সাহিত্য-সভাৰ উপদেষ্টা হৈ আছে।

অসম লেখিকা সংস্থাৰ "জীৱন জোৰা সাধনা বঁটা" আৰু ২০১৫ চনত "সাহিত্যিক পেঞ্চনাৰ বঁটা" আৰু অনুভা বৰুৱা সোঁৱৰণী বঁটা, আৰু চৰাইদেউ জিলাৰ টাই আহোম যুৱ পৰিষদৰ 'বীৰাঙ্গনা মূলা গাভৰু বঁটা'ৰে বিভূষিত। মই অসম লেখিকা সংস্থাৰ কেন্দ্ৰীয় সমিতিৰ সদস্য হৈ গৌৰৱ অনুভৱ কৰোঁ যে বাইদেউ অসম লেখিকা সংস্থাৰ সকলোৰে নমস্য মুখ্য উপদেষ্টা। বাইদেউলৈ অজস্ৰ শ্ৰদ্ধাৰ নিগৰি বয়। তেওঁ সদায় কুশলে থকাটো কামনা কৰোঁ।

আন এগৰাকী বাইদেউ হৈছে শ্ৰদ্ধাৰ সোণমাই বৰা বাইদেউ। ওখ-শকত, গহীন-গম্ভীৰ, ধীৰ-স্থিৰ। বাইদেউ বৰ মৰমীয়াল আছিল। তেওঁৰ মেচৰ পৰা মই এবছৰৰ Class কৰিছিলো। কবিতা, ৰবী, ৰুবী, ৩টা সন্তানৰ মাতৃ।

কলেজ এৰি অহা দিনৰে পৰা বিশেষ ছাৰ বাইদেউৰ লগত চিনাকী হোৱা নাই। কবি সম্মিলন পাতোতে এবাৰ গৈছিলো। চৰাইদেউ জিলা সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰদ্ধাৰ ৰঘুনাথ কাগয়ুং ছাৰ এইখন মহাবিদ্যালয়ৰ প্ৰবক্তা।

আমি পঢ়ি থকা অৱস্থাত কেৱল আৰ্টচ বিষয়হে আছিল। এতিয়া হয়তু আটাইকেইটা বিষয় পঢ়াৰ সুবিধা আছে।

সকলোলৈ শ্ৰদ্ধা জনাই মোৰ লিখনি সামৰণি মাৰিছো। সোণাৰি মহাবিদ্যালয়ৰ সোণালী জয়ন্তীবৰ্ষ সফল হওঁকল তাৰে কামনাৰে।

::::



# সৰাপাতে ৰিঙিয়াই সুৰ

অৰ্চনা গগৈ
প্ৰাক্তন ছাত্ৰী

জ্ঞান দান কৰা আনুষ্ঠানিকভাৱে জ্ঞান আহৰণ কৰা অতি মহত্বপূৰ্ণ কাৰ্যৰূপে বিবেচিত হৈ আহিছে। আনহাতে জ্ঞান এনেকুৱা সম্পদ যাৰ কোনো কালেই ক্ষয় নাই। এই জ্ঞান লাভ হ'ব পাৰে প্ৰকৃত বিদ্যাৰ যোগেদি। আনুষ্ঠানিক জ্ঞান আহৰণেহে জীৱনৰ পূৰ্ণতা আনিব পাৰে। বৈদিক যুগৰ গুৰুকুলৰ আনুষ্ঠানিক শিক্ষা প্ৰণালীয়ে আৰ্হি দেখুৱাই আহিছে। আনুষ্ঠানিক শিক্ষাৰ আৰ্হি দেখুৱাইছিল ভগৱান কৃষ্ণই নিজে। যি সমস্ত বিদ্যাৰ গৰাকী, যাৰ কোনো অভাৱ নাই সেই গৰাকীয়ে সান্দীপনি মুনিৰ ওচৰত আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰি প্ৰমাণ কৰিছিল আনুষ্ঠানিক শিক্ষাৰ অপৰিহাৰ্যতাৰ কথা। এনে আৰ্হিৰ পটভূমিত ক্ৰমবিৱৰ্তমান আনুষ্ঠানিক শিক্ষাই আমাৰ সমাজত বিভিন্ন শিক্ষানুষ্ঠানৰ জন্ম দিছে। প্ৰাথমিক পৰ্য্যায়ৰ পৰা বিশ্ববিদ্যালয়লৈ স্তৰে স্তৰে শিক্ষানুষ্ঠান গঢ় লৈ উঠিল।

বহু জাতি-জনগোষ্ঠী বসতিস্থল সোণাৰি। চাহ বাগিছাৰ সেউজ পৰিৱেশেৰে পৰিবেষ্টিত হোৱাৰ লগতে পাহাৰ-ভৈয়ামৰ সমন্বয়ৰ স্থল বুলি ক'লেও বঢ়াই কোৱা নহ'ব। এই সোণাৰিতে জ্ঞান পিপাসু, দুৰদৰ্শী, আদৰ্শৱান মহান ব্যক্তিৰ প্ৰচেষ্টাত ১৯৭০ চনৰ ৫ আগষ্টত উত্তৰ পুৰুষক জ্ঞানৰ আলোকেৰে আলোকিত কৰিবৰ বাবে সোণাৰি মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল। মহাবিদ্যালয়খনিয়ে ৰাইজ আৰু চৰকাৰৰ আশাসুধীয়া প্ৰচেষ্টাত সোণাৰি অঞ্চলত শিক্ষাৰ এক নতুন যুগৰ সূচনা কৰিলে। সেয়েহে যিসকল মহান ব্যক্তি আৰু জনসাধাৰণৰ প্ৰচেষ্টা আৰু মহান ত্যাগ নিহিত হৈ আছে সেইসকল ব্যক্তিলৈ আজি এই পবিত্ৰক্ষণত সশ্ৰদ্ধ প্ৰণাম জনাইছো।

আনুষ্ঠানিক জ্ঞান আহৰণৰ বাবেই মই এই মহাবিদ্যালয়লৈ ঢপলিয়াই আহো। চৌহদত প্ৰথম খোজ দিয়াৰ দিনা মোৰ মনটো উত্ৰাৱল হৈছিলো। সিদিনা সন্মানীয় শ্ৰদ্ধাৰ অধ্যক্ষ শ্ৰী গোলাপ চন্দ্ৰ বৰগোহাঁই ছাৰ, শ্ৰদ্ধাৰ বিমলা ফুকন ছাৰ, শ্ৰদ্ধাৰ ৰবীন কোঁৱৰ ছাৰ, শ্ৰদ্ধাৰ জীৱন শইকীয়া ছাৰ, শ্ৰদ্ধাৰ সুৰেশ দাস ছাৰ, শ্ৰদ্ধাৰ তুলসী গগৈ ছাৰ, শ্ৰদ্ধাৰ গিৰীন গগৈ ছাৰ, শ্ৰদ্ধাৰ অৰ্পন বৰুৱা ছাৰ, শ্ৰদ্ধাৰ সোনমাই বৰা বাইদেউ, শ্ৰদ্ধাৰ ৰতিপ্ৰভা বাইদেউ আৰু শ্ৰদ্ধাৰ কমলা শইকীয়া বাইদেউ। জীৱনত প্ৰথম এনেদৰে অধ্যাপক-অধ্যাপিকাক একেলগে দেখিছিলো। যিহেতু শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ নতুন নামভৰ্তিৰ বাবে আমাৰ প্ৰ-পত্ৰসমূহ চোৱাৰ সময়ত এজন এজনকৈ মাতিছিল। মই ভয়, সংকোচ কৰিছিলো। সেয়া এতিয়াও মনত পৰে। আজিৰ এই সোণালী ক্ষণত প্ৰতিষ্ঠা দিনৰে পৰা বৰ্তমানলৈকে শিক্ষাদান দিয়া সকলো ছাৰ-বাইদেউক শ্ৰদ্ধা আৰু সেৱা যাচিছো।

মহাবিদ্যালয়খন আমাৰ অতিকৈ আপোন আৰু স্মৃতিৰ মধুৰ আকৰ্ষণ। অতীতৰ দিনবিলাকৰ ৰোমন্থন কৰাৰ মাদকতাই বেলেগ। ৰং-ধেমালি, সুখ-দুখ আদিৰ মাজত এক অপূৰ্ব অনুভূতি লাভ কৰিব পাৰি। তাতে

আকৌ সোণালী জয়ন্তীত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহ হ'ব। বন্ধু-বান্ধৱীক লগ পালে কেনে অনুভৱ হ'ব ভাষাৰে হয়তো বুজাব নোৱাৰিম। মহাবিদ্যালয়ত বহুতো সহপাঠীক লগ পাইছিলো। বহু সহপাঠীৰ নাম মনত পৰে যদিও লগ পোৱাৰ সৌভাগ্য কম। কোনে, ক'ত, কেনেদৰে জীৱন নিৰ্বাহ কৰিছে জানিবৰ মন যায়। সেয়েহে মনত পৰা সহপাঠীৰ নাম উল্লেখ কৰিলো — শ্ৰী স্বপন কৰ, ক্ৰীড়া সংগঠক, ৰেডক্ৰছ চছাইটি চৰাইদেউ জিলা সাহিত্য সভা প্ৰচাৰ সম্পাদক, অমিয়া গগৈ, ৰমেশ গোহাঁই, তুলন সন্দিকৈ, বসন্ত ফুকন, তৰু বড়া, মামনি হাজৰিকা, মঞ্জু বৰগোহাঁই, চিত্ৰা বড়া, ৰুণু দুৱৰী, উত্তৰা দৈমাৰী, সুৰেখা ফুকন, দিপ্তী দেৱী, গীতাঞ্জলি কোঁৱৰ, ক্ষেত্ৰ মহন, নিভা বৰগোহাঁই, ৰুণালী সোণোৱাল, মঞ্জু গগৈ, ঘন গগৈ, সোণতৰা গগৈ, দীপা মহন, দীপা শ্যাম, জেউতি ডেকা, অনুমা বৰগোহাঁই, শেৱালি বৰগোহাঁই, মিনু বৰগোহাঁই, অমিয়া বৰগোহাঁই, শিৱ দিহিঙ্গীয়া, নিজু ফুকন, লক্ষ্মী বাইলুং, বুধিন বৰগোহাঁই, ৰাজীৱ গগৈ, ৰেণু বুঢ়াগোহাঁই, সত্য ৰঞ্জন বৰুৱা আদি। বহুতৰে নাম মনলৈ নহাৰ বাবে উল্লেখ কৰিব নোৱাৰিলো। তাৰ বাবে দুখ অনুভৱ কৰিছো। অধ্যয়নৰত কালছোৱাত আটাইয়ে আনন্দেৰে দিন পাৰ কৰিছিলো।

অতীতৰ সোণসেৰীয়া সোঁৱৰণীবোৰ সঁচাই বৰ মধুৰ আছিল। ছাৰ বাইদেউ সকলে বৰ মধুৰ আছিল। ছাৰ-বাইদেউ সকলে বৰ সুন্দৰ ভাৱে শিক্ষাদান কৰিছিল। মনত পৰে শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ শিক্ষা প্ৰদান কৰা ছবিবিলাক। তেখেত সকলে আমাক জ্ঞানৰ ৰশ্মি বিলাইছিল। এই পৱিত্ৰক্ষণত শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলক মনত পেলাই শ্ৰদ্ধা আৰু সেৱা নিবেদিছো।

এটা কথা মোৰ মনলৈ বৰকৈ আহি থাকে। নিলিখিলে হয়তো ভাল নালগিব। কোনো এটা অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সমদল গীত পৰিৱেশন কৰিছিল। শ্ৰদ্ধাৰ সুৰেশ দাস ছাৰে হাৰমনিয়াম বজাই সংগত কৰিছিল। ঠিক ১৯৮১ চনৰ কথা। তেখেতে কৈছিল — ইমান ডাঙৰ মহাবিদ্যালয়খনত হাৰমনিয়াম বজাব পৰা এজনো নাই। মই বজাব লগা হৈছে। এতিয়া ছাগে বাদ্যযন্ত্ৰ বজাব পৰা এজনো নাই।

কাকতিবাৰীৰ পৰা লগৰীয়া সকলৰ লগত চাইকেলেৰে নিতৌ কলেজলৈ প্ৰায় ৫ কি.মি. অহা-যোৱা কৰিছিলো। ৰাস্তাও সিমান সু-চল নাছিল। অহা-যোৱা কৰা ক্ষণবোৰ মধুৰ আছিল।

নৱাগতা আদৰণি, সৰস্বতী পূজা, মহাপুৰুষৰ জন্মোৎসৱ পালন, ছাত্ৰ একতা সভাৰ নিৰ্বাচন, মহাবিদ্যালয় সপ্তাহ আদি অনুষ্ঠানৰ দিনবিলাক স্মৃতিৰ মণিকোঠাত এতিয়াও ভাঁহি উঠে।

মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰদ্ধাৰ গোলাপ চন্দ্ৰ বৰগোহাঁই ছাৰলৈ শ্ৰদ্ধা, সেৱা, সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো। শিক্ষানুষ্ঠানটিও অদূৰ ভৱিষ্যতে অধিক উজ্বল হোৱাৰ কামনা কৰিলো।

০০০০



# অনুভৱৰ জলঙাইদি একলম

মাখনী গোস্বামী
প্ৰাক্তন ছাত্ৰী

প্ৰতিজন ব্যক্তিৰ মৰ্মস্থলত লুপ্ত হৈ থকা জ্ঞানৰ শাশ্বত প্ৰৱাহৰ দ্বাৰা স্থাপিত সংযোগৰ জৰিয়তে জীৱনৰ প্ৰকৃত আনন্দ পাব পাৰি। এই আনন্দৰ সোৱাদ ল'বলৈকে ময়ো সোণাৰি কলেজৰ প্ৰাক্তন ছাত্ৰী নহ'লেও সেই কলেজৰে অন্তৰ্গত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰৰ প্ৰাক্তন ছাত্ৰী হিচাপে মনৰ অনুভৱখিনি ব্যক্ত কৰিবলৈ প্ৰয়াস কৰিলোঁ।

শিক্ষা শব্দটোৰ অৰ্থ অতি ব্যাপক আৰু ইয়াৰ অন্তৰ্নিহিত উদ্দেশ্যও বহুধৰ্মী। বিশ্বৰ বিভিন্ন প্ৰান্তৰ যুগজয়ী সভ্যতা বিলাকলৈ লক্ষ্য কৰিলেই এই কথাৰ প্ৰমাণ পোৱা যায়। ভাৰতীয় সভ্যতা, মিছৰীয় সভ্যতা, চীনা সভ্যতা, গ্ৰীক সভ্যতা ইয়াৰ উৎকৃষ্ট উদাহৰণ। প্ৰাচীন ভাৰত বৰ্ষৰ শিক্ষাৰ দিশলৈ ঘূৰি চালেই দেখা পাম — বেদ, পুৰাণ নীতিশাস্ত্ৰ, তৰ্ক শাস্ত্ৰ, আয়ুৰ্বেদিক, চিকিৎসা, যোগশিক্ষা, ব্ৰহ্মবিদ্যা আদি নানান ধৰণৰ শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। ভাৰতবৰ্ষৰ শিক্ষা ব্যাপকেই নহয়, অতি উচ্চংগ আছিল বুলি কব পাৰি।

সময়ৰ পৰিবৰ্তনত অনানুষ্ঠানিক শিক্ষাৰ পৰা আনুষ্ঠানিক শিক্ষাৰ প্ৰৱৰ্তন হ'ল। সমগ্ৰ ভাৰতৰ লগতে অসমতো স্কুল, কলেজ, বিশ্ববিদ্যালয় স্থাপন হ'ল। শিক্ষাৰ এনে উৎকৰ্ষ সাধন আৰু প্ৰসাৰ হ'লেও প্ৰচলিত আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ সুবিধা গ্ৰহণৰ পৰা বঞ্চিত হোৱা ব্যক্তিৰ বাবে এক বিকল্প অনানুষ্ঠানিক শিক্ষা ব্যৱস্থা সহজলভ্য কৰিবলৈকে অসম চৰকাৰেও ভাৰত চাৰকাৰৰ দূৰ শিক্ষা পৰিষদ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগে ক্ষন্তেকলৈ হলেও সময়ে পিন্ধাই দিয়া বাস্তৱৰ সাজজোৰ সোলোকাই থৈ উভতি যাব পাৰিব সেই সোণালী দিনবোৰলৈ য'ত তেওঁলোকে এৰি থৈ গৈছিল খিল খিল হাঁহি আৰু কাকলিৰে পৰিপূৰ্ণ সোণালী যৌৱন, অনুধাৱন কৰিবলৈ অৱকাশ পাব জীৱনৰ পোৱা-নোপোৱাৰ তালিকাখনৰ কিমানখিনি মূলধন তেওঁলোকে সেই দিনবোৰত সঞ্চয় কৰিবলৈ সমৰ্থ হৈছিল।

সামূহিক নিৰবধি প্ৰচেষ্টা, সৎসাহস, আত্মত্যাগ, আন্তৰিকতা, দৃঢ় পদক্ষেপেৰে আগুৱাই সোণালী জয়ন্তী পাতিব পৰা সোণাৰি কলেজৰ বিষয়ে কি লিখিম? এক বৃহৎ অঞ্চলৰ বাটকটীয়া এই শিক্ষানুষ্ঠানখনে আজি উন্নত শিৰে ইয়াৰ প্ৰতিষ্ঠাতা সকলৰ সৈতে জড়িত বৰেণ্য ব্যক্তিসকল সমন্বিতে প্ৰয়াত শিক্ষাগুৰু সকলৰ ত্যাগৰ স্মৰণেৰে প্ৰাক্তন আৰু বৰ্তমান শিক্ষাগুৰুসকলৰ হৰ্ষোল্লাসেৰে সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান আয়োজন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

মই আকৌ উভতি আহিছো — "কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়'ৰ অধ্যয়ন কেন্দ্ৰলৈ। মোৰ আধৰুৱা সপোন বাস্তৱত পৰিণত কৰা এই মহাবিদ্যালয়ৰ অভিজ্ঞ আৰু বিচক্ষণ শিক্ষাগুৰু — সকলৰ শিক্ষাদান গ্ৰহণ কৰি নিজকে ধন্য মানিছো। ধন্য হৈছো স্নাতকোত্তৰ ডিগ্ৰী লৈ এই অধ্যয়ন কেন্দ্ৰৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছত। হয় মই সোণাৰিৰ প্ৰাক্তন ছাত্ৰী নহওঁ। জন্মসূত্ৰে মই মৰাণৰ। পঢ়া-শুনা মৰাণ

কলেজৰ, স্নাতক মৰাণ কলেজৰ পৰা। বৈবাহিক সূত্রে সাপেখাটীৰ বাসিন্দা। কৰ্মক্ষেত্ৰ সাপেখাটী। সাপেখাটী চাৰি আলি মজলীয়া বিদ্যালয়। প্ৰবল ইচ্ছা থকা স্বত্বেও বিশ্ববিদ্যালয়ৰ ডিগ্ৰী ল'ব নোৱাৰিলো। সেই সময়ত মোৰ জন্মভূমি বামপথাৰ, গজপুৰীয়া সেই বৃহৎ অঞ্চলটোৰ উচ্চ শিক্ষাৰ অভাৱ পূৰাবলৈ সেই অঞ্চলৰে কেইজনমান নিবনুৱাৰ লগলাগি গজপুৰীয়া হাইস্কুল প্ৰতিষ্ঠা কৰো। তাত চাৰি বছৰমানে কাম কৰোতেই ঘৰৰ পৰা দহ কিলোমিটাৰ মান দূৰত 'বাহনিপথাৰ মজলীয়া বিদ্যালয়ত স্থায়ী সহ-শিক্ষক পদত যোগদান কৰো। সেই বৰ্ষতে বিয়াৰো যা-যোগাৰ হ'বলৈ ধৰে। মাজে মাজে উচ্চ শিক্ষাৰ চিন্তায়ো মনটোক দুখ দি থাকিল। ১৯৮২ চনৰ দহ ডিচেম্বৰত বিয়া হৈ সাপেখাতী পাওঁহি। সেই বছৰতে লিখিত আৰু মৌখিক 'এ.পি.এচ.চি' দুয়োটা পৰীক্ষাতে উত্তীৰ্ণ হওঁ। ই মোৰ জীৱনৰ এটা ডাঙৰ আশা পূৰণ কৰিলে। কিন্তু কি হ'ব দাতাই দিলেও বোলে বিধাতাই নিদিয়ে। শাহুৰ কাঢ়া নিৰ্দেশ, স্কুলৰ বাহিৰে অন্য বিভাগত চাকৰি কৰিবলৈ নিদিয়ে। গতিকে মনৰ আশা মনতে সামৰি তিনি চাৰিখন স্কুললৈ বদলি লৈ অৱশেষত ডিব্ৰুগড় জিলাৰ পৰা শিৱসাগৰ জিলাৰ সাপেখাটী চাৰিআলি মজলীয়া বিদ্যালয় পাওঁহি। ঘৰ সংসাৰ সামাজিক কাম-কাজ সাহিত্য সভা, মইনা পাৰিজাত আদি নানান কামৰ মাজত থাকি বিশ্ববিদ্যালয়ৰ ডিগ্ৰী নোলোৱাৰ দুখ পাহৰি থাকো।

সময় বাগৰি যায়। শিক্ষা জগতৰো আমূল পৰিবৰ্তন হ'বলৈ ধৰে। ইতিমধ্যে ভাৰত চৰকাৰে বহু আলোচনা বিলোচনাৰ অন্তত পৰম্পৰাগত শিক্ষাই ঢুকি নোপোৱা বা সামৰি ল'ব নোৱাৰা সকলৰ মাজত শিক্ষাৰ প্ৰসাৰৰ উদেশ্যে 'ভাৰত চৰকাৰৰ দূৰ শিক্ষা পৰিষদ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগ' গঠন কৰে। ইয়াৰ অধীনতে অসমতো 'বাধাৰ প্ৰাচীৰ নেওচি শিক্ষাৰ বিস্তাৰ এই কৃষ্ণকান্ত ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ মূল মন্ত্ৰ ফাঁকি লৈ স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰে। সঁচাকৈয়ে এই পাঠ্যক্ৰম আৰম্ভ হোৱাৰ লগে লগে হাজাৰ হাজাৰ সম্ভাৱনাপূৰ্ণ শিক্ষাৰ্থী, বিভিন্ন চাকৰি তথা ব্যৱসায়-বাণিজ্য, কৃষিকৰ্ম অথবা অন্যান্য কৰ্মক্ষেত্ৰ আৰু সামৰিক অৰ্ধসামৰিক বাহিনীৰ লগত জড়িত ব্যক্তি, মহিলা, বিশেষভাৱে গৃহিণী, শাৰীৰিকভাৱে অক্ষম লোক সকলো লাভান্বিত হ'ল।

চাকৰি আৰু সংসাৰ লৈ ব্যস্ত থকা মই জনীৰো চোন জাপ খাই থকা পাখি দুখন মেল খাবলৈ ধৰিলে। সহকৰ্মী দীপাৰ মুখে সোণাৰিৰ অধ্যয়ন কেন্দ্ৰৰ খা-খবৰবোৰ পাই থাকিলো। যিহেতু অসমীয়া বিষয়টো তেতিয়ালৈকে অহা নাছিল। ৰূঢ় বাস্তৱৰ কঠিন স্পৰ্শৰ মাজতো মানুহে কঢ়িয়াই ফুৰে অতীতৰ সুমধুৰ স্মৃতি। হাজাৰ দুখ ভৰা অতীত থাকিলেও কিয় জানো বুকুৰ মাজত ৰৈ যায় সুখ ভৰা সময়ৰ স্মৃতি। শুভ বাৰ্তা লৈ দীপাই ক'লেহি — "বাইদেউ ভাল খবৰ সোণাৰিৰ কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ে অসমীয়া বিষয়টো স্নাতকোত্তৰ শ্ৰেণীত সন্নিবিষ্ট কৰিছে। ইতিমধ্যে তাই ফৰ্ম অনাৰ কথাও কলে। এক আনন্দে নধৰা হ'ল। সহকৰ্মী ৰেণু গঁগৈ বড়াৰ লগতো আলোচনা কৰিলো। পাচে বহুত আশা কৰিছিলো যদিও প্ৰথম বছৰটোত নামভৰ্তি কৰিব নোৱাৰিলো। দ্বিতীয় বছৰটোত সোণাৰিৰ "কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ" ছাত্ৰী হলো। ২০১২ বৰ্ষৰ পৰা বিশ্ববিদ্যালয়ৰ ছাত্ৰী হলো। অৱসৰ ল'বৰ সময়ত ছাত্ৰী। প্ৰথম কেইদিনমান বৰ লাজো লাগিছিল অধ্যয়ন কেন্দ্ৰৰ পৰিচালক শ্ৰীযুত দিলীপ ৰঞ্জন বৰুৱাকে আদি কৰি শিক্ষাগুৰু ৰঘুনাথ কাগয়ুং চাৰ, ৰতিপ্ৰভা বাইদেউকে আদি কৰি বাকী কাৰ্য্যালয়, সহকাৰী সকলৰ ওচৰতো কথা পাতিবলৈ সঙ্কোচবোধ কৰিছিলো। স্নাতক শ্ৰেণীত পঢ়ি থকা মোৰ প্ৰাক্তন ছাত্ৰবোৰে দেখিও সুধিছিল, বাইদেউ আপুনি কি পঢ়িছে? কৈছিলো বুঢ়া শালিকাই মাত লগাবলৈ আহিছো। সিহঁতে কৈছিল "তেনেকৈ



নক'ৰ বাইদেউ আপুনি আমাৰ প্ৰেৰণাহে হৈছে। সিহঁতৰ কথাশুনি ভাল লাগিছিল।

প্ৰতি দেওবাৰে নোৱাৰিলেও মাজে মাজে ক্লাচ কৰিবলৈ ললো। ৰঘুনাথ চাৰ, ৰতি বাইদেউকে আদি কৰি শিক্ষাগুৰু সকলৰ ক্লাচ কৰি বৰ ভাল লাগিল। চুমী ফুকন, ৰেণু, নিৰু নেওগ আদি প্ৰায় কেইগৰাকী সহপাঠী বিভিন্ন বিদ্যালয়ত শিক্ষকতা কৰি থকাই আছিলো, ঘৰৰ সমস্ত কাম কৰি প্ৰদত্ত কৰ্ম কৰি চাৰিওটা চেমিষ্টাৰত মুঠ ১৬ খন পেপাৰ দিব পাৰিম জানো? এক দুদুল্ল্যমান অৱস্থা। তথাপি এক দৃঢ় মনোবল লৈ পঢ়াত আগবাঢ়িলো। প্ৰদত্ত কৰ্ম, ৰাতি খাই বৈ আজৰি হৈ ১২/১ টা মান বজালৈ লিখো।

এইদৰেই ২০১৩ বৰ্ষৰ দুয়োটা পৰীক্ষা ভালধৰণেই পাছ কৰিলো। সুন্দৰ নম্বৰ লাভ কৰিলো। ইতিমধ্যে ২০১৪ বৰ্ষৰ জানুৱাৰী মাহত অৱসৰ গ্ৰহণ কৰো। তৃতীয় চেমিষ্টাৰৰ আগে-আগে আকৌ মজাৰ ঘটনা ঘটিল। চৈধ্য দিনীয়া বৈষ্ণো দেৱী, হৰিদাৰ, কাশ্মীৰ আদি ভ্ৰমণ সূচী লৈ ঘৰৰ পৰা ৰাওনা। ১৮ জুলাইত ঘৰ আহি পুনৰ ১৯/০৭/২০১৪ তাৰিখৰ পৰা পৰীক্ষা। কি পৰীক্ষা দিম তথাপিও দিলো। আগৰ দুটা পৰীক্ষাৰ দৰে ভাল নম্বৰ নাপালেও ফেইল নকৰিলো। এইদৰে ৪ৰ্থ চেমিষ্টাৰটো পৰীক্ষা দি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সোণাৰি কলেজ 'অধ্যয়ন কেন্দ্ৰ'ৰ পৰা অসমীয়াত স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ প্ৰমাণ মানে চাৰ্টিফিকেট লওঁ। উস্ জীৱনৰ যে কিমান ডাঙৰ আশা এটা পূৰণ হ'ল তাক ভাষাৰে বুজাব নোৱাৰোঁ।

অৱসৰৰ পাছত পেঞ্চনৰ কামত ব্যস্ত হৈ থাকোতেই ২০১৭ বৰ্ষত ২ য় দীক্ষান্ত সমাৰোহলৈ আমন্ত্ৰণ লাভ কৰিলো। মনটো আনন্দে নধৰা হ'ল। কাৰণ স্নাৰ্তক পাছ কৰোতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা তেতিয়া আমন্ত্ৰনেই নাপালো এতিয়া সুদীৰ্ঘ সাতত্ৰিশ বছৰৰ পাচত এম.এ. ডিগ্ৰী ল'বলৈ 'কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়'ৰ পৰা আমন্ত্ৰণ লাভ। দীপা, ৰেণু আৰু মই তিনিও জনীয়ে যোৱাৰ সিদ্ধান্ত ল'লো। ২০১৭ বৰ্ষৰ ৫ ফেব্ৰুৱাৰীৰ দিনা ২ য় দীক্ষান্ত সমাৰোহ গুৱাহাটী মেডিকেল কলেজৰ অডিটেৰিয়ামত হৈছিল। বিশ্ববিদ্যালয়ৰ অন্তৰ্গত স্নাতক, স্নাতকোত্তৰ, ডক্টৰেট অন্যান্য বিষয়ৰ সকলোকে সেই সমাৰোহত ডিগ্ৰী প্ৰদান কৰিছিল। চিনাকী, অচিনাকী আমাৰ শিক্ষাগুৰু দুই এজনকো বেলেগ বিষয়ত ডিগ্ৰী ল'বলৈ যোৱা দেখিছিলো। ১৪/১৫/১৬ বৰ্ষৰ পৰা কেইবাশও ছাত্ৰ/ছাত্ৰী বিভিন্ন শিতানত ডিগ্ৰী লবলৈ গৈছিল। গ'ল্ড মেডেল পোৱা সকলোকো মেডেল আৰু মানপত্ৰ সেই সমাৰোহতে দিছিল। জ্যেষ্ঠ কেইবাজনো লোকে 'ডক্টৰেট' ডিগ্ৰী লাভ কৰিবলৈও সক্ষম হোৱা সেই সমাৰোহতে দেখিবলৈ পাওঁ। সঁচাকৈয়ে কি অপূৰ্ব আছিল সেই সভাখন আজিও মানসপটত জিলিকি আছে। দীক্ষান্ত সমাৰোহত অংশ লবলৈ দিয়া। সাজজোৰ পিন্ধি বিভিন্ন ডিগ্ৰী ল'বলৈ যোৱা ছাত্ৰ/ছাত্ৰী সকলে শাৰীপাতি মেডিকেল কলেজৰ (গুৱাহাটী) অডিটৰিয়ামলৈ যোৱা সেই সুমধুৰ দৃশ্য কেতিয়াও পাহৰিব নোৱাৰিম। সেই শুভক্ষণৰ অংশীদাৰ হ'বলৈ পাই মই পুনৰ বাৰ সোণাৰিৰ অধ্যয়ন কেন্দ্ৰ আৰু মোৰ শিক্ষা গুৰু সকলক কৃতজ্ঞতা জনাইছিলো।

দীক্ষান্ত সমাৰোহত উপস্থিত আছিল 'ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়'ৰ Vice Chancellor - Professor Ravindra Kumar, সন্মানীয় Vice Chancellor Dr. Hitesh Deka, Hon'ble Education Minister of Assam Dr. Himanta Biswa Sarma, The Governor of Assam and the Vice Chancellor Sjt Banwarilal Tmruhit আদি উচ্চ পৰ্য্যায়ৰ সন্মানীয় ব্যক্তিসকল। পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্যসূচী আৰু ভাষণৰ পাচতে ডিগ্ৰী আৰু মানপত্ৰসমূহ প্ৰদান কৰা হয়। সেই গাম্ভীৰ্যময় সভাখনৰ

স্মৃতি আজিও চকুৰ আগত ভাঁহি আছে। সন্মানীয় ৰবীন্দ্ৰ কুমাৰ চাৰৰ সেই উক্তি কেতিয়াও পাহৰিব নোৱাৰো।

"VIDYA DADATI VINAYAM NINAYAD YATI PATRATAM PATRAD DHANMAPNOTI, DHANAD DHARMAH TATAH SUKHAM."

আজি স্বৰ্ণ জয়ন্তীৰ এই মহেন্দ্ৰক্ষণত সোণাৰি কলেজৰ অধ্যয়ন কেন্দ্ৰ 'কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এগৰাকী প্ৰাক্তন ছাত্ৰী হিচাপে মনৰ মণি কোঠাত সিঁচৰিত হৈ সোঁতমোচ খাই থকা স্মৃতিৰ টোপোলা মেলি জুকিয়াই থানথিত লগাই লিখোতে বহুতো ভুল ত্ৰুটি ৰৈ যোৱা স্বাভাৱিক। তথাপি অৱসৰী জীৱনৰ পাছত এই মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকলৰ তত্বাৱধানতে শিক্ষা লাভ কৰি ডিগ্ৰী লবলৈ সক্ষম হোৱাৰ বাবে নিজে ধন্য হৈছো।

পৰিশেষত কওঁ সময়-বালিত দীপ্ত পদচিহ্ন আঁকি অৰ্দ্ধ শতিকাত ভৰি থোৱা দুপতীয়া পুলিটি পুষ্পে-পল্লভে জাতিষ্কাৰ হৈ মহা বোধি বৃক্ষ হ'ল। শত-সহস্ৰজনে সুশীতল ছাঁ পাই ধন্য হ'ল, উপাদেয় ফল খাই তৃপ্ত হল। আৰু আজি শত-সহস্ৰজনৰ লগতে বৰ্তমানৰ শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীৰ আৰ্থিক কায়িক আৰু বৌদ্ধিক চিন্তাৰ সহায়-সহযোগিতাত সোণালী জয়ন্তীৰ সফলতাৰ ধ্বজা উৰিল। সেয়েহে অনাগত প্ৰতিটো দিনৰ প্ৰতিটো মূহুৰ্তই হওঁক মধুৰ আগবাঢ়ি যাওঁক এক বলিষ্ঠ পদক্ষেপেৰে। সাফল্যতাৰ ৰঙীণ ছবি আঁকি এক অনন্ত সময়ৰ বুকুলৈ সজাই তুলিবলৈ উত্তৰ পুৰুষক নৱ-নৱ সাজেৰে সৃষ্টিশীল নৱ নৱ চেতনাৰে। এয়ে মোৰ ভগৱানৰ ওচৰত প্ৰাৰ্থনা।

ঃঃঃ



# সোণাৰি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ হিচাপে স্মৃতিৰ মিঠা আমেজ আৰু কিছু অনুভৱ

মঃ আলফ্ৰেড ৰহমান
প্ৰাক্তন ছাত্ৰ

মই সোণাৰি ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষা পাছ কৰিছিলো। সেই সময়ত মোৰ সহপাঠী আছিল সোণাৰি দীনবন্ধু ফাৰ্মেচীৰ শ্ৰী সমীৰ সেন আৰু সোণাৰিৰ কামনা ডেকা আৰু ৰজা পুখুৰীৰ দালেহা বেগম। সহপাঠী সমীৰ সেনে মোক এদিন সোণাৰিত লগ পাই ক'লে — তই সোণাৰি মহাবিদ্যালয়তে Admission ল। মই সমীৰৰ কথামতেই সোনাৰি মহাবিদ্যালয়ত ভৰ্তি হলো। সোণাৰি মহাবিদ্যালয়খন সেই সময়ত Building নাছিল। কেঁচা ঘৰতে ক্লাছ হৈছিল। সোনাৰি মহাবিদ্যালয়খনৰ পাছফালেই টিয়ক বাগান। এইখন বাগানেই হ'ল ১৩ নম্বৰ বাগান। এই বাগিচাখনত বাঘৰ উপদ্ৰৱ বেছি। নিশা ৮ টা বজাতেই বাঘ ওলায় মানুহ মাৰে। বাঘৰ সন্ত্ৰাসত চাৰিওফালে মানুহৰ ভয় হয়। সোনাৰিত বাঘৰ সন্ত্ৰাস চাৰিওফালে বিয়পি পৰিছিল। শ্ৰী গোলাপ চন্দ্ৰ বৰগোহাঁই ছাৰ আছিল সোণাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ। তেখেতে সোণাৰি মহাবিদ্যালয়ৰ বাবে নিস্বাৰ্থভাৱে কাম কৰিছিল। সোণাৰি মহাবিদ্যালয়ত আমি লগ পাইছিলো শ্ৰীযুতা ৰতিপ্ৰভা গগৈ, অৰ্পণ বৰুৱা, মানিক গগৈ, গিৰিন গগৈ আদি শিক্ষাগুৰু সকলক। তেওঁলোকৰ ক্লাছসমূহ নিয়মিয়াকৈ কৰিব চেষ্টা কৰিছিলো। মাজে সময়ে ক্লাছ কৰি আমনিও পাইছিলো। কোনোবা এটা ক্লাছ নহ'লে আমি ওচৰৰ কেণ্টিনলৈ গৈ কিবা এটা খাই আহো। মই ক্ৰিকেট খেলৰ বিষয়ে একো নেজানো যদিও মহাবিদ্যালয়ৰ খেলপথাৰত ক্ৰিকেট খেল চাইছিলো মোৰ বন্ধু সমীৰ সেনে মোক ক্ৰিকেটত ছিক্স কেনেকৈ মাৰে, আউট কেনেকৈ হয়, কোন কেই উইকেটত জয়ী হ'ল বহু কথাই কয়। মই এইবিলাক জানিলো। খেলৰ প্ৰতি এইদৰে আকৃষ্ট হ'লো আৰু ৰোমাঞ্চকৰ হৈ পৰিছিলো। তাৰোপৰি সোণাৰি মহাবিদ্যালয়ৰ লাইব্ৰেৰীৰ পৰা ঘৰলৈ কিতাপ পত্ৰ পঢ়িবলৈ দিছিলো। মোৰ প্ৰকাশিত ৰহস্য উপন্যাস "দস্যু অমৰনাথ" ১০টা কপি মহাবিদ্যালয় লাইব্ৰেৰীত দিছিলো। সঁচাকৈয়ে ছাত্ৰ অৱস্থাৰ বহু অভিজ্ঞতা হ'ল। আমি বৰ্তমান প্ৰাক্তন ছাত্ৰ যদিও সোনাৰি মহাবিদ্যালয়ৰ স্মৃতি এতিয়াও সজীৱ হৈ আছে। ক্ষণে-ক্ষণে মনত পৰে - ৰোমন্থন হয় - সেই অনুভৱ।

ঃঃঃ

# সোণাৰি মহাবিদ্যালয়ৰ অতীত ৰোমন্থন

ধৈৰ্য্য প্ৰসাদ বৰগোহাঞি
প্ৰাক্তন ছাত্ৰ-১৯৭৮

সোণাৰি মহাবিদ্যালয়ৰ অহা ৯, ১০ আৰু ১১ চেপ্তেম্বৰ ২০২২ তাৰিখে "সোণালী জয়ন্তী" বৰ্ষ উদ্‌যাপন কৰিবলৈ লোৱাত পোন প্ৰথমে উদ্‌যাপন সমিতিক অভিনন্দন আৰু শুভেচ্ছা জনাইছো। সোণাৰি অঞ্চলৰ উচ্চ শিক্ষাৰ একমাত্ৰ প্ৰতিষ্ঠান হিচাবে সোণাৰি মহাবিদ্যালয়ত ১৯৭৮ চনৰ আগষ্ট মাহত স্নাতক মহলাৰ ১ ম বাৰ্ষিক কলা বিভাগত অৰ্থনীতিৰ মেজৰ সহ নামভৰ্ত্তি কৰাৰ সৌভাগ্য ঘটিছিল। কিন্তু অধ্যয়নৰ আৰম্ভণিতে ১৯৭৯ চনত বিদেশী বহিষ্কাৰ আন্দোলনৰ লগত জড়িত হৈ পৰো যদিও ১৯৮১ চনত মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী সহ সোণাৰি মহাবিদ্যালয়ৰ পৰা বিদায় লওঁ। সেই সময়ত আমাৰ অতি আপোন শ্ৰদ্ধাৰ শ্ৰীযুত গোলাপ বৰগোহাঁই দেৱে অধ্যক্ষতা কৰিছিল। তেখেত সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাবে ১৯৭০ চনৰ ৫ আগষ্ট তাৰিখে কাৰ্যভাৰ লয়। আজি চাওঁতে চাওঁতে এই মহাবিদ্যালয়খনে ৫০ টা বৰ্ষ অতিক্ৰম কৰিলে। সুদীৰ্ঘ ৫০ টা বৰ্ষৰ পৰিক্ৰমা বা ইতিবৃত্ত নাজানিলেও সেই সময়ত অধ্যয়ন কৰাৰ কিছু মুহূৰ্ত দাঙি ধৰিলো। সেই সময়ৰ পৰা আজিলৈকে বহু অধ্যাপক, অধ্যাপিকাই অধ্যাপনা কৰি গ'ল, কিন্তু মোৰ মনত পৰা অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা মহাবিদ্যালয়ৰ কৰ্মচাৰী, চকীদাৰ, পিয়ন আদিৰ কিছু স্মৃতি মনত আহে।

সোণাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাবে মোৰ অতি শ্ৰদ্ধাৰ শ্ৰীযুত গোলাপ বৰগোঁহাই চাৰৰ নাম উল্লেখ কৰিব লাগিব। তেখেতে তিতাবৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ পদৰ চাকৰিৰ পৰা অব্যাহতি লৈ সোণাৰি অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান নতুনকৈ স্থাপন হোৱা সোণাৰি মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাবে দায়িত্ব ভাৰ লৈ এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক জ্ঞানৰ পোহৰ দিয়াৰ বাবে ছাৰলৈ অশেষ শ্ৰদ্ধা, কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো। তেখেতৰ এই মহান মহানুভৱতা সদায় চিৰস্মৰণীয় হৈ ৰ'ব।

সেই সময়ত মই পোৱা অধ্যাপক, অধ্যাপিকা সকল প্ৰয়াত তুলসী গগৈ, শ্ৰীযুত ৰবীন কোঁৱৰ, প্ৰয়াত সুৰেশ দাস, শ্ৰীযুত গিৰিণ গগৈ, শ্ৰীযুত মানিক গগৈ, শ্ৰীযুত অৰ্পণ বৰুৱা, শ্ৰীযুত জীৱেন্দ্ৰ কুমাৰ শইকীয়া, শ্ৰীযুত মানিক বৰুৱা, শ্ৰীযুত বিমলা ফুকন, প্ৰয়াত বিনন্দ মহন, প্ৰয়াত কমলাৱতী শইকীয়া বাইদেউ, শ্ৰীযুতা সোণমাই বড়া বাইদেউ, শ্ৰীযুতা ৰতিপ্ৰভা গগৈ বাইদেউ আদি। এই ছেগতে উক্ত সকলো শিক্ষাগুৰুলৈ মোৰ অন্তৰৰ অলেখ শ্ৰদ্ধা ভক্তি আৰু প্ৰণাম যাছিলো। মহাবিদ্যালয়খনত কাৰ্যালয় সহায়ক হিচাবে প্ৰয়াত ভৱ বৰুৱা আৰু বিষ্ণু বসুমতাৰী নামৰ কৰ্মচাৰী দুজনক পাইছিলো। চকীদাৰ হিচাবে কলেজখনৰ পিছফালে থকা নেপালী সম্প্ৰদায়ৰ লোকজনৰ কথা মনত পৰে। পিয়ন হিচাবে প্ৰয়াত ফণী দত্ত আৰু কমল দত্তক পাইছিলো। তেখেতসকলে আমাক যথেষ্ট সহায় কৰিছিল।

অধ্যয়ন কৰাৰ লগে লগে মহাবিদ্যালয়ত হোৱা খেলধেমালিত অংশগ্ৰহণ কৰিছিলো। প্ৰধানকৈ মহাবিদ্যালয়ৰ ফুটবল দলত অংশলৈ সুনাম আনিবলৈ সক্ষম হৈছিলোঁ। এই ক্ষেত্ৰত শিক্ষাগুৰু শ্ৰীযুত গিৰিণ



গগৈ ছাৰৰ অৱদান অতুলনীয়।

বৰ্তমান সময়ত বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ ক্ষণত গ্ৰন্থ অধ্যয়নৰ ইচ্ছা হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। বৰ্তমান ইন্টাৰনেটে কম সময়ত বহুতো মূল্যবান তথ্যপাতি যোগান ধৰিছে। বৰ্তমান সময়ত মোবাইল ইন্টাৰনেটে ফেচবুক, ৱাটচএপ, গুগোল, ইনষ্টাগ্ৰাম, ইউটিউৱ আদিয়ে কামৰ দক্ষতা আৰু সফলতা দিয়ে। কিন্তু আমাৰ ছাত্ৰ-ছাত্ৰীসকলে এইবোৰৰ পৰা যিটো ইতিবাচক সেইটোহে গ্ৰহণ কৰিব লাগে। এই ব্যৱস্থাৰ বাবে বহুতেই আত্মকেন্দ্ৰিক হ'বলৈ গৈছে। য'ত ওচৰ চুবুৰীয়া বা সমাজখনৰ লগত সময় দিব পৰা নাই। আমি অধ্যয়ন কৰাৰ সময়ত কোনো আন্তঃগাঁঠনি নাছিল। মহাবিদ্যালয়খন এটা জিমখানা ক্লাৱতহে আৰম্ভ হৈছিল। লাহে লাহে ইয়াৰ পৰিৱৰ্তনহে বৰ্তমানৰ অৱস্থাত উপনীত হৈছে। সেই সময়ত কেৱল কলা বিভাগ আছিল। বৰ্তমান মহাবিদ্যালয়ত বিজ্ঞান শাখাৰ উপৰিও সুন্দৰ লেবৰটৰী আৰু গ্ৰন্থাগাৰ দেখি মহাবিদ্যালয়ৰ আন্তঃগাঁঠনিৰ যথেষ্ট উন্নত প্ৰযুক্তি পৰিলক্ষিত হোৱা দেখা পোৱা গৈছে।

শেষত সেই ব্যক্তি সকলৰ নাম স্মৰণ নকৰিলে ভুল হ'ব, যিসকল সমাজ সচেতন ব্যক্তিৰ ফলত সোণাৰি মহাবিদ্যালয়ে আজি ৫০ টা বৰ্ষ অতিক্ৰম কৰিলে। তেখেত সকল হ'ল প্ৰয়াত ৰবীন গগৈ, প্ৰয়াত আব্দুল হান্নান, প্ৰয়াত সুৰেশ দাস, প্ৰয়াত বিপিন দত্ত, প্ৰয়াত পবাগধৰ চলিহা, প্ৰয়াত সাংসদ প্ৰফুল্ল বৰুৱা, প্ৰয়াত চান্তালাল আগৰৱালা আৰু শ্ৰীযুত ডিম্বেশ্বৰ গগৈ দেৱৰ অৱদান চিৰস্মৰণীয় হৈ ৰ'ব।

বৰ্তমান মহাবিদ্যালয়ত অধ্যাপনা কৰি থকা শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল, মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল, ছাত্ৰ-ছাত্ৰীসকল আৰু মহাবিদ্যালয়ৰ প্ৰয়াত আৰু অৱসৰ প্ৰাপ্ত শিক্ষাগুৰু সকল, কৰ্মচাৰী সকল আৰু সতীৰ্থসকল, সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু সেৱা জনাই মহাবিদ্যালয়খনৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি অতীত ৰোমন্থন সামৰণি মাৰিলো।

◦◦◦◦

# সোঁৱৰণীৰ কুঁৱলী ফালি

ললিত চাবুকধৰা
প্ৰাক্তন ছাত্ৰ - ১৯৮২-৮৪

চৰাইদেউ জিলাৰ সদৰ সোণাৰিত অৱস্থিত 'সোণাৰি মহাবিদ্যালয়'। জিলাখনৰ ভিতৰতে ৫০ বছৰ গৰকা এখন ঐতিহ্যমণ্ডিত উচ্চশিক্ষাৰ অনুষ্ঠান হিচাবে পৰিগণিত হৈছে। অনুষ্ঠানটিয়ে সোণালী জয়ন্তী বৰ্ষত ভৰি দিয়া মুহূৰ্তত প্ৰাক্তন ছাত্ৰ হিচাবে আমি নিশ্চয় গৌৰৱ অনুভৱ কৰিছো। তাৰোপৰি জীৱিকাৰ সন্ধানত সোণাৰিৰে স্থায়ী বাসিন্দা হোৱাৰ বাবে মহাবিদ্যালয়ৰ লগত নিবিড় সম্পৰ্ক আছে আৰু খেলা-ধূলাকে আদি কৰি আন দিশতো জড়িত হৈ থাকিব লগা হৈছে।

১৯৮২ চনত সাপেখাতী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উত্তীৰ্ণ হৈ সোণাৰি মহাবিদ্যালয়ত নামভৰ্তি কৰি ১৯৮৪ চনত ৰাজনীতি বিজ্ঞান বিভাগত সন্মানসহকাৰে স্নাতক ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছিলো।

আমি অধ্যয়ন কৰা দিনৰ পৰা প্ৰায় ৩৮ বছৰ অতিক্ৰম কৰা মহাবিদ্যালয়খনৰ পৰিবৰ্তন হোৱাতো স্বাভাৱিক কথা। বৰ্তমানে অতীতৰ তুলনাত মহাবিদ্যালয়খনৰ সকলো সা-সুবিধা বিদ্যমান। আমি অধ্যয়ন কৰা সময়ত বৰ্তমানৰ ছোৱালীৰ নিবাস থকা ঠাইতে পুৰণি জিম্‌খানা ক্লাৱত পাঠদানকে আদি কৰি মহাবিদ্যালয়ৰ আনুসঙ্গিক কাম-কাজবোৰ চলিছিল। এটি মাত্ৰ গৃহৰ পৰা কাম আৰম্ভ কৰা মহাবিদ্যালয়খনে আজি অসংখ্য গৃহত কাম-কাজ চলাই নি দৈনন্দিন এটা ব্যস্ততাপূৰ্ণ পৰিবেশ গঢ়ি তুলিছে। আমাৰ দিনত সীমিত সংখ্যক ছাত্ৰ-ছাত্ৰীৰে আৰু শিক্ষক-কৰ্মচাৰীৰে অনুষ্ঠানটিৰ যি পৰিৱেশ আছিল, তাৰ তুলনাত এতিয়া হাজাৰ-হাজাৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক কৰ্মচাৰীৰে এখন পূৰ্ণাঙ্গ মহাবিদ্যালয় হিচাবে পৰিগণিত হৈছে।

প্ৰত্যেক ব্যক্তিৰে মহাবিদ্যালয়ৰ সময়ছোৱাৰ অতি মধুৰ আৰু বিচিত্ৰ স্মৃতিৰে পূৰ্ণ সময় হিচাবে গণ্য কৰি জীৱনৰ এই সময়ৰ স্মৃতি ৰোমন্থন কৰাৰ অৱকাশ থাকে। মোৰো সোণাৰি মহাবিদ্যালয়ত দুটা বছৰৰ অনেক সহপাঠীৰে সৈতে অতিবাহিত কৰা জীৱনৰ এটি স্মৰণীয় সময় আজিও মনত আছে। অপ্ৰিয় হ'লেও তাৰে কিছু কথা উল্লেখ কৰিব বিচাৰিছো — যিসকল সমাজৰ উন্নতিৰ কথা চিন্তা কৰা ব্যক্তিয়ে সন্মানীয় গোলাপ বৰগোহাঁই ছাৰক মুখ্য হিচাবে লৈ সোণাৰি মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰিলে তেখেতসকলক আজি শতবাৰ প্ৰণাম জনাইছো। কাৰণ সেই সময়ত মহাবিদ্যালয়খন প্ৰতিষ্ঠা নোহোৱা হ'লে আমাৰ দৰে গাঁও অঞ্চলৰ পৰা অহা বহু ছাত্ৰ-ছাত্ৰীৰে স্নাতক ডিগ্ৰী লোৱা নহ'লহেতেঁন। তেতিয়া বৰহাটৰ পৰা শিৱসাগৰলৈ এখন মাত্ৰ পৰিবহন নিগমৰ বাছ নিয়মিতভাৱে চলিছিল। আমাৰ বাসস্থান কলাকটাৰ পৰা সোণাৰিলৈ ভাড়া আছিল দুটকা। অহা-যোৱাৰ বাবে ৪ টকা যোগাৰ কৰিব নোৱাৰাৰ বাবে প্ৰায়ে কলেজ খতি কৰিবলগীয়া হৈছিল। অৱশ্যে সমাজত সকলো সময়তে জ্ঞানীলোক থাকেই। সেই সময়ত বৰহাটৰ পৰা বাছখনত চেতিয়া উপাধিৰ এজন কণ্ডাক্টৰ আছিল। যিজনে আমাৰ পৰা প্ৰায়ে ভাড়া নিবিচাৰিছিল। দ্বিতীয় বছৰ মহাবিদ্যালয়ৰ



ছাত্ৰাবাসত থাকিছিলো। সেইয়ে সপ্তাহৰ প্ৰতি শনিবাৰে ঘৰলৈ গৈ বাগিচাৰ দৰ্মহা বজাৰত শাক-পাচলি, তামোল-পাণ বিক্ৰী কৰি পঢ়াৰ খৰচ উলিয়াই কষ্ট কৰিহে শিক্ষাগ্ৰহণ কৰিছিলো। গতিকে মোৰ দৰে আৰ্থিক শোচনীয় অৱস্থাৰ ছাত্ৰ-ছাত্ৰীসকলে বাহিৰত উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ যোৱাটো একেবাৰে সম্ভৱ নাছিল।

সময় নৈৰ সোঁতৰ দৰে পাৰ হৈ যায়। বিগত ৫০ বছৰত মহাবিদ্যালয়খনৰ হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰী অধ্যয়ন কৰি গৈ বিভিন্ন ঠাইত বিভিন্ন ধৰণেৰে সংস্থাপিত হৈ আছে আৰু অনেক শিক্ষক কৰ্মচাৰীও মহাবিদ্যালয়খনত সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰিছে আৰু স্বৰ্গগামীও হৈছে। মোৰ মনত পৰা সহপাঠীসকলৰ ভিতৰত একেবাৰে নিকটবৰ্তী প্ৰতিবেশী হিচাবে পাইছো — মোৰ একালৰ ছাত্ৰাবাসৰো সঙ্গী শ্ৰীযুত টংকেশ্বৰ লাহন। পেচাত এগৰাকী অধিবক্তা। বৰ্তমানে লাহনে মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ কামত জড়িত হৈ অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তুলিবলৈ সম্পূৰ্ণ আত্মনিয়োগ কৰিছে। আন এগৰাকী হৈছে বিজয়া কোঁৱৰ বৰ্তমান ধেমাজী দিচাংপানী উঃমাঃ বিদ্যালয়ৰ অধ্যক্ষাৰ পদ অলংকৃত কৰি আছে। শিক্ষাবৃত্তিৰ লগত জড়িত মোৰ আন সহপাঠীসকল হৈছে — প্ৰবীণ গগৈ, মাণিক শ্যাম, কল্পনা গগৈ, তৰুণ নেওগ, ৰেখা গগৈ, পূৰ্ণ গগৈ, দুলু বৰগোহাঁই, বিজু কাকতি, সুবৰ্ণ গোহাঁই, সুভাষ ডেকা আদি। শিক্ষক হিচাবে অৱসৰ গ্ৰহণ কৰা সকল হৈছে — ৰমেশ গগৈ, প্ৰফুল্ল গগৈ, সুৰেণ দাস। বৰ্তমান মোৰ কৰ্মস্থলী ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কৰ্মচাৰী বিজিত বড়াও মোৰ সহপাঠী আছিল। অন্যান্য বৃত্তিত জড়িত সহপাঠীসকল হৈছে — ভুবন বৰুৱা, দেৱজিত গগৈ, কিয়ামট শ্যাম, হীৰেণ দোলাকাষৰীয়া, ৰাজীৱ মহন্ত, চৰবন আগৰৱাল, মৃদুল শৰ্মা, দেৱজিত গোহাঁই, চিদানন্দ ফুকন, তিলক গোহাঁই আদি। ইতিমধ্যে ইহ সংসাৰ ত্যাগ কৰা কেইজনমান সহপাঠী আছিল — প্ৰয়াত সোণাৰাম শইকীয়া, প্ৰয়াত ৰূপামণি বৰগোহাঁই, প্ৰয়াত দেবেন চেতিয়া, প্ৰয়াত জিতেন চেতিয়া। হয়তু কোনোবাজনৰ নাম পাহৰিও গৈছো তেওঁলোকে ক্ষমা কৰে যেন।

আমাৰ দিনত মহাবিদ্যালয়খনত খেলা-ধূলাৰ এক সুকীয়া পৰিৱেশ আছিল। এইক্ষেত্ৰত বুৰঞ্জী বিভাগৰ গিৰিণ গগৈ ছাৰে নেতৃত্ব দিছিল। ছাৰৰ উদ্যোগতে আশী দশকৰ আগছোৱাত মহাবিদ্যালয়ত এটা শক্তিশালী ফুটবল দল গঠন হৈছিল। আৰু স্থানীয় কিছুমান প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি সফলতা লাভ কৰিছিল। আমাৰ দিনত ফুটবল টিমত থকা কেইজনমান সুদক্ষ খেলুৱৈ হৈছে — ক্ৰমে ভুপেন গগৈ, সহদেৱ শইকীয়া, পূৰ্ণ গগৈ (আহোম), বাবাকলি পাতিৰি, প্ৰদীপ লাহন, ৰোহিনী বৰুৱা আদি। প্ৰয়াত লক্ষী বাইলুং সেইসময়ৰ মহাবিদ্যালয়ৰ এজন সুদক্ষ ক্ৰীড়াবিদ আছিল। ১৯৮৩ চনৰ মহাবিদ্যালয় সপ্তাহৰ মাৰাথান দৌৰত লক্ষী বাইলুংক অতিক্ৰম কৰি প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম হোৱাৰ স্মৃতি আজিও সজীৱ হৈ আছে। মহাবিদ্যালয়ৰ পৰা লাভ কৰা খেলৰ প্ৰমাণ পত্ৰ সমূহৰ যোগেদিয়েই ১৯৮৮ চনত অসম চৰকাৰৰ যুৱ আৰু ক্ৰীড়া সঞ্চালকালয়ত নিৰ্বাচিত হৈ মহাৰাষ্ট্ৰৰ অমৰাৱতীত এবছৰীয়া ক্ৰীড়া পাঠ্যক্ৰম গ্ৰহণ কৰি বৰ্তমান এই অভাজনে চৰকাৰৰ ক্ৰীড়া বিভাগত নিযুক্তি লাভ কৰি জীৱিকাৰ পথ মুকলি কৰিবলৈ সক্ষম হ'লো।

আগৰ তুলনাত বৰ্তমানে মহাবিদ্যালয়খনত খেলা-ধূলাৰ বিশেষ পৰিৱেশ পৰিলক্ষিত নহয় যদিও বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ক্ৰীড়া ক্ষেত্ৰত যথেষ্ট সা-সুবিধা প্ৰদান কৰিছে। মাত্ৰ আন্তঃকলেজ কিছুমান খেলৰ প্ৰতিযোগিতাৰ বাবে দল গঠন কৰিবলৈ দুদিনমান হৈ-চৈ কৰি এটা দল পঠিয়াই দায়িত্ব সামৰা দেখা যায়।

মহাবিদ্যালয়ে ক্রিকেট খেলত সুনাম অৰ্জন কৰিছে। আজিৰ পৰা প্ৰায় দুবছৰমানৰ আগতে এই অভাজনক মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ উদ্বোধন কৰিবলৈ নিমন্ত্ৰণ কৰিছিল। জিলাখনৰ এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয় তাতে নিজেও ইয়াৰ প্ৰাক্তন ছাত্ৰ হিচাবে নিজকে সিদিনা সৌভাগ্যৱান বুলি ভাবিছিলো। এই আপাহতে উদ্যোক্তাসকলক ধন্যবাদ জনাইছো।

উচ্চ শিক্ষানুষ্ঠান হিচাবে সোণাৰি মহাবিদ্যালয়লৈ অনাগত দিনত অগনন শিক্ষাৰ্থী বা শিক্ষক-কৰ্মচাৰীৰ এটা অবিৰাম ধাৰা অতিবাহিত হৈ থাকিব। আজি সোণালী জয়ন্তী বৰ্ষ গৰকা মহাবিদ্যালয়ে কাইলৈ শতবৰ্ষ গৰকিব। সেইদৰে ইয়াত অধ্যয়ণ কৰা প্ৰতিজন শিক্ষাৰ্থীয়ে ধনাত্মক বা ঋণাত্মক বিচিত্ৰ অভিজ্ঞতা জীৱনৰ বাবে বুকুত বান্ধি লৈ যাব। বিভিন্নজনৰ পৰশত মহাবিদ্যালয় খনেও ৰং-ৰূপ সলনি কৰি সময়ৰ লগত খোজ মিলাই নতুন আশাৰ কিৰণৰ সন্ধানত আগবাঢ়ি যাব। মহাবিদ্যালয়খনিৰ সোণালী জয়ন্তীৰ এই সন্ধিক্ষণত এই অভাজনেও এজন প্ৰাক্তন ছাত্ৰ হিচাবে এই লেখনিৰ দ্বাৰা মনৰ কিছু অনুভৱ আগবঢ়ালো। ইয়াত মোৰ সেইসময়ৰ সহপাঠী সকলৰ নাম উল্লেখ কৰোতে অজানিতে কিবা ভুল বৈ গলে ক্ষমা কৰিব নিশ্চয়। এটা সময়ত নিজে অধ্যয়ন কৰা এই শিক্ষানুষ্ঠানখনৰ অনাগত দিনত সৰ্বতোপ্ৰকাৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি চমু লেখনিৰ সামৰণি মাৰিলো।

ঃঃঃঃঃ



# স্মৃতিৰ বোকোচাত সোণাৰি মহাবিদ্যালয়

ড° মানজিৎ গগৈ
অধ্যক্ষ,
জাঁজী হেমনাথ শৰ্ম্মা মহাবিদ্যালয়

চৰাইদেউ জিলাৰ সদৰত অৱস্থিত উচ্চ শিক্ষা প্ৰাণকেন্দ্ৰ সোণাৰি মহাবিদ্যালয়। য'ত গঢ় দিয়া হৈছে অনেক মানৱ সম্পদ। ১৯৭০ চনত একাংশ বিশেষ বিশেষ ব্যক্তি আৰু শিক্ষানুৰাগী শিক্ষাবিদৰ সু-চিন্তিত স্থাপন কৰা হৈছিল মহাবিদ্যালয় খনি। আৰম্ভণিৰ সেই শুভমুহূৰ্তত জড়িত হৈ পৰা বহু ব্যক্তি আজি আমাৰ মাজত নাই অৰ্থাৎ তেওঁলোকে ইহলোকৰ পৰা পৰলোকলৈ গতি কৰিলে। এই আপাহতে সেই পৰগামী সমাজ হিতৈষী ব্যক্তিসকলৰ ত্যাগ আৰু কষ্টৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁলোকৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো। তাৰোপৰি যিসকল জীৱিত অৱস্থাত আছে তেওঁলোকৰ চৰণত মোৰ সেৱা আগবঢ়ালো।

মহাবিদ্যালয়ত শিক্ষাগ্ৰহণ কৰাৰ অভিজ্ঞতা প্ৰথম সোণাৰি মহাবিদ্যালয়। ১৯৮৪ চনত সোণাৰি ভাগৱতী প্ৰসাদ বৰুৱা সৌৰৱণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক পাছ কৰি ডিব্ৰুগড়ৰ আগশাৰীৰ মহাবিদ্যালয়ত নামভৰ্তী কৰাৰ চিন্তা-চৰ্চা কৰি আগবাঢ়িছিলো। কিন্তু স্থানীয় তথা সেই সময়ৰ সোণাৰি মহাবিদ্যালয়ৰ উপাধ্যক্ষৰ দায়িত্বত থকা সুৰেশ দাস চাৰে মোৰ মাক সোণাৰি মহাবিদ্যালয়ত এইবাৰ বিজ্ঞান শাখা খোলা হৈছে গতিকে তাতে মানজিৎক নামভৰ্তি কৰাই দিয়ক বুলি উপদেশ দিছিল। প্ৰথমতে মই ইচ্ছা কৰা নাছিলো যদিও মাৰ কথাষাৰ প্ৰত্যাখ্যান কৰাৰ ধৃষ্টতা মোৰ নাছিল। কাৰণ মাত্ৰ দুটা বছৰৰ আগতে দেউতাৰ মৃত্যু হোৱাত আমাৰ পৰিয়াললৈ অৰ্থনৈতিক সমস্যা আহি পৰিছিল। তাৰোপৰি মোৰ বাইদেউ সেই বছৰতে চৰাই হাইস্কুলৰ মেট্ৰিক পাছ কৰিছিল।

মই বিজ্ঞান বিভাগত নাম লগালো। মোৰ লগতে আৰু ১৪ জন ছাত্ৰ-ছাত্ৰী। আমাৰ বন্ধু-বান্ধৱী সকলৰ ভিতৰত — ৰুণজুন, গীতা, যতীন, জয়ন্ত, বিদ্যুৎ, গিৰিশ, নব, মোলেন, ৰনজিৎ। জুলাই মাহত আমাৰ নামভৰ্তী প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ল। ১৯৮৪ চনৰ আগষ্ট মাহৰ কোনোবা এটা দিনত আমাৰ বিজ্ঞান শাখাৰ শুভাৰম্ভ হ'ল আৰু সোণাৰি মহাবিদ্যালয়ৰ ইতিহাসত এক নতুন সংযোজন ঘটিল।

আমি যেনেদৰে ভাবিছিলো তেনেদৰে বিজ্ঞান শাখা আগবাঢ়ি যাব পৰা নাছিল কাৰণ তেতিয়া মহাবিদ্যালয়ত নতুন বিজ্ঞান শিক্ষকৰ অভাৱ আছিল। প্ৰথম অৱস্থাত আমাক সোণাৰি ভাগৱতী প্ৰসাদ বৰুৱা সৌৰৱণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দুই- তিনিজন শিক্ষকে ৰাসায়ন বিজ্ঞান আৰু পদাৰ্থ বিজ্ঞান লগতে অংক আৰু জীৱ বিজ্ঞানৰ শিক্ষা প্ৰদান কৰিছিল। সেই সময়ছোৱাত কেৱল ইংৰাজী আৰু অসমীয়া বিষয় দুটাৰহে নিয়মীয়া পাঠদান কাৰ্য্যসূচীত উপস্থিত আছিলো।

BPBMHS ৰ পৰা ছাৰসকল আহোঁতে কেতিয়াবা দেৰি হয়। কেতিয়াবা নাহে। ছাৰহঁত নাহিলে আমি লাইব্ৰেৰীলৈ যোৱাৰো কোনো সুবিধা নাছিল, কাৰণ লাইব্ৰেৰীত বিজ্ঞানৰ কিতাপ তেতিয়া নাছিল

বুলিয়েই ক'ব পাৰি।

সেয়ে মাজে মাজে ক্লাচ নাথাকিলে জুম পাতি হুলস্থুল কৰিলে ছাৰহঁতে ধমক মাৰিছিল। লাহে লাহে এজন-দুজনকৈ শিক্ষকসকল আহি যোগদান কৰি আমাৰ শৈক্ষিক কাৰ্য্যসূচী আগবঢ়াই লৈ গ'ল। এইক্ষেত্ৰতো আমালৈ প্ৰত্যাহ্বান নহাকৈ থকা নাছিল। এইক্ষেত্ৰত বিশেষকৈ নাম সুঁৱৰিব লাগিব শ্ৰদ্ধাৰ ড° বুধিন গগৈ ছাৰ। যি জনে আমাক উদ্ভিদ বিজ্ঞানৰ সম্পৰ্কে এনে কিছুমান ধ্যান-ধাৰণা দিছিল যিটোৱে মোক গোটেই জীৱন প্ৰভাম্বিত কৰি আছে। এই আপাহতে ছাৰৰ প্ৰতি কৃতজ্ঞতা আৰু সেৱা জনোৱাৰ লগতে সু-স্বাস্থ্যৰ কামনা কৰিলো। আমাক প্ৰাণী বিজ্ঞানৰ সম্পৰ্কে জ্ঞান দিছিল শ্ৰদ্ধাৰ পল্টু পাল ছাৰে। মোৰ সৌভাগ্য ঘটিছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এক ৰিফ্ৰেচাৰ কৰ্চত আমি একেলগে অংশগ্ৰহণ কৰিছিলো। বুধিন গগৈ ছাৰ অলপ দিন কৰি গুচি যোৱাত শ্ৰদ্ধাৰ ৰনজিৎ বুঢ়াগোহাঁই ছাৰে যোগদান দিছিল। ৰাসায়ন বিজ্ঞান শিকাইছিল যতীন বৰগোহাঁই ছাৰে। তাৰপাছত শ্ৰদ্ধাৰ পুনিৰাম কোঁৱৰ ছাৰে কিছুদিন ৰাসায়ন বিজ্ঞানৰ শ্ৰেণীসমূহ সুন্দৰভাৱে আগবঢ়াই নিছিল কিন্তু ছাৰে স্থায়ী চাকৰি পোৱাত ছাৰো গুছি গ'লগৈ। তাৰ পাছত ৰাসায়ণ বিজ্ঞানত যোগদান কৰিছিল ড° ৰাণা কোঁৱৰ ছাৰে। ঠিক তেনেকৈ পদাৰ্থ বিজ্ঞানৰ প্ৰথমছোৱা BPBMHSৰ শ্ৰদ্ধাৰ প্ৰিন্স দত্ত ছাৰে পঢ়াইছিল। জীৱবিজ্ঞানৰ কেইটামান শ্ৰেণী ভৰত বৰা ছাৰে আৰম্ভ কৰিছিল। অলপদিনৰ কাৰণে পদাৰ্থবিজ্ঞান পঢ়াইছিল সুজিৎ বৰুৱা ছাৰে। ছাৰো কিছুদিন থাকি গুচি গ'লগৈ। সেই ঠাই পূৰণ কৰিলেহি শ্ৰদ্ধাৰ ৰীনা বৰঠাকুৰে বাইদেউৱে । আমাক অসমীয়া পঢ়োৱা শ্ৰদ্ধাৰ বিনন্দ মহন ছাৰ, ৰতি বাইদেউ আৰু গড়গাঁও কলেজৰ পৰা অৱসৰ গ্ৰহণ কৰা প্ৰয়াত জয়ন্তী গগৈ বাইদেউৰ কথা আজিও সজীৱ হৈ আছে। সেই সময়ত মূৰব্বী অধ্যাপিকা আছিল শ্ৰদ্ধাৰ সোণমাই বৰা বাইদেউ। শ্ৰদ্ধাৰ টঙ্কেশ্বৰ বৰুৱা ছাৰে আমাক বৰ যত্ন কৰি অংক পঢ়াইছিল। ইদালৰ পিছত সিদাল চকমাটি শেষ কৰি আমাক Intreyal Calculus ৰ দীঘল Problem Solve কৰিছিল। আমাক ইংৰাজী পঢ়োৱা শ্ৰদ্ধাৰ ৰবীন কোঁৱৰ ছাৰক কেতিয়াও পাহৰিব নোৱাৰো।

বিজ্ঞানৰ ছাত্ৰ হিচাপে আমাক মহাবিদ্যালয়ৰ ল'ৰাৰ হোষ্টেলত থাকিবলৈ সুবিধা কৰি দিছিল। সেই সময়ত সোণাৰি মহাবিদ্যালয়ৰ আন্তঃগাঁঠনি এতিয়াৰ দৰে উন্নত নাছিল। সেয়ে আমি বাঁহৰ-খেৰৰ হোষ্টেলতে আছিলো। সেই হোষ্টেলতে বৰ্তমানৰ যোৰহাট লোকসভাৰ সাংসদ শ্ৰীযুত তপন কুমাৰ গগৈ দেৱ কিছুদিনৰ বাবে আছিল।

হোষ্টেলত থাকোতে আমি বহুত আনন্দৰে দিনবোৰ কটাইছিলো। আমি মহাবিদ্যালয়খনত বহুত অভাৱ থকাৰ পাছতো কোনো দিনে অভাৱ অনুভৱ কৰা নাছিলো। মহাবিদ্যালয়খনৰ সেই সময়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁই ছাৰক প্ৰণিপাত জনাইছো। ছাৰক সঁচাকৈ শলাগিবই লাগিব, কাৰণ এতিয়া নিজেই এখন মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসনত থাকি অনুভৱ কৰিছো বিজ্ঞানৰ দৰে এটি নতুন শাখা খোলা কিমান জটিল। ৰাইজে আশা কৰাৰ দৰে অধ্যক্ষ মহোদয়ে কামখিনি আগবঢ়াব নোৱাৰিলে কিমান মানসিক অন্তৰ্দন্দ্বত ভুগিব লগা হয়।

ছাৰে লেবৰেটৰিৰ পৰা লেবৰেটৰিৰ বিয়েৰাৰ শিক্ষকৰ পৰা প্ৰেক্টিকেলৰ সামগ্ৰীলৈকে সকলোখিনি চৰকাৰী সাহায্য অবিহনে চলাই নিয়া কিমান কষ্টকৰ। তাৰোপৰি কেৱল কলা শাখাৰ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ মাছুল শিক্ষক সকলক মাহিলি পাৰিতোষিক দিয়ালৈকে এই সকলোখিনি অধ্যক্ষ মহোদয়েই পৰিচালনা



কৰিব লগা হয়। অৱশ্যে সৌভাগ্যক্ৰমে সোণাৰিৰ প্ৰাক্তন বিধায়ক শৰৎ বৰকটকী ছাৰৰ আৰ্শীবাদত বিজ্ঞান শাখাই সোনকালেই ঘাটিমঞ্জুৰি লাভ কৰিলে। মহাবিদ্যালয়খনিৰ গৌৰৱময় ইতিহাসৰ যাত্ৰাত আমিও এজন যাত্ৰী হ'বলৈ পায় নিজকে ধন্য মানিছো। মহাবিদ্যালয়খনিৰ সেই সময়ৰ উপাধ্যক্ষ আৰু পৰবৰ্তী পৰ্য্যায়ত অধ্যক্ষ হৈ অৱসৰ গ্ৰহণ কৰা মোৰ শ্ৰদ্ধাৰ সুৰেশ দাস ছাৰ আৰু ছাৰৰ পৰিবাৰ তথা সোণাৰি মহাবিদ্যালয়ৰ পৰা গ্ৰন্থাগাৰিক হিচাপে অৱসৰ গ্ৰহণ কৰা শ্ৰদ্ধাৰ বাণী দেৱী দাস বাইদেউলৈ প্ৰণিপাত জনালো।

আমি যদিও বিজ্ঞানৰ ছাত্ৰ আছিলো আৰু খুব কম দিনৰ কাৰণে পঢ়িছিলো। তথাপি প্ৰতিজন কলা শাখাৰ সন্মানীয় শিক্ষক-শিক্ষয়ত্ৰীয়ে আমাক চিনি পাইছিল আৰু আমিও ছাৰ বাইদেউ সকলক যথেষ্ঠ শ্ৰদ্ধা কৰিছিলো এইসকলৰ ভিতৰত কেইজনমানৰ ছবিখন আজিও সজীৱ হৈ আছে। প্ৰয়াত তুলসী গগৈ ছাৰ, মানিক বৰুৱা চাৰ, মানিক গগৈ ছাৰ, গিৰিণ গগৈ ছাৰ, গণেশ বৰুৱা ছাৰ, অৰ্পণ কুমাৰ বৰুৱা ছাৰ, ৰতিপ্ৰভা গগৈ বাইদেউ, শৈলেন ফুকন, কংকনা নাথ, ৰাণু মহন বাইদেউ, কমলা শইকীয়া বাইদেউ আৰু জীৱন শইকীয়া ছাৰ। ছাৰসকলৰ প্ৰতি আজি এই শুভক্ষণত সোণালী জয়ন্তীৰ প্ৰাকক্ষণত সেৱা নিবেদিছো।

এটা কথা স্বীকাৰ কৰিবই লাগিব যিটো সময়ত সমগ্ৰ সোণাৰী অঞ্চলতে একেবাৰে সীমিত সংখ্যক ব্যক্তিয়েহে চাকৰি কৰিছিল আৰু শিক্ষাৰ পোহৰ পাইছিল তেনেস্থলত একাংশ অতি কষ্টসহিষ্ণু আৰু মানসিক ভাৱে সবল ব্যক্তিৰ প্ৰচেষ্টাত সোণাৰি মহাবিদ্যালয়খনে ঠন ধৰি উঠিছিল। এইক্ষেত্ৰত ৰাইজৰ আকুণ্ঠ সহযোগিতা আৰু শ্ৰম দান এক মাত্ৰ মূলধন। প্ৰতিষ্ঠাকালৰ পৰিচালনা সমিতিৰ প্ৰতিজন সদস্য/সদস্যা আৰু চৰকাৰী বিষয়াৰ লগতে স্থানীয় বিধায়ক সকলে সময়ে সময়ে সিদ্ধান্ত গ্ৰহণ কৰি সঠিক দিশত মহাবিদ্যালয়খনক লৈ যাব পৰাটোও আন এক উল্লেখযোগ্য দিশ। প্ৰতিজন অধ্যক্ষই তেওঁলোকৰ কাৰ্য্যকালত কেতবোৰ উল্লেখযোগ্য পৰিবৰ্তন সাধন কৰি সোণাৰি মহাবিদ্যালয়ৰ স্থান আগুৱাই নিয়াত যৎপৰোনাষ্টি চেষ্টা কৰি গৈছে। আমিও এজন প্ৰাক্তন ছাত্ৰ হিচাপে মহাবিদ্যালয়খনক লৈ গৌৰৱ নকৰাকৈ থকা নাই।

মহাবিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী মিনেশ্বৰ দাইটিলৈ কেতিয়াবা মনত পৰে। অধ্যক্ষ মহোদয়ৰ কক্ষত সোমাবলৈ বহুত ভয় লাগিছিল, এবাৰ মাত্ৰ সোমাইছিলো কিবা প্ৰেক্টিকেলৰ সমস্যা সম্পৰ্কে কথা সুধিবলৈ।

শেষত মহাবিদ্যালয়ৰ বৰ্তমান কৰ্ম্মৰত অধ্যক্ষ মহোদয়ৰ তৎপৰতাত সোণালী জয়ন্তীৰ দৰে এটি অনুষ্ঠান পাতিবলৈ লোৱা বাবে তেখেতক ধন্যবাদ দিয়াৰ লগতে তেখেতক সহযোগিতা আগবঢ়োৱা সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিগৰাকী শিক্ষক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষীসকললৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ অনুভৱ আৰু স্মৃতিৰ বোকোচাত সোণাৰি মহাবিদ্যালয় সামৰণি মাৰিছো।

"জয়তু সোণাৰি মহাবিদ্যালয়।"

# স্মৃতিৰ মণিকোঠাত সোণাৰি মহাবিদ্যালয়

ড° স্মৃতিৰেখা গগৈ গায়ন
প্ৰাক্তন ছাত্ৰী

চকুৰ পলকতে আমাৰ আদৰৰ সোণাৰি মহাবিদ্যালয়ে সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিলে। বান্ধৱী কবিতা আৰু কল্পনাহঁতে সোণালী জয়ন্তী উপলক্ষে কিবা এটা লিখাৰ কথা বাৰে বাৰে কৈ আছিল। কিন্তু কিয় নাজানো পাঁচ বছৰীয়া অভিজ্ঞতাৰ বিষয়ে লিখিবলৈ লৈ মাজে মাজে থমকি ৰ'ব লগা হৈছে। মনতেই আছে দেউতাৰ লগত মহাবিদ্যালয়লৈ যোৱা প্ৰথম দিনটোৰ কথা। তেতিয়াৰ মহাবিদ্যালয় আৰু এতিয়াৰ মহাবিদ্যালয়ৰ মাজত বৃহৎ তফাৎ। মহাবিদ্যালয়খনিৰ এনে উত্তৰণৰ অন্তৰালৰ সন্মানীয় সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সেই সময়ত শ্ৰদ্ধাৰ শ্ৰীযুত গোলাপ বেৰগোহাঁই ছাৰ আছিল মহাবিদ্যালয়ৰ অধ্যক্ষ। এতিয়াৰ মূল প্ৰৱেশদ্বাৰৰ বাওঁফালে প্ৰথম বৰ্ডিঙতে ছাৰ আছিল। কাষতে শ্ৰীযুত গিৰিণ গগৈ ছাৰ, তাৰ পিছত দীঘলীয়াকৈ এটা ছাত্ৰাবাসৰ সীমাতে ক্ৰমে শ্ৰীযুতা ৰতি গগৈ বাইদেউ আৰু শ্ৰীযুত ৰবীন কোঁৱৰ ছাৰ আছিল। তেতিয়া মূল প্ৰৱেশদ্বাৰ পুৰণি ছাত্ৰীবাসৰ নিচেই কাষতে আছিল। ছাত্ৰীবাসৰ কাষতে গ্ৰন্থাগাৰ আৰু মহাবিদ্যালয়ৰ কাৰ্যালয়। এক শান্ত সমাহিত নিৰিবিলি পৰিৱেশ। ৯০ শতাংশ ছাত্ৰ-ছাত্ৰীয়েই আমাৰ দৰে গ্ৰাম্য পৰিৱেশৰ পৰা অহা। সেয়ে এক সহজ-সৰল গ্ৰাম্য পৰিৱেশে প্ৰতিটো মুহূৰ্ততে বিৰাজ কৰিছিল। নাছিল ক'তো দাম্ভিকতা, কৃত্ৰিমতা, আধুনিকতাৰ ধামখুমীয়া। এখন সৰু টাউন আছিল 'সোণাৰি'। সকলোৰে মাজত মাথো আন্তৰিকতা। সেই সোণসেৰীয়া স্মৃতি আজিও মনত পৰে। মোৰ বন্ধু একালৰ সহপাঠী শ্ৰী ডিম্বেশ্বৰ কোঁৱৰ, বান্ধৱী জুৰি, কবিতা আৰু ভণ্টি কল্পনাই বৰ দায়বদ্ধতাৰে সোণালী জয়ন্তীৰ কাম-কাজত সহযোগ কৰি আছে। দেখি সুখী হৈছোঁ আৰু দূৰৈৰ পৰাই সকলোলৈকে আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

আমি উচ্চতৰ মাধ্যমিকৰ প্ৰথম বেটচ আছিলোঁ। লাজে-ভয়ে প্ৰথম দিনা শ্ৰেণী কোঠাত সোমাই প্ৰথম বেঞ্চতে বহিছিলোঁ। পাঠদান শেষ হোৱাৰ লগে লগে আমাৰ চিনাকি পৰ্ব আৰম্ভ হয় (ডাঙৰবিলাকে নৱাগতসকলৰ লগত হোৱা পৰিচয় পৰ্ব) প্ৰথম দিনাই মোক মোৰ লক্ষ্যৰ বিষয়ে সুধিছিল। শিক্ষকতা বৃত্তি সৰ্বৰপৰাই ভাল পাইছিলোঁ কাৰণে কলেজৰ শিক্ষয়িত্ৰী হ'ম বুলি টপৰাই কৈছিলোঁ। তেতিয়া সকলোৰে গিৰ্জনি মাৰি হাঁহি দিলে। মনত বৰ দুখ লাগিল, চকুলো বৈ আহিছিল আৰু তেতিয়াই মনে মনে প্ৰতিজ্ঞা কৰিছিলো — এদিন হৈ দেখুৱাম। তাতে এইখন মহাবিদ্যালয়তে শিক্ষকতা কৰা কথাও ভাবিছিলো, কিন্তু ভবা কথা নহয় সিদ্ধি। তথাপিও মই বৰ্তমান নাহৰকটীয়া মহাবিদ্যালয়ৰ এগৰাকী অধ্যাপিকা। মই আজি এই পৰ্যায়ত উপনীত হোৱাৰ মূলতে সোণাৰি মহাবিদ্যালয় আৰু মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল। আমাক শিক্ষাৰ পোহৰ বিলোৱা সেই সময়ৰ শিক্ষাগুৰুসকল আছিল ক্ৰমে — ৰবীন কোঁৱৰ ছাৰ, গণেশ বৰুৱা ছাৰ, অৰ্পণ বৰুৱা ছাৰ, মাণিক গগৈ ছাৰ, গিৰিণ গগৈ ছাৰ, তুলসী গগৈ ছাৰ, টংকেশ্বৰ বৰুৱা ছাৰ, পল্টু পাল ছাৰ, মাণিক



বৰুৱা ছাৰ, ৰতি বাইদেউ, ৰাণু বাইদেউ, ৰীণা বাইদেউ, সোণমাই বাইদেউ আৰু নীলা বাইদেউ। এই লেখাৰ জৰিয়তে মই সকলো শিক্ষাগুৰুলৈ মোৰ শ্ৰদ্ধা নিবেদিলোঁ। মোৰ শৈক্ষিক জীৱনত বিশেষভাৱে প্ৰভাৱ পেলোৱা শিক্ষাগুৰুসকল হ'ল শ্ৰদ্ধাৰ ৰতি বাইদেউ, স্বৰ্গীয় গণেশ বৰুৱা ছাৰ আৰু ৰাণু মহন্ত বাইদেউ। তেখেতসকল মোৰ অভিভাৱক আছিল। গণেশ বৰুৱা ছাৰ ইহ সংসাৰত নাই, তেখেতৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

এইখিনিতে উল্লেখ কৰি ভাল পাম যে সোণাৰি মহাবিদ্যালয় আমাৰ দ্বিতীয়খন ঘৰ। কাৰণ মোকে ধৰি মোৰ ভাইটি তপন গগৈ (বৰ্তমান যোৰহাট লোকসভা সমষ্টিৰ সাংসদ), ভণ্টি দীপিকা, মৌচুমী, জ্যোতি আটাইয়ে এই মহাবিদ্যালয়তে পঢ়া। গতিকে এই মহাবিদ্যালয়ৰ প্ৰতি আমাৰ শ্ৰদ্ধা আৰু আন্তৰিকতা সদায়ে আছে। ইতিমধ্যে প্ৰাক্তন ছাত্ৰ হিচাপে সাংসদ তপন গগৈয়ে এক গুৰু দায়িত্ব বহন কৰি আহিছে।
এতিয়া আহোঁ ছাত্ৰীনিবাসৰ কথালৈ। উচ্চতৰ মাধ্যমিকত নামভৰ্তি কৰাৰ পৰা স্নাতক চূড়ান্ত বৰ্ষৰ পৰীক্ষা সমাপ্ত হোৱালৈকে পাঁচ বছৰ সোণাৰি মহাবিদ্যালয়ৰ পুৰণা ছাত্ৰীনিবাসত আছিলোঁ। শ্ৰদ্ধাৰ ৰাণু মহন্ত বাইদেউ আমাৰ তত্বাৱধায়িকা আছিল। বাইদেউৰ কঠোৰ শাসন আৰু মাতৃসুলভ মৰমবোৰ আজিও পাহৰিব নোৱাৰো। কিবা এটা হ'লেই 'ঐ স্মৃতি' বুলি ধাপলি মেলি আহিছিল আৰু সকলো কথাই আমাৰ লগত শ্বেয়াৰ কৰিছিল। ছাত্ৰীবাসত থকা সময়ত দুবছৰ 'প্ৰিফেক্ট' হিচাপেও দায়িত্ব পালন কৰিব লগা হৈছিল। ছাত্ৰীবাসৰ সকলোৰে লগত মিলি দায়িত্ব পালন কৰি ভালো লাগিছিল আৰু লগতে তিতা-মিঠা অভিজ্ঞতাও বহুত হৈছিল।

আমি পঢ়ি থকাৰ সময়ত আমাৰ সাজপাৰ আছিল মেখেলা-চাদৰ। কলেজতো আৰু ছাত্ৰীবাসতো। ই বাধ্যতামূলক। ছাত্ৰীবাসৰ সকলোৱে পিন্ধে বাবে বেয়া লগা নাছিল। ঘৰৰ পৰা প্ৰথম ছাত্ৰীবাসলৈ যাওঁতে বৰ বেয়া লাগিছিল। তাতোতকৈ বেয়া লাগিছিল ডাঙৰ বাইদেউসকলে ৰেগিংৰ নামত আমাক কৰা দুৰ্ব্যৱহাৰৰ কাৰণে। বহু ৰাতিলৈকে আমাক নাচ-গান কৰাইছিল আৰু ৰাতিপুৱাই দৰ্জাই দৰ্জাই টোকৰিয়াই 'গুড মৰ্ণিং' দিয়াটো নৱাগতসকলৰ বাবে বাধ্যতামূলক কৰিছিল। ভাবিলে এতিয়াও বহুত খং উঠে। অৱশ্যে পিছত তেওঁলোকে মৰমো কৰিছিল। আজিকালি সৰ্বত্ৰে ৰেগিংৰ নামত এনে অত্যাচাৰ বন্ধ হ'ল। ই সকলোৰে বাবে এক শুভ সংবাদ।

বিশেষ কিনো লিখিম। সকলোবোৰ দেখোন বিস্মৃতিৰ গৰাহত বিলীন হোৱাৰ উপক্ৰম হৈছে। বন্ধু-বান্ধৱীসকলৰ তাগিদাত অকণমান কলেজীয়া জীৱনলৈ উভতি গ'লো। ১৯৭০ চনৰ ৫ আগষ্টত প্ৰতিষ্ঠা হোৱা সোণাৰি মহাবিদ্যালয়ে আজি সোণালী জয়ন্তী বৰ্ষ গৰকিলেহি। এই পবিত্ৰ অনুষ্ঠানটিয়ে ৫০ বছৰত বৃহত্তৰ চৰাইদেউ জিলাৰ চুকে-কোণে কিমান যে মানৱ সম্পদ গঢ়িলে তাৰ লেখ নাই। মইয়ো তাৰে এক অংশীদাৰ। এনেদৰে আমাৰ মহাবিদ্যালয়খনি অসমৰ মানচিত্ৰত সদায় জিলিকি থাকক, উত্তৰণৰ জখলাত আগুৱাই যাওক, তাৰে কামননা কৰিলোঁ। 'জয়তু সোণাৰি মহাবিদ্যালয়'।

# স্মৃতিৰ পাপৰি

গীতা বৰা
প্ৰাক্তন ছাত্ৰী

সময় গতিশীল। সময়ৰ এই গতিশীল সোঁতৰ পাকচক্ৰত পৰি কত জনৰ হীনদেটি ঘটিছে তাৰ সীমা নাই। ১৯৮৯-৯০ বৰ্ষত স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত শৈশৱ কালৰ পৰা যোগসূত্ৰ থকা সোণাৰি মহাবিদ্যালয়ৰ লগত যেন সূতাঁডাল হেৰাই গ'ল কালৰ সোঁতত। গতিশীল সময়ৰ লগত খোজ মিলাই মৰমৰ সোণাৰি কলেজখনেও সোণালী জয়ন্তী বৰ্ষ সম্পূৰ্ণ কৰিলে। সেইদিনা হঠাতে ভগ্নীসহ প্ৰিয় ছাত্ৰী সুনীতা মহন্ত, বান্ধৱী কবিতা গগৈ আৰু জুৰি দেৱীয়ে মহাবিদ্যালয়খনত এৰি অহা দিনৰ স্মৃতিৰ ওপৰত এটি লিখনি বিচৰাত বহু দিনৰ বিৰতিৰ পিছত মহাবিদ্যালয়খনত কটোৱা সোণালী দিনবোৰলৈ ঘূৰি চোৱাৰ যেন এক সুবিধা পালো।

সোণাৰি মহাবিদ্যালয়, মোৰ মা (সোণমাই বড়া)ৰ কলেজ, শৈশৱত এইটোৱে পৰিচয় আমাৰ বাবে। মা এই মহাবিদ্যালয়তে অসমীয়া বিভাগৰ প্ৰবক্তা হিচাবে অনুষ্ঠানটিৰ জন্মৰ পৰা কৰ্মৰত (১৯৭০-১৯৯৯) আছিল। প্ৰথম অৱস্থাত মহাবিদ্যালয়খনৰ শ্ৰেণীসমূহ ব্ৰিটিছৰ দিনতে স্থাপন হোৱা অসম আৰ্হিৰ ওখ, ডাঙৰ ঘৰটোত হৈছিল, সৰু অৱস্থাত ঘৰটোত থকা কাঠৰ মজিয়াখন কোঠাটো গৰম কৰি ৰাখিবলৈ থকা জুইশালখন এই বস্তুবোৰক লৈ আমাৰ কৌতুহলৰ সীমা নাছিল, জনামতে ঘৰটো ব্ৰিটিছসকলৰ ক্লাবঘৰ আছিল। অসম আৰ্হিৰ ঘৰটোৰ কোঠাবোৰ ওখ চাপৰ আছিল। কাঠৰ মজিয়া থকা ৰুমটোত ভূত আছে বুলি কোৱা শব্দটোৱে আমাৰ মনত ভয়ৰ সঞ্চাৰ তুলিছিল। সেয়েহে অকলশৰীয়াকৈ কোঠাবোৰত সোমোৱাৰ কথা মোৰ মনত নপৰে। শৈশৱকালৰ পৰা মহাবিদ্যালয়খনৰ কৰ্মৰত শিক্ষক সকলৰ লগত এক ঘৰুৱা সম্পৰ্ক আছিল। মহাবিদ্যালয়খন প্ৰতিষ্ঠা কালৰ পৰাই কৰ্মৰত সকলো শিক্ষাগুৰুৰ লগত ঘৰুৱা সম্পৰ্ক আছিল যদিও কেইজনমান শিক্ষা গুৰুৰ স্মৃতিয়ে মনত সাঁচ বহুৱাই থৈছে। প্ৰধানকৈ সুৰেশ দাস ছাৰৰ চিগাৰেটৰ গোন্ধৰ সৈতে মিলিত হোৱা পাৰফিউমৰ গোন্ধে আমাক মতলীয়া কৰিছিল। আমাৰ বৰ ভাল লাগিছিল ছাৰ ঘৰলৈ আহি যেতিয়া সেই সুগন্ধ এৰি থৈ গৈছিল। মহাবিদ্যালয়খনৰ প্ৰতিজন শিক্ষকেই ছাত্ৰ-ছাত্ৰীৰ লগত এক বন্ধুত্বপূৰ্ণ সম্পৰ্ক স্থাপন কৰিছিল।

দ্বাদশ শ্ৰেণীলৈকে বিজ্ঞান শাখাত পৰিছিলো যদিও বিশেষ ফলাফল দেখুওৱাব নোৱাৰাত মই অৰ্থনীতিত অনাৰ্চ লৈ স্নাতক শ্ৰেণীত পঢ়িছিলো। অৰ্থনীতি বিভাগৰ অৰ্পণ বৰুৱা চাৰ, জীৱন শইকীয়া চাৰৰ অৱদান জীৱনত পাহৰিব নোৱাৰো। জীৱন শইকীয়া চাৰক আমি জীৱন দা আৰু তেখেতৰ পত্নী কমলা শইকীয়া বাইদেউক পেহী বুলি সম্বোধন কৰিছিলো। দক্ষিণ সোণাৰিত স্বৰ্গীয় হৰনাথ শৰ্মাৰ ভাড়াঘৰত থাকোতে তেজ মঙহৰ সম্পৰ্ক নাথাকিলেও এক বিশেষ আত্মীয়তা আছিল। পেহীয়ে তেখেতৰ মৃত্যুৰ আগলৈকে মই যমজ ছোৱালী দুজনীৰ সৈতে ঘৰলৈ যাওঁতে খবৰ লবলৈ নাপাহৰিছিল। সেইগৰাকী পেহীৰ অকস্মাৎ মৃত্যুৰ খবৰে মোক স্থবিৰ কৰাৰ লগতে চকুৰ টোপনী হৰিছিল।



কলেজত পঢ়া কালত মই খুউব ডাঙৰকৈ হাঁহিছিলো। মোৰ হাঁহি শুনি জীৱন দাই প্ৰায়ে কৈছিল, 'বু' কি হৈছে?" জীৱন দাই মোক 'বু' বুলি মাতিছিল। জীৱন দাৰ মাত শুনি তৎক্ষণাত কাঁহ পৰি জীণ গৈছিল। এনে বহু কথাই এতিয়া মোৰ মনত লুকাভাকু খেলিছেহি যদিও সকলো কথা লিপিবদ্ধ কৰা মোৰ সাধ্যৰ বাহিৰত।

সোণাৰি নগৰৰ মাজমজিয়াত থকা সোণাৰি মহাবিদ্যালয় নামৰ এই শিক্ষা অনুষ্ঠানটিয়ে অতীতৰ পৰা বৰ্তমানলৈকে কিমান সংখ্যক যুৱক-যুৱতীক জীৱন যুঁজৰ মুখামুখি হ'বলৈ উপযুক্ত কৰি তুলিছে তাৰ সীমাসংখ্যা নাই। মইও নিজে এই শিক্ষা অনুষ্ঠানখনৰ প্ৰাক্তন ছাত্ৰী হিচাবে গৌৰান্বিত। বৰ্তমানৰ দৰে অদূৰ ভৱিষ্যতে মহাবিদ্যালয়খনে কালৰ বুকুত নিজৰ নাম অক্ষুন্ন ৰাখি সৌষ্ঠৱ বৃদ্ধি কৰক তাৰেই কামনাৰে।

# স্মৃতিৰ দুলনিত সোণাৰিৰ সুদিন

কৰবী গগৈ কোঁৱৰ
প্ৰাক্তন ছাত্ৰী
ডিব্ৰুগড়, লাহোৱাল

মোৰ কলেজীয়া বান্ধৱী জুৰিৰ মুখেৰেই সোণাৰি মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ খবৰটো পালোঁ। অন্তৰখন নাচি উঠিল এই সুবৰ্ণ সুযোগতে কলেজৰ সকলো সতীৰ্থকে লগ পোৱাৰ আবেগত।

১৯৮৬ ৰ পৰা ১৯৮৯ চনলৈকে মই এই মহাবিদ্যালয়ত অধ্যয়ন কৰিছিলো। সেই সময়ত এই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আছিল শ্ৰদ্ধেয় গোলাপ বৰগোহাঁই ছাৰ। তেখেতৰ লগতে সকলো শিক্ষাগুৰুলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনালোঁ। লগতে যিসকল শিক্ষাগুৰু আজি ইহ সংহাৰত নাই সেইসকল শিক্ষাগুৰু য'তেই আছে যেন শান্তিৰে থাকক তাৰেই কামনা কৰিছো।

শিক্ষা বিষয়ত সন্মানসহ আমি সাত গৰাকী ছাত্ৰী আছিলো — জুৰি, জ্যোৎস্নালী, বীণা, মণিমালা, ইৰা আৰু মল্লিকা। শিক্ষা বিষয়ৰ শিক্ষক হিচাবে আমাৰ শিক্ষাগুৰু সকল আছিল শ্ৰদ্ধেয় মাণিক বৰুৱা ছাৰ, শ্ৰদ্ধেয়া ৰাণু মহন্ত বাইদেউ, প্ৰয়াত শ্ৰদ্ধেয়া কমলা দাস বাইদেউ। মাণিক বৰুৱা ছাৰৰ খোলাখুলি মুকলিমূৰীয়া বুজনি, ৰাণু বাইদেউৰ ফিটমাট, উৎসাহী, তদাৰকী জ্ঞানেৰে কমলা বাইদেউৰ সৰু সৰু লেহেতীয়া শিক্ষাৰে আমি আজি প্ৰতিষ্ঠিত হ'ব পাৰিছো।

মোৰ জন্মস্থান লংপটীয়া জুটুলনী গাঁৱত। মই হোষ্টেলত থাকিয়ে পঢ়া-শুনা কৰিছিলো। লংপটীয়াৰ সকলো ছোৱালীয়েই হোষ্টেল নাইবা ৰুমত থাকিয়েই পঢ়া-শুনা কৰিছিল। তেতিয়াৰ দিনত আজিৰ দৰে গাড়ী-মটৰ নাছিল। সাপেখাতি লংপটীয়া হৈ মাত্ৰ এখনেই চৰকাৰী বাছ চলিছিল ৰাতিপুৱা সাত বজাতেই। সেই বাছখন ধৰিব নোৱাৰিলে আমি লংপটীয়াৰ পৰা খোজকাঢ়ি জলাহ তিনিআলিৰ নামৰূপৰ পৰা অহা লক্ষ্মীবাছ ধৰিবলৈ লাগিব পুৱা ন বজাত। ৰাতিপুৱা সাতবজাত কলেজ যোৱাটো আমাৰ অসুবিধা হয় বাবে আমি কেইবাগৰাকী মিলি খোজ কাঢ়িয়েই জলাহলৈকে গৈ বাছত উঠোঁগৈ। সেই সময়ত আমাৰ চাইকেল এখনো নাছিল জলাহ পাবলৈ। অৱশ্যে বাটে-পথে দমকলৰ পানী খাই খাই কথা পাতি অহা-যোৱা কৰি ভালেই লাগিছিল। হোষ্টেলৰ চিট পোৱালৈকে আমি এনেদৰেই অহা-যোৱা কৰিছিলো।

আমাৰ দিনত হোষ্টেলত কিছুমান কাঢ়া নীতি-নিয়ম আছিল। আমিবোৰে হোষ্টেলত মেখেলা-চাদৰ পিন্ধি থাকিব লগা হৈছিল। প্ৰথম কেইমাহমান মেখেলা-চাদৰ পিন্ধাটো বৰ অসুবিধা পাইছিলো। অৱশ্যে পিন্ধি অভ্যাস হোৱাত সহজ হৈ পৰিল। তেতিয়া হোষ্টেলৰ Super বাইদেউ আছিল শ্ৰদ্ধেয়া ৰাণু মহন্ত বাইদেউ। বাইদেউৱে আমাক কাঢ়া নজৰ দিছিল। হোষ্টেলৰ পৰা ঘৰলৈ ছুটিৰ অনুমতি বিচাৰিবৰ বাবে আমাৰ সাহস হোৱা নাছিল। হোষ্টেলৰ যেতিয়া মেচ হিচাবে চলাবলৈ দিয়ে তেতিয়া আমি বজাৰ কৰোঁ, চিত্ৰবন ষ্টুডিঅ'ত ফটো তোলা, লগতে অন্যান্য কিছু লাগতিয়াল সামগ্ৰী ক্ৰয় কৰোঁ। ইমান বেছি নজৰ দিয়াৰ বাবে আমি কিন্তু Super বাইদেউক পেটে পেটে বেয়াও পাইছিলো। অৱশ্যে সময় সাপেক্ষে বাইদেউৱে



আমাক মৰম কৰি চাহ পায়সো খুৱাইছিল। বাইদেউৱে হোষ্টেল পাৰদৰ্শিকা হিচাপে যিখিনি অনুশাসন কৰিছিল সঁচাই শলাগিবলগীয়া। বাইদেউৰ তদাৰকত আমি সকলো ছোৱালীয়েই মনোযোগ দি পঢ়া-শুনা কৰিছিলো আৰু আমিবোৰ একান্ত বাধ্য ছাত্ৰী আছিলো।

এই সময়ছোৱাতে অৰ্থাৎ স্নাতক দ্বিতীয় বৰ্ষত মই পূজনীয়া মাতৃক হেৰুৱাইছিলো। মাতৃক হেৰুৱাই মই আৰু পঢ়া এৰাই চলিম বুলিয়েই ভাবিছিলো। কাৰণ ঘৰত ককাইদেউ দুজনৰ বাদে দেউতাও নাই; কিন্তু সেই সময়তে ৰাণু বাইদেউৱে হোষ্টেলৰ লগৰ সকলো ছোৱালীকেই আমাৰ ঘৰলৈ পঠালে আৰু মোক পঢ়া-শুনা কৰি হোষ্টেল যাবলৈ ক'লে। মই বাইদেউৰ কথামতে পুনৰ হোষ্টেলত গৈ পঢ়া-শুনাত মনোনিৱেশ কৰো কিন্তু এই সময়ছোৱা মোৰ বাবে বৰ কষ্ট আৰু স্মৰণীয় আছিল।

এইখিনিতে এটা কথা উল্লেখ নকৰিলে মোৰ লিখনিবোৰ আধৰুৱা হৈ ৰব। বৰ্তমান লোকসভা সংসদ তপন কুমাৰ গগৈৰ ডাঙৰ বায়েক স্মৃতি গগৈ মোৰ সতীৰ্থ আছিল আৰু হোষ্টেলত একলগে আছিলো। T.D.C Third Year Exam শেষ কৰিয়েই মই তাইৰ লগত সিহঁতৰ বিমলাপুৰৰ ঘৰলৈ ফুৰিবলৈ গৈছিলোঁ। সেই সময় খেতিৰ বতৰ আছিল। মই স্মৃতিহঁতৰ ঘৰত তিনিদিন থাকিলো। তাহাঁতৰ ঘৰত গাই গৰু আছিল। ৰাতিপুৱা Breakfast ত এগিলাছ গাখীৰ খাই গা-পা ধুই, ভাত-পানী খায়েই ৰুবলৈ যাওঁ। তপনে হাল বাই মৈ দিয়ে আৰু আমি স্মৃতি আৰু তাই ভণ্টিহঁতৰ লগত ভুঁই ৰোৱাত লাগো। আকৌ পথাৰৰ পৰা আহি আবেলি দুয়োজনী জাল মাৰিবলৈ যাওঁ। মই কিন্তু খালৈহে ধৰো, কাৰণ মই জাল মাৰিব জনা নাছিলো। তিনিদিন স্মৃতিহঁতৰ ঘৰত থকাৰ পিছত ঘৰলৈ যাবৰ বাবে মোক বাছত তুলি দিয়ে লগতে বাছৰ ভাড়াকেইটাও মোক জোৰ কৰি দি পঠালে।

ঘৰলৈ আহি সৰু ককাইদেউ হতুৱাই এখন জাল কিনি মাছ মাৰিবলৈ শিকিলো। সময়ৰ ব্যৱধানত বৰ্তমান আৰু অতীতৰ কথাবোৰ ৰিজালে সঁচাই অতীত বৰ মধুৰ আছিল।

সময় গতিশীল। গতিশীল সময়ে জগতৰ পৰিৱৰ্তনবোৰ চকুৰ পচাৰতে ঘটাই যায়। বৰ্তমান সোণাৰি মহাবিদ্যালয়ে ৫০ টা বছৰ বছৰ অতিক্ৰম কৰিলো। সোণালী জয়ন্তীৰ মধুৰ লগনত মাথোঁ ইয়াকে কামনা কৰিছো এই মহাবিদ্যালয়খনে সোণালী পথেৰে আৰু আগুৱাই গৈ জন মানসত উজ্বলি উঠক।

ooooo

# স্মৃতিৰ ৰেঙণি

কবিতা গগৈ চাবুকধৰা
প্ৰাক্তন ছাত্ৰী - ১৯৮৬-৮৯

বহিছে মহা মিলনমেলা
গুৰু-শিষ্য, অগ্ৰজ-অনুজৰ
গুঞ্জৰি উঠিছে অতীত স্মৃতি
জ্ঞান মন্দিৰত আজি।

বুৰঞ্জীৰ পাতত জিলিকি থকা চৰাইদেউ জিলাৰ মাজ-মজিয়াত অৱস্থিত নগৰ 'সোণাৰি'। নগৰৰ নামেৰেই প্ৰতিষ্ঠিত ১৯৭০ চনত 'সোণাৰি মহাবিদ্যালয়' য'ত আজি উদ্‌যাপিত হৈছে সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান।

সৰ্ব প্ৰথমেই যিসকল গুণী-জ্ঞানীলোকৰ চিন্তা-চেতনাৰ ফলশ্ৰুতিত এই মহাবিদ্যালয়খনিয়ে প্ৰাণ-পাই উঠিছিল সেইসকল নমস্য ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছো। তেখেতসকলে জ্বলাই থৈ যোৱা চাকিগচিৰ পোহৰে বছৰি জ্ঞান পিপাসুসকলক পোহৰাই তুলি সমাজ সুন্দৰ কৰাত অৰিহণা যোগাইছে। তাৰে ভিতৰত উল্লেখ কৰিছো — সোণাৰিত এখন মহাবিদ্যালয়ৰ আৱশ্যকতাৰ কথা বহু দিনৰ পৰা বিভিন্ন সভা-সমিতিত চেগা-চোৰোকাকৈ চলাই থকা হৈছিল যদিও, এই সপোনটোৰ সাকাৰ ৰূপ দিবলৈ প্ৰথম আলোচনা সভা অনুষ্ঠিত হৈছিল ১৯৬৯ চনৰ ১৬ আগষ্টত। সভাৰ আহ্বায়ক সকল আছিল সৰ্বশ্ৰী প্ৰণৱিৰাম বৰুৱা, ডিম্বেশ্বৰ গগৈ, ˚কনক বৰুৱা, শান্তালাল আগৰৱালা আৰু ˚আফ্‌তাবুল হুছেইন, ˚ৰবীন গগৈ। সভাপতিত্ব কৰিছিল সাপেখাটী হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰী সুকুমাৰ বৰুৱাই। সভা অনুষ্ঠিত হৈছিল সোণাৰি নগৰ প্ৰাথমিক বিদ্যালয়ত। এই আৰম্ভণিৰেই আগবাঢ়ি গৈ লাহে লাহে ৰাইজৰ সহায় সহযোগিতা লাভ কৰি ১৯৭০ চনৰ ৫ আগষ্টত ৯৬ জন ছাত্ৰ-ছাত্ৰী, ৬ গৰাকী শিক্ষক-শিক্ষয়িত্ৰী, এজন কাৰ্য্যালয় সহায়ক আৰু এজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীক লৈ পুৰণি জিম্‌খানা ক্লাৱ ঘৰত আৰম্ভ কৰা হ'ল 'সোণাৰি মহাবিদ্যালয়'। প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল সন্মানীয় শ্ৰীযুত গোলাপ বৰগোহাঁই। সেই দিন ধৰি বহু কষ্ট, ঘাত-প্ৰতিঘাটৰ মাজেদি সময় পাৰ কৰি আহি মহাবিদ্যালয়খনিয়ে আজিৰ এই গৌৰৱোজ্বল সোণালী জয়ন্তী বৰ্ষত উপনীত হ'লহি। ৫০ বছৰৰ ভিতৰত মহাবিদ্যালয়খনিত খোজ পেলোৱা সকলোৰে বাবে আজি অতি আনন্দৰ দিন। আমাৰ দৰে প্ৰাক্তনৰ বাবে সোণালী সময়ৰ পৃষ্ঠাত হাত বোলাই সুখানুভূতি লাভ কৰাৰ দিন। সেইয়ে মনত দোলা দি থকা কিছু ভাৱ পাঠক সকললৈ বুলি আগবঢ়ালো —

বৰষা ঋতুৰ সুন্দৰ পুৱা মনত নতুন উৎসাহ লৈ সহপাঠী দিপ্তী আৰন্ধৰাৰ লগত গৈ মহাবিদ্যালয়ৰ চৌহদত প্ৰৱেশ কৰিলো। সন্মুখত এখন মুকলি পথাৰ, পাছলৈ শ্ৰেণীকোঠাসমূহ। দিনটো আছিল সম্ভৱত ১ জুলাই ১৯৮৬ চন। সকলোবোৰ নতুন মুখৰ ছাত্ৰ-ছাত্ৰী দেখা পালো। মহাবিদ্যালয়ত প্ৰথম দিন, নতুন এটা পৰিৱেশ, মনে মনে ভয়ো লাগিল। নিৰ্দিষ্ট সময়ত নামভৰ্ত্তিৰ পৰ্ব চলিল। এজন-দুজনকৈ ছাত্ৰ-ছাত্ৰীসকল



আগবাঢ়ি গৈ থাকিল। যথা সময়ত মোৰ নাম মাতিলে। কিবা প্ৰশ্ন সুধিব? কি কথা বুলি ভাবি সোমাই যাওঁতেই মাননীয় অধ্যক্ষ মহোদয় গোলাপ বৰগোহাঁই ছাৰে মোক অন্য কথা নুসুধি দেউতাৰ কথা মানে শিক্ষক ডিম্বেশ্বৰ গগৈৰ কথাহে সুধিলে। কাৰণ সোণাৰি মহাবিদ্যালয় প্ৰতিষ্ঠা আৰু পৰিচালনাৰ ক্ষেত্ৰত অধ্যক্ষ মহোদয় আৰু দেউতাৰ মাজত এটা নিবিড় সম্পৰ্ক গঢ়ি উঠিছিল। যিহেতু দেউতা পৰিচালনা সমিতিৰ সোণাৰি মহাবিদ্যালয়ৰ প্ৰথম যুটীয়া সম্পাদক আৰু পিছত সহকাৰী যুটীয়া সম্পাদকৰ পদত আছিল। সিদিনা স্নাতক প্ৰথম বাৰ্ষিকত নামভৰ্তি কৰি দুই, এজনৰ লগত পৰিচয় হৈ মহাবিদ্যালয়খন এপাক চাই উভতি আহিলো।

শ্ৰেণীৰ পাঠ গ্ৰহণ আৰম্ভ হ'ল। পুৰণিৰ লগতে বহুতো নতুন বন্ধু-বান্ধৱীৰসতে চিনাকী হ'লো। সকলোৰে নাম আজি মনত পৰা নাই। তথাপিও স্মৃতিয়ে চুকি পোৱাখিনিৰ কিছু উল্লেখ কৰিলো — মঞ্জু পাল, স্মৃতিৰেখা গগৈ, হিৰণ্য দুৱৰা, মিনু গগৈ, অন্ন দাস, ৰেহেনা শুভ্ৰা, মণিমালা মহন, দিপালী গগৈ, অৰ্চনা, বিজয়া গগৈ, কুশল চাংমাই, গুণ, আৰিফ, ৰহমতউল্লা, জাকিৰ হুছেইন দা, ˚হবিবুৰ ৰহমান, পীতাম্বৰ চৰাইমুৰীয়া, দিচেন গগৈ, পূৰ্ণ গগৈ, গীতা বৰা, চিক্তা আইচ, জেচমিন বেগম, ˚গীতিমণি গগৈ, প্ৰতিমা বৰগোহাঁই, মালা গগৈ, পুলিন বৰুৱা, ˚উৎপল গগৈ, দুলুমণি গগৈ, বীনা গগৈ, ৰুক্মিণী গগৈ। প্ৰাথমিক বিদ্যালয়ৰে সহপাঠী জুৰি দেৱী বিজ্ঞান শাখাৰ পৰা কলা শাখালৈ আহিল আৰৌ লগ পালো। লগ লাগিল অনু শইকীয়াও।

আমি প্ৰায়ে পুথিভঁৰাললৈ গৈছিলো। পুথিবোৰ বৰ যত্নকৈ ৰাখিছিল। সুন্দৰ সাজ পৰিহিতা লাইব্ৰেৰীয়ান বাণী দেৱী বাইদেউয়ে আসন শুৱনি কৰি বহি থকা দেখিয়েই ভাল লাগিছিল। বাইদেউ নাথাকিলে ফণীদাই সহায় কৰিছিল। আজি মিনেশ্বৰ লাহন আৰু কমলদাৰ কথাও মনলৈ আহিছে। সময় বাগৰি যায়। পালেহি মহাবিদ্যালয়ৰ সপ্তাহ। ই ছাত্ৰ-ছাত্ৰীৰ বাবে বৰ স্ফুৰ্তিৰ সময়। নিজৰ প্ৰতিভা প্ৰদৰ্শনৰ মজিয়া। খেলা-ধূলা কৰিব নোৱাৰো তথাপি খেলুৱৈসকলক উৎসাহিত কৰিছিলো। লগৰ মিনুয়ে খেলিছিল। সৰুৰে পৰা সঙ্গীতত ৰাপ থকা বাবে অংশগ্ৰহণ কৰি দুই-এটা পুৰস্কাৰো লাভ কৰিছিলো। সমবেত সঙ্গীত, একক কণ্ঠ সংগীত, বিহুনৃত্য, আধুনিক নৃত্যৰ প্ৰতিযোগিতাবোৰৰ কথা এতিয়াও চকুৰ আগত ভাঁহি আছে। এবাৰ বিহু নাচিবলৈ লওঁতে কেছেটৰ ৰিল লাগি ধৰাত গান নবজা হ'ল, উপায় নাই কি কৰো ভাবি পোৱা নাই। কিন্তু প্ৰকৃত বন্ধু বিপদতহে চিনি পোৱা যায়, সেয়েহে সহপাঠী প্ৰতিমা বুঢ়াগোহাঁইয়ে বিহুগীত গাই দি সহায় কৰাৰ কথা ভালদৰেই মনত আছে। আমি পঢ়া দিনত প্ৰেক্ষাগৃহ নাছিল বাবে অস্থায়ী মঞ্চ সজা হৈছিল। কিন্তু আনন্দৰ মাজতে দুখৰ কথাও প্ৰকাশ কৰো। সেইসময়ত সঙ্গীত বিভাগৰ সম্পাদক আছিল শেখ হবিবুৰ ৰহমান। কিছু বছৰৰ আগতে তেওঁৰ দুৰ্ঘটনাত পতিত হৈ মৃত্যু হয়। আজি তেওঁ নাই কিন্তু পুৰস্কাৰ পোৱা প্ৰমাণ পত্ৰ আৰু পুথিত তেওঁৰ স্বাক্ষৰ সজীৱ হৈ আছে। তেওঁলৈ আমাৰ শ্ৰদ্ধাঞ্জলি যাঁচিলো। আমাৰ জ্যেষ্ঠ মধুছন্দা শইকীয়া বাইদেউৰ সুমধুৰ কণ্ঠৰ সুৰ আজিও কাণত বাজি থাকে।

মহাবিদ্যালয়ৰ আন এটি উৎসৱ হৈছে সৰস্বতী পূজা। সকলোৱে মিলি সৰস্বতী মাতৃৰ উপাসনা কৰি শিক্ষা জীৱন আগবঢ়াই নিবলৈ প্ৰাৰ্থনা কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে আনন্দ মনেৰে কামবোৰ ভগাই লৈ পূজা ভাগি কৰাৰ কথা সুন্দৰকৈ মনত আছে। এবছৰৰ বাকীসকলৰ লগতে তপন কুমাৰ গগৈ (বৰ্তমানৰ সাংসদ) আমাৰ সহপাঠী স্মৃতিৰেখা গগৈৰ ভায়েক একেলগে বহি চাপৰি মাৰি নাম গোৱাৰ ছবিখন এতিয়াও

চকুৰ আগত ভাঁহি আছে। তেতিয়া আজিৰ দৰে ফেশ্বন প্ৰতিযোগিতাৰ কথা নাছিল। সৰস্বতী আইৰ প্ৰতি ভক্তিহে আচল আছিল।

মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ ব্যক্তিত্বই আকৰ্ষণ কৰিছিল। মাহমৰাৰ পৰা চাইকেল মাৰি অহা প্ৰাক্তন অধ্যক্ষ ৰবীন কোঁৱৰ, বিনন্দ মহন, সুৰেশ দাস, মাণিক বৰুৱা, মাণিক গগৈ, শৈলেন ফুকন, পল্টু পাল, ৰীণা বৰঠাকুৰ, ˚ গণেশ বৰুৱা, ৰাণু মহন, লীলা বাইদেউ, কংকনা নাথ বাইদেউ। কলেজৰ চৌহদতে ৰবীন কোঁৱৰ ছাৰ আৰু ৰতিবাইদেউৰ ঘৰ আছিল। নাজিৰাৰ পৰা অহা অসমীয়া বিভাগৰ জয়ন্তী বাইদেউৱে কোঁৱৰ ছাৰৰ ঘৰতে সন্মানৰ পুথিবোৰ আনি থৈছিল। কোঁৱৰ ছাৰৰ সাদৰী পৰিবাৰ ফুল বাইদেউয়ে তদাৰক কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলে সহজতে তাৰপৰা পুথি সংগ্ৰহ কৰিব পাৰিছিল। সহজ-সৰল জয়ন্তী বাইদেউৱে শিক্ষাৰ্থীৰ সহায়ৰ বাবে এইখিনি কষ্ট কৰিছিল। মহান হৃদয়ৰ জয়ন্তী বাইদেউয়ে আজি কিছুদিনৰ আগতে আমাক এৰি থৈ অজান ঠাইলৈ গতি কৰে। ইয়াতে জয়ন্তী বাইদেউলৈ আমাৰ সশ্ৰদ্ধ প্ৰণিপাত জনালো। কিন্তু এটা সুখবৰ পাই ভাল লাগিল প্ৰয়াত জয়ন্তী বাইদেউয়ে ৰচিত 'হিড়িম্বা' নামৰ উপন্যাসখন ইন্দিৰা বড়োয়ে বড়ো ভাষালৈ অনুবাদ কৰি ২০২১ বৰ্ষৰ সাহিত্য অকাদেমী অনুবাদ বঁটা লাভ কৰে। বাইদেউৰ অৰ্বতমানত এই বাতৰিটো জানিব পাৰি একালৰ বাইদেউৰ ছাত্ৰী হিচাবে গৌৰব অনুভৱ কৰিছো।

মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা ৰতিপ্ৰভা গগৈ বাইদেউ সাহিত্য ক্ষেত্ৰৰ লগত জড়িত। ছাত্ৰী অৱস্থাৰ পৰাই বাইদেউৰ লগত এটা মধুৰ সম্পৰ্ক গঢ়ি উঠিছিল। বাইদেউয়ে আয়োজন কৰা সভা, গল্প-কবিতাৰ কৰ্মশালা আদিত যোগদান কৰি বহু উপকৃত হ'লো। আজি সাহিত্য ক্ষেত্ৰত যিকণ আগবাঢ়িছো তাৰবাবে পথ প্ৰদৰ্শক হিচাপে বাইদেউৰ নাম ল'বই লাগিব। ৰতি গগৈ বাইদেউৰ কৰ্মৰাজিয়ে আমাক উৎসাহ আৰু প্ৰেৰণা যোগাইছে।

সেইদৰে অসমীয়া বিভাগৰ সোণমাই বৰা বাইদেউৰ লগতো আন্তৰিকতা গঢ়ি উঠিছিল। বাইদেউৰ সৰু কন্যা গীতাক মহাবিদ্যালয়তে লগ পাইছিলো। উচ্চতৰ মাধ্যমিকৰ সহপাঠী সিক্তা আইচ, জেচমিন বেগম, প্ৰয়াত গীতিমণি গগৈ আকৌ একেলগ হ'লো। সকলোৱে অসম সাহিত্য সভাৰ ডুমডুমা অধিৱেশনলৈ সোণমাই বৰা বাইদেউৰ লগতে গৈছিলো। উভতি আহি সোণাৰিত উপস্থিত হওঁতে নিশা হোৱা বাবে বৰা বাইদেউৰ ঘৰতে নিশাৰ আহাৰত কাচকল আৰু আলু পিটিকাৰে ভোকৰ ভাত খাই দিপ্তী আৰু বৰা আৰু মই নিশাটো কটালো। ছাত্ৰীৰ প্ৰতি বৰা বাইদেউৰ যি দায়িত্ব গ্ৰহণ কৰিছিল তাক জীৱনতো পাহৰিব নোৱাৰিম। এতিয়াও সোণমাই বৰা বাইদেউ আৰু গীতাৰ লগত মধুৰ সম্পৰ্ক বৰ্তি আছে।

আশীৰ দশকতে আমি আটাইকেইটা বাই-ভনী ককাইদেউ এই মহাবিদ্যালয়তে অধ্যয়ন কৰিছিলো। মামণি গগৈ বৰ্তমান ভগৱতী প্ৰসাদ বৰুৱা উঃ মাঃ বিদ্যালয়ৰ শিক্ষয়িত্ৰী, মনোজ গগৈ বৰ্তমান বন বিভাগৰ চাকৰীয়াল, পংকজ গগৈ, শিক্ষক, শংকৰদেৱ শিশু বিদ্যা নিকেতন, গীতালি গগৈ, শিক্ষয়িত্ৰী শংকৰদেৱ শিশু বিদ্যা নিকেতন। বৰ্তমান আমাৰ কন্যা চন্দ্ৰমল্লিকা চাবুকধৰাও এই মহাবিদ্যালয়ৰে চতুৰ্থ যান্মাসিকৰ বুৰঞ্জী বিভাগৰ ছাত্ৰী। আমি জ্ঞানৰ সাধনা কৰি অহা মহাবিদ্যালয়খনে আজি সময় বালিত খোজ থৈ সোণালী জয়ন্তী বৰ্ষ গৰকিলে তাৰ বাবে আমি গৌৰৱান্বিত।

আমি পঢ়াৰ দিনত পুৰণি জিম্‌খানা ক্লাৱতে ছোৱালী হোষ্টেল আছিল। লগৰবোৰে বেৰ নথকা ডাঙৰ কোঠালীত বিচনাবোৰত আঠুৱা লগোৱা লাঠিতে শাৰী, বিচনা চাদৰ আদি মেৰিয়াই আঁৰ কৰি লৈছিল।



লগৰবোৰৰ লগত প্ৰায়ে হোষ্টেললৈ গৈছিলো। স্মৃতিহঁতক ঘৰৰ পৰা নগাটেঙাৰ আচাৰ আনি দিয়া কথা মনত পৰিছে। কিছুসময়, আড্ডা মাৰি উভতি আহো। সেই সময় আৰু কেতিয়াও ঘূৰি নাহে।

যদিও ১৯৮৯ চনতে মহাবিদ্যালয় এৰিলো। কিন্তু বিভিন্ন সময়ত ৰাজহুৱা সভা-সমিতি পাতিলে যাব লগা হয়। সেইয়ে মহাবিদ্যালয়ৰ বহু পৰিবৰ্তন চকুত পৰে। নতুন নতুন ঘৰ-প্ৰেক্ষাগৃহ, পকী পথ, চাৰিওফালৰ সুবিধাবোৰ দেখি মন ভৰি পৰে। শেৱালি, নাহৰৰ ছাঁ গচকি যাওঁতে নষ্টালজিক হৈ পৰো। কিন্তু সহপাঠী জুৰি দেৱী আৰু মই সভা এখনলৈ এবাৰ যাওঁতে সোনকালে পালোগৈ বাবে ইফালে সিফালে ফুৰি থাকোতে দেখিলো পুৰণি ছোৱালী হোষ্টেলটো নাই! দুইজনী অবাক হ'লো। বহুপৰ ঠাইডোখৰকে চাই থাকিলো। বুকুখন হম্‌হমাই গ'ল। বুকুখন হম্‌হমাই গ'ল। সিদিনা নিশা অতীতৰ লগৰীবোৰৰ কথাই মনত পৰি থাকিল। পুৰণি স্মৃতি চিহ্নবোৰ সংৰক্ষণ কৰিব পাৰিলে ভাল হয় বুলি ভাবো। এতিয়া নতুন R.C.C. বিল্ডিং হ'ল, ছোৱালীবোৰৰ সকলো সুবিধা হ'ল, তাক অন্তঃকৰণে আদৰণি জনাইছো।

মহাবিদ্যালয়ৰ ১৯৯৬ চনত জানুৱাৰীত ৰূপালী জয়ন্তী অনুষ্ঠিত কৰিলে। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহত অংশগ্ৰহণ কৰিছিলো, সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানতো সমূহীয়া সুৰ সমলয়ত চেতাৰত অংশগ্ৰহণ কৰিছিলো। আমাৰ দলটোত মহাবিদ্যালয়ৰ প্ৰাক্তন ড° ৰাণা কোঁৱৰ ছাৰেও বেহেলা বাদন কৰিছিল।

সময় বাগৰি যায়, সেইয়ে চকুৰ পচাৰতে আকৌ ২৫ টা বছৰে বাগৰ সলালে আৰু আজি মহাবিদ্যালয়ে সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানত উপনীত হৈ চৰাইদেউৰ লগতে সমগ্ৰ অসমতে এই জ্ঞান মন্দিৰৰ সুগন্ধি সুবাস বিলাইছে। সকলোৱে বুকুভৰি সুবাস লৈছো। এইদৰে ৰূপোৱালী, সোণোৱালী নিচান উৰুৱাই আগবাঢ়ি গৈ সোণাৰি মহাবিদ্যালয়ে শতবৰ্ষ গৰকি যাওঁক। সুন্দৰৰ ন আলিয়েদি নতুন পুৰুষে নৱ চেতনাৰ জোৱাৰ আনক, তাৰেই কামনা কৰিলো। প্ৰণামো তোমাক মহাবিদ্যালয় সোণাৰি।

ঃঃঃ

# স্মৃতি মঞ্জুৰি

ডিম্বেশ্বৰ কোঁৱৰ
ৰহন উচ্চ মাধ্যমিক বিদ্যালয়ৰ
সহকাৰী শিক্ষক

শাওণৰ পথাৰখনে ৰং সলোৱাৰ সময়। আকাশৰ কাজল সনা মেঘে শাওণৰ পথাৰখনৰ লগত যেন ফেৰ মাৰিছে। কঠীয়া আৰু বোকাৰ লগত খেলা কৰা সময়ৰ উৎকট গৰমৰ মাজতেই মোৰ দৰে সোণাৰিৰ উপকণ্ঠ অঞ্চলৰ শতাধিক ছাত্ৰ-ছাত্ৰী মহাবিদ্যালয়লৈ আগমন। নোপোৱাক পোৱাৰ, নেদেখাক দেখাৰ মানসেৰে সকলোৰে মাথোন এবুকু সপোন, মহাবিদ্যালয়ত ভৰি দিব। মেট্ৰিকৰ দেওনা পাৰ হৈ মহাবিদ্যালয়ত পঢ়া মাদকতাই সুকীয়া। সেই সময়ত সোণাৰি মহাবিদ্যালয়ত সোণাৰি নগৰৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰায়ে নপঢ়ে। বৰহাট, মাহমৰা, ভজো, সাপেখাতী, ৰহন, দিচাংপানী, টিমন, চলাপথাৰ, লংপতীয়া, বেঙেনাবাৰী আদি গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰহে পয়োভৰ ঘটে।

নগৰৰ এমূৰত এটা সুন্দৰ পৰিবেশত তাহানি ইংৰাজ সকলৰ জিমখানা। সেই জিমখানাৰ কোঠাৰ পৰা পাতনি মেলা সোণাৰি মহাবিদ্যালয়। ইয়াতেই মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত গোলাপ বৰগোহাঁই ছাৰৰ কাৰ্যালয়। কাষতেই কৰ্মচাৰী সকলৰ কাৰ্যালয়। তাৰ কাষতেই এটি সৰু পকী কোঠাত শিক্ষাগুৰু সকলৰ জিৰণি কোঠা। কেতিয়াবা এই কোঠাতেই ছাৰ বাইদেউ সকলৰ হাঁহিৰ ৰগৰত কোঠাটো ৰজনজনাই যায়। আমি অনুসন্ধিৎসু মনেৰে কোঠালৈ চাওঁ। তেতিয়া দেখো শ্ৰদ্ধাৰ প্ৰয়াত তুলসী গগৈ ছাৰে হাঁহিৰ খোৰাক যোগাইছে।

ছাৰ সকলৰ কমন ৰোমৰ কাষতেই প্ৰায় চাৰি পাঁচ কোঠা বাঁহৰ ঘৰ। তাতে ডিগ্ৰীৰ ছাত্ৰ-ছাত্ৰীসকলৰ পাঠদান হয়। পকীকোঠা বুলিবলৈ এক আৰু দুই নম্বৰ কোঠাৰ লগতে ছোৱালী কমন ৰোমটো আছিল। মহাবিদ্যালয়ৰ প্ৰথমে পোৱা পকী ঘৰটি নিৰ্মীয়মান অৱস্থাত আছিল যদিও খুব সোনকালেই দুই এটা কোঠাত পাঠদান কৰিব পৰা হৈছিল। চৌহদটো প্ৰায়ভাগেই বাঁহৰ জেউৰা আছিল। কেতিয়াবা কলেজৰ পাঠদান চলি থকা অৱস্থাতেই দুই এজন গৰু বেপাৰীয়ে খেল পথাৰেদি গৰু পাৰ কৰাই নিওঁতে আমাৰ ছাত্ৰসকলৰ লগত তৰ্কও হৈছিল। এই ক্ষেত্ৰত হোষ্টেলৰ ছাত্ৰসকলে বেছি আগ-ভাগ লৈছিল। তেওঁলোকৰ কঠোৰ তত্বাৱধানতেই গৰু নিয়াটো বন্ধ হৈছিল। বৰ্তমান কেণ্টিনখন থকা ঠাইত মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত গোলাপ চন্দ্ৰ বৰগোহাঁই ছাৰৰ অস্থায়ী ঘৰটো আছিল। কাষতেই বুৰঞ্জী বিভাগৰ অধ্যাপক শ্ৰীযুত গিৰীন গগৈ ছাৰৰ ঘৰটো, ছাৰৰ ঘৰৰ কাষত ল'ৰাৰ হোষ্টেল, আনহাতে ল'ৰাৰ হোষ্টেলৰ কাষতে অৱসৰ প্ৰাপ্ত অধ্যক্ষা শ্ৰীযুতা ৰতিপ্ৰভা গগৈ বাইদেউ আৰু অৱসৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত ৰবিন চন্দ্ৰ কোঁৱৰ ছাৰৰ ঘৰ। ছাৰ, বাইদেউ সকলৰ লগত ছাত্ৰ-ছাত্ৰীসকলৰ একেবাৰে ঘৰুৱা সম্পৰ্ক আছিল। আমি প্ৰতিটো কথা নিজৰ মা-দেউতাৰ দৰে আলোচনা কৰিব পাৰো।

সোণাৰি মহাবিদ্যালয়ে আমাক এটা পৰিচয় দিলে। কেতিয়াবা উপলব্ধি কৰোঁ এই মহাবিদ্যালয়ত



নপঢ়া হ'লে হয়তো নিজক মই বুলি পৰিচয় দিবলৈ সক্ষম ন'হলোহেঁতেন। মোৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ প্ৰথম খোজ এই মহাবিদ্যালয়ৰ পৰায়ে আৰম্ভ হৈছিল। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ মই দুটা বছৰ টেক্‌নিকেল পঢ়িলো। পুনৰ সোণাৰি মহাবিদ্যালয়ত নামভৰ্ত্তি কৰি ছাৰ-বাইদেউ সকলক ঘৰুৱাভাৱে পাই সাংস্কৃতিক চৰ্চাত বিচৰা ধৰণে অনুপ্ৰেৰণা পালো। অৱশ্যে টেক্‌নিকেল পঢ়ি থাকোঁতেও মই দুই এখন গীতি আলেখ্য আৰু নাটক লিখিছিলো। যিকেইখন নাটক আৰু নৃত্য নাটিকা মোৰ ওপজা ঠাই ৰহন অঞ্চলত মঞ্চস্থ কৰিছিলোঁ। মোৰ প্ৰথম সৃষ্টি "সম্প্ৰীতিৰ এনাজৰী" নামৰ নৃত্য নাটিকাখন প্ৰথম ৰহনতেই মঞ্চস্থ কৰি যথেষ্ট সমাদৰ লাভ কৰাত সোণাৰি মহাবিদ্যালয়তো দুবাৰকৈ মঞ্চস্থ কৰা হ'ল। প্ৰথমবাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া আৰু সাংস্কৃতিক সমাৰোহত মঞ্চস্থ কৰাত ছাৰ, বাইদেউ আৰু নিমন্ত্ৰিত অতিথি সকলে যি অনুপ্ৰেৰণা আৰু আশীৰ্বাদ দিলে সিয়েই যেন কলম চলাই যোৱাৰ এক অৰিহণা হ'ল। তেনেদৰে লগৰ বন্ধু-বান্ধৱীৰ উৎসাহত একেৰাহে চাৰিটা বছৰ নৱাগত আদৰণি সভাত মোৰ ৰচনা আৰু পৰিচালনাৰে, "স্বাগত সতীৰ্থ", "স্বাগত আলোকৰ যাত্ৰী", "তোৰে মোৰে আলোকৰে যাত্ৰা" "স্বাগত নবাগত" আদি পৰিৱেশন কৰিছিলো। সম্প্ৰীতিৰ এনাজৰী নৃত্য নাটিকাখনে দৰ্শকৰ মন চুবলৈ সক্ষম হোৱাত অধ্যক্ষ মহোদয়ৰ নিৰ্দেশ মৰ্মে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ উদ্বোধনী অনুষ্ঠানত মঞ্চস্থ কৰিব লগা হৈছিল। তাতো দৰ্শকৰ একেই সঁহাৰি। এটা কথা স্বীকাৰ কৰো যে মই পঢ়াৰ ক্ষেত্ৰত একেবাৰে মেধাৱী নাছিলো। সেইকাৰণে মহাবিদ্যালয়ত পঢ়ি থাকোতেই যে মোৰ পূৰ্ণাংগ নাটক থিয়েটাৰত মঞ্চস্থ কৰা হৈছিল এই কথাষাৰ দুই-এজনৰ বাহিৰে বহুতেই নাজানিছিল। পঢ়াত মেধাৱী নোহোৱা বাবেই কথাষাৰ প্ৰকাশ কৰিবলৈও সাহস কৰা নাছিলো। ভ্ৰাম্যমান থিয়েটাৰত মঞ্চস্থ কৰা "সোণপাহীৰ বিয়া" নাটকখন মই উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত থাকোতেই লিখা। এই কথাষাৰ জানিব পাৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক প্ৰয়াত শ্ৰদ্ধাৰ বিনন্দ মহন ছাৰে এটা কিতাপৰ টোপোলাও আগবঢ়াইছিল। নাটকৰ বাহিৰে আজিও মই কবিতা বা গল্প লিখাৰ নামত আঁক এটাও মাৰিব নোৱাৰোঁ। ছাৰৰ কিতাপৰ টোপোলাটো মোৰ সাংস্কৃতিক জীৱনৰ মহান আশীৰ্বাদ হ'ল। তেনেকৈ দ্বিতীয় বৰ্ষত পঢ়ি থাকোতেই ভ্ৰাম্যমানৰ আন এখন নাটক লিখিছিলো, শিৰোনাম "তেজ"।

প্ৰসঙ্গক্ৰমে উল্লেখ নকৰি নোৱাৰিলো — মহাবিদ্যালয়ত মঞ্চস্থ কৰা মোৰ "সম্প্ৰীতিৰ এনাজৰী" নামৰ নৃত্য নাটিকখন উপভোগ কৰি সোণাৰিৰ বাসিন্দা প্ৰয়াত বিকাশ ভাগৱতী আৰু শৰীৰ চৰ্চাবিদ প্ৰয়াত চন্দন গগৈ দেৱে নগদ ধন সহ এটা ট্ৰফী আগবঢ়াইছিল। নৃত্য নাটিকাখনত অংশগ্ৰহণ কৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ নাম উল্লেখ কৰিলো। অৱশ্যে সকলোৰে নাম স্মৃতিৰ পিঞ্জৰাত আৱদ্ধ কৰি ৰাখিব নোৱাৰি নিজকে অপৰাধী অপৰাধী অনুভৱ কৰিছোঁ। তাৰবাবে ক্ষমাও বিচাৰিছোঁ। যি সকলৰ নাম মনত আছে উল্লেখ কৰিছোঁ — ৰীতা গোহাঁই, মনিমালা মহন, কল্পনা বৰুৱা, অজন্তা বৰা, মিনু গগৈ, প্ৰতিমা বৰগোহাঁই, অঞ্জু গগৈ, সোণমনি গগৈ, নিবেদিতা ফুকন, জ্যোতি গগৈ, পাৰুল গগৈ, মাধু দেৱী, মনীষা ভাগৱতী, বৰষা ফুকন, মনিকা ভাগৱতী, মনিকা বৰুৱা, শ্যামলীমা দুৱৰা, মঞ্জু শইকীয়া, ৰুণু চাংমাই, লিনা চাংমাই, বিভা গগৈ, ৰুলি গগৈ, স্মৃতি গগৈ, মামনি বৰগোহাঁই, বিজয় লক্ষ্মী গগৈ, অৰুণা পাটমাউত, দুলু বুঢ়াগোহাঁই, বীণা বুঢ়াগোহাঁই, মালা গগৈ, প্ৰয়াত ৰাজীৱ মহন বৰুৱা, উৎপল গগৈ, মুকুতা গগৈ, দিলীপ গগৈ, গিৰীণ বড়া, অজিত দিহিঙ্গীয়া, দেৱজ্যোতি দিহিঙ্গীয়া, বিপুল বৰগোহাঁই, ডিম্ব ৰাজকোঁৱৰ আৰু বহু কেইজন আছিল যদিও মুখ কেইখন মনলৈ আহিছে, কিন্তু নামবোৰ পাহৰণিৰ গৰ্ভত বিলীন হ'ল। এনেবোৰ কাৰণত নিজকে

বৰ স্বাৰ্থপৰ দৰে লাগে। এইনৃত্য নাটিকাখন উপভোগ কৰি সোণাৰিৰ বহুতো গুণী মানী বৰেণ্য ব্যক্তিসকলে অভূতপূৰ্ব উৎসাহ আৰু প্ৰেৰণাৰে উপচাই পেলাইছিল। ফলশ্ৰুতিত ভ্ৰাম্যমান থিয়েটাৰ নাটক লিখিবলৈ সক্ষম হৈছিলো। তেনেকৈ প্ৰায় বাইশখন মোৰ পূণাংগ নাটক ভ্ৰাম্যমানত মঞ্চস্থ কৰা হ'ল। কেতিয়াবা উপলব্ধি কৰো এইয়া যেন মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকলৰ অফুৰন্ত আশীৰ্বাদ। অৱশ্যে মহাবিদ্যালয়ৰ পৰা ওলাই যোৱা পাছতো মোৰ কেইবাখনো "একাংকিকা নাটক" মহাবিদ্যালয় সপ্তাহত মঞ্চস্থও কৰিছে। যিখন মহাবিদ্যালয়ত অধ্যয়ণ কৰি সংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিলো সেইখন মহাবিদ্যালয়ত পুনৰ এই প্ৰতিযোগিতা সমূহৰ বিচাৰকৰ দায়িত্বতও আহিবলৈ পাওঁ। তেতিয়া যেন পুনৰ স্মৃতিৰ দুৱাৰখন কিছু সময়ৰ বাবে হ'লেও খোল খায়।

উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষত পঢ়ি থাকোতেই শিৱসাগৰ মহাবিদ্যালয়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয়ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। আমাৰ মহাবিদ্যালয়ৰ পৰা মধুচন্দ্ৰা শইকীয়া, প্ৰণতি বৰুৱা, ৰঞ্জিত গগৈ আৰু মই অংশগ্ৰহণ কৰিছিলোঁ। আমাৰ লগত উপদেষ্টা হিচাপে অংশগ্ৰহণ কৰিছিল প্ৰয়াত বিনন্দ মহন্ত ছাৰে। মৰাণ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ তথা লোক সংস্কৃতিৰ গৱেষক ড° অনিল শইকীয়া ছাৰ আৰু সোণাৰিৰ সংগীত শিল্পী ধ্ৰুৱজ্যোতি ফুকন দাদাই সংগীতত সহায় কৰিছিল। এইপ্ৰতিযোগিতাত ৰঞ্জিত গগৈয়ে ঢোল আৰু পেঁপা বাদনত সোণৰ পদক আৰু মই গগনা বাদনত ৰূপৰ পদক পাবলৈ সক্ষম হৈছিলো। অন্যান্য মহাবিদ্যালয়ৰ পৰা প্ৰায় ত্ৰিছ চল্লিছ জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰাৰ বিপৰীতে আমাৰ মহাবিদ্যালয়ৰ মাত্ৰ চাৰিজনে অংশগ্ৰহণ কৰিছিলো। বাকী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে আমাক সৰু পৰিয়াল সুখী পৰিয়াল বুলি কৈ বৰ ফূৰ্তি কৰিছিল। পতাকা উত্তোলনৰ কাৰ্যসূচীত আমাৰ চাৰিজনৰ পুতৌ লগা অৱস্থা হৈছিল। আমি পদক পাবলৈ সক্ষম হোৱাত প্ৰয়াত বিনন্দ মহন্ত ছাৰ আৰু সোণমাই বৰা বাইদেউৱে আমাক ঢোল, পেঁপা, গগনা নাম দিছিল।

মহাবিদ্যালয়ৰ বাৰ্ষিক সাংস্কৃতিক প্ৰতিযোগিতাত মই কেইটামান বিষয়ত পুৰস্কাৰ পাবলৈ সক্ষম হৈছিলো। বিশেষকৈ একক বাবে কৰা অভিনয় কেইটাত। শেষৰ বছৰত তপন গগৈয়ে কৈছিল (বৰ্তমানৰ সংসদ) ককাইদেৱে এইবছৰ আপুনি কৰিব নালাগে। প্ৰতি বছৰে পুৰস্কাৰ পায়ে থাকে দেখোন। অৱশ্যে অংশগ্ৰহণ নকৰাকৈ নাথাকিলো।

এইখিনিতে উল্লেখ কৰিলো যে — মহাবিদ্যালয়ৰ "ৰূপালী জয়ন্তী" অনুষ্ঠিত কৰা বৰ্ষত মই গুৱাহাটীৰ পৰা প্ৰকাশিত "দৈনিক অগ্ৰদূত" কাকতৰ উপ-সম্পাদকৰ দায়িত্ব লৈ কাৰ্যালয়ত আছিলো। সেই সময়ত টেলিভিশ্বনৰ আজিৰ দৰে সুবিধা নথকাত কাকতৰ যোগেদি মই সম্পূৰ্ণ কাৰ্যসূচী প্ৰকাশ কৰিছিলো। মহাবিদ্যালয়ৰ স্থিৰ চিত্ৰ প্ৰকাশৰ লগতে অধ্যক্ষ মহোদয় মাননীয় গোলাপ চন্দ্ৰ বৰগোহাঁই ছাৰৰ এটি সাক্ষাৎকাৰমূলক লিখনিও কাকতত প্ৰকাশ কৰিছিলো। অৱশ্যে কাকতৰ ব্যস্ততাৰ বাবে ৰূপালী জয়ন্তীৰ কাৰ্যসূচীত অংশ গ্ৰহণৰ পৰা বিৰত থাকিব লগা হ'ল। শ্ৰদ্ধাৰ গোলাপ বৰগোহাঁই ছাৰে কাৰ্যসূচী সফল সমাপ্ত হোৱা পাছত টেলিফোনেৰে মোলৈ আৰু আমাৰ কাকতৰ মুখ্য সম্পাদক মাননীয় শ্ৰীযুত কনক সেন ডেকা ছাৰক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছিল। এইয়া মোৰ এজন ছাত্ৰ হিচাবে দায়িত্ব আৰু কৰ্তব্য বুলি ছাৰলৈ সেৱা জনাইছিলো।

আমি পঢ়ি থকা সময়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম থকাত এটা পৰিয়ালৰ দৰে থাকো। সকলো ছাত্ৰ-



ছাত্ৰীক আমি চিনি পোৱাৰ লগতে শিক্ষাগুৰু সকলেও আমাৰ সকলো ছাত্ৰ-ছাত্ৰীক চিনি পায়। এটা কথা উল্লেখ কৰিলে ভাল হ'ব যে — মহাবিদ্যালয়ৰ জ্যেষ্ঠ ছাত্ৰ প্ৰয়াত ললিত বৰুৱা দাদাহঁতৰ তত্বাৱধানত আমি হোষ্টেলৰ আগফালৰ আলিটোত মাটি তুলিছিলো। বৰ্তমান ইণ্ডোৰ ষ্টেডিয়াম থকা ঠাইখনৰ পৰা মাটি আনি আলিটোত দিছিলো। বন্ধ দিনত দাদাহঁতে প্ৰায়ে সমাজ সেৱাৰ কাৰ্যসূচী লৈছিল। এটা কথাই কিন্তু আমাক সকলোকে মৰ্মাহত কৰিছিল। তেতিয়া বাঁহৰ হোষ্টেলৰ ৰান্ধনি কোঠাত বৰষুণ দিলে প্ৰায়ে পানী পৰে। হোষ্টেলৰ মৰমৰ ভাইটি শশী দেওঘৰীয়াই ৰেডিঅ' গান শুনি থাকোতে হঠাৎ ৰেডিঅ'ৰ এৰিয়েল ডাল চুইচ বৰ্ডত লাগি বিদ্যুৎ পৃষ্ঠ হোৱাত লগে লগেই মৃত্যু হৈছিল। এই কথাষাৰে সকলোকে আঘাত দি গ'ল। এনেবোৰ বহু কথা স্মৃতিৰ পিঞ্জৰাত লিপিবদ্ধ হৈ আছে। দুটামান প্ৰকাশ কৰিলো। পুনৰ সকলোলৈকে শ্ৰদ্ধাৰে সোণালী জয়ন্তীৰ এই পবিত্ৰক্ষণত সেৱা জনালোঁ। জয়তু সোণাৰি মহাবিদ্যালয়।

# সোণাৰি মহাবিদ্যালয়ৰ সোণালী অতীতক সুঁৱৰি একলম।

স্বৰ্ণ দিহিঙীয়া
প্ৰাক্তন ছাত্ৰী-১৯৮২

১৯৮২ চনৰ জুন মাহ। তাৰিখটো ঠিক মনত নাই। উচ্চশিক্ষা গ্ৰহণ কৰাৰ মানসেৰে পদাৰ্পন কৰিছিলো "সোণাৰি মহাবিদ্যালয়" নামৰ এই পূণ্যভূমিত। সাক্ষাৎকাৰ আছিল সেইদিনটোত নামভৰ্ত্তিকৰণৰ বাবে। অজান আশংকাই মনটো ভাৰাক্ৰান্ত কৰি তুলিছিল, সাক্ষাৎকাৰত কি সুধিব সেইটো ভাবি নহয়, ভয় হৈছিল "ৰেগিং" নামৰ শব্দটোলৈহে। সাক্ষাৎকাৰ লোৱা কোঠাটোৰ এমূৰত বহি অপেক্ষা কৰি আছিলো কেতিয়ালৈ আমাৰ নাম মাতিব। অসমীয়াত এষাৰ কথা আছে— "য'তে বাঘৰ ভয় ততে ৰাতি হয়।" হঠাৎ প্ৰাক্-স্নাতক ২য় বৰ্ষৰ চাৰিজনমান ছাত্ৰ আহি আমাক নানা প্ৰশ্নৰে ব্যতিব্যস্ত কৰি তুলিলে। অকাই-পকাই সোধা বিভিন্ন প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি চকুলোৰে নদী বৈ যাবৰ উপক্ৰম হ'ল। ইতিমধ্যে যেনিবা মোৰ খুড়াৰ ল'ৰা অৰুণ দিহিঙীয়া আহি তেওঁলোকৰ সৈতে মোক চিনাকি কৰি দিলত পৰিস্থিতি ভাললৈ আহিল। অৰুণ সেই সময়ত স্নাতক চুড়ান্ত বৰ্ষৰ ছাত্ৰ আছিল। ৰেগিং মাষ্টাৰ জনৰ নাম আছিল সঞ্জীৱন ফুকন, যিজনে নৱাগত সকলক ৰেগিঙৰ দ্বাৰা চৈধ্যভুৱন দেখুৱাইছিল। জানিব পৰামতে বৰ্তমান তেখেত ইহসংসাৰত নাই।

সোণাৰি মহাবিদ্যালয়খন সেইসময়ত আজিৰ দৰে ইমান ডাঙৰ নাছিল। তেতিয়া মাত্ৰ কলা বিভাগহে আছিল, বিজ্ঞান বিভাগটো কিছুবছৰৰ পিছতহে আৰম্ভ কৰিছে। আমি পঢ়োতে বৃটিছৰ দিনৰ এটা ক্লাবঘৰ মহাবিদ্যালয়ৰ কাৰ্য্যালয় হিচাবে ব্যৱহৃত হৈছিল। পিছলৈ সেই ক্লাবঘৰটোৰ একাংশ সংলগ্ন কৰি ছাত্ৰী নিবাস সাজি দিয়া হৈছিল। বছৰ বাগৰাৰ লগে লগে মহাবিদ্যালয়খন সোণাৰি অঞ্চলত উচ্চশিক্ষাৰ বাবে এখন সৰ্ব্বাংগ সুন্দৰ শিক্ষানুষ্ঠান হিচাবে জিলিকি উঠিল। আমি পঢ়া সময়ছোৱাত বিভিন্ন বিভাগত কৰ্মৰত অধ্যাপক/অধ্যাপিকাসকলৰ নামসমূহ মনত পেলাবলৈ চেষ্টা কৰিছো — ভুল হ'লেও কোনেও যাতে দোষ নধৰে।

সন্মানীয় অধ্যক্ষ পদত কাৰ্যনিবাহ কৰি আছিল শ্ৰীযুত গোলাপ বৰগোহাঁই চাৰ
উপাধ্যক্ষ পদত — সুৰেশ দাস চাৰ
ইংৰাজী বিভাগত — ৰবীন কোঁৱৰ চাৰ
অৰ্থনীতি বিভাগত — জীৱন শইকীয়া চাৰ আৰু অৰ্পণ বৰুৱা চাৰ
অসমীয়া বিভাগত — ৰতিপ্ৰভা গগৈ বাইদেউ আৰু সোণমাই বড়া বাইদেউ
শিক্ষাতত্ব বিভাগত — কমলা শইকীয়া বাইদেউ, মানিক বৰুৱা চাৰ আৰু ৰাণু মহন্ত বাইদেউ
বুৰঞ্জী বিভাগত — গিৰিণ গগৈ চাৰ আৰু শৈলেন ফুকন চাৰ
ৰাজনীতি বিজ্ঞান — তুলসী গগৈ ছাৰ
গ্ৰন্থাগাৰ সহায়িকা — বাণী দাস বাইদেউ

এইসকল শিক্ষাগুৰুৰ অক্লান্ত শ্ৰমৰ বিনিময়ত বহু ৰথী-মহাৰথীয়ে একো-একোজন সফল যুঁজাৰু ৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে।



আমাৰ কলেজীয়া জীৱনৰ প্ৰাৰম্ভতে এদিন সন্ধিয়া অনুষ্ঠিত হোৱা এখন সভাৰ কথা মোৰ মনত পৰে, যি সভাত সম্বৰ্দ্ধনা জনোৱা হৈছিল বীৰ শ্বহীদ পুতুল গগৈ আৰু ইমতিয়াজউদ্দিন আহমেদৰ পৰিয়ালবৰ্গক। ১৯৮২ চনৰ ১০ জুন তাৰিখে "ছাত্ৰ সংহতি দিৱস" পালনৰ উদ্দেশ্যে সমবেত হোৱা ছাত্ৰ নেতাসকলৰ ওপৰত প্ৰশাসনৰ কোপদৃষ্টিৰ ফলস্বৰূপে টাওকাক নদীৰ বুকুত মৃত্যুক আঁকোৱালি ল'ব লগা হৈছিল এই দুই বন্ধুৱে। এই দুই বীৰ শ্বহীদৰ স্মৃতিচাৰণ সভাত তেওঁলোকৰ পৰিয়ালবৰ্গক সমবেদনা আৰু সম্বৰ্দ্ধনা জনোৱা হয় সোণাৰি মহাবিদ্যালয় প্ৰাঙ্গনত। দুয়োজনা শ্বহীদৰ স্মৃতিত আমাৰ অসমৰ এজন নামজ্বলা শিল্পী, টোকাৰীগীত, বিহুগীত আদি লোকসংগীতৰ সাধক শ্ৰদ্ধাৰ খগেন গগৈ ককাইদেৱে এটি গীত লিখি উক্ত সভাত সমবেত সংগীত হিচাবে পৰিৱেশন কৰোৱায় আৰু তেখেতে নিজে গীতটিৰ আঁত ধৰে। সেই গীতটিৰ কথা আৰু সুৰ আজিও মোৰ মনত সজীৱ হৈ আছে। গীতটি আছিল এনেধৰণৰ

হে শ্বহীদ তোমাক নমস্কাৰ
সোণাৰি সোণালী পাম
কৰিলা যে জাতিষ্কাৰ।

সোণাৰি ফুলনিতে যেন
ফুলিছিল দুপাহি ফুল
সুবাস বিলাবলে নৌ পাওঁতেই
থিতাতে লেৰেলি গ'ল।

অ' ৰাক্ষসী নৈ টাওকাক
উটাই নিলি পুতুল-ইমতিয়াজ
তোৰ সোঁতত উটি গ'ল
'গীতা' আৰু 'কোৰাণ'।

এই গীতটিৰ কথা আৰু সুৰে সভাত উপস্থিত থকা সকলো লোককে শোকত অভিভূত কৰি তুলিছিল। খগেন গগৈদেৱৰ দৰে গীতিকাৰ সুৰকাৰ তথা শিল্পীসকলৰ কণ্ঠত প্ৰাণ পাই উঠিছিল এনেধৰণৰ আৰু কিছুমান গীত, যিবোৰ গীতে খলকনি তুলিছিল সেইসময়ত সোণাৰিৰ শিল্পীসুলভ প্ৰাণত।

যেনে — অ' মোৰ সোণাৰি সোণালী পাম
সোণৰে চেকুৰা বিচাৰি চাম
জানোচা পাম
বিচাৰি চাম
জানোচা পাম
বিচাৰি চাম।

সোণাৰি মহাবিদ্যালয়ত মই মাত্ৰ দুটা বছৰহে আছিলো, তাৰপাছত মই টিংখাং মহাবিদ্যালয়লৈ

গ'লোগে। সেইকেইটা দিনত লগপোৰা কেইগৰাকীমান সংগীত শিল্পীৰ নাম আজি মই ল'ব বিচাৰো। প্ৰথমে মোৰ সহপাঠী মধুছন্দা শইকীয়াৰ নামেই ল'ম, যিগৰাকী শিল্পীয়ে একেৰাহে ৪ বাৰকৈ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠা সংগীত শিল্পীৰ সন্মান অটুট ৰাখিছিল। তেওঁ গোৱা এটি গীত মোৰ খুবেই প্ৰিয় আছিল সেই গীতটি হ'ল —

আগলি কলাপাত লৰে কি চৰে
টোপ টোপ চকুলো সৰে-সৰে।

ঠিক একেদৰে সংগীতত আধিপত্য থকা আন এজন সংগীত শিল্পী আছিল স্বৰ্গী দিতেশ্বৰ গগৈ। তেওঁ গোৱা দুটিমান গীত মোৰ আজিও মনত পৰে। গীতৰ কথাংশ আছিল এনেধৰণৰ

স্থায়ী ঃ পুৱতি নিশাৰ বাঁহী
বাজি থাক অকলে
দূৰণিত, দূৰণিত, দূৰণিত।

অন্তৰা (১) নুচুবি মোৰ হৃদয়
নকবি নোপোৱাৰ কথা
অতীত নানিবি ঘূৰাই
ভাঙিব চকুলোৰ ভেটা
নেগাবি বাঁহীটি তই
মাথো বিৰহৰ গীত।
বাজি থাক অকলে
দূৰণিত, দূৰণিত, দূৰণিত।

অন্তৰা (২) জীৱন জানো দুখৰ
জানো মাথো কান্দিবৰ
অহা-যোৱাতে, পোৱা-নোপোৱাতে
সৃষ্টি জীৱন ৰসৰ।
নেবাজিবি বাঁহী তই, ক'লা নেপেলাবি চিত।
বাজি তাক অকলে, দূৰণিত, দূৰণিত, দূৰণিত।

আন এটি তেওঁ গোৱা মনপৰশা গীত আছিল বিষ্ণু ৰাভাদেৱৰ — (স্বাধীনচিতীয়া হালোৱা ডেকা ৰণুৱা)[২]

পঞ্চায়তী যুগৰে ন মনৰ মনুৱা ..... এই গীতটি দিতেশ্বৰ গগৈৰ কণ্ঠত প্ৰাণ পাই উঠিছিল আৰু শ্ৰোতাৰ অন্তৰত বিপ্লৱী চেতনা জাগি উঠিছিল। তেওঁৰ সমসাময়িক আন এগৰাকী সংগীত শিল্পী আছিল দীতিমনি দিহিঙ্গীয়া, যাৰ কণ্ঠই শ্ৰোতা-দৰ্শকৰ মন জয় কৰি আনন্দৰ খোৰাক যোগাইছিল। সোণমাই বড়া বাইদেউৰ তত্বাৱধানত আমি প্ৰায় ৩০/৩৫ গৰাকীমান "সোণালী ছাত্ৰীনিবাসৰ" আবাসী আছিলো একেখন বিচনাতে পৰি দীতিমণিৰ সৈতে বহুতো ন-পুৰণি শিল্পীৰ গীত গাইছিলো। এইটো গোৱা, সেইটো গোৱা বুলি বহুতো গীত গাবলৈ বাধ্য কৰাইছিলো, আমনি কৰিছিলো।

সোণালী ছাত্ৰীনিবাসত মোৰ অন্তৰংগ বান্ধৱী আছিল — ৰূপা বৰগোহাঁই যিযে নেকি মোৰ বেমাৰ - আজাৰত অকপটচিত্তে চোৱা-চিতা কৰিছিল, যত্ন লৈছিল। জোনাকী দাস, অনুমণি গগৈ, বীণাপাণি চাংমাই, এই কেইগৰাকী সতীৰ্থ বান্ধৱীৰ সান্নিধ্যত মই বিচাৰি পাইছিলো বন্ধুসুলভ অকৃত্ৰিম মৰম-স্নেহ। সোণালী ছাত্ৰী নিবাসত থকা দিনকেইটাত কাঞ্চাৰ ৰং-তামাচাই আমাক যথেষ্ট আপ্লুত কৰিছিল। বজাৰ-সমাৰ কৰাৰ পৰা ৰান্ধি-বাঢ়ি খুওৱালৈকে কাঞ্চাই আমাৰ বহুতো দায়িত্ব বহন কৰিছিল। সোণমাই বড়া বাইদেৱে গোটেই ছোৱালীমখাকে নিশা থিয়েটাৰ নাটক আদি চাবলৈ লৈ গৈছিল। টাউনৰ কিছুলোকে জোকাইছিল বাইদেৱে নুশুনাকৈ, মাকে হাঁহ পোৱালিজাক চৰাবলৈ নিছে বুলি। অতীতৰ এইবিলাক স্মৃতিয়ে আজিও সোঁৱৰাই দিয়ে সেই সোণালী দিনবোৰৰ কথা।

অতীত মৰহা হলেও, স্মৃতিৰ ৰোমন্থনে মৰহি যোৱা অতীতকো এপাহ ফুলি থকা সজীৱ পুষ্পৰ দৰেই জক্মকাই তোলে। সেয়েহে স্মৃতি ৰোমন্থনৰ দ্বাৰা মৰহা ফুলৰ সুবাস বিচাৰি একলম লিখাৰ প্ৰয়াস কৰিলো। সোণাৰি মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে এখনি গ্ৰন্থ উন্মোচন কৰা হব বুলি জানি প্ৰাক্তন ছাত্ৰী হিচাবে মনৰ অনুভৱখিনি ব্যক্ত কৰিলো।

জয়তু সোণাৰি মহাবিদ্যালয়।

ঃঃঃঃঃ

# স্মৃতি ৰোমন্থনৰ লেছেৰি বুটলি

দীচেন গগৈ
প্ৰাক্তন ছাত্ৰ-১৯৯০

"জীৱনক সত্য, সুন্দৰ আৰু মংগলময় কৰি তোলাই মানৱ আত্মাৰ চৰম উদ্দেশ্য। এই উদ্দেশ্যৰ পৰা বিচলিত হোৱা মানেই অমূল্য এই জীৱনৰ অপচয় কৰা" ককা নীলমণি ফুকনৰ সাৰগৰ্ভ এই বাক্য মোৰ জীৱনৰ আঁহে আঁহে।

অসমৰ সমাজ জীৱনৰ পৰিৱৰ্তন ঘটাৰ লগে লগে ঠাই বিশেষৰো আংশিক পৰিৱৰ্তন ঘটিবলৈ ধৰিলে। সোণাৰি অঞ্চলত সেই সময়ত কেইজনমান বাটকটীয়া নমস্য ব্যক্তিৰ আশাৰ বকুল পুলি ৰোপণ কৰিলে। গীতি কবি জন্মস্থানৰ কিছু পৰিৱৰ্তন অনাৰ প্ৰচেষ্টা সফল হ'ল। সকলোৰে ঐক্যমতৰ জৰিয়তে এই অঞ্চলটোৰ সামাজিক ৰূপান্তৰ ঘটাবলৈ অহৰহ প্ৰচেষ্টা চলি থাকিল। বৌদ্ধিক উত্তৰণৰ লগতে অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক ভাৱেও কিছু পৰিৱৰ্তন আহিল।

সাহিত্য-সংস্কৃতিৰ চৰ্চাৰ কেন্দ্ৰীয়স্থল সোণাৰিত ভালে কেইজন পুৰোধা ব্যক্তিৰ জন্ম হৈছিল। গীতিকবি পাৰ্বতিপ্ৰসাদ বৰুৱা লগতে কবিতা কোঁৱৰ অম্বেশ্বৰ ফুকনৰো অৱদান লেখত ল'বলগীয়া।

শৈক্ষিক বাতাবৰণ সৃষ্টিৰ সৰুবৰ বহুতো ঘটনা, পৰিঘটনাৰে সমৃদ্ধ এইখন সোণাৰি মহাবিদ্যালয়। অতীত আৰু বৰ্তমানক লৈ তৰ্কত লিপ্ত হোৱাতকৈ অৰ্থহীন কথা আৰু একো নাই। কাৰণ তাৰ পৰা আমি হেৰুওৱাওঁ আমাৰ বৰ্তমানক। সঁচাকৈ মহাবিদ্যালয়খনে আন্তঃগাঁথনিৰ পৰিকাঠামো বছৰে বছৰে উন্নত কৰি আহিছে। সমগ্ৰ অঞ্চলটোৰ জন গাঁথনি বৃদ্ধিৰ লগে লগে শিক্ষাৰ সংকল্প যাত্ৰাৰ অংশীদাৰ হৈ নিজকে সংগ্ৰামহীন জীৱন কল্পনা কৰিব নোৱাৰো, সংগ্ৰাম আৰু সংঘাট মোৰ জীৱনৰ শ্বাস-প্ৰশ্বাস।

শিষ্টাচাৰে একে সময়তে দুটা উদ্দেশ্য সাধন কৰে তাৰ সহায়েৰে আপুনি মানুহৰ ওচৰ চাপিব পাৰে আৰু তাৰ সহায়েৰেই আপুনি মানুহক বহু দূৰত ৰাখিব পাৰে মোৰ ক্ষেত্ৰতো সেইয়াই হ'ল।

৯০-৯১ দশকৰ কোনোবা এটা শুভক্ষণত মহাবিদ্যালয়ত নামভৰ্তিৰ দিনা অধ্যক্ষ মহোদয়ৰ লগত চিগাৰেট খোৱা বিষয়টো অৱগত কৰোতে মই যি পৰিস্থিতিৰ সন্মুখীন হৈছিলো সেইয়া কল্পনা কৰিব নোৱাৰো বাস্তৱ — "ছাৰ ছাত্ৰ শিক্ষকৰ মধুৰ সম্পৰ্ক পিতা-পুত্ৰতকৈ গভীৰ এনে সম্পৰ্ক বৰ্তাই ৰাখিবলৈ শিক্ষকে ছাত্ৰৰ সন্মুখত চিগাৰেট খোৱাটো কিমান যুক্তিসঙ্গত বুলি কৈ দিলো। অধ্যক্ষ মহোদয়ে কিবা এষাৰ কবলৈ লোৱাৰ মুহূৰ্ততে অধ্যক্ষৰ কোঠাৰ পৰা ওলাই প্ৰসাৰগাৰ পালোগৈ" বহু সময় আৰু কেইবা মাহ অধ্যক্ষৰ সৈতে মুখামুখিকৈ কথা হোৱা নাই। মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ বৰ্ষত এই কথা অধ্যক্ষ মহোদয়ে নিজেই স্বীকাৰ কৰি ছাত্ৰ-শিক্ষকৰ মধুৰ ক্ষণ বৰ্তাই ৰাখিলে।

আমি মহাবিদ্যালয়ত অধ্যয়ন কৰাৰ সময়ত সৰু কোঠাতেই পুথিভঁৰালৰ কিতাপসমূহ ৰাখিছিল। আমি সেই তাতেই পঢ়া-শুনা কৰিছিলো। বাণী বাইদেউ পুথি ভঁৰালৰ তত্বাবধায়ক আছিল। ভাল ভাল



কিতাপ আহিলেই বাণী বাইদেউৱে মোক কিতাপসমূহ দিয়াৰ বাবে ভাল ভাল গ্ৰন্থ অধ্যয়নৰ সুযোগ পাইছিলো। পুথিভঁৰালক জ্ঞানৰ অমূল্য ভাণ্ডাৰ হিচাপে লৈ আগবাঢ়ি গৈছিলো। বিদ্যালয়খনৰ কৰ্মৰত প্ৰত্যেকজন ছাৰ বাইদেউৱে পাঠদানৰ সময়ছোৱাত নিজৰ সৰ্বস্ব উজাৰি দিবলৈ যত্ন কৰা দেখা পাইছিলো। অসমীয়া ভাষাৰ বানান বিভ্ৰাট, ব্যাকৰণৰ খুটি নাটি শব্দ ভাণ্ডাৰৰ বিভিন্ন সমস্যাৰ বিভিন্ন দিশত শ্ৰদ্ধাৰ সোণমাই বৰা, ৰতিপ্ৰভা গগৈয়ে পুংখানুপুংখভাৱে বুজাবলৈ যত্নৰ ক্ৰুটি কৰা নাছিল। প্ৰবন্ধ, কবিতা লিখাৰ প্ৰেৰণা দিছিল।

FOUNDATION COURSE বুধিন গগৈ ছাৰে, বুৰঞ্জী মানিক গগৈ ছাৰ, গিৰিণ গগৈ ছাৰ, ৰাজনীতি বিজ্ঞান সুৰেশ দাস ছাৰ, ইংৰাজী ৰবিন কোঁৱৰ ছাৰ আৰু সুনীল দত্ত ছাৰে নতুনকৈ দুবছৰ মানৰ বাবে ইংৰাজী ব্যাকৰণৰ যি শিক্ষা প্ৰদান কৰিছিল তাক কেতিয়াও পাহৰিব নোৱাৰো।

সমগ্ৰ অঞ্চলটোত এখন মহাবিদ্যালয় স্থাপন কৰি ছাৰ বাইদেউ সকলে কলা বিজ্ঞান দুয়োটা শাখাতে শিক্ষাৰ পোহৰ বিলাই আলোকময় কৰিবলৈ যি প্ৰচেষ্টা হাতত লৈছিল সেইয়া সফলো হৈছিল। গ্ৰাম্য অঞ্চলৰ একমাত্ৰ প্ৰাণকেন্দ্ৰ সোণাৰি এখন জাকত জিলিকি থকা সংস্কৃতিৰ উৰ্বৰতা ভৰা এখন সৰু ঠাই। এই চহকী ঠাইখনৰ বুকুতে গঢ়ি উঠা মহাবিদ্যালয়খনত খেল-ধেমালি, নাটক, কুইজ, বক্তৃতা, স্ব-ৰচিত কবিতাক জনমুখী কৰি তুলিবলৈ শিক্ষা, জোনাকীমেল, পথিকৃত গোষ্ঠীৰ বিভিন্ন কাৰ্যসূচীৰ সাহিত্য চৰ্চা, বহুতো সৰু বৰ প্ৰতিযোগিতাত ভাগ লবলৈ মহাবিদ্যালয়ৰ ছাৰ বাইদেউৱে প্ৰেৰণা দিছিল। গণ্যমান্য বহুজন বিশিষ্ট ব্যক্তিক লগ পোৱাৰ সৌভাগ্য হৈছিল তেওঁলোকৰ আদৰ্শ আগুৱাই যাবলৈ নিজকে প্ৰস্তুত কৰি তুলিছিলো। বহুক্ষেত্ৰত সফলো হৈছিলো।

সময় বোলে পাখি লগা কাড়। সময়ক নৈৰ সোঁতৰ লগত তুলনা কৰা হয়। সোণাৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰৱক্তা শ্ৰীমতী ৰতি প্ৰভা গগৈয়ে মোক লগত লৈ সোণাৰি লেখিকা সন্থাৰ কামত অৰ্থাৎ "চেতনা" আলোচনীৰ বাবে লেখা বিচাৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ যাওঁতে ডঃ কৰবী ডেকা হাজৰিকা, ডঃ মনোৰাম বৰগোহাঁই, ডঃ নগেন শইকীয়া, ডঃ পোনা মহন্ত, ডঃ অৰ্পনা মহন্ত, ডঃ কবীন ফুকন, ডঃ ডম্বৰুধৰ নাথ আদি ছাৰ সকলক লগ কৰি তেওঁলোকৰ লগত মত বিনিময় কৰি প্ৰত্যেকজনৰ পৰা মোৰ "অট্ৰ'গ্ৰাফ"ৰ পৃষ্ঠা শুৱনি কৰিবলৈ সক্ষম হৈছিলো।

ডম্বৰুধৰ নাথ ছাৰে অট'গ্ৰাফ দিছিল 'সাহিত্য সংস্কৃতি আৰু সন্মানীয় ব্যক্তি দেখি ভাবিছো এতিয়াও আমাৰ যুৱ মানসিকতা একেবাৰে শেষ হৈ যোৱা নাই তোমাৰ দৰে যুৱ ছাত্ৰৰ পৰা আমি আশা কৰো সোণালী সুদিন।" ডঃ নগেন শইকীয়া ছাৰে 'পোহৰ হোৱা আৰু পোহৰ কৰা' মনোৰমা বাইদেউৱে 'শুভেচ্ছা মাথো এখিলা পাত নহয়, ই তোমাৰ জীৱন গঢ়াৰ এক পাণ্ডুলিপি' পোনা মহন্ত ছাৰে "Dichen living in the decent society, Go Ahead." অৰ্পনা মহন্ত বাইদেউৱে 'মহৎ কামেৰে জগত জিনিবা" ডঃ কৰবী ডেকা শইকীয়া বাইদেউৱে "মৰহা ফুলৰ পাপৰি নহ'বা ফুলৰ টাৰত সুগন্ধি বিলাবা" তেখেত সকলৰ সানিধ্যই মোৰ ছাত্ৰ জীৱনটো সাৰ্থক কৰি তুলিলে।

মহাবিদ্যালয়ত পঢ়ি থকা সময়ত কোনোবা এটা বছৰত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ফলাফল শিৱসাগৰ ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মোক আনিবলৈ গোলাপ বৰগোহাঁই ছাৰে খাটনি ধৰি অহা-যোৱা খোৱাৰ পৰিবহন খৰছ দিছিল। পিছে মই পুনৰ ঘুৰি আহি ৪৫ টকা ৰাহি কৰি গোহাঁই ছাৰক

দিয়াত বৰ আচৰিত হৈ সততাৰ শলাগ লৈছিল। উপসভাপতি হিচাবে থকা বংশী সোনোৱালৰ কথা প্ৰায়ে মাক সুধিছিল। মহাবিদ্যালয়ত অধ্যয়ন কৰা সময়ত বহুতো জ্যেষ্ঠ আৰু কনিষ্ঠ ককাইদেউ, বাইদেউ, ভাইটি, ভণ্টীক লগ পোৱাৰ লগতে মৰম আদৰ লাভ কৰিছিলো। বন্ধু-বান্ধৱীক নাম ল'ব লাগিব ক্ৰমে বিপ্লৱ, শৰত, নগেন, মোহন, লোহিত, ৰমেশ, গীতালী, হেম্লী মহন, ববিতা, ৰীণা, নিকুঞ্জহঁতৰ উপৰি বহু বন্ধু পাহৰণি গৰ্ভত। যদিও মনৰ মণিকোঠত এতিয়াও জীপাল কৰি ৰাখিছো।

মোৰ কলেজীয়া ছাত্ৰ জীৱনত সাংস্কৃতিক জগতৰ ভোটাতৰা পংকজ বৰদলৈ, লীণা বেজবৰুৱাৰ দৰে গায়ক-গায়িকাৰ সানিধ্য লাভ কৰিবলৈ সক্ষম হৈছিলো।

মহাবিদ্যালয়ত অধ্যয়ন কৰা সময়তে জীৱনত জীয়াই থকাৰ কলাসমূহ, জীৱনবোধৰ কৌশলসমূহ আয়ত্ব কৰিছিলো। মহাবিদ্যালয়খনৰ একতা সভাৰ উপসভাপতি হৈ থকা সময়ত মহাবিদ্যালয়ৰ অভাৱ-অভিযোগ একত্ৰ কৰি ডিব্ৰগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি সম্পাদক আৰু বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৪৭ খন মহাবিদ্যালয়সমূহৰ উপসভাপতি আৰু সম্পাদক সহ দুজনকৈ দিল্লীত বিশ্ববিদ্যালয় অনুদান আয়োগৰ অধ্যক্ষক (UGC) লগ কৰিবলৈ গৈছিলো। দিল্লী বিশ্ববিদ্যালয়ৰ UGC Chairman C.Ram Reddy ক লগ কৰাৰ উপৰিও প্ৰধানমন্ত্ৰী পি.ভি. নৰসিংহ ৰাও, শৰদ পাৱাৰ, মানৱ সম্পদ মন্ত্ৰালয়ৰ অধ্যক্ষ আৰু কেইবাজনো সাংসদক লগ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ অভাৱ অভিযোগ সমূহ দুৰীকৰণ কৰি মহাবিদ্যালয়সমূহৰ শৈক্ষিক বাতাবৰণ উন্নত কৰাত গুৰুত্ব দিবলৈ দাবী সম্বলিত স্মাৰক পত্ৰ দিওঁ। "অশোক যাত্ৰী নিবাস"ত এটা সপ্তাহ বাহৰ পাতি আছিলো। লগতে আগ্ৰাৰ তাজ মহল আৰু দিল্লীৰ ঐতিহাসিক স্থানসমূহ ভ্ৰমণ কৰি বিমল আনন্দ আৰু অভিজ্ঞতা সঞ্চয় কৰো।

এনে অভিজ্ঞতা সঁচাই জীৱন বাটৰ লগৰী হিচাবে সদায়ে থাকি যাব।

"সময় অমূল্য সম্পদ" কম সময়ত ভুৰুকাত হাতী ভৰাবলৈ যত্ন কৰিছো।

এনে এক চাত্ৰ জীৱন অমূল্য, ইয়াক সঠিকভাৱে সঠিক সময়ত গঢ়িব পাৰিলে অভাৱনীয়ভাৱে অকল্পনীয়ভাৱে, নজনাকৈয়ে প্ৰকৃতিৰ সকলো নিয়ম উলংঘা কৰি "মহাবিদ্যালয়ত পঢ়ি থকা সময়তে কাৰোবাৰ সচা প্ৰেম!! ভাবিব নোৱাৰি!!

"ৰূপালী জয়ন্তী বৰ্ষৰ ক্ষণত মই মহাবিদ্যালয়ৰ পুথিভঁৰাললৈ "এশ বছৰৰ অসমীয়া গদ্য" সাহিত্য নামৰ গ্ৰন্থখন দান দিওঁ। অধ্যক্ষ গোলাপ বৰগোহাঁই ছাৰ, দিলীপ ৰঞ্জন বৰুৱা, মিণ্টু গগৈ, ৰাণু মহন, বিমলা ফুকন, মাণিক বৰুৱা, অৰ্পণ বৰুৱা, ৰাজীৱ কটকীকে ধৰি মহাবিদ্যালয়ৰ সকলো ছাৰ-বাইদেউক সোঁৱৰণীৰ এখিলা পাতত সদায়ে জিলিকাই থম।

মুঠৰ ওপৰত সোণাৰি মহাবিদ্যালয়খনে মোৰ জীৱনৰ গতিপথ সলনি কৰি দিলে। এনে বহু সৰুবৰ ঘটনাৰ লেছেৰি বুটলিবলৈ সঁচাই থাকি গ'ল।

"সোণালী সুদিন"ত পৰম প্ৰত্যাশাৰে হীৰক জয়ন্তীও পালিত হওক স্বৰ্ণময় সময় ধৰি ৰাখিবৰ বাবে।

জয়তু সোণাৰি মহাবিদ্যালয়।

৪৪৪৪



# সোণাৰি মহাবিদ্যালয়ৰ স্মৃতিবোৰ

মিনু গগৈ
প্ৰাক্তন ছাত্ৰী, ১৯৮৬-৮৯

৮২ চনৰ ছাত্ৰ আন্দোলন ধাৰাবাহিকতা অব্যাহত থকা বাবেই হয়তো ৮৬ চনত ভাইটি নিপন আৰু মই প্ৰাকৃতিক সৌন্দৰ্যৰে মনোৰম আৰু মৰম স্নেহৰ সমন্বয় স্থলী সোণাৰি মহাবিদ্যালয়লৈ হয়তু মাহমৰাৰ মিনু মাহীৰ কথাতে বৰ আন্তৰিকতাৰে ঢাপলি মেলি আহিছিলো। তেতিয়া, ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ শীৰ্ষ স্থানত সোণাৰি মহাবিদ্যালয়ৰ জাকতজিলিকা নাম আছিল। সেয়ে মই অসমীয়া বিভাগটো বাচি লৈছিলোঁ। শ্ৰদ্ধাৰ ৰতি বাইদেউ, বিনন্দ মহন ছাৰ, জয়ন্তী বাইদেউৰ ক্লাছ বোৰ আজিও মনত পৰে।

অৱশ্যে আন বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ উদ্যম, কোনো গুণতে পিছপৰা নাছিল। তদুপৰি খেলা ধূলাতেই হওঁক কিম্বা সাহিত্য-সংস্কৃতিৰ জগততেই হওঁক, মুঠৰ ওপৰত আমাৰ মহাবিদ্যালয়ৰ নাম বিশেষভাৱে উল্লেখ যোগ্য নাম আছিল। ৮৮-৮৯ চনত শ্ৰেষ্ঠ দৌৰ বীৰাঙ্গনা পুৰস্কাৰ পাবলৈ সক্ষম হৈছিলো। শ্ৰদ্ধাৰ গিৰিণ গগৈ ছাৰৰ ক্ৰীড়া বিভাগ সম্পাদনা কৰা ক্ষেত্ৰত উল্লেখযোগ্য অৰিহণা আছিল। মহাবিদ্যালয়ৰ যিকোনো অনুষ্ঠান সফলতাৰে নেতৃত্ব দিয়া লক্ষী ককাইদেউ, ফুলেশ্বৰ ককাইদেউ, আমাৰ হোষ্টেলৰ বীনা বাইদেউ, মঞ্জু বাইদেউ, সতীৰ্থ গুণ গগৈ, ডিম্বেশ্বৰ, স্মৃতি, কুসুম, হিৰণ্য, দুলু, বীণা, কৰবী আৰু ভ্ৰাতৃ নিপন, তপনহঁতৰ মুখবোৰ চিৰসজীৱ হৈ ৰ'ব। দুয়োখন হোষ্টেলৰ আন্তৰিকতা কেতিয়াও পাহৰিব নোৱাৰোঁ। ভাইটি নিপন, তপন, অথবা গুণ যেন আমাৰ হোষ্টেলৰ অভাৱবোৰ পূৰণৰ বাবে সদা তৎপৰ আছিল। আজি দিনৰ দৰে ম'বাইল নাছিল। হোষ্টেলৰ চুপাৰ শ্ৰদ্ধাৰ ৰাণু বাইদেউৰ অনুমতি লৈ বজাৰ কৰা কথা বৰ কঠিন কাম আছিল। সতীৰ্থ গুণ গগৈ ৰসৰ ভাণ্ডাৰ। তাৰ লগত থাকিলে হাঁহিৰ ৰোলে ৰজনৰজাই থাকে। সেয়া খেল পথাৰতেই হওঁক কিম্বা ক্লাছ ৰুমতেই। সোণালী স্মৃতিৰ পাতত বহুত কথাই মনলৈ আহি দোলা দি আছে। সুখ সন্ধিক্ষণৰ লগত দুখৰ সন্ধিক্ষণ। ভাইটিক হেৰুৱাই মৰ্মাহত হৈ পৰিছিলো। ছাত্ৰ অৱস্থাতে তাৰ জীৱনলৈ অন্ধকাৰ নামি আহিলে। তাৰ সান্নিধ্য পোৱা সকলোৱে হৃদয়ৰ পৰা তাৰ মনৰ মানুহটোক বুজি পাইছিল। বেছি লৈ ক'ব নোখোজো। তাৰ মৰম আন্তৰিকতাবোৰ অকণমান ধৰি ৰখাৰ প্ৰয়াসেৰে অতিকৈ আপোন মহাবিদ্যালয়খনিলৈ অকণমান মৰম, আৰ্শীবাদ কামনাৰে এটি ক্ষুদ্ৰ উপহাৰ আগবঢ়ালোঁ।

সোঁৱৰণী পাতত হাত বুলাই বহুতেই ভাল লাগিল। এক কল্পনাতীত দিশেৰে গতি কৰিলে আমাৰ অতিকৈ আপোন তথা শ্ৰদ্ধাৰ মহাবিদ্যালয় খনিয়ে। বিজ্ঞান বিভাগৰ বাবে কলেকচন কৰিবলৈ গৈছিলো, শ্ৰদ্ধাৰ জীৱন ছাৰ, সুৰেশ দাস ছাৰ আৰু বহুতো লগৰীয়াৰ লগত। মহিলা ফুটবল খেলখনো মহিলাই টিকট বিক্ৰী কৰি খেলাবলৈ বাবে নিয়োগ কৰিছিল। আমাক পায় কোনে। হোষ্টেলৰ গোটেইখিনি সহযোগিতা আজিও মনত পৰে। জীৱন ছাৰে কলেকচন ভাল হ'লে লখিমী ছোৱালী নাম দিছিল। মইয়ো তাৰ অংশীদাৰ হ'বলৈ পাইছিলো। সোণাৰিৰ সোণালী ইতিহাস চিৰসেউজ হৈ ৰ'ব। মাত্ৰ এচুকত বুজাব নোৱাৰা দুখৰ

বন্যা। কান্ধত কান্ধ মিলাই সোণাৰিলৈ ঢাপলি মেলা ভাইটি নিপন কালৰ বুকুত নিখোজ হ'ল। সেইবোৰ বৰ বুজাব নোৱাৰা দুখৰ ইতিহাস। সময়ত কোনোবা ৰজা হ'ল, কোনোবা প্ৰজা হ'ল। আমি বোৰ ধূলিকণা হৈ ৰ'লো। প্ৰবল ইচ্ছা শক্তি থাকিলেও মনৰ কথা মনতে ৰ'ব। দোষী নিৰ্দোষী কোনে বিচাৰ কৰিব। কালৰ পৰিক্ৰমাত মাথোঁ আগুৱাই গৈ আছোঁ উভতি নোচোৱাকৈ। হয়তোবা সাহস হেৰাই যায় বুলিয়ে ছাগে। চকুপানীবোৰ কাহানিবাই গোটমাৰি বৰফ হ'ল। হৃদয় বোৰ নিষ্ঠুৰ হ'ল। ঘৰখনৰ দেউতা আৰু ডাঙৰ ভাইটো একে লগেই নিখোজ হোৱাতো কিমান মৰ্মান্তিক হ'ব পাৰে ভাবিব নোৱাৰি। ইমান জটিল বাস্তৱ কিমান অসহসনীয়, ভুক্ত ভোগীৰ বাদে কোনোয়ে উপলব্ধি কৰিব নোৱাৰিব। কোন জনমৰ যে ধৰোৱা। বহু কথাই লিখিলো। হেঁপাহৰ কলেজখনৰ সোণালী জয়ন্তী লৈ নিশ্চয়কৈ যাম, হেৰুৱা মৰম, স্নেহবোৰ অকণমান হ'লেও বিচাৰি পাম। কৃতজ্ঞতাৰে মৰম অকণ সিঁচিবলৈও পাম। হয়তুবা জীৱনৰ চৰম শান্তি কণ তাতেই বিছাৰি পাম।

জয়তু সোণাৰি মহাবিদ্যালয়।

ঃঃঃঃ



# ছাঁ স্মৃতিৰ অনুৰণন্

বিনোদ ৰাজখনিকৰ
প্ৰাক্তন ছাত্ৰ - ১৯৮৭-৯০

বিয়াৰ ৰভাঘৰৰ এচুকত অকলশৰে বহি থকা প্ৰীতমে মূৰ তুলি চাই দেখিলে — নিয়মীয়া উচ্চতাৰ, অলপ গোড়া বৰ্ণৰ, ব'হাগ মাহৰ শেষৰ গৰমে ঘমাই তোলা মুখমণ্ডলত, ফেনৰ বতাহে উৰুৱাই নিয়া দুই-এডাল চুটি চুলিৰে, আকাশ নীলা শাৰী পৰিহিত আৰু দুই ওঁঠত এনভলপ্‌ত ডাক টিকটৰ দৰে ফিক্স কৰি ৰখা হাঁহিটোৰে শাৰীৰ ইটো মূৰৰ পৰা অভ্যাগত সকলক গৰমত সকাহ দিবলৈ ট্ৰে এখনত দুই হাতেৰে দুই মূৰে ধৰি প্ৰত্যেকৰ সন্মুখত তুলি ধৰিছে। হাত দুখন বন্দী হৈ থকাৰ বাবে অবাধ্য চুলি কেইডালক সৈমান কৰিব পৰা নাই। প্ৰীতম সন্মুখলৈ আহিলত শেষৰ গিলাচ চৰবত আগবঢ়াই তেতিয়া নিয়ন্ত্ৰিত কণ্ঠৰে ক'লে 'চৰবত এগিলাচ লওঁক।'

চৰবত গিলাচ ল'বলৈ হাতখন মেলোতেই, যুৱতীয়ে পুনৰ উচ্ছাসভৰা কণ্ঠৰে প্ৰায় চিঞৰি উঠিল — 'আৰে, প্ৰীতমদা তুমি! চৰবত বিলাই ফুৰা ছোৱালীজনী যে দুটা বেট্‌চৰ পিছত পঢ়া ছায়া হ'ব পাৰে ধাৰণাই কৰা নাছিল। খকামকাকৈ কপাঁ মাতেৰে, সেপঢুকি কোনোমতে ক'লে —

'তুমি! তুমি ছাঁয়া নোহোৱা জানো?

'অ হয় আক'।' এইবুলি খালি হৈ থকা প্ৰীতমৰ সন্মুখৰ চকীখনতে, খালী হোৱা ট্ৰেখন থিয়কৈ মাটিত গুজি বহি পৰিল। বহুত সময়ৰ পৰা আমনি কৰি থকা অবাধ্য চুলি কেইডাল পাজিসেৰীয়া আঙুলিৰে সংযত কৰিলে।

'এতিয়া কোৱা! কলেজ এৰাৰ পিছত ক'ত কেতিয়া কেনেকৈ বিখ্যাত হৈ আছাগৈ? বহুদিন মানে কেইবা বছৰ হ'ল একেবাৰে দেখা নাই, কি কৰি আছা? পঢ়া আৰু আগলৈ নিলানে? AK-47 ৰ নলীৰ পৰা ধাৰাসাৰে ওলাই অহা গুলি দৰে প্ৰশ্নবোৰ প্ৰীতমলৈ টোৱাই এৰি দিলে।

'আছো আৰু ভালেৰে, বেকাৰ জীৱনটোক সন্মুখত লৈ' — প্ৰীতমৰ চমু উত্তৰ।

'বাৰু তুমি বহা। মই কামখিনি শেষ কৰি আহি তোমাৰ সকলো খবৰ লম বাৰু! তোমাৰ কেঁকুৰি সিপাৰৰ মুক্তিক লগ পালাগৈ নে?' এইবুলি খালী হোৱা গিলাচটো ট্ৰেখনত লৈ এজাক ধুমুহা নে পছোৱাৰ দৰে আঁতৰি গ'ল।

'ধুমুহায়েই হ'ব লাগিব — প্ৰীতমে ভাবিলে।' ব'হাগৰ শেষত পছোৱাতো ন'বলে। কিন্তু প্ৰীতমৰ মনৰ জগতত অলেখ চিন্তাৰ পছোৱা বোৱাই থৈ গ'ল।

হয়। এইজনী ছায়াক প্ৰায়ে গাৰ্লচ হোষ্টেলৰ কাষতে লাগি থকা তেনেই চালুকীয়া বিজ্ঞানৰ লেব'টৰীটোত প্ৰেক্টিকেল কৰিবলৈ যাওঁতে দেখা-দেখি হোৱা বা সামান্য হাঁহিৰে সম্ভাষণ জনোৱাৰ বাদে এবাৰো কথা হোৱা নাছিল। বাণী বাইদেউৰ মহাবিদ্যালয়ৰ লাইব্ৰেৰীলৈ প্ৰায়ে আবেলি যোৱা হয়। এইখিনি

সময়ত ছাত্ৰ-ছাত্ৰীৰ ভিৰ নথকাৰ বাবে তেওঁ শিক্ষক জিৰণী কোঠালৈ গুচি আহে নতুবা সুৰেশ চন্দ্ৰ দাস ছাৰৰ ক্লাচ শেষ হ'লে দুয়ো বগা ৰঙৰ ফিয়েটখনত ঘৰলৈ গুচি আহে। সেই সময়ছোৱা পুথিভঁৰালটোৰ ৰখীয়া হৈ ফণী দত্তই মুখত তামোল এখন ভৰাই অকলশৰে বহি থাকে। প্ৰীতমে প্ৰায়ে, তামোল এখন তেওঁৰ পৰা কৌশলৰে উলিয়াবৰ বাবে, কিতাপৰ আলমিৰাৰ কোনেও নপঢ়া আৰু চুই নুচুৱা 'নিমিলা অংক' নামৰ বেঁটুপাত নথকা নাটকখন পঢ়িবলৈ উলিয়াই লয়। নিমিলা অংক মিলোৱাতকৈ কিতাপতে চকু ৰাখি গহীনভাৱেৰে — 'ফণীকাই তামোল এখন দিয়া' বুলি ফন্দি কৰে।

'এহ! ডেকা ল'ৰাই কিনো বুঢ়া মানুহৰ তামোল খাবা' বুলি কৈ লাহেকৈ ঘৰৰ পৰা বান্ধি অনা টোপোলাটো খোলে। তামোল মুখত ভৰোৱা অলপ দেৰিৰ পিছতে — 'ফণীকাই মই যাওঁ দেই। কিতাপখন আগৰ ঠাইত থৈ দিছো — আকৌ আহিম পঢ়িবলৈ।' এনেদৰে ফনীকাইৰ তামোলৰ মোহত লাইব্ৰেৰীলৈ অহা-যোৱা কৰোতে লেব'ৰেটীৰ বাটত লগ পোৱা আৰু পিছৰ বছৰ বোৰত দুই-এষাৰ কথা বতৰা। অৱশ্যে 'নিমিলা অংক' কেতিয়াও শেষ নহ'ল বা নিমিলিল।

এই ছায়াই আক' প্ৰীতমক প্ৰথমতে নগা ল'ৰা বুলিয়েই ভাবিছিল। 'ভাবিবই, কিয়নো নাভাবিব।' এদিন কলেজৰ গেটৰ ভিতৰলৈ কন্যাক নগা বুঢ়া লোক এজন পৰম্পৰাগত পোছাকত হোৱা এটা লৈ নগা দাখন পিছফালে ওলোমাই, হোৱাটোৰ পেটিডাল মূৰত বিশেষ কৌশলৰে লগাই লৈ এখোজ দুখোজ কৈ সন্ধানী দৃষ্টিৰে সন্মুখলৈ চাই কলেজৰ ভিতৰলৈ আহি আছিল। প্ৰীতম, ৰাজীৱ, অচ্যুত, ডিম্ব কোঁৱৰ, খগেন হঁত ক্লাচ ৰূমৰ পৰা ওলাই গেটলৈ যাওঁতে বাটতে ছায়া আৰু তাই লগৰ দুজনীক অতিক্ৰমী নগালোকজনৰ মুখামুখি হ'ল। প্ৰীতমে প্ৰথমে মাত লগালে — 'বাবা ক'ত পৰা যাবি না — কলেজতে কি নিচিনা বেৰাইছে।' বাবাইও উত্তৰ দিলে — 'আইচ্! চুক্ৰা-চুক্ৰীখানক নিমিত্তে বেৰাই কেনি আছে দেখিছেতু'। প্ৰীতমে আকৌ কলে — বাবা তাইখান ইয়াতে পঢ়িব নিমিত্তে বেৰাইছে দেই বাবা, ভাল্‌কিনে দেখিবি। তুমালাগা চুক্ৰাটো ভি ইয়াতে ভেজিবি।'

সম্পূৰ্ণ কথোপকথন ছায়াহঁতে শুনিলে। তাতে আকৌ পথাৰত হাল বাই প্ৰীতমৰ গাৰ ৰং তাম বৰণীয়া আৰু মুখ চুলি কোনো মংগোলীয় জনগোষ্ঠীৰ দৰে। সেয়ে বহুত দিনৰ লৈকে নগা বুলি ভয়তে এৰাই চলিছিল।

গেটৰ সন্মুখতে চকীদাৰ কমল দত্তক লগ পালে। ক'ৰবাৰ পৰা চাইকেলেৰে খৰধৰকৈ আহিছে। বোধকৰো বেল বজাবৰ সময় হৈছে! কমল দত্তক দেখিলে তুলসী গগৈ চাৰলৈ মনত পৰে। তুলসী গগৈ চাৰৰ মেজৰ ক্লাচ সমূহ বিশেষকৈ পিছবেলা ভাগত হয়গৈ। মেজৰ ক্লাচত এবাৰ সোমালে সম্পূৰ্ণ দুটা ক্লাচৰ সময়তকৈ অধিক সময় বৰ মনোগ্ৰাহীকৈ ৰাজনীতি বুজায়। অন্যহাতে কমল দত্তই দৰ্জা-খিৰিকী বন্ধ কৰি ঘৰলৈ যাব লাগে — কিন্তু ছাৰে ক্লাচৰ পৰা ওলোৱা নামেই নলয়। কমল দত্তই মাজে মাজে খৰকৈ খোজ কাঢ়ি, কাঁহমাৰি ছাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰে। নাই, চাৰৰ ক্লাচ এৰাৰ উমঘাম নাই। আন্তৰ্জাতিক আইন বুজাবলৈ পালে তেওঁ বাহিৰৰ জগতখন পাহৰি যায়। ফলস্বৰূপে কমল দত্তৰ দেৰী হয়। খং আক' প্ৰীতম হঁতৰ ওপৰত। এদিন প্ৰীতমহঁতক আগুচি লৈ কমল কাইয়ে ক'লে — 'অই তহঁতি গগৈ চাৰৰ ক্লাচবোৰ সোনকালে কৰি আজৰি হৈ ল'বি। পিছবেলা মোক দিগ্‌দাৰ দি নাথাকিবি।' এইয়াই কমল কাই আৰু তুলসী গগৈ চাৰৰ কোনোৱে নজনাকৈ হোৱা সংঘাত।



প্ৰীতমৰ পাৰ্ছ-ৰ্কচ বুৰঞ্জী। বুৰঞ্জীৰ মানিক গগৈ ছাৰ আৰু সাংঘাতিক। অসম বুৰঞ্জী আৰু ইউৰোপ বুৰঞ্জী পঢ়ায়। কথা বিলাক যেন ওঠৰ আগতে থাকে। তেওঁ প্ৰায়ে থিয়হৈ বা টেবুলখনত ভেজাদি ক্লাচবোৰ কৰে। কেতিয়াবা চকু দুটি জপাই টেবুলখনত হাতৰ আঙুলিৰে খট-খটালেই বুজিব লাগিব বৰ দৰকাৰী বিষয় মনোযোগেৰে কৈছে। নেপোলিয়নৰ সেই বিখ্যাত উক্তি 'ABLE WAS I ERE I SAW ELBA' (যিটো উক্তি দুয়ো ফালৰ একেধৰণেৰে পঢ়িব পাৰি) আওঁৰাতে তেওঁৰ মুখৰ অভিব্যক্তিয়েই সলনি হৈ যায়। বৰ সুন্দৰ ক্লাচ। গিৰিণ গগৈ ছাৰ অলপ সুকীয়া। পিন্ধনত অত্যন্ত পৰিপাটি। মেপ নোলোৱাকৈ কোনো ক্লাচ নকৰে। গলগলীয়া গম্ভীৰ মাতেৰে সুন্দৰকৈ ক্লাচ শেষ কৰে। ৰূমটো এৰাৰ সময়ত কৈ যায় — 'মেপখন কমন ৰূমত থৈ আহিবা।'

প্ৰীতমহঁতৰ গ্ৰুপটোৰ ইক'নমিকছ আৰু এডুক্যেচন নাছিল। ইক'নমিকছৰ বিমলা ফুকন ছাৰৰ আপোনভোলা হাঁহি আৰু হালধীয়া ৰঙৰ ৰাজদূত মটৰ চাইকেলখনৰ স্মৃতিয়ে এতিয়াও মনত দোলা দি যায়। জীৱেন্দ্ৰ কুমাৰ শইকীয়া ছাৰৰ চচ্‌মা পিন্ধাৰ ষ্টাইলেই বেলেগ। সমান্তৰালভাৱে ইংৰাজীতে ক্লাচবোৰ লয় বুলি শুনা পোৱা যায়। অৰ্পণ কুমাৰ বৰুৱা ছাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বৰ প্ৰিয়। ডেকা মনৰ চিন্তা সকলোৰে লগত মিলিব পাৰে। দিলীপ ৰঞ্জন বৰুৱা ছাৰ আক' এই মহাবিদ্যালয়তে পঢ়া। তেওঁ যোগদান কৰোতে প্ৰীতমহঁত কলেজৰ পৰা ওলাই যোৱাৰ প্ৰস্তুতি আৰম্ভ হৈ গৈছিল।

এডুক্যেচনৰ ৰানু মহন বাইদেউ পৰীক্ষা হ'লত বৰ কাঢ়া। লৰচৰ কৰিব নিদিয়ে। কমলাৱতী দাস বাইদেউ একেবাৰে মাটিৰ মানুহ। মানিক বৰুৱা ছাৰ অলপ খঙাল যেন অনুভৱ হয়। নেপালী টুপী এটা প্ৰায়ে পিন্ধে। ৰাজীৱ কটকী ছাৰ একেবাৰে ডেকা। যোগদান কৰিছেহিহে মাথোন। এইবোৰ খবৰ মনিকা, শ্যামলীমা, অৰুন্ধতী, মায়া, কল্পনা, মণ্টু, বিমল, প্ৰতীমাহঁতে কঢ়িয়াই অনা খবৰ।

বি এ ৰ প্ৰথম দুটা বছৰ প্ৰীতমহঁতৰ গ্ৰুপটোৱে ইংৰাজীৰ ক্লাচ বৰকৈ কৰা নাছিল। ইংৰাজীৰ সীমালৈ ভয়। তাতে আক' কংকনা বাইদেউৰ বন্দুক গুলিৰ দৰে ওলাই অহা ইংৰাজীবোৰ। On The Threshold ভালকৈ বুজাই নহ'ল। ক্লাচৰ বাহিৰত বাইদেউ বৰ মৰমীয়াল বুলি জিতেন, দুলাল, ললিত, প্ৰণৱ, ভানু, তনুহঁতৰ পৰা প্ৰীতম হঁতে জানিব পাৰিছিল। নীলা বাইদেউৱে ইংৰাজী পঢ়ালেও বৰ নিমাখিত যেন লাগে। ৰবীন কোঁৱৰ ছাৰৰ কথাই সুকীয়া। পিছলৈ প্ৰামা আৰু গ্ৰামাৰ ক্লাচবোৰ সহজ সৰলকৈ উপস্থাপন কৰি প্ৰীতমহঁতক ইংৰাজীৰ ক্লাচলৈ আৰ্কষিত কৰিছিল। মাজতে অপূৰ্ব ভূঞা নামৰ চফল ডেকা এজনেও দুদিনমান পঢ়াইছিল। পিছলৈ ক'লৈ গ'ল জানো তেওঁ, ডিগ্ৰীৰ শেষৰ বছৰত ইংৰাজী বিষয়টো প্ৰীতমহঁতৰ গ্ৰুপটোৰ বাবে বৰ মোহনীয় হৈ উঠিছিল। বিশেষকৈ অৰূপ চেতিয়া নামৰ পি, কে, বি, ৰ ইংৰাজী ডেকা ছাৰজনক লগ পোৱাৰ পিছত। তেতিয়া প্ৰীতমহঁতৰ মুখত প্ৰতিমুহূৰ্ততে Whishpering Reads ৰ কবিতা পংক্তি লাগিয়ে থাকিছিল — 'Oh! none unless the miracle do i have might, The black ink still sunshine.'

অসমীয়া বিভাগৰ বিনন্দ মহন ছাৰ বৰ পৰিপাটি আৰু গহীন ৰসাল ব্যক্তি। বিষয় বস্তুৰ ওপৰত গভীৰ জ্ঞান আছিল। তেওঁ বাওঁ পন্থী চিন্তা-চৰ্চা কৰা বুলিও প্ৰীতমহঁতে শুনিছিল। তেওঁ কথনত এনে কিছুমান শব্দ ব্যৱহাৰ কৰিছিল প্ৰায়ে এইবোৰ মূৰৰ ওপৰে উৰি গৈছিল। ৰতিপ্ৰভা গগৈ বাইদেউ বৰ সহজ সৰল আছিল আৰু মেজৰৰ ছাত্ৰ-ছাত্ৰী বিলাকক লৈয়ে ব্যস্ত আছিল। জয়ন্তী গগৈ বাইদেউক কম সময়ৰ

বাবেহে প্ৰীতমহঁতে পালে। তেওঁৰ সাহিত্যৰ ৰস ল'বলৈ সুবিধা নাপালে। এইবিলাক খবৰ দীপালী, অচ্যুৎ, জয়ন্ত, গোলাপ, দীপামনি, ৰজতহঁতৰ পৰা অহা খবৰ।

প্ৰীতমহঁতৰ গ্ৰুপটোৰ আটাইকেইজন ৰাজনীতি বিজ্ঞান মেজৰৰ ছাত্ৰ। গতিকে কেউজন ছাৰকে অতি ওচৰৰ পৰা পাইছে। সুৰেশ চন্দ্ৰ দাস ছাৰে ডেকাৰ দৰে থাকি, নিতৌ নতুন সুগন্ধি ব্যৱহাৰ কৰি ভাল পাইছিল। উপাধ্যক্ষ আৰু বিভাগীয় মুৰব্বী হোৱাৰ বাবে স্নাতক দ্বিতীয় বৰ্ষত "তুলনামুলক চৰকাৰ" নামৰ কাকতখনহে পঢ়াইছিল। সুন্দৰ তুলনামূলক অধ্যয়ন প্ৰণালী। তুলসী গগৈ ছাৰৰ বিষয় বস্তুৰ ওপৰত অগাধ দখল। তেওঁ প্ৰায়ে প্ৰাথমিক স্তৰৰ পৰা বুজাবলৈ আৰম্ভ কৰাৰ বাবে ক্লাছবোৰ দীঘলীয়া হৈছিল। ছাৰে উদ্ধৃতিবোৰ সময়ৰ, বিষয়বস্তুৰ লগত সংগতি ৰাখি পাৰিছিল। 'Coward dies many times before his death' — চক্ৰেটিছ ৰাজনৈতিক দৰ্শন কাকতখনৰ প্ৰায়ে নোট বৰ খৰকৈ দিছিল। ক্লাচ শেষ হোৱাৰ পিছত দীঘল দীঘল খোজ পেলাই খেল পথাৰৰ মাজেদি ঘৰলৈ গৈছিল। প্ৰীতমহঁতৰ গ্ৰুপটো প্ৰায়ে ফিল্ডৰ ঘাঁহনিত, পিন্ধি যোৱা চেন্দেল যোৰ খুলি তাৰ ওপৰত বহি আড্ডা মাৰে। ফুকন ছাৰে ইচ্ছাকৃতভাৱে আমনি আৰু ধেমালী কৰিবলৈ সিহঁতৰ বহাৰ মাজেদি পাৰ হৈ সকলোকে উঠিবলৈ বাধ্য কৰে। গণেশ চন্দ্ৰ বৰুৱা ছাৰ বৰ চিৰিয়াছ। নিৰহ নিপানীকৈ বুজাবলৈ বৰ যত্ন কৰে। ব্যাখ্যা কৰোতে কেতিয়াবা থু উফৰি পৰে। প্ৰীতমহঁতৰ গ্ৰুপটোৱে আব্দাৰ ধৰিলে তেওঁ নপঢ়োৱা কাকতো অতিৰিক্তভাৱে পঢ়াই দিয়ে।

আৰু! প্ৰিঞ্চিপাল গোলাপ বৰগোহাঁই ছাৰ, কি ধাতুৰে যে গঢ়া মানুহজন। একেবাৰে হাৰ নমনা, দৃঢ়, স্থিৰ, স্থিত প্ৰজ্ঞ আৰু আৰ্কষণ কৰিব পৰা ব্যক্তিত্বৰ গৰাকী। তেওঁৰ সেউজীয়া চিএগাহীৰে অনন্য সুন্দৰ, পকোৱা চহীটো প্ৰায়বিলাক ছাত্ৰই তেওঁৰ আৰ্হিত নিজৰ চহী শিকিবলৈ ব্যৰ্থ প্ৰয়াস কৰে। এম্বেচাদৰ গাড়ীখন! ল'ৰা হোষ্টেলৰ প্ৰায়খিনি ল'ৰাই ৰাতি ভাত খোৱাৰ পিছত, কলেজৰ পৰ্হত ৰাখি থোৱা গাড়ীখনৰ ওচৰলৈ খোজ কাঢ়িব, গাড়ীখনত ভেজা দি আড্ডা দিয়া আৰু তেনেতে ৰাতিৰ চকীদাৰ কাঞ্চা আহিলে বেৰিলৈ বিভিন্ন ধেমালি কৰা আৰু হোষ্টেলৰ অনিয়মীয়া ৰান্ধনি মিনেশ্বৰ লাহন সেই সময়ত লগ দিলে ধেমালিৰ কোব আৰু চৰে। 'উঃ কি মনোৰম দিন আছিল।'

ছায়াই চৰবত্ গিলাছ দি থৈ যোৱাৰ পিছত আৰু তাইক অকস্মাতে বিয়াৰ ঘৰত আশা নকৰাকৈ লগ পাই প্ৰীতম বহু অতীতলৈ ঘূৰি গ'ল। কিমান সময় যে তেনেদৰে আত্মবিভোৰ হৈ আছিল গমেই পোৱা নাছিল।

'কি হ'ল প্ৰীতমদা? জুপুকা মাৰি কিনো চিন্তা কৰি আছা? ইয়াতে থাকি যোৱা ল'ৰাটোৱে কি আলহীৰ দৰে আছা? ব'লা, উঠা ভিতৰলৈ যাওঁ। তাতে চাহ খাবা। দৰাকো লগ পাবা আৰু ইমান দিনৰ পাছত লগ পাইছো — কথা পাতিম ব'লা। উঠা-উঠা।'

ছায়া তেনেকুৱাই। কথা ক'বলৈ পালে একে লগে বহুত প্ৰশ্ন কৰি যায়। প্ৰীতম কোনো উত্তৰ নিদি তাইক অনুসৰণ কৰিলে। দৰাঘৰৰ সকলোকে সৌজন্যমূলক মাত এষাৰ দি দুই এষাৰ কথা পতাৰ পিছতে ছায়াই তাহানি তাই পঢ়া কোঠালৈ লৈ গ'ল আৰু চাহ একাপ টেবুলত থৈ প্ৰীতমক বহিবলৈ দি নিজেও চকী এখন টান মাৰিলৈ বহি ললে। 'এতিয়া কোৱা তোমাৰ খবৰ।'

"খবৰনো কি কম! বি, এ পাছ কৰাৰ পিছত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এম এ কৰিলো — ৰাজনীতি বিজ্ঞানত আৰু এতিয়া বেকাৰ। তুমি কি কৰি আছা?



'সোণাৰি এৰাৰ পিছত বিজ্ঞান এৰি কলালৈ আহিলো আৰু এতিয়া ৰাজনীতি বিজ্ঞানতে মেজৰৰ ফাইনেল ইয়েৰত।' শাৰীৰ আগ এটা বাওঁহাত আঙুলিত পকাই পকাই ছায়াই কলে।

'বাহ! ভালেই হ'ল দিয়া।' প্ৰীতমে উচ্ছ্বাসে ক'লে। 'বাৰু তোমাৰ মনত পৰেনে সোণাৰি কলেজৰ এৰি যোৱা দিনবোৰলৈ। মনত আছেনে লগৰবোৰক?

'নাথাকিবনে? সেই সোণসেৰীয়া দিনবোৰ।' ছায়াই অৰ্নগল কৈ গ'ল। এনেয়ে কথা ক'বলৈ পালে তাইক একো নালাগে। তাতে আকৌ কলেজৰ হোষ্টেলৰ দিনবোৰৰ। 'জানা — হোষ্টেল চুপাৰ ৰানু বাইদেউ বৰ কাঢ়া আছিল। আগষ্ট মাহত হোষ্টেলত থাকিবলৈ গ'লো। অত্যন্ত গৰম। আমি জুনিয়ৰ সকলোৱে মেখেলা চাদৰ পিন্ধি থাকিব লাগে। ভালদৰে চম্ভালিবও নোৱাৰো। গৰমত ঘামি জামি অৱস্থা নাইকীয়া হৈ যায়। চিনাকী হোৱাৰ নামত ধেমেলীয়া ৰেগিংবোৰ আৰু সন্ধিয়া প্ৰাৰ্থনা সভাৰ সন্মুখৰ শাৰীত চিঞৰি চিঞৰি প্ৰাৰ্থনা গোৱা — আদি খুউব ভালদৰে মনত আছে।' ছোৱালী আবাসিকৰ সংখ্যাত কম। হিৰণ্য, ৰুক্মিনী, নীলিমা, যোগমায়া, মিনু, কবিতা, নলিনী আদিৰ নাম আৰু ছোৱালী মনত থাকিলেও প্ৰায় বিলাকৰ নাম মনত আছে চেহেৰা হেৰাই গৈছে নতুবা চেহেৰা মনত আছে নাম বিলাক মনলৈ আনিব পৰা নাই, তেনেকুৱা হৈছে।

হায়াৰ চেকেণ্ডেৰী বিজ্ঞান শাখাত ল'ৰা-ছোৱালীৰ সংখ্যাত বৰ কম আছিল। ৰাণা কোঁৱৰ ছাৰে কেমেষ্ট্ৰি, পল্টু পাল ছাৰে প্ৰাণী বিজ্ঞান, ৰীনা বৰঠাকুৰ বাইদেউৱে — পদাৰ্থ বিজ্ঞান, ৰঞ্জিত বুঢ়াগোহাঁই ছাৰে আৰু বুধিন গগৈ ছাৰে উদ্ভিদ বিজ্ঞান আৰু টংকেশ্বৰ বৰুৱা ছাৰে অংক পঢ়োৱাইছিল। পুনিৰাম কোঁৱৰ বোলা এগৰাকী আছিল। তেওঁক আমি লগ নাপালো। ছাৰ সকলে বৰ যত্ন লৈছিল। তাতে বিজ্ঞান শাখাটো নতুনকৈ আৰম্ভ কৰিছিলহে। বিজ্ঞান শাখাৰ আটাইকেউজন ছাৰ ডেকা-উদ্যমী আৰু প্ৰাণৱন্ত। প্ৰিঞ্চিপাল গোলাপ বৰগোহাঁই ছাৰে বৰ সাহসেৰে বিজ্ঞান শাখা আৰম্ভ কৰিছিল। এই ডেকা শিক্ষক কেইজনৰ বাবেই বোধকৰো প্ৰিঞ্চিপাল ছাৰো সাহসী হৈ পৰিছিল। লগৰ সকলোৰে নাম মনত নপৰিলেও কিন্তু হোষ্টেলৰ জলফাই, লিচু আৰু বগৰীৰ সোৱাদ জিভাত এতিয়াও লাগি আছে।'

'অই - তহঁত দুটাই কি কথা পাতি আছ হা' — ছায়াৰ পৰিয়ালৰ ককায়েক এটা কিবা বিচাৰি কোঠালৈ সোমাই আহিল। নহ'লে কলেজীয়া জীৱনৰ স্মৃতিবোৰ আৰু আগবাঢ়িলহেঁতেন।

'এতিয়া কথা চোবোৱা বাদ দে। সোনকালে সূত্ৰ এটা নিৰ্দ্ধাৰণ কৰি ল আৰু অংকবোৰ শুদ্ধকৈ পাতিবি, উপযুক্ত সূত্ৰ প্ৰয়োগ হ'লে উত্তৰ শুদ্ধ হ'বই। তেতিয়া কিমান অতীত ৰোমন্থন কৰ কৰিবি।'

'যদি উত্তৰ শূণ্য হয়।' ছায়াই ককায়েকৰ মুখতে ধৰি কলে। 'তেতিয়া কি শূন্য জিন্দাবাদ দিম?'

'নহয় অ' — আশা! জিন্দাবাদ।' আশা জিন্দাবাদ।' প্ৰীতমে অজানিতে কৈ পেলালে। ভেবা লাগি চাই থকা ককায়েকলৈ চাই ক'লে — 'হ'ব তেন্তে — জয় আই অসম।'

ঃঃঃ

# স্মৃতিৰ মণিকোঠাত সোণাৰি মহাবিদ্যালয়

ৰূপালী গগৈ
প্ৰাক্তন ছাত্ৰী

ইতিহাসে গৰকা অসমৰ চৰাইদেউ জিলা তথা চৰাইদেউ মহকুমাৰ সদৰ সোণাৰি হৈছে এখন সৰু নগৰ। চাৰিওফালে সেইজীয়া চাহবাগিছাৰে আবৃত সোণাৰি নগৰৰ মাজ-মজিয়াতে অৱস্থিত চৰাইদেউ জিলাৰ এক অন্যতম উচ্চ শিক্ষাৰ অনুষ্ঠানটিয়েই হ'ল সোণাৰি মহাবিদ্যালয়।

১৯৬৯ চন মানতে হেনো ভজো সোণাৰিৰ কেইজনমান দগ্‌মগীয়া উদ্যমী ডেকাল'ৰাই এডৰা মাটি চহাইছিল এটি জ্ঞান বৃক্ষৰ পুলি ৰোপণৰ উদ্দেশ্যে। অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি তেওঁলোকৰ লগতে আৰু বহুতৰ সহযোগত ৰোপণ কৰা সেই জ্ঞানবৃক্ষৰ পুলিটিয়ে আজি বটবৃক্ষৰ ৰূপ লৈ চৌদিশে জ্ঞানৰ পোহৰ বিলাবলৈ সক্ষম হৈছে। ইয়াৰ আগলৈকে বৰ্তমানৰ চৰাইদেউ জিলাৰ ইমুৰৰ পৰা সিমুৰলৈ এক বিস্তৃত এলেকাৰ ছাত্ৰ-ছাত্ৰীসকলে উচ্চ শিক্ষা ল'বলৈ গড়গাঁও, শিৱসাগৰলৈ বা কিছুমান আৰ্থিকভাৱে সামৰ্থৱান ছাত্ৰ-ছাত্ৰীয়ে তাতোকৈও দূৰৈৰ শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণ কৰিছিল।

যিহেতু গ্ৰাম্যাঞ্চলৰ আৰু সৰ্বসাধাৰণ পৰিয়ালৰ মেধাবী ছাত্ৰ-ছাত্ৰীসকলে ইচ্ছা থাকিলেও আৰ্থিক দুৰ্বলতা আৰু আন ঘৰুৱা সমস্যাদিৰ বাবে দূৰৈত গৈ পঢ়িবলৈ অসমৰ্থ হৈছিল। গতিকে তেনে সময়তে সোণাৰি মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱাত চৰাইদেউৰ বৃহৎ অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলে নৱ প্ৰতিষ্ঠিত মহাবিদ্যালয়খনিলৈ ঢাপলি মেলিলে। অৱশ্যে তেতিয়া অৱশ্যে চৰাইদেউ নামেৰে কোনো মহকুমা বা জিলা নাছিল। শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট নামৰ তিনিটা মহকুমা সন্নিবিষ্ট বৃহত্তৰ শিৱসাগৰ জিলাখন আছিল। সোণাৰি মহাবিদ্যালয়খন প্ৰতিষ্ঠা হোৱাৰ লগে লগে সোণাৰি, ভজো, বৰহাট, সাপেখাটী, লংপতীয়া, মিৰিপথাৰ, কাকতিবাৰী, ডিপ্লিং, মাহমৰা, দিচাংপানী, লাকুৱা, মথুৰাপুৰ, নিমনাগড়, কানুবাৰী আদি এই বৃহৎ অঞ্চলটোৰ জ্ঞানপিপাসু ছাত্ৰ-ছাত্ৰীসকলে যেন হাততে সৰগ দেখা পালে। এনে এটা মহৎ উদ্দেশ্যৰ সফলতাত উদ্যমী ব্যক্তিসকলৰ লগতে সোণাৰিবাসী অন্তত্য সুখী হৈছিল।

১৯৮৮ বৰ্ষত মইও সোনাৰি মহাবিদ্যালয়ৰ স্নাতক শ্ৰেণীৰ কলাশাখাত নামভৰ্তি কৰিছিলো। সেইসময়ত তেনেই চালুকীয়া অৱস্থাত থকা আমাৰ মহাবিদ্যালয়খনিয়ে আজি পূৰ্ণাঙ্গ ৰূপ পাই ৫০ বছৰীয়া সোণালী জয়ন্তী বৰ্ষও অতিক্ৰম কৰিলে। ভজোৰ পৰা ৫ কিলোমিটাৰ নিলগত থকা মহাবিদ্যালয়লৈ যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে চাইকেল চলাইয়ে অহা-যোৱা কৰিছিলো। আজি মই অধ্যয়নকালত আমাক জ্ঞানৰ জ্যোতি বিলোৱা অতি শ্ৰদ্ধাৰ গুৰুবৃন্দ আৰু মনত থকা মৰমৰ বন্ধুবান্ধৱীসকলৰ কথা লেখিবলৈ লৈছো।

তিনিবছৰীয়া পাঠ্যক্ৰমত মই অসমীয়া, ইংৰাজী ফাউণ্ডেচন আদি বাধ্যতামূলক বিষয়কেইটাৰ উপৰিও ৰাজনীতি বিজ্ঞানক মেজৰ বিষয় আৰু বুৰঞ্জী বিষয়টোক পাচকৰ্চ হিচাপে বাচি লৈছিলো। সেইসময়ত মাননীয় শ্ৰীযুত গোলাপ বৰগোঁহাই অধ্যক্ষ আৰু প্ৰয়াত সুৰেশ দাস চাৰে উপাধ্যক্ষৰ আসন অলংকৃত কৰিছিল। তেতিয়া



মাননীয় ৰবীন কোঁৱৰ ছাৰ, নীলা বৰুৱা বাইদেউ, কংকনা নাথ বাইদেউ ইংৰাজী বিভাগৰ সন্মানীয় প্ৰয়াত বিনন্দ মহন্ত ছাৰ, প্ৰয়াত কমলাৱতী শইকয়া বাইদেউ, শ্ৰীযুতা সোণমাই বৰা বাইদেউ, আৰু শ্ৰীযুতা ৰতিপ্ৰভা গগৈ বাইদেউ অসমীয়া বিভাগৰ শ্ৰীযুত মানিক গগৈ ছাৰ আৰু শ্ৰীযুত গিৰিণ গগৈ ছাৰ বুৰঞ্জী বিষয়ৰ আৰু মেজৰ বিষয় ৰাজনীতি বিজ্ঞানৰ শ্ৰেণীসমূহ লৈছিল ক্ৰমে প্ৰয়াত অতি শ্ৰদ্ধাৰ শিক্ষাগুৰু তুলসী গগৈ ছাৰ, প্ৰয়াত সুৰেশ দাস ছাৰ, প্ৰয়াত শৈলেন ফুকন ছাৰ আৰু গণেশ বৰুৱা ছাৰে। ইয়াৰোপৰি প্ৰয়াত জয়ন্তী গগৈ বাইদেউ, ৰাণু মহন্ত বাইদেউ, বীণা বৰঠাকুৰ বাইদেউ, ৰাণী বাইদেউ, জীৱন শইকীয়া ছাৰ, বিমলা ফুকন ছাৰ, দিলীপ ৰঞ্জন বৰুৱা ছাৰ, পল্টু পাল ছাৰ, অৰ্পণ বৰুৱা ছাৰ, অপূৰ্ব শইকীয়া ছাৰ, মিণ্টু গগৈ ছাৰ এই সকলো মহান গুৰুলৈ মই এই আপাহতে অন্তৰৰ পৰা প্ৰণিপাত জনাইছো। কিয়নো তেখেতসকলে মহাবিদ্যালয়খনিৰ সৰ্বাঙ্গীন বিকাশ তথা উত্তৰোত্তৰ উন্নতিৰ হকে অহোপুৰুষাৰ্থ কৰিছিল। প্ৰয়াত আটাইকেইগৰাকী মহান গুৰুলৈ শ্ৰদ্ধাঞ্জলি জনাইছো লগতে সেই সময়ৰ আমাৰ প্ৰত্যেকৰে লগত সহমৰ্মিতা প্ৰকাশ কৰা অতি ঘৰুৱা আপোন যেন লগা কমল দা আৰু মিনেশ্বৰ কাইক কেতিয়াও পাহৰিব নোৱাৰো। তেওঁলোক দুয়োজন প্ৰত্যেকৰে অন্তৰঙ্গ বন্ধুৰ দৰে আছিল। এই সকলোৰে ভিতৰত কিন্তু সুৰেশ দাস ছাৰ অতি পৰিপাটী আৰু চৌখিন আছিল। মনত পৰে শ্ৰদ্ধাৰ ৰবীন কোঁৱৰ ছাৰ আৰু তুলসী ছাৰে ইমান ঘৰুৱা আৰু আপোনভোলা হৈ শ্ৰেণী লৈছিল যে তেখেত সকলে সময় পাৰ হৈ যোৱাৰ পিছতো শ্ৰেণী এৰিবলৈকে পাহৰি গৈছিল। গগৈ ছাৰে যে এটা ঘণ্টা বজাৰ পিছত ২ য় ঘণ্টাৰ বেলো বাজি যোৱাৰ পিছতহে হাঁহি হাঁহি ভাগৰ নলগাকৈ ওলাই গৈছিল। এসময়ৰ এনে ৰসাল মধুৰতম ক্ষণবোৰ পিছত সুঁৱৰি খুব ভাল লাগে। এইখিনিতে আমিবোৰে মহাবিদ্যালয় এৰাৰ পিছৰ পৰা বৰ্তমানলৈকে কৰ্মৰত আৰু অশেষ ত্যাগ স্বীকাৰ কৰি মহাবিদ্যালয়খনিক আজিৰ পৰ্যায়লৈকে লৈ আনিলে সেইসকলৰ মই সকলোকে নাজানো যদিও তেখেতসকলৈও মোৰ শুভ কামনা থাকিল। তেখেতসকল হৈছে বৰ্তমানৰ অধ্যক্ষ মহোদয় ড° বিমল চন্দ্ৰ গগৈ, ড° ৰীতা দত্ত বাদেউ, গীতাঞ্জলি বাইদেউ, ড° ৰঘুনাথ কাগয়ুং, নিজুমণি চাংমাই আদি। অৱশ্যে শেষৰ তিনি গৰাকীৰ লগতহে মোৰ বাৰ্তালাপ হৈছে। ইংৰাজী বিষয়ক প্ৰবক্তা গীতাঞ্জলি বাইদেউ খুব স্ফূৰ্তিবাজ। ৰঘুনাথ ছাৰৰ কবিতা, পাঠ, বক্তব্য বা কথা কোৱাৰ কৌশল অতি সুন্দৰ। ঠিক তেনেদৰে নিজুমণি চাংমাই বাইদেউৰ কণ্ঠত যেন কিবা মোহিনী শক্তি আছে, ইমান মিঠা মাত শুনি থাকিবৰ মন যায়। আৰু ইংৰাজী বিভাগৰ সুনীল দত্ত ছাৰো মোৰ বাবে শ্ৰদ্ধাস্পদ ব্যক্তি।

সোণাৰি মহাবিদ্যালয়ক লৈ মই অতিকৈ গৰ্ববোধ কৰাৰ কাৰণটো হৈছে মহাবিদ্যালয়খনি প্ৰতিষ্ঠা কৰিবলৈ প্ৰথম প্ৰচেষ্টা চলোৱা ব্যক্তি কেইগৰাকীয়েই হ'ল মোৰ দেউতা প্ৰয়াত ৰবীন গগৈ, মোৰ ডাঙৰ নিচাদেউ শ্ৰীযুত ডিম্বেশ্বৰ গগৈ, প্ৰয়াত আব্দুল হান্নান আৰু প্ৰয়াত বাণেশ্বৰ দত্ত। অতি উদ্যমী, সাহসী এই ব্যক্তি কেইগৰাকীয়ে সোণাৰি মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ চিন্তাটোক প্ৰত্যাহ্বান হিচাপে লৈছিল আৰু পিছলৈ আন বহুতো সমাজপ্ৰিয় আৰু হৃদয়বান ব্যক্তিয়ে সহায়-সহযোগিতা কৰিছিল। এইসকল আমাৰ সকলোৰে বাবে চিৰনমস্য। ঠিক একেদৰে মোৰ দেউতা আৰু নিচাদেউৰে আৰু কেইবাজনো ব্যক্তি লগ লাগি বৰ্তমান মই কৰ্মৰত বিদ্যালয়খনো প্ৰতিষ্ঠা কৰি গ'ল। তেখেতসকললৈ মোৰ শতকোটি প্ৰণাম জনাইছো। গতিকে মই মোৰ স্কুলখনত সময় দিব লগা হোৱাত কলেজত বেছি সময় থাকিব নোৱাৰিছিলো। প্ৰায়েই মই দিনটোত স্কুলৰ পৰা কলেজলৈ, আকৌ কলেজৰ পৰা স্কুললৈ আহোঁ চাইকেল মাৰি মাৰি। গতিকে এনে ব্যস্ততাৰ বাবে মই বন্ধু-বান্ধৱীসকলৰ লগত বেছি সময় অতিবাহিত কৰিব পৰা নাছিলো। তাৰ মাজতো সুৰুঙা বুজি বন্ধু-বান্ধৱীসকলৰ লগত ফিল্ডত বহিছিলোগৈ।

মাজে-মাজে ওলাই গৈ অসম হোটেলত এটকীয়া চিঙৰা খাইছিলোগৈ। কিন্তু দুখৰ বিষয় বহুতেই ষ্টুডিঅলৈ গৈ ফটো তুলিছিলেগৈ যদিও মইহে এদিনো ফটো তুলিবলৈ যোৱা নহল। যাৰ বাবে স্মৃতি বুলিবলৈ মানসপটত বহি ৰোৱা সাঁচবোৰহে থাকিলগৈ। মোৰ সেই অন্তৰক বন্ধু-বান্ধৱীবোৰ আছিল তপন (বৰ্তমানৰ সাংসদ) ভূপেন, অমল, বিজয়, তিলক, নীলিমা, তিলো, মঞ্জু ডাৰিগ, মঞ্জু বৰগোহাঁই, প্ৰভা, জোনমণি, মামনি, অৰ্পণা, কুসুম, অৰুণা, জ্যোতি, বিজয়, প্ৰকাশ, প্ৰফুল্ল, চন্দন আৰু বহুতৰে নামবোৰ পাহৰি গৈছো। কিন্তু কলেজ এৰাৰ পাছত এই বন্ধু-বান্ধৱীবোৰৰ লগত যোগাযোগ সম্পূৰ্ণৰূপে বিচ্ছিন্ন হৈ গৈছিল। কিয়নো সেই সময়ত আজিকালিৰ দৰে কাৰো হাতে-হাতে বা আনকি ঘৰে-ঘৰেও মোবাইল ফোন নাছিল। নগৰত বা চাৰিআলি আদি কিছু সমাগম থকা স্থানত P.C.O আছিল বা দুই এক অলপ চহকী লোকৰ ঘৰত লেণ্ডফোন আছিল। আৰু তেনে লেণ্ডফোনৰ গৰাকীয়ে গোটেই গাঁৱৰ বা ওচৰৰ অঞ্চলটোৰ মানুহক খবৰ দিব লগা হৈছিল। একপ্ৰকাৰ ৰাজহুৱা দায়িত্বৰ দৰে খবৰ দিয়া লোৱা কৰিব লগা হৈছিল। তদুপৰি ডাকঘৰৰ যোগেদি পোষ্ট কাৰ্ড বা ইংলেণ্ড কাৰ্ডত চিঠি লিখি সঠিক লক্ষ্য ঠিকনা দি চিঠিবোৰ ডাকঘৰত থকা ৰঙা ৰঙৰ পোষ্ট বাকচত ভৰাই দিয়া হৈছিল। তাৰপিছত চিঠিবোৰৰ প্ৰত্যুত্তৰ লৈ ডাকোৱাল বা পিয়ন অহালৈ। মোৰ দৰে হয়তু বহুতেই অধীৰ আগ্ৰহেৰে পদুলিলৈ চাই ৰৈছিল। তেতিয়া দূৰ-দূৰণিত পঢ়ি থকা পুত্ৰ কন্যাৰ পৰা, বাই-ভনী, মাহী পেহীৰ পৰা, বন্ধু-বান্ধৱীৰ পৰা এখন চিঠি পাবলৈ আগ্ৰহেৰে ৰৈ থাকে। আকৌ আন কোনোবাই মনৰ গৰাকীলৈ গোপনে নীলা নীলা আখৰেৰে শব্দৰ মায়াজাল গাঁঠে, সম্বন্ধৰ এনাজৰী বান্ধে। এনে গোপন কথাৰে ভৰা। গোপন চিঠিবোৰ গোপনে পঢ়ি গোপন বা গুপুত স্থানত গোপনে, গুপুতে ৰাখি থয়। কিন্তু লাহে লাহে যান্ত্ৰিকতাৰ প্ৰভাৱত এই চিঠি লিখা প্ৰথাটো কমি আহি আহি বৰ্তমান পৃথিৱীৰ বুকুৰ পৰা ডাইনচ'ৰ লুপ্ত হোৱাৰ দৰে হ'ল। যাৰ ফলত আজিৰ প্ৰজন্মই চিঠি লিখা আৰু চিঠি পঢ়ি শিহৰণ জাগি উঠাৰ যি আমেজ সেয়া কোনোদিনেই অনুভৱ আৰু উপলব্ধি কৰিব নোৱাৰিব। নীলাখামত নীলা আখৰ, কিযে সোণালী দিন আছিল সেইবোৰ নহয়নে বাৰু? অৱশ্যে আজিৰ ইণ্টাৰনেটৰ যুগত সামাজিক মাধ্যমৰ যোগেদি একুৰি, ডেৰকুৰি বছৰৰ পিছতো সময়ৰ সোঁতত হেৰাই যোৱা অনেক বন্ধু-বান্ধৱী, আত্মীয় স্বজনৰ লগত যোগাযোগ স্থাপন কৰিবলৈ সক্ষম হৈছো। আৰু ফোনতেই পুৰণি কথাবোৰকে আকৌ নতুনকৈ পাতি পাতি আপোন পাহৰা হৈ যাওঁ। অতীতলৈ উৰি যায় মন চাতকীৰ দৰে।

মোৰ কেইগৰাকীও বান্ধৱীয়ে কলেজৰ গাতে লাগি থকা পুৰণি ডিজাইনৰ হোষ্টেলটোত থাকি লৈছিল। হোষ্টেল চুপাৰ ৰাণু বাইদেউৰ তত্বাৱধানত ছোৱালীবোৰ আছিল। নীলিমা, তিলো, জোণমণিহঁতৰ লগত মই দুদিনমান হোষ্টেললৈ গৈছিলো। দেখিছিলো ভিতৰৰ কাৰু-কাৰ্যবোৰ কিছু বেলেগ। মজিয়াখন কাঠেৰে নিৰ্মিত, কেইটামান জুই জলোৱা ধোৱা ওলাই যোৱা চিম্‌নিৰ ব্যৱস্থা দেখিছিলো সুধি গম পালো সেইটো হেনো বৃট্ৰিছৰ দিনৰ জিমখানা ক্লাব আছিল। শুনামতে তাতেই হেনো প্ৰথম প্ৰথম কলেজৰ শ্ৰেণীবোৰ আৰম্ভ হৈছিল ডাঙৰ হলঘৰ আহল বহল বাৰাণ্ডা। সুকীয়াকৈ থকা সৰু কোঠালিকেইটাৰ এটাও হেনো তেতিয়া অধ্যক্ষ শ্ৰীযুত গোলাপ বৰগোহাঁই ছাৰৰ কাৰ্যালয় আছিল। হোষ্টেলটোৰ গাতে বাহিৰ ফালে এটা পুথিভঁৰাল আৰু এটা লেবৰেটৰী আছিল। পিছত অলপ আতঁৰলৈ কলেজৰ নতুন শ্ৰেণীকোঠা কাৰ্যালয় আদি নিৰ্মাণ কৰাৰ পাছত জিমখানা ক্লাবটো দূৰৰ ছাত্ৰীবোৰক হোষ্টেল ৰূপত থাকিবলৈ দিছিল।

কিন্তু অতি পৰিতাপৰ কথা যে বৰ্তমান আৰু নতুন নতুন হোষ্টেল নিৰ্মাণ কৰিলে, ঐতিহ্যমণ্ডিত জিমখানা ক্লাব আদি ভাঙি চিঙি তাৰ ঠাইত নতুন নতুন বিল্ডিং সজালে। অতীত অবিহনে বৰ্তমান শূণ্য। অতীতৰ



ঐতিহ্যক সদায় জীয়াই ৰখাৰ, সংৰক্ষণৰ চেষ্টা কৰিব লাগে। অতীতে বহু কথাই কৈ যায়।

যিকি নহওঁক এনে বহুতো পুৰণি স্মৃতিয়ে মনত দোলা দি যায়। আমি পঢ়াদিনৰ তুলনাত আজিৰ সোণাৰি মহাবিদ্যালয়ৰ পবিত্ৰ ভূমি জ্ঞানৰ জ্যোতিৰে জিলিকি উঠিছে। এখনি সৰগপুৰীহে। সেই সৰগপুৰীতে হয়তো পুনৰ লগ পাম সকলোকে। প্ৰকৃততেই সেই সোণালী দিনটোলৈ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিছো।

সৰ্বশেষত আমাৰ মহাবিদ্যালয়খনিৰ সোণালী জয়ন্তী বৰ্ষৰ সমূহ কৰ্মকৰ্তালৈ মই আন্তৰিক শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰিলো। সফলতাৰে সমাপ্তি হওঁক সামৰণি অনুষ্ঠান।

জয়তু সোণালী জয়ন্তী বৰ্ষ।

জয়তু সোণাৰি মহাবিদ্যালয়।

# স্মৃতিৰ পাতত মোৰ কলেজীয়া জীৱন

মুহিলা বৰুৱা
প্ৰাক্তন ছাত্ৰী-১৯৮৯

সত্তৰ দশকত সোণাৰি চহৰত প্ৰতিষ্ঠিত ঐতিহ্যমণ্ডিত উচ্চশিক্ষাৰ একমাত্ৰ শিক্ষানুষ্ঠান সোণাৰি মহাবিদ্যালয়। য'ত সৃষ্টি হৈ আহিছে সাহিত্য-সংস্কৃতিৰ বৰঘৰ শুৱনি কৰা মহান পণ্ডিত, গৱেষক, গীতিকাৰ, সুৰকাৰকে মুখ্য কৰি চিকিৎসক, অভিযন্তা, ক্ৰীড়াবিদ, দেশক প্ৰতিনিধিত্ব কৰিব পৰা ব্যক্তিসকলৰ লগতে ৰাজনৈতিক ক্ষেত্ৰখন উজ্বলাই তুলিব পৰা ব্যক্তি আৰু অন্যান্য দিশত সেৱা আগবঢ়োৱা বিশিষ্ট ব্যক্তিসকল। সৃষ্টি হৈছে হাজাৰ হাজাৰজন শিক্ষকতাৰ দৰে পৱিত্ৰ বৃত্তি জড়িত ব্যক্তি। এনে এখন প্ৰতিশ্ৰুতি সম্পন্ন মহাবিদ্যালয়ত শিক্ষাগ্ৰহণ কৰা সৌভাগ্য হৈছিল ১৯৮৯ চনৰ জুনমাহৰ নিৰ্দিষ্ট দিনৰ শুভক্ষণত। নামভৰ্ত্তিকৰণত সহায় কৰিছিল স্থানীয় বুৰঞ্জীৰ বিভাগৰ প্ৰৱক্তা শ্ৰদ্ধাৰ শ্ৰীযুত মানিক গগৈ ছাৰে। ছাৰৰ পৰামৰ্শমতে অসমীয়া বিষয়কে 'সন্মান' বিষয় হিচাপে লৈ তিনিটা বছৰ অধ্যয়ন কৰি স্নাতক ডিগ্ৰী লাভ কৰো। এটা অভাৱী পৰিয়ালৰ ছাত্ৰী হিচাপে সেই সময়ত মোৰ কলেজীয়া শিক্ষা জীৱন আছিল বহু ঘাত-প্ৰতিঘাতেৰে ভৰা। অভাৱ-অনাটনৰ মাজেৰে শিক্ষাগ্ৰহণ কৰিবলৈ গৈ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিলো। কোনোবাটো মাহত মাহৰ পোন্ধৰটা দিনো হোষ্টেলত থাকিব পৰা নাছিলো। ক্লাচবোৰ ক্ষতি কৰিবলৈ বেয়া পাইছিলো বাবে ঘৰৰ পৰা প্ৰায় ডেৰঘণ্টা সময় আঠ/ন কিলমিটাৰ বাট খোজ কাঢ়ি বাছ ধৰি মহাবিদ্যালয়লৈ গৈছিলো। লক্ষ্য আছিল 'সন্মান' সহ স্নাতক ডিগ্ৰী লাভ কৰা। ঘৰৰ পৰা অহা-যোৱা কৰিলে কিতাপ নাপাওঁ, হোষ্টেলত থাকিবলৈ পইচাৰ অভাৱ। তথাপি মনত অদম্য সাহস বান্ধি ক্লাচবোৰ কৰি গৈছিলো। অগত্যা ক্লাচলৈ যাব নোৱাৰিলে লগৰ নিৰু, মামনী, পুতুল, লোকেশ্বৰহঁতৰ পৰা টোকাবোৰ লবলৈ পাহৰা নাছিলো। হোষ্টেলত থকা দিনকেইটাত সহপাঠী জুৰিৰ পৰা আটাইবোৰ কিতাপ লৈ নিজাববীয়াকৈ প্ৰশ্নোত্তৰ প্ৰস্তুত কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক দেখুৱাই লৈছিলো। প্ৰয়াত বিনন্দ্ৰ মহন্ত ছাৰে প্ৰশ্নোত্তৰ বহীবোৰ চাই দিয়া প্ৰেৰণাদায়ক মন্তব্যবোৰ আজিও স্মৃতিৰ কুঠৰিত সজীৱ হৈ আছে। শৈক্ষিক যাত্ৰা কালৰ মোৰ অতি শ্ৰদ্ধাৰ শ্ৰীযুক্তা ৰতিপ্ৰভা বাইদেউৰ নামটো বিশেষভাৱে লব লাগিব। তেখেতৰ আন্তৰিক প্ৰচেষ্টা আৰু সহায়, সুপৰামৰ্শৰ অবিহনে মই সফল হ'ব নোৱাৰিলোহেঁতেন। বাইদেউৱে ক্লাচৰ শেষত লগ পালেই মোক মোৰ ওচৰলৈ যাবা, তেখেতে প্ৰয়োজনীয় কিতাপবোৰ চাই আনিবাচোন বুলি কোৱা কথাষাৰে মোক আপ্লুত কৰিছিল। হোষ্টেলত থকা দিনকেইটাত তেখেতৰ আবাসগৃহলৈ গৈ কিতাপবোৰ আনি পঢ়ি লিখি পুনৰ ঘূৰাই দিছিলো। বাইদেউৱে আমাৰ অঞ্চলৰে মামণী বুঢ়াগোহাঁই বাইদেউৰ পঢ়া 'সন্মান' বিষয়ৰ টোকাবহীবোৰ আনিবলৈ মোক বাৰে বাৰে সোঁৱৰাই দিছিল। ময়ো তেওঁৰ ওচৰলৈ গৈ বহীবোৰ আনি লিখি লৈ দি আহিছিলো। এই মুহূৰ্তত মানসপটত ভাহি আহিছে শ্ৰদ্ধাৰ শ্ৰীযুক্তা সোণমাই বড়া বাইদেউৰ পৌৰাণিক আখ্যানমূলক ব্যাখ্যাবোৰ। ক্লাচৰ বিষয়বস্তুৰ যিমানেই সুন্দৰ ব্যাখ্যা দাঙি ধৰা হয় সিমানেই বেছি মই টোপনিওৱা অভ্যাসটোৰ বাবে বহু



সময়ত মোৰ কাহিনীবোৰ আধৰুৱা হৈ ৰৈছিল। পৰৱৰ্তী সময়ত সেইখিনি আয়ত্ব কৰিবলৈ কষ্ট কৰিব লগা হৈছিল। শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুক্তা জয়ন্তী বাইদেউৰ আধুনিক কবিতাৰ ভাঙনিবোৰ বৰ মনোগ্ৰাহী আছিল।

'শিক্ষা' বিষয়টো অতিৰিক্ত বিষয় হিচাপে লৈ শ্ৰদ্ধাৰ শ্ৰীযুত মাণিক বৰুৱা ছাৰ, প্ৰয়াত কমলাৱতী বাইদেউ আৰু শ্ৰীযুক্তা ৰাণু মহন্ত বাইদেউৰ লিখনিসমূহ শ্ৰদ্ধাসহকাৰে লিখি পঢ়িছিলো। ৰাজনীতি, অৰ্থনীতি, বিজ্ঞানকে ধৰি আটাইবোৰ বিষয়ৰ সমাহাৰ 'আধাৰ পাঠ' বিষয়টো মোৰ প্ৰিয় আছিল। মান্যবৰ ড° বুদ্ধিন গগৈ ছাৰকে প্ৰমুখ্য কৰি সকলো বিষয়ৰ বিষয় শিক্ষক তথা শিক্ষা গুৰু সকলক পাঠদানৰ সময়ত লগ পোৱাৰ সৌভাগ্য হৈছিল। খুহুতীয়া স্বভাৱৰ সৰবৰহী শিক্ষাগুৰু শ্ৰদ্ধাৰ শ্ৰীযুত ৰবীন কোঁৱৰ ছাৰৰ ইংৰাজী বিষয়টো প্ৰথমে দুৰ্বোধ্য যেন লাগিছিল যদিও শেষলৈ বুজি পোৱা হ'লো। কলেজীয়া দিনবোৰ সঁচাই সোণালী দিন আছিল। হোষ্টেলত থকা দিনকেইটাত মাজে সময়ে দেওবৰীয়া 'অধ্যয়নচক্ৰ' অনুষ্ঠানত অংশগ্ৰহণৰ সুবিধা পাইছিলো। বিভিন্নজন শিক্ষাবিদ তথা বিশিষ্ট ব্যক্তিৰ তত্বাবধানত অনুষ্ঠিত হোৱা আলোচনাবোৰ হৃদয়গ্ৰাহী আছিল। সময়ে সময়ে অনুষ্ঠিত হোৱা বিভিন্ন দিৱসবোৰৰ লগতে সৰস্বতী পূজা, নবাগত আদৰণি, পুৰণিক বিদায় সম্ভাষণ জনোৱা সভাবোৰত অংশগ্ৰহণৰ মাদকতাই সুকীয়া আছিল। অৱশ্যে তাতো মোৰ অসুবিধা নোহোৱাকৈ নাছিল। লগৰবিলাকে সুন্দৰ সাজ-সজ্জাৰে ওলোৱাৰ পৰত এসাজ কাপোৰৰ অভাৱত নিৰৱে চকুলো টুকিছিলো। ইউনিৰ্ফম পিন্ধি যাবলৈও বেয়া লাগে। তেনে সময়ত মই নিবিচৰাকৈ সূক্ষ্ম অনুভূতিৰে বুজি পোৱা সাপেখাটী বাৰেগাঁৱৰ অন্তৰংগ বান্ধৱী সুৰ্বণ গগৈয়ে 'মুহি' এইফালে আহাচোন বুলি আন্তৰিকতাৰে যঁচা সাজযোৰ আৰু সুন্দৰ মনটোক মোৰ হৃদয়ত কৃতজ্ঞতাৰে সৈতে আজীৱন সাঁচি ৰাখিম। হোষ্টেলৰ পৰা গৈ অনুষ্ঠানবিলাকত অংশগ্ৰহণ কৰিবলৈ যাওঁতে আমি যথেষ্ট অনুশাসন মানি চলিব লগা হৈছিল, যিয়ে ভৱিষ্যতৰ দিনত আমাক শৃংখলিতভাৱে জীৱন পথত আগবাঢ়ি যাবলৈ শিকাইছিল।

২+১ খলপীয়া স্নাতক শিক্ষা ব্যৱস্থাত শিক্ষান্ত পৰীক্ষাত প্ৰ-পত্ৰ পূৰণৰ কিছুদিন পূৰ্বে মই আকৌ এটা আকস্মিক সমস্যাৰ সন্মুখীন হওঁ। সেই সময়ত অসমৰ গাঁৱে-ভূঞে নিষিদ্ধ ঘোষিত বিশেষ সংগঠন বিলাকৰ বিৰুদ্ধে 'অপাৰেচন ৰাইনো' অভিযান চলি আছিল। আমাৰ দেউতা এজন বয়োজ্যেষ্ঠ ব্যক্তি আছিল। নামঘৰত আঘোণ মাহৰ ন-লগোৱা পৰ্বৰ আলোচনাত ভাগ লৈ থকাৰ পৰাই মিছা অভিযোগত, সন্দেহবশত ভাৰতীয় সামৰিক বাহিনীয়ে ধৰি লৈ গৈছিল। বেয়াকৈ মাৰ-ধৰ কৰিছিল। ভীতি বিহ্বল দেউতাৰ শুশ্ৰূষা কৰি থাকোতে মোৰ শিক্ষাৰ কথাবোৰ তল পৰিছিল। পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ অন্তিমদিন উকলি গৈছিল। এনেতে এদিন শ্ৰদ্ধাৰ মাণিক গগৈ ছাৰ দেউতাৰ খবৰ লবলৈ আমাৰ ঘৰলৈ যাওঁতেহে মই কথাবোৰ গম পাইছিলো। ছাৰে পিছদিনাই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্ৰদ্ধাৰ গোলাপ বৰগোহাঁই ছাৰক জনোৱাত তেখেতসকলে আলোচনা কৰি শ্ৰদ্ধাৰ ৰবীন কোঁৱৰ ছাৰক ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ পঠাইছিল। আৰু মোৰ পৰা কোনো মাছুল নোলোৱাকৈ প্ৰ-পত্ৰ পূৰণৰ ব্যৱস্থা কৰি আহিছিল। তেনেদৰেই মই ঘৰতে পঢ়া-শুনা কৰি পৰীক্ষা দিবলৈহে হোষ্টেললৈ গৈছিলো। গুৰুৰ মান ৰক্ষা কৰি মই দ্বিতীয় বিভাগত 'সন্মান'সহ উত্তীৰ্ণ হৈছিলো। এইসকল শ্ৰদ্ধাৰ শিক্ষাগুৰুৰ ওচৰত চিৰঋণী হৈ ৰলো। সোণালী জয়ন্তী সামৰণি অনুষ্ঠানৰ শুভক্ষণৰ শুভ মুহূৰ্তত এই আপাহতে চিৰ নমস্য গুৰুসকললৈ আন্তৰিক শ্ৰদ্ধাৰে কৃতজ্ঞতা জ্ঞাপন কৰিছো। প্ৰভু ভগৱন্তৰ শ্ৰীচৰণত সততাৰে সেৱা নিবেদন কৰি তেখেতসকলৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিছো। তেখেতসকলৰ অকুণ্ঠ সহায় আৰু তৎপৰতা অবিহনে মোৰ স্নাতক ডিগ্ৰী আধৰুৱা হৈ ৰলহেঁতেন। চিৰপূজ্য

শিক্ষাগুৰু সকলৰ বাবেই আজি নিজৰ ভৰিত ভৰ দি থিয় হ'ব পাৰিলো। এৰি অহা দিনত ক্ষুদ্ৰাতি ক্ষুদ্ৰ জীৱনৰ সোণালী দিনৰ সুখ-দুখৰ কথাবিলাক ব্যক্ত কৰিবলৈ সুযোগ পাই নিজকে ধন্য মানিছো। উদ্যোক্তা সকললৈ কৃতজ্ঞতাৰে ধন্যবাদ জনাইছো। পৰিশেষত মহাবিদ্যালয়খন আভ্যন্তৰীণ আৰু বাহ্যিক উন্নতি সাধনেৰে বাচকবনীয়া হওক ইতিহাসৰ পাতত স্বৰ্ণোজ্বল হৈ ৰওক এই কামনাৰে, জয়তু সোণাৰি মহাবিদ্যালয়।

ঃঃঃঃ



# স্মৃতিৰ এখিলা পাত

দুলুমণি বুঢ়াগোহাঁই (বৰুৱা)
প্ৰাক্তন ছাত্ৰী

আজিৰ পৰা সুদীৰ্ঘ ছয়ত্ৰিশ বছৰ আগলৈ ঘূৰি গৈছোঁ। মই তেতিয়া উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈছোহে মাথো। মনত অনেক সপোন, আশা বুকুত বান্ধি ঢাপলি মেলিছিলো মৰমৰ সোণাৰি মহাবিদ্যালয়খনিলৈ, য'ত মই জীৱনৰ তিনিটা মূল্যবান বৰ্ষ পাৰ কৰিলোঁ। অৰ্থনীতি বিভাগটো গুৰু বিষয় হিচাবে লৈ পথাৰখনত খোজ দিছিলো। তাতে মই লাভ কৰিছিলোঁ জীৱনৰ অন্য এক সোৱাদ, জীৱনৰ এক নতুন পৃষ্ঠাৰ আৰম্ভণি ঘটিছিল এই মহাবিদ্যালয়ৰ পৰা।

১৯৮৬ চনৰ কথা। সেই সময়ছোৱাত মহাবিদ্যালয়খনিৰ পৰিৱেশ, আন্তঃগাঠনি, ছাত্ৰ-ছাত্ৰীৰ আৱাসগৃহ সকলো বৰ্তমান সময়ৰ পৰা পৃথক আছিল। শ্ৰেণীকোঠাৰ বেৰবোৰ পকী যদিও চিমেন্টৰ লেপন নাছিল; মজিয়াখনো কেচা আছিল। কলেজৰ মুখ্য দ্বাৰখনো ছাত্ৰীনিবাসৰ বাঁহৰ চকুৱাখনৰ লগতে লাগি থকাকৈ আছিল।

এই মহাবিদ্যালয়খনিত অধ্যয়নৰ তিনিওটা বৰ্ষই মোৰ বাবে আছিল এক নৱ প্ৰভাত। জ্ঞান-পিপাসু প্ৰতিজন শিক্ষাৰ্থীয়ে প্ৰতিযোগিতাৰ দৌৰত দৌৰিছিল। মইও মোৰ লক্ষ্য পথত উপনীত হ'বলৈ আপ্ৰাণ চেষ্টা কৰিছিলোঁ। সেইসময়ৰ মহাবিদ্যালয়খনিৰ অধ্যক্ষ শ্ৰদ্ধাৰ গোলাপ বৰগোহাঁই ছাৰ প্ৰমুখ্যে অৰ্থনীতি বিভাগৰ শিক্ষাগুৰুসকল আছিল শ্ৰদ্ধাৰ জীৱন শইকীয়া ছাৰ, অৰ্পন কুমাৰ বৰুৱা ছাৰ, অপূৰ্ব শইকীয়া ছাৰ, বিমলা ফুকন ছাৰ। জ্ঞান চকু মুকলি কৰা এই মহাবিদ্যালয়ৰ সকলো চিৰনমস্য শিক্ষাগুৰুসকলৰ ব্যক্তিত্ব আৰু আদৰ্শই মোৰ অনাগত দিনত নিজকে এগৰাকী শিক্ষয়িত্ৰী হোৱাৰ প্ৰেৰণা যোগালে। এতিয়াও শিক্ষাগুৰুসকলে প্ৰদান কৰা শিক্ষা আৰু জ্ঞানৰ ৰেঙনি মোৰ কৰ্ণত ৰিণিৰিণি বাজি উঠে।

মোৰ লগত মোৰ ভণ্টী বিনাও একে শ্ৰেণীতে একলগে পঢ়িছিলোঁ। গতিকে আমি দুয়োজনীয়ে একেলগে কলেজ হোষ্টেলত আছিলোঁ। আমাৰ ঘৰৰ পৰা কলেজলৈ অহা-যোৱা কৰা যাতায়তৰ কোনো সুবিধা আজিৰ দৰে নাছিল। গতিকে আমি তিনিওটা বৰ্ষই হোষ্টেলত থাকি পঢ়া-শুনা কৰিছিলোঁ। হোষ্টেলীয়া জীৱনত লাভ কৰা অভিজ্ঞতাবোৰ মোৰ পাছৰ জীৱনত যিকোনো পৰিস্থিতিতে উদ্ভাৱন হোৱা প্ৰত্যাহ্বানক হেলাৰঙে গ্ৰহণ কৰিবলৈ শিকাইছিল। আমি বাস কৰা ছাত্ৰীনিবাসটো এসময়ত বৃটিছসকলৰ ক্লাব ঘৰ আছিল। তাৰে এটা হ'ল ঘৰৰ মজিয়াখন কাঠেৰে নিৰ্মাণ কৰা। খোজ কাঢ়িলে ধম ধম শব্দ কৰে। হোষ্টেলৰ প্ৰথম বৰ্ষত সেই কাঠৰ মজিয়া হ'ল ঘৰটোতে মই আৰু ভণ্টীয়ে থকাৰ সুযোগ পাইছিলোঁ। আমি প্ৰত্যেকে বিচনা চাদৰে আঁৰ দি কোঠালি বনাই লৈছিলো। আমাৰ দিনত হোষ্টেলৰ সকলো আৱাসীয়ে মেখেলা-চাদৰ পৰিধান কৰি থকাটো বাধ্যতামূলক আছিল। গতিকে আমি সকলোৰে মেখেলা-চাদৰ পৰিধান কৰিছিলোঁ। গৰমৰ দিনত যে আমাৰ কি অৱস্থা হৈছিল ভাৱিলে এতিয়াও আচৰিত লাগে। হোষ্টেলৰ অগ্ৰজ, অনুজ আৰু সতীৰ্থসকলৰ

সংস্পৰ্শত গঢ়ি উঠা মধুৰ মুহূৰ্তবোৰ আজিও স্মৃতিপটত সজীৱ হৈ আছে। আমি হোষ্টেলৰ নিয়ম-কানুনবোৰ মানি চলিছিলোঁ একান্তভাৱে। গধূলি প্ৰাৰ্থনা বেলৰ শব্দ শুনিলেই সকলোৱে বাৰাণ্ডাত উপস্থিতি হৈছিলোঁগৈ। চাহৰ বেল, ভাতৰ বেল পৰাৰ লগে লগেই শাৰী পাতিবলৈ পাকঘৰ পাইছিলোঁগৈ। এতিয়া এই কথাবোৰ ভাৱিলে সৌ সিদিনাৰ কথা যেন হে লাগে। সেইসময়ত হোষ্টেলৰ তত্বাৱধায়ক মহোদয়া ৰাণু মহন বাইদেউ আছিল। আমি ৰাণু বাইদেউক বহুত ভয় কৰিছিলো। গতিকে বজাৰ কৰা বা ঘৰলৈ আহিবলৈ অনুমতি লোৱা কামটো বৰ কষ্টকৰ আছিল। কিন্তু শেষৰ বৰ্ষত তেখেতক আমাৰ মাজৰে এগৰাকী বান্ধৱীৰ দৰে লাগিছিল। আমি সকলোৱে আমাৰ সুখ, দুখৰ কথাবোৰ বাইদেউৰ লগত সহযোগ কৰিছিলো। তেখেতে শাসনৰ লগতে কৰা মৰমবোৰক কেতিয়াও পাহৰিব নোৱাৰিম। হোষ্টেলৰ তিনিবছৰীয়া এই দীঘলীয়া যাত্ৰাত লগ পোৱা সতীৰ্থসকল - স্মৃতি, হিৰণ্য, মিনু, ৰুক্মিণী, মফিদা, ইৰা, মণিমালা, কৰবী, নিৰদা, জ্যোতি, কুসুম আৰু বহুতৰে সংগ লভি মই কৃতাৰ্থ। এই সতীৰ্থসকলৰ স্মৃতিৰ সুৰৰ ধ্বনি এতিয়াও কৰ্ণ আৰু হৃদয়ত বাজি উঠে। স্নাতক চূড়ান্ত পৰীক্ষা শেষ কৰি হোষ্টেলৰ পৰা বিদায় লোৱাৰ দিনাখনলৈ মনত পৰিলে এতিয়াও বুকুখন গধুৰ হৈ উঠে। সেইসময়খিনিয়ে কিমান যন্ত্ৰণাদায়ক আছিল হয়তো হোষ্টেলৰ প্ৰতিগৰাকী আৱাসীয়ে অনুভৱ কৰিব পাৰে।

সময় গতিশীল। সময়ৰ সোঁতত আজি সকলোৱে নিজৰ কৰ্ম ব্যস্ততাৰে জীৱন অতিবাহিত কৰিছে। প্ৰত্যেকে নিজা নিজা বৃত্তি তথা কৰ্ম সংস্থানৰ যোগেদি সমাজ সেৱা, মানৱ সেৱাৰ লগতে পৰিয়ালৰ লগত ব্যস্ততাৰে জীৱন অতিক্ৰম কৰিছে।

সময়ৰ পৰিবৰ্তনৰ লগে লগে অতীতৰ সোণাৰি মহাবিদ্যালয়খনেও আধুনিকতাৰ প্ৰভাৱ পৰি যুগৰ লগত ফেৰ মাৰিব পৰা হ'ল। পৰিবৰ্তনৰ ঢৌৱে ইয়াৰ পৰিবেশ আৰু পৰিস্থিতিৰ ৰূপ সলালে। বৰ্তমানৰ মহাবিদ্যালয়খনি সৰ্বাংগ সুন্দৰ ৰূপে-গুণে আজি পঞ্চাশ টা বসন্ত পাৰ কৰিলে। গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষৰ এই পবিত্ৰ ক্ষণত মই প্ৰতিষ্ঠা কালৰ পৰা নিয়োজিত চিৰ নমস্য শিক্ষাগুৰু, কৰ্মচাৰীসকল, (জীৱিত আৰু মৃত) আৰু বৰ্তমানৰ শিক্ষাগুৰু তথা কৰ্মচাৰীসকলক এই লেখাৰ জৰিয়তে আন্তৰিক শ্ৰদ্ধা আৰু সেৱা জনাইছোঁ। শেষত এই মহাবিদ্যালয়খনিৰ সৰ্বতোপ্ৰকাৰে উত্তৰণৰ দিশত অগ্ৰসৰ হৈ সমগ্ৰ ভাৰতবৰ্ষতে এখন জাকত-জিলিকা শিক্ষানুষ্ঠান হিচাবে জিলিকি ৰওক তাৰে শুভ কামনাৰে।

জয়তু সোণাৰি মহাবিদ্যালয়।

ಃಃಃ



# হৃদয়ৰ বাখৰুৱা কলাজ

কল্পনা বৰুৱা
প্ৰাক্তন আলোচনী সম্পাদিকা
শিক্ষাবৰ্ষ- ১৯৮৭-৯১

ঐতিহ্যৰ স্বৰ্ণমণ্ডিত গৌৰৱেৰে গৰিমামণ্ডিত নাম সোণাৰি। সোণাৰিৰ সেউজী বুকুত জ্ঞানৰ গৰিমাৰে নিজ মহিমাৰে মহিমামণ্ডিত এক পৱিত্ৰ জ্ঞান তীৰ্থ সোণাৰি মহাবিদ্যালয়। বিশ্ব ইতিহাসত বিৰল ছশ বছৰীয়া আহোম ৰাজত্বকালৰ লগতে বৰাহী-কছাৰী ৰাজত্ব কালৰ সোণালী স্বাক্ষৰ হৈ জিলিকি থকা এক উল্লেখযোগ্য ঠাই সোণাৰি। বৰ্তমান চৰাইদেউ জিলাৰ প্ৰাণকেন্দ্ৰ সোণাৰি।

সত্তৰ দশকৰ আগতে এই সোণাৰিত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান নাছিল। এতিয়াৰ দৰে তেতিয়াৰ সোণাৰি আৰু দাঁতি-কাষৰীয়া অঞ্চলৰ জনসাধাৰণৰ আজিৰ দৰে স্বচ্ছল অৱস্থা নাছিল। শিক্ষাৰ সচেতনতাত বৰ কমেইহে আছিল। বাট-পথে মানুহক জীয়াতু ভোগাইছিল। এক কথাত যাতায়ত আৰু যোগাযোগ ব্যৱস্থা বৰ সুচল নাছিল। এনে সমস্যাৰে পৰিপূৰ্ণ এখন ঠাইত উচ্চ শিক্ষানুষ্ঠান নথকাটো কোনো উল্লেখনীয় কথা নাছিল। কিন্তু মানুহৰ মন সদায় পোহৰৰ দিশে ধাৱমান হয়। অজ্ঞান এন্ধাৰৰ প্ৰাচীৰ ভাঙি আলোক উজ্বল পথেৰে মানুহে যাত্ৰা কৰাৰ হাবিয়াস কৰে। জ্ঞান তৃষ্ণত আতুৰ হৈ পৰে মানুহৰ মন। সেয়ে সময়ৰ লগে লগে জ্ঞানৰ জ্যোতিৰে চৌদিশ আলোকিত কৰা সপোন, দেখে মানুহে। মানুহৰ সপোনৰ বীজ ৰোপন হয় আৰু বীজেই অংকুৰিত হৈ এদিন বিশাল বৃক্ষলৈ পৰিণত হয়। ফলে-ফুলে এসময়ত জাতিষ্কাৰ হৈ পৰে। তাৰ সুগন্ধি, সৌৰভ চৌপাশে বিয়পি পৰে। মানুহৰ পৰা মানুহলৈ শিক্ষাই সেঁতু গঢ়ে। ত্যাগ আৰু অহোপুৰুষাৰ্থ, চিন্তা আৰু দূৰদৰ্শিতাই সুন্দৰ কৰে সমাজ। মহানতা, মহানুভৱতা, ব্যক্তিত্ব, আদৰ্শ, জ্ঞান আৰু প্ৰজ্ঞাৰ ভেটি গঢ়ে। মানৱীয় প্ৰমূল্যবোধত সৌধ ৰচনা কৰে।

শাৰী শাৰী সেউজীয়া চাহ বাগিছাই আবৃত সোণাৰিৰ চৌপাশ। এই সেউজীয়া পান কৰি নিজৰ লগতে উত্তৰপুৰুষক সেউজীয়া মনৰ অধিকাৰী কৰি তুলিবলৈ, সূৰুযৰ সাতো ৰঙেৰে উজ্বলাই তুলিবলৈ, জ্ঞানৰ মাৰ্গ দৰ্শন প্ৰদান কৰিবলৈ কেইজনমান ব্যক্তিয়ে প্ৰতিষ্ঠা কৰিলে সোণাৰিৰ প্ৰথমখন উচ্চ শিক্ষানুষ্ঠান সোণাৰি মহাবিদ্যালয়। বৃটিছে এৰি যোৱা এটি ক্লাব ঘৰতে সকলোৰে ১৯৭০ চনৰ ৫ আগষ্ট তাৰিখে সন্মিলিত প্ৰচেষ্টাত আৰম্ভ কৰিলে পাঠদান সোণাৰি মহাবিদ্যালয়ৰ আলোক অভিমুখী যাত্ৰা। এই যাত্ৰাত গুৰি বঠা ধৰিলে আমাৰ নমস্য শিক্ষাগুৰু শ্ৰদ্ধাৰ গোলাপ বৰগোহাঁই ছাৰে। অজস্ৰ বতাহ-ধুমুহাতো নাওখনৰ বঠাডাল দৃঢ়ভাৱে ধৰি ৰাখিলে। অজস্ৰ সমস্যা, প্ৰতিবন্ধকতাকো নেওচি দৃঢ় প্ৰত্যয়েৰে সাহসেৰে নেওঁচি বীৰ সেনাপতিৰ দৰে স্থিৰ কৰি ৰাখিলে অগণন সেনানীক। তেখেতলৈ ভক্তিভৰা সেৱা, সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছোঁ এই পৱিত্ৰক্ষণত।

জন্মৰ পিছতে অন্যান্য অধিকাৰৰ লগতে শিক্ষাগ্ৰহণ কৰাটো শিশুৰ মৌলিক অধিকাৰ। এটি উকা অথচ পৱিত্ৰ মন লৈ জন্ম হোৱা শিশুৱে এসময়ত ঘৰখন, পৰিয়ালটো, সমাজ, চৌপাশৰ পৰিৱেশ, শিক্ষা,

সাংস্কৃতিক মূল্যবোধ, সামাজিক চেতনা, বৌদ্ধিক চেতনা আৰু প্ৰজ্ঞাৰ জৰিয়তে মনত সংগোপনে কঢ়িয়াই ফুৰা সপোনক বাস্তৱ ৰূপ দিয়ে। সামাজিক চেতনা আৰু বৌদ্ধিক চেতনাই মানুহক সমাজত চিৰদিন জীয়াই ৰাখে। মৰিও অমৰ হয় তেনে ব্যক্তি। সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো তেনে সামাজিক চেতনা, বৌদ্ধিক চেতনা আৰু শৈক্ষিক চেতনা সম্পন্ন ব্যক্তি জড়িত হৈ আছে। যাৰ প্ৰজ্ঞাপিয়াসী, আলোকপিয়াসী মনৰ মাজত উকমুকনি ঘটিছিল উচ্চ শিক্ষাৰ অনুষ্ঠান এটি প্ৰতিষ্ঠা কৰি সোণাৰি আৰু সোণাৰিৰ আশে-পাশে থকা গাঁও অঞ্চলৰ শ শ জ্ঞান তৃষ্ণাতুৰক জ্ঞানামৃত পান কৰোৱাই সমাজ আৰু দেশৰ উপযুক্ত ধৰণী তথা সু-নাগৰিক কৰি গঢ়িবৰ বাবে। তেওঁলোকৰ ভিতৰত স্বনামধন্য ব্যক্তি কেইগৰাকী হ'ল — শ্ৰদ্ধাৰ ডিম্বেশ্বৰ গগৈ, ৰবীন গগৈ, আব্দুল হান্নান, পৰনাথ শৰ্মা আৰু প্ৰতিষ্ঠাপক অধ্যক্ষ গোলাপ বৰগোঁহাইদেৱ।

প্ৰতিষ্ঠাকালৰে পৰা নিৰবিচ্ছিন্নভাৱে জ্ঞানৰ জ্যোতিৰে চৌদিশে আলোকিত কৰা সোণাৰি মহাবিদ্যালয়ে হেজাৰ জ্ঞান তৃষ্ণাতুৰক আকৰ্ষিত কৰাৰ দৰেই মোকো আকৰ্ষণ কৰিছিল। ঘৰুৱা সমস্যা, আৰ্থিক দুৰৱস্থাৰ বাবে প্ৰথম অৱস্থাত ঘৰৰ পৰা পঢ়াবনে নপঢ়াব এনে এটা ভয়েও মনে মনে খুলি খুলি খাইছিল। কৃষক দেউতা আছিল অত্যন্ত জ্ঞান-পিপাসু মনৰ ব্যক্তি। তেওঁ নিজেই ওপজা গাঁৱত শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰি নিজৰ আলোকসন্ধানী মনৰ পৰিচয় দি আজিও অমৰ হৈ আছে। সেয়েহে তেওঁ অভাৱ-অনাটনৰ মাজতে নিজৰ আটাইকেইটা সন্তানক উপযুক্ত মানুহ কৰি গঢ়ি সমাজত প্ৰতিষ্ঠা কৰাৰ বাবে যত্নৰ কোনো ত্ৰুটি কৰা নাছিল। তথাপিও মোৰ মনত অহেতুক এটা ভয় আছিল।

সোণাৰিস্থিত পদ্মকুমাৰী বৰুৱা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ ৫৬.৬% নম্বৰেৰে ১৯৮৭-৮৮ চনত উত্তীৰ্ণ হৈ সোণাৰি মহাবিদ্যালয়তে নামভৰ্তি কৰো। মোৰ লগৰ লক্ষ্যহীৰা গগৈয়ে জয়সাগৰৰ শিৱসাগৰ মহাবিদ্যালয়ত নামভৰ্তি কৰাত মোৰো তাতেই পঢ়িম নেকি এনে ভাব এটাও আহিছিল। কিন্তু নিজৰ ঘৰখনৰ আৰ্থিক সমস্যাই সেইবোৰ চিন্তা তল পেলালে আৰু হাত বাউলি দি মাতিলে সোণাৰি মহাবিদ্যালয়ে।

মই "শিক্ষাতত্ত্ব" বিষয়টোক সন্মানীয় বিষয় হিচাবে ল'লো আৰু অৰ্থনীতি বিষয়টো পাচ কৰ্চ হিচাপে ল'লো। সেইসময়ত ইংৰাজী, অসমীয়া আৰু Foundation (আধাৰ পাঠ) নামৰ এটা বিষয়ো আছিল। সেইবছৰে ১+১+১ পৰীক্ষা পদ্ধতিৰ সলনি কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ২+১ পৰীক্ষা পদ্ধতিত আৰম্ভ কৰে। আমি ২+১ চিষ্টেমত প্ৰথম ছাত্ৰ-ছাত্ৰী। 'শিক্ষাতত্ত্ব' বিষয়টোত সেইবাৰ মেজৰ পাঠ্যক্ৰমত আমাৰ লগত মাত্ৰ কেইজনমান ছাত্ৰ-ছাত্ৰীহে আছিল। তাৰে ভিতৰত ইন্দ্ৰানী ফুকন, মণিকা বৰুৱা, শ্যামলীমা দুৱৰা, মণ্টু গগৈ, ˚ বিমল ফুকন, ভানু বৰগোহাঁই, নৰেণ গগৈ, ৰীতা গোহাঁই সহ আৰু নৰেণ নামৰ আন ছাত্ৰ এজন আছিল। আৰু দুজনমান আছিল বৰ্তমান নাম মনলৈ অহা নাই। সেইবৰ্ষত মুঠ ১৪৪ জন ছাত্ৰ-ছাত্ৰী আছিল। আমি পঢ়া দিনত সোণাৰি মহাবিদ্যালয়ৰ আন্তঃগাঁঠনি তথা বৈষয়িক অৱস্থা আজিৰ দৰে উন্নত নাছিল। আমি মেজৰ ক্লাচ কৰা ৰুমটো বাঁহ-খেৰৰ এটা হাউলি থকা কেঁচা ঘৰ আছিল। বেঞ্চ-ডেক্সবোৰো বৰ ভাল নাছিল। মেজৰ ক্লাচ শেষ হ'লে বৰ্তমানৰ ঠাইত থকা উপাধ্যক্ষ মহোদয়ৰ কোঠাৰ বিপৰীত দিশত মানে বৰ্তমানৰ শিক্ষক জিৰণি কোঠা থকা দীঘলীয়া লাইনৰ কোঠা কেইটালৈ ফিল্ডৰ মাজেৰে দৌৰিব লাগে। খৰধৰে আহি অন্যান্য ক্লাচবোৰ কৰো। এদিন ৰাতি বতাহ-ধুমুহা দিয়াত সেই ঘৰটো ভাগি থাকিল। পুৱাতে মেজৰ ক্লাচ কৰিবলৈ গৈ আমাৰ হাঁহা-কন্দা অৱস্থা। পিছত যেনিবা নতুনকৈ নিৰ্মাণ কৰি থকা সেই



দীঘলীয়া শাৰীৰ কোঠা এটাত আমাৰ মেজৰ ক্লাচবোৰ হ'বলৈ ধৰে। ইংৰাজী, অসমীয়া আৰু ফাউণ্ডেচনৰ ক্লাচবোৰ আমি সকলোৱে একেলগে কৰিব লাগে। এশ চৌৱাল্লিশটা ল'ৰা-ছোৱালী বহিবলৈ ঠাইয়েই নহয়। মই প্ৰায়ে শেষৰ ফালে থিয় হৈ থাকো। ছাৰহঁতেও একো নকয়। কাৰণ পৰিস্থিতিটো তেওঁলোকে দেখি থাকে। তদুপৰি ছোৱালী স্কুলত পঢ়ি অহাৰ বাবে মোৰ লাজটো অলপ বেছি আছিল। Co-education বাবে ল'ৰা-ছোৱালী একেটা বেঞ্চতে বহিবলৈ লগা হয়। মই লাজতে ল'ৰাৰ লগত নবহো। আমাৰ লগৰ কেইগৰাকীমানে থিয় হৈ থকাতকৈ লাজ নকৰি বহিছিল। আমাৰ মেজৰ ক্লাচবোৰ প্ৰয়াত কমলাৱতী শইকীয়া বাইদেউ, ৰাণু বাইদেউ, মাণিক বৰুৱা ছাৰে কৰিছিল। পিছলৈ ৰাজীৱ কটকী ছাৰ আহে। ফাউণ্ডেচনৰ ক্লাচবোৰ মাননীয় অধ্যক্ষ গোলাপ বৰগোহাঁই ছাৰ, তুলসী গগৈ ছাৰ, ৰতিপ্ৰভা গগৈ আৰু সোণমাই বড়া বাইদেউৱে পঢ়াইছিল। ছাৰ-বাইদেউসকলৰ ক্লাচবোৰ নিয়মীয়াকৈ হৈছিল। তেখেতসকলৰ শিকন শৈলী, কৌশল যথেষ্ঠ মনোগ্ৰাহী আছিল। ইংৰাজী পঢ়াইছিল শ্ৰদ্ধাৰ ৰবীন কোঁৱৰ ছাৰ, নীলা বৰুৱা বাইদেউ, কংকনা নাথ বাইদেউৱে। কোঁৱৰ ছাৰৰ ক্লাচবোৰ দীঘলীয়া হৈছিল। বেছি চোকা বাবে সকলো কথা খৰচী মাৰি বুজাই দিওঁতে পলম হৈ গৈছিল। শ্ৰদ্ধাৰ নীলা বাইদেউ, কংকনা নাথ বাইদেউৱে কিছুদিন মহাবিদ্যালয়ত শিক্ষকতা কৰাৰ পিছত অন্য ঠাইলৈ গুচি গৈছিল। বৰ সুন্দৰকৈ দুয়োগৰাকী বাইদেউৱে পঢ়াইছিল। আজিও স্মৃতিৰ পটত সকলো জিলিকি আছে। আমাৰ কিতাপ-পত্ৰ তেনেকৈ নাছিলেই। মনোযোগেৰে ক্লাছবোৰ কৰি থাকোতে ছাৰ-বাইদেউৱে কোৱা কথাবোৰ খৰকৈ টুকি ৰাখিছিলো। পিছত পৰীক্ষাত নিজৰ ভাষাৰে সেইবোৰ বৰ্ণনা কৰি লিখিছিলো।

আমি মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ নিয়মীয়া ছাত্ৰী আছিলো। মাননীয়া গ্ৰন্থাগাৰিকা বাণী দেৱী বাইদেউৰ পৰা কিতাপ আনি ঘৰত পঢ়াৰ উপৰিও গ্ৰন্থাগাৰত থকা বেঞ্চতে বহি পঢ়িছিলো অফ পিৰিয়দত। আমি পঢ়া বাচকবনীয়া গ্ৰন্থবোৰৰ পৰা জ্ঞান তৃষ্ণাতুৰ মনে মাণিক-মুকুতাবোৰ গ্ৰহণ কৰি নিজকে জীৱনত প্ৰতিফলিত কৰিবলৈ যত্ন কৰিছিলো।

মোৰ পাচ কৰ্চ Economics আছিল। এই বিষয়টোৰ ক্লাচবোৰ শ্ৰদ্ধাৰ বিমলা ফুকন ছাৰ, জীৱন্দ্ৰে কুমাৰ শইকীয়া ছাৰ আৰু দিলীপ ৰঞ্জন বৰুৱা ছাৰে কৰিছিল। অতি সুন্দৰকৈ তেওঁলোকে আমাক বুজাইছিল। অৰ্থনৈতিক তত্বৰ পৰা ভাৰতীয় অৰ্থনীতি আৰু Standard Deviation অংকলৈকে তেওঁলোকে খৰচী মাৰি পঢ়াবৰ যত্ন কৰিছিল।

আমাৰ ক্লাচ নকৰিলেও অন্য বিষয়ৰ ছাৰ-বাইদেউসকলেও আমাৰ লগত গুৰু-ছাত্ৰৰ মধুৰ সম্পৰ্ক ৰক্ষা কৰিছিল। আমিও সকলো শিক্ষাগুৰুক অতি শ্ৰদ্ধা আৰু ভক্তি কৰিছিলো। শ্ৰদ্ধাৰ মাণিক গগৈ ছাৰ, গিৰিণ গগৈ ছাৰ, ˚ তুলসী গগৈ ছাৰ, উপাধ্যক্ষ ˚ সুৰেশ দাস ছাৰৰ প্ৰতিও আমাৰ অগাধ ভক্তি আছিল। মহাবিদ্যালয়ত আটাইতকৈ বেছি ভয় লাগিছিল মাননীয় অধ্যক্ষ গোলাপ বৰগোহাঁই ছাৰ আৰু উপাধ্যক্ষ প্ৰয়াত সুৰেশ দাস ছাৰলৈ। তেওঁলোক এফালে গ'লে মই আনফালে যাওঁ। পিছত গম পাইছিলো বাহিৰখন কঠোৰ হ'লেও ভিতৰখন অতি মৰমীয়াল আছিল। অতি দৃঢ় অনুশাসন, শৃংখলাবদ্ধতা আছিল সেইসময়ত। সেয়ে আমি সেই অনুশাসন মানি চলিবলৈ চেষ্টা কৰিছিলো।

আজি সকলো চিৰ নমস্য শিক্ষাগুৰুলৈ মোৰ শ্ৰদ্ধা, সেৱা আৰু ভক্তিভৰা প্ৰণিপাত যাঁচিলো। তেওঁলোকে প্ৰদান কৰা জ্ঞানৰ অবিহনে আমি নিজকে প্ৰতিষ্ঠা কৰিব নোৱাৰিলোহেঁতেন। মহাবিদ্যালয়ত

লাভ কৰা অভিজ্ঞতা, আহৰণ কৰা শিক্ষাই জৰিয়তে পৰৱৰ্তী সময়ত ভৱিষ্যত সমাজৰ এগৰাকী সু-নাগৰিক হোৱাৰ চেষ্টা অব্যাহত ৰাখিছো।

সেই সময়ত মহাবিদ্যালয়লৈ খোজকাঢ়ি নতুবা "ভেনেট"ত গৈছিলো। "ভেনেট"ত মাত্র পঁচিশ পইছা ভাড়া আছিল। পিছলৈ পঞ্চাশ পইছা হৈছিলগৈ। ঘৰত আৰ্থিক সমস্যাৰ বাবে আমি ল'ৰা-ছোৱালীবোৰে কেতিয়াবা নিজেই যাতায়তৰ খৰচ উলিয়াই লৈছিলো। ঘৰৰ পৰা কুকুৰা কণী, তামোল গছৰ তলত সৰি থকা তামোল, চাউল আদি নি ভজোৰ "কটীয়া" বৰ পাইৰ দোকানত দি পইচা লৈ কলেজ যাওঁ। ভেনেটৰ ভাড়া হৈ যায় আৰু ৰাহি হোৱাখিনি পিছৰ দিনকেইটাৰ বাবে সাঁচি থওঁ। মাজে মাজে জুৰি দেৱী বাইদেউ, উমা আচাৰ্য আৰু মই টিয়ক চাহ বাগিছাৰ মাজেৰেও খোজকাঢ়ি কলেজ গৈছিলো।

কলেজৰ বসুমতাৰী ছাৰ, দাজু দা, মিনেশ্বৰ ককাইদেউ, শিৱসাগৰৰ পৰা অহা ভূএগ্ৰা দা, কমল কাই, ভৱ বৰুৱা দেৰৰ কথাও এই মুহূৰ্তত মনলৈ আহিছে। সোণালী জয়ন্তীৰ পবিত্ৰক্ষণত তেখেত সকললৈয়ো মোৰ শ্ৰদ্ধা নিবেদিলোঁ। মোৰ ভাইটী ভৱজ্যোতি বৰুৱা, ভণ্টি শান্তনা বৰুৱা এই মহাবিদ্যালয়ৰে অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰী আছিল। ভাইটী ধৰ্মজ্যোতি বৰুৱা মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদক আছিল আৰু শ্ৰেষ্ঠ নাট্যকাৰ, শ্ৰেষ্ঠ অভিনেতা আছিল।

১৯৮৮-৮৯ চনত ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদিকা হিচাবে মই নিৰ্বাচিত হৈছিলো। সেই সময়ত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আছিল বৰ্তমানৰ যোৰহাট লোকসভা সমষ্টিৰ সাংসদ শ্ৰীযুত তপন কুমাৰ গগৈ। গুৰু খেল বিভাগৰ সম্পাদক আছিল ভূপেন গগৈ, তৰ্ক বিভাগৰ ৰঞ্জনা কাকতি, সাহিত্য বিভাগৰ ডিম্ব ৰাজকোঁৱৰ, সংগীত বিভাগৰ নীলিমা বৰা সম্পাদক আছিল। সাংস্কৃতিক বিভাগৰ সম্পাদকৰ নাম মনলৈ আনিবলৈ চেষ্টা কৰিও আনিব পৰা নাই। আলোচনী সম্পাদিকা হিচাপে এখন সৰ্বাংগ সুন্দৰ আলোচনী প্ৰকাশ কৰাৰ কথা মনতে পুহি ৰাখিছিলো আৰু তাৰবাবে বহুত চেষ্টাও কৰিছিলো। কিন্তু সেইসময়ত মহাবিদ্যালয়ৰ পুঁজিৰ একেবাৰে অভাৱ আছিল। এদিন ভয়ে ভয়ে অধ্যক্ষ মহোদয়ৰ কোঠালৈ গৈ কথাবোৰ তেখেতক সেৱাত ক'লে যে — "আলোচনী প্ৰকাশ কৰিব পাৰিলে ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকশিত হ'ব ঠিকেই। তুমিও তাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছা। কিন্তু আলোচনীখন প্ৰকাশ কৰিব পৰাকৈ মহাবিদ্যালয়ৰ পুঁজিৰ অভাৱ। তথাপিও তুমি তোমাৰ কামখিনি কৰি থাকা।" মৰসাহ কৰি ছাৰৰ কোঠাত সোমাই এনেদৰে কথা পাতি ওলাই আহি স্বস্তিৰ নিশ্বাস পেলাইছিলো। তেতিয়া আমাৰ সোণাৰিত প্ৰিন্টিং প্ৰেছৰ অভাৱ আছিল। সেইবাবে শিৱসাগৰৰ মহন প্ৰিন্টিং প্ৰেছত কামবোৰ কৰাইছিলো। কিন্তু অৰ্থৰ অভাৱৰ বাবেই পিছত অচিন্ত্য দিহিঙ্গীয়াৰ কাৰ্যকালৰ আলোচনীৰ সতে লগ লগাই দুয়োখন দুটা ভাগ কৰি একেলগে প্ৰকাশ কৰা হ'ল। কিমান কষ্ট হৈছিল সেই কথা ভাবিবই নোৱাৰি এতিয়া।

বন্ধু তপন (বৰ্তমান সাংসদ), ডিম্ব, নীলিমা, ৰঞ্জনা, ভূপেন আমি সকলো লগ লাগি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অভাৱ আৰু সমস্যা দূৰ কৰিবৰ বাবে চেষ্টা কৰিছিলো। মই শিক্ষাতত্ব বিভাগৰ ছাত্ৰী আছিলো যদিও ৰাজনীতি বিজ্ঞান বিভাগৰ অৰুন্ধতী গগৈ, প্ৰতিমা বৰগোহাঁই বাইদেউ, মালা গগৈ বাইদেউ, বিনোদ, আমাৰ কাৰ্যকালৰ উপ-সভাপতি অতুল ৰাজকোঁৱৰ ককাইদেউ, অমল ককাইদেউ, ˚ৰাজীৱ মহন বৰুৱা, ˚দলবীৰ তামাং, অতুল গগৈ, পাপৰি গগৈ বাইদেউ, অসমীয়া বিভাগৰ স্মৃতিৰেখা গগৈ বাইদেউ, হিৰণ্য দুৱৰা বাইদেউ, ৰুক্মিণী বাইদেউ, মফিদা বাইদেউ, ইৰা বাইদেউ, অৰ্থনীতি বিভাগৰ তনু গগৈ, (বৰ্তমান



ভাৰতীয় জীৱন বীমা নিগমৰ কৰ্মচাৰী) আদিৰ লগতে গোলাপ টিপমীয়া, ৰঞ্জু গগৈ (ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰ যুৱবাণীৰ ঘোষক আছিল) আদিৰ লগত আমাৰ বৰ মিলাপ্ৰীতি আছিল। তদুপৰি মাধু দেৱী বাইদেউ, সহপাঠী মণীষা ভাগৱতী, ˚হবিবুৰ ৰহমান ককাইদেউ, পূৰ্ণানন্দ বুঢ়াগোহাঁই আদি জ্যেষ্ঠ কণিষ্ঠৰ সতে আমাৰ বন্ধুত্ব সম্পৰ্ক গঢ় লৈ উঠিছিল। ৰঞ্জন গগৈ, কমল গগৈ, ৰাতুল চেতিয়া ফুকন আদি জ্যেষ্ঠজনক দেখিলে আঁতৰি দিছিলো। এনেকৈয়ে মহাবিদ্যালয়খনতে শিকিছিলো সমনীয়াৰ প্ৰতি বন্ধুত্ব সুলভ আচৰণ, জ্যেষ্ঠজনৰ প্ৰতি শ্ৰদ্ধা আৰু কণিষ্ঠৰ প্ৰতি মৰম-স্নেহৰ পাঠ। শিকিছিলো শিক্ষাগুৰুৰ প্ৰতি সন্মান, অনুষ্ঠান পৰিচালনাৰ নীতি-নিয়ম, নেতৃত্ব দিয়াৰ দক্ষতা আদি।

আমাক শিক্ষাতত্ব বিভাগৰ পৰা তেজপুৰলৈ শিক্ষামূলক ভ্ৰমণৰ বাবে নিছিল। আমাৰ সতে ৰাণু বাইদেউ গৈছিল। আমাৰ চিনিয়ৰ মণিমালা মহন বাইদেউহঁতো গৈছিল। তেজপুৰৰ উষা নগৰীত, বাণ ৰজাৰ ৰাজ্যত সোমাই আমি অতিশয় আনন্দিত হৈছিলো। তাত থকা সকলো প্ৰাচীন কীৰ্তিচিহ্ন চোৱাৰ আমাৰ সৌভাগ্য হৈছিল। কলিয়া ভোমোৰা দলং দেখি মনটোত আনন্দ অনুভৱ কৰিছিলো। বৰ্তমানৰ অগ্নিগড়টোৰ ওপৰলৈকে অকাই-পকাই উঠি গৈছিলো। পিছত মূৰ ঘূৰাইছিলো। বামুণী পাহাৰৰ শিলবোৰ দেখি তাতেই কবিতা ৰচিছিলো। সেইসময়ত ঐতিহ্য নগৰী দেখি বাণ ৰজাৰ ৰাজত্ব কালৰ কথাবোৰ মনলৈ আহিছিল।

ভাৰতবৰ্ষৰ ব্যস্ত চহৰ কলিকতালৈ পুনৰ শিক্ষামূলক ভ্ৰমণলৈ যোৱাৰ সৌভাগ্য ঘটিছিল। কৃষক দেউতাই যেনেতেনে গাড়ী ভাড়া, হাত খৰচৰ যোগাৰ কৰি দিছিল। কলিকতাৰ ঐতিহাসিক স্থানবোৰ চোৱাৰ লগতে আমি উৰিষ্যাৰ দীঘালৈ গৈছিলো। প্ৰথম সাগৰ দেখাৰ সৌভাগ্য ঘটিছিল মনত পৰিছিল আৰু আঁওৰাইছিলো দেৱকান্ত বৰুৱাৰ বিখ্যাত "সাগৰ দেখিছা" কবিতাটোলৈ। শ্ৰদ্ধাৰ পল্টু পাল ছাৰ, আৰু বীণা বৰঠাকুৰ বাইদেউৱে নিজৰ কন্যাৰ দৰে মৰম আদৰ কৰি আমাৰ সকলো দায়িত্ব গ্ৰহণ কৰিছিল।

সৰুৰে পৰা সাহিত্য সংস্কৃতিৰ প্ৰতি মোৰ যথেষ্ট ৰাপ আছিল। ভজো এম ই স্কুলত পঢ়া দিনৰে পৰা প্ৰবন্ধ, ৰচনা, কবিতা লিখিবলৈ আৰম্ভ কৰিছিলো। আৰু পুৰস্কাৰ পাইছিলো। পি. কে. বি. স্কুলত থাকোতেও ঠাইতে লিখা বিভিন্ন প্ৰতিযোগিতা, কুইজ আদি চৰাইদেউ মহকুমা ভিত্তিত, শিৱসাগৰ জিলা ভিত্তিত পুৰস্কাৰ পাইছিলো। এই ধাৰাটো মহাবিদ্যালয়তো অক্ষুন্ন ৰাখিবলৈ যত্ন কৰি মহাবিদ্যালয়ৰ বিভিন্ন সাহিত্য প্ৰতিযোগিতাত অংশগ্ৰহণ প্ৰথম, দ্বিতীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিলো। মহাবিদ্যালয়ৰ দ্বিতীয় বৰ্ষত থাকোতেই সদৌ অসম ভিত্তিত বহুকেইটা পুৰস্কাৰ পাবলৈ সক্ষম হৈছিলো। বাতৰি কাকতত সোণাৰি মহাবিদ্যালয়ৰ ছাত্ৰী হিচাবে প্ৰথম পুৰস্কাৰ লাভ কৰা বাতৰিবোৰ দেখি মনটো উৎসাহেৰে তেতিয়া ভৰি পৰে।

মহাবিদ্যালয়ৰ সৰস্বতী পূজা, বিশ্বকৰ্মা পূজা, শিক্ষক দিৱস আদিত আমি সক্ৰিয় অংশগ্ৰহণ কৰিছিলো। আমি সকলোৱে দিহানাম গাইছিলো। সংগীত প্ৰতিযোগিতাবোৰত দলীয় বা সমবেত সংগীতত অংশগ্ৰহণ কৰি যথেষ্ট আনন্দ লাভ কৰিছিলো।

সঁচা কথাত সোণাৰি মহাবিদ্যালয়ে আমাক কেৱল পাঠ্যপুথিৰ জ্ঞান প্ৰদান কৰাতে সীমাবদ্ধ নেথাকি সাহিত্য-সংস্কৃতি চৰ্চা কৰিবলৈ এখন উপযুক্ত মঞ্চ তৈয়াৰ কৰি দিছিল। নিজৰ ঘৰুৱা আৰ্থিক দৈন্যতা, অন্যান্য সমস্যা সকলো পাহৰি নিজৰ ব্যক্তিত্ব গঢ়িবৰ চেষ্টা কৰাৰ লগতে সুপ্ত প্ৰতিভাৰাজি বিকাশ কৰি মানৱীয় গুণ অৰ্জন কৰি মানৱীয় প্ৰমূল্যবোধৰ উন্মেষেৰে নিজকে গঢ়ি তোলাৰ চেষ্টা কৰিছিলো।

সোণাৰি মহাবিদ্যালয় যেনেকৈ সোণাৰিৰ প্ৰাণ, তেনেকৈ আমাৰ দৰে আৰ্থিকভাৱে দুদৰ্শাগ্ৰস্ত অজস্ৰ আলোকসন্ধানী শিক্ষাৰ্থীৰ প্ৰাণ, জীৱন প্ৰতিষ্ঠা কৰা এক সপোনৰ কেন্দ্ৰস্থল।

আজিও মনত পৰে ভয়ে ভয়ে মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰলৈ সোমাই গৈ শিক্ষাতত্ব বিভাগৰ শ্ৰেণীকোঠা বিচাৰি ফুৰাৰ দৃশ্য। শাৰী শাৰী কৃষ্ণচুড়া, বকুলৰ সুভাসেৰে আৱৰা মহাবিদ্যালয়ৰ চৌহদৰ ঘাঁহনিত সমনীয়াৰ সতে কৰা আলাপৰ মুহূৰ্তবোৰ আজিও চকুৰ আগত ভাঁহি থাকে। আজিও মনত পৰে —

"সমনীয়াৰ সতে কৰা
অন্তৰংগ আলাপ
গোলাপ গোলাপ
উমাল সংলাপ'ৰ

সেই অফ পিৰিয়দৰ সময়বোৰলৈ। য'ত কটকটীয়া হৈছিল আমাৰ বন্ধুত্বৰ এনাজৰী ডাল। যি এনাজৰী সোণালী সূঁতাৰে আজিও বান্ধ খাই আছে।

১৯৯১ চনত স্নাতক ডিগ্ৰী গ্ৰহণ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰাৰ বাবে ঢাপলি মেলিলো। লগতে লৈ সোণাৰি মহাবিদ্যালয়ৰ এবুকু স্মৃতি, সৰু বৰ বহু ঘটনা, পৰিঘটনা আৰু হৃদয়ৰ বাখৰুৱা মণিবোৰ। জ্ঞানপিপাসু, বৌদ্ধিক চেতনা সম্পন্ন, পোহৰ পিয়াসী ব্যক্তিসকলৰ প্ৰচেষ্টাত ১৯৭০ চনৰ ৫ আগষ্টত সোণাৰিৰ মাজমজিয়াত প্ৰতিষ্ঠা লাভ কৰা সোণাৰি মহাবিদ্যালয়ে আমাৰ হেঁপাহৰ জ্ঞান সাধানাৰ স্থলী সোণাৰি মহাবিদ্যালয়ে আজি ৫০ বছৰ অতিক্ৰমি ৫২ বছৰত ভৰি দিলে। বিশ্বজুৰি ত্ৰাসৰ সৃষ্টি কৰা ক'ভিড মহামাৰীৰ বাবে মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানটি সেইবাবে ২০২০ বৰ্ষত অনুষ্ঠিত কৰিব নোৱাৰিলে। কিন্তু মাননীয় সাংসদ তপন কুমাৰ গগৈদেৱৰ উৎসাহ আৰু সহযোগিতাত, বিধায়ক তথা প্ৰাক্তন ছাত্ৰ ধৰ্মেশ্বৰ কোঁৱৰদেৱৰ সহযোগিতাত সামৰণি অনুষ্ঠানে বাট বুলিলে, হাত উজান দিলে সমূহ শিক্ষক-কৰ্মচাৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ সংস্থা, বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন শিক্ষক-কৰ্মচাৰী আৰু বৃহত্তৰ সোণাৰি বাসী ৰাইজে।

সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ শুভ মুহূৰ্তত সকলো চিৰ নমস্য ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু ভক্তিভৰা সেৱা নিবেদিলো। সোণাৰি মহাবিদ্যালয়ৰ সুনামে দেশে-বিদেশে সৌৰভ বিলাওক, নতুন চামে শিক্ষাৰ জ্যোতিৰে দেশ আৰু সমাজক উজ্জ্বলাই তোলক তাকে কামনা কৰিছো। হৃদয়ৰ মণিকোঠাৰ হাতনিপেৰাৰ বাখৰুৱা কলাজৰ পৃষ্ঠাবোৰ সময়ৰ অভাৱত আধাতে সামৰিলো। শেষত সোণাৰি মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নতি কামনা কৰিলো।

জয়তু সোণাৰি মহাবিদ্যালয়।

ঃঃঃঃ



## অনুভৱ

থানু মহন
প্ৰাক্তন ছাত্ৰ-১৯৮৭-৯২

জয়জয়তে সোণাৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ মহোদয়, শিক্ষাগুৰু সকল, মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল, মহাবিদ্যালয়ৰ বৰ্ষজোৰা সোণালী জয়ন্তীবৰ্ষৰ সামৰণি অনুষ্ঠানৰ প্ৰাক্‌ক্ষণত আন্তৰিক হিয়াভৰা ওলগ আৰু মৰম যাচিলো।

১৯৮৭ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ সোণাৰি মহাবিদ্যালয়ত উচ্চতৰ প্ৰথম বৰ্ষত নামভৰ্তি কৰিবলৈ সুযোগ পাইছিলো। সেই তেতিয়াৰে পৰা ১৯৯২ চনলৈকে একেৰাহে ৫ টা বৰ্ষ মহাবিদ্যালয়খনত অধ্যয়ন কৰিছিলো। অধ্যয়নৰ কালছোৱাতে এই মহাবিদ্যালয় খনৰ যোগেদি, বৃহত্তৰ চৰাইদেউ মহকুমাৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত হ'বলৈ সুবিধা পাইছিলো। মহাবিদ্যালয়খনত অধ্যয়নৰ কালছোৱাতে সোণাৰি অঞ্চলৰ বৌদ্ধিক সমাজখনৰ লগত জড়িত হৈ ব্যক্তিগত জীৱনত কিছু অভিজ্ঞতা লাভ কৰিবলৈ সুবিধা পাইছিলো। সোণাৰি মহাবিদ্যালয় পৰাই ১৯৮৯ চনত উচ্চতৰ চুড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ B.A. ক'লা শাখাত প্ৰথম বৰ্ষত নাম ভৰ্তি কৰিছিলো আৰু সেই বছৰতেই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ পদত জয়ী হৈ মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ সেৱা কৰিবলৈ সুবিধা পাইছিলো। মোৰ কাৰ্যকাল শেষ হ'বলৈ এটা মাহ বাকী থকাৰ সময়তে অসমত ১৯৯০ চনৰ ডিচেম্বৰ মাহত ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তন কৰিছিল আৰু তিনিখনকৈ সেনা বাহিনীৰ বিশেষ ক্ষমতা আইন জাপি দিছিল। ইয়াৰ প্ৰভাৱ সমগ্ৰ অসমৰ লগতে আমাৰ মহাবিদ্যালয় খনতো বাৰুকৈয়ে পৰিছিল। কলেজ হোষ্টেলৰ পৰা ছাত্ৰসকল আকস্মিকভাৱে ছাত্ৰ সকল ঘৰলৈ গুচি যাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছিল। এতিয়াৰ শৈক্ষিক পৰিবেশ আৰু আমাৰ দিনৰ শৈক্ষিক পৰিবেশৰ মাজত বহু তাৰতম্য দেখিবলৈ পাওঁ।

যিকি নহওঁক মহাবিদ্যালয়ৰ ৫০ টা বৰ্ষ অতিক্ৰম কৰাৰ শুভ ক্ষণত মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ সন্মানীয় শিক্ষাগুৰু শ্ৰীযুত গোলাপ বৰগোহাঁই ছাৰ শ্ৰীচৰণত সেৱা জনাইছো আৰু ছাৰৰ দীৰ্ঘায়ু কামনা কৰিছো। মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষৰ সকলো কাৰ্যসূচীতে সন্মুখৰ পৰা নেতৃত্ব দিয়া মহাবিদ্যালয়ৰ প্ৰাঃ ছাত্ৰ, প্ৰাঃ সাধাৰণ সম্পাদক বৰ্তমান যোৰহাট লোকসভাৰ সাংসদ শ্ৰীযুত তপন কুমাৰ গগৈ দেৱলৈ শুভেচ্ছা জনাইছো আৰু মহাবিদ্যালয়খনৰ বৰ্তমানৰ অধ্যক্ষ শ্ৰীযুত বিমল কুমাৰ গগৈদেৱ মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকল, কৰ্মচাৰীবৃন্দ, প্ৰাঃ ছাত্ৰ-ছাত্ৰী সকলোকে সেৱা জনাই সোণালী জয়ন্তী বৰ্ষ সকলো ভাৱে পালন হওঁক তাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই সামৰণি মাৰিছো।

জয়তু সোণাৰি মহাবিদ্যালয়।

ঃঃঃঃ

# সোণাৰি মহাবিদ্যালয় ঃ আমাৰ সোণসেৰীয়া শিক্ষা জীৱনৰ চমু অৱলোকন

অমলা গগৈ
বৰহাট

চন ১৯৯৮। সুদূৰ বৰহাটৰ পৰা আহি শিক্ষাগ্ৰহণৰ এক প্ৰবল ইচ্ছা বুকুত বান্ধি উপস্থিত হৈছিলো সোণাৰি মহাবিদ্যালয়ত। নতুন এক বহল পৰিবেশত নানা ঠাইৰ পৰা অহা বহু ছাত্ৰ-ছাত্ৰীৰ স'তে চিনাকী হোৱাৰ সুযোগ লাভ কৰিছিলো। তেতিয়া মহাবিদ্যালয়ৰ অধ্যক্ষা আছিল। মহাবিদ্যালয়ৰ প্ৰৱেশ দ্বাৰেদি সোমাই গ'লে কৃষ্ণচূড়া গছৰ মাজেৰে সৰু বাটচ'ৰাটো গছকি কাউণ্টাৰৰ পোনে পোনে থকা ১ নম্বৰ কোঠাত আমি ইংৰাজী ক্লাছ কৰিছিলো। এটা দীঘল শ্ৰেণীকোঠাত প্ৰায় ২০০ ৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী ক্লাছ কৰিছিলো। ইংৰাজী বিষয়ৰ শিক্ষক সুনীল দত্ত ছাৰৰ সলসলীয়া ইংৰাজী পঢ়ুওৱাৰ ধৰণে আমাক সদায় মুগ্ধ কৰি ৰাখিছিল। ইংৰাজী বিষয়ৰ শিক্ষয়িত্ৰী দীপাঞ্জলি বাইদেউ আমাৰ বাবে অতি আকৰ্ষণৰ বিন্দু আছিল। যিহেতু বাইদেউৰ ইংৰাজী কোৱাৰ ধৰণ আছিল ষ্টেণ্ডাৰ্ড আৰ্হিৰ। দীপাঞ্জলি বাইদেউৰ ইংৰাজী ক্লাছ সেয়ে আমি কেতিয়াও খতি কৰা নাছিলো।

মোৰ সন্মানীয় বিষয় আছিল ৰাজনীতি বিজ্ঞান। ৰাজনীতি বিজ্ঞানৰ Head of the department আছিল গণেশ বৰুৱা ছাৰ। ছাৰক প্ৰথমে খুউব ভয় কৰিছিলো যদিও পাছলৈ ছাৰ আমাৰ প্ৰিয় হৈ উঠিছিল। তেওঁ ৰাজনীতি বিজ্ঞানৰ কিতাপ ব্যৱহাৰ নকৰাকৈয়ে এফালৰ পৰা সলসলীয়াকৈ বক্তৃতা দি বুজাই যাব জানিছিল। বিনোদ খনিকৰ ছাৰৰ বন্ধুত্বসুলভ স্বভাৱৰ বাবে ছাৰ আমাৰ মেজৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত জনপ্ৰিয় আছিল।

ছাত্ৰী নিবাসত থাকি আমি যিহেতু শিক্ষা গ্ৰহণ কৰিছিলো সেই সূত্ৰে ৱাৰ্ডেন হিচাপে ৰাণু মহন বাইদেউক পাইছিলো ঘনিষ্ঠভাৱে। বাইদেউৰ গহীন গম্ভীৰ খোজ আৰু মাতষাৰত অভিভাৱকত্বৰ সুৰ শুনা পাইছিলো। আমি বাইদেউৰ প্ৰতি থকা সমীহ ভাবৰ বাবেই ছাত্ৰী নিবাসৰ পৰা মহাবিদ্যালয়লৈ অহা পথটোৰ বাদে আনকোনো পথেদি মহাবিদ্যালয়ৰ মূল প্ৰৱেশদ্বাৰলৈকেও যোৱা নাছিলো। যিহেতু আমাক বান্ধি দিয়া পথেদিহে ক্লাছ কৰিবলৈ যাব লগা হৈছিল। বাইদেউ আছিল আমাৰ বাবে অতি শ্ৰদ্ধাৰ আৰু নমস্য ব্যক্তি।

কলেজত যি সময়ত ক্লাছ নাথাকিছিল আমি দেৱদাৰু গছৰ তলত বহি আড্ডা দিছিলো। ভাল লাগিছিল ক্লাছলৈ অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰী সকলক নিৰীক্ষণ কৰি। মহাবিদ্যালয়ৰ কলেজ সপ্তাহ আৰম্ভ হ'লে আমি সকলোৱে অংশগ্ৰহণ কৰি আনন্দিত হৈছিলো। প্ৰথম কলেজতে মাৰাথান দৌৰ দেখিছিলো। দবা, সাহিত্য, নাটক আদি খেলত অংশগ্ৰহণ কৰি মইও পুৰস্কৃত হৈছিলো। মাৰ্চ পাৰ্চ প্ৰতিযোগিতা অংশ লৈ দ্বিতীয় পুৰস্কাৰ লাভ কৰিছিলো। ছাত্ৰী নিবাসৰ ছাত্ৰীসকলে একাংকিকা নাট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিও পুৰস্কৃত হৈছিলো। যিহেতু ছোৱালীৰ বাবে নাটৰ অভাৱ আছিল সেয়ে নিজেই লিখি হলেও নাটত অংশ লোৱাৰ সুযোগ লাভ



কৰিছিলো। শ্ৰদ্ধাৰ দীপক কলিতা দাদা আছিল আমাৰ নাটৰ গুৰু। আমাৰ সময়ৰ কলেজ সপ্তাহত দুবাৰকৈ শ্ৰেষ্ঠ গায়কৰ সন্মান লাভ কৰা প্ৰশান্ত ৰাজখোৱা বৰ্তমান সময়ৰ দূৰদৰ্শন কেন্দ্ৰৰ এজন প্ৰতিষ্ঠিত গায়ক। শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰিছিল দীপাস্মিতা ৰাউত। সেই সময়ত আন্তঃ মহাবিদ্যালয়ত তৰ্ক প্ৰতিযোগিতাতো দীপাস্মিতাই শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰিছিল। শ্ৰেষ্ঠ অভিনেতা অভিনেত্ৰীৰ সন্মান লাভ কৰিছিল ফিৰোজা বেগম, ধৰ্মজ্যোতি বৰুৱা। কলেজ সপ্তাহৰ সামৰণিৰ পাছত আমাৰ মনবোৰ ভাগৰুৱা হৈ উঠিছিল একসপ্তাহ জোৰা উখল-মাখলৰ পাছত। মহাবিদ্যালয়ৰ সৰস্বতী পূজাৰ দিনটোও আমাৰ বাবে অতি আনন্দৰ দিন আছিল। কাৰণ সেইদিনটো আমাৰ ছাত্ৰী নিবাসৰ ছাত্ৰীসকলৰ বাবে থকা বাধ্যবাধকতা কিছু পৰিমাণে কমাই দিয়া হৈছিল।

স্মৃতিৰ মণিকোঠাত এতিয়াও ভাঁহি আহে আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ মুখবোৰ। গণেশ বৰুৱা ছাৰ, ৰাণু মহন বাইদেউ, ৰতিপ্ৰভা বাইদেউ, দীপাঞ্জলি বাইদেউ, কাশ্মিৰী বাইদেউ, বিজয়লক্ষী বাইদেউ, বিনোদ খনিকৰ ছাৰ, সুনীল দত্ত ছাৰ, অঞ্জুআৰা বাইদেউ, তুলসী গগৈ চাৰ এইসকল নমস্য ব্যক্তি আমাৰ বাবে চিৰস্মৰণীয়। এওঁলোকৰ বাবেই আজি মই নিজক এই স্থানত উপনীত কৰাইছোহি। তেওঁলোকলৈ এই লিখনিৰ দ্বাৰাই অসীম কৃতজ্ঞতা জনালো।

মোৰ লগৰ লগৰীয়াৰ ভিতৰত ক্ৰমে অমৰজিৎ চাংমাই, সোনাৰাম চেতিয়া, জোন ফুকন, মুনীন্দ্ৰ বাইলুং, দীপজ্যোতি দিহিঙীয়া, লোহিত গগৈ, ভোলা গগৈ, ছেংমুং ফুকন, দুলেন দত্ত, মিনাক্ষী কটকী, মৌচুমী গগৈ, নিৰ্জুমণি চাংমাই, লক্ষ্যহীৰা ৰাজকুমাৰী, মৌচুমী সোণোৱাল আদিয়ে প্ৰধান। তিনিটা বছৰৰ শিক্ষাগ্ৰহণৰ অন্তত লগৰ সকলৰ পৰা যেতিয়া বিদায়ৰ দিন সমাগত হৈছিল অন্তৰ শোকেৰে ভৰি উঠিছিল। নিচেই চমু যেন লাগিছিল এই সোণসেৰীয়া যাত্ৰাপথৰ সময়চোৱা।। এৰি যাবলৈ মনে নকৈছিল। কিন্তু গতিশীল জীৱনৰ অৱধাৰিত নিয়ম মানি আমি নতুন পথৰ সন্ধানত এৰি যাবই লাগিব পুৰণিক। গতিকে বহু স্মৃতি বুকুত বান্ধি এৰি আহিছিলো অতি মৰমৰ সোণাৰি মহাবিদ্যালয়খনক লগতে আমাৰ মৰমৰ স্মৃতি বিজড়িত ছাত্ৰী নিবাসটো। এতিয়াও যেতিয়া সেইফালে যাওঁ প্ৰৱেশদ্বাৰখনলৈ চালে স্মৃতিবোৰে যেন ৰিঙিয়াই মাতে। পুনৰ ঘূৰি যাবলৈ মন যায় কলেজীয়া দিনবোৰৰ বুকুলৈ। কিন্তু সময়ে সেই সুবিধা আৰু নিদিয়ে। গতিকে সোণালী জয়ন্তীৰ এই শুভ মুহূৰ্তত মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ লেখা ইমানতে সামৰিছো।

শেষত প্ৰতিজন শিক্ষাগুৰুলৈ শ্ৰদ্ধা নিবেদিছো। জয়তু সোণাৰি মহাবিদ্যালয়।

০০০০

# স্মৃতিৰ একলম

বিলেশ্বৰ চেতিয়া
প্ৰাক্তন ছাত্ৰ-১৯৯০

লিখনিৰ আৰম্ভণিতে ১৯৭০ চনত যি সকল সমাজ সচেতন ব্যক্তিয়ে চৰাইদেউৰ প্ৰাণকেন্দ্ৰ সোণাৰিত এখন মহাবিদ্যালয়ৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল, তেখেতসকলক শতকোটি প্ৰণাম জনাইছো। সেইসকল মহান মনিষীৰ চিন্তাত গঢ় লৈ উঠা সোণাৰি মহাবিদ্যালয়ে সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিছে। এই সময়ছোৱাত মহাবিদ্যালয়খনে শিক্ষা ক্ষেত্ৰত অসমৰ ভিতৰতে আগশাৰী শিক্ষানুষ্ঠানৰূপে জিলিকি উঠিল। চৰাইদেউ জিলাৰ এনে এখন গাঁও নাই, এনে এটা অঞ্চল নাই য'ত এই মহাবিদ্যালয়ৰ জ্ঞানৰ পোহৰ পৰা নাই। পূৱে বৰহাটৰ পৰা পশ্চিমে গড়গাঁওলৈ, উত্তৰে মৰাণৰ পৰা দক্ষিণে অৰুণাচল, নাগালেণ্ড সীমান্তলৈকে এই বৃহত্তৰ অঞ্চলটো শিক্ষাই আলোকিত কৰিছিল, এই সোণাৰি মহাবিদ্যালয়ে।

এই মহাবিদ্যালয়তে মই ১৯৯০ চনত স্নাতক কলা শাখাত নামভৰ্তি কৰিছিলো। নতুন উচাহ। বাছেৰে ঘৰৰ পৰা অহা-যোৱা কৰো। বাছৰ ভাড়া ২ টকা 'ৰুমি' আৰু 'লক্ষী' নামৰ দুখন বাছতে সাধাৰণতে অহা-যোৱা হয়। কেতিয়াবা ট্ৰেন্সপট ৰঙা বাছতো আহো। সকলোৰে পৰিচিত হালৈ দা এই ৰঙা বাছৰ কনডাক্তৰ আছিল। কেতিয়াবা পইচা লয়, কেতিয়াবা নলয়। দূৰ-দূৰণিৰ পৰা অহা বন্ধু-বান্ধৱীসকলৰ লগত বন্ধুত্ব গঢ় লৈ উঠিল। শিক্ষাৰ লগতে, খেলা-ধূলা কৰি সময়বিলাক অতিবাহিত কৰিছিলো। সময় পালেই ভলীবল খেলিছিলো। এই মহাবিদ্যালয়ৰ মোৰ স্মৰণীয় দুটামান ঘটনা লিপিবদ্ধ কৰিব বিচাৰিছো।

কলেজৰ ছাত্ৰ একতা সভা নিৰ্বাচন আহিল। বন্ধুসকলে মোক খেল বিভাগৰ সম্পাদকৰ দায়িত্ব লোৱাৰ কথা কৈছিল। মোৰো ইচ্ছা আছিল। নিৰ্বাচনৰ মনোনয়ন দিয়া দিনা বিশেষ কাৰণত কলেজলৈ যাব নোৱাৰিলো। সেইদিনা মোৰে সহপাঠী শশী দেওঘৰীয়াই খেল বিভাগৰ মনোনয়ন দাখিল কৰিলে। মোৰ বাবে সাংস্কৃতিক বিভাগটো ৰাখিলে। ইতিমধ্যে এই বিভাগটো ২য় বাৰ্ষিক ছাত্ৰ জীতেন গগৈদেৱে মনোনয়ন দাখিল কৰিলে। মোৰ অনিচ্ছা স্বত্বেও বন্ধুসকলৰ কথা ৰাখি মনোনয়ন পত্ৰ দাখিল কৰিলো। দুয়ো আলোচনা কৰিলো যে দুয়োজনে নিৰ্বাচনী প্ৰচাৰ নচলাও আৰু বন্ধুত্বপূৰ্ণ নিৰ্বাচন খেলিম। কিন্তু মই শ্ৰেণী চলি থকা অৱস্থাত ২য় বাৰ্ষিকত মাননীয় ৰবিন কোঁৱৰ চাৰ, মাননীয় ँ তুলসী গগৈ চাৰ আৰু মাননীয় বিমলা ফুকন চাৰৰ ক্লাচ চলি থকা অৱস্থাত চাৰৰ অনুমতি লৈ নিৰ্বাচনী প্ৰচাৰ চলালো। যথা সময়ত নিৰ্বাচন অনুষ্ঠিত হ'ল। মই ১৮ টা ভোটৰ ব্যৱধানত জয়ী হ'লো। আলোচনা নিয়ম ভঙ্গ অপৰাধত জিতেন দা হঁতক চাহ-মিঠাই খুৱাব লগা হ'ল।

সাংস্কৃতিক সম্পাদক হোৱাৰ পিছত দিনৰ পাছত শংকৰদেৱৰ তিথি আহিল। সেই সময়ত নতুনকৈ বিজ্ঞানৰ ৰূম এটা লোৱা কথা আলোচনা হ'ল। সেইদিনা কাৰ্য্যসূচীৰ বাবে একতা সভাৰ পৰা ৫০০০ (পাঁচ হাজাৰ) টকা অনুমোদন কৰি লোৱা হ'ল আৰু এখনি আলোচনা চক্ৰও আয়োজন কৰাৰ সিদ্ধান্ত হয়। তিথি দিনা নতুন শ্ৰেণীকোঠাত নিৰ্দিষ্ট সময়ত মাংগলিক কাৰ্য্য আৰম্ভ কৰিব লাগে। প্ৰস্তাৱ আহিল সাংস্কৃতিক



সম্পাদকে প্ৰথমে হৰি নাম আৰম্ভ কৰিব লাগে। মহা বিপদত পৰিলো। কাৰণ সাংস্কৃতিক সম্পাদকে হৰি নাম গাব নাজানে! ঠিক সেই সময়তে কলেজৰ কৰ্মচাৰী মিনেশ্বৰ কাই আৰু জিতেন গগৈদেৱে হৰি নামৰ কিতাপ এখন মোক যোগাৰ কৰি দিলে। কিতাপখন চাই চাই হৰি নাম আৰম্ভ কৰিলো। বন্ধুসকলে সকলোৱে সহযোগ কৰিলে। দেখা গ'ল কেইজনমান বন্ধু-বান্ধৱীয়ে সুন্দৰকৈ হৰি নাম গাব জানিছিল।

১৯৯০ চন নৱেম্বৰ মাহত (তাৰিখটো পাহৰিলো) আমাৰ মহাবিদ্যালয়ৰ পৰা ৭ জনীয়া দল এটা তেজপুৰলৈ যাওঁ। তেজপুৰৰ অগ্নিগড় যুৱ-ছাত্ৰ পৰিষদে ৩ দিনীয়া কাৰ্যসূচীৰে সদৌ অসম ভিত্তিত সংগীত আৰু তৰ্ক প্ৰতিযোগিতা আয়োজন কৰিছিল। ছাত্ৰ একতা সভাৰ সম্পাদক অনন্ত বৰগোহাঁই (টেঙাপুখুৰী), জ্যোতিৰেখা শইকীয়া ৰজাপুখুৰী, জিতেন গগৈ (লংপতীয়া), অঞ্জনা গগৈ (ডবা চাৰিআলি), অঞ্জনাৰ ভায়েক আৰু এজন বাদ্যযন্ত্ৰ সহায়ক। আমাৰ লগত আছিল মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপক মাননীয় ৰাজীৱ কটকী চাৰ। ছাৰৰ ঘৰ তেজপুৰ মধুপুৰ গাঁওত। চাৰৰ ঘৰৰ পৰা অগ্নিগড়লৈ প্ৰায় ২ কিঃমিঃ বাট। চাৰৰ ঘৰতে আমাক থকাৰ সুবিধা কৰি দিলে। দ্বিতীয় দিনা আছিল তৰ্ক প্ৰতিযোগিতা। তৰ্ক বিষয় আছিল "স্বাধীন অসমেহে অসমৰ সৰ্বাংগীন উন্নতি সাধন কৰিব পাৰিব।" আমাৰ মহাবিদ্যালয়ৰ পৰা জ্যোতিৰেখা বাইদেউ সপক্ষে আৰু মই আছিলো বিপক্ষে। সেই সময়ত বিষয়টো আছিল অতি প্ৰাসঙ্গিক। ছাত্ৰ-ছাত্ৰীৰ মাজত ৯০% সেই সময়ত স্বাধীন অসমৰ সপক্ষে মত পোষণ কৰিছিল। যথা সময়ত প্ৰতিযোগিতা আৰম্ভ হ'ল। মুঠ ২১ জন প্ৰতিযোগী অসমৰ বিভিন্ন কলেজৰ পৰা আহিছে। সপক্ষৰ দলৰ দলপতি আছিল দৰং কলেজৰ ছাত্ৰ মনজিত শৰ্মা, বিপক্ষৰ দলপতি আছিলো মই। সেই সময়ত অগ্ৰদূত কাকতৰ সম্পাদক কনকসেন ডেকাৰ সম্পাদকীয় টোকা "নতুন পুৰুষে যুক্তি আধাৰত নতুন সমাজ গঢ়ক" আৰু "আমাৰ পুৰুষে বিশ্ববিজয় কৰিবলৈ ওলাই আহক" নামৰ টোকাৰ আলম লৈ সবল যুক্তি কিছুমান দাঙি ধৰিছিলো। পাছত এই সম্পাদকীয় টোকাৰ আলমত যিখন কিতাপ প্ৰকাশ কৰিছিল। তৰ্ক প্ৰতিযোগিতাত পুৰস্কাৰ পাবলৈ সক্ষম নহলেও যুক্তিবিলাক যে ভাল হৈছিল, অনন্ত দাৰ লগতে আয়োজক সমিতি সদস্যই মোক কৈছিল। ব্যক্তিগত ভাৱে পুৰস্কাৰ আনিব নোৱাৰিলেও জ্যোতি সংগীতত অঞ্জনাই সদৌ অসম ভিত্তিত প্ৰথম পুৰস্কাৰ আনি সোণাৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছিল। প্ৰতিযোগিতা শেষ হোৱাৰ পাছত ডাঙৰ অঘটন ঘটিল। আয়োজক সমিতি আৰু বিভিন্ন কলেজৰ মুঠ ৮ জন ছাত্ৰক ভাৰতীয় সেনা বাহিনীয়ে আটক কৰি কোনো অজ্ঞাত স্থানলৈ লৈ যায়। তাৰ ভিতৰতে আমাৰ অনন্ত দাও আছিল। দৈৱক্ৰমে জিতেন আৰু মই ৰক্ষা পৰিলো। কাৰণ নিশা ১ বজাত আমি দুয়ো ছাৰৰ ঘৰলৈ গ'লো। ৰাতিপুৱাই খবৰটো বিয়পি পৰিল। সেইদিনাই আমি সোণাৰিলৈ ওলটি অহাৰ কথা। আমি আয়োজক সমিতিক লগ কৰিলো। কটকী ছাৰেও সকলোৰে লগত যোগাযোগ ৰাখিছিল। দুদিনৰ পাছত অনন্ত দাৰ লগতে আটাইকেইজনকে মুকলি কৰি দিয়ে। ভাৰতীয় সেনা বাহিনীয়ে যে তেওঁলোকক মৰমত ৰখা নাছিল, আমি দেখিয়ে বুজি পাইছিলো। অনন্তদাই নিশালৈ সকলো আমাক বিবৰি কৈছিল। ইফালে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় মাননীয় গোলাপ বৰগোহাঁই ছাৰৰ লগতে শিক্ষাগুৰুসকল আৰু ছাত্ৰ-ছাত্ৰীসকল মহা চিন্তাত পৰিছিল। অষ্টম দিনা আমি মহাবিদ্যালয় আহি পালো। তেতিয়াহে সকলো উৎকণ্ঠাৰ অন্ত পৰিল।

মহাবিদ্যালয়ত এটা কৰুণ ঘটনাই শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শোকৰ ছাঁ পেলাইছিল। খেল বিভাগৰ সম্পাদক শশী দেওঘৰীয়া মহাবিদ্যালয়ৰ হোষ্টেলত বিদ্যুৎপৃষ্ট হৈ মৃত্যু মুখত পৰিছিল।

তেখেতৰ ঘৰ আছিল মাহমৰাৰ পছচুঙী গাঁৱত। তেখেতৰ ভাতৃও মহাবিদ্যালয়ৰ ছাত্ৰ আছিল। তেখেতৰ পৰিয়ালত সেইদিনা যি পৰিৱেশ সৃষ্টি হৈছিল, তাক হয়তু ভাষাৰে বুজাব নোৱাৰি।

এইদৰে সময়ৰ ঘাট-প্ৰতিঘাট, হাঁহি ধেমালিৰ মাজেৰে মহাবিদ্যালয়ত ৩ টা বছৰ অতিক্ৰম কৰিছিলো। সময়ৰ লগে লগে মহাবিদ্যালয়খনে পূৰ্ণতা লাভ কৰি চৰাইদেউৰ প্ৰাণকেন্দ্ৰ সোণাৰি মহাবিদ্যালয়ে সোণালী জয়ন্তী বৰ্ষ আহি পালে। প্ৰত্যেকজন প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে এই গৌৰৱোজ্বল সোণালী জয়ন্তীত গৌৰৱান্বিত। মহাবিদ্যালয়খনে নতুন নতুন হীৰা-মুকুতা সৃষ্টি কৰক, এইয়ে আমাৰ কাম্য —

জয়তু সোণাৰি মহাবিদ্যালয়।

°°°°



# আজিও মনত পৰে কলেজত পঢ়ি থকা দিনবোৰলৈ

প্ৰশান্ত শৰ্মা
প্ৰাক্তন ছাত্ৰ

সোণাৰি মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপনৰ এই মাহেন্দ্ৰক্ষণত মহাবিদ্যালয়ৰ চৌহদত পাৰ কৰি অহা সোণালী ক্ষণ সমূহক সুঁৱৰি আজি নিজকে ধন্য মানি শত কোটি প্ৰণাম জনাইছোঁ। মহাবিদ্যালয়খনিক আৰু মহাবিদ্যালয়ৰ লগত জড়িত হৈ অহা প্ৰতিজন নমস্য ব্যক্তিক।

ইতিহাসৰ পাত লুটিয়াই আজি মই পুনৰ বাৰ ঠিয় হৈছোহি ১৯৯৮ চনৰ পৰা ২০০১ চনৰ সোণাৰি মহাবিদ্যালয়ৰ সেই মধুৰ দিনবোৰৰ মাজত। খেলৰ প্ৰতি প্ৰবল দুৰ্বলতাই লৈ গৈছিল মোৰ দৰে আন বহুজনক কিতাপৰ পৃথিৱীৰ পৰা ক্ৰীড়া জগতলৈ। এই সময়ছোৱাতে বহিঃ খেল বিভাগৰ সম্পাদকৰ দৰে গুৰু দায়িত্ব পালন কৰাৰ স্মৃতিয়ে আজিও নিজকে গৌৰৱান্বিত কৰে। ২০০০-২০০১ বৰ্ষৰ আন্তঃ মহাবিদ্যালয় প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়ৰ ফুটবলৰ দলটিয়ে কোৱাটাৰ ফাইনেল পৰ্যন্ত আগুৱাই যোৱাটো আমাৰ অন্যতম এক উপলব্ধি আছিল (কিন্তু চুড়ান্ত পৰ্যায়লৈকে আগুৱাই যাব নোৱাৰাৰ বেদনাই এতিয়াও মাজে মাজে আমনি কৰে)। সেই সময়ৰ আন এটা উল্লেখনীয় ঘটনা। এইখিনিতে মনলৈ অহাত কওঁ যে, ২০০০-২০০১ বৰ্ষৰ আন্তঃ মহাবিদ্যালয় এথেলেটিক্স প্ৰতিযোগিতাত ভাগ লোৱাৰ বাবে বহু আশাৰে প্ৰস্তুতি চলাই অন্তিম মুহূৰ্তত গম পাওঁ যে মাত্ৰ দুজন খেলুৱৈ প্ৰতিনিধি হোৱাৰ বাবে আমি প্ৰতিযোগিতাত ভাগ ল'ব নোৱাৰো। এই বেদনাই মনত বাৰুকৈয়ে আঘাত কৰিছিল। এটি ক্লান্ত মন লৈ মহাবিদ্যালয়ৰ সমীপৰ বৰ গছ জোপাৰ তলত মুছি জনৰ লগতে বহি চকুলো টুকি থকা দেখা পাই মহাবিদ্যালয়ৰ শিক্ষাগুৰু শ্ৰীযুত বিনোদ ৰাজখনিকৰ দেৱে এটি স্নেহ সমৃদ্ধ ধমক দিয়ে আৰু নিজ প্ৰচেষ্টাৰে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাৰ সুবিধা কৰি দিয়ে। উক্ত বৰ্ষত ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় প্ৰতিযোগিতাখনিত এই অভাজনে ১০০ মিটাৰ দৌৰত তৃতীয় স্থান, ২০০ মিটাৰ দৌৰত প্ৰথম স্থান আৰু লং জাম্পত দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হওঁ। ২০ বছৰৰ পিছত এই সন্মান মহাবিদ্যালয়লৈ কঢ়িয়াই আনিব পৰাত সন্মানীয় শ্ৰীযুত বিনোদ ৰাজখনিকৰ চাৰকে প্ৰমুখ্য কৰি সেই সময়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী তথা শুভাকাংক্ষীলৈ এই আপাহতে ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

বৰ্তমান শিক্ষা ব্যৱস্থাত যিহেতু ক্ৰীড়াৰ এক বিশেষ স্থান আছে গতিকে অনাগত দিনত সোণাৰি মহাবিদ্যালয়ৰ পৰা একাধিক উন্নত মানদণ্ডৰ খেলুৱৈ সমাজে পাব বুলি আশা ৰাখিলো। সদৌ শেষত সোণাৰি মহাবিদ্যালয়ৰ সৰ্বাঙ্গ সুন্দৰ ভৱিষ্যত আশা কৰিলোঁ, লগতে আশা কৰিলো সমাজৰ বাবে সোণাৰি মহাবিদ্যালয়ে আগবঢ়াই যাব অনবদ্য অৱদান।

।। জয়তু সোণাৰি মহাবিদ্যালয়।।

°°°°

# সোণাৰি মহাবিদ্যালয়ত মই আৰু মোৰ অনুভৱ কিছু সোণসেৰীয়া কথা

ৰেখামনি গগৈ
প্ৰাক্তন ছাত্ৰী

ইতিমধ্যে হায়াৰ ছেকেণ্ডাৰী ৰিজাল্ট দিলে। ছেকেণ্ড ডিভিজনহে পালো। মই যিমান পঢ়িছিলোঁ ৰিজাল্টতেনেধৰণৰ পাইছো। সমস্যাটো হ'ল এতিয়া কি পঢ়িম? লাইন লৈ পঢ়াটোহে উচিত হ'ব যেন লাগিছিল। কিন্তু কি লাইন পঢ়িম? সেয়াহে সিদ্ধান্ত নাই হোৱা। 'টেক্সটাইল' শব্দটোহে সেইসময়ত মোৰ লগতে লগৰ এজনীকো বৰ আকৃষ্ট কৰিছিল। শব্দটোৰ সম্পৰ্কত বেছি ধাৰণা আৰু গভীৰতা নাই যদিও লগৰজনীৰ লগত একেলগে হোষ্টেলত থাকি পঢ়িব পাৰিম বুলি ভাবিহে মনটো ভাল লাগিছিল। কিন্তু সেয়া কেৱল মোৰ মনৰ কথাহে আছিল। ঘৰত কথাটো ক'ম কেনেকৈ? বৰ চিন্তা লাগিল। এদিন সাহস গোটাই ক'লো আৰু, শুনা মাত্ৰকেই দেউতাই যিটো ধমকি দিলে বহুত ভয় খালো। তাৰপিছত সোণাৰি কলেজতে 'অসমীয়া' বিষয়ত মেজৰ লৈ পঢ়াৰ সিদ্ধান্ত হ'ল। নিৰ্দিষ্ট দিনত দেউতাই সদায় দিয়াৰ দৰে নতুন নতুন নোটৰ লগত খুচুৰা পইচাসহ সোণাৰি মহাবিদ্যালয়ত এডমিচন ল'লো। প্ৰথম বছৰ যেনেতেনে পাৰ হ'ল আৰু সিমান ভাল নহ'ল ৰিজাল্ট। পঢ়াৰ গভীৰতালৈ সোমাব পৰা নাছিলো। মই সদায় ক্লাচটোত দুখনমান বেঞ্চৰ পিছত বহিছিলো। সকলোকে লক্ষ্য কৰি থাকো, আনৰ কথাবোৰ শুনো, শিক্ষকৰ আদেশ সুচাৰুৰূপে পালন কৰিবৰ যত্ন কৰো। বিভাগীয় কক্ষত প্ৰশ্নোত্তৰ দেখুৱাব পৰা সাহস মোৰ কোনোকালেই নাছিল, মই স্বভাৱত লাজকুৰীয়া আছিলো।

এইবাৰ বি.এ ছেকেণ্ড ইয়েৰ পালো। মনটো বান্ধিলো যে মই অসমীয়া বিষয়ত মেজৰ লৈ পঢ়িছো, গতিকে অলপ ভালকৈ পঢ়িব লাগিব। ৰাতি টোপনি খটি কৰি হ'লেও পঢ়িব লাগিব তেতিয়াহে ভাল ৰিজাল্ট এটা কৰিব পাৰিম। সেইমতে পঢ়া আৰম্ভ কৰিলোঁ। ঘৰৰ পৰা কলেজলৈ অহাৰ অলপ অসুবিধাৰ হেতু সোণাৰিতে ভাড়াঘৰত থকাৰ ব্যৱস্থা কৰি ল'লো। আমি একেলগে চাৰিজনী আছিলো। বাকী তিনিজনী মোতকৈ ডাঙৰ আছিল। ভাড়াঘৰৰ আইতা ককাহঁতৰ লগত আমাৰ ঘৰৰ এক আত্মীয়তা গঢ়ি উঠিছিল। মই অকল পঢ়িয়েই থাকিছিলো। সেয়ে ছেকেণ্ড ইয়েৰৰ পৰা থাৰ্ড ইয়েৰলৈ ফাষ্ট ক্লাছ পাবলৈ সক্ষম হ'লো। মনটো ইমান ভাল লাগিছিল যে বুজাব নোৱাৰি। মোৰ লগৰ আৰু এগৰাকীয়েও প্ৰথম বিভাগ পাইছিল। তেতিয়াৰ আমাৰ বিভাগীয় প্ৰধান ড° ৰীতা বাইদেৱে আমাক কৈছিল, আমাৰ বিভাগৰ বাবে এয়া অতি গৌৰৱৰ কথা যে সোণাৰি মহাবিদ্যালয়ত অসমীয়া বিভাগ খোলৰ পৰা এইয়া ফাষ্ট ক্লাছ ৰিজাল্ট। গতিকে তোমালোকক লৈ আমি গৌৰৱ কৰিছোঁ। এতিয়াৰ পৰা তোমালোকৰ আৰু দায়িত্ব বাঢ়িল। বি.এ. ফাইনেলতো এনেকৈ প্ৰথম বিভাগ পাব লাগিব তেতিয়াহে সন্মান অটুট থাকিব। মনটো যিমান ভাল লাগিছিল সিমান ভয়ো লাগিছিল। মনটো দৃঢ় কৰি ক'লো হ'ব বাইদেউ আমি আৰু চেষ্টা কৰিম। সেই দিনটোৰ সেই বিশেষ



মুহূৰ্তৰ পৰাই মন বান্ধিলো বিভাগৰ সন্মান অটুত ৰাখিমেই বুলি। কথা মতেই কাম। দুগুণ উদ্যমেৰে পঢ়িব ধৰিলোঁ, লাইব্ৰেৰী দৈনিক যাওঁ, প্ৰয়োজনীয় বিষয়বস্তু জেৰক্স কৰি লওঁ। ডিপাৰ্টমেণ্টৰ ক্লাচ শেষ কৰিয়েই লাইব্ৰেৰীত পঢ়ো, একোটা প্ৰশ্নোত্তৰ দুবাৰ তিনিবাৰ লিখি অভ্যাস কৰোঁ। নিজে পৰীক্ষা কৰিও চাওঁ প্ৰথম বাৰৰ লিখনি তৃতীয়বাৰত কিমান মসৃণ হৈছে। আচলতে এই পদ্ধতিৰে প্ৰশ্নোত্তৰ লিখা কাৰ্যটো বিজয়লক্ষ্মী বাইদেৱে শিকাইছিল। কিন্তু কেতিয়াও মই নোট বনাই ৰখা নাছিলো। তেতিয়াৰ দিনত নোট বনোৱা আৰু শিক্ষকৰ পৰা নোট আশা কৰা আমাৰ বিভাগৰ কাৰোৰেই অভ্যাস নাছিল। কেৱল আধুনিক কবিতাৰ বিশ্লেষণ কৰাৰ পদ্ধতি ভালকৈ নজনাৰ বাবে ৰঘুনাথ কাগয়ুঙ ছাৰক কিবা অলপ লিখাই দিবলৈ খাটনি ধৰা মনত আছে। কিন্তু তেওঁ নোট দিয়া নাছিল। বৰ সৰল আৰু সাৱলীলভাৱে বিষয়টো বুজাই দিছিল। আনৰ কথা নাজানো ড° ৰীতা দত্ত বাইদেউৰ ক্লাচটোৰ বাবে মই সদায় আগ্ৰহেৰে বাট চাই আছিলো। কাৰণ তেওঁ যিমান পাৰি সিমান সৰলকৈ আৰু সহজকৈ বিষয়বোৰ বুজাবৰ যত্ন কৰে। আৰু এবাৰতে মনত থাকে। মনত আছে তেখেতে ৰীতি, ধ্বনি, ছন্দ, পৌৰাণিক নাটক, বৰগীত আদি পঢ়াইছিল। বৰ ভাল দিন আছিল সেইবোৰ। মনত পৰিলে ভাল লাগে।

সেইসময়ৰ আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ আছিল ড° ৰাজেন তামুলী ছাৰ। নামেই যাৰ পৰিচয়। কঠোৰ অনুশাসনৰ মাজেদিহে ভাল শিক্ষা লাভ কৰিব পাৰি আমি ছাত্ৰ-ছাত্ৰীসকলে ভালকৈ অনুমান কৰিছিলোঁ। প্ৰতিটো নৱাগত আদৰণি অনুষ্ঠানৰ বিশিষ্ট অতিথিজনে প্ৰদান কৰা ভাষণটোৰ পৰাই আমি গম পাইছিলো যে তেওঁ এজন বিশিষ্ট ব্যক্তি। জীৱনত বহু ভাল ভাল কথা শিকিছিলো। মোৰ মনত পৰে মৰাণ কলেজৰ অধ্যক্ষ ড° অনিল শইকীয়া ছাৰৰ বক্তৃতাটোলৈ। গীতেৰে, কথাৰে দিয়া কি অপূৰ্ব ভাষণ। কলেজত পঢ়া দিনত মই কিন্তু এখনো মিটিং এৰা নাছিলো। আৰু দিনটোৰ সুন্দৰ অভিজ্ঞতাবোৰ ডায়েৰীত লিখি ৰাখিছিলোঁ। সন্মানীয় অধ্যক্ষ তামুলী ছাৰ আমাৰ বাবে এজন অন্যন্য আৰু একক ব্যক্তি আছিল। যিমান ভয় কৰিছিলো তেওঁক সিমান সন্মান কৰিছিলো। অধ্যক্ষৰ একাষাৰ শিতানটোৰ বাবে আমি আগ্ৰহেৰে বাট চাই আছিলো নতুন কথা শিকিবৰ বাবে। সক্ৰিয় মানসিকতাৰ অধিকাৰী অধ্যক্ষজনে মহাবিদ্যালয়ৰ প্ৰাণ চিৰউজ্জীৱিত কৰি তুলিছিল। সেই সময়ৰ সাক্ষী আছিলোঁ আমি।

এনেদৰে পাৰ হৈ গ'ল দিনবোৰ। পঢ়াত একাগ্ৰতাৰে লাগিলে অসম্ভৱ বুলি একো নাথাকে। বি.এ. ফাইনেল পৰীক্ষা দিলো। আকৌ প্ৰথম বিভাগ পালো। এতিয়াহে স্বস্তিৰ নিশ্বাস পেলালো। বাকী যি নহ'লেও যে অসমীয়া বিভাগৰ সন্মান অক্ষুন্ন ৰাখিব পাৰিলো মনটো ভৰি পৰিল আনন্দৰে। তামুলী ছাৰেও আমাৰ বিভাগৰ ছাৰ বাইদেউৰ মুখে কথাষাৰ জানিব পাৰি নথৈ আনন্দিত হ'ল। এইবাৰ বিশ্ববিদ্যালয়ৰ যাত্ৰাৰ বাবে সাজু হ'বলৈ কৈ ছাৰ বাইদেউৱে শুভকামনা জনালে। সঁচা কথা ক'বলৈ গ'লে মই তেতিয়ালৈকে ভবা নাছিলো যে বিশ্ববিদ্যালয়ত পঢ়িবলৈ ছিট পাম। কপালত লিখা আছিল বাবে হয়তো নিৰ্দিষ্ট দিনত এড্‌মিচন লিষ্ট বাহিৰ হ'ল মই সৌভাগ্যক্ৰমে OBC কোটাত ছিটটো পালো। যি সময়ত বিশ্ববিদ্যালয় মাত্ৰ এটা সপোন আছিল সেই সময়ত মই সপোনৰ বাস্তৱ ৰূপ এটা দেখিছিলো। জন্মস্থান বাঁহবাৰী গাঁওৰ পৰা ওলাই গৈ এখন বিশাল পৃথিৱীত নিজকে আৱিষ্কাৰ কৰিলো। ঈশ্বৰক অশেষ ধন্যবাদ।

M.A.ৰ ক্লাচ আৰম্ভ হ'ল। CBCS পাঠ্যক্ৰমৰ প্ৰথম বেষ্ট আছিলোঁ। নতুন বিষয়, নতুন সময়, নতুন পৰিৱেশ, গ্ৰুপ ডিচ্‌কাচন, ভাইভা, ছেমিনাৰ, ক'ত যে কি বিষয়। নিজকে খাপ খুৱাই লওঁতেই সময়

লাগিছিল আমাৰ সকলোৰে। তাৰমাজতেই ভয় এটা আছিল ৰিজাল্টৰ সন্দৰ্ভত কাৰণ কিতাপ-পত্ৰ তেনেকৈ নাছিল নতুন নতুন বিষয়বোৰৰ। যি দুই এখন আছিল তাকেই একাগ্ৰ হৈ পঢ়া আৰম্ভ কৰিছিলো। এনেকৈ প্ৰথম ছেমিষ্টাৰৰ পৰীক্ষা দিলো। ভয়ে ভয়ে ৰিজাল্ট ল'লো নৰ্মচ ৰ'ল, ৰক্ষা। আত্মবিশ্বাস বাঢ়িল। পঢ়াৰ গতি বঢ়াই দিলো। উল্লেখযোগ্য যে মই প্ৰাথমিক বিদ্যালয়ৰ পৰাই প্ৰথম বিভাগত উত্তীৰ্ণ হৈ আহিছো গতিকে এম.এ ত ৰিজাল্ট ভাল হ'বই লাগিব এয়া নিশ্চিত। কিন্তু ইমান কষ্ট কৰিবলগীয়া হৈছিল আমাৰ। আমাৰ লগৰ দুজনী ফৰকাটিংৰ ছোৱালীয়ে পাঠ্যক্ৰম সম্পূৰ্ণ কৰিব নোৱাৰি বিশ্ববিদ্যালয়ৰ শিক্ষা আধাতে সমাপ্ত কৰিব লগা হ'ল। বৰ দুখ লাগে ভাবিলে। মই মনৰ দৃঢ় বিশ্বাস কণ লগত ৰাখি বহুত পঢ়িলো কাৰণ মই ইমান চোকা নাছিলো। লাহে লাহে সকলো বিষয়বস্তু আয়ত্বলৈ আহিল। এবাৰ মনত আছে থাৰ্ড ছেমিষ্টাৰৰ ভাষাৰ ক্লাচৰ ছেমিনাৰ আছিল। ড° ভীমকান্ত বৰুৱা ছাৰৰ ক্লাচ। ছেমিনাৰৰ বিষয় 'অসমৰ সংস্কৃতি ঃ বৈচিত্ৰ্যৰ মাজত ঐক্য'। ছাৰে মোক প্ৰশংসা কৰিছিল। মোৰ পেপাৰখনৰ Writing Approach টো গোটেই ক্লাচটোৰ ভিতৰতে ভাল হৈছিল বুলি তেওঁ ক'লে। মোৰ বহুত ভাল লাগিল।

প্ৰতিটো ছেমিষ্টাৰত ক্ৰমান্বয়ে বেছি নম্বৰ পাই আগবাঢ়িলো। চতুৰ্থ ষান্মাষিকত প্ৰথম বিভাগ পালো। ইতিমধ্যে বিশ্ববিদ্যালয়ৰ শিক্ষা সমাপ্ত হ'ল। আমাৰ ৰঘুনাথ ছাৰক এম.এ ৰিজাল্টৰ কথা জনালো। তেওঁ ততালিকে কলেজলৈ মাতি পঠালে। সেইসময়ত আমাৰ অসমীয়া বিভাগত কেৱল এজনেই Language ৰ শিক্ষক আছিল। পদ্মাকুমাৰী বাইদেউ। মই Languageত পঢ়ি পাছ কৰিছো বুলি জানি তেওঁ আমাৰ H.O.D ক যোগাযোগ কৰি এখন দৰ্খাস্ত দিবলৈ ক'লে। লগতে এইবুলিও ক'লে যে বিষয়টো 'অংশকালীন প্ৰৱক্তা' বুলি লিখিবা। পিছদিনা মই দৰ্খাস্ত দিলোঁ। তৃতীয় দিনা মোৰ দৰ্খাস্তখন শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়লৈ বিভাগৰ প্ৰধানৰ দ্বাৰা প্ৰদান কৰা হ'ল। তেওঁ ততালিকে মোৰ ইণ্টাৰভিউ ল'বৰ ইচ্ছা প্ৰকাশ কৰিলে। মই তেতিয়া ঘৰত আছোঁ। কাগয়ুঙ ছাৰে মোক যোগাযোগ কৰিবৰ বাবে বিজয়লক্ষ্মী বাইদেউক ক'লে। বাইদেৱে মোক ফ'ন কৰা মাত্ৰকে মই কলেজ পালোহি। ইমান খৰখেদা হৈছিল সেইদিনটোত।

উক্ত দিনা মই কিন্তু গম পোৱা নাছিলো যে মোৰ ইণ্টাৰভিউ হ'ব। মোৰ বাহিৰে কলেজৰ প্ৰায় শিক্ষকে কথাটো জানিছিল বোধহয়। মই যদি জানিলোহেঁতেন জীৱনত ইণ্টাৰভিউ শব্দটো শুনিলেই ভয় লাগিলহেঁতেন। নিৰ্দিষ্ট সময়ত কেৰাণী কাকতি দায়ে অধ্যক্ষ মহোদয়ৰ কোঠালৈ মোক লৈ গ'ল। মোৰ একো ভয় লগা নাছিল। ছাৰে মোক বিভিন্ন প্ৰশ্ন কৰিলে। Language আৰু Literature ৰ মাজত পাৰ্থক্য কি? দুয়োটা বিষয় একে নহয় নেকি? এখন উপন্যাস পঢ়িলে Language ৰ ধাৰণা আমি কেনেকৈ পাম? ইত্যাদি অনেক সৰু সৰু প্ৰশ্ন। মই যি জানো সৰলকৈ আত্মবিশ্বাসেৰে উত্তৰ দিলো। ভবেন্দ্ৰনাথ শইকীয়াৰ 'জীৱন বৃত্ত' উপন্যাসৰ উদাহৰণেৰে বুজাবলৈ চেষ্টা কৰিলো। মোৰ উত্তৰত তেওঁ ইমান সন্তুষ্ট হ'ল যে সেই মুহূৰ্ততে H.O.D ক ড° ৰীতা দত্ত বাইদেউক অফিচলৈ মাতি আনি ক'লে যে তাইক এতিয়াই ক্লাচ কৰিব দিয়া। যি সুধিছো তপৰাই উত্তৰ দিছে। আজিয়েই ক্লাছ কৰিবলৈ লগাই দিয়া তাইক। বাইদেউৱে মোৰ ফালে চাই হাঁহি এটা মাৰি মাৰি ক'লে হ'ব ছাৰ। কিন্তু আজি ক্লাচ কৰিব নোৱাৰিব কাৰণ তাই মেখেলা-চাদৰ পিন্ধি আহিব লাগিব নহয়। কালিলৈৰ পৰা তাইক ক্লাচ আৰম্ভ কৰিব দিম। মোৰ কেনেকুৱা যে লাগিছিল শব্দৰে বুজাব নোৱাৰা ক্ষণ। ছাৰে ক'লে এমাহত ২৫০০ টকা দিম হ'ব নে? নহ'ব বোলাৰ কথা নাই। মই একেষাৰে হ'ব বুলি ক'লো। সেইসময়ত সুযোগটোহে আটাইতকৈ ডাঙৰ কথা আছিল। নিজে পঢ়া কলেজখনত মই প্ৰৱক্তা হিচাপে নিযুক্তি পাইছোঁ। আকৌ এবাৰ ঈশ্বৰক ধন্যবাদ।



ঘৰলৈ ফ'ন কৰিলোঁ। দেউতাৰ আনন্দৰ সীমা নাছিল। সোণাৰিৰ পৰা ৰসগোল্লা লৈ যাবলৈ ক'লে।

পিচদিনাৰ পৰাই মোৰ সোণাৰি মহাবিদ্যালয়ত অধ্যাপিকাৰ যাত্ৰা আৰম্ভ হ'ল। এটা নতুন পৰিচয় লাভ কৰিলোঁ। সৰুৰে পৰা প্ৰফেচৰ হ'ম বোলা সপোনটো বাস্তৱ হ'ল। কি যে সুন্দৰ মোৰ জীৱন। সেইদিনাৰ পৰা ছাৰ-বাইদেউৰ আদৰ্শৰে নিজকে আগবঢ়াই যাবলৈ যৎপৰোনাস্তি চেষ্টা কৰি আছো। নিজে শিকি আছো, শিকাই আছো, এইয়াই মোৰ জীৱনৰ ব্ৰত। জীৱনত শিকিবলৈ বহুত কথা থাকে, সময়ে শিকাই যায়। আমি তাক উচিত ভাৱে গ্ৰহণ কৰিব জানিলেই হ'ল।

°°°°

# হেৰাই যোৱা সোণালী দিনবোৰ সুঁৱৰি

সুৰেশ ফুকন
প্ৰাক্তন সাধাৰণ সম্পাদক-২০০৩

সোণাৰি মহাবিদ্যালয়ৰ সোনোৱালী অতীতে আজি সোণালী জয়ন্তীৰ প্ৰাকক্ষণত লৈ গৈছে মোক সেই সোনোৱালী অতীতলৈ। অতীতৰ সুমধুৰ স্মৃতিৰ কথা বহুদিন লিখিবলৈ হাতত কলম তুলি লৈয়ো থমকি ৰওঁ। কৰ পৰা লিখি ক'ত শেষ কৰিম। এক শেষ কৰিব নোৱাৰা শিক্ষা জীৱনৰ অধ্যায়। সঁচাকৈ সময় পাৰ হৈ যায়, ৰৈ যায় মাথো স্মৃতি, সুমধুৰ স্মৃতি।

২০০৩ চনৰ স্কুলীয়া শিক্ষা সাং কৰি লক্ষ্যহীন ভাৱে কেৱল মহাবিদ্যালয়ত অধ্যয়ন কৰাৰ এক দুৰ্বাৰ হেপাহ থকাৰ বাবেই অযুত সপোনক সাৰথি কৰি স্নাতক প্ৰথম বৰ্ষৰ ৰাজনীতি বিজ্ঞান বিভাগত নামভৰ্তি কৰিছিলো। কলেজীয়া জীৱনৰ প্ৰথম কেইটামান দিন সাধুকথা যেন লাগিলেও পথাৰত হাল বাই উঠি কাণত বোকা লাগি থকা অৱস্থাৰেই মহাবিদ্যালয়ত উপস্থিত হৈছিলোগৈ।

সোণালী জয়ন্তীৰ এই শুভ মুহূৰ্তত কলেজীয়া জীৱনত লগ পোৱা প্ৰতিজন শিক্ষাগুৰুলৈ মই জনাইছো মোৰ সশ্ৰদ্ধ প্ৰণিপাত। ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ হোৱা হেতুকে সেইসময়ত বিভাগৰ দায়িত্বত থকা প্ৰয়াত গণেশ বৰুৱা ছাৰৰ গহীন-গম্ভীৰ, তত্বগধুৰ পাঠভিত্তিক আলোচনাই আমাক বিষয়টোৰ প্ৰতি অধিক আগ্ৰহী কৰি তুলিছিল। শ্ৰদ্ধাৰ শিক্ষাগুৰু খনিকৰ ছাৰৰ উচ্চস্বৰত পঢ়োৱা আমেজেই সুকীয়া আছিল। সেইসময়ৰ বিভাগৰ আটাইতকৈ সুন্দৰ সুঠাম চেহেৰা আৰু জ্ঞানৰ ভঁৰালেৰে সমৃদ্ধ ছাৰজনেই আছিল ড° চক্ৰপাণি পাতিৰ। পাতিৰ সুৰীয়া কণ্ঠস্বৰে আগবঢ়োৱা পাঠদান অতি সুন্দৰ আছিল। এনেদৰেই প্ৰতিজন শিক্ষাগুৰুৰেই আছিল সুকীয়া ব্যক্তিত্ব, যি ব্যক্তিত্বই আমাক তেওঁলোকৰ প্ৰতি অধিক আগ্ৰহীও শ্ৰদ্ধাভাজন কৰিবলৈ সক্ষম হৈছিল।

মহাবিদ্যালয়ৰ স্নাতক দ্বিতীয় বৰ্ষত মই মেচৰ পৰা মহাবিদ্যালয় ছাত্ৰাৱাসলৈ আহিলো। ভৰি দিলো এখন নতুন পৃথিৱীত। গঢ় লৈ উঠিল বহুতৰে সৈতে তেজৰ সম্বন্ধ নথকা ককাই-ভাই বন্ধুৰ দৰে এক আত্মিক সম্পৰ্ক। সময়ৰ সোঁতত মহাবিদ্যালয়খনৰ ছাত্ৰ-একতা সভাৰ দিন চমু চাপি আহিছিল। ছাত্ৰাৱাসৰ সকলোৱে এই অভাজনকে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পদৰ প্ৰাৰ্থীৰ বাবে মনোনীত কৰিছিল। মনত পৰে সেই দিনটোলৈ যেতিয়া এক অজান আশংকাত মই ভোট গণনাস্থলীলৈ যাব পৰা নাছিলো। অকলশৰীয়াকৈ ছাত্ৰাৱাসৰ বাহিৰৰ এখন চকীত বহি আছিলো। মোৰ বন্ধু তথা বৰ্তমান গুৱাহাটী উচ্চ ন্যায়লয়ৰ অধিবক্তা মাধুৰ্য্য ফুকনৰ লগতে বাকী সকলো বন্ধু আৰু শুভাকাংক্ষীয়ে প্ৰতি মুহূৰ্ততে গণনাৰ ফলাফল মোক দি আছিল আৰু শেষত মাধুৰ্য্যৰ চিঞৰত মই গম পাইছিলো যে মই জয় লাভ কৰিছো। যিটো দিন মোৰ জীৱনৰ এটি স্মৰণীয় দিন। এনেদৰেই সকলোৰে সহায়-সহযোগত মহাবিদ্যালয়খনিক সকলো দিশত আগবঢ়াই নিয়াৰ এক ধনাত্মক মনোভাৱেৰে সাধাৰণ সম্পাদকৰ গধুৰ দায়িত্ব কান্ধ পাতি লৈছিলো।



কিমান দূৰ সফলো হ'লো সেয়া নাজানো, কিন্তু যৎপৰোনাষ্টি চেষ্টা কৰিছিলো। এই শুভক্ষণত মই শ্ৰদ্ধাৰে সুঁৱৰিছো ড° ৰাজেন তামূলী ছাৰক। যিজন শিক্ষাগুৰুৰ একান্ত প্ৰচেষ্টাই মহাবিদ্যালয়খনক সকলো দিশত আগবাঢ়ি যোৱাত ইন্ধন যোগাইছিল।

কলেজীয়া জীৱনৰ সোণালী দিনবোৰত লগ পোৱা বন্ধুসকলৰ কথা নিলিখিলে যেন মোৰ লিখনি আধৰুৱা হৈ ৰ'ব। বন্ধু মাধুৰ্য্য, নৱ, ভাৰ্গৱ, অমৃত, ডেভিদহঁতৰ লগত পাৰ কৰি অহা মধুৰ সময়বোৰ এতিয়া মাথো স্মৃতি। বান্ধৱী শিখা, নেহা ইহঁতৰ সৈতে পাৰ হৈছিল বহু হাঁহি-ধেমালিৰ সময়। ভণ্টি অৰ্চিতা, পল্লৱী, প্ৰয়াত কংকনাৰ লগতে বৰ্তমান মোৰ সহধৰ্মিনী সুনীতাহঁতৰ সৈতে কটোৱা সময়বোৰ আছিল অতি মধুৰ। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দায়িত্বত থকা সময়তেই ডিব্ৰুগড় বিশ্বদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱলৈ শ্ৰদ্ধাৰ শিক্ষাগুৰু প্ৰৱীণ বড়া ছাৰৰ নেতৃত্বত আমি ৰাওনা হৈছিলো। সংগীতত দীৰ্ঘজ্যোতি দত্তই বিশেষ স্থান পাবলৈ সক্ষম হৈছিল। বৰ্তমান দীৰ্ঘজ্যোতি দত্তই সংগীতৰ পথাৰখনত নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে।

মহাবিদ্যালয় সপ্তাহৰ উখল-মাখল দিনবোৰ যেন সৌ-সিদিনাৰ কথাহে, কেণ্টিনত বন্ধু-বান্ধৱীৰ সৈতে পাৰ কৰা ৰসাল আড্ডাৰ সময়বোৰ, গগৈ হোটেল, বাপন দা কেণ্টিন, বাবা দাৰ ফাষ্টফুড, কলেজৰ বসন্ত চাউলকৰা, প্ৰয়াত ৰাজীৱ দা এই সকলোৰে সৈতে আছিল অভিন্ন সম্পৰ্ক, স্মৃতিৰ মানস পটত সজীৱ হৈ থকা সুমধুৰ সময়।

সোণাৰি মহাবিদ্যালয় মোৰ বাবে এক আবেগ। শিক্ষা জীৱনৰ তিনিটাকৈ বসন্ত পাৰ কৰা হেপাহঁৰ মহাবিদ্যালয়খনিৰ সোণালী জয়ন্তীৰ পৱিত্ৰ ক্ষণত চিৰনমস্য শিক্ষাগুৰু সকললৈ সশ্ৰদ্ধ প্ৰণিপাত জনাই মহাবিদ্যালয়খনৰ সৰ্বতোপ্ৰকাৰৰ সফলতা তথা উন্নতিৰ কামনা কৰিলো।

# সোণাৰি মহাবিদ্যালয়ৰ এটি অনুভৱ

মামণি কোঁৱৰ
প্ৰাক্তন ছাত্ৰী - ১৯৯১-৯৩

ইতিহাসে গৰকা ঐতিহ্যমণ্ডিত সোণাৰি মহাবিদ্যালয়ে এটি সোণসেৰীয়া পথেৰে আহি সোণালী জয়ন্তীবৰ্ষ অতিক্ৰম কৰিলে। বৃহত্তৰ অসমৰ এখন মফচলীয়া চহৰত ১৯৭০ চনত জন্ম লভা শিক্ষানুষ্ঠানখনৰ এই যাত্ৰালৈ এগৰাকী প্ৰাক্তন ছাত্ৰী হিচাপে শুভেচ্ছা আৰু অভিনন্দন জনাইছো।

প্ৰথমে শ্ৰদ্ধাৰ্ঘ যাঁচিছো সেইসকল নমস্য ব্যক্তিলৈ যাৰ অশেষ কষ্ট ত্যাগৰ বিনিময়ত আজি সোণাৰি মহাবিদ্যালয়ক আমি লাভ কৰিলো। ১৯৭০ চনতে গঢ় লৈ উঠা মহাবিদ্যালয়খনৰ পৰাই সৃষ্টি হৈছে বহু মানৱ সম্পদ। যি সমূহৰ অধিকাংশই বৰ্তমান ভিন্ন ক্ষেত্ৰত একো একোটা ধ্ৰুৱ তৰা হৈ ৰাজ্য তথা দেশৰো বিভিন্ন প্ৰান্তত সেৱা আগবঢ়াই আছে। তদুপৰি বৃহত্তৰ সোণাৰি অঞ্চলৰ শৈক্ষিক ক্ষেত্ৰখনতো এখন সুকীয়া আখন দখল কৰিবলৈ সক্ষম হৈছে মহাবিদ্যালয়খনে।

আজি মহাবিদ্যালয়খনৰ এনে এক শুভ ক্ষণত নিজকে গৌৰৱবোধ কৰিছো যে এসময়ত মইও সোণাৰি মহাবিদ্যালয় এগৰাকী ছাত্ৰী আছিলো। ১৯৯১ চনৰ পৰা ১৯৯৩ চনলৈ জীৱনৰ অতি মূল্যৱান দুটা বছৰ এইখন মহাবিদ্যালয়ৰ ছাত্ৰী আছিলো। সেই সময়ছোৱাতে সোণাৰি মহাবিদ্যালয় নামৰ জ্ঞানৰ মন্দিৰটোৰ পৰা আজি লৈছিলো জীৱনৰ বাবে অতীৱ প্ৰয়োজনীয় আশীষ। যিসমূহে বৰ্তমান সময় সমাজ ব্যৱস্থাৰ লগত আগুৱাই নিয়াত যথেষ্ট পৰিমাণে সহায় কৰিছে। কেৱল পুথিগত শিক্ষাই নহয় সোণাৰি মহাবিদ্যালয়ৰ পৰা লাভ কৰিছিলো নৈতিকতা আদৰ্শ আৰু প্ৰমূল্যবোধ যিবোৰ লগত লৈ জীৱনৰ বাটত আগবাঢ়ি যাব পৰাকৈ জীৱনৰ শিক্ষা। যাৰবাবে মহাবিদ্যালয়খনৰ প্ৰতি মই আমৃত্যু চিৰকৃতজ্ঞ হৈ ৰ'ম।

এখন মহাবিদ্যালয় এটা অঞ্চলৰ চিনাকি পৰিচয়ৰ গৌৰৱ। অঞ্চলটোত এখন মহাবিদ্যালয় স্থাপন কৰা মানে ই কাললৈ এক মাইলৰ খুটি হৈ পৰে প্ৰজন্মৰ পিছত প্ৰজন্মক শিক্ষাৰ পোহৰে জ্যোতিষ্ক কৰি গঢ়ি তোলে প্ৰতিখন মহাবিদ্যালয়ে। সাফল্যৰ ধাৰা অব্যাহত ৰাখি সোণাৰি মহাবিদ্যালয়েও নিজস্ব গতিৰে আগুৱাই যাওঁক তাৰে কামনা কৰিছো। শিক্ষাৰ জেউতি সিঁচি বৃহত্তৰ অঞ্চলটোক আজীৱন পোহৰাই ৰাখক। মহাবিদ্যালয়খনৰ এই শুভক্ষণত অনুষ্ঠানটোৰে জড়িত প্ৰতিগৰাকী শিক্ষাব্ৰতী তথা ছাত্ৰ-ছাত্ৰীলৈ মোৰ অফুৰন্ত শুভকামনা আৰু অভিনন্দন জ্ঞাপন কৰিছো। লগতে মহাবিদ্যালয়খনৰ সৈতে জড়িত যিসকল ব্যক্তি আমাৰ মাজৰ পৰা হেৰাই গ'ল তেওঁলোককো স্মৰণ কৰিছো।

জয়তু সোণাৰি মহাবিদ্যালয়।

ঃঃঃঃ



# "সোণোৱালী সময়ৰ পম খেদি"

সুনীতা মহন
প্ৰাক্তন ছাত্ৰী — ২০০৫-২০০৮ বৰ্ষ

"হে মূৰ্ত সোঁৱৰণী
মেলি দিয়া স্মৃতিৰ দুৱাৰ
প্ৰাণভৰি চাঁও মই
অতীতৰ সেই
সোনালী দিনবোৰ।"(সংগৃহীত)

শিক্ষা জীৱনৰ তিনিটাকৈ বসন্ত পাৰ কৰা হেপাহৰ মহাবিদ্যালয় খনিয়ে চাওঁতে চাওঁতে সোনালী জয়ন্তী বৰ্ষত উপনীত হ'লহি। এই শুভ মুহূৰ্তত সোণাৰি মহাবিদ্যালয়ৰ সোনসেৰীয়া স্মৃতিৰ বিষয়ে লিখিবলৈ হাতত কলম তুলি লওঁতে মই আবেগিক আৰু নষ্টালজিক হৈ পৰিছো। উভতি যাবৰ মন গৈছে অতীতৰ সেই সোণালী দিনবোৰলৈ, য'ত আছিল মুক্ত আকাশ, মুক্ত জীৱনৰ গান আৰু চকুত আছিল অযুত সপোন। এৰা, সপোনবোৰেই জীৱনটো সাৰ্থক কৰি তোলে। ময়ো অযুত সপোন বুকুত বান্ধি প্ৰথমবাৰৰ বাবে খোজ দিছিলো মোৰ স্মৃতিৰ মানস পটত জিলিকি থকা এই সোণাৰি মহাবিদ্যালয়ত। মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশত মই যিসকল স্বনামধন্য শিক্ষাগুৰুক লগ পালো, তেখেতসকলৰ সান্নিধ্যই মোক যথেষ্ট সাহস আৰু অনুপ্ৰেৰণা যোগালে। সেয়েহে আজি সোণালী জয়ন্তী বৰ্ষৰ মহেন্দ্ৰ ক্ষণত মই তেখেতসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো।

শিক্ষাগুৰুসকলৰ সান্নিধ্যৰ কথা ক'বলৈ লওঁতে পোনপ্ৰথমে নাম ল'ব লাগিব সেই সময়ৰ অধ্যক্ষ ড° ৰাজেন তামুলী ছাৰৰ। শ্ৰদ্ধাৰ তামুলী ছাৰে অনুশাসনৰ মাজেদি আমাক যি শিক্ষা দিছিল সেয়া আদৰ্শস্বৰূপ। সোণাৰি নগৰৰ প্ৰাণকেন্দ্ৰ মহাবিদ্যালয়খনৰ শৈক্ষিক আৰু প্ৰশাসনিক দিশটো তেখেতে সুন্দৰভাৱে পৰিচালনা কৰিছিল। এক কথাত ক'বলৈ গ'লে ছাৰে মহাবিদ্যালখনক এক নতুন চিন্তা-চৰ্চা তথা ধ্যান-ধাৰণাৰে আগবঢ়াই নিয়াৰ প্ৰচেষ্টা অব্যাহত ৰাখিছিল। আমি সদায় ছাৰৰ প্ৰতিটো কথা মানি চলিবলৈ চেষ্টা কৰিছিলো। মহাবিদ্যালয়ত উপস্থিত হৈ ছাৰৰ কোঠাত প্ৰৱেশ কৰি "Good Morning" বুলি সম্বোধন কৰাটো অভ্যাসত পৰিণত হোৱাৰ উপৰিও আমাৰ দিনপঞ্জীৰ এটা এৰিব নোৱাৰা কৰ্ম আছিল। কিছুদিনৰ আগতে ছাৰৰ সৈতে হোৱা এটা টেলিফোনিক বাৰ্তালাপত ছাৰৰ এতিয়াও আমাৰ প্ৰতি থকা অপৰিসীম আন্তৰিকতাৰ উমান পাই সঁচাকৈয়ে অভিভূত হৈছিলো।

মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ ছাত্ৰী হোৱা হেতুকে বিভাগৰ প্ৰতিজন শিক্ষাগুৰুৰ সৈতে গঢ় লৈ উঠিছিল এক পাহৰিব নোৱাৰা গুৰু-শিষ্যৰ মধুৰ সম্পৰ্ক। সেইসময়ত বিভাগৰ দায়িত্বত আছিল ড° সুনীল দত্ত ছাৰ। তেখেতৰ অনুপ্ৰেৰণা জীৱনত পাহৰিব নোৱাৰা এক অধ্যায়। ছাৰৰ প্ৰতিটো মুহূৰ্তৰ শৈক্ষিক কথা-বাৰ্তাই মোৰ মনত উৎসাহ যোগাইছিল আৰু মহাবিদ্যালয়ৰ দেওনা পাৰ হৈ বিশ্ববিদ্যালয়ৰ বহল পৃথিৱীখনত খোজ

থবলৈ সক্ষমতা আনি দিছিল। এই ছেগতে মোৰ ছাৰৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা থাকিল। দত্ত ছাৰৰ সমান্তৰাল ভাৱে মই আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাব বিচাৰিছো দীপাঞ্জলি বাইদেউক। বাইদেউৰ গুৰু-গম্ভীৰ স্বভাৱৰ অন্তৰালত যে এগৰাকী অতি মৰমীয়াল শিক্ষয়িত্ৰীৰ গুণ অৰ্ন্তনিহিত হৈ আছিল, সেয়া বাইদেউৰ সান্নিধ্যলৈ আহি মৰ্মে মৰ্মে উপলব্ধি কৰিছিলো। তাৰোপৰি যিসকল শিক্ষাগুৰুৱে আমাক বিভিন্ন সময়ত শৈক্ষিক দিশৰ লগতে অন্যান্য দিশটো বাট-বুলাই দিছিল তেওঁলোকৰ ভিতৰত শ্ৰদ্ধাৰ আঞ্জুৱাৰা বাইদেউ, ৰশ্মি বাইদেউ, হিমাংশু ছাৰ, শিখা বাইদেউ, ৰঘুনাথ কাগয়ুং ছাৰ, পদ্মা বাইদেউকে প্ৰমুখ্যে কৰি মহাবিদ্যালয়খনৰ সেই সময়ৰ স্বনামধন্য সমূহ শিক্ষাগুৰুৰ প্ৰতি মই এই শুভ মুহূৰ্তত নিবেদন কৰিছো মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা। বৰ্তমান আজি নিজকে নিয়োজিত কৰিবলৈ সক্ষম হৈছো সেয়া একেষাৰে প্ৰতিজন শিক্ষাগুৰুৰ অৱদান বুলি ক'লেও অত্যুক্তি কোৱা নহ'ব।

অধ্যয়নৰত অৱস্থাত একেটা শ্ৰেণীকোঠাতে বহি জীৱন গঢ়িবলৈ যত্ন কৰা তাহানিৰ বন্ধু-বান্ধৱীৰ কথা আজি এই মুহূৰ্ত্তত মোৰ স্মৃতিত ভাঁহি উঠিছে। সহপাঠী সকলৰ ভিতৰত অৰ্চিতা, গায়ত্ৰী, পল্লৱী, অহিনু, ৰঞ্জন, টুটু, ৰাজীৱ আমিবোৰ আছিলো সেই সময়ৰ উৰন্ত পক্ষী। আমাৰ মাজৰ পৰা অনাকাংক্ষিতভাৱে নিয়তিত বিলীন হৈ যোৱা ˚ কংকনাৰ স্মৃতিয়ে আজি বৰকৈ আমনি কৰিছে। সময়ে সময়ে মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা অনুষ্ঠানবোৰত আমি প্ৰত্যেকেই সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিলো। মহাবিদ্যালয় সপ্তাহৰ দিনবোৰ যেন আমাৰ বাবে আছিল এক আনন্দমুখৰ। আমিবোৰে কি কি প্ৰতিযোগিতাত ভাগ ল'ম, কি আবৃত্তি কৰিম, কি বক্তৃতা দিম ইত্যাদি কথাবোৰে আমাক অধিক আগ্ৰহী তথা আত্মহাৰা কৰি তুলিছিল। সোণাৰি মহাবিদ্যালয়ত অধ্যয়নৰত অৱস্থাত সম্ভাৱত ২০০৭ বৰ্ষত গুৱাহাটীস্থিত ঐতিহাসিক কটন মহাবিদ্যালয়ৰ চুডমাৰ্চন হলত আৰু শিৱসাগৰৰ গড়গাঁও মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত শ্ৰদ্ধাৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ˚ গণেশ বৰুৱা ছাৰৰ তত্বাৱধানত বান্ধৱী পল্লৱীৰ সৈতে অংশগ্ৰহণ কৰিবলৈ যোৱা মুহূৰ্তবোৰ আছিল মোৰ কলেজীয়া জীৱনৰ চিৰস্মৰণীয় মুহূৰ্ত।

মহাবিদ্যালয়ৰ সোণালী দিনবোৰলৈ উভতি চালেই স্মৃতিৰ মানসপটত উজ্জ্বলি উঠে মহাবিদ্যালয় পুথিভঁড়ালত জ্ঞানৰ পিপাসু বিচাৰি কিতাপৰ মাজত পাৰ কৰা আমাৰ একান্তই নিজৰ সময়বোৰ। মহাবিদ্যালয়ৰ কেণ্টিনত চাহৰ জুতিৰ সৈতে আমাৰ ৰসাল আড্ডাবোৰ, শিক্ষামূলক ভ্ৰমণত যোৱা সেই সুমধুৰ দিনবোৰ। মহাবিদ্যালয়ত কটোৱা প্ৰতিটো মুহূৰ্তই মোক আজি নষ্টালজিক কৰি তুলিছে।

পৰিশেষত, সোণালী জয়ন্তীৰ এই পবিত্ৰ ক্ষণত মহাবিদ্যালয় খনিক আজিৰ এই পৰ্য্যায়ত উপনীত কৰোৱাত যিসকল ব্যক্তিয়ে অক্লান্ত শ্ৰম আৰু ত্যাগেৰে অহোপুৰুষাৰ্থ চেষ্টা কৰিলে তেখেতসকললৈ জনাইছো অপৰিসীম শ্ৰদ্ধা আৰু কৃতজ্ঞতা। মহাবিদ্যালয় খনিয়ে অনাগত দিনবিলাকত এই অঞ্চলৰ শৈক্ষিক অভাৱ পূৰ কৰাত নিশ্চয়কৈ অৰিহণা যোগোৱাৰ লগতে উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল হিচাপে পাৰ্শ্বৱতী অঞ্চলৰ সমাজ ব্যৱস্থাক সভ্য সংস্কাৰমুখী আৰু বৈজ্ঞানিক দৃষ্টিৰে আগবঢ়াই নিয়াত প্ৰচেষ্টা ৰখাৰ ইস্পিত আশাৰে —

জয়তু সোণাৰি মহাবিদ্যালয়।

°°°°°°°



# তামূলী ছাৰ আৰু মোবাইল ফোন

প্ৰান্তিময়ী দত্ত
প্ৰাক্তন ছাত্ৰী-২০০৯-১৪

সোণাৰি মহাবিদ্যালয় মানেই আমাৰ গৌৰৱ, আমাৰ অহংকাৰ। সোণাৰি মহাবিদ্যালয় মানেই কৃষ্ণচূড়াৰ সৈতে এক নিবিড় সম্পৰ্ক। জ্ঞানৰ বটবৃক্ষ, চৰাইদেউ জিলাৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ। ২০০৯-২০১৪ চনলৈ এক সোণালী যাত্ৰা। প্ৰতিটো মুহূৰ্ত, প্ৰতিটো দিন এতিয়াও চকুৰ আগত ভাঁহি থাকে। পুৱা ৮.৪৫ বজাৰ পৰা আৰম্ভ হয় আমাৰ পাঠদান। আমি গৈ পোৱাৰ আগতে পুৱা ৮.৩০ বজাৰ আগত পাইগৈ অধ্যক্ষ ৰাজেন তামূলী ছাৰ। গেটৰ সন্মুখতে পুৱা ৰৈ থকাতো তেওঁৰ আছিল নিয়ম। কেতিয়াবা হাতত এডাল চিটিকনি এচাৰি। উদ্দেশ্য এটাই মহাবিদ্যালয়ৰ আদৰ্শ শিক্ষাৰ্থীয়ে মানিবই লাগিব। কোনো ছাত্ৰই যাতে মহাবিদ্যালয়ৰ ভিতৰত গুটখা আনিব নোৱাৰে তাৰ বাবে সকলোৰে পকেট চেকিং কৰে। যদি কেনেবাকৈ পকেটত গুটখা পালে ছাত্ৰজনৰ অৱস্থা বেয়া। ছাৰৰ মতে মহাবিদ্যালয়খন পৰিষ্কাৰ হৈ থাকিব লাগে। ৰঙা পিকেৰে ফুল বাচিব নালাগে। লগতে শিক্ষাৰ্থীসকলৰ বদ অভ্যাস নাইকীয়া হওঁক।

এইবাৰ আহিছো ছাৰৰ আনটো উদ্দেশ্যলৈ। 'মোবাইল **NO ENTRY**'। কোনো শিক্ষাৰ্থীয়ে মহাবিদ্যালয়ৰ ভিতৰলৈ নিব নোৱাৰিব মোবাইল ফোন। গেটৰ সন্মুখতে ছোৱালীৰ বেগ আৰু ল'ৰাৰ পকেট চেকিং। কেনেবাকৈ যদি মোবাইল পালে শেষ আৰু। কলেজলৈ অভিভাৱক আহিবই লাগিব মোবাইল নিবলৈ। 'মা-দেউতা আহিব, এইটো নহ'ব। তাতকৈ মোবাইলেই নানো। আনিলেও স্কুটীৰ চিটৰ ভিতৰতে থৈ গৈছিলো।

এই পাঁচটা বছৰত কি পোৱা নাছিলো আৰু কি শিকা নাছিলো? প্ৰতি মুহূৰ্ততে প্ৰতিজন শিক্ষাগুৰুৰ পৰা লাভ কৰিছিলো শিক্ষা আৰু নতুন নতুন অভিজ্ঞতা। চেষ্টা কৰিছিলো মহাবিদ্যালয়ৰ যিকোনো কামতে আগভাগ ল'বলৈ। সেই সোণসেৰীয়া স্মৃতিবোৰ মুহূৰ্ত্ততে কৈ শেষ কৰিবও নোৱাৰি। শেষত সোণালী জয়ন্তী সমাৰোহৰ এই গৌৰৱোজ্জল মুহূৰ্ত্তত সেইসকল মনীষীক শ্ৰদ্ধাৰে সোঁৱৰিছো যিসকলৰ পৰা শিক্ষা লাভ কৰিছিলো, যিসকলে আমাৰ বাবে চৰাইদেউত দি গ'ল জ্ঞানৰ বটবৃক্ষ সোণাৰি মহাবিদ্যালয়।

জয়তু সোণাৰি মহাবিদ্যালয়।

°°°°°°

# সোঁৰৰণিৰ একলম

বনশ্ৰী গগৈ
প্ৰাক্তন ছাত্ৰী

জীৱনৰ সেউজীয়া বাটলৈ ঢাপলি মেলি এদিন সোণাৰিস্থিত সোণাৰি মহাবিদ্যালয়ৰ পদূলিত ভৰি থলো। কলেজৰ বাটচ'ৰাৰ মুখৰ জীপাল এক অনুভৱে চুই থৈ গৈছিল। কলেজ গেটৰ সন্মুখৰ পৰা ৰ'দজাকক যেন বিৰিখে চাটি হে ধৰিছে এনে লাগিছিল। মৃদু সমীৰণে মোৰ সন্মানীয় বিভাগৰ কোঠালীত জোকাৰি থৈ যায়। সমীৰণৰ পৰশত ব্যস্ত ক্লাচবোৰত এক প্ৰশান্তি ঢালি দিছিল। হাজাৰটা সপোন ৰচা কলেজীয়া মনবোৰ একেখন নাঁৱৰে যাত্ৰী নহয় জানো? কিছুমান চিনাকী মুখ কিছুমান অচিনাকী মুখ। চিনাকী-অচিনাকী মুখৰ মাজত ক্ৰমশঃ বন্ধুত্বৰ জৰী এডালে শিপাই গৈছিল। ক্লাছৰ শিক্ষাগুৰুৰ সাৰুৱা কথাবোৰে মন-মগজুত এখন সৰু পৃথিৱীৰ জন্ম দিছিল। সপোনৰ জখলাত এখাপ আগুৱাবলৈ শক্তি দিছিল। অফ ক্লাচত সহপাঠী সকলৰ সৈতে ইটো-সিটো কিনিবলৈ ওলাই যোৱা, বৰষুণৰ বতৰত একাপ গৰম চাহ আৰু চিঙৰা খোৱা, ঠাণ্ডা দিনত ৰ'দ ল'বলৈ ফিল্ডৰ মাজত বহা, খুচুৰা পইচা মিলাই কেঁচা চানা খোৱা সময়বোৰ স্বাধীন মনৰ পৰিচায়ক আছিল। যেন মুকলি আকাশৰ একো একোজনী মুক্ত চৰাইহে। লাইব্ৰেৰীৰ কিতাপৰ আলমিৰাৰ সৈতে পঢ়া ঠাইডোখৰৰ পৰিৱেশে মন আপ্লুত কৰিছিল পঢ়িবলৈ। চাৰিওফালৰ পৰা বতাহ সোমাব পৰা তাত বহিবলৈই পঢ়ি থাকিবলৈ মন যায়। বিভিন্ন বিষয়ৰ পকা-বন্ধা কিতাপবোৰৰ পৃষ্ঠাৰ পৰা শব্দেৰে সজোৱা বহু কথা জানিব পাৰিলোঁ। কলেজৰ বিভিন্ন অনুষ্ঠান সমূহত অংশগ্ৰহণ কৰি কিছুমান কথা জ্ঞাত হলো। চাওঁতে চাওঁতে ষান্মাসিকৰ শেষৰটো পৰীক্ষাত বহিবলৈ সময় আহি পৰিল। তিনিটা বৰ্ষ কেনেকৈনো পাৰ হ'ল গমকে নাপালো। মৰমৰ মহাবিদ্যালয়খনৰ পৰা এদিন বিদায় ল'লো। শেষত সকলোৰে মৰমৰ মহাবিদ্যালয়খনৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৈ ছাত্ৰ-ছাত্ৰী লৈ শুভকামনা জনাইছোঁ। সফলতাই আকাশ চুৱক তাকে কামনা কৰিছোঁ। জয়তু সোণাৰি মহাবিদ্যালয়।

঳঳঳঳



# স্মৃতিৰ পাতত জিলিকি ৰোৱা সোণাৰি মহাবিদ্যালয়ৰ সেই সোণালী দিনবোৰ......

বৰ্ণালী আৰক্ষৰা গগৈ
প্ৰাক্তন ছাত্ৰী-২০০৪

"স্মৃতিবোৰ সঁচাই
কিমান যে ৰঙীণ
সময়ে যদিও বাগৰ সলাই
তথাপিও হৈ থাকে বৰ্ণিল"।

সময় পাখি লগা কাঁড়। সময়ৰ লগত আমিবোৰ অগ্ৰসৰ। আমাৰ প্ৰতিটো স্মৃতিয়ে দি যায় এটি এটি মধুৰ মুহূৰ্ত।

"সোঁৰৰণীৰ অনুৰণন
বুকুতে সঘনে
যেন এটি মিঠা সপোন
চকুৰ পতাতে উমলে।"

আমি সময়ৰ লগত খাপ খুৱাই নতুনত্বক আদৰি লওঁ সঁচা। কিন্তু কেতিয়াবা পুৰণি অনুভৱক আকৌ এবাৰ সোঁৰৰণীৰ অনুকৰণ কৰি অতীতৰ পাতবোৰ লুটিয়াই চাবলৈ মন যায়।

"অতীতৰ এৰাসুঁতিৰ বালিচৰত
আজিও উজ্বলি আছে
সেই পদচিহ্নবোৰ
ঠিক মুকুতাৰ দৰেই,
সময়ৰ নিৰবিচ্ছিন্ন প্ৰবাহত
যিমানেই প্ৰাচীন হ'লেও
সমুজ্জ্বল হৈ ৰ'ব সদায়েই।"

অতীতৰ সেই সময়বোৰ আছিল কিমান যে মধুময়, তেনে এক মধুময় মুহূৰ্ত হ'ল সোণাৰি মহাবিদ্যালয়ত কটোৱা সেই সোণসেৰীয়া সময়বোৰ। সোণাৰি মহাবিদ্যালয়ত ২০০৪ চনত ভৰি দিছিলো। সোণাৰি মহাবিদ্যালয়ত পাৰ কৰা সেই সময়খিনি আজিও জিলিকি আছে মোৰ মানস পটত। ২০০৪ চনত সোণাৰি মহাবিদ্যালয়ত প্ৰথম দিনা প্ৰৱেশ কৰোঁতে মোক সোণাৰি মহাবিদ্যালয়ৰ চাৰিওফালে থকা সেউজীয়া পৰিৱেশটোৱে আকৰ্ষণ কৰিছিল। আৰু প্ৰথমৰ পৰা মোৰ দুগৰাকী বান্ধৱী খুউব প্ৰিয় আছিল এগৰাকী তিলোমণি বৰুৱা আৰু শেৱালি অৰংঙীয়া আমি তিনিওগৰাকী অসমীয়া বিভাগৰ আছিলো। আজৰি সময়ত

পুথিভঁৰালত কিতাপ পঢ়ো আৰু কেতিয়াবা গছৰ তলত বহি সেউজীয়া উপভোগ কৰি লগৰীয়াৰ সৈতে মনৰ কথা পাতো। আমাৰ লগত বিউটি সোনোৱাল, বিউটি শ্যাম, কৃপাৰাণী আৰু সীমা লাহন এই লগৰীয়াৰ লগত পাৰ কৰা সেই সোণালী দিনবোৰ অবিহনে শিক্ষাৰ যাত্ৰা আধৰুৱা।

সোণাৰি মহাবিদ্যালয়ৰ একে কিছু মধুৰ ক্ষণ যিবোৰ সোঁতত কেতিয়াও হেৰুৱাব নোৱাৰো।

এইক্ষেত্ৰত শিক্ষাগুৰু সকলৰ আমাৰ প্ৰতি থকা দায়িত্ব আৰু কতব্যৰ কথা নতশিৰে স্বীকাৰ কৰো। শিক্ষাগুৰু সকলৰ পৰা পোৱা শিক্ষা, মৰম আৰু উৎসাহৰ বাবে আজি কলম হাতত তুলি লৈ মনৰ কথাবোৰ লিখিবলৈ প্ৰয়াস কৰিছোঁ। তাৰ বাবে মই শিক্ষাগুৰু সকলৰ ওচৰত চিৰকৃতজ্ঞ।

শিক্ষাগুৰুসকলৰ অনুপ্ৰেৰণাত কেৱল পাঠ্যপুথিৰ জ্ঞান অৰ্জন কৰাতে সীমাবদ্ধ নাথাকি খেলা-ধূলা আৰু যিকোনো বিষয়ে চৰ্চা সমানেই চলাই নিবলৈ চেষ্টা কৰিছিলো। আজিও বহুত সুখী অনুভৱ কৰো সোণাৰি মহাবিদ্যালয়ত পঢ়িবলৈ পায়।

সেই তাহানিৰ সোণাৰি মহাবিদ্যালয় মধুৰ স্মৃতিবোৰৰ প্ৰতিটো পল অনুপল আজিও সজীৱ হৈ আছে মনৰ দাপোনত।

শেষত মোৰ মনত দোলা দি থকা বাক্যকেইটা লিখোতে যদি কিবা ভুল হৈ গৈছে তাৰ বাবে পঢ়ুৱৈ সমাজৰ পৰা ক্ষমা বিচাৰিছোঁ।

সোণাৰি মহাবিদ্যালয়ৰ দীৰ্ঘায়ু আৰু উত্তৰোত্তৰ কামনা কৰিলোঁ।

“সুঁৱৰিম সোণাৰি মহাবিদ্যালয় তোমাক চিৰদিন চিৰকাললৈ।”



# সোণাৰি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী হিচাপে আমাৰ অভিজ্ঞতা আৰু কিছু অনুভৱ

আমিনুৰ ৰহমান
অঞ্জুমা বেগম
প্ৰাক্তন ছাত্ৰ-ছাত্ৰী-২০১৭

আমাৰ ঘৰ চৰাইদেউ জিলাৰ সোণাৰিৰ ১৩ নং ৱাৰ্ডৰ সোণাপুৰত। আমি দুয়ো হায়াৰ চেকেণ্ডাৰী পাছ কৰি উচ্চ শিক্ষাৰ বাবে সোণাৰি মহাবিদ্যালয়ত ভৰ্তি হলো। নতুন মহাবিদ্যালয়ৰ নতুন পৰিবেশত আমাৰ মনটোত নতুন মাদকতা পালো। মোৰ মেজৰ বিষয় আছিল জীৱবিজ্ঞান আৰু বাইদেউৰ মেজৰ বিষয় আছিল বুৰঞ্জী। মহাবিদ্যালয়খনত এটা লাইব্ৰেৰী আছে। মহাবিদ্যালয়ত সুশীল চুড়ী, ৰঘুনাথ কাগয়োং আৰু পল্টু পাল ছাৰে আমাক শিক্ষাৰ ক্ষেত্ৰত দিহা-পৰামৰ্শ দিছিল। আমি ভাবো এইখন মহাবিদ্যালয়ৰপৰা অধ্যয়ন কৰি বিদেশত ডাক্তৰ-ইঞ্জিনিয়াৰ হোৱাটো গৌৰৱৰ কথা।

মই সোণাৰি কলেজত ভৰ্তি হৈছিলো ২০১৭ চনত। তেতিয়া মনত আছিল বহু আশা। আমাৰ জীৱ বিজ্ঞানৰ ক্লাছবোৰ লৈছিল পল্টু পাল, ৰাণা কোঁৱৰ আৰু জ্যোতিপ্ৰসাদ ফুকন ছাৰে। জ্যোতিপ্ৰসাদ ছাৰক আমি J.P. ছাৰ বুলি মাতো। মোক সুধিলে — “তোৰ ইমান পলম কিয়?” মই কলো — ছাৰ, বানপানী হোৱাৰ বাবেহে দেৰি হ’ল। জীৱ বিজ্ঞানৰ পাছৰ ক্লাছটো আছিল উদ্ভিদ বিজ্ঞানৰ। উদ্ভিদ বিজ্ঞান মোৰ সাধাৰণ বিষয় আছিল। সেই ক্লাছটো লৈছিল ৰঞ্জিত ছাৰে সেই ক্লাছটো আৰম্ভ হয় ১০ বজাৰ পৰা কিন্তু সময় জানিলেও কোনটো ৰুমত ক্লাছ হব সেইটো মই নাজানিছিলো। যিহেতু মই বাকী বোৰতকৈ কলেজত দেৰিকৈ গৈছিলো। পাছত যেনিবা বিচাৰি বিচাৰি ক্লাছ ৰুমটো বিচাৰি পালো। ক্লাছত সোমাই গৈ ক্লাছটো অলপ সময়ৰ বাবে কৰিলো। পল্টু পাল ছাৰৰ ক্লাছত মই মনোযোগ দি শুনিছিলো। কিন্তু এনেকুৱা নহয় যে বাকী ছাৰ-মেডামহঁতৰ ক্লাছত মনোযোগ দিয়া নাই। পল্টু পাল ছাৰৰ বুজোৱাৰ ধৰণটোৱে মোক আকৰ্ষিত কৰিছিল। তৃতীয় ছেমিষ্টাৰৰ পৰা কেইগৰাকীমান মেডামে আমাৰ জীৱ বিজ্ঞানৰ ক্লাছবোৰ লৈছিল। সেইকেইগৰাকী মেডাম হৈছে অমৃতা মেছ, পূবালী মেডাম। মই স্কুলীয়া সময়ৰপৰা হাঁহিমুখীয়া আছিলো। ক্লাছৰ সময়ত মেডামে সুধে — কি হ’ল, কিয় হাঁহি আছা আমিনুৰ? হাঁহিৰ কথা কওতে আৰু এটা কথা মনত পৰিল সেইদিনাখন আমাৰ দ্বিতীয় ছেমিষ্টাৰৰ প্ৰেক্টিকেল পৰীক্ষাৰ Viva আছিল। প্ৰথম বেঞ্চত বহিবলৈ সকলোৱে ভয় কৰে। ছাৰে কোৱাৰ দৰে সকলোৱে এখন বেঞ্চত দুটাকৈ বহিলে। কিন্তু সকলোৱে বহাৰ পিছত দেখিলো প্ৰথম বেঞ্চখনহে খালী আছিল। তাতে গৈ মই বহিলোগৈ। External আহিলে, প্ৰশ্ন সুধিলে মোক সেইসময়তে মোৰ পাছৰ বেঞ্চত বহা লগৰ এটাই মোক দেখি হাঁহিলে। ময়ো External ৰ আগতে হাঁহি পালো। এয়া হ’ল এক অভিজ্ঞতা অনুভৱ। কেনেকৈ পাহৰো।

বুৰঞ্জী বিভাগত মই ২০১৬ চনত সোণাৰি কলেজত ভৰ্তি হৈছিলো। ২০১৬ চনত মই উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষাৰ বাবে সোণাৰি কলেজত নামভৰ্তি কৰিম বুলি মনত আশা পুহি ৰাখিছিলো আৰু তাতে মই ইতিহাস বিভাগত নামভৰ্তি কৰিলো। উচ্চতৰ মাধ্যমিকৰপৰা মোৰ ইতিহাস প্ৰিয় বিষয় আছিল। সেইবাবে মই ইতিহাস বিভাগত নামভৰ্তি কৰিলো। ইতিহাস বিভাগৰ প্ৰথম ক্লাছ কৰি ভাল লাগিল। প্ৰথম অৱস্থাত মই অলপ নাৰ্ভাছ কৰিছিলো। তাৰপাছত লাহে লাহে বহুতো লগৰ ছোৱালী লগ পালো। মই মোৰ লগৰ ছোৱালীবোৰ লগত বহু আনন্দ স্ফূৰ্তি কৰিছিলো কলেজত। মোৰ ইতিহাস বিভাগৰ চুড়ী ছাৰ, লিন্দি মেডাম আৰু দিব্যজ্যোতি ছাৰে পঢ়াত প্ৰথমৰপৰা শেষৰলৈকে মোক বহুত সহায় কৰিলে। ছাৰ-বাইদেউসকলৰ ক্লাছবোৰ কৰি মোৰ বহুত ভাল লাগিছিল। কিবা বুজি নাপালে মোক ছাৰ-বাইদেউসকলে বুজাই দিছিলে। তেনেকৈয়ে মোৰ ক্লাছবোৰ পাৰ হৈছিল। সোণাৰি কলেজত পঢ়ি থকা কালত বিশিষ্ট সমাজসেৱক স্বপন কৰৰ পৰা বহু উৎসাহ পাইছিলো। তেখেতৰ কথা সদায় মনত থাকিব। এইদৰেই মই সোণাৰি কলেজত পঢ়ি গ্ৰেডুৱেচন কৰিলো।

ঃঃঃঃঃঃ



# প্ৰাচীন ভাৰতৰ শিক্ষা ব্যৱস্থা

স্বৰ্ণ বৰগোহাঁই বৰবৰুৱা
অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী
চফ্ৰাই হাইস্কুল

প্ৰাচীন কালৰে পৰা ভাৰতৰ সভ্যতাৰ কথা জানিব পাৰি। হিন্দু উপত্যকাৰ সভ্যতা, হৰপ্পা মহেঞ্জুদাৰোৰ সভ্যতাৰ কথা সকলোৰে জানে। এটা জাতি সভ্য হিচাবে পৰিগণিত হ'বলৈ হলে শিক্ষা, সংস্কৃতি আদি সকলোদিশতে আগবঢ়া হ'ব লাগিব। ভাৰতবৰ্ষতেই প্ৰথম জ্ঞানৰ উদয় হোৱা বুলি কোৱা হয়। পুণ্য ভূমি ভাৰত বৰ্ষতে অনেক ঋষি মুনিৰ জন্ম হৈছিল। বেদৰ উৎপত্তি ভাৰততে হৈছিল। বেদ শব্দৰ অৰ্থ হৈছে জ্ঞান। ঋষি মুনিসকলে বেদ অধ্যয়ণ কৰি তেওঁলোকৰ সাধনালব্ধ জ্ঞান শিষ্য সকলক বিলাই দিছিল। বৈদিক যুগৰে পৰা অনেক মহৰ্ষি আৰু বিদুষী মহিলাৰ নাম জানিব পাৰি।

মানুহৰ জীৱন পৰিক্ৰমাটো চাৰিটা ভাগত ভগোৱা হয়। (১) ব্ৰাহ্মচৰ্য্য (২) গাৰ্হস্থ্য (৩) বানপ্ৰস্থ (৪) সন্ন্যাস। আৰম্ভণী ভাগ ব্ৰহ্মচৰ্য্য। এইসময়চোৱা শিক্ষা আহৰণ কৰা সময়। ভৱিষ্যত জীৱনৰ ভেটি এই সময় চোৱাতে গঢ়ি উঠে। অতীজত অভিভাৱকসকলে নিজৰ সন্তান সকলক শিক্ষা গ্ৰহণ কৰিবলৈ ঋষি মুনিৰ আশ্ৰমলৈ পঠাই দিছিল। নিৰ্দিষ্ট গুৰুৰ ওচৰত থাকিও শিক্ষা গ্ৰহণ কৰিব পাৰিছিল। দ্বাপৰ যুগত শ্ৰীকৃষ্ণই সন্দিপণি মুনিৰ ওচৰত শিক্ষা গ্ৰহণ কৰিছিল। পৰমগুৰু শ্ৰীমন্ত শংকৰদেৱে মহেন্দ্ৰ কন্দলিৰ টোলত শিক্ষা গ্ৰহণ কৰিছিল। সেয়াই হৈছে অতীতৰ গুৰুকুল শিক্ষা। কোনো কোনো আঢ্যৱন্ত লোকে শিক্ষক নিয়োগ কৰি ঘৰতে পঢ়োৱাৰ ব্যৱস্থাও কৰিছিল। তাৰোপৰি অতীতত মন্দিৰৰ পাঠশালা, চতুস্পদী আদিত শিক্ষা গ্ৰহণ কৰিব পৰা ব্যৱস্থা আছিল। সেই সময়ত মুখে মুখে শিক্ষা আয়ত্ব কৰিব লাগিছিল। কোনো লোকে মন্দিৰত শিষ্য সকলক ৰাখি শিক্ষা দিছিল। তেওঁলোকক ধাৰ্মিক দিশত ব্ৰতী হ'বলৈ শিকোৱা হৈছেল। শিষ্যসকলে গুৰুৰ উপদেশ আখৰে আখৰে পালন কৰিছিল।

ঋষি মুনিৰ আশ্ৰমসমূহ হাবিৰ মাজত প্ৰাকৃতিক পৰিবেশত গঢ়ি তুলিছিল। একোজন ঋষিৰ নামেৰে আশ্ৰমসমূহক নামাকৰণ কৰা হৈছিল। আশ্ৰমসমূহত সকলো ধৰণৰ ব্যৱহাৰিক জ্ঞান দিয়া হৈছিল। তাৰোপৰি শিষ্যসকলৰ শাৰীৰিক শিক্ষা, খেলা-ধূলা, ব্যায়াম, ধনুৰ্বিদ্যা, সমৰকলা, যুগ সাধনা শিকোৱা হৈছিল। পৰিপক্ক হৈ উঠা ছাত্ৰই বাকী ছাত্ৰসকলক শিকোৱাত নিয়োগ কৰিছিল। শিষ্যসকলৰ উচ্চ শিক্ষা লবলৈ ইচ্ছা থাকিলে বিহাৰ অথবা বিশ্ববিদ্যালয় আদিলৈ যাবলগীয়া হৈছিল। তেনে ধৰণৰ উচ্চ শিক্ষা অনুষ্ঠান হৈছে— তক্ষশীলা, নালন্দা, বিক্ৰমশীলা, উদান্তপুৰী আদি। এনে বিশ্ববিদ্যালয় সমূহত ছাত্ৰ সকলে আলোচনা বা তৰ্কৰ জড়িয়তে জ্ঞানৰ আদান-প্ৰদান কৰিব পাৰিছিল।

তক্ষশীলা পূৰ্বতে ভাৰতৰ অন্তৰ্গত আছিল। বৰ্তমান ই পাকিস্তানৰ ভিতৰত পৰে। এই বিশ্ববিদ্যালয়ৰ পৰা অতীতত বহুতো ব্যক্তিয়ে শিক্ষা গ্ৰহণ কৰি নিজৰ নাম ৰাখি থৈ গৈছে। চাণক্য (যাৰ অন্য নাম কৌটিল্য) ই এই বিশ্ববিদ্যালয়তে অৰ্থশাস্ত্ৰ যুগুত কৰিছিল। বৈয়াকৰণিক পাণিনি এই বিশ্ববিদ্যালয়ৰ ছাত্ৰ আছিল।

তেখেতৰ ব্যাকৰণ পুথি হৈছে “অষ্টাধ্যায়ী”। জীৱক আছিল চিকিৎসা বিজ্ঞানৰ ছাত্ৰ। এই বিদ্যালয়লৈ কাশী, কৌশল, মগধ আদি ৰাজ্যৰ পৰা ছাত্ৰ অধ্যয়ন কৰিবলৈ আহিছিল। তক্ষশীলাক ১৯৮০ চনত ইউনেস্কই ৱৰ্ল্ড হেৰিটেজ চাইট হিচাবে স্বীকৃতি দিয়ে।

নালন্দা পৃথিৱীৰ ভিতৰতে এখন পুৰণি বিশ্ববিদ্যালয়। এই বিশ্ববিদ্যালয়ে বিভিন্ন ঠাইৰ পণ্ডিত সকলক আকৰ্ষণ কৰি আহিছে। চীনা পণ্ডিত Iqing আৰু Xuan Zang এ নালন্দা বিশ্ববিদ্যালয় পৰিদৰ্শন কৰিছিল। পিছলৈ Xuan Zang এ এই বিশ্ববিদ্যালয়ত যোগশাস্ত্ৰ অধ্যয়ন কৰিছিল। নালন্দা বিশ্ববিদ্যালয়ত চাৰু কলা, ঔষধ, গণিত, ৰাজনীতি, জ্যোতিশাস্ত্ৰ আদিৰ শিক্ষা দিয়া হৈছিল। অতীতত জ্ঞান দান কৰাটো পবিত্ৰ কৰ্তব্য বুলি বিবেচনা কৰা হৈছিল। জ্ঞান দান দিলে কমি নাযায় বৰঞ্চ জ্ঞান দিওতা জনৰ জ্ঞান বৃদ্ধিহে হয়। অতীতত শিক্ষা বিনামূলীয়া আছিল। ধনাঢ্য লোকৰ পৰা টকা পইচাৰ সহায় পাইছিল। মাটি আৰু গৃহাদি নিৰ্মাণ দানৰ সহায়ত লাভ কৰিছিল। বিশ্ববিদ্যালয় সমূহতো বিনামূলীয়া শিক্ষাদান কৰা হৈছিল।

বৌদ্ধ বিহাৰসমূহত বৌদ্ধ সন্নাসী (Mank) আৰু সন্ন্যাসিনী (Nun) সকলে ধৰ্মচৰ্চ্চা, যোগ, ধ্যান কৰাৰ ওপৰিও তৰ্কত ভাগ লৈছিল। ইয়াৰদ্বাৰা জ্ঞানৰ আদান-প্ৰদান হৈছিল। এনেকৈ বৌদ্ধবিহাৰ সমূহ অধ্যয়নৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল। বৌদ্ধ বিহাৰ সমূহলৈ চীন, কোৰিয়া, বাৰ্মা, শ্ৰীলংকা, যাভা, নেপাল আদি দেশৰ লোকৰ সোঁত বৈছিল। অতীতত মহিলা সকলেও শিক্ষা গ্ৰহণ কৰাৰ ব্যৱস্থা আছিল। গাৰ্গী, মৈত্ৰেয়ী, বিশ্বম্ভৰা, অপলা, লোপামূদ্ৰা আদি বিদুষী মহিলাৰ নাম উল্লেখযোগ্য।

আশ্ৰমত শিষ্যসকলে ব্যৱহাৰিক জ্ঞান লাভ কৰাৰ ওপৰিও নীতি শিক্ষা শিকাইছিল। গুৰু শিষ্য পৰস্পৰে পৰস্পৰক সহায় কৰিছিল। সৎপথত থাকি সৎ জীৱন যাপন কৰিবলৈ শিকিছিল। বৌদ্ধ বিহাৰ সমূহতক বুদ্ধ জাতক সমূহৰ পৰা নীতি শিক্ষা দিয়া হৈছিল। অনাচাৰ, ব্যভিচাৰ আদিৰ পৰা শিষ্য সকল আঁতৰত আছিল। বৰ্তমান প্ৰাচ্য আৰু পাশ্চাত্যৰ সংমিশ্ৰণত যি শিক্ষা ব্যৱস্থা গঢ় লৈ উঠিছে তাত একেবাৰে নীতিজ্ঞান নাই। বিজ্ঞানৰ আবিষ্কাৰ, কম্পিউটাৰৰ ব্যৱহাৰে ছাত্ৰ-ছাত্ৰীসকলক যান্ত্ৰিকতাৰ মাজলৈ লৈ গৈছে। অনাচাৰ, ব্যভিচাৰ, হত্যা-হিংসা আদি বৃদ্ধি পাইছে। গতিকে অতীতৰ শিক্ষা ব্যৱস্থাতো সুদুৰ প্ৰসাৰী আৰু সুফল দায়ক আছিল বুলি ধাৰণা কৰিব পাৰি।

০০০০০



# তাই আহোম ৰাজবংশৰ ৰাজধানী, চৰাইদেউ

অমল ৰাজ কোঁৱৰ
প্ৰাক্তন ছাত্ৰ - ১৯৮৬

অসমীয়া জাতিৰ প্ৰথম অসমীয়া আৰু পিতৃপুৰুষ চাওলুং চ্যুকাফা। এইজনা মহান চাওফাই তাই আহোম ৰাজবংশৰ প্ৰতিষ্ঠাতাই আছিল এনে নহয়, তেওঁ ‘সাত ৰাজ মাৰি এক ৰাজ কৰাৰ আদৰ্শেৰে, সেই সময়ত সৌমাৰপীঠত বসবাস কৰা বৰাহী, কছাৰী আদি কৰি জাতি জনগোষ্ঠীসমূহক লগত লৈ এক বৃহত্তৰ জাতি গঠন প্ৰক্ৰিয়াৰ আৰম্ভণি ঘটাই অসমীয়া জাতি গঠনৰ পৃষ্ঠভূমিও গঢ়িছিল। সেয়েহে চাওলুং চ্যুকাফাক অসমীয়া জাতিৰ প্ৰথম অসমীয়া হিচাবে স্বীকৃতি প্ৰদান কৰা হৈছে। বৃহত্তৰ জাতি গঠনৰ প্ৰক্ৰিয়াৰ প্ৰাণকেন্দ্ৰ আছিল, তাই আহোম ৰাজবংশৰ প্ৰথম ৰাজধানী চৰাইদেউ।

মহান চাওলুং চ্যুকাফাই মাওলুং ৰাজ্যৰ পৰা ঘটনাক্ৰমে প্ৰব্ৰজন কৰিবলৈ আৰম্ভ কৰি এক সুদীৰ্ঘ যাত্ৰা কৰি কৰি ১২২৮ খৃঃৰ ১৬ আঘোণ ইং ২ ডিচেম্বৰ তাৰিখে দয় কাও ৰং অতিক্ৰমি ব্ৰহ্মপুত্ৰ উপত্যকাত খোজ পেলাইছিল। ব্ৰহ্মপুত্ৰ উপত্যকাত এখন তাই সাম্ৰাজ্য প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্য শিৰোগত কৰি এখন সুচল ৰাজধানী সন্ধান কৰি কৰি বিভিন্ন ঠাই অতিক্ৰমি চৰাইদেউত উপস্থিত হৈছিলহি ১২৫০ খৃঃত। চৰাইদেউৱে মহান চাওফাজনৰ মনঃপুত ৰাজধানী হোৱাত ইয়াৰ পৰাই তাই সাম্ৰাজ্য বিস্তাৰৰ পৰিকল্পনা কৰিছিল।

তাই আহোম ৰাজবংশত বেলি মাৰ নোযোৱালৈকে ৰাজধানী চৰাইদেউ আৰু ইয়াৰ মৈদামস্থলীসমূহ সুৰক্ষিত হৈ আছিল। ১৮৩৮ খৃঃত অসমক বৃটিছ সাম্ৰাজ্যৰ সৈতে চামিল কৰা হয়। তেতিয়াৰ পৰাই চৰাইদেউ আৰু মৈদামসমূহ অৱহেলিত হৈ পৰে। মৈদামসমূহ হৈ পৰিল ক্ষত-বিক্ষত। কালক্ৰমত এই অঞ্চলসমূহ অটব্য অৰণ্যত পৰিণত হয়। লুপ্ত পথত অগ্ৰসৰ হয় ইতিহাস প্ৰসিদ্ধ এই অঞ্চল।

১৯৪৭ চনত অসম স্বাধীন হয়। ১৯৫৩ চনত তাই আহোম ৰাজফৈদৰ স্বৰ্গীয় গণেশ ৰাজকোঁৱৰ নেতৃত্বত মৈদামনী অঞ্চল সমীপত সামূহিক স্মৃতি তৰ্পন অনুষ্ঠানৰ শুভ আৰম্ভণি হয়। এই স্মৃতি তৰ্পন সেৱাভাগৰ এক সুদীৰ্ঘ ইতিহাস আছে। আহোম ৰাজবংশৰ ৰাজত্বকালটো মৈদাম অঞ্চলত তৰ্পন দিয়া হৈছিল। মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণ আৰু বৃটিছৰ আমোলত এই পাৰম্পৰিক আনুষ্ঠানিকতাত কিছু যতি পৰিছিল যদিও ১৯৫৩ চনৰ পৰা ইয়াত পয়োভৰ বৃদ্ধি পাইছে। চৰাইদেউৰ মৈদামসমূহ সংৰক্ষণ, উন্নয়ন আৰু শোভাৱৰ্দ্ধন প্ৰকৃতপক্ষে স্মৃতি তৰ্পন অনুষ্ঠানৰ অৱদান।

সামূহিক স্মৃতি তৰ্পন ঃ ১৯৫৩ চনৰ পৰা ফাগুন মাহত জোনৰ কৃষ্ণা চতুৰ্থীত স্বৰ্গদেউসকলৰ স্মৃতি তৰ্পন সেৱাভাগ আগবঢ়োৱা হৈ আহিছে। এই তিথিটো হ'ল গদাধৰ সিংহৰ মৃত্যু তিথি। ইতিহাসৰ পাতত গদাধৰ সিংহৰ উন্নয়নমূলক শ্ৰেষ্ঠতম অৱদানৰ বাবেই স্মৃতি তৰ্পনৰ এই দিনটো ধাৰ্য কৰি লোৱা হৈছে। দুদিনীয়া কাৰ্য্যসূচীৰ প্ৰথম দিনা পুৱাভাগত তাই আহোম ৰাজবংশৰ প্ৰথম ৰাজধানী সমীপৰ লাংকুৰি দলত তাই আহোমৰ পৰম্পৰাৰে পূজা পাতল দিছিল। বৃটিছৰ আমোলত অবিবেচকসকলে এই দ'ল ভাঙি ইয়াৰ ইটাৰে

চৰাইদেউ বাগানৰ বাংলো নিৰ্মান কৰিলেগৈ। এইবাৰো প্ৰথম দিনৰ সন্ধিয়ালৈ সামূহিক বন্তি প্ৰজ্বলনেৰে নাম কীৰ্তন কৰা হয়। পিছৰ দিনা তাই আহোমৰ পৰম্পৰাৰে ইন্দ্ৰপাণ্ডত আৰু ইয়াৰ সমীপতে ৪২ (বিয়াল্লিছ)খন ভোগৰ শৰাইৰে স্মৃতি তৰ্পন সেৱাভাগ সম্পন্ন কৰা হয়। এই দিনা পুৱা ভাগত ড্ৰেগনযুক্ত পতাকা উত্তোলন কৰা হয়। ২০২২ বৰ্ষটো উক্তদিনা পৰম্পৰাগত কাৰ্য্যসূচীৰে এই অনুষ্ঠান ভাগ আৰম্ভ হয়। মুকলি সভাৰ কাৰ্য্য "চ্যুকাফা বিশ্ববিদ্যালয় প্ৰতিষ্ঠা" বিষয়ক আলোচনা চক্ৰ অনুষ্ঠিত হয়। এই গাম্ভীৰ্য্যপূৰ্ণ আলোচনাৰ আঁত ধৰে নগালেণ্ড বিশ্ববিদ্যালয়ৰ অৱসৰকালীন উপাচাৰ্য্য ড° বলীন কোঁৱৰদেৱে ভাষণ আগবঢ়ায় বুৰঞ্জীৰ গৱেষক ড° যোগেন ফুকন, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক, প্ৰত্নতত্ত্ববিদ ড° কে.চি. ন্যাৰেলাল আৰু বহুতো বুদ্ধিজীৱি, বুৰঞ্জী গৱেষকসকলে। এই আলোচনা চক্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জীবিভাগৰ প্ৰায় ডেৰকুৰি ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰাৰ উপৰিও শিক্ষাবিদ,স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।

বিশ্ব ঐতিহ্যক্ষেত্ৰ — অসমবাসীৰ বাবে সুখবৰ। চৰাইদেউত সিঁচৰিত হৈ থকা প্ৰাচীন কীৰ্তিচিহ্নসমূহৰ এলেকাটো বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাবে স্বীকৃতি পোৱাটো প্ৰায় নিশ্চিত হৈ পৰিছে। ড° কে.চি. ন্যাৰেলাল তত্বাৱধানত প্ৰত্নতত্ব বিভাগে পূৰ্ণগতিত চৰাইদেউৰ ডৰছিয়াৰ প্ৰস্তুত কৰিছে। তেখেতলোকৰ পৰা সভাসমূহত দাঙি ধৰা বক্তব্য অনুসৰি ২০২৫ বৰ্ষৰফালে বিশ্ব ঐতিহ্যক্ষেত্ৰ ঘোষণা কৰাৰ পূৰ্ণ সম্ভাৱনা আছে। তেতিয়াই বিশ্বদৰবাৰত পৰিচিত হ'ব আহোম ৰাজবংশৰ প্ৰথম ৰাজধানী, অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ প্ৰাণকেন্দ্ৰ, চৰাইদেউ আৰু পৰিচিত হব তাই কোঁৱৰ মহান চাওলুং চ্যুকাফা।

নৱ প্ৰজন্মৰ দৃষ্টিত বৰ্তমান চৰাইদেউ বিখ্যাত হৈছে আহোম চাওফাসকলৰ মৈদাম সমূহৰ বাবে। তেওঁলোকে মনত ৰখা উচিত। চৰাইদেউৰ গৰিমা হ'ল আহোম যুগৰ ৰাজধানী হিচাবে। বৰ্তমান এই ৰাজধানী সুৰক্ষা, সংৰক্ষণ আৰু সৌন্দৰ্য্য বৰ্দ্ধনৰ বাবে বহু কোটি টকাৰ পৰিকল্পনা আঁচনি প্ৰস্তুত কৰি আৱণ্টিত পুঁজি মোকলাই দিছে। গতিশীল হওঁক চৰাইদেউ, বিশ্ব দৰবাৰত জিলিকি উঠক চৰাইদেউ।



# INFLUENCE OF L1 AND IMPACT OF SOCIETY IN L2 LEARNING PROCESS

**PONGKHI KONWAR.**
**(Faculty at Sonari Senior Secondary School)**

Language is the best way for the human being to communicate ideas, emotions, and desires with others. Learner's L1 is the most important source of the second language learning process. It is the most important resource which learners use both consciously and unconsciously. Hence, this article is the modest attempt to highlight the influence of L1 and impact of society in L2 learning process.

No language exists in isolation. All language in context influences each other. Languages like French, Chinese, and Spanish influence their contact languages and a global, by this nature, exercises the most influence of all. All languages have always been in contact with another language. All languages have always borrowed words from other languages. And no community has ever succeeded in stopping this process taking place. The only way to do so would be to take ones' language away from contact with the other language.

Usually any language one learns and acquires after his/her mother tongue or the first language (L1) is known as the second language (L2). The second language may or may not be a foreign language. Technically English is a foreign language in India but in social and academic context English assumes the status of a second language. A second language is a widely used language. It needs some instructions. In a formal L2 learning situation (in a classroom) as prevailing in many non- English speaking countries learning English as an L2 is deliberate and conscious. They have given adequate exposure and opportunity for using the language in varied communicative situations and provided that the learner has strong motivation and needs. This learning result in the internalization of the entire process. This internalization may not take place evenly in all learners.

We see 'INDIANNESS' in the English language used by the Indian people. It is known to all that for Indian language classroom English always a second language. And this is because India is a multilingual country. The Eight Schedule of the Indian Constitution consists of total 22 languages and more than 19500 mother tongues are spoken in India. For this reason it is common for our mother tongue to influence the process of learning English.

For example-

A voiceless dental sound (tip of the tongue touches the upper front teeth) like /t/ becomes alveolar sound (tip of the tongue touches the alveolar ridge).

- 'thin'[tin]à [thi:n] .

Voiceless labio-dental sound /f/ becomes bilabial sound /ph/.

- 'fan' [fan]à [phen] .

Some more examples-

- 'apple' [ap(Y)l] à [a:pel]
- 'van' [van] à [bhan]
- 'tomato' [tYÈmQÐtYŠ] à [tometo]
- 'sauce' [saws] à [sos]
- 'fish' [fis] à [phis]
- 'chicken' [chik-uhn] à [siken]
- 'car' [ka:] à [kar]

The loanwords always add semantic value to a language, giving people the opportunity to express their thoughts in a more nuanced way. And this is what happen in other languages at the moment; for example, finds many English loan words 'cool', in a way that the older generation does not, and their expressiveness is empowered as a consequence. Learners can speak Hindi or other local language fluently at any moment. We see the borrowing words, code switching, code- mixing while they speak in English. Some of the examples are cited below-

- ***Dil mange*** more.
- ***Thanda ki matlab*** Coca-Cola.
- ***Chalti-firti*** car.
- Hero Honda ***dhak dhak*** go.
- Ma'am I wanted to say that...***eneke korile bhal holheten***...
- The poet was astonished by ***mane nature-tu sai*** ...
- Ma'am ***mane*** what was the meaning ***heitu koise ne ki?***
- Yesterday I couldn't come coz Sir ***mane moi gatot pori golu.***
- Ma'am not me. He is asking ***kiba hudhi ase.*** etc.

## IMPACT OF SOCIETY

On the other hand, to be a society it must need a language and when it has its own language it becomes a community. The connection between language and society is tightly anchored. The relationship of this two is deeply rooted. Language performs various functions in the society and the society does the same.



## FAMILY/HOME

The children learn what they hear or see at home. So the parents sometimes need to be very careful while using the second language at home. The family needs to provide a healthy, peaceful and harmonious and valid study environment for kids. Sometimes due to poor economic background or ignorance of the parents become a drawback in the process of learning English properly. Such learners cannot concentrate in the L2 class. So its result is not so good. L2 learning is a conscious process. One must follow the instructions during his/her L2 learning process.

## SCHOOL

School is a social institution and it is responsible for growth and development and progress of the future generation. A teacher is considered as the second parent of the learner. Here we have some of the roles of the teacher in the second language (L2) learning process.

Role of the teachers-

**LEARNER–FACILITATOR–ASSESSOR–MANAGER–EVALUATOR–GUIDE.**

**(S.Archana &Usha Rani; role of a teacher in English languageteaching)**

- The teacher is the learner, facilitator, assessor, manager, evaluator and the guide.
- Proper planning and prepare in advance.
- The primary role of the teacher in a multidimensional language class is to establish conditions and develop activities so that students are able to practice the language in a meaningful context.
- Use different learning techniques.
- Student friendly atmosphere.
- Teaching English to non-native English learners involves a teacher establishing a foundation for the language.
- The teacher has to ensure that learners have adequate out of class language development opportunities, and regularly checking a student's progress in the program including literacy as the semester extends.
- Have the right qualifications.
- Use audio-visuals aids. etc.

According to 'Mass media and its effect on language maintenance and acquisition', 'television, radio, the internet, and other forms of media has the power to both shape our culture and to mirror our culture back to us'. Indeed. When a child watch television programs he/ she starts imitating it knowingly or unknowingly. Sometimes they start enacting the roles as well without knowing the meaning. Here I will say the meaning is not so important because the learner is actually learning it by doing like imitating their favorite characters or heroes etc. In the learning process we need to follow one rule- listening, speaking, reading and writing. First they will listen then they will speak then they will learn to read then they will learn to write. Hence, this habit will help them to speak in the target language and gradually they will achieve fluency in the target language. There are lots of designed educational programs for the enhancement of the L2 learners. Those programs can help the learners to learn the language fast. Parents can use it for their children as an audio-visual aid in the process of learning English as a second language.

The social environment is the sum total of all external conditions and influences affecting organism. It is the totality of what we live in, family, natural or constructed, scientific appliances, equipment and natural conditions such as air, water and land which directly or indirectly affect human beings.

## REFERENCES

Agarwal, Shruti & Thakur Krishan Ram,(2014). Influence of Environments on the English Learning of Students in India, International Journal on Arts, Managements and Humanities 3(1):5-8(2014).

Allwright, D.(1993), Observation in the Lnguage Classroom, London: Longman.

Krashen, Stephen. (1987), Principles and Practice in Second Language Acquisition, NJ: Anglewood Cliffs, Prentice Hall.

White, Lydia. (1989), Second Language Acquisition and Universal Grammar, New York: Cambridge University Press.

https://en.m.wikipedia.org>wiki

::::



# Egyptian Pyramid

Uddipti Mohan
Subject Teacher, History
Sonari Senior Secondary School

Burial system is one of the most fascinating features of a civilization which provide a wide range of information about the socio-cultural aspect of a particular culture. The Egyptian Pyramids are the massive structures associated with the burial system of the ancient Egyptians are full of mysteries and myths.

The Pyramids are triangular shaped structures converging to a single step at the top. The bases of the Pyramids are of different shapes like trilateral, quadrilateral or of any polygyon shape. Some of the Pyramids have square base and four triangular outer surfaces.

The people of ancient Egypt considered death as the beginning of a new life in another world and that new life could be everlasting if certain precautions were taken. This considereation prompted buliding their burials in a different way from their regular houses of mud. They also believed that besides the physical body, everyone had a soul called 'ba' and a spiritual duplicate of themselves called 'ka'. After the demise of an individual, his or her 'ba' continued to live on earth resting within the body at night ; while 'ka' kept on travelling between the earth and the eternal world. Beacuse of this belief, the Egyptians preserved the corpses by mumification underneath the tomb we know as the Pyramid. The size of the tombs were varied according to the position of the buried person in the society. The Pharaos or the rulers considered to be god after death and that is why their tombs were elaborate and large.

The royal Pyramids were surrounded by a complex of temple and smaller tomb called 'mastaba'. The burial chamber of the king was protected by the manmade stone mountain which completed the structure of the Pyramid.The single peak of the triangular surfaces represented the rays of sun shining down over the Pharaos linking them with the Sun god. Against the east side of the Pyramid,a temple with a false door was built symbolising the entry and exit of the 'ka'. All the burial pits were located on the west bank of the river Nile symbolised the journey of 'ka' at the end of the day.

The most fascinating fact about the Pyramid is that the Pharaos within two years of the beginning of their rule had to prepare for their ends and for the beginning of their journey as god. Accordingly, the Pharaos instructed the royal architect to design a tomb in his name and the building of the tomb was completed before the death of the Pharaos. The entire Pyramid was constructed layer by layer and thousands of workers were appointed in it's building.

The building of Pyramids was actually associated with the idea of giving comfort to the 'ka' of the dead by providing a house and burying all the valuable things with the dead. Protection was another concern associated with the building of the Pyramids as the ancient Egyptians believed in the concept of new life after death and they also believed that providing protection to the deceased in his or her new life was necessary.

However , Macaulay has put forward a question about the protection concern related to the structure of the Pyramids as the Pyramids could not be spared from robbery, but he has ended up opining that the Pyramids are always successful in making the Egyptian ancestors immortal.

References


- Macaulay David, ' Pyramid', Houghton Mifflin Company, Boston
- Wikipedia




# "Capsula Mundi"The biodegradable burial pod that turns your body into a tree


Chow Hansang Konwar

Ex-student,Dept. Of English.Sonari College.


Capsula Mundi is an egg-shaped pod through which a buried corpse or ashes can provide nutrients to a tree planted above it. Your carbon footprint doesn't end in the grave.

While you rest in peace, the wood, the synthetic cushioning and the metals generally used in traditional coffins — as well as the concrete around reinforced graves — continue to litter the earth.

"A lot of energy also goes into producing these materials, which are used for a very short time and then buried. They're not going to break down very fast," says Jennifer DeBruyen, an Associate Professor of Biosystems Engineering and Soil Science at the University of Tennessee.

Italian designers Raoul Bretzel and Anna Citelli might have a solution. They call it Capsula Mundi — "world's capsule" in Latin — and it's an egg-shaped, organic casket that's suitable for ashes, too.

Once buried, they say, the biodegradable plastic shell breaks down and the remains provide nutrients to a sapling planted right above it.

Bretzel and Citelli believe that death is as closely related to consumerism as life. Their goal? To create cemeteries full of trees rather than tombstones, reduce waste, and create new life out of death.

The idea for the Capsula Mundi came in 2003, when the pair saw tons of furniture trashed at the end of Milan's famous design fair, "Salone del Mobile."

"It was a big competition to design new things, but almost nobody cared about future impact or whether anyone would actually use these things", Bretzel said.

"We started thinking about projects that could have an environmental aspect. Death is part of our life but at design fairs nobody cares about that because it's one side of our life that we don't want to look at. We don't like to think of death as part of life."

The science behind it. The designers are launching the first version of their product, which is for ashes only. A later model will be suitable for bodies, to be encapsulated in the fetal position.

Bacteria in the soil first break down the bio-plastic, then the ashes gradually come into contact with the soil, without changing its chemical balance too dramatically.

While the burial of ashes may be environmentally friendly, cremation has its critics: "It's a very energy-demanding process," says DeBruyen.

On top of that, older dental fillings can release polluting mercury, which is why some crematoriums have installed mercury filters.

Although sowing a seed on top of the Capsula may sound like an attractive concept, Jacqueline Aitkenhead-Peterson, Associate Professor in the Department of Soil and Crop Sciences at Texas A&M University, suggests more mature trees should be used.

"Because the body will purge within a year in a buried environment, the nutrients are released into the soil quite quickly, so a decently sized tree planted on top would be key. Capturing these nutrients is also important to protect groundwater," she said.

But would it really benefit the environment? DeBruyen seems to think so: "The problem with traditional burials is that they're completely anaerobic. The remains are buried deep and sealed in a coffin. There's a lot of incomplete degradation."

"These pods may help maintain some oxygen flow into the system. The other thing they bring to the whole system is carbon [from the starch-based bioplastic]. One of the constraints and challenges with decomposing a human body is that it's very nitrogen rich. And so, the microbes that are trying to break down all that nitrogen need some carbon to balance it out."

The law behind it "I think there's enough science and agreement that these [options] represent a really viable option for afterlife", adds DeBruyen.

As scientific research supports green solutions such as the Capsula Mundi, environmental awareness is also breaking down cultural barriers around burials.

"We've noticed an uptick in the public interest in green burials in the last 24 months. Although our providers continued to grow steadily, the public has become much more aware and there is a lot more interest in the practice", says Kate Kalanick, from the Green Burial Council, North America's eco-certification organization for the death industry.



She links this increase to the baby-boomers' environmental awareness and interest in how their bodies will be disposed.

But is it legal? "It's legal in the whole of North America. We really don't have any governmental or legislative push back in the US or in Canada in regards to green burials," says Kalanick.

Elsewhere, it could be a different story: "In Italy, for example, this type of burial would not be allowed," says Bretzel.

"We're collecting signatures for a petition to make it legal. But I know that it will be a long way before we can change the rules."

At the end we can assume that though Capsula Mundi is ecologicaly have nature friendly aspects it is in a very initial stage righ now.

Reference -By Paula Erizanu,CNN.

::::

# দ্বিতীয় বিবাহ

বিভাৰাণী দত্ত
প্ৰাক্তন ছাত্ৰী-১৯৮৬-৯১

আজি প্ৰায় পঁচিশ বছৰ মানৰ আগৰ কথা। এটা সৰু সুখৰ পৰিয়াল আছিল। এটি মাত্ৰ পুত্ৰ সন্তান। ঘৰখন নদন-বদন, পৰিপূৰ্ণ।

এদিন প্ৰাতঃ ভ্ৰমণলৈ যাওঁতে দেখা পালো যে, মানুহ এঘৰত বাহিৰে ভিতৰে মানুহেই মানুহ। মইয়ো চুচুক-চামাককৈ তেওঁলোকৰ ঘৰৰ ওচৰত পাই এজন চিনাকী মানুহকে সুধিলো, কি হ'লনো বুলি। মানুহজনে ক'লে ঘৰৰ গৃহিণী গৰাকী ঢুকালে। মনটো বৰ বেয়া লাগিল। এদিন জ্বৰ হওঁতেই বাৰু মানুহৰ মৃত্যু হ'ব পাৰেনে বুলি নিজকে প্ৰশ্ন কৰিলো। মনটো ভাল নলগাত প্ৰাতঃভ্ৰমণলৈ নগৈ ঘৰৰ পিনেহে ৰাওনা হ'লো। মানুহঘৰৰ গৃহস্থ জনৰ বয়স প্ৰায় পঞ্চলিছ বছৰ মানহে হ'ব। মানুহজনে তেওঁৰ পত্নীক হেৰুৱাইছিল আৰু আত্মীয় স্বজনে পুনৰ বিবাহ কৰাবলৈ দিহা পৰামৰ্শ অনেক দিছিল। পিছে কোনোপধ্যেই মানি নলয়, তেওঁ মাথো কৈছিল যে ল'ৰাটোৰ এতিয়া আঠ বছৰেই হ'ল, মই ল'ৰাটোৰ মুখখনকেই চাই জীয়াই থাকিম। মাকজনীয়ে মোক ইমান ধুনীয়া উপহাৰ এটা দি থৈ গৈছে যেতিয়া, মোৰ কোনো পত্নীৰ আৱশ্যকতা নাই। জীৱনৰ বাকীচোৱা সন্তানৰ সৈতে কটাব পাৰিম বুলি কৈ সকলোকে ধন্যবাদ জনালে।

তেখেত এজন সমাজৰ প্ৰতিষ্ঠিত ব্যক্তি আছিল। এটা উদ্যোগৰ মালিকো। পুতেকক পঢ়াই-শুনাই সাবালক হোৱাৰ পিছত গোটেই ব্যৱসায়টো পুতেকৰ হাতত গটাই দিলে আৰু নিজে নিজৰ কাৰ্যালয়ত বহি আনন্দেৰে দিনবোৰ কটাব ধৰিলে।

অৱশেষত উপযুক্ত বয়সত পুতেকৰ বিয়াও অতি ধুমধামেৰে সম্পন্ন কৰিলে। ঘৰৰ সম্পূৰ্ণ দায়িত্বও পো-বোৱাৰীৰ হাতত তুলি দিলে।

দিন পাৰ হ'ল। মাহতো ভৰি দিলে। বছৰে বাগৰ সলালে। তেনেকুৱা এটা দিনত বাপেকে দুপৰীয়া ভাত খাবলৈ ঘৰলৈ আহিল। বোৱাৰীয়েক শহুৰেকক ভাত খাবলৈ বাঢ়ি দিলে। সেই সময়তে অফিচৰ পৰা পুতেকো ভাত খাবলৈ আহিল। পুতেকে মুখ হত ধুই পাকঘৰলৈ সোমাবলৈ লওঁতেই শুনিবলৈ পালে যে, দেউতাকে ভাত খোৱাৰ শেষত খাবলৈ বোৱাৰীয়েকক "দৈ" অলপ বিচাৰিলে। বোৱাৰীয়েকে তপৰাই উত্তৰ দিলে দেউতা 'দৈ' শেষ হ'ল। দেউতাক ভাত খাই অফিচলৈ ৰাওনা হ'ল আৰু পুতেক বোৱাৰীয়েক দুয়ো ভাত খাবলৈ বহিল। পুতেকে লক্ষ্য কৰিলে যে, খোৱাৰ টেবুলত ডাঙৰ বৰবাতি এটাত এবাতি দৈ গাখীৰ। পুতেকে একো নক'লে আৰু নীৰৱে ভাত খাই অফিচলৈ ওভতিল। এই ঘটনাৰ দুদিনৰ পাচত পুতেকে দেউতাকক ক'লে, দেউতা আজি মই এটা কথা কওঁ। আচৰিত হৈ দেউতাকে ক'লে, "কি হ'লনো? কোৱা, কি ক'বানো?" দেউতা আপুনি বিয়া পাতিবই লাগিব। মই সকলো ঠিক ঠাক কৰি থৈছো। আপুনি মাথো ক'টলৈ গৈ চহী কেইটা কৰিলেই হ'ল। বাপেকে আচৰিত হৈ পুতেকৰ ফালে চাই থাকিল আৰু অলপ সময়ৰ পাচত ক'লে ধেৎ এতিয়া আকৌ মোক পত্নীৰ আৱশ্যক বুলি কোনে ক'লে অ'। তই বলিয়া হ'লি নি? তোৰ প্ৰতি থকা মোৰ মৰমত কিনো কৃপণালী কৰিলো যে তোক নতুন মা এজনীৰ দৰকাৰ হ'ল। শুনক দেউতা মই মোৰ কাৰণে মা এজনী বা আপোনাৰ কাৰণে নতুন পত্নী বিচৰা নাই অ দেউতা....

মই মাত্ৰ আপোনাৰ দুপৰীয়া ভাত সাজৰ লগত আপোনাৰ প্ৰিয় দৈ কণৰ ব্যৱস্থাহে কৰিব বিছাৰিছো। আজি মই গোটেই ব্যৱসায়টোৰ দায়িত্ব পুনৰ আপোনাৰ হাতত তুলি দিব বিচাৰিছো। কাইলৈৰ পৰা মই মোৰ পত্নীৰ সৈতে ভাৰাঘৰ এটালৈ গুচি যাম বুলি ইতিমধ্যে সিদ্ধান্ত কৰি পেলালো। মই মাত্ৰ এজন কৰ্মচাৰী হিচাপেহে কৰ্মৰত থাকিম আৰু সেই হিচাপেহে মোক দৰমহা দি থাকিব। আৰু মোৰ পত্নীয়ে তেতিয়াহে বুজি পাবই লাগিব যে, এবাতি "দৈ" ৰ মূল্য কিমান?

ঃঃঃঃঃঃ

## ‘অনুগল্প’ৰ ৰূপত সমাজলৈ তিনিটা বাৰ্তা’

সুনিতা ৰায়
প্ৰাক্তন ছাত্ৰী - ২০০৩-০৬

১)  <u>সঠিক সিদ্ধান্ত ঃ</u>

— বোৱাৰী স্কুললৈ নোযোৱাই হ’লা যে।

— মা মই ৰেজিগ্‌নেচন দিলো নহয়।

— কিয়? অ তাৰমানে বিয়া হৈয়েই চেক্ৰিফাইচ কৰিছা।

— মা প্ৰাইভেট চাকৰিহে সুবিধা হ’লে পিছত আকৌ কৰিম।

— অ ঘৰখনৰ প্ৰতি থকা দায়িত্বৰ বাবে। মই দেখোন দিনটো থাকোৱেই। মই কৰা ভুলটোকে তোমাক কৰিবলৈ নিদিওঁ বোৱাৰী জানা মোৰ শাহুৱে আক’ ল’ৰা এঠাইত বোৱাৰী এঠাইত থাকিব বুলি মোক কৰি থকা চাকৰিটোও এৰোৱাই দিছিল। ময়ো ঘৰখন আৰু মানুহজনৰ কথা ভাবিয়েই সকলো এৰিলো কিন্তু তুমি এটা কথা সদায় মনত ৰাখিবা নিজৰ আত্মসন্মান আৰু স্বাৱলম্বীতাৰ বাবে সৰু হ’লেও চাকৰি এটাতকৈ বিশ্বাসী বন্ধু একোৱেই হ’ব নোৱাৰে। স্কুলত ফোন কৰি জনাই দিয়া কাইলৈৰ পৰা তুমি আকৌ জইন্ কৰিবা বুলি।

২)  <u>স্পীড ঃ</u>

দুখনকৈ চিতাগ্নিৰ তাপ আৰু পোহৰে গৌৰৱান্বিত গাঁওখনৰ প্ৰত্যেকৰে হৃদয় দহি নিছে। দুটি উদীয়মান, প্ৰতিভাৱান জীৱন নিমিষতে ছাই হৈ গ’ল।

আকাংক্ষিত বৰা আৰু বাস্তৱ কলিতাই দিল্লী বিশ্ববিদ্যালয়ত চিট পোৱাৰ আনন্দত বন্ধুমহলৰ লগত গেট টুগেদাৰ পাৰ্টি কৰিছিল। শেষ নিশা ঘৰলৈ উভতাৰ পথতে দুয়ো বন্ধুৱে সাধাৰণ এটা স্পীডবেকাৰত নিজৰ জীও দুটা থৈ আহিল। লগতে সিহঁতে চলোৱা বাইকখনৰ ফুলস্পীডৰ বাবেই দুখন ঘৰৰ জীৱন প্ৰণালীও যেন জিৰ’ স্পীডত হে থমকি ৰ’ল।

৩)  <u>চিহ্ন ঃ</u>

— দেতা এইবোৰ বগা বগা কিহৰ চিন? পিঠিৰ ঘামচিবোৰ ফুটাই ফুটাই সাতবছৰীয়া ধূনে বাপেকক সুধিলে।

— এইবোৰ দুখীয়া হোৱাৰ চিন অ বোপাই, পেটৰ ভোকৰ চিন!

উত্তৰটোত যেন সন্তুষ্ট হ’ব পৰা নাই ধুন। বুজা-নুবুজাৰ দুমোজাত ওলমি ৰ’ল তাৰ সহজ-সৰল শিশুমনটো।

— বাপেক ফণীধৰেনো কোন সতেৰে বুজাই যে দুখীয়া হোৱা বাবেইতো তেওঁৰ দেউতাকে পাঁচজনীয়া পৰিয়ালটোৰ পেট ভৰাই দুবেলা-দুমুঠি খোৱাৰ যোগাৰ কৰিব নোৱাৰি তেওঁক চহৰৰ চাৰ-বাইদেউৰ ঘৰত বন কৰিবলৈ দি দিছিল। ভোকত ৰ’ব নোৱাৰি এদিন বাটিত বৈ যোৱা কেঁচুৱাটোৰ ভাগৰ লুথুৰিখিনি খাই পেলোৱাৰ বাবেই বাইদেৱে গৰমপানী পেলাই দিছিল তাৰ গাত।

៰៰៰៰



## গৌৰৱ সোণোৱালী মুকুট

মধুছন্দা শইকীয়া বৈশ্য
প্ৰাক্তন ছাত্ৰী

স্মৃতিৰ একা বেঁকা সাকোঁয়েদি উজাই গ’লো নে ভটিয়াই গ’লো
মাজবাটত অকণমান থমকি ৰ’লো,
হৃদয়ৰ সপোনবোৰে পাখি মেলা চোতালখন
আকৌ এবাৰ যেন উভতাই পালো...
কণমানি সোণাৰিৰ এটি নীৰৱ সেউজ কোণত
এজন ধ্যানমগ্ন তপস্বীৰ দৰে জ্ঞানামৃত মন্থন কৰি কৰি
স্থিতপ্ৰজ্ঞ হৈ জিলিকি আছে এতিয়াও
পৰম পবিত্ৰ সোণাৰি মহাবিদ্যালয়খনি...
এতিয়া তোমাৰ শিৰত উজ্বলিছে গৌৰৱৰ সোণোৱালী মুকুট
জ্ঞানৰ পলসুৱা পথাৰত কঠীয়া পাৰি
বহুজনেই জীৱনৰ সোণগুটি শইচ বুটলিলে
তোমাৰ সাৰুৱা গৰ্ভৰ পৰাই...
নিজ সন্তানৰ দৰে হিয়াৰ প্ৰীতিৰে জ্ঞান দান কৰা
প্ৰতিজন গুৰুলৈ এই সোণোৱালী শুভক্ষণত জনাওঁ
হৃদয়ৰ সশ্ৰদ্ধ প্ৰণিপাত...
কেৱল কিতাপৰ জ্ঞানেই নহয়, সাহিত্য-সংস্কৃতি ক্ৰীড়া আদিতো
বহুজনকে নিপুণ কৰি তুলিলে
এই মহাবিদ্যালয়ৰ অনুপম পৰিৱেশে
যাউতিযুগীয়া হওঁক আমাৰ জ্ঞান মন্দিৰ
সোণাৰি মহাবিদ্যালয়খনি...
নৈৰ দৰে বৈ হওঁক নিৰবধি তোমাৰ অমূল্য কীৰ্তি....
জয়তু সোণাৰি মহাবিদ্যালয়....
প্ৰণামো তোমাক। প্ৰণামো তোমাক...।

៰៰៰៰

## জ্ঞানৰ আলয়

গীতালি গগৈ
প্ৰাক্তন ছাত্ৰী

জ্ঞানৰ পোহৰ মেলি
বিলাই দিলা হেজাৰ জনক
আশাৰ বন্তি।
জীয়াই থকাৰ আমোঘ মন্ত্ৰ।
জীৱনৰ সোণোৱালী সময়
হাঁহি-ধেমালিৰ সেই দিনবোৰ
আজিও জিলিকি ৰয়
চকুৰ মানস পটত।
দীঘলীয়া পদূলিৰ সেউজীয়া
ঘাঁহনি ডৰা বৰ আপোন,
নীলা আকাশখনে
আজিও কথা কয় নীৰৱে।
মোৰ আইৰ দৰেই বৰ আপোন
মোৰ জ্ঞানৰ আলয়
সোণাৰি মহাবিদ্যালয়।

៰៰៰

## সোণাৰি কলেজৰ নীলাঞ্জনা

ৰাতুল চেতিয়া ফুকন
প্ৰাক্তন সাধাৰণ সম্পাদক

সোণাৰি কলেজৰ তুমি নীলাঞ্জনা
অসমীয়া সাহিত্যৰ ছাত্ৰী
কেনে আছা তুমি?
এৰা আজি বহু দিন হ'ল
তোমাৰ খবৰ দেখুন
লোৱাই নহ'ল,
সোণাৰি সেউজীয়া ঘাঁহনিৰে
পাৰ হৈ গ'ল
কলেজৰ সোণালী সুদিন।
তুমি মই আমিবোৰে
একেডাল সাঁকোৰে বগুৰা বাইছিলো।
হয়তো তোমাৰ বুকুৰ ওমলা কুঠৰীত
অজানিতে খোপনি লৈছিল
মোৰ কবিতাই।
দুচকুৰ জোনাকত দেখিছিলো
তোমাৰ
অনুভৱৰ জোনাকী পৰুৱা।
ভাল পোৱাৰ ব্যাকৰণ নপঢ়াকৈয়ে
আমি প্ৰেম সন্ধি ভাঙিছিলো।
কম বুলিও এই অজলা কবিয়ে
বহু কথা কোৱাই নহ'ল,
বাস্তৱৰ পৰা পলাই থাকি
শব্দৰ জাল গুঠোতেই
সময়ে পাখি মেলি
কেনি গুছি গ'ল।
আমাৰ বাবে তেতিয়া
সময়বোৰ সহজ নাছিল।
সমাজৰ ৰঙা চকু য'তে ত'তে
ওলমি আছিল।
আমি আঁকা ছবিখন
ৰংহীন হৈ
আজিও বুকুতে থাকিল।
মন নাযায়নে বাৰু
ছবিখন উভতি চাবলে
কবিতাৰ শব্দবোৰ
খুচৰি চাবলে।
সোণাৰি কলেজৰ তুমি নীলাঞ্জনা
অসমীয়া সাহিত্যৰ ছাত্ৰী
কেনে আছা তুমি?

ঃঃঃ



## জয়তু সোণাৰি মহাবিদ্যালয়

বীণা বাউৰী

ইতিহাসে গৰকা চৰাইদেউ জিলা
জাকত-জিলিকা মহামিলনৰ স্থান।
ইয়াতে আছে সোণাৰি নগৰ
ৰজাদিনীয়া কাহিনীৰে মূৰ্তমান।
নানা জাতি, ধৰ্ম, ভাষা বিবিধ মঞ্চ
বুকুত একতাৰ জয়গান
বাজি আছে ৰিণি ৰিণি
তাহানিৰ সুন্দৰ, সুদিনৰ পৰা।
গাঁও আৰু গাঁও চাৰিও দিশে
গাঁওৰ অপূৰ্ব সমাহাৰ
এটি কলি দুটি পাতেৰে
সেউজীয়া বাগিচা অনন্য অনুপমা
মাজতে আছে জিলিকি
আজি অক্ষয় বন্তি
অজ্ঞান অন্ধকাৰ বিনাশী
জ্ঞানৰ পোহৰ চৌদিশে বিলায়।
সোণাৰি মহাবিদ্যালয়ৰ
জীৱন জ্যোতিৰ্ময় গৰিমাময়
কৰি তোলা মন্দিৰ জ্ঞানৰ।
ডালে পাতে জাতিষ্কাৰ, পুষ্পিত পল্লৱিত
দূৰ দূৰলৈ সুগন্ধি সৌৰভ
সপোন, ..... দিশত
মুৰ্মুষ প্ৰাণে বিচাৰি পায়
সঞ্জীৱনী সুধা, অমৰত্বৰ বিধান
জীৱন জ্যোতিষ্মান, জ্ঞান গংগাৰ স্পৰ্শত
সোণাৰি মহাবিদ্যালয়
গংগা, যমুনা, সৰস্বতীৰ
ত্ৰিবেণী সংগম।

ঃঃঃঃঃঃ

## কণ্টকাকীৰ্ণ পথৰ সংগীহীন যাত্ৰী মই

উমা আচাৰ্য্য

কণ্টকাকীৰ্ণ পথৰ সংগীহীন যাত্ৰী মই
হাজাৰ খোঁচত শোণিত বোৱাওঁ,
তথাপি মই ক্লান্ত নহওঁ — এই পথ সততাৰ।
অহংকাৰী ধুমুহাই উৰুৱাই দিয়ে মোৰ আচ্ছাদন
কুটিলতাৰ প্ৰখৰ ৰ'দত দহো,
তথাপি মই শ্ৰান্ত নহওঁ — এই পথ সততাৰ।
হৃদয়ে কয়, বাদ দিয়া এই পথ
সৌৱা, সৌৱা চোৱা পুষ্পসজ্জিত পথেৰে গৈছে
অনেকজন
তুমিও যোৱা, এই মিছিলৰ অংশ হোৱা।
কিন্তু নোৱাৰো হ'ব অনেকজনৰ এজন।
মোৰ শোণিতেৰে ৰক্তাক্ত কৰা পথ
আৰু
মূৰৰ ওপৰৰ বিশাল আকাশে কয় —
আগুৱাই যোৱা, তুমি অনিৰুদ্ধ।

ঃঃঃ

# মুক্তিৰ গান

ধৰ্মজ্যোতি বৰুৱা
প্ৰাক্তন সাংস্কৃতিক সম্পাদক
১৯৯৬-৯৯

এজাক বৰ্ষাৰ প্ৰতীক্ষাৰত
এডাল লঠঙা গছ
ডালত বহি ৰুণ দিয়া
এযোৰ কপৌৰ অসহনীয় ভৰ
সযত্নে সাৱটি সৃষ্টিৰ চেতনা।
আছে তাত-গভীৰ প্ৰত্যাশা
মুক্তি আৰু মুক্তি।
অপ্ৰত্যাশিত ভাৱে দৃশ্যমান
এটি বৰ্ষামুখৰ আবেলি
লগত আছে
ধুমুহা আৰু শিলাবৃষ্টি,
তাণ্ডৱ আহে আৰু যায়
লঠঙা গছে গায় -
মুক্তিৰ গান।
ন-কুঁহিপাত মেলে
প্ৰকৃতিয়ে নিজৰ ৰূপ পায়
সেউজীয়া।
এইয়া বিশুদ্ধ বৰ্ষাৰ
সৃষ্টিৰ পূৰ্ণাঙ্গ প্ৰক্ৰিয়া।
এটা নিভাজ আবেলিত
দিবাকৰো মাৰ যায়
স্পষ্ট হৈ পৰে তাৰ
অবিশ্লেষণীয় — মাথোঁ
মনোমোহা বৰণ।

বাটিৰ দৰে গোলাকাৰ
অথবা —
এটা পূৰঠ ৰসাল
ৰৰাব টেঙা।
সিও গাই যায় —
যাৰৱ বেলাত
এটি মুক্তিৰ গান
সেউজীয়া নামৰ এখন প্ৰকৃতিৰ।।

৪৪৪৪



# সেই সময়

মিনাক্ষী কটকী
প্ৰাক্তন ছাত্ৰী

কেতিয়াবাই এৰি আহিলো স্বপ্নাতুৰ সময়
সেই সময়
বিৰামহীন যাত্ৰাৰ এক উজ্বল পাতনি

মোৰ সামৰণিত আছিল
সেই সময়ৰ প্ৰতিটো খোজৰ অনুশীলন

ফৰ্মুটিয়াই পাৰিব পাৰো ৰাতিৰ জোন
নিমিষতে বান্ধি থব পাৰো
পোহৰ বিলাসিতা তেতিয়া

তেতিয়া উজুটি খোৱাৰ ভয়ত
খুলি থোৱা নাছিলো আঙুলিৰ বাসনা
তাড়নাত ডুব যোৱা আবেলিটো চিণ্ডি আনি গঢ়িছিলো
প্ৰেম ভাস্কৰ্য

সেউজীয়া আছিল ভৰ-দুপৰৰ ৰং
সেউজ উশাহ মেৰিয়াই
হোষ্টেলৰ বাৰাণ্ডাত সাজি-কাচি বৈ থাকে
বসন্তৰ বন ফৰিং

কোনোবা এটা দিন মাথো ডাকোৱাল নাহে
টিলিঙাতে আমাৰ উছাহ
কলেজ অথবা হোষ্টেলৰ একোণত গুণ্‌গুণ্ ফুচ্ ফাচ্
কোনোবা প্ৰেমিক আত্মীয়ৰ আবেগ অন্তৰা

চঞ্চল বতাহ এজাকত ওলমি থাকে উশাহ
আবতৰৰ ৰাগ এটাৰ মেথনি মাৰি
আমি খেদি ফুৰো জীৱন

একান্তই নিজৰ আছিল পৃথিৱী
জীৱন যাপন আৰু উদ্‌যাপন নিজৰ

তিনিটা বছৰ হিচাব মাথো সময়ৰ নেওঁতা
কলমত শৃঙ্খলিত বাস্তৱ
তপ্ত লোতকেৰে জীয়াইছো ডায়েৰীৰ
অৰ্দ্ধমৃত প্ৰতিটো শব্দ
এতিয়া,
নিজক বিচাৰি হাহাকাৰ সময়....

৪৪৪৪

# আটক ধুনীয়া জিমখানা ক্লাৱৰ সেউজীয়া হাঁহি

সীমা ভাদুড়ী
প্ৰাক্তন ছাত্ৰী

তাহানিৰ জিমখানা ক্লাৱ
তাহানিৰ জিমখানা ক্লাৱ শৰীৰ-চৰ্চাৰ
এটা প্ৰিয় ওমলা ঘৰ।
এতিয়াৰ চৰাইদেউ জিলা নাছিল তেতিয়া
অবিভক্ত শিৱসাগৰ জিলাৰ
সোণাৰিৰ সুৱাসত তাহানিৰ জিমখানা ক্লাৱ
আছিল স্থায়ী ঠিকনা।

ইয়াতে আছে জীৱন সেউজী হোৱাৰ
অলেখ সপোন অলেখ সম্ভাৱনা।
ঋতু আহে ঋতু যায় সময় বাগৰে।
নিতৌ ন ন ৰূপেৰে নিজক সলায়।
কেতিয়াবা ৰ'দ কেতিয়াবা বৰষুণ
প্ৰকৃতি অনুপম শোভাৰে সজ্জিত
তোমাৰ পদূলি এক অনন্য সমাহাৰ
চৌদিশ সেউজীয়া আৰু কেৱল সেউজীয়া।

এই মাটিৰ শীতল ছাঁত বৈ
প্ৰিয় সুৱাস বিচাৰে ইফালে-সিফালে।
তেওঁলোক মাটি ভালপোৱা মাটিৰ মানুহ
সিদ্ধপুৰুষ দিগ্বিজয় কাণ্ডাৰী সৈনিক দল
মহাবিদ্যালয় অবিহনে সোণাৰি অসম্পূৰ্ণ।

এদিন উচ্চাকাংক্ষী মনৰ
লক্ষ্য হ'ল স্থিৰ।
সময়ৰ পক্ষীৰাজ ঘোঁৰাত উঠি
আঁকিছিল এমুঠি পোহৰৰ ছবি।
দুচকুত আছিল অযুত সপোন
প্ৰজন্মৰ পৰা উত্তৰ প্ৰজন্মলৈ
পূৰ্ণতা দিয়াৰ পূৰ্ণ সংগ্ৰাম।

ক্ৰমান্বয়ে সমন্বয়ৰ হাতে-হাত ধৰি
শক্তিশালী সময় যায় আগুৱাই।
হাজাৰ বাধা, ওজৰ-আপত্তিৰ
প্ৰাচীৰ ভাঙি সময়ে দিলে
সাহসৰ সফল সামৰণি।
দিলে সপোন বাস্তৱলৈ ৰূপান্তৰ হোৱাৰ —
শুভ জাননী।

নিঃস্বাৰ্থ সমাজকৰ্মী তথা বৰেণ্য জনাৰ
অশেষ কষ্ট মহান ত্যাগ, পৰিশ্ৰমৰ
বিনিময়ত সমন্বয়ৰ অনুপম সমাহাৰেৰে
জিমখানা ক্লাৱৰ সেউজীয়া হাঁহিৰ দলিচাত
আমাৰ জ্ঞানৰ মন্দিৰ
আমাৰ প্ৰাণৰ মন্দিৰ
আমাৰ হৃদয়ৰ মন্দিৰ
'আজিৰ সোণাৰি মহাবিদ্যালয়' আমাৰ ঠিকনা
জন্ম হয় চন উনৈশ সত্তৰৰ পাঁচ আগষ্টত।

সোণাৰি মহাবিদ্যালয়
তুমি আমাৰ হৃদয় সৰ্বস্ব।

৹৹৹৹



# এই বাটে হোনো উৰাজাহাজ নামিব

মিণ্টু তাঁতী
চফ্ৰাই মোহন গাঁও

চাহৰ সেউজীয়া বিদাৰি এই বাটে হেনো উৰাজাহাজ নামিব
চাহৰ সেউজীয়া বিদাৰি এই বাটেদিয়ে এদিন উৰা মাৰিব শূন্যলৈ পাখি লগা জাহাজবোৰ

আমি সৰু সৰু মানুহে ঢুকি নোপোৱা ডাঙৰ ডাঙৰ বেহা চলিব
নামী দামী মানুহবোৰ নামিব উৰিব এই ঠাইত

ৰঙা-নীলা লাইটেৰে জিলিকি উঠিব মায়াবী চহৰ হ'ব
চাহ বাগান উচ্ছেদ কৰি এই বাটেদিয়ে উৰিব নামিব পাখি লগা জাহাজবোৰ

কেঁচা পাতৰ সুগন্ধিবোৰ বিলীন হৈ যাব এদিন বতাহত
ঝুমুইৰ কলিবোৰ মানুহৰ ভিৰ আৰু কোলাহলত হেৰাই যাব
মাদল বজাই মাতাল হোৱা বুধুৱাহঁতৰ নিশাবোৰ নিষিদ্ধ হ'ব এই ঠাইত

এই ঠাই আৰু আমাৰ হৈ নাথাকিব
এই ঠাই কোনো কালে বুধুৱা আৰু ফুলমণিহঁতৰ নিজৰ হৈ নাথাকিব
চাহ বাগান উচ্ছেদ কৰি এই ঠাইতে নামিব পাখি লগা জাহাজবোৰ এদিন

কলিজাৰ তেজ ঢালি শাৰী শাৰী ৰুইছিলো এদিন লেহুকা পুলিবোৰ
গাৰ ঘাম আৰু চকুপানীৰে সেউজীয়া কৰিলো চাহ বাগান
চাহ বাগান আমাৰ মাই-বাপ
চাহ বাগান আমাৰ ভোকৰ এটুকুৰা ৰুটি আমাৰ ঘৰ
জীৱন ছন্দোময় কৰাৰ সপোন এই চাহ বাগান

চাহ গছৰ নীলাভ শিপাতেই দফন হৈ আছে
আমাৰ দুশবছৰীয়া ইতিহাস সম্বলিত জীৱন

বুধ্নিহঁতৰ দুচকুৰেদি নিগৰিছে এতিয়া অন্তহীন নিয়ৰৰ টোপাল
আকাশ চিৰাচিৰ কৰি
ছিটিকি ছিটিকি বতাহত বিলীন হৈ গৈছে সিঁহতৰ চিঞঁৰবোৰ

খাটি খোৱা নিমাখিতজনৰ চকুৰ পানী আৰু চিৎকাৰেও
ৰুধিব পৰা নাই হৃদয়
চৰকাৰ কিম্বা পুলিচ বাহিনীৰ

শীত-তাপ নিয়ন্ত্রিত কোঠাত
খাদী কাপোৰ পিন্ধা সকলে হিচাপ নিকাচৰ অংকত বহিছে
বুধ্নি-ফুলমণিহঁত মাটিত পৰি পৰি কান্দিছে
বন্দুকৰ নলীৰ আগত এফালৰ পৰা উচ্ছেদ হৈছে সেউজীয়া চাহ গছবোৰ

চাহৰ সেউজীয়া বিদাৰি এই বাটে হেনো উৰাজাহাজ নামিব
চাহৰ সেউজীয়া বিদাৰি এই বাটেদিয়েই এদিন উৰা মাৰিব শূন্যলৈ পাখি লগা জাহাজবোৰ।।

ঃঃঃঃঃ



## স্মৃতিৰ কুঠৰীত

চন্দ্রিকা কোঁৱৰ
প্রাক্তন ছাত্রী

স্মৃতিৰ দুৱাৰডলিত টুকুৰিয়াই
দেখিলো
দেখা-নেদেখা
অলেখ স্বপ্নই
অলেখ কথাৰ বাট দেখুৱাই
ৰমলিয়াই যোৱা বতাহজাকে
হৃদয়ৰ নিভাঁজ কোণত দকৈ
সাঁচ বহুৱা স্মৃতিবোৰ স্মৰণৰ
চাকনৈয়াত বৈ গৈছে মাথো
বৈ গৈছে।
বোৱতী সোঁতে অহৰহ ক্রিয়া কৰা
সোণসেৰীয়া কথাবোৰ...
আমাৰ বাবে আজি
মাথো স্মৃতি
যৌৱনৰ জাকত-জিলিকা বাটেদি
আগুৱাই যাওঁতে
প্রতিভাত হৈ উঠা ৰঙীণ বাস্তৱৰ
জীয়া কাহিনীয়ে...
কৈ যায অলেখ কথাৰ
সীমাহীন পৰিহাস
কিছু বাস্তৱ, কিছু অবাস্তৱ
ৰঙীণ পৃথিৱীৰ এয়াই
অনুভৱ
চিৰ শ্বাশ্বত, চিৰ প্ৰৱাহমান
অহৰহ অবিৰত ....

ঃঃঃ

## উৰুখা পঁজা মোৰ

অনন্ত বৰগোহাঁই
প্রাক্তন সাধাৰণ সম্পাদক

শাওনীয়া আলিৰ বোকোচাত
তোমাৰ মেঘালী চুলি
বোলাই যায় মোৰ হৃদয়ত
শুকান শব্দবোৰৰ ভাষা
বেতনিত কোলাহল, দৰিকৰ চকুলো
কাঞ্চনমতীৰ চাদৰ খহে
তুমি নুবুজিলা উভতি আহিলো
বহাগলৈ দুটা দিন বাকী
উৰুকাৰ হিয়াখন সামৰি
ৰাঙলী মদাৰে মাতিব
অশান্ত মেঘৰ গাজনিত
সাৰ পাই পীৰিতিৰ দুঃস্বপ্ন
তুমি সুঁতি বৈ যোৱা নিজৰাৰ সতে
লগ পাওঁ আইতাৰ মৰমী কোলাত
মন যায় আঁকি দিবলৈ
দুচকুত কাজল তোমাৰ
কুৰুকি কুৰুকি সোমাই যাওঁ
তোমাৰ সপোনৰ সাতসৰী বিচাৰি
উৰুখা পঁজা মোৰ
ল'বানে দুহাতে বুকুতে সাৰতি।।

ঃঃঃঃ

## অৰুন্ধতী, কেনে আছা তুমি।

ঋজুমনি গগৈ
প্ৰাক্তন ছাত্ৰী-১৯৯১-৯৪

অৰুন্ধতী,
কেনে আছা তুমি।
তোমাৰ সোণাৰু হালধীয়া হাঁহিটো
আছেনে আগৰ দৰেই?
আছেনে সেউজীয়া ভালপোৱা মনটো!
বিষাদৰ কলীয়া ডাৱৰে ঢাকিব নিদিবা দেই,
অ' খং উঠিয়েই আছে নেকি তোমাৰ।
ৰাতিবোৰে খংটো কাঢ়ি ল'ব পৰা নাই ন।
অভিপ্ৰায় নাছিল মোৰ তোমাক খং তোলাৰ
ভাল লগাজনীক খং উঠাই ৰং চোৱাৰ সময় এতিয়া আৰু নাই।
তথাপি, তথাপিচোন ভাল লাগে কিবা এটা
তোমাৰ খং উঠিলে।
অৰুন্ধতী, কিয় নাজানো
আজিকালি মোৰ বুকুত
আক্ষেপ এটাই গজালি মেলিছে।
ঠন্ ধৰি উঠা সৌভাগ্য এটাই
বৰকৈ অৱহেলা কৰা বাবেই নেকি।
কোৱাচোন
মই যদি হঠাৎ কেতিয়াবা তোমাৰ কাষ পাওঁ
তুমি বাৰু কি কৰিবা?
মই হ'লে উভতি দৌৰ মাৰিম ভাই!
বাৰু আজিলৈ আহোঁ
অৰুণাভ — ১৮/০৬/২০১৯

ঃঃঃ

## ৰাম জখলা

উজ্জ্বল স্মৰণ দত্ত
সাপেখাটী

নিৰুদ্বেগ সময়বোৰ উজুটিত গৈছিল
বাঢ়ি অহা বাৰ্তালাপত
কথাবোৰত গুটি ধৰিছিল
আৱহাৱাত বিনিময় বাঢ়িছিল।
জখলা বগাওঁতে বগাওঁতে
কথাৰ মাজতে এৰি আহিলোঁ আকাশখন
এৰি আহিলোঁ নৈখন
এৰি আহিলোঁ পথাৰখন
এৰি আহিলোঁ অৰণ্য
এৰি আহিলোঁ ছাঁবোৰ
হেৰুৱালো চকুলোৰ শেষ টোপালকণ।

ঃঃঃঃ



## "শুভ প্ৰাৰ্থনাৰে"

পূৰবী শইকীয়া বৰুৱা
প্ৰাক্তন ছাত্ৰী

সোণাৰিৰ সোণ হৈ জিলিকাই তুলিছা
চাওলুং চ্যুকাফাৰ ভেটি,
তোমাৰ শিৰত পুৱাৰ একাঁজলি সোণালী কিৰণ
উদ্ভাসিত দশোদিশ,

পোহৰ গ্ৰহণ কৰি সেই পোহৰেৰে
আন্ধাৰক নাশি
দিছা গভীৰ প্ৰজ্ঞা আৰু অন্তৰ্দৃষ্টি,
হে জ্ঞানৰ আলয়
তোমাৰ এই শুভ দিনত এটি শুভ প্ৰাৰ্থনা
কৰিছোঁ প্ৰণাম।

কত সময়ৰ সাক্ষী হ'লা
পাৰ হ'ল শুভ অশুভ দিন, মাহ, বছৰ
তথাপিও তোমাৰ পদূলিৰে পাৰ হৈ গৈ থাকিল
শত পোহৰৰ সমদল
সেই পোহৰেৰে পালিতা আমি
আগবাঢ়ি গৈ আছো।

তুমি আঁকি দিছা দুচকুত
মনুষ্যৰ ছবি
শিকাই দিছা
পৃথিৱীক ভালপোৱাৰ আদিপাঠ
ধীৰে ধীৰে মেলি দিব পৰা হ'লো আমাৰ অনুগত হাত
আত্মাৰ গভীৰলৈ,
জীৱন বৃত্তৰ অখণ্ড ৰূপবোৰে শিকিবলৈ
লৈছে
নৈশব্দৰ অমল সংগীত
আমি ধন্য
তোমাৰ আশীৰ্বাদত
তোমাৰ এই শুভ ক্ষণত প্ৰাৰ্থনা কাতৰ
দুহাতেৰে
এটি শুভ প্ৰাৰ্থনা।

ঃঃঃ

# "সোণাৰি"

জোনমনি ফুকন
প্ৰাক্তন ছাত্ৰী

হেৰ' অত্যাচাৰী তই লালুকসোলা
বুৰঞ্জীত ৰাখিলি নাম,
ল'ৰা ৰজা স্বৰ্গদেউক
হাতৰ মুঠিত ৰাখি
কাললৈ কাটিলি কাণ।
তোৰে অত্যাচাৰত
গদাপাণি আঁতৰিল
নগা পাহাৰলৈ গ'ল,
দলৈ সোণাৰিয়ে
সহযোগ কৰিলে
কথাটি গোপনে ৰ'ল।
তোৰে অপশাসন
এদিন ওৰ পৰিলে
গদাপাণি ৰজা হ'ল,
দলৈ সোণাৰিক
খাট-পাম যাঁচিলে
তেওঁ নামে সোণাৰি হ'ল।
দলৈ সোণাৰিয়ে
পুখুৰী খান্দিলে
যাউতিযুগীয়া হ'ল,
নগৰৰ একাষত
উপচা পানীৰে
আজিও জিলিকি ৰ'ল।

জনশ্ৰুতিয়ে কয়
লাঙি গদাপাণিক
নাগিনীয়ে ধৰিলে আল,
সোণাৰি গাঁৱতে
দলৈ সোণাৰিয়ে
পাতিলে সোণাৰি শাল।
ইতিহাসে সোঁৱৰাই
আমাৰ খোৱা ৰজাৰ
আছিল ৰাণী দুগৰাকী
বৰ মেচলৌ, সৰু মেচলৌ
ৰূপতো ৰূপৱতী।
তাম দলৈ জীয়াৰী
ৰজাৰে ঘৰতে
ৰজাৰে লিগিৰী হ'ল,
বৰ মিচাও, সৰু মিচাও
দুয়ো ৰাণী ঢুকোৱাত
লিগিৰীয়েই ৰাণী হ'ল।
ৰজাই শহুৰেকক
খাট পাম যাঁচিলে
দলৈও থিতাপি হ'ল।
দলৈ সোণাৰিৰ
নামতেই আজি
ঠাইখন সোণাৰি হ'ল।।

ঃঃঃ

# আহিবাচোন বন্ধু আকৌ লগ হ'ম

মুনমী কোঁৱৰ
প্ৰাক্তন ছাত্ৰী-২০০৫-২০০৭

আহিবাচোন বন্ধু
আকৌ লগ হ'ম
সোণাৰি মহাবিদ্যালয়ৰ বাকৰিত।
সময়ৰ আচোৰ লাগি ম্লান হ'ব ধৰা
চেহেৰাটোত বিচাৰি ল'ম তাহানিৰ তেজাল ৰং।
তথাপিও লগ হ'ম
কৰিম সকলোৱে অতীত ৰোমন্থন।
নষ্টালজিক হৈ পৰিব সময়বোৰ, আমিবোৰ
একেলগে .... বাৰেবাৰে।
উভতি যাম সকলোৱে
মহাবিদ্যালয়ৰ স্মৃতিৰ দুৱাৰ হেঁচুকি
ক্লাছ ৰুম, কেণ্টিন, লাইব্ৰেৰী, হোষ্টেলৰ হাঁহি-ধেমালি, আড্ডাৰ মাজলৈ।
আহিবাচোন বন্ধু
আকৌ লগ হ'ম
সোণাৰি মহাবিদ্যালয়ৰ বাকৰিত।
সেউজ হ'ব মনবোৰ
জীপাল হ'ব সময়বোৰ
আন্তৰিকতাৰ ৰাগীত
ৰজনজনাব চৌদিশ
পলকতে হেৰাব যৌৱনৰ আবেলি গোন্ধ।
আহিবাচোন বন্ধু
আকৌ লগ হ'ম
সোণাৰি মহাবিদ্যালয়ৰ বাকৰিত।

ঃঃঃঃঃঃ

## যুগ্মতাৰ দৰ্শন

মানসী ৰাজখোৱা শইকীয়া
প্ৰাক্তন ছাত্ৰী

কুলু কুলু সুৰেৰে জুৰিটি বৈ যায় নদীলৈ,
নদীখিনিও আপোন মনেৰে সাগৰক ধিয়ায়।
ৰিবৰিবকৈ মলয়াচাটি বয়,
যেন স্বৰ্গীয় সুবাস মানে।
ভগৱানৰ সৃষ্টিত ইমান যে সমতা,
ফৰিঙ জনীলৈও কঁচুপাত খিলা।
সকলোতে দেখোঁ গতিশীলতা,
তেন্তে তোমাৰ কিয় আকৰ্ষণহীনতা?

চোৱা! গিৰিৰাজৰ নীলা আকাশ আৰৱা
সাগৰৰ তৰঙ্গৰাজিৰ আলিঙ্গনৰ মেলা।
ফুল ফুলি নন্দন-কানন শোভে
মৌ-মাখিয়ে আপোন পাহৰি ৰসপান কৰে।
সূৰ্যৰ কিৰণত সজীৱ হয় সেউজীয়া ধাৰা
সাগৰৰ পানীত জোনৰ ৰূপোৱালী মায়া।
সৃষ্টিৰ সকলোতে যুগ্মতাৰ চিন,
তুমি আৰু মই
কিয় অচিন?

মূল কবিতাঃ Lov's Philosophy, by- P.B. Shelly (1192-1822)

৪৪৪৪

## জয়তু সোণাৰি মহাবিদ্যালয়

জয়িতা চক্ৰৱৰ্তী
প্ৰাক্তন ছাত্ৰী

"জ্ঞানৰ শিৰোমণি তুমি
লক্ষ্যজনৰ জীৱন প্ৰদায়িনী,
জিলিকি আছা মধ্যমণি হৈ....!!
তোমাৰ কোলাতেই লালিত আমাৰ ৰঙীণ সপোন,
বুকুত পালিত আশাবোৰৰ
তুমিয়েই প্ৰতিফলনৰ দাপোন!!
আদৰ্শ, প্ৰীতি আৰু সংস্কৃতিৰ ডোলেৰে
একতাৰ জয়গান গাই
চিৰধাৱমান তুমি সপোন সঞ্চাৰী.....
সোণাৰুৰ মণিহাৰ পৰিহিতা,
নাহৰ ফুলৰ বুটা বচা চাদৰ মেৰিয়াই!!
তোমাতেই জানিলোঁ....
জাতি, ভাষা, ধৰ্মৰ বিভিন্নতাত
বন্ধুত্ব আৰু একতাৰ মানে,
তোমাতেই শিকিলোঁ...
সাহস, পৰিশ্ৰম, আত্মবিশ্বাসৰ ভেটিত
সফলতাৰ প্ৰাচীৰ গঢ়াৰ কলা,
মানৱীয়তাও আৰ্জিলে মনে।
হাজাৰ সেনানীৰ দুৰ্গম বাট
পোহৰাই তোলে তোমাৰ জ্যোতিয়ে
আশাৰ বন্তি গছি হৈ....
কলা-বিজ্ঞানৰ দুখনি বাহুৰে
আলসুৱা আমাৰ এধানি সপোন
মৰমেৰে আঁকোৱালী লৈ....!!
শিৰত শোভিত যুগৰ গৌৰৱ ধ্বজা
মুখৰিত চৌদিশ তোমাৰ আনন্দময়।
আজি তোমাৰ সোণালী জয়ন্তী!!
অনাগত উত্তৰণৰ শীৰ্ষত বিৰাজিতা
আমাৰ প্ৰাণৰো প্ৰাণৰ তুমি,
বিচ্ছিন্নতাৰ মিলনভূমি তুমি,
জয়তু হে সোণাৰি মহাবিদ্যালয়...।।"

৪৪৪৪

## আহ ঐ আহ

পাহ্মি কোঁৱৰ
প্ৰাক্তন ছাত্ৰী

জিলিকে সোণ জিলিকে পাহি
জিলিকে ৰং-বাখৰ।
জিলিকে মণিকা জিলিকে মইনা
ফলিত লিখে আখৰ।।

বছৰ আহি পঞ্চাশ পালেহি
উৰিলে পতাকা।
জ্ঞানৰ জোনাকী উৰে আন্ধাৰত
পোহৰে গৰকা।।

শত বিদ্যাৰ্থীৰ আজি সমাৱেশ
বাগৰি আহিছে সুৰ।
বিদায় ৰূপালী আদৰো সোণালী
জ্বলাই বন্তি মোৰ।।

হাঁহি ফুলেৰে জ্ঞানৰ জ্যোতিৰে
সুঁৱৰি উৎস মূল।
সোণালীক লৈ পাতো উৎসৱ
নাচো বজাওঁ ঢোল।।

আহ ঐ আহ
আজি সোণাৰিত
বজাওঁ বিহু-ঢোল।।

ঃঃঃঃ



## আকৌ এবাৰ উভতি চাওঁ

ৰাজশ্ৰী বৰগোহাঁই
প্ৰাক্তন ছাত্ৰী- ২০১৮-২১

সোণাৰিৰ সোণালী বুকুত
সত্তৰ দশকতে উজ্বলি উঠা
এটি জ্ঞান মন্দিৰ
সেই মন্দিৰৰ উমত জীৰায়
অজস্ৰ জ্ঞানান্বেষী চৰাই
বুকুৰ অমৃত পান কৰি
ডেউকা কোবাই উৰি যায়
দূৰলৈ বহু দূৰলৈ....
কলা-বিজ্ঞানৰ শলিতা জ্বলি
দিব্যজ্যোতিৰে উজ্বলি উঠে চৌপাশ
সেউজীয়াবোৰ সোণবৰণীয়া হয়
স্ব-মহিমাৰে মহিমামণ্ডিত হয় ইতিহাস
সুবাসিত হয় সেউজী সোণাৰি
জলমলাই জিলিকে
স্বৰ্ণিল জ্যোতি
সেই যে এৰি আহিলো
মন্দিৰৰ দীঘল পদূলিটো
আৰু উৰ্বৰা মাটি...
এতিয়াও সেই পলসুৱা মাটিত
হাজাৰ বীজৰ গজালি....
এতিয়াও ছন্দোময়
মোৰ কৈশোৰ আৰু যৌৱনৰ
আলসুৱা দিন।
দুচকুত ভাঁহি উঠে
সমুখৰ সেউজীয়া দলিচাত
সহপাঠীৰ সৈতে আমাৰ
সুমধুৰ আলাপ
এনেকৈয়ে জ্ঞানৰ মুকুতাৰে
সমৃদ্ধ মন্দিৰৰ বাকৰি...
সময়ে সাজ সলায়
এতিয়াও কঢ়িয়াই ফুৰো
তাৰ মধুৰ স্মৃতি
মনত পৰেনে তোমালোকৰ সেই অতীত
সেউজীয়া হোৱাৰ প্ৰতিশ্ৰুতি লৈ
সোমাই আহিছিলা সেই পদূলিয়েদি
এখোজ দুখোজকৈ
ভিতৰলৈ আৰু ভিতৰলৈ
সম্ভাৱনাৰ মিঠা সুৰ এটি হৈ
সপোনবোৰ ফুলাবলৈ...
বতাহত উৰা কেঁচা মাটিৰ সুঘ্ৰাণ
আমিবোৰ
কাঁচিয়লি ৰ'দত জিলিকা অতীত মাধুৰী
আহাঁচোন
আকৌ এবাৰ উভতি চাওঁ
হেপাহৰ হেৰুৱা দিনবোৰ
বিচাৰি যাওঁ হেৰুৱা দিনৰ
অময়া বিনন্দীয়া মাত
মেলি দিওঁ দুহাত
জোলোঙাত
ভৰি পৰক আকৌ এবাৰ
আৰ্শীবাদৰ ফুল...
সৰি পৰক স্মৃতিৰ পাত
সোণাৰি মহাবিদ্যালয়ৰ
স্বৰ্ণমণ্ডিত ইতিহাস খচিত
বৰ্ণময় দিনৰ সুবাস। ঃঃঃ

# সোণাৰি মহাবিদ্যালয়

প্ৰিয়া বাঘ
প্ৰাক্তন ছাত্ৰী

হে মোৰ স্বনাম ধন্য সোণাৰি মহাবিদ্যালয়
তোমালৈ শত কোটি প্ৰণাম
তুমি জোনাকৰ পোহৰেৰে
আলোকিত কৰি আশাৰ জীৱনলৈ
ঢালি দিলা জ্ঞানৰ বিদ্যা
তোমালৈ শতকোটি প্ৰণাম।
জ্ঞানৰ মনিক বুটলিবলৈ
অহা ক'ত সন্তানক
তোমাৰ সেউজী বুকুত দিলা স্থান
তোমালৈ শতকোটি প্ৰণাম।
জীৱন পিয়াসী ক'ত সন্তানক
আগবঢ়াই দিলা
বিদ্যাৰ পথত
তোমালৈ শতকোটি প্ৰণাম
প্ৰত্যেকৰে জীৱনত জ্ঞানৰ মেলিলে
কলি এপাহি-দুপাহিকৈ
জিলিকি উঠিল সকলোৰে
ওঁঠত নতুন হাঁহি।
জ্ঞানৰ বন্তি জ্বলাই
জীৱনক উজ্বলাই দিলাহি তুমি
তোমালৈ শতকোটি প্ৰণাম।
হে মোৰ স্বনাম ধন্য সোণাৰি মহাবিদ্যালয়
তোমালৈ শতকোটি প্ৰণাম।



# সোণাৰি কলেজৰ মই অৰুন্ধতী

জুৰি দেৱী ফুকন

সোণাৰি কলেজৰ মই অৰুন্ধতী
পাইছানে চিনি???
সেই যে দুডাল বেণী
মুখত খিল্ খিল্ হাঁহি
সকলোৰে মৰমৰ অৰুন্ধতী।
চিনিব পৰা নাই
কোনো কথা নাই
সময়ৰ বা লাগি হেৰাল
দুডলীয়া বেণী, মুখৰ খিল্ খিল্ হাঁহি।
চুলিত লাগিল ৰূপোৱালী বোল
তথাপি আহিছো আজি কলপ সানি
সোণাৰি কলেজৰ মই অৰুন্ধতী...।
বৰকৈ আজলী আছিলো
কেণ্টিনৰ চাহকাপো খাব নাজানিলো
নাজানিলো লেখিব নীলা খামৰ চিঠি....
বুকুত মাথো দুভৰিত ঠিয় দিয়াৰ ছবি...।
মইয়ে আছিলো সোণাৰি কলেজৰ
তাহানিৰ আজলী অৰুন্ধতী।
ডাঠ ফ্ৰেমৰ চচ্‌মা আজি
পাইছানে চিনি...?
বহু ধুমুহা পাৰ কৰি
সময় নদীত সাঁতুৰি নাদুৰি
গহীন সাজযোৰ পিন্ধি
নিশ্চুপ হৈ ৰৈ আছো আজি
সোণাৰি কলেজৰ মই অৰুন্ধতী.....।

উখল-মাখল
সোণাৰি কলেজৰ চৌহদ
গছে-বনে, আকাশে-বতাহে
বিচাৰি কৰিছো চলাথ
ক'ৰবাত কিজানিবা লাগি আছে
আমাৰ মীনা কৰা যৌৱন....।
সোঁৱৰণীৰ টুকুৰাবোৰ
পনিয়লী বাখৰ হৈ উজলিছে.....
আহ..., স্মৃতি কাতৰতাত বিহ্বল
মই সোণাৰি কলেজৰ অৰুন্ধতী....।
গুৰুসৱ আহিছে আসনত বহিছে
কি দি কৰিম সেৱা
কত যে ছবি মনৰ মাজেৰে
কৰিছে অগাদেৰা।
চহৰ প্ৰান্তৰৰ
চাহাব-মেমৰ স্মৃতি সনা
সপোন সপোন লগা
বৃটিছৰ জিম্‌খানা
জ্ঞানৰ শলিতা জ্বলাই
হৈছিল যেন গৰৱিনী
পীন্নোনত পয়োধৰা....।
নাই তাৰ চিন নাই ছবি....
অতীতৰ সাক্ষী ধূলিত মিলিল
শোকাহত মই
সোণাৰি কলেজৰ অৰুন্ধতী....।
এনেকৈয়ে বাগৰে সময়
অতীতৰ বুকুত নকৈ গজি উঠে
ৰঙীণ সপোন....
ঋতুৱে সলায় শৰীৰি পোচাক।।

আজি সোণালী পতাকা
বৈ বৈ উৰিছে..
চকুবোৰে চিনাকী মুখ
বিচাৰি ফুৰিছে.....,
হয় নে নহয়কৈ ইজনে সিজনক চাইছে
কুশল বাৰ্তা বিনিময় কৰিছে
সময় নদী উভটি বৈছে...।
চকুহাল সেমেকি উঠিছে
কোনে জানে
আকৌ কেতিয়াবা
হ' বনে নহয় পুনৰ দেখা দেখি।
সেউজীয়া পাৰিৰ চাদৰ পিন্ধি
মিলন মেলাৰ চামিয়ানাৰ তলত
আছো বহি
মই সোণাৰি কলেজৰ অৰুন্ধতী।
মই সোণাৰি কলেজৰ অৰুন্ধতী।

*জুৰি দেৱী ঃ বৰ্তমান বামপথাৰ বেঙেনাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা।*



# সোণাৰি কলেজ

তৰু গগৈ
প্ৰাক্তন ছাত্ৰী

সোণাৰি কলেজ
মোৰ বাবে এক অপূৰ্ব ইতিহাস
যিদিনা এক পোৱা-নোপোৱাৰ দোমোজাত
প্ৰৱেশিলো তোমাৰ সেউজসনা পদূলিত,
অযুত ৰঙেৰে পৰিপূৰ্ণ চৌপাশৰ স্পৰ্শত
মন মোৰ কম্পমান হৈছিল
কিবা যেন অজানা শিহৰণত।
ভৱিষ্যত সজোৱাৰ নীলাভ স্বপ্নবোৰে
নকৈ গজালি মেলি
জীৱনৰ কণ্টকময় পথ
সোণোৱালী হোৱাৰ বাটে প্ৰশস্ত হৈছিল
শ্ৰেণীকোঠাৰ বিশাল বৃক্ষ
শিক্ষাগুৰুৰ অনুশাসনপুষ্ট আদেশত
অনাগত দিনৰ স্বপ্নবিলাস মনে মোৰ
ঘোঁৰাৰ দৌৰত আগুৱাই যোৱাৰ
পণ লৈছিলো।
লক্ষ্য বিন্দু স্পৰ্শৰ তাড়নাত
অটল হৈ
সেই প্ৰেৰণাৰ নিভৃত প্ৰেমৰ গতিবেগত
আজিও আছো মই
এক সুমধুৰ স্বপ্নালী আলোকৰ যাত্ৰা পথতে।
"জয়তু সোণাৰি কলেজ"

## স্বৰ্ণ জয়ন্তীৰ গীত (সোণাৰি মহাবিদ্যালয়)

কথাঃ কবিতা গগৈ চাবুকধৰা
সুৰঃ দীৰ্ঘজ্যোতি দত্ত
পৰিবেশনঃ ১০ ছেপ্তেম্বৰ, ২০২২ সাংস্কৃতিক সন্ধ্যাৰ আৰম্ভণী গীত
শিল্পীঃ তেজস্বিনী, অসম, চৰাইদেউ জিলা সমিতি, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষী

সোণাৰিতে
জ্ঞানৰ শলিতা গছি উজলিছে
মহামিলনৰ এই জ্ঞান মন্দিৰ
সাধনাৰ থলী সংস্কৃতিৰ
সত্য শিৱ চিৰ সুন্দৰ হে
প্ৰণামো তোমাক বাৰে বাৰে
স্বৰ্ণ জয়ন্তীৰ এই ক্ষণতে
স্মৃতিৰ পাপৰি সৰিছে ধীৰে।

সোণাৰুৰে সুৱাসেৰে
পাতিছো মিলন মেলা হেঁপাহেৰে
আঁহা জীৱনৰ জয়গীতি গাঁও
মিলন মাধুৰী সবাকে বিলাওঁ
চাও চুক্যামফাৰ আদৰ্শেৰে
দলৈ সোণাৰিৰ কিৰীতিৰে
আছে বহু কাহিনী চিৰযুগমীয়া হৈ
ইতিহাসৰ পাতে পাতে।

আজি সময় নদী বাগৰি গ'ল
হে বাগৰি গ'ল
বিজ্ঞান প্ৰজ্ঞানো আগুৱাই গ'ল
আগুৱাই গ'ল
নৱ চেতনাৰে নতুন পুৰুষে

আঁচনি তৰিব ন-সমাজৰ
ন-সমাজৰ ন-ফুলনিতে
ন গীত জুৰিব নতুন দিনৰ
সোণোৱালী ৰূপোৱালী আখৰেৰে
লিখি যাব নাম এই দেউলৰে
দেউলৰে।



## সোণাৰি মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে অনুষ্ঠিত প্ৰাক্তন সতীৰ্থ সন্মিলনৰ সাংস্কৃতিক সন্ধ্যাৰ আৰম্ভণী গীত

কথা - ডিম্বেশ্বৰ কোঁৱৰ
সুৰ - ডিম্বেশ্বৰ কোঁৱৰ আৰু ড° ৰীতা দত্ত
সংগীত - বুবু দেউঘৰীয়া আৰু দীৰ্ঘজ্যোতি দত্ত

স্ৰোতস্বিনী অ' দিচাংনদী
স্ৰোতস্বিনী অ' টিয়ক নদী
না না জাতি আৰু উপজাতিৰ
গঢ়ি দিলা তুমি মিলন ভূমি
সমন্বয়ৰ থলি এই সোণাৰি।

চৰাইদেউ সাক্ষী আছে চাওলুং চুকাফাৰ
ৰজাটাপে কথা কয় বৰাহী ৰজাৰ
সোণত সুৰগা চ'ৰে ৰজাপুখুৰী
নাহৰ আলি আৰু ৰজাবাৰী।
মৈদামে ভাষা দিয়ে আই নাফুকীৰ
সমন্বয়ৰ থলি এই সোণাৰি।

গীতি কবিজনাই জোনাকী মেলেৰে
সাহিত্যৰ বোৱালে সুঁতি
কবিতা কোঁৱৰে কবিতাৰ ভাষাৰে
জগতত দিলে চিনাকী।

ভজো বৰবৰুৱাই পুখুৰী খন্দালে
কিৰীতি ৰাখি থৈ গ'ল ঐ গোবিন্দাই ৰাম
গদাধৰ কোঁৱৰে ধোদৰ আলি বান্ধিলে
জাউতিযুগীয়া হ'ল ঐ গোবিন্দাই ৰাম।

সৌৱা পাৰ্বতীপুৰ কাষতে শান্তিপুৰ
সুকুমনগৰ, সেউজীপাম,
ভবানীপুৰ, সোণাপুৰ, টিয়কঘাট নহয় দূৰ,
তাতে গঢ়ে মিলনৰ ধাম।

হেৰা নামতোলা কাষত আছে বানফেৰা
ৰতনপুৰত ঝুমুৰ গীত গাম,
চাহ গছৰ আঁৰে আঁৰে ৰ'দালিৰ পৰশতে
হেঙুলী বৰণ সানে,
এটি কলি দুটি পাতে লক্ষ্মী আৰু বুধুৰাইঁতে
মৰমে মৰম যাচে।

অ' অ' অ' ...............

মন্দিৰ-মছজিদ নামঘৰে ঘৰে
আল্লা ঈশ্বৰৰ নাম হে,
গুৰুদ্বাৰ বিহাৰে জৈন মন্দিৰে
তোলে হৰি নামৰ ধ্বনিহে।

জয় জয় ৰাম জয় শ্ৰীৰাম জয় সনাতন হৰি এ.....

বাজক দবা বাজক শংখ
বাজক মৃদং খোল,
ধ্ৰুৱ তৰা হৈ উজ্বলি উঠক
মহাবিদ্যালয়ৰ বোল।

ঃঃঃঃ



# সোণাৰি মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে অনুষ্ঠিত সতীৰ্থ সন্মিলনৰ আৰম্ভণী গীত

গীতৰ কথা ঃ কল্পনা বৰুৱা
সুৰ ঃ জ্যোতি প্ৰসাদ মহন
সংগীত ঃ দীৰ্ঘজ্যোতি দত্ত, বুবু দেওঘৰীয়া
উপলক্ষ ঃ সতীৰ্থ সন্মিলন
পৰিৱেশনৰ তাৰিখ ঃ ৯ ছেপ্তেম্বৰ ২০২২
পৰিবেশন ঃ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষীসকল।

হিয়াৰ উমেৰে মালা গাঁঠি
যাচিছো প্ৰীতিৰ শৰাই
শব্দ-পুষ্পেৰে অৰ্ঘ্য যাঁচি
আদৰো প্ৰদীপ জ্বলাই
হে সতীৰ্থ তোমাক
অগ্ৰজ-অনুজ জ্যোতিপ্ৰপাত

মিউজিক .................

ইতিহাসৰ পাতে পাতে
জিলিকে সোণাৰি
পোহৰপিয়াসী
বুকুত সেউজী গজে
প্ৰজ্ঞাৰে পাৰিজাত ৰুই
মহাবিদ্যালয়ৰ চৰণ চুই
আদিৰো প্ৰদীপ জ্বলাই

মিউজিক .....................

আমিয়েই এন্ধাৰৰ প্ৰাচীৰ ভাঙো
জ্ঞান-বিজ্ঞানৰ বন্তি জ্বলাই
কলা-সংস্কৃতিৰ সাধনা কৰো
সাম্য-মৈত্ৰীৰ ধ্বজা উৰুৱাওঁ
প্ৰেম আৰু শান্তিৰ
বীজ সিচি সিচি
নতুনৰ জয় গীতি গাওঁ

মিউজিক ....................

স্বৰ্ণ জয়ন্তীৰ মধুৰ ক্ষণ
মহামিলনৰ সন্মিলন
ৰূপালী জোনাকত সোণালীৰ ঢল
হিয়াই নাচোনৰ প্ৰাঙ্গন
জ্ঞান মন্দিৰ আজি
নন্দন কানন

ঃঃঃঃ



## সোণাৰি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সংস্থাৰ বিষয়ববীয়াসকল

| | | |
|---|---|---|
| সভাপতি ঃ | শ্ৰী তপন কুমাৰ গগৈ | |
| কাৰ্যকৰী সম্পাদক ঃ | শ্ৰী টংকেশ্বৰ লাহন | |
| | শ্ৰী সুশীল কুমাৰ চুড়ী | |
| উপ-সভাপতি ঃ | শ্ৰী গণেশ বড়া | |
| | শ্ৰী বিজয়ানন্দ শইকীয়া | |
| | শ্ৰী দিলীপ ৰঞ্জন বৰুৱা | |
| যুটীয়া সম্পাদক ঃ | শ্ৰী বিনোদ ৰাজখনিকৰ | |
| | শ্ৰী দেৱ কুমাৰ গুপ্তা | |
| সহঃ সম্পাদক ঃ | শ্ৰীমতী কল্পনা বৰুৱা, | শ্ৰী দিব্যজ্যোতি কোঁৱৰ, |
| | শ্ৰীমতী চম্পা ৰাংচু, | শ্ৰী বিজু প্ৰধান, |
| | মঃ মইদুল ইছলাম বড়া, | শ্ৰী পুতুল শইকীয়া, |
| | শ্ৰী কৃষ্ণ কোঁৱৰ, | শ্ৰী দীচেন গগৈ |
| প্ৰচাৰ সম্পাদক ঃ | শ্ৰী হানচেং কোঁৱৰ | |
| | শ্ৰী হৃতিক কৌশিক | |
| | শ্ৰী ইমানী বৰুৱা | |
| সাংগঠনিক সম্পাদক ঃ | শ্ৰী সন্দীপ বুঢ়াগোহাঁই, | শ্ৰী প্ৰশান্ত কোঁৱৰ |
| | শ্ৰী পঙ্কজ ফুকন, | শ্ৰী অলিম্পিকা বুঢ়াগোহাঁই |
| সাংস্কৃতিক সম্পাদক ঃ | শ্ৰী তপন তাঁতী | |
| | শ্ৰী দীৰ্ঘজ্যোতি দত্ত | |
| কাৰ্য্যালয় সম্পাদক ঃ | শ্ৰী দুদুল ফুকন | |
| | শ্ৰী খঞ্জু গগৈ | |
| কোষাধ্যক্ষ ঃ | শ্ৰী দিলীপ বড়া | |
| কাৰ্য্যনিৰ্বাহক সদস্য ঃ | শ্ৰী দিগন্ত টাই | |
| | শ্ৰী চিন্ময় গগৈ | |
| | শ্ৰী ঋতুপৰ্ণ হাজৰিকা | |
| | শ্ৰী মধুপল্লী গগৈ | |
| | শ্ৰী চন্দন লাহন | |
| | শ্ৰী ভাস্কৰ বুঢ়াগোহাঁই | |
| | শ্ৰী কাব্যৰঞ্জন দত্ত | |
| আভ্যন্তৰীণ পৰীক্ষক ঃ | শ্ৰী অনাদি টাই | |

## সতীৰ্থ সন্মিলনৰ উপসমিতি

আহ্বায়ক ঃ দিলীপ ৰঞ্জন বৰুৱা
টংকেশ্বৰ লাহন
জুৰি দেৱী ফুকন
কল্পনা বৰুৱা।

সদস্যবৃন্দ ঃ কামনা ডেকা
তিলোতমা গগৈ
সুশীল চুড়ী
গণেশ বৰা
ডিম্বেশ্বৰ কোঁৱৰ
স্বপন কৰ
চিত্ৰৰঞ্জন বৰা
কবিতা গগৈ চাবুকধৰা
অৰুণ বৈৰাগী
বিনোদ ৰাজখনিকৰ
দিলিপ বৰা
ভাস্কৰ বৰগোহাঁই
দীচেন গগৈ
সুৰেশ ফুকন
পূৰ্ণানন্দ ফুকন
বিপ্লৱজ্যোতি ৰাজখোৱা
অনিল বৰগোহাঁই
প্ৰশান্ত দত্ত
পুতুল শইকীয়া
সুনীতা মহন
কৃষ্ণ কোঁৱৰ
দুদুল ফুকন।

সমন্বয়ক ঃ বিনোদ ৰাজখনিকৰ
দিব্যজ্যোতি কোঁৱৰ।



## ঃঃ সম্পাদনা সমিতি ঃঃ


শ্ৰীযুত তপন কুমাৰ গগৈ
উপদেষ্টা


শ্ৰীযুত ধৰ্মেশ্বৰ কোঁৱৰ
উপদেষ্টা


ড° বিমল চন্দ্ৰ গগৈ
উপদেষ্টা


শ্ৰীযুত ননী বৰুৱা
উপদেষ্টা


শ্ৰীযুত টংকেশ্বৰ লাহন
উপদেষ্টা


শ্ৰীযুত সুশীল চুড়ী
উপদেষ্টা


শ্ৰীযুতা তিলোত্তমা গগৈ
উপদেষ্টা


শ্ৰীযুত ৰাতুল চেতিয়া ফুকন
উপদেষ্টা


শ্ৰী দিলীপ ৰঞ্জন বৰুৱা
সম্পাদক


শ্ৰী জুৰি দেৱী
সম্পাদক


শ্ৰী কল্পনা বৰুৱা
সম্পাদক


শ্ৰী কবিতা গগৈ
সহঃ সম্পাদক


শ্ৰী মিন্টু তাঁতী
সহঃ সম্পাদক


শ্ৰী স্বপন কৰ
সদস্য


শ্ৰী থানু মহন
সদস্য


শ্ৰী ডিম্বেশ্বৰ কোঁৱৰ
সদস্য


শ্ৰী লেখক গগৈ
সদস্য


শ্ৰী চন্দন লাহন
সদস্য


শ্ৰী সুনীতা মহন
সদস্য


শ্ৰী বিনোদ ৰাজখনিকৰ
সমন্বয়ক


শ্ৰী দিব্যজ্যোতি কোঁৱৰ
সমন্বয়ক


শ্ৰী অৰুণ বৈৰাগী
বেটুপাত শিল্পী



সতীৰ্থ সন্মিলন উপ-সমিতিৰ একাংশ


## এটি এটি ক্ষণযেন মুকুতাৰে ধন.....



## এটি এটি ক্ষণ যেন মুকুতাৰে ধন.....





নিৰ্মাণৰত অৱস্থাত মহাবিদ্যালয়ৰ
প্ৰাক্তন ছাত্ৰ সংস্থাৰ ভৱন